PGAS S3 03 (Lang)

পালি-প্রাকৃত-অপভ্রংশ ভাষা পাঠ আৰু তুলনামূলক ব্যাকৰণ

তৃতীয় ষাণ্মাসিক

অসমীয়া

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° **মালিনী গোস্বামী,** অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়
ড° **উপেন ৰাভা হাকাচাম,** অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়
ড° **খগেশ সেন ডেকা (অৱসৰপ্রাপ্ত),** সহযোগী অধ্যাপক, পূব কামৰূপ মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° নিভা ৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*
১	**গোলাপ সূত,** প্রাগজ্যোতিষ মহাবিদ্যালয়, গুৱাহাটী
৭ আৰু ৮	ড° **মিলন নেওগ,** আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়, নগাওঁ
২, ৩, ৪, ৫, ৬, ৯ ১০, ১১ আৰু ১২	ড° **খগেশ সেন ডেকা,** পূব কামৰূপ মহাবিদ্যালয়, বাইহাটা চাৰিআলি

সম্পাদনা ঃ

বিষয়বস্তু আৰু ভাষা সম্পাদনা ঃ ড° **লীলাৱতী বৰা শইকীয়া,** গুৱাহাটী বিশ্ববিদ্যালয়, **(অধ্যায় ঃ ২, ৩, ৪, ৫, ৬, ৭, ৮, ৯, ১০, ১১ আৰু ১২)**
ড° **বর্ণালী ডেকা,** পূব কামৰূপ মহাবিদ্যালয়, বাইহাটা চাৰিআলি **(অধ্যায় ঃ ১)**

গাঁথনিক সম্পাদনা ঃ ড° **নিভা ৰাণী ফুকন,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ জুলাই, ২০১৮

© কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত।


This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

For the avoidance of doubt, by applying this license KKHSOU does not waive any privileges or immunities from claims that it may be entitled to assert, nor does KKHSOU submit to the jurisdiction, courts, legal processes or laws of any jurisdiction.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা **নতুন দিল্লীৰ দূৰ শিক্ষা পৰিষদৰ** ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী-৭৮১ ০১৭; Web : www.kkhsou.in
উপ-মুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী-৭৮১ ০০৬

পাঠ্যবিষয়ৰ পৰিচয় ঃ

এইখন স্নাতকোত্তৰ অসমীয়া পাঠ্যক্ৰমৰ তৃতীয় ষান্মাসিকৰ অন্তৰ্গত ভাষা শাখাৰ শিক্ষাৰ্থীৰ বাবে আগবঢ়োৱা তৃতীয় পাঠ্য বিষয়। ইয়াত শিক্ষাৰ্থীয়ে মধ্য ভাৰতীয় আৰ্য ভাষাৰ স্তৰসমূহৰ বিষয়ে জানিবলৈ পাব। তাৰ লগতে মধ্য ভাৰতীয় আৰ্য ভাষাৰ অন্তৰ্গত পালি, প্ৰাকৃত আৰু অপভ্ৰংশ ভাষাত ৰচিত হোৱা কেইটিমান উল্লেখযোগ্য সাহিত্য-কৃতিৰ লগতো পৰিচিত হোৱাৰ সুযোগ লাভ কৰিব। শিক্ষাৰ্থীৰ সুবিধাৰ বাবে পাঠসমূহ বিস্তৃতভাৱে লিখা হৈছে যাতে খুটি-নাটি মাৰি সকলো দিশৰ আলোচনা সামৰিব পৰা যায়। তদুপৰি সাহিত্যৰ পাঠকেইটাও মূল আলোচনাৰ মাজতে এনেভাৱে সুমুৱাই দিয়া হৈছে যাতে পাঠৰ ধাৰাবাহিকতাও ভংগ নহয় আৰু শিক্ষাৰ্থীয়েও অতি সহজতে সকলো কথা বুজি পাব পৰা হয়।

প্ৰথম অধ্যায়টোৰ শিৰোনাম 'অনুশাসন'। ইয়াত অশোকৰ অনুশাসনমালাৰ আলোচনা কৰা হৈছে। দ্বিতীয় অধ্যায় 'ধম্মপদ'। ইয়াত পালি ভাষাত ৰচিত প্ৰাচীনতম বৌদ্ধ ধৰ্মগ্ৰন্থ ধম্মপদৰ অন্তৰ্গত কেইটামান পদৰ আলোচনা কৰা হৈছে। তৃতীয় আৰু চতুৰ্থ অধ্যায় ক্ৰমে 'সাহিত্যিক প্ৰাকৃতৰ নিদৰ্শন ঃ *গাহাসত্তসঈ*ৰ নিৰ্বাচিত গাথা ১, ২, ৭, ৯ আৰু ১০' আৰু সংস্কৃত নাটকত থকা প্ৰাকৃতাংশৰ কবি ঃ *অভিজ্ঞানশকুন্তলম*ৰ ষষ্ঠ অংকৰ প্ৰৱেশক'ত ক্ৰমে মহাৰাষ্ট্ৰী প্ৰাকৃত, শৌৰসেনী আৰু মাগধী প্ৰাকৃতৰ মনোজ্ঞ সাহিত্যিক নিদৰ্শন প্ৰকাশ পাইছে। অৱহট্‌ঠ সাহিত্যৰ নিদৰ্শন ফুটি উঠিছে অধ্যায় পাঁচ আৰু অধ্যায় ছয়ৰ মাজেদি য'ত শিক্ষাৰ্থীয়ে 'আব্দুৰ ৰহমানৰ *সন্দেহ ৰাসকৰ* দ্বিতীয় প্ৰক্ৰমঃ ৰ ১-৫' আৰু 'বিদ্যাপতিৰ *কীৰ্তিলতা* ঃ ১-৫ নং গাথা' পঢ়িবলৈ পাব।

সপ্তম আৰু অষ্টম অধ্যায়ত মধ্যভাৰতীয় আৰ্যভাষা, পালি ভাষা আৰু প্ৰাকৃত ভাষাৰ সাধাৰণ বৈশিষ্ট্যসমূহ আলোচিত হৈছে। আধুনিক ভাৰতীয় ভাষাসমূহৰ বিকাশৰ ইতিহাসত মধ্যভাৰতীয় আৰ্যভাষাৰ গুৰুত্ব অপৰিসীম। নৱম আৰু দশম অধ্যায়ত সংস্কৃত-পালি-প্ৰাকৃতি-অপভ্ৰংশৰ স্বৰধ্বনি, ব্যঞ্জনধ্বনি, গুণ-বৃদ্ধি-সম্প্ৰসাৰণৰ আলোচনা আছে। একাদশ অধ্যায়ত সংস্কৃত পালি-প্ৰাকৃত-অপভ্ৰংশৰ ব্যঞ্জনধ্বনি, সংযুক্ত ব্যঞ্জন, সন্ধিৰ আলোচনা পঢ়িবলৈ পাব। একাদশ অধ্যায় আৰু দ্বাদশ অধ্যায়ত ক্ৰমে সংস্কৃত-পালি-প্ৰাকৃত-অপভ্ৰংশ শব্দৰূপ ঃ কাৰক, শব্দ বিভক্তি, বচন আৰু লিঙ্গ তথা সংস্কৃত-পালি প্ৰাকৃত-অপভ্ৰংশৰ ধাতুৰূপ (মুখ্য আৰু গৌণ) কাল, ল-কাৰ, নিজন্ত, তুমুণন্তৰ আলোচনা আগবঢ়োৱা হৈছে।

এই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠৰ থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিবিষ্ট হৈছে। সেইদৰে— 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ 'অগ্ৰগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতিৰ সম্পৰ্কে স্ব-পৰীক্ষাৰ সুবিধা দিব। উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহৰ ৰূপৰেখা 'অগ্ৰগতিৰ খতিয়ান'ত সন্নিবিষ্ট কৰা হৈছে। তাৰ সহায়েৰে আপুনি প্ৰশ্নবোৰৰ উত্তৰসমূহ লিখিবলৈ যত্ন কৰিলে অধিক লাভদায়ক হ'ব। অধ্যায়সমূহত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শাখাত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথি স্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গপুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয় সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ অনুশাসন ৭ - ২৭

অশোকৰ অনুশাসনৰ শ্রেণীবিভাজন, অশোকৰ অনুশাসনৰ ভাষা, অশোকৰ 1নং গিৰ্নাৰ অনুশাসনৰ মূল পাঠ, গিৰ্নাৰ অনুশাসনৰ অসমীয়া ভাঙনি, গিৰ্নাৰ অনুশাসনৰ শব্দগত টোকা, অশোকৰ ২নং গিৰ্নাৰ অনুশাসনৰ মূল পাঠ, ২নং গিৰ্নাৰ অনুশাসনৰ অসমীয়া অনুবাদ, ২নং গিৰ্নাৰ অনুশাসনৰ শব্দগত টোকা

অধ্যায় ২ ঃ ধম্মপদ ২৮ - ৪২

ধম্মপদৰ সাধাৰণ ধাৰণা, ধম্মপদ শব্দৰ অর্থ, ধম্মপদ ৰচনাকাল, ধম্মপদৰ ভাষা, বিভিন্ন ভাষাত ধম্মপদ, ধম্মপদৰ বিষয়বস্তু আৰু দর্শনতত্ত্ব

অধ্যায় ৩ ঃ সাহিত্যিক প্রাকৃতৰ নিদর্শন ঃ গাহাসত্তসঈৰ নির্বাচিত গাথা ১, ২, ৭, ৯ আৰু ১০ ৪৩ - ৬২

*গাহাসত্তসঈ*ৰ চমু পৰিচয়, সংকলকৰ পৰিচয়, ৰচনাকাল, বিষয়বস্তু, ভাষাগত বৈশিষ্ট্য, নির্বাচিত পাঠৰ অসমীয়া অনুবাদ আৰু শব্দগত টোকা

অধ্যায় ৪ ঃ সংস্কৃত নাটকত থকা প্রাকৃতাংশ ঃ *অভিজ্ঞানশকুন্তলম*ৰ ষষ্ঠ অংকৰ প্রৱেশক ৬৩ - ৮৭

নাটকৰ চমু পৰিচয়, বিষয়বস্তু, নাট্য প্রয়োজনীয়তা, সামাজিক চিত্র, ভাষাগত বৈশিষ্ট্য, নির্বাচিত পাঠৰ অসমীয়া অনুবাদ আৰু শব্দগত টোকা

অধ্যায় ৫ ঃ অৱহট্‌ঠ সাহিত্য পাঠ (১) ৮৮ - ১১২

আব্দুৰ ৰহমানৰ *সন্দেহ ৰাসকৰ* দ্বিতীয় প্রক্রম ঃ ৰ ১-৫

কবি পৰিচয়, *সন্দেশ ৰাসকৰ* ৰচনাকাল, *সন্দেশ ৰাসক* কাব্যৰ নামকৰণ আৰু গঠন বৈশিষ্ট্য, বিষয়বস্তু আৰু কাব্যিক সৌন্দর্য, ভাৰতীয় দূত-কাব্য আৰু *সন্দেহ ৰাসক,* ভাষাগত বৈশিষ্ট্য, মূল পাঠৰ অসমীয়া অনুবাদ আৰু শব্দগত টোকা

অধ্যায় ৬ ঃ অৱহট্‌ঠ সাহিত্য পাঠ (২) ১১৩ - ১৩২

বিদ্যাপতিৰ *কীর্তিলতা* ঃ ১-৫ নং গাথা

কবি পৰিচয়, *কীর্তিলতা* কাব্যৰ নামকৰণ আৰু বিষয়বস্তু, *কীর্তিলতা* কাব্যৰ ঐতিহাসিক মূল্য, *কীর্তিলতা* কাব্যৰ সাহিত্যিক সৌন্দর্য, *কীর্তিলতা*ৰ ভাষাগত বৈশিষ্ট্য, মূল পাঠ, অসমীয়া অনুবাদ আৰু শব্দগত টোকা

অধ্যায় ৭ ঃ **মধ্য ভাৰতীয় আর্যভাষা** **১৩৩ - ১৫০**
মধ্য ভাৰতীয় আর্যভাষা; আদি যুগ, মধ্য যুগ, অন্ত্য যুগ

অধ্যায় ৮ ঃ **পালি ভাষাৰ সাধাৰণ বৈশিষ্ট্য** **১৫১ - ১৬১**
পালি ভাষাৰ সাধাৰণ বৈশিষ্ট্য ঃ ধ্বনিতাত্ত্বিক বৈশিষ্ট্য, পালি ভাষাৰ সন্ধি, পালি ভাষাৰ শব্দৰূপ, পালি ভাষাৰ ধাতুৰূপ

অধ্যায় ৯ ঃ **সংস্কৃত-পালি-প্রাকৃত-অপভ্রংশৰ স্বৰধ্বনি, গুণ-বৃদ্ধি-সম্প্রসাৰণ** **১৬২ - ১৭২**
স্বৰধ্বনি, স্বৰধ্বনিৰ গুণ-বৃদ্ধি-সম্প্রসাৰণ

অধ্যায় ১০ ঃ **সংস্কৃত-পালি-প্রাকৃত-অপভ্রংশৰ ব্যঞ্জনধ্বনি, সংযুক্ত ব্যঞ্জনধ্বনি, সন্ধি** **১৭৩ - ১৯১**
ব্যঞ্জনধ্বনি, সংযুক্ত ব্যঞ্জন, সন্ধি

অধ্যায় ১১ ঃ **সংস্কৃত-পালি-প্রাকৃত-অপভ্রংশৰ শব্দৰূপ ঃ কাৰক, শব্দ-বিভক্তি, বচন আৰু লিঙ্গ** **১৯২ - ২১২**
সংস্কৃত-পালি-প্রাকৃত-অপভ্রংশৰ শব্দৰূপ ঃ কাৰক, শব্দ-বিভক্তি, বচন আৰু লিঙ্গ ঃ সংস্কৃতৰ শব্দৰূপ, সংস্কৃতৰ বচন, লিঙ্গ আৰু শব্দ-বিভক্তি, সংস্কৃতৰ কাৰক আৰু শব্দ-বিভক্তি, সংস্কৃত-শব্দৰূপৰ শ্রেণীবিভাগ, সংস্কৃত শব্দৰূপৰ অন্যান্য বিশেষত্ব, পালি-প্রাকৃত-অপভ্রংশৰ শব্দৰূপ

অধ্যায় ১২ ঃ **সংস্কৃত-পালি-প্রাকৃত-অপভ্রংশৰ ধাতুৰূপ (মুখ্য আৰু গৌণ) কাল, ল-কাৰ, ণিজন্ত, তুমুণন্ত** **২১৩ - ২৪১**
সংস্কৃত-পালি-প্রাকৃত-অপভ্রংশৰ ধাতুৰূপ ঃ (মুখ্য আৰু গৌণ) ঃ কাল, ল-কাৰ, ণিজন্ত, তুমুণন্ত ঃ সংস্কৃতৰ মুখ্য ধাতুৰূপ, কাল আৰু ভাব অনুসৰি বিভক্তিৰ প্রয়োগ ঃ ল-কাৰ, গণ বিভাজন, পালি-প্রাকৃতৰ ধাতুৰূপ, সংস্কৃতৰ গৌণ বা সাধিত ধাতুৰূপ, ণিজন্ত বা পাঁচনি ধাতু, নামধাতু, তুমুণন্ত ক্রিয়া

প্রসঙ্গ পুথি **২৪২ - ২৪৪**

অধ্যায় ১ ঃ অনুশাসন

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ মধ্য ভাৰতীয় আর্য ভাষাৰ বিভিন্ন স্তৰ

১.৪ অশোকৰ অনুশাসনমালা

১.৪.১ অশোকৰ অনুশাসনৰ শ্রেণী বিভাজন

১.৪.২ অশোকৰ অনুশাসনৰ ভাষা

১.৫ অশোকৰ ১নং গিৰ্নাৰ অনুশাসন

১.৫.১ ১নং গিৰ্নাৰ অনুশাসনৰ মূল পাঠ

১.৫.২ ১নং গিৰ্নাৰ অনুশাসনৰ অসমীয়া ভাঙনি

১.৫.৩ ১নং গিৰ্নাৰ অনুশাসনৰ শব্দগত টোকা

১.৬ অশোকৰ ২নং গিৰ্নাৰ অনুশাসন

১.৬.১ ২নং গিৰ্নাৰ অনুশাসনৰ মূল পাঠ

১.৬.২ ২নং গিৰ্নাৰ অনুশাসনৰ অসমীয়া ভাঙনি

১.৬.৩ ২নং গিৰ্নাৰ অনুশাসনৰ শব্দগত টোকা

১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৮ অধিক জানিবলৈ

১.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১.১০ আর্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতীয় আর্য ভাষাৰ স্তৰ বিভাজন সম্পর্কে জানিব পাৰিব আৰু লগতে প্রাচীন ভাৰতীয় আর্য ভাষাৰ স্তৰৰ পৰা ক্রমবিকশিত হৈ কি দৰে মধ্য ভাৰতীয় আর্য ভাষাৰ উদ্ভৱ হ'ল আৰু মধ্য ভাৰতীয় আর্য ভাষাই কেনেদৰে বিকাশ লাভ কৰিলে তাৰ আলোচনা আগবঢ়াব পাৰিব
- মধ্য ভাৰতীয় আর্য ভাষাৰ প্রথম স্তৰৰ সাহিত্যিক নিদর্শন অশোকৰ অনুশাসনৰ বিষয়ে জানিব পাৰিব

১.২ পৰিচয়

এইটো স্নাতকোত্তৰ অসমীয়া তৃতীয় যান্মাষিকৰ ভাষা শাখা (খ শাখা)ৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা তৃতীয় পাঠ্যবিষয় 'পালি-প্রাকৃত-অপভ্রংশ ভাষা পাঠ আৰু তুলনামূলক ব্যাকৰণ'ৰ প্রথম অধ্যায় 'অনুশাসন'। ইয়াত অশোকৰ অনুশাসনমালাৰ অন্তর্গত ১নং আৰু ২নং গিৰ্নাৰ অনুশাসনৰ আলোচনা কৰা হৈছে।

পৃথিৱীৰ সর্ববৃহৎ ভাষা পৰিয়াল ইণ্ডো-ইউৰোপীয়ৰ প্রধান শাখা হ'ল নটা। তাৰে ভিতৰত এটা হ'ল ইণ্ডো-ইৰাণীয় শাখা। এই শাখাৰ তিনিটা উপশাখা হ'ল— ইৰাণীয় আর্য, দর্দীয় আর্য আৰু ভাৰতীয় আর্য। ভাৰতত প্রাচীন কালৰে পৰা প্রচলিত হৈ অহা ইণ্ডো-ইউৰোপীয় পৰিয়ালৰ ভাষাবোৰকে ভাৰতীয় আর্য ভাষা বুলি কোৱা হয়। ভাৰতীয় আর্য ভাষাৰ বিৱর্তনৰ ইতিহাসক পণ্ডিতসকলে সময়ৰ ফালৰ পৰা তিনিটা স্তৰত ভাগ কৰিছে। সেইকেইটা হ'ল—

১) প্রাচীন ভাৰতীয় আর্য ভাষা (Old Indo-Aryan, চমুকৈ OIA)

২) মধ্য ভাৰতীয় আর্য ভাষা (Middle Indo-Aryan, চমুকৈ MIA)

৩) আধুনিক ভাৰতীয় আর্য ভাষা (New Indo-Aryan, চমুকৈ NIA)

প্রাচীন ভাৰতীয় আর্য ভাষাৰ সময় আনুমানিক খ্রীষ্টপূর্ব পঞ্চদশ শতিকাৰ পৰা খ্রীষ্টপূর্ব ষষ্ঠ শতিকা, মধ্য ভাৰতীয় আর্য ভাষাৰ সময় আনুমানিক খ্রীষ্টপূর্ব ষষ্ঠ শতিকাৰ পৰা খ্রীষ্টিয় দশম শতিকা আৰু আধুনিক ভাৰতীয় আর্য ভাষাৰ সময় আনুমানিক খ্রীষ্টিয় দশম শতিকাৰ পৰা বর্তমানলৈকে।

মধ্য ভাৰতীয় আর্য ভাষাক 'প্রাকৃত' নামেৰে জনা যায়। প্রাচীন ভাৰতীয় আর্য ভাষাৰ কথিত ৰূপটোৰ পৰিৱর্তনৰ ফলস্বৰূপেই ভাৰতৰ বিভিন্ন অঞ্চলত বিভিন্ন প্রাকৃত ভাষাৰ সৃষ্টি হয়। এই মধ্য ভাৰতীয় আর্য বা প্রাকৃত স্তৰক তিনিটা ভাগত ভগোৱা হৈছে—

আদি স্তৰ বা আদি প্রাকৃত (খ্রী. ৬ষ্ঠ - খ্রী. ১ম শতিকা)

মধ্য স্তৰ বা সাহিত্যিক প্রাকৃতৰ স্তৰ (খ্রী. ১ম - খ্রী. ৬ষ্ঠ শতিকা)

অন্ত্য স্তৰ বা অপভ্রংশ স্তৰ (খ্রী. ৬ষ্ঠ - খ্রী. ১০ম শতিকা)


আদি প্রাকৃতৰ উল্লেখযোগ্য নিদর্শন হ'ল অশোকৰ অনুশাসন আৰু পালি ভাষাত ৰচিত গ্রন্থ ত্রিপিটকৰ অন্তর্গত ধম্মপদ। এই অধ্যায়ত অশোকৰ অনুশাসনৰ বিষয়ে জানিব পৰা যাব। ইয়াত পাঠ্যপুথিত অন্তর্ভুক্ত কৰা অশোকৰ ১ নং আৰু ২ নং গিৰ্নাৰৰ মূল পাঠ আৰু তাৰ অসমীয়া ভাঙনি, ভাষাগত বৈশিষ্ট্য আদিৰ বিষয়ে অৱগত কৰোৱা হ'ব।

১.৩ মধ্য ভাৰতীয় আর্য ভাষাৰ বিভিন্ন স্তৰ

মধ্য ভাৰতীয় আর্য ভাষাৰ যুগ বুলিলে ভাৰতীয় আর্য ভাষাৰ দ্বিতীয় স্তৰটোকেই কোৱা হয়। এই স্তৰক আকৌ 'প্রাকৃত স্তৰ' নামেৰেও জনা যায়। এই স্তৰ প্রাচীন ভাৰতীয়

আর্য ভাষাৰ লৌকিক কথ্য ৰূপৰ বিৱর্তিত ৰূপ মাথোন। প্ৰাচীন ভাৰতীয় আর্য ভাষাৰ লোক সমাজত প্ৰচলিত কথ্য ৰূপটো সময়ৰ লগে লগে পৰিৱর্তন হ'বলৈ ধৰে। বহুকাল ধৰি প্ৰচলিত হৈ অহা ভাষাটোৱে ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্বৰ দিশত পৰিৱর্তনে দেখা দিলে আৰু এটা সুকীয়া ৰূপত আত্মপ্ৰকাশ কৰিলে। পণ্ডিতসকলে এই পৰিৱর্তনৰ সময় আনুমানিক খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকা আৰু এই স্তৰৰ শেষ সময় আনুমানিক খ্ৰীষ্টিয় দশম শতিকা বুলি ঠাৱৰ কৰিছে। প্ৰাকৃত ভাষাৰ বিকাশ এনে ধৰণে দেখুৱাব পাৰি—

চিত্ৰ ১.১ ঃ মধ্য ভাৰতীয় আর্য ভাষাৰ বিভিন্ন স্তৰ



ভাৰতবর্ষৰ বিভিন্ন অঞ্চলত খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকা মানৰ ভিতৰত বৈদিক যুগৰ কথিত ৰূপটোৱে পাঁচটা আঞ্চলিক ৰূপত আত্মপ্ৰকাশ কৰে। সেই আঞ্চলিক ৰূপকেইটা হ'ল—

ক) উত্তৰ-পশ্চিমা

খ) পশ্চিমা

গ) দক্ষিণী

ঘ) প্ৰাচ্য-মধ্যা আৰু

ঙ) প্ৰাচ্যা

এই পাঁচটা আঞ্চলিক ৰূপেই হ'ল প্ৰাকৃতৰ প্ৰাচীনতম ৰূপ।

উত্তৰ-পশ্চিমা আঞ্চলিক ৰূপটো প্ৰাচীন গান্ধাৰ বা বর্তমানৰ পাকিস্তানৰ অন্তর্গত ৰাৱালপিণ্ডি (ইছলামাবাদ), সমগ্ৰ পাঞ্জাৱ আৰু সিন্ধু অঞ্চলকে ধৰি অবিভক্ত ভাৰতৰ উত্তৰ-পশ্চিম অঞ্চলত প্ৰচলিত আছিল। উত্তৰ-পশ্চিমা আঞ্চলিক ৰূপৰ পৰাই পৰৱর্তী সময়ত 'পৈশাচী' প্ৰাকৃতে আত্মপ্ৰকাশ কৰে। পশ্চিমা আঞ্চলিক ৰূপটো প্ৰাচীন সৌৰাষ্ট্ৰ বা বর্তমানৰ গুজৰাট-ৰাজস্থান অঞ্চলত প্ৰচলিত আছিল। এই আঞ্চলিক ৰূপৰ পৰাই 'শৌৰসেনী' প্ৰাকৃতৰ উদ্ভৱ হৈছে। দক্ষিণী আঞ্চলিক ৰূপটো বিদর্ভ-মহাৰাষ্ট্ৰ অঞ্চলত প্ৰচলিত আছিল আৰু ইয়াৰ পৰাই 'মহাৰাষ্ট্ৰী' প্ৰাকৃতৰ উদ্ভৱ হৈছে। প্ৰাচ্য-মধ্যা আঞ্চলিক ৰূপটো প্ৰাচীন অৱন্তী, শূৰসেন, কুৰু, পাঞ্চাল আদি (বর্তমানৰ দিল্লী, মিৰাট, মথুৰা প্ৰভৃতি অঞ্চল) সৰস্বতী নদীৰ পৰা গংগা-যমুনা উপত্যকা পর্যন্ত পশ্চিম ভাৰতৰ মধ্য অঞ্চলত প্ৰচলিত আছিল। এই আঞ্চলিক ৰূপৰ

পৰাই অৰ্ধমাগধী প্ৰাকৃতৰ উদ্ভৱ হৈছে। প্ৰাচ্যা আঞ্চলিক ৰূপটো প্ৰাচীন মগধ-কোশল অঞ্চলত বা বৰ্তমানৰ অযোধ্যা-সাকেতকে ধৰি বিহাৰ পৰ্যন্ত ভাৰতৰ পূব অঞ্চলত প্ৰচলিত আছিল। এই আঞ্চলিক ৰূপৰ পৰাই মাগধী প্ৰাকৃতৰ উদ্ভৱ হৈছে।

মধ্য ভাৰতীয় আৰ্য ভাষাক 'প্ৰাকৃত' আখ্যা দিয়া হৈছে। এই নামকৰণ সন্দৰ্ভত বিভিন্ন পণ্ডিতে বিভিন্ন মত আগবঢ়োৱা দেখা যায়। সেই মতবোৰৰ ভিতৰত প্ৰথম হ'ল— প্ৰাকৃতিৰ পৰা উদ্ভৱ হোৱা ভাষাই হৈছে প্ৰাকৃত ভাষা। 'প্ৰকৃতি'ৰ অৰ্থ হ'ল মূল (basic) । এই প্ৰকৃতি বা মূল হ'ল সংস্কৃত ভাষা আৰু সংস্কৃতৰ পৰা উদ্ভৱ হোৱা ভাষাই প্ৰাকৃত ভাষা।



জানি থোৱা ভাল

সুপ্ৰসিদ্ধ প্ৰাকৃত ব্যাকৰণবিদ হেমচন্দ্ৰ, *'প্ৰাকৃত চন্দ্ৰিকা'*ৰ ৰচয়িতা কৃষ্ণ পণ্ডিত, *'প্ৰাকৃত সৰ্বস্ব'*ৰ ৰচয়িতা মাৰ্কণ্ডেয় কবীন্দ্ৰ, আলংকাৰিক আচাৰ্য দণ্ডী আদিয়ে এই প্ৰথম মতটো সমৰ্থন কৰিছে।

দ্বিতীয়তে, প্ৰকৃতিৰ অৰ্থ হ'ল নৈসৰ্গিক বা স্বাভাৱিক (Natural); গতিকে জনসাধাৰণৰ দৈনন্দিন জীৱনৰ যি নৈসৰ্গিক বা স্বাভাৱিক ভাষা সিয়েই প্ৰাকৃত ভাষা। তৃতীয়তে, 'প্ৰাকৃত' শব্দৰ অৰ্থ হ'ল সাধাৰণ (common), গতিকে সাধাৰণ লোকৰ যি ভাষা সেয়ে প্ৰাকৃত।

প্ৰায় এহেজাৰ পাঁচশ বছৰ বিয়পা (খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকাৰ পৰা খ্ৰীষ্টিয় দশম শতিকা) এই মধ্য ভাৰতীয় আৰ্য ভাষাৰ যুগটোক পণ্ডিতসকলে তিনিটা ভাগত ভাগ কৰিছে আৰু এই বিভাজন প্ৰধানতঃ ভাষাগত পৰিৱৰ্তনক লক্ষ্য কৰি কৰা হৈছে। সেই কেইটা বিভাজন হ'ল—

- **আদি স্তৰ বা প্ৰাচীন প্ৰাকৃত (আনুমানিক খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকাৰ পৰা খ্ৰীষ্টিয় প্ৰথম শতিকা পৰ্যন্ত) ঃ** এই স্তৰৰ নিদৰ্শনসমূহ হ'ল—
  - ➢ সম্ৰাট অশোকৰ অনুশাসনসমূহ
    (অশোকৰ সময় আনুমানিক খ্ৰীষ্টপূৰ্ব ২৭৪-২৩২ শতিকা)
  - ➢ মধ্য ভাৰতৰ যোগীমাৰা গুহাৰ শিলালিপিসমূহ
    (খ্ৰীষ্টপূৰ্ব দ্বিতীয় শতিকা)
  - ➢ উৰিষ্যাৰ হাথিগুম্ফা গুহাত খোদিত শিলালিপি
    (খ্ৰীষ্টপূৰ্ব প্ৰথম শতিকা)
  - ➢ গোৱালিয়ৰৰ বেস নগৰৰ গৰুড় স্তম্ভলিপি
    (সময় ঃ খ্ৰীষ্টপূৰ্ব দ্বিতীয় শতিকা)
  - ➢ বৌদ্ধ হীনযান সম্প্ৰদায়ৰ 'পালি' ভাষা
    (খ্ৰীষ্টপূৰ্ব তৃতীয় শতিকাৰ পৰা খ্ৰীষ্টিয় প্ৰথম শতিকা)
  - ➢ বৌদ্ধ মহাযান সম্প্ৰদায়ৰ মিশ্ৰ প্ৰাকৃত বা বৌদ্ধ সংস্কৃত ভাষা
    (খ্ৰীষ্টপূৰ্ব দ্বিতীয় শতিকাৰ পৰা খ্ৰীষ্টিয় প্ৰথম শতিকা)

- **মধ্য স্তৰ বা সাহিত্যিক প্ৰাকৃতৰ স্তৰ (আনুমানিক খ্ৰীষ্টিয় প্ৰথম শতিকাৰ পৰা খ্ৰীষ্টিয় ষষ্ঠ শতিকা পৰ্যন্ত) ঃ** মধ্য স্তৰৰ ভাষাবোৰ প্ৰধানকৈ সাহিত্যত ব্যৱহাৰ হৈছিল। কাব্য ৰচনাত ব্যৱহৃত মহাৰাষ্ট্ৰী প্ৰাকৃত, সংস্কৃত নাটকত ব্যৱহৃত মাগধী, শৌৰসেনী আদি বিভিন্ন প্ৰাকৃত, *'বৃহৎ কথা'* নামৰ গ্ৰন্থত ব্যৱহৃত পৈশাচী প্ৰাকৃত আৰু জৈন ধৰ্মগ্ৰন্থসমূহত ব্যৱহৃত জৈন-মহাৰাষ্ট্ৰী, জৈন সৌৰসেনী, অৰ্ধমাগধী আদি ভাষা আৰু ইয়াৰ উপভাষাবোৰ সাহিত্যিক-প্ৰাকৃতৰ স্তৰভুক্ত।

  মধ্য-প্ৰাকৃত স্তৰৰ নিদৰ্শনসমূহ হ'ল—

  - অশ্বঘোষৰ প্ৰাচীন সংস্কৃত নাটৰ *'শাৰীপুত্ৰ প্ৰকৰণ'*ৰ প্ৰাকৃতাংশ (খ্ৰীষ্টিয় প্ৰথম শতিকা)
  - ভৰতৰ নাট্য শাস্ত্ৰৰ 'ধ্ৰুবা' গীতসমূহ (খ্ৰীষ্টিয় তৃতীয় শতিকা)
  - ভাস-কালিদাসৰ পৰৱৰ্তী সংস্কৃত নাট্যকাৰসকলৰ নাটকত ব্যৱহৃত প্ৰাকৃতাংশ
  - অৰ্ধ মাগধীত ৰচিত জৈন ধৰ্মশাস্ত্ৰসমূহ
  - মহাৰাষ্ট্ৰী প্ৰাকৃতত ৰচিত কাব্যপুথিসমূহ।

  উল্লেখযোগ্য যে সাহিত্যিক প্ৰাকৃতসমূহৰ ভিতৰত শৌৰসেনী, মাগধী, পৈশাচীকো ধৰা হয় যদিও এই তিনিটা প্ৰাকৃতত পূৰ্ণাঙ্গ সাহিত্যিক নিদৰ্শন পোৱা নাযায়। এই প্ৰাকৃত তিনিটা বিভিন্ন স্থানত বিক্ষিপ্তভাৱে পোৱা যায় কাৰণে ইহঁতক সাহিত্যিক প্ৰাকৃতৰ ভিতৰত ধৰা হয়।

- **অন্ত্য স্তৰ বা অপভ্ৰংশ আৰু অৱহট্‌ঠৰ স্তৰ (আনুমানিক খ্ৰীষ্টিয় ষষ্ঠ শতিকাৰ পৰা খ্ৰীষ্টিয় দশম শতিকা পৰ্যন্ত) ঃ** এই স্তৰটোক গ্ৰীয়াৰচনে 'Late Prakrit' বুলি আখ্যা দিছে। আকৌ ভাৰতীয় ব্যাকৰণবিদসকলে ইয়াক অপভ্ৰংশ বুলি অভিহিত কৰিছে। খ্ৰীষ্টিয় দ্বাদশ শতিকাৰ পিছৰ ভাৰতীয় ব্যাকৰণবিদসকলে সাহিত্যিক অপভ্ৰংশৰ বিষয়ে আলোচনা কৰোঁতে ইয়াৰ তিনিটা প্ৰধান উপভাষাৰ কথা উল্লেখ কৰিছে— (ক) নাগৰক, (খ) ব্ৰাচড়ক আৰু (গ) উপনাগৰক। গ্ৰীয়াৰচনে প্ৰত্যেকটো প্ৰাকৃতৰে পৰিৱৰ্তিত একোটাকৈ অপভ্ৰংশ থকা বুলি উল্লেখ কৰিছে। যেনে— শৌৰসেনী অপভ্ৰংশ, মাগধী অপভ্ৰংশ আদি। সুকুমাৰ সেনে আকৌ এই স্তৰটোকে প্ৰাচীন অপভ্ৰংশ আৰু অৰ্বাচীন অপভ্ৰংশ বা অৱহট্‌ঠ নামে দুটি ভাগত ভাগ কৰিছে। সাহিত্যিক প্ৰাকৃতৰ পৰিৱৰ্তিত ৰূপটোক প্ৰাচীন অপভ্ৰংশ আৰু আধুনিক ভাৰতীয় আৰ্য ভাষাৰ উদ্ভৱৰ পূৰ্বৰূপটোক অৰ্বাচীন অপভ্ৰংশ বা অৱহট্‌ঠ বোলা হৈছে। অপভ্ৰংশত ৰচিত সাহিত্যৰ ধাৰা খ্ৰীষ্টিয় পঞ্চদশ শতিকা মানলৈকে চলি আছিল। এই স্তৰৰ সাহিত্যিক নিদৰ্শনসমূহ হ'ল —

  - জৈন ধৰ্মাৱলম্বীসকলৰ পৃষ্ঠপোষকতাত ৰচিত অলেখ অপভ্ৰংশ সাহিত্য।
  - জৈন, শৈৱ, নাথ, বৌদ্ধ সহজযান -বজ্ৰযান পন্থাৰ সাধকসকলৰ দ্বাৰা অৱহট্‌ঠ বা অৰ্বাচীন অপভ্ৰংশত ৰচনা কৰা নিজ নিজ ধৰ্ম সাধনৰ গীত-পদ।
  - ধৰ্মীয় আদৰ্শ বহির্ভূত অন্যান্য কাব্য।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ মধ্য ভাৰতীয় আর্য ভাষাৰ বিভিন্ন স্তৰ সম্পর্কে চমু পৰিচয় আগবঢ়াওক। (১৫০ টা শব্দৰ ভিতৰত)

১.৪ অশোকৰ অনুশাসনমালা

মগধাধিপতি মহামতি অশোকে (আনুমানিক সময় ২৭৪ খ্রীষ্টপূর্ব — ২৩২ খ্রীষ্টপূর্ব) নীতি-ধর্মৰ শাসন প্রৱর্তনৰ প্রেৰণাৰে শিলাখণ্ড অথবা স্তম্ভৰ বুকুত খোদিত কৰোৱা বাণী বা উক্তিসমূহকে অশোকৰ অনুশাসন বোলা হয়। মৌর্য বংশীয় সম্রাট অশোক পিতাক বিন্দুসাৰৰ (খ্রীষ্টপূর্ব ২৯৭-২৭৪) উত্তৰাধিকাৰী হিচাপে এক বিশাল সাম্রাজ্যৰ অধিকাৰী হয়। এই সাম্রাজ্য আফগানিস্তানৰ পৰা দাক্ষিণাত্যৰ শেষ প্রান্তৰলৈকে বিয়পি আছিল। বিশাল সাম্রাজ্যৰ অধিপতি হোৱাৰ লগতে অপ্রতিহত ক্ষমতা আৰু সামৰিক শক্তিৰ অধিকাৰী হৈছিল সম্রাট অশোক। বিশ্বৰ ৰাজনৈতিক ইতিহাসৰ সাম্রাজ্যবাদী শাসকসকলৰ পৰা অশোকো ব্যতিক্রম নাছিল। বিশেষকৈ সাম্রাজ্যবাদী শাসকসকলে তেওঁলোকৰ ৰাজ্য বিস্তাৰত মন মেলিছিল আৰু তাক পূৰণ কৰিবলৈ নিজৰ সামৰিক শক্তিৰে যিকোনো ৰাজ্য আক্রমণ কৰিছিল। প্রজাৰ ইচ্ছা-অনিচ্ছা, সুখ-দুখ, ক্ষয়-ক্ষতিৰ প্রতি মনোযোগ নিদি কেৱল সাম্রাজ্যৰ সীমা বঢ়োৱাত গুৰুত্ব দিছিল। বহিঃৰাজ্য আক্রমণ কৰি, তাক জয় কৰি আনন্দত মতলীয়া হৈছিল। সামৰিক শক্তিৰে আনকি সমগ্র বিশ্বক জয় কৰিব বিচৰা শাসকৰো নিদর্শন পোৱা গৈছিল।

আনুমানিক খ্রীষ্টপূর্ব ২৭৪ত সম্রাট অশোক মগধৰ ৰাজপাটত উঠে। ইয়াৰ চাৰি বছৰৰ পিছত অর্থাৎ খ্রীষ্টপূর্ব ২৭০ত তেওঁৰ অভিষেক উৎসৱ অনুষ্ঠিত হয়। অভিষেকৰ অষ্টম বছৰত খ্রীষ্টপূর্ব ২৬২ কলিংগ ৰাজ্য আক্রমণ কৰি জয় কৰে। কলিংগ আক্রমণৰ এই ঐতিহাসিক ঘটনাটো অশোকৰ জীৱনৰ সন্ধিকাল (turning point) আৰু অনুশাসনসমূহ সৃষ্টিৰ অন্তৰালত এই ঐতিহাসিক ঘটনাটো জড়িত হৈ আছে। অশোকে এই কলিংগ ৰাজ্য আক্রমণ কৰাৰ কাৰণ হ'ল তেওঁৰ সীমান্তৱর্তী আৰু সাম্রাজ্যৰ ভিতৰুৱা ৰাজ্যসমূহৰ লগত মৈত্রী সম্বন্ধ ৰক্ষা কৰি তেওঁৰ সাম্রাজ্যবাদী চৰিত্র অক্ষত ৰখা। কিন্তু তেওঁৰ ৰাজধানীৰ কাষৰে সৰু ৰাজ্য কলিংগৰ লগত বন্ধুত্ব স্থাপন কৰিব পৰা নাছিল। আনকি কলিংগ ৰাজ্যই বিন্দুসাৰৰ দিনৰে পৰা মগধৰ সম্রাটৰ বশ্যতা স্বীকাৰ কৰা নাছিল। অশোকে তেওঁৰ ৰাজ্যৰ নিচেই কাষতে তেনে এখন স্বাধীন ৰাজ্য থকাটো সহ্য কৰিব পৰা নাছিল। দ্বিতীয়তে অশোকৰ সাম্রাজ্যৰ দক্ষিণ ভাৰতৰ লগত জল আৰু স্থলপথৰ সংযোগ কলিংগৰ মাজেদিয়েই কৰিব লগা হৈছিল। কলিংগৰ বিৰুদ্ধে হোৱা যুদ্ধত অশোকে কলিংগক প্রায় ধ্বংস কৰি পেলাইছিল। যুদ্ধত এক লাখ লোকৰ মৃত্যু হৈছিল; একলাখ পঞ্চাশ হাজাৰ লোকক বন্দী কৰা হৈছিল। যুদ্ধৰ এনে ভয়াবহ পৰিণাম দেখি অশোকৰ মনত মর্মন্তুদ বেদনাৰ উদয় হৈছিল। তেওঁৰ মন ভাৰাক্রান্ত হৈ পৰে। এই 'কলিংগ যুদ্ধ' অশোকৰ জীৱনৰ প্রথম আৰু শেষ যুদ্ধ। তেওঁ

ভৱিষ্যতে যুদ্ধ নকৰে বুলি প্ৰতিজ্ঞা কৰে। কলিংগ যুদ্ধৰ নৰ-ধ্বংস যজ্ঞৰ স্মৃতি তেওঁৰ মনত বহন কৰিলে প্ৰায় আঠে বছৰ কাল। শেষত এই যন্ত্ৰণাৰ পৰা পৰিত্ৰাণ পোৱাৰ মানসেৰে বুদ্ধদেৱৰ পৰৱৰ্তী ষষ্ঠ ধৰ্মগুৰু উপগুপ্তৰ ওচৰত দীক্ষা লয়। তেওঁ বুদ্ধদেৱে প্ৰচাৰ কৰি যোৱা প্ৰেম, কৰুণা, অহিংসা আৰু মৈত্ৰীৰ ভাৱধাৰাৰে আত্মশুদ্ধিৰ বাট বিচাৰি লয়। অশোকে বুজি পালে যে কেৱল অস্ত্ৰেৰে মানুহৰ মন জয় কৰিব নোৱাৰি। অস্ত্ৰেৰে কৰা জয় ক্ষন্তেকীয়া। মানুহৰ মন জয় কৰিব লাগিব দয়া, ক্ষমা, প্ৰেম আদি মানৱীয় প্ৰমূল্যৰে আৰু এই জয়েই হৈছে স্থায়ী জয়। অশোকে কলিংগ যুদ্ধৰ ভয়াবহ স্মৃতিক বুদ্ধৰ কুশল কৰ্ম, মৈত্ৰী ভাৱনা, কৰুণা, অহিংসা আদি কল্যাণকামী আদৰ্শেৰে মচি পেলাবলৈ যত্ন কৰিছিল। সাম্ৰাজ্যৰ সাধাৰণ লোকক আৰু তেওঁৰ সাম্ৰাজ্যৰ দাঁতি কাষৰীয়া ৰাজ্যসমূহৰ জনসাধাৰণকো সৎ-শুদ্ধ, পৰিশীলিত জীৱনবোধত অভিষিক্ত কৰিবলৈ বিচাৰিছিল। কাৰণ ভৱিষ্যতে যাতে মানৱ সমাজ যুদ্ধ জয়ৰ নৃশংসতাৰ ওপৰত অথবা ক্ষমতাৰ শাসনত প্ৰতিষ্ঠিত নহয়। মানৱ সমাজ প্ৰতিষ্ঠিত হ'ব নীতি আৰু ধৰ্মৰ শাসনৰ ওপৰত। এনেবোৰ উদ্দেশ্যৰে অশোকে তেওঁৰ সাম্ৰাজ্যৰ সীমান্তৱৰ্তী স্থানসমূহত পাহাৰৰ বুকুত, ডাঙৰ শিলৰ ওপৰত, সাম্ৰাজ্যৰ মধ্যৱৰ্তী প্ৰধান প্ৰধান স্থানসমূহত, সৰু শিলাখণ্ডৰ ওপৰত, প্ৰধান বৌদ্ধ কেন্দ্ৰসমূহত স্তম্ভ প্ৰতিষ্ঠা কৰি তাৰ বুকুত জনসাধাৰণৰ কৰিবলগীয়া আৰু পালন কৰিবলগীয়া নীতি আৰু আদৰ্শমূলক নানা কথা খোদিত কৰাইছিল। নীতি-ধৰ্মৰ শাসন প্ৰৱৰ্তনৰ প্ৰেৰণাৰে খোদিত কৰোৱা অশোকৰ এই বাণী বা উক্তিসমূহকেই অশোকৰ অনুশাসন (Ashokan Edicts) বোলা হয়। অশোকে খোদিত কৰোৱা সকলোবোৰ লিপিয়েই অনুশাসনমূলক অথবা নীতি ধৰ্মৰ শাসনমূলক নাছিল। কিছুমান লিপি মাথো কেতবোৰ ঘটনাৰ স্মৃতিচিহ্ন বা স্মাৰক মাথোন। জনসাধাৰণে পালন কৰিবলগীয়া বা কৰিবলগীয়া কৰ্তব্যৰ বিষয়ে অশোকে কোনো নীতি ঘোষণা কৰা নাই। এইবোৰক অনুশাসন বুলিব নোৱাৰি। এইবোৰ লিপিক প্ৰত্নলিপি (Inscription) বুলি কোৱা হয়। তথাপি অশোকে খোদিত কৰোৱা অধিকাংশ লিপিতে জনসাধাৰণে কৰিব লগা আৰু পালন কৰিব লগা কৰ্তব্যৰ ঘোষণা বা সকীয়নি থকাৰ কাৰণে আটাইবোৰ লিপিকে অনুশাসন (Edict) বোলা হয়।

অশোকে অনুশাসনৰ যোগেদি সৰ্বসাধাৰণ লোকৰ নৈতিক মান উন্নত কৰিবলৈ বিচৰা, সমাজৰ সকলো ধৰ্মীয় সম্প্ৰদায়ৰ আৰু সকলো শ্ৰেণীৰ লোকৰ মাজত সদ্ ভাব আৰু সম্প্ৰীতি বিয়পাই তোলাৰ যি প্ৰচেষ্টা, সেয়া অকল ভাৰততে নহয় সমগ্ৰ বিশ্বতে বিৰল ঘটনা। সমগ্ৰ বিশ্বৰ শাসক শ্ৰেণীৰ ভিতৰত অশোকক মাথো দুজনমান শাসকৰ লগতহে তুলনা কৰিব পৰা যায়। এজন হ'ল খ্ৰীষ্টিয় চতুৰ্থ শতিকাৰ শেষৰ সম্ৰাট কনষ্টেন্টাইন (Constantine the Great), এইজন সম্ৰাটে 'মিলান অনুশাসন' খোদিত কৰোতেই খ্ৰীষ্ট ধৰ্মক ৰোমান সাম্ৰাজ্যৰ ধৰ্ম বুলি প্ৰতিষ্ঠা কৰাব বিচাৰিছিল আৰু প্ৰথম ধৰ্মসভা অনুষ্ঠিত কৰাইছিল। দ্বিতীয়জন সম্ৰাট হ'ল চাৰ্লমেন (Charlemgne); এওঁ ফ্ৰেঞ্চসকলৰ ৰাজ্য বিস্তাৰ কৰাৰ উপৰিও সাহিত্যৰ পৃষ্ঠপোষকতা কৰিছিল। কিন্তু এওঁলোকৰ কৰ্মৰাজি আৰু তাত নিহিত মৰ্মাৰ্থ বা উদ্দেশ্য অশোকৰ কৰ্মৰাজিৰ লগত তুলনা নহয়। অশোকে অন্তৰৰ উপলব্ধিৰে নতুন এক চেতনা প্ৰতিষ্ঠা কৰিব বিচাৰিছিল। অশোকৰ লক্ষ্য আছিল সাৰ্বজনীন মানৱীয় মূল্যবোধেৰে জীৱন

উদ্দীপিত কৰা। বৌদ্ধ ধর্মত দীক্ষিত হৈছিল যদিও অশোকে কনষ্টেন্‌টাইনৰ দৰে বৌদ্ধ ধর্মক ৰাজধর্ম বুলি ঘোষণা কৰা নাছিল। তেওঁ ধর্মক সংকীর্ণ অর্থতকৈ বহল মানৱীয় আচৰণ হিচাপেহে প্রতিপন্ন কৰিবলৈ বিচাৰিছিল। নৈতিক জ্ঞানৰ উৎকর্ষ সাধনত মনোনিবেশ কৰিছিল। অশোকৰ এনে ব্যতিক্রমী চিন্তা আৰু কার্যৰ প্রতি লক্ষ্য কৰিয়েই H.G. Wells য়ে তেওঁৰ বিখ্যাত গ্রন্থ 'The Outline of History' ত অশোক সম্পর্কে মূল্যায়ন কৰিছে এনেদৰে— "He is the only military monarch on record who abandoned warfare after victory..." সম্রাট অশোকৰ কার্যাৱলীক সমালোচনা নকৰাকৈয়ো থকা নাই। এচাম সমালোচকে কয় যে অশোকৰ সমগ্র কার্যাৱলীৰ অন্তৰালত সাম্রাজ্যবাদী চিন্তাহে নিহিত আছে। কিয়নো তেওঁ বিশাল সাম্রাজ্যখন সুদৃঢ় আৰু পুনর্গঠন কৰিবৰ বাবেহে এনে অনুশাসন খোদিত কৰাইছিল। সেয়া যিয়েই নহওক, অশোকৰ ধর্ম নিৰপেক্ষতা, উদাৰতা, ত্যাগ আৰু সম অধিকাৰৰ আদর্শ স্বৰূপে ধর্মচক্র আধুনিক ভাৰতৰ ৰাষ্ট্রীয় প্রতীক হ'ব পাৰিছে।

জানি থোৱা ভাল



অশোকে তেওঁৰ অনুশাসনসমূহক 'ধর্মলিপি' বুলি অভিহিত কৰি 'ধর্মাচৰণ, ধর্মানুশাসনত গুৰুত্ব আৰোপ কৰিছিল। ব্যক্তিগত জীৱনত বৌদ্ধধর্ম গ্রহণ কৰি তেওঁ নিজে এগৰাকী গোড়া বৌদ্ধধর্মী হৈ উঠিছিল আৰু বৌদ্ধ সংঘৰ পবিত্রতা ৰক্ষা কৰাত গভীৰ মনোনিবেশ কৰিছিল। কিন্তু সেই বুলি তেওঁ আন ধর্মৰ বিদ্বেষী নাছিল বা ক্ষমতাৰ শাসনেৰে নিজা ধর্মক অন্য ধর্মীয় সম্প্রদায়ৰ ওপৰত জোৰেৰে জাপি দিব খোজা নাছিল। 'ধর্ম'ক তেওঁ বিশেষ ধর্মীয় আচৰণৰ পৰিবর্তে এক সার্বজনীন নীতি, নিয়ম আৰু সত্যৰ পথ হিচাপেহে প্রতিপন্ন কৰিবলৈ বিচাৰিছিল, যাতে সকলোৰে মাজত এটা শ্রদ্ধাশীল মনোভাব গঢ়ি উঠে, ধর্মীয় সহিষ্ণুতাৰে সামাজিক কাম-কাজ, চিন্তা-ভাবনাত এক মানৱীয় ভাব উদ্রেক হয় আৰু সমাজ জীৱন শৃংখলিত হয়। সেয়েহে এক উচ্চ আদর্শযুক্ত সামাজিক দায়িত্ববোধৰ মনোভাব তেওঁৰ 'ধর্ম'ৰ মূল মর্মবাণী আছিল; লক্ষ্য আছিল সামাজিক জীৱনত মানৱীয় ভাবৰ সঞ্চাৰ। ভাৰতীয় ৰাজনৈতিক আৰু সামাজিক ধ্যান-ধাৰণাত অশোকৰ পূর্বতে ধর্মৰ ভিত্তিত এনে নতুন মনোভাব বা নতুন ধাৰণা কোনেও প্রতিষ্ঠা কৰিবলৈ বিচৰা নাছিল।

শিলালিপি, তাম্রলিপি আদি প্রত্নলিপিসমূহক সাহিত্যৰ অংগ বোলা নহয় যদিও অশোকে খোদিত কৰোৱা অনুশাসনক সাহিত্য বুলিব পৰা যায়; কিয়নো এই অনুশাসনত থকা নৈতিক প্রমূল্যযুক্ত লেখনিবোৰ বিশ্বৰ বিশাল নৈতিক সাহিত্যৰ অন্তর্ভুক্ত হৈছে। সার্বজনীন কল্যাণ-মৈত্রীৰ আদর্শও এই অনুশাসনত প্রতিভাত হৈছে। অনুশাসনবোৰ ঐতিহাসিক তথ্য, লিখন পদ্ধতি, ভাস্কর্য, ধর্মীয় আদর্শ, সামাজিক দৃষ্টিভংগী, ভাষিক বৈচিত্র্য আদিৰ কাৰণেও অর্থপূর্ণ সমল। ভাৰতৰ ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক বুৰঞ্জীত অশোকৰ অনুশাসনসমূহৰ স্থান গুৰুত্বপূর্ণ।

অশোকৰ অনুশাসনৰ মহত্ত্ব আৰু গুৰুত্ব থকা সত্ত্বেও এই অনুশাসনসমূহ অৱহেলিত হৈ জনসাধাৰণৰ দৃষ্টিৰ পৰা আঁতৰি যায়। মৌৰ্য বংশ থকালৈকে এই 'অনুশাসন'সমূহ সংৰক্ষিত হৈ আছিল। এনেদৰে অৱহেলিত হোৱাৰ কাৰণ হ'ল—

- আন আন ৰাজবংশীয় ৰজাসকলৰ নীতি, আদর্শ, উদাৰতা আদি প্রমূল্যৰ প্রতি উদাসীনতা।
- গুপ্ত যুগত ব্রাহ্মণ্য সংস্কৃতিৰ পুনৰ উত্থানৰ ফলত বৌদ্ধধর্মৰ ক্রমাগত অপসাৰিত হ'ব লগা অৱস্থা।
- বিদেশী ৰাজশক্তিৰ অন্য ধর্মৰ প্রতি সহিষ্ণুতাৰ অভাৱ।
- অশোকে সেই সময়ৰ আঞ্চলিক ভাষাত লিপিসমূহ খোদিত কৰাইছিল আৰু পৰৱর্তী সময়ত সেই ভাষা জনসাধাৰণৰ দুর্বোধ্য হৈ পৰিছিল।

খ্রীষ্টিয় পঞ্চম শতিকাত ভাৰতলৈ অহা চীনা পৰিব্রাজক ফাহিয়ান ভাৰতত ছয় বছৰ কাল আছিল। অশোকৰ ৰাজপ্রাসাদ দেখি ফাহিয়ানে বিস্ময় প্রকাশ কৰিছিল যদিও অনুশাসনবোৰৰ বিষয়ে কোনো ধৰণৰ বর্ণনা দিয়া নাছিল। মাথো তেওঁ দুটা অশোক স্তম্ভৰ কথাহে বর্ণনা কৰিছিল। আকৌ সপ্তম শতিকাত ভাৰতলৈ অহা চীনা পৰিব্রাজক হিউৱেনচাঙ পোন্ধৰ বছৰ কাল ভাৰতত আছিল আৰু তেওঁ ৰচনা কৰা 'চি-ইউ-কি' গ্রন্থত অশোকৰ অনুশাসন সম্বন্ধে কোনো কথা লিপিবদ্ধ কৰা নাছিল। মাথো পোন্ধৰটা স্তম্ভৰ কথাহে উল্লেখ কৰিছিল। কিন্তু ভাৰতত বৃটিছৰ ৰাজত্ব আৰম্ভ হোৱাত এই অনুশাসনবোৰ পুনৰ পোহৰলৈ আহে। ১৮৩৭ খ্রীষ্টাব্দত জেমছ প্রিনছেপে (James Princep) অশোকৰ লিপিৰ প্রথম পাঠ উদ্ধাৰ কৰে। ইয়াৰ লগে লগে অশোকৰ অনুশাসনৰ প্রতি বিদ্বৎ সমাজৰ চকু মেল খায় আৰু অশোকৰ মহানতা বিশ্ববাসীৰ আগত প্রকাশ পায়। প্রিনচেপে উদ্ধাৰ কৰা লিপিতো 'দেৱানংপ্রিয় পিয়দসি' বুলিহে ৰজাৰ নাম উল্লেখ আছিল। এই ৰজাজন কোন হ'ব পাৰে তাৰ কোনো উল্লেখ নাই। উল্লেখযোগ্য যে অশোকক মৌৰ্য বংশৰ ৰজাসকলৰ ভিতৰত এগৰাকী অন্যতম ৰজা হিচাপেহে বর্ণনা কৰা হৈছিল। ১৯১৫ চনত হায়দৰাবাদৰ মস্কীত উদ্ধাৰ হোৱা ক্ষুদ্র শিলানুশাসন এখনত 'দেৱানং পিয়স অসোকস' বুলি উল্লেখ আছিল আৰু ইয়াৰ পৰা জনা যায় যে সেইজন মৌৰ্য বংশৰ ৰজা অশোক। প্রিয়দসি বা প্রিয়দসি অশোকৰেই অন্য এক নাম। তেতিয়াৰে পৰা অশোকৰ ধর্ম, আদর্শ আৰু অনুশাসনৰ ভাষা সম্পর্কে বিচাৰ-বিশ্লেষণ হ'বলৈ ধৰে।

১.৪.১ অশোকৰ অনুশাসনৰ শ্রেণীবিভাজন

অশোকৰ অনুশাসনৰ প্রাপ্তিস্থান আৰু পৰিবেশনৰ প্রতি লক্ষ্য কৰি অশোকৰ অনুশাসনসমূহক চাৰিটা ভাগত ভাগ কৰা হৈছে—

- বৃহৎ শিলানুশাসন বা শিলানুশাসন (Rock Edicts)
- ক্ষুদ্র শিলানুশাসন (Small Rock Edicts)

- স্তম্ভানুশাসন (Pillar Edicts)
- গুহালিপি (Cave Inscriptions)

➢ *বৃহৎ শিলানুশাসন (Rock Edicts)* ঃ অশোকে তেওঁৰ সাম্রাজ্যৰ সীমান্তৱর্তী অঞ্চলসমূহত পাহাৰৰ ডাঙৰ শিলৰ বুকুত এই শ্রেণীৰ অনুশাসনসমূহ খোদিত কৰাইছিল। পাহাৰৰ বুকুৰ বৃহৎ শিলত খোদিত কৰোৱা বাবে আন ক্ষুদ্র শিলাখণ্ডৰ অনুশাসনৰ পৰা পৃথক কৰিবলৈ 'বৃহৎশিলানুশাসন' নামকৰণ কৰা হৈছিল। এই শ্রেণীৰ অনুশাসন খোদিত কৰোৱাৰ উদ্দেশ্য হ'ল অশোকৰ ৰাজ্যৰ সীমান্তৱর্তী অঞ্চলৰ জনসাধাৰণে আৰু প্রতিবেশী ৰাজ্যৰ প্রজায়ো যাতে অশোকৰ আদর্শ আৰু ঘোষণা অনুধাৱন কৰিব পাৰে। বৃহৎ শিলানুশাসনসমূহৰ প্রাপ্তিস্থানবোৰ হ'ল—

- উত্তৰ-পশ্চিম সীমান্তৰ হাজাৰা জিলাৰ মান্‌সেহ্‌ৰা আৰু পেছোৱাৰৰ ওচৰৰ শাহবাঝগঢ়ী
- পশ্চিম সীমান্তৰ আৰৱ সাগৰৰ তীৰৰ মহাৰাষ্ট্রৰ থানে জিলাৰ সোপৰা আৰু গুজৰাটৰ জুনাগড় অঞ্চলৰ গিৰ্‌নাৰ
- উত্তৰ সীমান্তৰ উত্তৰ প্রদেশৰ ডেৰাডুন জিলাৰ মৌচুৰীৰ ওচৰৰ কালছী
- দক্ষিণৰ অন্ধ্রপ্রদেশৰ য়েৰ্‌ৰাগুড়ি
- দক্ষিণ-পূব সীমান্তৰ বংগোপসাগৰৰ পাৰৰ বর্তমান ওডিচা প্রদেশৰ পুৰী আৰু গঞ্জাম জিলাৰ ক্রমে ধৌলী আৰু জৌগড়।

বৃহৎ শিলানুশাসনসমূহ মুঠ চৈধ্যখন সৰু-ডাঙৰ লিপিৰ সমষ্টি। এই চৈধ্যখনৰ উপৰিও আৰু দুখন পৃথক কলিংগ অনুশাসনকে ধৰি বৃহৎ শিলানুশাসনৰ সংখ্যা ষোল্লখন।

বৃহৎ শিলানুশাসনসমূহৰ বিষয়বস্তু হ'ল— জীৱ হত্যা বাৰণ কৰা, সামাজিক উৎসৱাদি নিষিদ্ধকৰণ, চিকিৎসা আদি জনহিতকৰ কার্যৰ ব্যৱস্থা কৰা, সাধু ব্যৱহাৰেৰে ধর্ম গুণৰ উৎকর্ষ সাধন কৰা, ধর্ম ৰক্ষার্থে বিবিধ শ্রেণীৰ বিষয়া নিয়োগ কৰা, আন ধর্মৰ প্রতি সহিষ্ণু হোৱা, সমাজৰ সকলো সম্প্রদায়ৰ জনসাধাৰণৰ লগত শান্তিপূর্ণ সহ অৱস্থানেৰে সহৃদয়তা স্থাপন কৰা। ইয়াৰ উপৰি ধর্ম প্রচাৰত অশোকৰ অংশগ্রহণ, অনুশাসনসমূহ লিখাৰ উদ্দেশ্য, অনুশাসনসমূহ প্রচাৰ আৰু ৰক্ষা কৰাত বিবিধ ব্যৱস্থা গ্রহণ আদি কথাও প্রকাশ কৰা হৈছে।

➢ *ক্ষুদ্র শিলানুশাসন (Small Rock Edicts)* ঃ এই শ্রেণীৰ শিলানুশাসনসমূহ অশোকৰ সাম্রাজ্যৰ মধ্যভাগ আৰু দক্ষিণ অংশত প্রধানকৈ পোৱা গৈছে। জনসাধাৰণৰ সহজে দৃষ্টিগোচৰ হোৱা তীর্থস্থান বা ধর্মস্থান, উদ্যান বা বেছি জনসমাগম হোৱা ঠাইত এটা শিল নির্বাচন কৰি তাৰ বুকুত খোদিত কৰা হৈছিল। লিপিসমূহ আকাৰত সৰু বাবেই বৃহৎ শিলানুশাসনসমূহৰ পৰা পৃথককৈ দেখুৱাবলৈ 'ক্ষুদ্র' নামকৰণ কৰা হৈছে। ক্ষুদ্র শিলানুশাসনসমূহৰ প্রাপ্তি স্থান হ'ল—

ৰাজস্থানৰ বৈৰাট, হায়দৰাবাদৰ গৰীমঠ, মস্‌কী, পাল্কী গুণ্ডু, য়েৰ্‌ৰাগুৰি ৰাজুল মণ্ডগিৰি আৰু বিন্ধ্য প্রদেশৰ গুজৰ্‌ৰা, মধ্যপ্রদেশৰ ৰূপনাথ, বিহাৰৰ চাছাৰাম, কর্ণাটকৰ ব্রহ্মগিৰি, জটিংগ-ৰামেশ্বৰ, সিদ্ধপুৰ।

ৰাজস্থানৰ বৈৰাট ৰ ওচৰৰ ভাৰৰূত এটি সৰু পাহাৰৰ শিলৰ বুকুত আন এখন ক্ষুদ্র শিলালিপি পোৱা গৈছে। ১৮৪০ খ্রীষ্টাব্দত কেপ্তেইন বুট চাহাবে এইখন প্রথম আৱিষ্কাৰ কৰে। বৈৰাটৰ ভাৰৰূৰ পৰা আৱিষ্কাৰ কৰাৰ কাৰণে এইখন লিপিক ভাৰৰূ-বৈৰাট অনুশাসন বা ভাৰৰূ অনুশাসন বোলা হয়। ক্ষুদ্র শিলানুশাসনৰ সংখ্যা মুঠ তিনিখন।

ক্ষুদ্র শিলানুশাসনসমূহৰ বিষয় হ'ল এনে ধৰণৰ ঃ

১নং ক্ষুদ্র অনুশাসনৰ বিষয়বস্তু— অশোক বুদ্ধৰ উপাসক হোৱা, সংঘত অন্তর্ভুক্ত হোৱা, ধর্মাচাৰণ ক্ষুদ্র (জনগণ) আৰু মহৎ (ৰজা-মন্ত্রী) সকলো শ্রেণীৰ লোকৰ কাৰণে অবাৰিত বুলি কোৱা।

২নং ক্ষুদ্র অনুশাসনৰ বিষয়বস্তু— পিতৃ-মাতৃত সেৱা-শুশ্রূষা কৰা, সকলো প্রাণীৰ প্রাণ ৰক্ষার্থে দৃঢ় সংকল্প হোৱা, সত্য কথা কোৱা, ধর্ম গুণৰ উৎকর্ষ সাধন কৰা ইত্যাদি। উল্লেখযোগ্য যে এইখন অনুশাসনত 'চপড়' নামৰ লিপিকাৰৰ স্পষ্ট উল্লেখ আছে, যিটো অন্য কোনো অনুশাসনত পোৱা যায়। ৩নং অনুশাসন অর্থাৎ ভাবৰূ-বৈৰাট অনুশাসনৰ বিষয়বস্তু হ'ল— সম্রাট অশোকে বৌদ্ধ সংঘৰ প্রতি শ্রদ্ধা নিবেদন কৰাৰ উপৰিও সংঘৰ প্রতি তেওঁৰ বক্তব্য প্রকাশ কৰা। সম্রাটে বুদ্ধ প্রৱর্তিত ধর্ম সুস্থিৰ হৈ থাকিব পৰাকৈ ভিক্ষু-ভিক্ষুনী আৰু সাধাৰণ উপাসক-উপাসিকাক সাতখন ধর্মশাস্ত্র অধ্যয়ন কৰাৰ বাবে উপদেশ দিছে। প্রাচীন বৌদ্ধ শাস্ত্রৰ জ্ঞান অৱগতিৰ কাৰণে শাস্ত্র অধ্যয়নৰ উপদেশ দিয়া ভাৰৰূ বৈৰাট অনুশাসনৰ বিশেষ মূল্য আছে। ইয়াৰ উপৰিও এই ক্ষুদ্র অনুশাসনখনত সম্রাট অশোকে নিজকে 'মগধ ৰাজ প্রিয়দর্শী' (প্রিয়দসি লাজা মাগধে) বুলি ঘোষণা কৰাটোও উল্লেখযোগ্য কথা। এনে ঘোষণা অন্য অনুশাসনত পোৱা নাযায়।

- *স্তম্ভানুশাসন (Pillar Edicts)* ঃ সম্রাট অশোকে শিলৰ একোটা স্তম্ভ নির্মাণ কৰি তাৰ বুকুত জনসাধাৰণৰ কৰণীয় আৰু পালনীয় নানা আদর্শমূলক কথা খোদিত কৰোৱাইছিল। শিলৰ স্তম্ভবোৰৰ শীর্ষস্থানত বিভিন্ন বৌদ্ধ প্রতীক প্রতিষ্ঠা কৰাই 'ধর্ম' বিজয় ঘোষণা কৰিছিল। এই ধৰণৰ স্তম্ভ নির্মাণ অশোকৰ এক অভিনৱ উদ্ভাৱনা। বিষয়বস্তু অনুসৰি স্তম্ভানুশাসনক পাঁচটা ভাগত ভগাব পাৰি ঃ

  i) সাতখন একে জাতীয় অনুশাসন।
  ii) সংঘভেদ অনুশাসন
  iii) সম্রাজ্ঞীৰ অনুশাসন
  iv) লুম্বিনী স্তম্ভলিপি
  v) নিগালী সাগৰ স্তম্ভলিপি

এই স্তম্ভানুশাসনসমূহ সাম্রাজ্যৰ মধ্যভাগৰ প্ৰধান প্ৰধান স্থানসমূহত প্ৰতিষ্ঠা কৰা হৈছিল। লিপিহীন স্তম্ভ আৰু লিপিযুক্ত স্তম্ভ —এই দুই প্ৰকাৰৰ স্তম্ভ পোৱা যায়। লিপিযুক্ত স্তম্ভসমূহ পোৱা ঠাইসমূহ হ'ল—

i) উত্তৰ প্ৰদেশৰ মীৰাট আৰু কৌশাম্বী।
ii) বিহাৰৰ লৌড়িয়া আৰ্ৰাজ, লৌড়িয়া চন্দনগৰ আৰু ৰামপূৰ্বা
iii) পঞ্জাৱৰ তোপ্ৰা
iv) মধ্যপ্ৰদেশৰ সাঁচী
v) বাৰানসীৰ ওচৰৰ সাৰনাথ
vi) লুম্বিনীক ৰুম্মিনদেই আৰু নিগালী সাগৰ নামে ঠাই।

মিৰাট স্তম্ভ চতুৰ্দশ শতিকাত চুলতান ফিৰোজ শ্বাহে (খ্ৰী ১৩৫১-৮৮) দিল্লীলৈ স্থানান্তৰ কৰে কাৰণে বৰ্তমান এই স্তম্ভ দিল্লী-মিৰাট স্তম্ভ নামেৰে জনা যায়। স্তম্ভানুশাসনসমূহৰ বিষয়বস্তু তলত উল্লেখ কৰা হ'ল—

- একে জাতীয় সাতখন অনুশাসনৰ বিষয়বস্তু হিচাপে সাম্রাজ্যৰ অন্তৰ্গত জনসাধাৰণৰ কাৰণে ধৰ্ম সম্পৰ্কে ব্যাখ্যা কৰাৰ উপৰিও জনসাধাৰণৰ প্ৰতি আদেশ বা ঘোষণা লিপিবদ্ধ হৈছে।
- সংঘভেদ অনশাসনৰ যোগেদি ভিক্ষুসংঘ আৰু ভিক্ষুনীসংঘৰ বিষয়ে উল্লেখ কৰি সংঘত ভেদ সৃষ্টি নকৰিবৰ বাবে সকীয়নি দিয়া হৈছে।
- সম্ৰাজ্ঞীৰ অনুশাসনখন অশোকৰ ধৰ্মলিপি নহয় যদিও বুদ্ধৰ একান্ত উপাসিকা অশোকৰ দ্বিতীয় ৰাণী কাৰুবাকীৰ দানৰ স্মৃতি ৰক্ষাৰ্থে এইখন লিপিবদ্ধ কৰা হৈছিল।
- লুম্বিনী স্তম্ভলিপিত অশোকে অভিষেকৰ বিশ বছৰৰ পিছত বুদ্ধৰ জন্মস্থান লুম্বিনীলৈ গৈ তাত শিলৰ বেৰাদি স্তম্ভ নিৰ্মাণ কৰাই দিয়াৰ কথা আছে। লুম্বিনী গাঁৱৰ বাসিন্দাক ৰাজহ মুক্ত কৰি দিয়াৰ ঘোষণা ইয়াত লিপিবদ্ধ হৈছে।
- নিগালীসাগৰ স্তম্ভলিপিত গৌতম বুদ্ধৰ পূৰ্বৱৰ্তী অৱতাৰৰ অন্যতম কনকমুনিৰ সমাধিস্তূপত অশোকে তেওঁৰ অভিষেকৰ বিশ বছৰৰ পাচত পূজা দিবলৈ অহা আৰু স্তম্ভ নিৰ্মাণ কৰি দিয়াৰ কথা উল্লেখ আছে।

➢ *গুহালিপি (Cave Inscription)* ঃ সম্ৰাট অশোকে পাহাৰৰ বুকুত অৱস্থিত গুহাৰ মুখৰ শিলত কেতবোৰ লিপি খোদিত কৰাইছিল। এইবোৰত জনসাধাৰণে কৰণীয় বা পালনীয় কোনো নিৰ্দেশনা নাই। এইবোৰ কিছুমান ঘটনাৰ স্মাৰকহে মাথো। গুহাৰ মুখৰ শিলত খোদিত হোৱা বাবে এই লিপিক গুহালিপি বোলা হয়।

বিহাৰৰ গয়া জিলাৰ বৰাবৰ পাহাৰৰ বুকুত থকা কেইটামান গুহাৰ সন্মুখৰ শিলত এই লিপি খোদিত কৰোৱা হৈছিল। গুহানুশাসনৰ সংখ্যা মাত্ৰ তিনিখন। লিপিকেইখন তেনেই সৰু।

এই লিপি কেইখনত পোৱা যায় যে সম্ৰাট অশোকে 'আজীৱক' নামৰ ধৰ্মসম্প্ৰদায়ৰ সন্ন্যাসীসকলক এই গুহাকেইটা উৎসৰ্গা কৰিছিল।

সৰু লিপি হ'লেও এই লিপি তিনিখনৰ তাৎপৰ্য আছে, কিয়নো ইয়াৰ মাজেদি অশোকৰ ধৰ্মীয় সহিষ্ণুতা আৰু অন্য ধৰ্মীয় সম্প্ৰদায়ৰ প্ৰতি তেওঁৰ উদাৰ মনোভাৱৰ পৰিচয় পাব পাৰি।

১.৪.২ অশোকৰ অনুশাসনৰ ভাষা

আগতেই উল্লেখ কৰি অহা হৈছে যে অশোকৰ অনুশাসনসমূহ ভাষাৰ দৃষ্টিৰেও অধিক গুৰুত্বপূৰ্ণ। আধুনিক ভাৰতীয় আৰ্য ভাষাৰ ক্ৰমবিকাশ অশোকৰ অনুশাসনৰ ভাষাৰ মাজেদি অনুধাৱন কৰিব পাৰি। সম্ৰাট অশোকে তেওঁৰ অনুশাসনসমূহ তৎকালীন সমাজত প্ৰচলিত প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ পৰিৱৰ্তিত ৰূপটোত লিখাইছিল। যি যি অঞ্চলত অনুশাসনবোৰ লিপিবদ্ধ হৈছিল সেই সেই অঞ্চলৰ জনসাধাৰণৰ বোধগম্য হোৱাৰ কাৰণে জনসাধাৰণৰ কথ্য ভাষাৰ আধাৰতে লিপিবদ্ধ কৰাইছিল। অশোকৰ অনুশাসনৰ পূৰ্বতে বা পৰৱৰ্তী কোনো কালতে সমসাময়িক কথ্য ভাষাৰ আধাৰত লিখিত কোনো নিদৰ্শন পোৱা নাযায়। অশোকে জনসাধাৰণৰ কথ্য ভাষাত লিপি খোদিত কৰোৱাইছিল বাবে এইবোৰক ভাৰতীয় আৰ্য ভাষাৰ ক্ৰমবিৱৰ্তনৰ আঞ্চলিক কথ্য-ৰূপৰ সৰ্বপ্ৰথম প্ৰামাণ্য দলিল বুলি অভিহিত কৰিব পাৰি। ভাৰতীয় আৰ্য ভাষাৰ মধ্যস্তৰৰ বিৱৰ্তন আনুমানিক খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকা বুলি ধৰা হয় যদিও খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকাৰ পৰা অশোকৰ সময়লৈ (খ্ৰীষ্টপূৰ্ব তৃতীয় শতিকা) কোনো লিখিত নিদৰ্শন পোৱা নগৈছিল। অশোকৰ অনুশাসনেই হ'ল মধ্য ভাৰতীয় আৰ্য ভাষাৰ প্ৰথম লিখিত নিদৰ্শন। অশোকৰ সময়ৰ আগেয়েই ভাৰতীয় আৰ্য ভাষাই পৰিৱৰ্তনৰ গতি প্ৰবাহৰ ফলত পাঁচটা আঞ্চলিক ৰূপত আত্মপ্ৰকাশ কৰিছিল। সেইকেইটা হ'ল—

i) উত্তৰ-পশ্চিমা
ii) পশ্চিমা
iii) দক্ষিণী
iv) মধ্যদেশীয় বা প্ৰাচ্য-মধ্যা আৰু
v) প্ৰাচ্যা

অশোকৰ অনুশাসনে এই পাঁচটা আঞ্চলিক ৰূপৰ ভিতৰত চাৰিটাক প্ৰতিফলিত কৰিছে। সেইকেইটা হ'ল—

১) উত্তৰ-পশ্চিমা
২) পশ্চিমা
৩) প্ৰাচ্য-মধ্যা আৰু
৪) প্ৰাচ্যা

এই আঞ্চলিক ৰূপকেইটাক প্রতিনিধিত্ব কৰা অনুশাসনবোৰ হ'ল —

উত্তৰ-পশ্চিমা	শাহবাঝাগঢ়ী আৰু মানসেহ্ৰা অনুশাসন
পশ্চিমা	গিৰ্নাৰ অনুশাসন
প্রাচ্য-মধ্যা	কাল্চী অনুশাসনসমূহ
প্রাচ্যা	ধৌলী আৰু জৌগড় অনুশাসন।

অশোকৰ অনুশাসনসমূহৰ ভিতৰত শাহবাঝগঢ়ী আৰু মানসেহ্ৰাত প্রাপ্ত অনুশাসনকেইখন খৰোষ্ঠী লিপিত খোদিত কৰোৱা হৈছে আৰু বাকী আটাইবোৰ অনুশাসনত ব্রাহ্মী লিপি প্রয়োগ হৈছে। অশোকৰ অনুশাসনমালাৰ অন্যতম লক্ষণীয় বৈশিষ্ট্য হ'ল যে উত্তৰ-পশ্চিমা আৰু পশ্চিমা আঞ্চলিক ৰূপ দুটাৰ ভাষা অধিক প্রাচীনধর্মী অর্থাৎ প্রাচীন স্তৰৰ বৈদিক-সংস্কৃতৰ ওচৰ চপা। প্রাচ্য-মধ্যা আৰু প্রাচ্যা আঞ্চলিক ৰূপ দুটা বেছি সৰলগামী। এই দুই আঞ্চলিক ৰূপৰ ভাষাত পৰিৱর্তন অধিক হোৱাৰ কাৰণ হ'ল পূব আৰু মধ্য অঞ্চলক ব্রাহ্মণ্য সংস্কৃতিয়ে বেছি প্রভাৱান্বিত কৰিব পৰা নাই, দ্বিতীয়তে এই অঞ্চল বৌদ্ধ-জৈন ধর্মৰ লীলাভূমি আৰু লগতে বিভিন্ন আর্যভিন্ন ভাষাৰ বাসভূমি হোৱা বাবে আর্যভিন্ন ভাষাৰ প্রভাৱ এই আঞ্চলিক ৰূপত পৰিছিল। অশোকৰ অনুশাসনত দেখা দিয়া আঞ্চলিক ৰূপৰ পৰা এই কথা অনুমান কৰিব পাৰি যে খ্রীষ্টপূর্ব তৃতীয় শতিকাৰ পূর্বেই ভাৰতীয় আর্য ভাষাই পৰিৱর্তনৰ গতি প্রবাহত বিভিন্ন ঔপভাষিক বৈচিত্র্যৰে ভাৰতৰ বিভিন্ন অঞ্চলত আত্মপ্রকাশ কৰিছিল আৰু পৰৱর্তী কালত সাহিত্যিক প্রাকৃতবোৰৰ উদ্ভৱ হৈছিল। তলত অশোকৰ অনুশাসনৰ কেতবোৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য উল্লেখ কৰা হ'ল।

অশোকৰ অনুশাসনৰ সকলোতে প্রাচীন ভাৰতীয় আর্য ভাষাৰ অর্ধ-ব্যঞ্জন কেইটাৰ বিলুপ্তি ঘটিল। এই অর্ধ-ব্যঞ্জনকেইটা হ'ল ঋ, ৠ ঌ ৡ। ঋ ধ্বনিটো অৱশ্যে অ, ই, উ বা ৰ ধ্বনিলৈ পৰিৱর্তন হ'ল।

উদাহৰণ ঋ > অ; মৃগঃ > মগো (১নং গিৰ্নাৰ)
ঋ > ই; মৃগঃ > ম্রিগে (মানসেহ্ৰা)
বৃক্ষাঃ > ব্রচা

যৌগিক স্বৰ ঐ > এ আৰু ঔ > ও হৈছে।

উদাহৰণ ঐ > এ; কর্মৈয়ে > ক্রংময়ে (শাহবাঝগঢ়ী)

ঔ-ৰ ঠাইত কেতিয়াবা ই অথবা এ-ৰ প্রয়োগো লক্ষ্য কৰা যায়। যেনেঃ দ্বৌ > দুবি (শাহবাঝগড়ী)

দ্বৌ > দুৱে (ধৌলী, জৌগঢ়)

অয় আৰু অৱ-ৰ কোনো কোনো আঞ্চলিক ৰূপত থাকি গৈছে আৰু কেতবোৰ আঞ্চলিক ৰূপত ক্রমে এ আৰু ও হৈছে। যেনে

আজ্ঞাপয় > অণপয় (শাহবাঝগঢ়ী, মানসেহ্ৰা)

ভৱতি > ভৱতি, হোতি (গিৰ্নাৰ)

পদান্ত অঃ > ও অথবা এ হৈছে।

যেনে— সঃ > সো (গিৰ্নাৰ)

সঃ > সো, সে (শাহবাঝগড়ী, মানছেহ্ৰা)

সংযুক্ত ব্যঞ্জনৰ পূর্বৱর্তী দীর্ঘস্বৰ হ্রস্ব হোৱাৰ প্রৱণতাই দেখা দিছে।

উদাহৰণ ঃ কীর্তি > কিট্টি (শাহবাঝগড়ী)

কীর্ত্তি > কিতী (মানসেহ্ৰা, ধৌলী, জৌগড়)

ক্ষ > খ, ছ হোৱা দেখা যায়। উদাহৰণ

ক্ষুদ্র > খুদ, খুদ্র (শাহবাঝগড়ী, মানসেহ্ৰা), ছুদগিৰ্নাৰ

স্বৰমধ্যস্থিত অঘোষ ব্যঞ্জন সঘোষ ব্যঞ্জনলৈ ৰূপান্তৰিত হৈছে। যেনে— লোক > লোগ (জৌগড়)

ঋ-ৰ প্রভাৱত দন্ত্যবর্ণ মূর্ধণ্যভৱন হোৱাৰ লক্ষণ দেখা যায়। উদাহৰণ— কর্তব্য > কটব (শাহবাঝগড়ী)

পদান্ত ব্যঞ্জন লোপ পোৱাৰ প্রৱণতা দেখা যায়।

উদাহৰণ ঃ স্যাৎ > সিয় (শাহবাঝগড়ী, মানসেহ্ৰা), সিয়া (কাল্ছী)

শ, ষ, স-ৰ পার্থক্য উত্তৰ-পশ্চিমা আঞ্চলিক ৰূপত ৰক্ষা কৰা হৈছে। যেনে— প্রিঅদ্রশি; পশ্চিমাত কেৱল 'স'হে ব্যৱহাৰ হয়। অৱশ্যে প্রাচ্য-মধ্যাত 'শ'-ৰ ব্যৱহাৰ আছে।

'ৰ' যুক্ত আৰু 'স' যুক্ত ব্যঞ্জন অপৰিৱর্তিতভাৱে ৰক্ষিত হোৱাৰ উপৰিও অন্যান্য সংযুক্ত ব্যঞ্জনৰো বিশেষ পৰিৱর্তন হোৱা নাই, যেনে— ক্রম, অগ্র, পুত্র।

ৰেফ্ যুক্ত সংযুক্তৰোৰ লুপ্ত বা লুপ্ত নোহোৱাকৈ আছে যেনে সর্ব > সব, সর্বত্র > সর্বত্র, সর্ব > সব্র।

অশোকৰ অনুশাসনত এনেবোৰ উমৈহতীয়া বৈশিষ্ট্য থকাৰ উপৰিও প্রতিটো আঞ্চলিক ৰূপৰে কেতবোৰ নিজা নিজা বৈশিষ্ট্য থকা দেখা যায়। তথাপি বৃহৎ শিলানুশাসনসমূহৰ ভাষাকহে ভাষাতাত্ত্বিক বিশ্লেষণৰ আধাৰ হিচাপে লোৱা হয়; কাৰণ এই অনুশাসনবোৰৰ মাজত সীমান্তৱর্তী অঞ্চলসমূহৰ ভাষিক ৰূপৰ প্রতিফলন বেছিকৈ লক্ষ্য কৰা যায়। যিবোৰ আঞ্চলিক ভাষা-বৈশিষ্ট্যই অনুশাসনসমূহত আত্মপ্রকাশ কৰিছিল তাৰ অধিকাংশই পৰৱর্তী পালি-প্রাকৃত স্তৰত সাধাৰণ বৈশিষ্ট্য হিচাপে বর্তি থাকিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ অশোকৰ অনুশাসনসমূহৰ এটি চমু পৰিচয় আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত)

১.৫ অশোকৰ ১নং গিৰ্নাৰ অনুশাসন

১.৫.১ অশোকৰ ১নং গিৰ্নাৰ অনুশাসনৰ মূল পাঠ

ইয়ং ধংম লিপী দেৱানংপ্রিয়েন প্রিয়দসিনা ৰাএগ্ৰা লেখাপিতা। ইধ ন কিংচি জীৱং আৰভিত্পা প্রজূহিতব্যং। ন চ সমাজো কর্তব্যো। বহুকং হি দোসং সমাজম্হি পসতি দেৱান প্রিয়ো প্রিয়দসি ৰাজা। অস্তি পি তু একসা সমাজো সাধুমতা দেৱানংপ্রিয়স প্রিয়দসিনো ৰাএগ্ৰা।

পুৰা মহানসম্হি দেৱানংপ্রিয়স প্রিয়দসিনো ৰাএগ্ৰা অনুদিৱসং বহূনি প্রাণ সত-সহস্রানি আৰভিসু সুপাথায়। সে অজ য়দা অয়ং ধংম লিপী লিখিতা, তী এৱ প্রাণা আৰভৰে সুপাথায় দ্বো মোৰা, একো মগো, সো পি মগো ন ধ্রুৱো। এতে পি ত্রী প্রাণা পছা ন আৰভিসৰে।

১.৫.২ গিৰ্নাৰ অনুশাসনৰ অসমীয়া ভাঙনি

এই ধর্মলিপি দেৱতাসকলৰ প্রিয় প্রিয়দর্শী ৰজাৰ দ্বাৰা লেখোৱা হৈছে। ইয়াত (সাম্রাজ্যৰ ভিতৰত) কোনো জীৱ বলি দিয়া উচিত নহয়। কোনো সমাজ অর্থাৎ মেলা-উৎসৱাদিও অনুষ্ঠিত কৰা নহয়। প্রিয়দর্শী ৰজাই মেলা-উৎসৱাদিত বহুতো দোষ দেখিবলৈ পাইছে। অৱশ্যে এনে একোবিধ মেলা উৎসৱ আছে, যাক প্রিয়দর্শী ৰজাই ভাল বুলিয়েই ভাৱে। আগতে দেৱতাসকলৰ প্রিয় প্রিয়দর্শী ৰজাৰ ৰন্ধনশালত ব্যঞ্জনৰ বাবে প্রতিদিনে বহু শত সহস্র প্রাণী বধ কৰা হৈছিল। এতিয়া এই ধর্মলিপি লেখোৱাৰ সময়ত মাত্র তিনিটা প্রাণীহে বধ কৰা হয়— দুটা ম'ৰা আৰু এটা মৃগ; মৃগটো সদায়ে বধ কৰা নহয়। পাচলৈ (ভৱিষ্যতে) এই তিনিটা প্রাণীও বধ কৰা নহ'ব।

১.৫.৩ গিৰ্নাৰ অনুশাসনৰ শব্দগত টোকা

তালিকা ঃ ১.১

ক্রমিক নং	অনুশাসনৰ শব্দ	সংস্কৃত শব্দ	অসমীয়া শব্দ
১)	ইয়ং	ইদম্/ইয়ং	এই
২)	ধংম-লিপী	ধর্ম লিপিঃ	ধর্মলিপি
৩)	দেৱানং প্রিয়েন	দেৱানং প্রিয়েন	দেৱতাসকলৰ প্রিয়
৪)	প্রিয়দসি	প্রিয়দর্শী	অশোকৰ নাম বা উপাধি
৫)	ৰাএগ্ৰা	ৰাজ্ঞাঃ	ৰজাৰ দ্বাৰা
৬)	লেখাপিতা	লেখিতা	লেখা হ'ল
৭)	ইধ	(বৈদিক শব্দ)	ইয়াত

৮)	কিংচি	কশ্চিৎ	কদাচিত, কোনো
৯)	আৰভিত্পা	আলভ্য	আহুতি দি, বলি দি
১০)	প্রজুহিত্ব্যং	প্রহোতব্যঃ	বধ কৰি
১১)	কর্তব্যো	কর্তব্যঃ	কর্তব্য
১২)	সমাজো	সমাজঃ	সমাজ, জন-সমাবেশ
১৩)	সমাজম্হি	সমাজস্মি	জনসমাবেশত
১৪)	পসতি	পশ্যতি	দেখিছে
১৫)	অস্তি পিতু	—	অৱশ্যেই আছে
১৬)	আৰভিসু	আলভ্যন্ত	বধ কৰা
১৭)	সূপাথায়	সূর্পাথায়	ব্যঞ্জনৰ বাবে
১৮)	একসা	একম	একে, একো, এটা
১৯)	অজ	অদ্য	আজি, এতিয়া
২০)	আৰভৰে	আলভ্যন্তে	বধ কৰা হয়
২১)	দ্বো	দ্বৌ	দুই, দুটা
২২)	তি	ত্রয়ঃ	তিনি, তিনিটা
২৩)	মোৰা	ময়ূৰৌ	ম'ৰা চৰাই
২৪)	একো	একঃ	এক, এটা
২৫)	মগো	মৃগঃ	পশু, হৰিণ
২৬)	পি	অপি	আৰু
২৭)	পছা	পশ্চাৎ	পাছত
২৮)	ন আৰভিসৰে	ন আলভ্যস্যন্তে	বধ কৰা নহ'ব
২৯)	ধ্রুৱো	ধ্রুৱঃ	নিশ্চিত, স্থিৰ
৩০)	অনুদিৱসং	প্রতিদিৱসম্	প্রতিদিনে



জানি থোৱা ভাল

'ধংমলিপী' হ'ল অশোকে খোদিত কৰোৱা অনুশাসনসমূহ। অনুশাসনসমূহত নীতিমূলক উপদেশ বাণী অথবা ধর্মাদেশৰ উল্লেখ থকা বাবে এইবোৰক ধর্মলিপি বোলা হয়।

১.৬ অশোকৰ ২নং গিৰ্নাৰ অনুশাসন

১.৬.১ অশোকৰ ২নং গিৰ্নাৰ অনুশাসনৰ মূল পাঠ

'সর্বত ৱিজিতম্হিদেৱানংপ্রিয়স প্রিয়দসিনো ৰাএঞা এৱমপি প্রচংতেসু যথা চোডা পাডা সতিয়পুতো কেতলপুতো আ তংবপংণী অংতিয়কো যোন ৰাজা যে ৱা পি তস অংতিয়কস সামীপ। ৰাজানো সৱত্র দেৱানং প্রিয়স প্রিয়সিনো ৰাএঞা দ্বে চিকীছ কতা—মানুস-চিকীছা চ, পসু চিকীছা চ। মূলানি চ ফলানি চ যত যত নাস্তিস সর্ৱত্র হাৰাপিতানি চ ৰোপাপিতানি চ। পংথেসু, কূপা, চ খানাপিতা, ৱ্রছা চ ৰোপাপিতা পৰিভোগায় পসু মুনুসানং।"

১.৬.২ ২নং গিৰ্নাৰ অনুশাসনৰ অসমীয়া অনুবাদ

দেৱতাসকলৰ প্রিয় প্রিয়দর্শী ৰজাৰ দ্বাৰা বিজিত ৰাজ্যৰ সকলোতে আৰু সীমান্তৱর্তী চোল, পাণ্ড্য, সতিয়পুত্র, কেৰলপুত্রৰ ৰাজ্যৰ পৰা তাম্রপর্ণী ৰাজ্য পর্যন্ত, যৱনৰাজ অন্তিয়কৰ ৰাজ্য আৰু অন্তিয়কৰ ৰাজ্যৰ সমীপৱর্তী আন ৰাজ্যবোৰবো সকলোতে ৰজা প্রিয়দর্শীয়ে দুই প্রকাৰৰ চিকিৎসাৰ ব্যৱস্থা কৰিছে— মানুহৰ চিকিৎসা আৰু পশুৰ চিকিৎসা। মানুহ আৰু পশুৰ উপযোগী ঔষধ যি যি ঠাইত নাম সেই সকলো ঠাইলৈ অনোৱা হৈছে আৰু ৰোওৱা হৈছে। মূল আৰু ফলসমূহ (অর্থাৎ ঔষধি গছ আৰু গুটিসমূহ) যি যি ঠাইত নাই সেই সকলো ঠাইলৈ অনোৱা হৈছে আৰু ৰোওৱা হৈছে। পশু আৰু মানুহৰ উপভোগৰ কাৰণে পথত কুঁৱা খন্দোৱা হৈছে আৰু গছ ৰোওৱা হৈছে।

১.৬.৩ ২নং গিৰ্নাৰ অনুশাসনৰ শব্দগত টোকা

তালিকা ১,২

ক্রমিক নং	অনুশাসনৰ শব্দ	সংস্কৃত শব্দ	অসমীয়া শব্দ
১	সর্ৱত	সর্ৱত্র	সকলোতে
২	বিজিতমহ্ি	বিজিতে বা বিজিতাস্মি্	জয় কৰা
৩	দেৱানং প্রিয়স	দেৱানং প্রিয়ঃ	দেৱতাসকলৰ প্রিয়
৪	প্রিয়দসিনো	প্রিয়দর্শী	অশোকৰ নাম বা উপাধি
৫	ৰাএঞা	ৰাজ্ঞাঃ	ৰজাৰ দ্বাৰা
৬	এৱমপি	এৱমপি	এইদৰে
৭	প্রচংতেসু	প্রত্যন্তেষু	সীমান্তৱর্তী ৰাজ্যবোৰত

৮	চোডা	চোল	তাঞ্জোৰ
৯	পাডা	পাণ্ডা	ঙাদুৰাই
১০	সতিয়পুতো	সতিয়পুত্র	দাক্ষিণাত্যৰ কোনো অঞ্চল
১১	কেতলপুতো	কেৰলপুত্র	কেৰল ৰাজ্য
১২	তংবপংণী	তাম্রপর্ণী	সিংহল বা শ্রীলংকাৰ প্রাচীন নাম
১৩	অংতিয়কো	অন্তিয়কঃ	অন্টিওকোচ থিওছ
১৪	যোন	যৱনঃ	যুৱন/গ্রীসকলক বুজাইছে
১৫	সামীপ	সামীপ্য	ওচৰ
১৬	চিকীছা	চিকিৎসে	চিকিৎসা
১৭	ওসুঢানি	ঔষধানি	ওষধি গছবোৰ
১৮	মনুসোপগানি	মনুষ্যোপগনি	মানুহৰ উপযোগী
১৯	পসুপগানি	পশুপগানি	পশুবোৰৰ উপযোগী
২০	হাৰাপিতানি	হাৰিতানি	আহৰণ কৰা
২১	ৰোপাপিতানি	ৰোপিতানি	ৰোপনকৰা
২২	পংথেসু	পথিষু	পথবোৰত
২৩	খানাপিতা	খানিতাঃ	খন্দা হ'ল
২৪	ৱ্রছা	বৃক্ষাঃ	গছবোৰ
২৫	কুপা	কুপাঃ	কুঁৱা
২৬	কতা	কৃতে	কৰা হ'ল



জানি থোৱা ভাল

এই অনুশাসনখনত মানুহ আৰু পশুৰ চিকিৎসা ব্যৱস্থা কৰা, পথৰ কাষত কুঁৱা খন্দা, বৃক্ষৰোপণ কৰা আদি জনহিতকৰ কাম কৰোৱাৰ উল্লেখ আছে। খ্রীষ্টঃপূঃ ২৫৭ ত লিপিৱদ্ধ কৰোৱা হয় বুলি অনুমান কৰা হয়।



১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়নৰ পৰা আমি—

- প্রাচীন ভাৰতীয় আর্য ভাষাৰ পৰা কেনেদৰে মধ্য ভাৰতীয় আর্য ভাষাৰ উদ্ভৱ হ'ল আৰু বিকাশ ঘটিল সেই বিষয়ে জানিব পাৰিলোঁ।

- মধ্য ভাৰতীয় আৰ্যভাষাৰ স্তৰবোৰৰ বিষয়ে জানিব পাৰিলো। সেই স্তৰসমূহৰ মনোজ্ঞ আলোচনাই আমাৰ মনত মধ্য ভাৰতীয় আৰ্য ভাষাৰ স্তৰটোৰ বিষয়ে স্পষ্ট ধাৰণা লাভ কৰাত সহায় কৰিলে।
- অশোকৰ অনুশাসনৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰিব পাৰিলো।
- অশোকৰ অনুশাসনৰ শ্ৰেণীবিভাজন সম্পৰ্কে জনা গ'ল।
- অশোকৰ অনুশাসনবোৰৰ ভাষাৰ বিষয়ে বিশ্লেষণাত্মক আলোচনা কৰা হ'ল। 'অশোকৰ অনুশাসনৰ ১ আৰু ২ নং গিৰ্নাৰ অনুশাসনৰ (পাঠ্যক্ৰম অনুসৰি) গাথাৰ অসমীয়া ভাঙনিৰ বিষয়ে জানিব পৰা গ'ল।



১.৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গোস্বামী, সত্যেন্দ্ৰ নাৰায়ণ (১৯৯০); *ধম্মপদ*; গুৱাহাটী ঃ চন্দ্ৰপ্ৰকাশ।

২) গোস্বামী, সত্যেন্দ্ৰ নাৰায়ণ (১৯৯২); *প্ৰাকৃত পাঠ-মঞ্জুষা*; গুৱাহাটী ঃ বনলতা।

৩) গোস্বামী, সত্যেন্দ্ৰ নাৰায়ণ (১৯৯৩); *প্ৰাকৃত সাহিত্য*; গুৱাহাটী ঃ বাণী প্ৰকাশ।

৪) ঠাকুৰ, নগেন (১৯৮৯); *প্ৰাকৃত সাহিত্য চয়ন*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৫) ঠাকুৰ, নগেন (১৯৮৯); *প্ৰাকৃত সাহিত্য অধ্যয়ন*; গুৱাহাটী ঃ জ্যোতি প্ৰকাশ।

৬) ঠাকুৰ, নগেন (১৯৯২); *অশোকৰ অনুশাসন*; গুৱাহাটী ঃ জ্যোতি প্ৰকাশ।

৭) ঠাকুৰ, নগেন (১৯৯৪); *পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য*; গুৱাহাটী ঃ কে. এম. পাব্লিচিং।

৮) ভট্টাচাৰ্য, বিধুশেখৰ (শাস্ত্ৰী) (১৩৫৮); -----, কলকাতা ঃ পালি প্ৰকাশ।

৯) ভট্টাচাৰ্য, বিদান (১৯৭১); *ধম্মপদ*, কলকাতা।

১০) শইকীয়া বৰা, লীলাৱতী (২০০২); *সংস্কৃত-পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ*, গুৱাহাটী ঃ বনলতা।

১১) শৰ্মা, শৈলেনজিৎ (২০০৫); *ধম্মপদ পৰিচিতি*, পাঠশালা ঃ সৰ্বমঙ্গলম প্ৰকাশন।

১২) শৰ্মা, শৈলেনজিৎ (২০০৫) *পূৰ্ণাঙ্গ ধম্মপদ*; পাঠশালা ঃ সৰ্বমঙ্গলম প্ৰকাশন।

১৩) শৰ্মা, শৈলেনজিৎ (২০০৮) *ধম্মপদ-তত্বকথা*, পাঠশালা ঃ সৰ্বমঙ্গলম প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

১৪) Geiger, W (1956); *Pali Language and Literature*; (Tr. by B. K. Ghosh).

১৫) Radha Krishnan, S. (1950); *The Dhammapada*; New Delhi.

১.৯ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ ভাৰতীয় আর্য ভাষাৰ পৰিচয়.....ভাৰতীয় আর্য ভাষাৰ বিকাশ..... মধ্য ভাৰতীয় আর্য ভাষাৰ সময়..... মধ্য ভাৰতীয় আর্য ভাষাৰ তিনিটা স্তৰ..... প্রতিটো স্তৰৰ সাহিত্যিক নির্দশন ইত্যাদিৰ চমু আলোচনা।

২নং প্রশ্নৰ উত্তৰ ঃ অশোকৰ পৰিচয় অশোকৰ সময়..... অশোকৰ অনুশাসন কি..... অনুশাসনৰ প্রাপ্তি স্থান..... বিষয়বস্তু..... শ্রেণী বিভাগ অনুশাসনৰ ভাষা, ইত্যাদি কথাবোৰ আলোচনা কৰি দেখুৱাব লাগিব



১.১০ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ মধ্য ভাৰতীয় আর্য ভাষাৰ উদ্ভৱ আৰু বিকাশ সম্পর্কে এটি টোকা যুগুত কৰক।

প্রশ্ন ২ ঃ মধ্য ভাৰতীয় আর্য ভাষাক কেইটা আৰু কি কি স্তৰত ভাগ কৰা হৈছে? প্রতিটো ভাগৰ বিষয়ে চমুকৈ বর্ণনা কৰক।

প্রশ্ন ৩ ঃ অশোকৰ অনুশাসন বুলিলে কি বুজে? বহলাই আলোচনা কৰক।

প্রশ্ন ৪ ঃ অশোকৰ অনুশাসনমালাক কেইটা আৰু কি কি শ্রেণীত, কিহৰ ভিত্তিত শ্রেণী বিভাগ কৰা হৈছে? প্রতিটো ভাগৰ বিষয়ে একোটাকৈ টোকা যুগুত কৰক।

প্রশ্ন ৫ ঃ পণ্ডিতসকলে অশোকৰ অনুশাসনৰ ভাষাক কি কি প্রাকৃতত ভাগ কৰিছে? উদাহৰণ সহ প্রতিটো প্রাকৃতৰ পৰিচয় দিয়ক।

প্রশ্ন ৬ ঃ অশোকৰ অনুশাসনৰ ভাষাগত বৈশিষ্ট্যবোৰ আলোচনা কৰক।

প্রশ্ন ৭ ঃ অশোকৰ ১নং আৰু ২নং গিৰ্নাৰ অনুশাসনৰ অসমীয়া ভাঙনি দুটি উল্লেখ কৰক।

*** ***** ***

অধ্যায় ২ ঃ ধম্মপদ

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ ধম্মপদ
২.৩.১ ধম্মপদৰ সাধাৰণ ধাৰণা
২.৩.২ ধম্মপদ শব্দৰ অর্থ
২.৩.৩ ধম্মপদৰ ৰচনাকাল
২.৩.৪ ধম্মপদৰ ভাষা
২.৩.৫ বিভিন্ন ভাষাত ধম্মপদ
২.৩.৬ ধম্মপদৰ বিষয়বস্তু আৰু দর্শনতত্ত্ব
২.৪ চিত্তবগ্গোঃ সাধাৰণ আলোচনা
২.৫ পণ্ডিত বগ্গোঃ সাধাৰণ আলোচনা
২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ।
২.৭ অধিক জানিবলৈ
২.৮ অগ্রগতি খতিয়ান (কেৱল ৰূপৰেখা)
২.৯ আর্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ধম্মপদৰ পৰিচয় লাভ কৰিব
- ধম্মপদ শব্দৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- ধম্মপদৰ ৰচনাকাল সম্পর্কে বিশদভাৱে জানিব পাৰিব
- ধম্মপদৰ ভাষাৰ বৈশিষ্ট্যপূর্ণ দিশসমূহৰ কথা আলোচনা কৰিব পাৰিব
- বিভিন্ন ভাষাত চৰিত হোৱা ধম্মপদসমূহৰ বিষয়ে সাধাৰণ ধাৰণা লাভ কৰিব
- ধম্মপদৰ বিষয়বস্তু আৰু দর্শনতত্ত্বৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিব।

২.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় যাণ্মাসিকৰ অন্তর্গত ভাষা শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা তৃতীয় পাঠ্যবিষয়ক ‘পালি-প্রাকৃত-অপভ্রংশ ভাষা পাঠ আৰু তুলনামূলক ব্যাকৰণ’ৰ এইটো দ্বিতীয় অধ্যায়। অধ্যায়টোৰ শিৰোনাম ‘ধম্মপদ’। ধম্মপদ পালি ভাষাত

ৰচিত গ্ৰন্থ *'ত্রিপিটক'*ৰ অন্তৰ্গত। ইয়াত ধম্মপদৰ অৰ্থ, ধম্মপদৰ বিষয়বস্তুৰ লগতে তাৰ অন্যান্য উপাদানৰ আলোচনা কৰা হৈছে।

২.৩ ধম্মপদ

২.৩.১ ধম্মপদৰ সাধাৰণ ধাৰণা

ধম্মপদ পালি ভাষাত ৰচিত প্ৰাচীনতম গ্ৰন্থ। বৌদ্ধ ধৰ্মৰ প্ৰধান গ্ৰন্থ *ত্রিপিটকৰ* মুণ্ডপিতকৰ অন্তৰ্গত খুদ্দক নিকায়ৰ অন্যতম দ্বিতীয় গ্ৰন্থ। এই গ্ৰন্থৰ বিষয়বস্তু ২৬ (চাব্বিশ)টা বগ্‌গত (বৰ্গত) বিভক্ত। গ্ৰন্থখনিত মুঠ ৪২৩টা গাথা আছে। ধম্মপদ জগতৰ সৰ্বকালৰ শ্ৰেষ্ঠ সাহিত্যৰ অংগীভূত। এই গ্ৰন্থৰ প্ৰতিটো গাথাই নৈতিক আৰু মানৱীয় আদৰ্শৰে জিলিকি আছে। গাথাসমূহত সৰ্বকালৰ সকলো দেশৰ সকলো মানৱ সমাজৰ বাবে মংগলময় বাণী প্ৰকাশ পাইছে। ধম্মপদ বৌদ্ধ ধৰ্মৰ গ্ৰন্থ হ'লেও বিভিন্ন ধৰ্মাৱলম্বী লোক আৰু গৃহীসকলৰ নৈতিক উৎকৰ্ষ সাধনৰ বাবে ধম্মপদে পঠনীয় গ্ৰন্থৰূপে সমাদৰ লাভ কৰিছে। গ্ৰন্থখনৰ নৈতিক প্ৰমূল্যৰ দিশটো যেনেদৰে সৰ্বোৎকৃষ্ট তেনেদৰে সাহিত্যিক প্ৰমূল্যৰ ফালৰ পৰাও ধম্মপদ ভাৰতীয় সাহিত্য জগতত উচ্চ আসন লাভ কৰিবলৈ সক্ষম হৈছে। ধম্মপদৰ শাখাবোৰত জটিল বিষয় উত্থাপিত হোৱা নাই, বৰঞ্চ সাধাৰণ দোষৰ নিন্দা আৰু সৎ গুণৰ কীৰ্তনৰ হেতু শাখাবোৰ সজীৱ হৈ আছে। ভগৱান বুদ্ধৰ দ্বাৰা প্ৰচাৰিত বৌদ্ধ ধৰ্ম সৰ্ব কল্যাণকামী মনোবৃত্তিৰ ওপৰত প্ৰতিষ্ঠিত। মানৱ জীৱনত থকা সকলো প্ৰকাৰৰ দুখৰ অৱসান কৰা এই ধৰ্মৰ মূল লক্ষ্য। বুদ্ধৰ দ্বাৰা স্থাপিত এই তত্ত্ব আৰু নীতিৰ সম্প্ৰচাৰেই হ'ল ধম্মপদৰ মূল বিষয়বস্তু। ধম্মপদ পালি, প্ৰাকৃত, সংস্কৃত আৰু বৌদ্ধ সংস্কৃত এই চাৰিটা ভাষাত ৰচিত হৈছিল। বৌদ্ধ মতাৱলম্বীসকলৰ বিভিন্ন শাখাৰ জৰিয়তে এই গ্ৰন্থই দেশ-বিদেশতো সমাদৰ লাভ কৰিছে। বৰ্তমান পৃথিৱীৰ বিভিন্ন ভাষালৈ এই গ্ৰন্থ অনূদিত হোৱা কাৰ্যই গ্ৰন্থখনৰ শ্ৰেষ্ঠতাকে সূচিত কৰে। ধম্মপদত থকা শাখাৰ মাজেদি উচ্চ নৈতিক আদৰ্শ সম্বলিত পৰিপূৰ্ণ বিশ্ব মানৱ গঢ়ি তোলাৰ আদৰ্শ প্ৰতিভাত হৈছে। প্ৰকৃত মানুহ হ'বলৈ কেতবোৰ গুণৰ প্ৰয়োজন। সেইবোৰ হ'ল প্ৰেম আৰু ক্ষমা, ত্যাগ আৰু উদাৰতা, অহিংসা আৰু কৰুণা, ক্ৰোধ ত্যাগ আৰু পৰোপকাৰ আদি। এই সকলোবোৰ আদৰ্শ ধম্মপদৰ সকলো শাখাৰ মাজত পোৱা যায়। হিন্দু ধৰ্মশাস্ত্ৰ *গীতাত* যেনেদৰে দেশ-কাল-ধৰ্ম সম্প্ৰদায়ে সীমাবদ্ধ কৰিব নোৱাৰা এক উদ্দীপিত মানৱতাৰ আদৰ্শ প্ৰতিষ্ঠাৰ আকাংক্ষা আছে, সেই একে আকাংক্ষা ধম্মপদৰ মাজতো বিদ্যমান। এই ক্ষেত্ৰত বিশিষ্ট পণ্ডিত প্ৰবোধ চন্দ্ৰ বাগচীৰ এটি মন্তব্য প্ৰণিধানযোগ্য— "ধম্মপদ বৌদ্ধ গ্ৰন্থ নোহোৱা হ'লে এই দেশত গীতাতকৈ কম আদৰ নাপালেহেঁতেন।" বিশ্বকবি ৰবীন্দ্ৰ নাথ ঠাকুৰে তেওঁৰ *'প্রাচীন সাহিত্য'* গ্ৰন্থত ধম্মপদ সম্পৰ্কে দিয়া মন্তব্যটো এনে

ধৰণৰ ঃ "ভগবদ্ গীতায় ভাৰতবর্ষ যেমন আপনাকে প্রকাশ করিয়াছে, গীতার উপদেষ্টা ভারতের চিন্তাকে যেমন একেস্থানে একটি সংহত মূর্তি দান করিয়াছেন, ধম্মপদ গ্রন্থেও ভারতবর্ষের চিত্তের একটি পরিচয় তেমনি ব্যক্ত হইয়াছে।"

হিন্দু ধর্মাৱলম্বীসকলে *গীতাক* ভগৱান কৃষ্ণৰ মুখ নিঃসৃত বাণী বুলি বিশ্বাস কৰাৰ দৰে বৌদ্ধ ধর্মাৱলম্বীসকলেও ধর্ম্মপদক ভগৱান বুদ্ধৰ মুখনিসৃত বাণী বুলি বিশ্বাস কৰে। ধম্মপদত নৈতিক আৰু সৎ জীৱন-যাপনৰ আদর্শ প্রতিফলিত হোৱা বাবে ইয়াক ধর্মীয় সাহিত্যৰ অংগীভূত কৰা হৈছে। কিন্তু ধর্মীয় সাহিত্যৰ অংগীভূত হ'লেও ধম্মপদৰ শাখাসমূহ ইমান কবিত্বপূর্ণ আৰু সুমধুৰ যে ধম্মপদৰ সমকক্ষ সাহিত্য পাবলৈ টান। ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে ধম্মপদ ২৬টি বগ্গত বিভক্ত। সেইকেইটা হ'ল— ১) যমক, ২) অপ্পমাদ, ৩) চিত্ত, ৪) পুপ্ফ, ৫) বাল, ৬) পণ্ডিত, ৭) অৰহন্ত, ৮) সহস্স, ৯) পাপ, ১০) দণ্ড, ১১) জৰা, ১২) অত্ত, ১৩) লোক, ১৪) বুদ্ধ, ১৫) সুখ, ১৬) পিয়, ১৭) কোধ, ১৮) মল, ১৯) ধম্মট্ঠ, ২০) মগ্গ, ২১) পকিন্নক (বিবিধ), ২২) নিৰয় (নৰক), ২৩) নাগ, ২৪) তন্হা, ২৫) ভিক্খু আৰু ২৬) ব্রাহ্মণ।

এই বগ্গসমূহ পালি ভাষাত ৰচিত ধম্মপদৰ ক্ষেত্রতহে প্রযোজ্য। সংস্কৃত, প্রাকৃত, বৌদ্ধ সংস্কতত ধম্মপদ ৰচিত হ'লেও পালি ধম্মপদকহে প্রথম আৰু মৌলিক গ্রন্থৰূপে স্বীকাৰ কৰা হয়।

২.৩.২ ধম্মপদ শব্দৰ অর্থ

ধম্ম আৰু পদ— এই দুটা শব্দ লগ লাগি ধর্মপদ (ধম্মপদ) নামটো হৈছে। বৌদ্ধ ধর্মত বৌদ্ধ আৰু পদ শব্দ দুটা একাধিক অর্থত ব্যৱহাৰ হয়। ধম্ম শব্দৰ অর্থ হ'ল — ধর্ম, প্রকৃতি, গুণ, পদার্থ, মতবাদ, প্রাকৃতিক নিয়ম, ধর্মমত, অৱস্থা, আচাৰ, জাগতিক বিধান, নীতি, প্রজ্ঞা, মার্গ, মনোবৃত্তি, শীল, সত্য, সমাধি, স্বভাৱ, নির্বাণ ইত্যাদি। তেনেদৰে 'পদ' শব্দটিও অনেক অর্থত ব্যৱহাৰ হৈছে। যেনে— পথ, উপায়— সোপান, পৰিত্রাণ, পাদ, মত, অংশ ইত্যাদি। গতিকে 'ধম্মপদ' শব্দটোৰ অর্থ হয়গৈ ধর্মোপলব্ধিৰ উপায় বা পথ। ধর্মৰ দোষ, ধর্মৰ সোপান, সত্যৰ পথ বা মার্গ, পুণ্যৰ পথ ইত্যাদি।

ধম্মপদ গ্রন্থৰ বিভিন্ন শাখাৰ ধম্ম শব্দই এহাতে বুদ্ধ প্রচাৰিত ধর্মমতৰ কথা প্রকাশ কৰিছে আৰু আনহাতে সৎ, সংযত আৰু সজ আচৰণৰ দ্বাৰা পৰিশীলিত জীৱন-যাপনৰ অর্থও প্রকাশ কৰিছে। উদাহৰণ স্বৰূপে 'যমক বগ্গ'ৰ ৫নং শাখাত আছে 'এস ধম্মো সনন্তনো' (ইয়ে সনাতন ধর্ম অর্থাৎ বুদ্ধ প্রচাৰিত ধর্ম)। তেনেদৰে ভিক্খু বগ্গৰ পাঁচ নম্বৰ শাখা বুদ্ধবগ্গৰ ১২, ১৩ আৰু ১৪ নম্বৰ শাখাত বৌদ্ধধর্ম আৰু বৌদ্ধধর্মৰ সাধনা, দর্শন আদিৰ কথা সুন্দৰভাৱে প্রকাশ পাইছে।

লোক বগ্‌গৰ ১নং শাখাত পোৱা যায় 'হীনং ধম্মং ন সেৱয্য', অর্থাৎ হীনধর্ম সেৱাত ৰত হ'ব নালাগে। এই উক্তিৰ পৰা ক'ব পৰা যায় ধম্ম শব্দৰ অর্থ হ'ল সৎ, শুদ্ধ, পৰিশীলিত জীৱন-যাপন কৰা।

ধম্ম শব্দৰ অর্থৰে ৰূপ বা বস্তুক বুজোৱা হৈছে। ধম্মপদৰ মগ্‌গ বগ্‌গোৰ ৭ নম্বৰ শাখাৰ পৰা এই কথা জানিব পৰা যায়। যেনে— 'সব্বেধম্মা অনত্ততি'।

ধম্ম শব্দৰ আন এটা অর্থ হ'ল মানসিক বৃত্তি। নিজৰ মনক দৃঢ় আৰু সংযত কৰিব নোৱাৰিলে মানুহ বিপুল সুখ প্রাপ্তিৰ পৰা বঞ্চিত হয়। যমক বগ্‌গৰ ৭ নম্বৰ গাথাত ধম্ম শব্দৰ অর্থ পোৱা যায় এনেদৰে— মন ধর্মসমূহৰ পূর্বত গমন কৰে, মন ধর্মসমূহৰ অধিনায়ক, ধর্মসমূহ মনতে উৎপন্ন হয়...।

ধম্মপদৰ বিভিন্ন গাথাত 'পদ' শব্দটো বচন, উক্তি, পদ, গাথা, নির্বাণ, কাৰণ, পদ-স্থান ইত্যাদি অর্থত প্রয়োগ হৈছে। উদাহৰণ—

- অপ্‌প্রমাদ বগ্‌গোৰ প্রথম গাথাত আছে— 'অপ্‌পমাদো অমতপদং পমাদো মচ্চুনো পদং'; অর্থাৎ অপ্রমাদ অমৃতৰ (নির্ব্বাণ) পথ, প্রমাদ মৃত্যুৰ পথ।
- মল বগ্‌গোৰ ২০ নম্বৰ শাখাত আছে— 'আকাসে ৱা পদং নত্থি' অর্থাৎ আকাশত পদ (পথ) নাই।
- পুপ্‌ফ বর্গত আছে— 'কো ধম্মপদং সুদেসিতং কুসলো পুপ্‌ফমি'ৱ পচেস্‌সতি (নিপুণ মালাকাৰে কৰা পুষ্প চয়নৰ দৰে কোনে এই সুদেশিত (সুব্যাখ্যাত) ধর্মপদ চয়ন কৰিব? ইয়াত পদ শব্দই বচন, উক্তি, গাথা অর্থ প্রকাশ কৰিছে।

বর্তমান সময়তো বিশ্বৰ বিভিন্ন পণ্ডিতে 'ধম্মপদ'ৰ অর্থ নিজাববীয়াকৈ দিবলৈ যত্ন কৰিছে। তেনে কেতবোৰ মত হ'ল—

১) পণ্ডিত গগর্লিৰ মতে 'ধম্মপদৰ অর্থ ধর্মৰ সোপান'।
২) স্পেন্স হার্ডি, মেক্সমূলাৰ, ৰাধাকৃষ্ণন আদি পণ্ডিতৰ মতে ধম্মপদ হ'ল ধর্মৰ পথ।
৩) ফিয়াৰৰ মতে ধম্মপদ হ'ল ধর্মৰ ভিত্তি।
৪) ফৌজবলৰ মতে ধম্মপদ হ'ল ধর্মকথা সংগ্রহ।
৫) ৰীলেৰ মতে ধম্মপদ হ'ল ধর্ম গ্রন্থ।

এনেদৰে ধর্ম পদৰ ভিন্ ভিন্ অর্থ দিয়াৰ প্রয়াস কৰা দেখা যায়। মূলতঃ ধম্মপদৰ অর্থ হ'ল সজ আচৰণ আৰু নৈতিকতাৰ জৰিয়তে মানৱ জীৱনৰ উৎকর্ষ সাধন কৰাৰ, সংসাৰৰ মায়া-মোহ বিলুপ্তিৰ দ্বাৰা নির্বাণ উপলব্ধি কৰাৰ পথ বা উপায়।

২.৩.৩ ধম্মপদ ৰচনা কাল

ধম্মপদৰ ৰচনাৰ সময় নির্ণয় কৰাটো সম্ভৱ নহয়, কিয়নো এই গ্রন্থৰ ৰচনা সম্বন্ধে কোনো সুস্পষ্ট প্রমাণ পাবলৈ নাই। ত্রিপিটকৰ অন্তর্গত বিভিন্ন গ্রন্থত ধম্মপদৰ অনেক গাথাৰ উল্লেখ থকা বাবে পণ্ডিতসকলে ধম্মপদৰ ৰচনা কাল ত্রিপিটকৰ লগত অংগাংগীভাৱে জড়িত বুলি মত প্রদান কৰিছে। বৌদ্ধ ধর্মাৱলম্বীসকলৰ বিশ্বাস যে

ধম্মপদৰ গাথাসমূহ স্বয়ং বুদ্ধদেৱৰ মুখনিঃসৃত বাণী। বিভিন্ন উপলক্ষ্যত বুদ্ধদেৱে এই বাণীসমূহ প্ৰচাৰ কৰিছিল। বৌদ্ধধৰ্মীসকলে এনেদৰে বিশ্বাস কৰিলেও কিন্তু ক'ব লাগিব যে ধম্মপদৰ গাথাসমূহ বিভিন্ন মূলৰ পৰা সংগৃহীত আৰু ত্ৰিপিটকৰ ৰচনা কালৰ লগতহে এইবোৰ জড়িত। ত্ৰিপিটকৰ উপৰিও সংস্কৃত গ্ৰন্থৰ মাজতো শাখাবোৰৰ অস্তিত্ব বিচাৰি পোৱা যায়। দাৰ্শনিক পণ্ডিত এচ. ৰাধাকৃষ্ণণ, প্ৰাচ্যতত্ত্ববিদ এম. উইণ্টাৰনিজেও উল্লিখিত মত পোষণ কৰিছে।

বুদ্ধদেৱৰ তিৰোধানৰ (আনুমানিক খ্ৰীষ্টপূৰ্ব ৪৮৪) পিছত সেই একে শতিকাতে ৰাজগৃহত প্ৰথম বৌদ্ধমহামেল অনুষ্ঠিত হয়। ইয়াৰ এশ বছৰৰ পিছত খ্ৰীষ্টপূৰ্ব ৩৮৪ত দ্বিতীয় বৌদ্ধ মহামেল বৈশালীত অনুষ্ঠিত হয়। তৃতীয় বৌদ্ধ মহামেল আনুমানিক খ্ৰীষ্টপূৰ্ব ২৫৬ শতিকাত অশোকৰ ৰাজত্বকালত মগধৰ ৰাজধানী পাটলিপুত্ৰত অনুষ্ঠিত হয়। এই তিনিওখন মহামেলত বুদ্ধবচনসমূহ আবৃত্তি কৰা হৈছিল আৰু সেই সময়ৰ বৌদ্ধ পণ্ডিত মণ্ডলীৰ অনুমোদনক্ৰমে এইবিলাক সংশোধন আৰু পৰিমাৰ্জন কৰি শৃংখলাবদ্ধভাৱে বুদ্ধবচন সংকলন কাৰ্য সমাপ্ত কৰা হৈছিল। সেই শাস্ত্ৰকে অশোক পুত্ৰ মহেন্দ্ৰই সিংহললৈ লৈ গৈছিল আৰু সিংহলৰাজ বট্টগামনিৰ ৰাজত্বকালত (৮৮-৭৬ খ্ৰীষ্টপূৰ্ব) এইবোৰ স্থায়ীভাৱে লিপিবদ্ধ হয়। মন কৰিবলগীয়া কথা হ'ল অশোকৰ ৰাজত্বৰ (খ্ৰীষ্টপূৰ্ব ২৭৪-২৩২) এশ বছৰৰ পিছতো ত্ৰিপিটকৰ কোনো উল্লেখ পোৱা নাযায়। অশোকৰ অনুশাসনত ইয়াৰ কোনো উল্লেখ নাই। ধম্মপদৰ গ্ৰন্থখন সেই সময়ত থকা হ'লে অশোকে নিশ্চয় তাৰ উল্লেখ কৰিলেহেঁতেন।

খ্ৰীষ্ট্ৰিয় প্ৰথম শতিকাত 'মিলিন্দ পঞ্হ' নামৰ গ্ৰন্থত ধম্মপদৰ প্ৰথম উল্লেখ পোৱা যায়। এই তথ্যৰ ওপৰত ভিত্তি কৰি ক'ব পাৰি যে তৃতীয় বৌদ্ধ মহামেলৰ পৰা ত্ৰিপিটক লিপিবদ্ধ হোৱালৈকে অৰ্থাৎ খ্ৰীষ্টপূৰ্ব তৃতীয় শতিকাৰ পৰা খ্ৰীষ্টপূৰ্ব প্ৰথম শতিকা পৰ্যন্ত এই সময়ছোৱাৰ ভিতৰত ধম্মপদ সংকলিত হৈছিল বুলিব পাৰি।

২.৩.৪ ধম্মপদৰ ভাষা

ধম্মপদৰ ভাষা হ'ল পালি। পালি হ'ল মধ্য ভাৰতীয় আৰ্য ভাষাৰ প্ৰথম সাহিত্যিক নিদৰ্শন। অশোকৰ অনুশাসনকেই মধ্য ভাৰতীয় আৰ্য ভাষাৰ প্ৰথম লিখিত নিদৰ্শন হিচাপে আখ্যা দিয়া হৈছে। অনুশাসনবোৰ হ'ল প্ৰত্নলিপি। সেয়ে সাহিত্যৰ নিদৰ্শন হিচাপে পালিয়েই প্ৰথম। তলত পালি ভাষাৰ বৈশিষ্ট্য কেতবোৰ উল্লেখ কৰা হ'ল, যিবোৰ ধম্মপদৰো ভাষিক বৈশিষ্ট্য—

- ধৰ্ম পদৰ ভাষা পালিত স্বৰধ্বনিৰ সংখ্যা আঠটা। সেইকেইটা হ'ল অ, আ, ই, ঈ, উ, ঊ, এ আৰু ও।
- সংস্কৃতৰ ঋ আৰু ঌ ধ্বনিৰ প্ৰয়োগ সম্পূৰ্ণৰূপে লোপ পাইছে।

- সংস্কৃতৰ ঋ, ৯, ঐ, ঔ ধ্বনিৰ প্ৰয়োগো পালিত নাই। পালিত এই ধ্বনিবোৰ অন্য ধ্বনিলৈ ৰূপান্তৰিত হ'ল।
  - i) ঋ ধ্বনি পালি ভাষাত যথাক্ৰমে অ, ই, উ, এ, ৰ, ৰি, ৰু ধ্বনিলৈ পৰিৱৰ্তন হয়।

    উদাহৰণ— ঋ > অ ; কৃতং > কতং
    ঋ > ই ; মৃগ > মিগ
    ঋ > উ ; মৃদু > মুদু
    ঋ > এ ; গৃহ > গেহ
    ঋ > ৰ ; বৃহৎ > ব্ৰহা
    ঋ > ৰি ; ঋণ > ৰিণ
    ঋ > ৰু ; বৃক্ষ > ৰুক্খ ইত্যাদি
  - ii) ৯ ধ্বনিটো পালিত উ ধ্বনিলৈ ৰূপান্তৰিত হ'ল। সংস্কৃতত মাথো এটা ধাতুত এই ধ্বনিৰ প্ৰয়োগ দেখা যায়। যেনে— ক্নপ্ত > কুত্ত
  - iii) ঐ ধ্বনিটো পালিত সাধাৰণতে এ হয় যদিও কেতিয়াবা ই, ঈ ধ্বনিলৈও পৰিৱৰ্তন হয়। যেনে—
    ঐ > এ; শৈল > সেল
    ঐ > ই ; ঐশ্বৰ্য্যং > ইসসৰিয়ং
    ঐ > ঈ; গৈৱেযম > গীৱেসং
  - iv) ঔ স্বধ্বনিটো পালিত ও লৈ পৰিবৰ্তন হৈছে যদিও কেতিয়াবা অ, আ, উ ধ্বনিলৈ পৰিবৰ্তন হোৱাৰ নিদৰ্শনো দেখা যায়।

    উদাহৰণ— ঔ > ও ; যৌৱন > যোব্বন
    ঔ > অ ; সৌম্য > সম্ম
    ঔ > আ; গৌৰৱং > গাৰৱং
    ঔ > উ ; ঔৎসুক্য > উস্সুক্ক
- সংস্কৃতৰ শিশ্ ধ্বনি শ, ষ, স ৰ ভিতৰত পালিত মাথো 'স'ৰহে প্ৰয়োগ হৈছে। যেনে— শীল > সীল ; ঋষি > ইসি
- সংস্কৃতৰ অ-কাৰান্ত শব্দৰ শেষত থকা ম ধ্বনি পালিত ং হয়। যেনে— চক্ৰম্ > চক্কং; অৱশ্যে কেতিয়াবা পদান্ত 'ম্' অপৰিৱৰ্তিত হৈ থাকে। যেনে— সুখম্ > সুখম্।
- ন আৰু ণ দুয়োৰে প্ৰয়োগ পালিত আছে যদিও কেতিয়াবা ন > ণ হোৱা দেখা যায়। যেনে— নগৰ > ণগৰ।
- সংস্কৃতৰ দৰে পালিত ৰ আৰু ল-ৰ প্ৰয়োগ আছে যদিও ৰ > ল হোৱা দেখা যায়। যেনে— ৰাজা > লাজা।
- পালি ভাষাত ঃ (বিসৰ্গ)ৰ প্ৰয়োগ নাই। সংস্কৃতৰ অ-কাৰান্ত শব্দৰ শেষত থকা বিসৰ্গ— পালি ভাষাত ও কাৰ হয়। যেনে— ধৰ্ম্ম > ধম্মো; দেৱঃ > দেৱো।

- পালি ভাষাত সংস্কৃতৰ ৰেফ্‌যুক্ত ধ্বনিবোৰ দ্বিত্ব হৈছে। যেনে— ধর্ম্ম > ধম্ম; সর্ব > সব্ব ইত্যাদি।
- সংস্কৃতৰ পদান্ত ব্যঞ্জন পালিত লোপ পাইছে। অৱশ্যে পদান্ত ং পালিত ৰক্ষিত হৈছে। যেনে— পশ্চাৎ > পচ্ছা
  সম্যক > সম্মা, ইত্যাদি
- শব্দৰ আদি স্থানত থকা সংস্কৃতৰ যুক্ত ব্যঞ্জনবোৰ পালিত একক ব্যঞ্জনলৈ ৰূপান্তৰিত হৈছে। যেনে— দ্বীপং > দীপং; প্রশ্ন > পঞ্হ
- সমীভৱন, স্বৰভক্তি, ধ্বনি বিপর্যয় আদিৰ দ্বাৰা পালি ভাষাত যুক্ত ব্যঞ্জন সৰল হোৱা দেখা যায়। যেনে— মুক্ত > মুত্ত, স্বর্গ > সগ্গ, স্নেহ > সিনেহ ইত্যাদি
- পালি ভাষাত বচন দুটা— একবচন আৰু বহুবচন। সংস্কৃতৰ দ্বিবচন পালিত নাই। দ্বিবচনক বহুবচনৰ লগত ধৰা হয়।
- পালি ভাষাত অ-কাৰান্ত শব্দৰ ব্যাপক প্রভাৱ আছে। কাৰণ পালি ভাষাত অধিকাংশ শব্দই স্বৰান্ত হয়।
- পালি ভাষাত আত্মনেপদৰ ব্যৱহাৰ কম; পৰস্মৈপদৰ ব্যৱহাৰ বেছি।
- পালি ভাষাত সংস্কৃতৰ দহটা ল-কাৰৰ ঠাইত আঠটাহে ৰক্ষিত হৈছে।
- পালিত সংস্কৃতৰ দৰে তিনিটা লিংগ থাকিলেও কোনো কোনো শব্দৰ ক্ষেত্রত লিংগ একাধিক হোৱা দেখা যায়। সাধাৰণতে পুংলিংগত অনুস্বাৰ সংযোগ কৰি ক্লীৱলিংগ কৰা দেখা যায়। যেনে— কলস — পুংলিংগ
  কলসং — ক্লীৱলিংগ

ধম্মপদৰ ভাষাত এনে বৈশিষ্ট্য থকাৰ উপৰি আৰু অনেক বৈশিষ্ট্য লক্ষ্য কৰা যায়। ইয়াৰে অধিকাংশ বৈশিষ্ট্য পৰৱর্তী প্রাকৃত স্বৰত ৰক্ষিত হোৱা দেখা যায়।

২.৩.৫ বিভিন্ন ভাষাত ধম্মপদ

ধম্মপদ পালি, প্রাকৃত, সংস্কৃত, বৌদ্ধ-সংস্কৃত আদি বিভিন্ন ভাষাত ৰচিত হোৱা দেখা যায়। তদুপৰি সংস্কৃত আৰু বৌদ্ধ সংস্কৃতৰ আধাৰত চীনা, তিব্বতী আদি ভাষালৈ অতি প্রাচীন কালতে এই গ্রন্থ অনূদিত হৈছিল। বিভিন্ন ভাষাত ৰচনা কৰা আৰু অনূদিত হোৱাৰ কাৰণ হ'ল সর্বসাধাৰণৰ উপযোগীকে এই গ্রন্থ ৰচিত। নীতিমূলক বিষয়বস্তু ইয়াত পোৱা যায়। ৰচনাভঙ্গী সহজ -সৰল। সকলোৰে পৰিচিত বাস্তৱ জগতখনৰ পৰা আহৰণ কৰা উপমা-ৰূপক আদি অলংকাৰৰ প্রয়োগ কৰা বাবে গাথাসমূহ সৰল আৰু জনপ্রিয় হৈ উঠিছিল আৰু সমগ্র এচিয়া মহাদেশ জুৰি বৌদ্ধ ধর্মাৱলম্বীসকলৰ দ্বাৰা প্রচাৰিত হৈছিল।

- *পালি ধম্মপদ ঃ* পালি ভাষাত ৰচিত ধম্মপদ আনবোৰ ভাষাত ৰচিত ধম্মপদতকৈ প্রাচীন বুলি অনুমান কৰা হৈছে। পালি ভাষাৰ মাধ্যমেৰে বৌদ্ধশাস্ত্রৰ চর্চা খ্রীষ্টপূর্ব তৃতীয় শতিকাৰ পৰাই হৈছিল যদিও ইয়াৰ লিপিবদ্ধ ৰূপ খ্রীষ্টপূর্ব প্রথম শতিকাতহে হয়।

- *প্রাকৃত ধম্মপদ ঃ* মধ্য এচিয়াৰ খোটানৰ ওচৰৰ গোশৃংগ বিহাৰৰ ধ্বংসাৱশেষৰ পৰা প্রাকৃতত ৰচিত এখন ধম্মপদ খণ্ডিত ৰূপত উদ্ধাৰ হৈছে। ইয়াৰ গাথাৰ সংখ্যা আৰু বর্গসংখ্যা জনা নাযায়। প্রাচীন বৌদ্ধ সংঘৰ অন্যতম শাখা ধর্মগুপ্ত সম্প্রদায়ে এই ধম্মপদ খ্রীষ্টিয় ১ম শতিকাত ৰচনা কৰা বুলি অনুমান কৰিছে। এই ধম্মপদ খৰোষ্ঠী লিপিৰে ৰচিত আৰু এই গ্রন্থৰ ভাষা অশোকৰ অনুশাসনৰ উত্তৰ-পশ্চিমা বা গান্ধাৰী উপভাষাৰ ওচৰ চপা। খোটানত উদ্ধাৰ হোৱা বাবে এই গ্রন্থক 'খোটানী ধম্মপদ' নামেৰেও জনা যায়। খণ্ডিত ৰূপত পোৱা প্রাকৃত-ধম্মপদ পালি ধম্মপদৰ সৈতে হুবহু একে নহয়। গাথা আৰু বর্গ বিভাজনত দুয়োখনৰে পার্থক্য আছে।
- *সংস্কৃত ধম্মপদ ঃ* মধ্য এচিয়াৰ তুৰফান অঞ্চলৰ বৌদ্ধ প্রতিষ্ঠানসমূহৰ ধ্বংসাৱশেষৰ মাজত সংস্কৃতত ৰচিত ধম্মপদ আৱিষ্কাৰ হৈছে। এই ধম্মপদক উদান বর্গ বুলি নামকৰণ কৰা হৈছে। খ্রীষ্টিয় প্রথম শতিকাত সম্রাট কনিষ্কৰ ৰাজত্বকালত 'ধর্মত্রাত' নামৰ জনৈক বৌদ্ধ পণ্ডিতে এই গ্রন্থ সংকলন কৰে বুলি প্রসিদ্ধি আছে। পালি ধম্মপদতকৈ প্রাকৃত ধম্মপদৰ লগত ইয়াৰ ঘনিষ্ঠ সাদৃশ্য লক্ষ্য কৰিব পাৰি। বর্গ-বিভাজনৰ ক্ষেত্রত ই পালি ধম্মপদৰ ওচৰ চপা যদিও সিবোৰৰ নামকৰণত যথেষ্ট পার্থক্য আছে। তিব্বতী আৰু চীনা ধম্মপদ সংস্কৃত ধম্মপদৰ আধাৰত ৰচিত হৈছিল। আনুমানিক ৪১০ খ্রীষ্টাব্দত বুদ্ধস্মৃতি নামৰ বৌদ্ধ ভিক্ষু এগৰাকীয়ে 'চ-ইয়-কিঙ্গ' নামেৰে সংস্কৃতত ৰচিত আলোচ্য ধম্মপদখনিৰ পৰা চীনা ভাষাত টীকা ভাষ্য সহকাৰে চীনা ধম্মপদ ৰচনা কৰে। কুৰিটা খণ্ডত বিভক্ত এই ধম্মপদৰ বর্গ সংখ্যা তেত্রিশটা।
- *বৌদ্ধ সংস্কৃত বা মিশ্র সংস্কৃত ধম্মপদ ঃ* বৌদ্ধ বা মিশ্র সংস্কৃতত ৰচিত ধম্মপদৰ অস্তিত্ব বর্তমানে পাবলৈ নাই। কিন্তু 'ফা-খিউ-কিঙ্গ' নামৰ ঊনচল্লিশটা বর্গত বিভক্ত আৰু সাতশ বাৰন্নটা গাথা সম্বলিত যিখন সুবৃহৎ ধম্মপদ চীনা ভাষাত পোৱা যায়, সেই খনৰ মূল বৌদ্ধ-মিশ্র সংস্কৃত ধম্মপদ আছিল বুলি পণ্ডিতসকলে অনুমান কৰিছে। বৌদ্ধসকলৰ মহাসাংঘিক সম্প্রদায়ে বৌদ্ধ-মিশ্র সংস্কৃতৰ মাধ্যমেৰে ধর্মশাস্ত্রৰ চর্চা কৰিছিল। সম্ভৱতঃ এওঁলোকেই বৌদ্ধ-মিশ্র সংস্কৃতত ধম্মপদ ৰচনা কৰিছিল। বৌদ্ধ মিশ্র সংস্কৃতত ৰচিত ধম্মপদখনিৰ বর্গৰ সংখ্যা বাইশটা আৰু গাথাৰ সংখ্যা মুঠ পাঁচশ আছিল বুলি 'ফা-খিউ-কিঙ্গ'ৰ ভূমিকাৰ পৰা জানিব পৰা যায়।

২.৩.৬ ধম্মপদৰ বিষয়বস্তু আৰু দর্শনতত্ত্ব

বৌদ্ধধর্মৰ মূল নীতি, আদর্শ আৰু পালনীয় কর্তব্য সর্বসাধাৰণৰ উপযোগীকৈ ধম্মপদত প্রকাশিত হৈছে। আগেয়ে উল্লেখ কৰি অহা হৈছে যে মানৱ সমাজে কি উপায়েৰে নৈতিক উৎকর্ষ সাধন কৰি বুদ্ধদেৱৰ দ্বাৰা প্রচাৰিত ধর্ম আৰু

নীতিৰ মৰ্মাৰ্থ উপলব্ধি কৰিব পাৰিব তাকেই বিভিন্ন উপমাৰ সহায়ত সহজ-সৰলভাৱে ইয়াৰ মাজেৰে ব্যক্ত কৰা হৈছে। গ্ৰন্থখনিৰ প্ৰধান উদ্দেশ্য হ'ল গৃহীসকলক নৈতিকভাৱে সবল আৰু শিক্ষিত কৰি তোলা। শীল পালন, ত্ৰি শৰণৰ প্ৰতি শ্ৰদ্ধা, চতুৰাৰ্য সত্যৰ উপলব্ধি, ইন্দ্ৰিয় সংযম, অপ্ৰমাদৰ অনুসৰণ, তৃষ্ণা ক্ষয়, ক্ৰোধ-বিদ্বেষ পৰিহাৰ ইত্যাদিৰ জৰিয়তে পৰিশীলিত জীৱন-যাপনৰ প্ৰতি উদ্বুদ্ধ কৰাৰ চিন্তা গ্ৰন্থখনিত লক্ষ্য কৰা যায়।

বৌদ্ধ সাধন মাৰ্গৰ প্ৰথম সোপান হৈছে শীল পালনৰ যোগেদি ব্ৰহ্মচৰ্য অৱলম্বন। শীল শব্দৰ অৰ্থ সজ আচৰণ। মুঠ দশ শীলৰ ভিতৰত গৃহী বৌদ্ধই পঞ্চশীল পালন কৰিব লাগে। দ্বিতীয় স্তৰত চিত্ত সংযম কৰিব লাগে। চিত্তই সকলো দুখৰ মূল। চঞ্চল চিত্তক দমন কৰাৰ একমাত্ৰ উপায় হ'ল ধ্যান অনুশীলন আৰু অষ্টাঙ্গিক মাৰ্গৰ অনুশীলন। ধম্মপদৰ ভালেমান গাথাত দুৰ্নিবাৰ আৰু যথেষ্ট বিচৰণশীল চিত্তক দমন কৰাৰ উপদেশ দিয়া হৈছে।

বৌদ্ধ দৰ্শনৰ প্ৰধান লক্ষ্য হ'ল দুখৰ পৰা পৰিত্ৰাণ লাভ কৰা। জৰা, ব্যাধি, মৃত্যুৰ পৰা পৰিত্ৰাণ বিচাৰিয়েই গৌতম বুদ্ধই বুদ্ধত্ব লাভ কৰিছিল। প্ৰত্যেক জীৱই জন্ম, ব্যাধি, জৰা, মৃত্যু, প্ৰিয় বিয়োগ, অপ্ৰিয় সম্প্ৰয়োগ, ইপ্সিত বস্তুৰ অলাভ আৰু পঞ্চেন্দ্ৰিয়ৰ গ্ৰাহ্য বস্তু— এই আঠ প্ৰকাৰৰ দুখ ভোগ কৰিব লগা হয়। এই দুখৰ পৰা পৰিত্ৰাণৰ উপায় ধম্মপদত আছে।

নিৰ্বাণ প্ৰাপ্তি হ'লে সকলো দুখৰ পৰা পৰিত্ৰাণ পায়। ধম্মপদৰ বিভিন্ন শাখাত জগতক জলৰ বুদ্ বুদ্ তথা মৰীচিকাৰ সৈতে তুলনা কৰা হৈছে। শৰীৰক ফেনৰ সৈতে ৰিজোৱা হৈছে। জীৱ আৰু জগতৰ অনিত্যতা যিয়ে উপলব্ধি কৰিছে তেওঁ মোহমুক্ত হৈছে। এনে ব্যক্তিয়ে প্ৰজ্ঞাৰ দ্বাৰা মাৰৰ বন্ধন ছিন্ন কৰি 'অমতপদং'ৰ স্বৰূপ নিৰ্বাণ লাভ কৰিব পাৰে। বৌদ্ধধৰ্মৰ মতে নিৰ্বাণ এক পৰম শান্তিময় আনন্দময় অৱস্থা। এই নিৰ্বাণ প্ৰাপ্তিৰ বাবে ধম্মপদৰ বিভিন্ন গাথাত সকীয়াই দিয়া হৈছে।

২.৪ চিত্তবগ্গো ঃ সাধাৰণ আলোচনা

চিত্তবগ্গটো হৈছে ধম্মপদৰ তৃতীয় বৰ্গ। চিত্তবগ্গত চিত্ত সংযম বিষয়ত গুৰুত্ব দিয়া হৈছে। ধম্মপদৰ চাব্বিশটা বৰ্গৰ ভিতৰত চিত্তবগ্গো অন্যতম। চিত্তবগ্গ নামটোৱেই ইয়াৰ অন্তৰ্গত বিষয়বস্তুৰ ধাৰণা দিয়ে। পৰিচিত উপমা, ৰূপকাদিৰ সহায়ত মানুহৰ অনিয়ন্ত্ৰিত চিত্তক সংযত কৰাৰ সুউপদেশ সন্নিবিষ্ট হোৱা বাবেই এই বৰ্গটোৰ নাম চিত্তবগ্গো ৰখা হৈছে।

দৰাচলতে চিত্তক সংযত কৰি শুদ্ধ কৰিব নোৱাৰিলে কোনো মঙ্গলজনক ফল আশা কৰিব নোৱাৰি। সংযত চিত্তই প্ৰকৃত সুখ দিয়ে। বিষয়ৰ পৰা নিবৃত্ত কৰি দূৰগামী, অকলে বিচৰণশীল, অশৰীৰি আৰু হৃদয়াশ্ৰয়ী চিত্তক যি সকলে সংযত কৰে সেই সকলে ৰাগ, দ্বেষ, মোহ প্ৰভৃতিৰ পৰা মুক্তি পায়। অস্থিৰ চিত্তৰ গৰাকীৰ বাবে ধৰ্মৰ প্ৰকৃত তাৎপৰ্য জনাৰ প্ৰয়োজন নাই। অস্থিৰ চিত্তৰ গৰাকী প্ৰজ্ঞা বা তত্ত্বজ্ঞান লাভত উপনীত হ'ব নোৱাৰে।

জ্ঞানীলোকে চঞ্চল চিত্তক সংযত কৰি ৰাখে। এনে কৰিলে সাধকে মাৰৰ ৰাজ্য বা মৃত্যুৰ ৰাজ্য অতিক্রম কৰি নির্বাণৰ প্রতি ধাবিত হ'ব পাৰে।

মূলপাঠ (১নংৰ পৰা ৪নং গাথা); অসমীয়া ভাঙনি আৰু শব্দগত টোকা—

১) পালি পাঠ ঃ ফন্দনং চপলং চিত্তং দূৰক্খং দুন্নিৱাৰয়ং
উজুং কৰোতি মেধাৱী উসুকাৰো'ৱ তেজনং।

অসমীয়া ভাঙনি ঃ বাণ নির্মাতাই বাণ পোনভাৱে (সৰল ভাৱে) নির্মাণ কৰাৰ দৰে মেধাৱী অর্থাৎ জ্ঞানী ব্যক্তিয়ে নিজৰ স্পন্দনশীল, চঞ্চল, দূৰগামী আৰু দুর্নিবাৰ চিত্তক সৰল কৰে (অর্থাৎ কুপথৰ পৰা সুপথলৈ আনে)।

শব্দগত টোকা ঃ

পালি শব্দ	সংস্কৃত শব্দ	অসমীয়া শব্দ
ফন্দনং	স্পন্দনং	স্পন্দনশীল
চপলং	চপলং	চঞ্চল
চিত্তং	চিত্তং	চিত্ত, মন
দূৰক্খং	দূৰক্ষ্যম্	যাক ৰক্ষা কৰা কঠিন
দুন্নিৱাৰয়ং	দুর্নিবার্য	দুর্নিবাৰ
উজুং	ঋজুং	পোন বা সৰল
কৰোতি	কৰোতি	কৰে
উসুকাৰো'ৱ	ইষুকাৰঃ + ইব	শৰ নির্মাতা
তেজনং	তেজনম্	ত্যাগ কৰা

২) মূল পাঠ ঃ বাৰিজো'ব্ থলে খিত্তো ওকমোকতো উব্ভতো।
পৰিফন্দতি' দং চিত্তং মাৰধ্যেয়ং পহাতৱে।

অসমীয়া ভাঙনি ঃ জলাশয়ৰ পৰা (পুখুৰীৰ পৰা) স্থললৈ উঠাই অনা মাছে পুনৰাই পানীলৈ যাবলৈ ছট্ফটোৱাৰ দৰে জ্ঞানী লোকৰ চিত্তয়ো মাৰৰ ৰাজ্য পৰিত্যাগ কৰিবলৈ ছটফটায়।

শব্দগত টোকা ঃ

পালি শব্দ	সংস্কৃত শব্দ	অসমীয়া শব্দ
বাৰিজো'ৱ	বাৰিজঃ ইব	জলজ অর্থাৎ মাছ
থলে	স্থলে	মাটিত, থলত
খিত্তো	ক্ষিপ্তঃ	নিক্ষিপ্ত কৰা
ওকমোকতো	উদকৌকতঃ	পানীৰ পৰা তোলা
উব্ভতো	উদ্ভুতঃ	ওপৰলৈ উঠা
পৰিফন্দতি	পৰিস্পন্দতি	স্পন্দিত হোৱা বা চট্ফট্ কৰা
মাৰধ্যেয়ং	মাৰধেয়ং	মাৰ বা কামনা-বাসনাৰ দেৱতাৰ ৰাজ্য
পহাতৱে	পহাতুম্	ত্যাগ কৰিবলৈ

৩) **মূল পাঠ ঃ** দুন্নিগ্গহস্স লহুনো যত্থ কাম নি পাতিনো,
চিত্তস্স দমথো সাধু চিত্তং দন্তং সুখাৱহং।

অসমীয়া ভাঙনি ঃ দুর্নিগ্রহ অর্থাৎ দমন কৰিবলৈ কঠিন, চঞ্চল আৰু যেনে ইচ্ছা তেনে ভাৱেই বিচৰণশীল অর্থাৎ যথেষ্ট বিচৰণশীল চিত্তক দমন কৰা মঙ্গলজনক; সংযত চিত্তই (দমিত চিত্তই) সুখ প্রদান কৰে।

শব্দগত টোকা ঃ

পালি শব্দ	**সংস্কৃত শব্দ**	**অসমীয়া শব্দ**
দুন্নিগ্গহস্স	দুর্নি গ্রহস্য	যাক বশ কৰা কঠিন
লহুনো	লঘুনঃ	লঘু, চঞ্চল
যত্থ কামনি পাতিনো	যত্রকামনি পাতিনঃ	যথেচ্ছ বিচৰণশীল
দমথো	দময়তঃ	দমন কৰা
দন্তং	দান্তম্	দমিত, সংযমিত

৪) **মূল পাঠ ঃ** সুদুদ্দসং সুনিপুণং যত্থকামনি পাতিনং
চিত্তং ৰক্খেয়ম মেধাবী চিত্তং গুত্তং সুখাবহং।

অসমীয়া ভাঙনি ঃ অতিশয় দুর্বোধ্য, অতিশয় সূক্ষ্ম আৰু যথেষ্ট বিচৰণশীল চিত্তক জ্ঞানীজনে ৰক্ষা কৰে (সংযত কৰে); সুৰক্ষিত চিত্তই সুখ প্রদান কৰে।

শব্দগত টোকা ঃ

পালি শব্দ	**সংস্কৃত শব্দ**	**অসমীয়া শব্দ**
সুদুদ্দসং	সুদুর্দর্শম	অতিশয় কষ্টদায়ক, যাক দেখা পোৱা বা বুজি পোৱা অতিশয় কঠিন।
ৰক্খেয্য	ৰক্ষেৎ	ৰক্ষা কৰে
গুত্তং	গুপ্তম	সুৰক্ষিতভাৱে

২.৫ পণ্ডিত বগ্গ ঃ সাধাৰণ আলোচনা

পণ্ডিত বর্গটো হৈছে 'ধম্মপদ' গ্রন্থৰ ষষ্ঠ বর্গ। এই বর্গত ভগৱান বুদ্ধই পণ্ডিত ব্যক্তিক অনুসৰণ কৰিবলৈ কৈছে আৰু পণ্ডিত ব্যক্তিৰ গুণবোৰ প্রকাশ পাইছে।

মেধাবী ব্যক্তিয়ে গুপ্তধনৰ সন্ধেদ দিয়াৰ দৰে দোষ-ত্রুটি আঙুলিয়াই দিয়ে, সেয়ে তেনে ব্যক্তিক সন্মান জনোৱাটো মংগলজনক। কিন্তু এনে পণ্ডিত লোকক কেৱল সৎ লোকেহে ভাল পায়। অসৎ লোকে এওঁলোকক নিন্দাৰ চকুৰে চায়। পণ্ডিত ব্যক্তিয়ে আর্য ধর্মত ৰত হৈ বিপুল আনন্দ লাভ কৰে। পণ্ডিত লোকে বুদ্ধৰ দ্বাৰা প্রচাৰিত চাৰি সত্য গভীৰ অন্তর্দৃষ্টিৰে উপলব্ধি কৰিব পাৰে। আত্মদমন পণ্ডিত ব্যক্তিৰ অন্যতম গুণ। বৃহৎ শিলাখণ্ড ধুমুহাত লৰচৰ নোহোৱাৰ দৰে এনে ব্যক্তি নিন্দা বা প্রশংসা একোৰে দ্বাৰা বিচলিত নহয়। সুখ

আৰু দুখ দুয়োকে এওঁলোকে সমান দৃষ্টিৰে চায়। সংসাৰৰ কামনা-বাসনাই এওঁলোকক ঢুকি নাপায়। পণ্ডিত লোকসকল শীলবান, প্রজ্ঞাবান আৰু ধার্মিক। সাধাৰণ মানুহে সংসাৰৰ দুখচক্রত আৱদ্ধ থাকি কষ্ট ভোগ কৰিব লগা হয়। পণ্ডিতসকলে ইন্দ্রিয় সংযমৰ দ্বাৰা চিত্তক সকলো প্রকাৰ কালিমাৰ পৰা মুক্ত কৰে। কুশল ধর্ম আচৰণৰ দ্বাৰা সংসাৰৰ বান্ধোন ছিন্ন কৰে। অর্থাৎ জন্ম, জৰা, মৃত্যুৰ কৱলৰ পৰা মুক্ত হৈ নির্বাণ লাভ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ধম্মপদ কি? ইয়াৰ বিষয়বস্তুৰ বিষয়ে লিখক। (১৫০টা শব্দৰ ভিতৰত)

১) **মূল পাঠ ঃ** নিধীনং'ৱ পৱত্তাৰং যং পস্সে বজ্জদস্সিনং।
নিগ্গহ্যৱাদিং মেধাৱীং তাদিসং পণ্ডিতং ভজে
তাদিসং ভজমানস্স সেয্যো হোতি ন পাপিয়ো।

অসমীয়া ভাঙনি ঃ গুপ্তধন দেখুৱাই দিওঁতাজনৰ দৰে যিয়ে দোষ-ত্রুটি আঙুলিয়াই দিয়ে, দোষ ধৰোঁতা তেনে মেধাবী পণ্ডিতক ভজনা কৰিব লাগে, তেনে জনৰ ভজনাত মঙ্গল হয়, অমঙ্গল নহয়।

শব্দগত টোকা ঃ

পালি শব্দ	সংস্কৃত শব্দ	অসমীয়া শব্দ
নিধীনং'ৱ	নিধীনাম ইৱ	গুপ্তধনৰ দৰে
পৱত্তাৰং	প্রৱক্তাৰং	ব্যাখ্যা কৰোঁতা, দেখুৱাই দিওঁতা
বজ্জদস্সিনং	বর্জ্যদর্শিনং	বর্জনীয় বিষয় দেখুউৱা বা দোষ-ত্রুটি দেখুৱাই দিয়া।
নিগ্গহ্যৱাদিং	নিগৃহ্যবাদিনং	তিৰস্কাৰকাৰী জনক
তাদিসং	তাদৃশং	তেনেকুৱা
ভজমানস্স	ভজমানশ্চ	ভজনা কৰিব লাগে
সেয্যো	শ্রেয়সঃ	মংগলজনক

২) **মূল পাঠ ঃ** ওৱদেয্যানুসাসেয্য অসব্ভা চ নিৱাৰয়ে;
সতং হি সো পিয়ো হোতি অসতং হোতি অপ্পিয়ো।

অসমীয়া ভাঙনি ঃ যিয়ে উপদেশ প্রদানৰ জৰিয়তে শাসন কৰে আৰু নিন্দনীয় আচৰণ নিবাৰণ কৰে, তেওঁ সৎ লোকৰ প্রিয় হ'ব, অসৎ লোকৰ অপ্রিয় হ'ব।

শব্দগত টোকা ঃ

পালি শব্দ	সংস্কৃত শব্দ	অসমীয়া শব্দ
ওৱদেয্যানুসাসেয্য	উপদেশানুশিষ্য	উপদেশ প্রদানেৰে শাসন কৰে
অসব্ভা	অসভ্যাৎ	অসভ্য আচৰণ
নিৱাৰয়ে	নিবাৰয়েৎ	নিবাৰণ কৰে
সতং	সতাং	সৎলোকৰ
হোতি	ভৱতি	হয়
পিয়ো	প্রিয়ঃ	প্রিয়

৩) **মূলপাঠ ঃ** ন ভজে পাপকে মিত্তে ন ভজে পুৰিসাধমে।
ভজেথ মিত্তে কল্যাণে ভজেথ পুৰিসুত্তমে।।

অসমীয়া ভাঙনি ঃ মিত্রৰূপে পাপীৰ সংগ ল'ব নালাগে। অধম পুৰুষৰ সংগ ল'ব নালাগে। কল্যাণকামী মিত্র আৰু উত্তম পুৰুষৰ সংগ ল'ব লাগে।

শব্দগত টোকা ঃ

পালি শব্দ	সংস্কৃত শব্দ	অসমীয়া শব্দ
পুৰিসাধমে	পুৰুষাধমং	অধম পুৰুষক
ভজেথ	ভজেত	ভজনী বা অনুসৰণ কৰিব লাগে

৪) **মূলপাঠ ঃ** ধম্ম পীতী সুখং সেতি বিপ্পসন্নেন চেতসা।
অৰিয়প্পবেদিতে ধম্মে সদা ৰমতি পণ্ডিতো।।

অসমীয়া ভাঙনি ঃ ধর্মৰস পান কৰোঁতাজনে সুখেৰে আৰু প্রসন্ন চিত্তেৰে বাস কৰে; পণ্ডিত ব্যক্তিয়ে আর্য ধর্মত ৰত হৈ আনন্দ লাভ কৰে।

শব্দগত টোকা ঃ

পালি শব্দ	সংস্কৃত শব্দ	অসমীয় শব্দ
ধম্মপীতি	ধর্মপীতী	ধর্মৰস পান কৰোঁতা
সেতি	স্যতি	থাকে, বাস কৰে
বিপপসন্নেন	বিপ্রসন্নেন	প্রসন্নতাৰে, সন্তুষ্টিৰে
চেতসা	চেতসা	মনেৰে, চিত্তেৰে
অৰিয়প্পবেদিতে	আর্য্যপ্রৱেদিতে	আর্য প্রৱর্তিত
ৰমতি	ৰমতে	আনন্দ লাভ কৰে



২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিৰ অধ্যয়নৰ পৰা আমি—

- 'ধম্মপদৰ বিষয়বস্তু, পণ্ডিত বগ্গ আৰু চিত্তবগ্গৰ বিষয়বস্তু আৰু তাৰ গুৰুত্ব সম্পর্কে জানিব পৰা গ'ল।

- অশোকৰ অনুশাসনৰ ১নং গিৰ্নাৰ আৰু ধম্মপদৰ (পাঠ্যক্ৰম অনুসৰি) গাথাৰ অসমীয়া ভাঙনিৰ বিষয়ে জানিব পৰা গ'ল।



২.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গোস্বামী, সত্যেন্দ্ৰ নাৰায়ণ (১৯৯০); *ধম্মপদ;* গুৱাহাটী ঃ চন্দ্ৰপ্ৰকাশ।
২) গোস্বামী, সত্যেন্দ্ৰ নাৰায়ণ (১৯৯২); *প্ৰাকৃত পাঠ-মঞ্জুষা*; গুৱাহাটী ঃ বনলতা।
৩) গোস্বামী, সত্যেন্দ্ৰ নাৰায়ণ (১৯৯৩); *প্ৰাকৃত সাহিত্য*; গুৱাহাটী ঃ বাণী প্ৰকাশ।
৪) ঠাকুৰ, নগেন (১৯৮৯); *প্ৰাকৃত সাহিত্য চয়ন*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।
৫) ঠাকুৰ, নগেন (১৯৮৯); *প্ৰাকৃত সাহিত্য অধ্যয়ন*; গুৱাহাটী ঃ জ্যোতি প্ৰকাশ।
৬) ঠাকুৰ, নগেন (১৯৯২); *অশোকৰ অনুশাসন*; গুৱাহাটী ঃ জ্যোতি প্ৰকাশ।
৭) ঠাকুৰ, নগেন (১৯৯৪); *পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য*; গুৱাহাটী ঃ কে. এম. পাব্লিচিং।
৮) শইকীয়া বৰা, লীলাৱতী (২০০২); *সংস্কৃত-পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ*, গুৱাহাটী ঃ বনলতা।
৯) শৰ্মা, শৈলেনজিৎ (২০০৫); *ধম্মপদ পৰিচিতি*, পাঠশালা ঃ সৰ্বমঙ্গলম প্ৰকাশন।
১০) শৰ্মা, শৈলেনজিৎ (২০০৫) *পূৰ্ণাঙ্গ ধম্মপদ*; পাঠশালা ঃ সৰ্বমঙ্গলম প্ৰকাশন।
১১) শৰ্মা, শৈলেনজিৎ (২০০৮) *ধম্মপদ-তত্বকথা*, পাঠশালা ঃ সৰ্বমঙ্গলম প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

১২) Geiger, W (1956); *Pali Language and Literature*; (Tr. by B. K. Ghosh).
১৩ Radha Krishnan, S. (1950); *The Dhammapada*; New Delhi.

বাংলা গ্ৰন্থ ঃ

১৪) ভট্টাচাৰ্য, বিদান (১৯৭১); *ধম্মপদ*, কলকাতা।

২.৮ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ ধম্মপদৰ পৰিচয়— ধম্মপদ নামটো কিয় দিয়া হ'ল— ধম্মপদ ত্ৰিপিটকৰ কোনখন পিটকৰ অন্তৰ্গত— ধম্মপদ কোন সময়ত ৰচিত— ধম্মপদৰ অন্তৰ্গত বৰ্গসমূহৰ নামোল্লেখ— ধম্মপদৰ বিষয়বস্তুৰ চমু বৰ্ণনা— পাঠ্যক্ৰমত লগা চিত্তবৰ্গ আৰু পণ্ডিত বৰ্গৰ বিষয়বস্তুৰ চমু বৰ্ণনা— ইত্যাদি বিষয়বোৰ উল্লেখ কৰিব লাগিব।



২.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ 'ধম্মপদ'ৰ পৰিচয় দাঙি ধৰি বৌদ্ধ সাহিত্যত ইয়াৰ স্থান নিৰূপণ কৰক।

প্ৰশ্ন ২ ঃ ধম্মপদৰ নামকৰণ, ৰচনাকাল আৰু বিষয়বস্তু সম্পৰ্কে আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ ধম্মপদৰ চিত্ত বগ্‌গো আৰু পণ্ডিত বগ্‌গোৰ বিষয়বস্তু সম্বন্ধে বহলাই বিশ্লেষণ আগবঢ়াওক।

প্ৰশ্ন ৪ ঃ চিত্তবগ্‌গো আৰু পণ্ডিত বগগোৰ (পাঠ্যক্ৰম অনুসাৰে) গাথাকেইটি অসমীয়ালৈ অনুবাদ কৰক।

*** ***** ***

অধ্যায় ৩ ঃ সাহিত্যিক প্রাকৃতৰ নিদর্শন ঃ *গাহাসত্তসঈ*ৰ নির্বাচিত গাথা ১, ২, ৭, ৯ আৰু ১০

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ *গাহাসত্তসঈ*ৰ নির্বাচিত গাথা ঃ ১, ২, ৭, ৯ আৰু ১০

৩.৩.১ *গাহাসত্তসঈ*ৰ চমু পৰিচয়

৩.৩.২ সংকলকৰ পৰিচয়

৩.৩.৩ ৰচনা কাল

৩.৩.৪ বিষয়বস্তু

৩.৩.৫ ভাষাগত বৈশিষ্ট্য

৩.৩.৬ নির্বাচিত পাঠৰ অসমীয়া অনুবাদ আৰু শব্দগত টোকা

৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৫ অধিক জানিবলৈ

৩.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৩.৭ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- *গাহাসত্তসঈ* নামৰ প্রাকৃত কাব্য সংকলনটিৰ পৰিচয় দাঙি ধৰিব পাৰিব
- *গাহাসত্তসঈ*ৰ সংকলকৰ পৰিচয় লাভ কৰিব
- *গাহাসত্তসঈ*ৰ বিষয়বস্তুৰ আলোচনা কৰিব পাৰিব
- সংকলনটিৰ অন্তর্গত গাথাসমূহ নিজ ভাষালৈ অনুবাদ কৰিব পাৰিব

৩.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় যাণ্মাসিকৰ অন্তর্গত ভাষা শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা এইখন তৃতীয় পাঠ্যবিষয়। ইতিমধ্যে আপুনি প্রথম আৰু দ্বিতীয় দুটা অধ্যায় ক্রমে ‘অনুশাসন’ আৰু ‘ধম্মপদ’ পঢ়িলে। সেই অধ্যায় দুটাৰ অধ্যয়নৰ মাজেদি আপুনি মধ্য ভাৰতীয় আর্য ভাষাৰ আদি স্তৰৰ ভাষাৰ সম্যক জ্ঞান লাভ কৰিলে। এই অধ্যায়ত আপুনি মধ্য ভাৰতীয় আর্যভাষাৰ দ্বিতীয় স্তৰত পোৱা সাহিত্যিক প্রাকৃতৰ সৈতে পৰিচিত হ’ব।

আপুনি জানি থওক যে মধ্য ভাৰতীয় আর্যভাষাৰ মধ্যস্তৰত কেইবাটাও প্রাকৃত ভাষা পোৱা গৈছে। সেইকেইটা হ'ল— মহাৰাষ্ট্রীয়, শৌৰসেনী, মাগধী, অর্ধ মাগধী আৰু পৈশাচী।

মধ্য ভাৰতীয় আর্যভাষাৰ মধ্য স্তৰৰ ভাষা-সাহিত্যৰ পৰিচয় লাভৰ বাবে আপোনাৰ পাঠ্যক্রমত মহাৰাষ্ট্রী প্রাকৃতত ৰচিত আৰু ৰজা হালৰ দ্বাৰা সংকলিত গাহাসত্তসঈ কাব্য সংকলনৰ কেইটিমান নির্বাচিত গাথাৰ বিষয়ে অধ্যয়ন কৰিবলৈ পাব। ৰজা হালৰ দ্বাৰা সংকলিত এখন অতিশয় উৎকৃষ্ট প্রেমমূলক কাব্য হৈছে গাহাসত্তসঈ। সংকলনটিৰ একোটি থূলত এশকৈ সর্বমুঠ সাতশটা গাথা আছে বাবেই ইয়াৰ নাম *সাহাসত্তসঙ্গী* (গাথাসপ্তসতী) ৰখা হৈছে। সেই সময়ৰ ভাৰতবর্ষৰ লোক জীৱনৰ পৰা আহৰিত এই গাথাবোৰৰ মাজেৰে প্রেমৰ উৎকৃষ্ট ছবি অঙ্কিত হৈছে। অপূর্ব ছন্দসজ্জা গাথাসমূহৰ আন এটা বিশেষত্ব। মুঠ সাতশটা গাথাৰ ভিতৰত আপোনাৰ অধ্যয়নৰ বাবে মাত্র ১, ২, ৭, ৯, ১০ এই ৫টা গাথাহে মধ্য ভাৰতীয় আর্যভাষাসমূহৰ ভিতৰত মহাৰাষ্ট্রীত উৎকৃষ্ট বুলি গণ্য কৰা হয়। এই কাব্য সংকলনটি মহাৰাষ্ট্রী প্রাকৃতত ৰচিত। অৱশ্যে ঠায়ে ঠায়ে ইয়াৰ ভাষা অপভ্রংশৰ দ্বাৰা প্রভাৰিত হৈছে।

৩.৩ *গাহাসত্তসঈৰ* নির্বাচিত গাথা ঃ ১, ২, ৭, ৯ আৰু ১০

মধ্যভাৰতীয় আর্যভাষাৰ দ্বিতীয় স্তৰত মহাৰাষ্ট্রী প্রাকৃতত কেইবাখনো উৎকৃষ্ট কাব্যপুথি ৰচিত হৈছিল। প্রৱৰসেনৰ *সেতুবন্ধ*, বাক্‌পতিৰাজৰ *গৌড়বহো*, হালৰ *গাহাসত্তসঈ* আদি তাৰ উৎকৃষ্ট নিদর্শন। এইবোৰৰ ভিতৰত বিভিন্ন কবি বিৰচিত আৰু হাল নৃপতিৰ দ্বাৰা সংকলিত *গাহাসত্তসঈ* উল্লেখযোগ্য কাব্য। মূলতঃ সাধাৰণ জন-জীৱনৰ প্রেমৰ বতৰা কঢ়িয়াই অনা এই অপূর্ব কাব্যখনিৰ ১, ২, ৭, ৯ আৰু ১০ —এই গাথাকেইটি আপোনাৰ পাঠ্যক্রমৰ অন্তর্ভুক্ত। পাঠ্য গাথাকেইটিৰ আলোচনাৰ পূর্বে মূল পুথিখনৰ বিভিন্ন দিশৰ সৈতে আপোনাক পৰিচয় কৰাই দিব খোজা হৈছে।

৩.৩.১ *গাহাসত্তসঈৰ* চমু পৰিচয়

প্রাকৃত ভাষাৰ অধ্যয়নৰ প্রসঙ্গত আপুনি নিশ্চয় জানিব পাৰিছে যে *গাহাসত্তসঈ* প্রাকৃত গীতি-কবিতাৰ এক উল্লেখযোগ্য সংকলন। তৎকালীনভাৱে কথ্য অপভ্রংশ মিশ্রিত মহাৰাষ্ট্রী প্রাকৃতত এই কাব্যখনি সংকলিত হৈছিল। সর্বমুঠ সাতশ গাথাৰ সংকলন হোৱা হেতুকে কাব্যখনিৰ নাম *গাহাসত্তসঈ* (*গাথাসপ্তশতী*) ৰখা হৈছে। বিভিন্ন কবিয়ে ৰচনা কৰা সৰু সৰু প্রেমমূলক গাথাৰ সংগ্রহ এই কাব্য সংকলনটিৰ মাজেৰে তৎকালীন প্রাকৃতজনৰ সুখ-দুখ, হাঁহি-অশ্রু, বিৰহ-মিলনৰ বাস্তৱ চিত্র প্রতিফলিত হৈছে। তদুপৰি, ইয়াৰ মাজেৰে সেই সময়ৰ ভাৰতবর্ষৰ গ্রাম্য জীৱনৰ জীৱন্ত ৰূপৰ পৰিচয়ো পাব পৰা যায়। সাধাৰণ মানুহৰ জীৱনৰ সৈতে সম্পর্কিত তথা উৎকৃষ্ট কাব্যমূলৰ হেতু এই কাব্যখনি যুগ নিৰপেক্ষ সাহিত্যলৈ উন্নীত হৈছে। উল্লেখনীয় যে সাতবাহন বংশৰ ৰজা হালে এই উৎকৃষ্ট গীতি-কাব্যখনি সংকলন কৰিছিল বুলি জনা যায়।

সংস্কৃত ভাষাত ৰচিত বিশাল সাহিত্যৰাজিৰ ৰচনাশৈলী অতিশয় বৈদগ্ধপূর্ণ। এই সাহিত্য মূলতঃ তৎকালীন অভিজাত সমাজৰ সম্পদ আছিল। বহু সময়ত এইবোৰৰ ৰচনা-চাতুর্য সাধাৰণজনৰ বাবে হয়তো দুর্বোধ্যও আছিল। এই ফালৰ পৰা সাধাৰণ মানুহৰ আবেগ-অনুভূতিক এনেদৰে কাব্যৰূপ দি তাক সকলোৰে হৃদয়গ্রাহী কৰি তোলাটো অতিশয় তাৎপর্যপূর্ণ হিচাপে বিবেচিত। প্রাকৃত ভাষাত ৰচিত প্রায়খিনি সাহিত্য যে সংস্কৃত সাহিত্যৰ আদর্শৰ অনুগামী তাক নক'লেও হয়। পিছে আপুনি জানি আচৰিত হ'ব যে *গাহাসত্তসঈ*-এ ওলোটাকৈ সংস্কৃত সাহিত্যকহে প্রভাৰিত কৰিছিল। সংস্কৃতত অমৰুৰ *অমৰুশতক*, গোৱর্ধন আচার্যৰ *আর্যাসপ্তশতী* আদি যিবোৰ চূর্ণ বা সৰু সৰু কোষকাব্য পোৱা যায়, সেইবোৰত *গাহাসত্তসঈ*-ৰ প্রভাৱ লক্ষ্য কৰিব পাৰি। বাণভট্ট, ৰাজশেখৰ আদি বিদগ্ধ কাব্য ৰচকসকলেও *গাহাসত্তসঈ*-ৰ কথা উল্লেখ কৰি থৈ গৈছে।



জানি থোৱা ভাল

সংকলটিৰ নামকৰণৰ তাৎপর্য মন কৰিবলগীয়া। ইয়াত মুঠ সাতশটা নির্বাচিত গাথা আছে আৰু সেইবোৰ এশ এশ থূলৰ একোটাকৈ শতকত বিভক্ত। সেইবাবেই ইয়াৰ নাম ৰখা হৈছে *গাহাসত্তসঈ*। কাব্য সংকলনটিৰ প্রথম শতকৰ তিনি নং গাথাত সেই কথাৰ স্পষ্ট উল্লেখ পোৱা গৈছে—

সত্ত সআইং কইবচ্ছলেন কোডীঅ মজ্ঝাআৰম্মি।
হালেণ বিৰইআইং সালংকাৰাণং গাহাণং।।

(অলংকৃত কৌটি কৌটি গাথাৰ মাজৰ পৰা সাতশ গাথা কবি বৎসল হালৰ দ্বাৰা সংকলিত হৈছে।)

ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে গ্রন্থখনি সাতটা শতকত বিভক্ত, যেনে— 'পঢমং (প্রথম), বীঅ (দ্বিতীয়) ইত্যাদি। অৱশ্যে এনে বিভাজনত কবিক্রম বা বিষয়বস্তু বা তেনে কোনো বিশেষ বৈশিষ্ট্যৰ প্রতি মনোযোগ দিয়া হোৱা নাই। মাত্র প্রতিটো শতকত এশটাকৈ গাথা সন্নিবিষ্ট কৰা হৈছে মাত্র। প্রতিটো শতকৰ অন্তত একোটাকৈ ভণিতাও জুৰি দিয়া হৈছে। 'পঢমং' শতকৰ তলত উল্লেখ কৰা ভণিতাটো এই প্রসঙ্গত মন কৰিব লগীয়া।

ৰসিঅজন হিঅঅ দইএ কইবচ্ছল পমুহ সুকই নিম্মইএ।
সত্তসঅম্মি সমত্তং পঢমং গাহাসঅং এঅং।।

(ৰসিকজনৰ হৃদয়-দয়িত কবি-বৎসল প্রমুখ সুকবি নির্মিত সপ্তশতকৰ ভিতৰত এই প্রথমটো গাথাশতক সমাপ্ত হ'ল।)

সংকলনটিৰ আৰম্ভণিতে উল্লেখ হোৱা 'কোডীঅ মজ্ঝাআৰম্মি' অর্থাৎ, 'কৌটি কৌটি গাথাৰ মাজৰ পৰা' সাতশ গাথা নির্বাচন কৰি সংকলন কৰা কার্যই এইটোকে সূচায় যে সেই সময়ৰ লোকায়ত জীৱনত বিভিন্ন ধৰণৰ অসংখ্য প্রেমমূলক গাথা মুখে মুখে প্রচলিত হৈ আছিল। সেই গাথাবোৰৰ মাজৰ পৰা সাতশ গাথা বুটলি আনি এই সংকলটিত স্থান দিয়া হৈছে। গাথাবোৰৰ মাজত পোৱা লোক-জীৱনৰ পৰা আহৰিত বিষয়বস্তু আৰু ভাষাৰ কথ্য ৰূপেও সেই কথাকে প্রমাণ কৰে। কথ্য হ'লেও প্রতিটো গাথাৰ ভাষা অতিশয় পৰিমার্জিত, ব্যাকৰণসম্মত আৰু ভাবব্যঞ্জক। গাথাবোৰৰ বিষয়বস্তুলৈ লক্ষ্য কৰিলে দেখা যায় সেইবোৰ অতিশয় সূক্ষ্ম অনুভূতিসম্পন্ন আৰু গভীৰ অর্থব্যঞ্জক। সম্ভৱতঃ লোকমুখৰ পৰা আহৰণ কৰি এই গাথাবোৰ কাব্যৰসিক ৰজা হালে তেওঁৰ ৰাজসভাৰ কবিমণ্ডলী তথা বিভিন্ন সুকবিৰ হতুৱাই পৰিমার্জন কৰাই লৈছিল। সৰহভাগ গাথাত কবিৰ নামোল্লেখ নোহোৱাটোৱেও তাকেই সূচায়। সেয়ে হ'লেও, বিভিন্ন গাথাত উল্লেখ হোৱা কেইগৰাকীমান কবিৰ নাম এনে ধৰণৰ-মকৰন্দ, ক্ষুদ্রৌঘ, কুমাৰিল, মহেন্দ্র, প্রবাৰক, দুর্গস্বামী, ভীমস্বামী, চন্দ্রস্বামী, অলক, ধর্মক, গজসিংহ, কালৰাজ, কালদাপ, কালসাৰ, কুমাৰ, বসুকাৰ, প্রণাম, কল্যাণ, হৰিতাল, অংগৰাজ, ভোজক, অনঙ্গ, অনুৰাগ, অমৃত, অনিৰুদ্ধ, মহিল, মন্মথ, কর্ণ, মূৰ্দ্ধধিপ, পালিত, পোট্টিশ, ঋতুৰাজ, ৰেবা, মাধৱী, মাতঙ্গ, বাক্‌পতিৰাজ আদি। এইসকলৰ আটাইকেইগৰাকীয়ে আছিল বিগদ্ধ পণ্ডিত তথা উৎকৃষ্ট কবি। এওঁলোকৰ দ্বাৰা পৰিমার্জন কৰি লোৱা হেতুকে বেছিভাগ ক্ষেত্রতে সংকলনটিৰ গাথাসমূহৰ লোক-কবিতাৰ স্বাভাৱিক সাৰল্য আৰু অকৃত্রিম সৌন্দর্যৰ সলনি গীতি-কবিতাৰ মাধুর্য ফুটি উঠিছে। গীতি-কবিতাৰ সাংগীতিক লয়, অপূর্ব ছন্দসজ্জা আৰু অনুভূতিৰ মাধুর্য এই গাথাবোৰৰ উল্লেখযোগ্য বিশেষত্ব।

সংকলনটিৰ প্রতিটো গাথা দুটা চৰণ যুক্ত। মাত্র দুটা চৰণৰ মাজেৰেই ৰচকে একোটা পৰিপূর্ণ ভাব সফলভাৱে প্রকাশ কৰিব পৰাটো কাব্য সংকলটিৰ এক উল্লেখযোগ্য বৈশিষ্ট্য। ইয়াৰ ফলত প্রতিটো গাথা হৈ পৰিছে একোটা স্বয়ংসম্পূর্ণ কবিতা। এই ফালৰ পৰা সংকলনটিক লোক-কবিতাৰ সংগ্রহ নুবুলি সাধাৰণজনৰ জীৱন সার্থকভাৱে তুলি ধৰা এক গীতি-কাব্য সংকলন বোলাহে যুগুত হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ *গাহাসত্তসঈ*-ৰ তিনিটা প্রধান বৈশিষ্ট্য উল্লেখ কৰক। (১৫০টা শব্দৰ ভিতৰত)

প্রশ্ন নং ২ ঃ *গাহাসত্তসঈ*-ৰ কেইগৰাকীমান গাথা-ৰচকৰ নাম উল্লেখ কৰক। (১৫০টা শব্দৰ ভিতৰত)

৩.৩.২ সংকলকৰ পৰিচয়

আপুনি আগৰ উপশাখাটিৰ পৰা এই কথা নিশ্চয় জানিব পাৰিছে যে *গাহাসত্তসঈ* নামৰ প্রাকৃত গীতি-কাব্য সংকলনটিৰ সংকলক গৰাকী হৈছে এগৰাকী কাব্যমোদী ৰজা আৰু তেওঁৰ নাম হাল। *গাহাসত্তসঈ*-ৰ প্রাৰম্ভতে প্রথম শতকৰ তিনি নং গাথাত 'হালেণ বিৰইআইং সালংকাৰাণং গাহাণং' বুলি উল্লেখ আছে। তেনেদৰে পঞ্চম শতকৰ সাতষষ্ঠী নং গাথাত আছে 'সালাহণ ণণিন্দো' (সাতবাহন নৰেন্দ্র)ৰ উল্লেখ। এনে উল্লেখে স্বাভাৰিকতে আলোচ্য সংকলনটি সাতবাহন বংশৰ ৰজা হালৰ দ্বাৰা সংকলিত হোৱাৰ প্রমাণ দাঙি ধৰে। পিছে এই গৰাকী নৃপতিনো কোন আছিল, তেওঁ ক'ত, কেতিয়া, কোন ৰাজ্য, কিমান বছৰ শাসন কৰিছিল, ইত্যাদি বিষয়ে কোনো ঐতিহাসিক তথ্য পাবলৈ নাই। মাত্র কাব্য সংকলটিৰ অন্তর্গত কেইটিমান গাথা আৰু আন ৰচকৰ ৰচনাৰ পৰা এইখিনি কথা জানিব পাৰি যে এইজনা ৰজা আছিল এগৰাকী সুকবি, কাব্যমোদী আৰু কাব্য-কুশলীসকলৰ ঘাই পৃষ্ঠপোষক। এইক্ষেত্রত প্রথমেই উল্লেখ কৰিব পাৰি সপ্তম শতিকাৰ কনৌজৰাজ হর্ষবর্ধনৰ সভাকবি বাণভট্টৰ কথা। বাণভট্টই 'হর্ষচৰিত'-ৰ সূচনা অংশত সাতবাহন বংশৰ ৰজা হালে সুভাষিত গাথা সংগ্রহ কৰা বুলি এনেদৰে উল্লেখ কৰিছে—

অবিনাশিনমগ্রাম্যমকৰোং সাতবাহনঃ
বিশুদ্ধ জাতিভিঃ কোষং ৰত্নৈৰিব সুভাষিতৈঃ

(বিশুদ্ধ আৰু উৎকৃষ্ট মণি-মুক্তাৰে ঐশ্বর্যৰ ভাণ্ডাৰ গঢ়াৰ দৰে সাতবাহনে অক্ষয় মালাৰ মাজৰ পৰা তেওঁৰ কোষখন গঢ়ি তুলিছিল)।

দ্বিতীয়তে দশম শতিকাৰ আদি ভাগৰ বিশিষ্ট কবি তথা স্বকীয় নাট্যধাৰাৰ স্রষ্টা ৰাজশেখৰে সম্পূর্ণ প্রাকৃত ভাষাৰে ৰচিত তেওঁৰ *কর্পূৰমঞ্জৰী* নামৰ সট্টকখনিত বিদূষকৰ মুখৰ এফাঁকি সংলাপত এনেদৰে উল্লেখ কৰিছে— '... অম্হাণং চেডিআ হৰিউড্ঢণন্দি উড্ঢ পোট্টিস হালপ্পহূদীনং পি পুৰদো সুকই ত্তি'। ইয়াৰ জৰিয়তে ৰাজশেখৰে যে ৰজা হালক তেওঁৰ পূর্বসুৰী কবি হৰিবৃদ্ধ, নন্দিবৃদ্ধ, পোট্টিশ প্রভৃতি সুকবিৰ সৈতে একে মর্যাদা প্রদান কৰিছে তাত কোনো সন্দেহ নাই। সেয়ে হ'লেও, এনে উল্লেখে এই গৰাকী কাব্যকুশলীৰ কোনো ধৰণৰ পৰিচয় দাঙি নধৰে।

কোনো কোনো আলোচকে সংকলক গৰাকীৰ যশ-গৰিমাৰ বন্দনা থকা গাথাকেইটামানৰ উল্লেখলৈ লক্ষ্য কৰি এনে মন্তব্য প্রকাশ কৰিছে যে ৰাজ-পদবী বা আন কোনো পাৰিতোষিকৰ বিনিময়ত ৰাজসভাৰ আন কোনো সভাকবিয়ে সংকলনটিৰ অন্তর্গত গাথাসমূহ ৰচনা তথা সংকলন কৰি হাল নৃপতিৰ নামত প্রচাৰ কৰিছিল। অভিনন্দ বিৰচিত *ৰামচৰিতম্* নামৰ গ্রন্থখনিত এনে এটি উল্লেখ পোৱা যায়। এইমতে 'পালিত' নামৰ এগৰাকী কবিয়ে জনসাধাৰণৰ মুখ বাগৰি চলি অহা বিবিধ প্রকাৰৰ লোক-গাথা সংগ্রহ কৰি সিৰোৰৰ পৰিমার্জিত ৰূপ এটি হালৰ নামত প্রচাৰ কৰে। এই উল্লেখৰ বিশ্বাসযোগ্যতা প্রমাণ কৰা কঠিন। কাৰণ, প্রাকৃত সাহিত্যত

'পালিত' নামৰ কবিগৰাকীৰ তেনে কোনো বিশেষ উল্লেখ পোৱা নাযায়। ইয়াৰ বিপৰীতে হালৰ নাম কিন্তু তৎকালীন কবিসকলে বিশেষ শ্রদ্ধাৰে উল্লেখ কৰিছে। মুঠতে ৰজা হাল যে সেই সময়ৰ এগৰাকী 'কই বচ্ছল' (কবি বৎসল), অর্থাৎ কাব্য কুশলী আছিল সেই সম্বন্ধে কোনো সন্দেহ নাই।

নৃপতি হাল সাতবাহন বা অন্ধ্রৰাজবংশৰ সপ্তদশজনা ৰজা আছিল আৰু এওঁৰ ৰাজত্বকাল মাত্র পাঁচ বছৰ আছিল বুলি কোনো কোনোৱে অনুমান কৰিছে। খ্রীষ্টিয় প্রথম-দ্বিতীয় শতিকাৰ সময়ছোৱাত দক্ষিণ-পশ্চিম ভাৰতৰ কৃষ্ণা-গোদাবৰী নদীৰ অৱবাহিকা অঞ্চলৰ 'প্রতিষ্ঠানপুৰ'ত ৰাজত্ব কৰা এই ৰাজবংশৰ আটাইতকৈ শক্তিশালী ৰজাজনৰ নাম আছিল 'সাতকর্ণী'। আচলতে ই নাম নহয়, বৰং উপাধিহে।। সামৰিক শক্তিৰে চুবুৰীয়া সকলো ৰাজ্য জয় কৰিব পাৰিছিল বাবেই এইগৰাকী ৰজাক তেনে উপাধিৰে বিভূষিত কৰা হৈছিল। এওঁ 'প্রতিষ্ঠানপুৰৰ প্রভু', 'দক্ষিণাপথপতি' আদি উপাধিৰেও জনাজাত। এইজনা ৰজাই অধিকাৰ কৰা সাঁহী অঞ্চলৰ পৰা উদ্ধাৰ হোৱা এখন শিলৰ ফলিত এওঁক 'ৰাজন শ্রীসাতকর্ণী' আখ্যা দিয়া হৈছে। বহুতৰ মতে 'শ্রীসাতকর্ণী' ৰজাজনেই ৰজা হাল আৰু এৰেঁই *গাহাসত্তসঈ* সংকলন কৰিছিল। এইগৰাকী ৰজাৰ সময় সঠিকভাৰে নিৰূপণ কৰিব পৰা হোৱা নাই যদিও, খ্রীষ্টিয় প্রথম শতিকাৰ অন্তিম ভাগত অথবা দ্বিতীয় শতিকাৰ আদি ভাগত এওঁ ৰাজত্ব কৰিছিল বুলি পণ্ডিত সমাজে অনুমান কৰিছে। উল্লেখনীয় যে দ্বিতীয় শতিকাৰ শেষভাগত সাতবাহন ৰাজ্য দক্ষিণ-পশ্চিম উপকূলৰ কাথিওৰাৰ, কৃষ্ণা নদীৰ মোহনা আৰু দক্ষিণ-পূৰে মাদ্রাজ পর্যন্ত বিস্তৃত হৈছিল। 'সাতকর্ণী' ৰজাজনৰ মৃত্যুৰ পাছত প্রতিষ্ঠানপুৰ নামেৰে খ্যাত এই ৰাজ্য সমুলঞ্চে ধ্বংস হয়। পৰৱর্তী শতিকাত এই ৰাজ্য শক, পল্লৱ আদি ৰাজবংশই অধিকাৰ কৰে। এই ৰাজ্যৰ ধ্বংসস্তুপৰ ওপৰতে পৰৱর্তী সময়ত বাকাটক্ ৰাজবংশৰ দ্বাৰা নতুন ৰাজ্য প্রতিষ্ঠাৰ জৰিয়তে পল্লৱসকলে আধিপত্য বিস্তাৰ কৰিছিল।

সাহিত্য-সংস্কৃতিৰ সুস্থ পৰম্পৰা গঢ় লৈ উঠিবলৈ মানৱ-সম্প্রদায় বিশেষক এক প্রশান্তিময় পৰিৱেশৰ প্রয়োজন। সম্ভৱতঃ সাতবাহন ৰাজবংশৰ ৰাজত্বকালত বিশেষকৈ ২য়-৩য় শতিকাৰ সময়ছোৱাত প্রতিষ্ঠানপুৰ ৰাজ্যত তেনে এক পৰিৱেশ বিৰাজ কৰিছিল। কাব্যচর্চাকাৰীসকলক বিশেষ অনুপ্রেৰণা যোগোৱা সাতবাহন বংশৰ সাতকর্ণী হাল সেই সময়ৰে ৰজা বুলি ভাবিবৰ থল আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ *গাহাসত্তসঈ*-ৰ সংগ্রাহকগৰাকীৰ পৰিচয় দাঙি ধৰা (১৫০টা শব্দৰ ভিতৰত)

৩.৩.৩ ৰচনা কাল

পূর্বৰ উপশাখাটিত সন্নিবিষ্ট আলোচনাৰ পৰা এই কথা আপুনি বুজিব পাৰিছে যে পণ্ডিতসকলে নৃপতি হালৰ সময় খ্ৰীষ্টিয় প্রথম-দ্বিতীয় শতিকা বুলি অনুমান কৰি লৈছে। গতিকে তেওঁৰ দ্বাৰা সংকলিত *গাহাসত্তসঈ*-ৰ সময়ো খ্ৰীষ্টিয় প্রথম-দ্বিতীয় শতিকা বুলি ধৰি ল'ব লাগিব। কিন্তু *গাহাসত্তসঈ*-ৰ ভাষাই উল্লিখিত সময়ৰ পৰিচয় দাঙি নধৰে, কাৰণ তৎকালীন শিলালিপিবোৰত পোৱা ভাষাতকৈ এই পুথিৰ ভাষা বহু পৰিমাণে অর্বাচীন। এই ভাষা তৃতীয়-ষষ্ঠ শতিকাৰ কালছোৱাত সাহিত্যত ব্যৱহৃত ভাষাৰ সৈতেহে মিলে। খ্ৰীষ্টিয় শতিকাৰ আৰম্ভণিত এনে পৰিমার্জিত তথা ব্যাকৰণ-সংগত ভাষা পোৱা নাযায়।

গাহাসত্তসঈ মূলতঃ মহাৰাষ্ট্রী প্রাকৃতত ৰচিত। আপুনি নিশ্চয় এই কথা জানে যে মহাৰাষ্ট্রী প্রাকৃতত ব্যঞ্জন ধ্বনিৰ ব্যৱহাৰ আপেক্ষিকভাৱে তাকৰ হোৱা হেতুকে এই ভাষা তৎকালীনভাৱে কাব্যৰ উপযোগী বুলি বিবেচিত হৈছিল। সংস্কৃত নাট্যকাৰসকলে এই ভাষা নাটকৰ গীত আৰু কবিতাত প্রয়োগ কৰিছিল। তাৰ উপৰি এই প্রাকৃত *গউড়বহো*, *সেতুবন্ধ* বা *ৰাৱণবহো*, *বজ্জালগ্গ* আদি উৎকৃষ্ট কাব্যকৃতিতো ব্যৱহাৰ কৰা হৈছিল। কিন্তু মন কৰিবলগীয়া কথাটো হ'ল এইবিধ সাহিত্যিক প্রাকৃত ঠন ধৰি উঠিছিল খ্ৰীষ্টিয় তৃতীয়-ষষ্ঠ শতিকাৰ সময়ছোৱাত। গতিকে ঠায়ে ঠায়ে অপভ্রংশ সদৃশ কথ্যৰূপৰ মিশ্রণ লক্ষ্য কৰা গ'লেও, মূলতঃ মহাৰাষ্ট্রী প্রাকৃতত ৰচিত *গাহাসত্তসঈ*-ৰ সংকলন-কাল কোনো কাৰণতে খ্ৰীষ্টিয় তৃতীয় শতিকাৰ পূর্বলৈ নিব নোৱাৰি। পাশ্চাত্য পণ্ডিত এ. বি. কীথ-এ এনে কাৰণতে আলোচ্য সংকলনটিৰ ৰচনা-কাল খ্ৰীষ্টিয় পঞ্চম শতিকা হ'ব পাৰে বুলি অনুমান কৰিছে। সংকলনটিত প্রয়োগ হোৱা গ্রীক 'হোৰং', পাৰছী 'বন্দী' আদি শব্দই ইয়াক হাল নৃপতিৰ পৰৱর্তী সময়ৰ ৰচনা বুলি পতিয়ন নিয়ায়। উল্লেখনীয় যে 'পল্লৱ' পাৰছী 'পহ্লব' শব্দৰেই অন্য ৰূপ মাত্র। পাৰস্যৰ এই ৰাজবংশই দক্ষিণ ভাৰতত ৰাজ্য প্রতিষ্ঠা কৰাৰ পাছত সম্ভৱতঃ এই শব্দবোৰ প্রাকৃত ভাষাত সোমাই পৰিছিল। এনে কাৰণতে আন এগৰাকী পাশ্চাত্য পণ্ডিত ওৱেবাৰ-এ *গাহাসত্তসঈ*-ৰ ৰচনাৰ সময় খ্ৰীষ্টিয় তৃতীয় শতিকাৰ পৰৱর্তী কাল বুলি অনুমান কৰিছে।

কাব্য সংকলনটিৰ পঞ্চম শতকৰ ৬৪নং গাথাত বিক্রমাদিত্য ৰজাৰ নাম পোৱা গৈছে। এনে উল্লেখে স্বাভাৱিকতে সংকলনটিৰ ৰচনা কাল খ্ৰীষ্টিয় চতুর্থ শতিকাৰ শেষভাগ বা পঞ্চম শতিকাৰ আদিভাগ বুলি প্রতিপন্ন কৰে। কাৰণ, বিক্রমাদিত্য ওৰফে দ্বিতীয় চন্দ্রগুপ্তই ৩৭৫ খ্ৰীষ্টাব্দৰ পৰা ৪১৫ খ্ৰীষ্টাব্দলৈ মগধত ৰাজত্ব কৰিছিল। সাতবাহন বংশৰ প্রতিষ্ঠানপুৰ ৰাজ্যৰ ধ্বংসাৱশেষৰ ওপৰত প্রতিষ্ঠিত বাকাটক ৰাজ্যৰ অন্যতম ৰজা দ্বিতীয় ৰুদ্রসেনে বিক্রমাদিত্য ৰজাৰ কন্যাৰ পাণি গ্রহণ কৰিছিল আৰু বাকাটক ৰাজ্য তেতিয়াৰে পৰা গুপ্ত সাম্রাজ্যৰ অন্তর্ভুক্ত হৈছিল। গুপ্ত সাম্রাজ্যৰ বহুকেইজন কবিয়ে *গাহাসত্তসঈ*-ৰ কবিতা ৰচনাত অৰিহণা যোগাইছিল। এই

সকলো তথ্য মিলাই এনে এক অনুমান কৰা উচিত হয় যে হাল নৃপতিৰ নামত সংকলিত হ'লেও প্রকৃতপক্ষে *গাহাসত্তসঈ* নামৰ কাব্যখন চতুর্থ-পঞ্চমৰ পৰা সপ্তম-অষ্টম শতিকাৰ ভিতৰত সংকলিত হৈছিল। সম্ভৱতঃ কাব্যপ্রেমী হালে নিজে কবিতা ৰচনা কৰাৰ লগে লগে অন্য কবিৰ দ্বাৰা ৰচিত বিভিন্ন প্রেমমূলক কবিতাও সংগ্রহ কৰিছিল। সংকলনটিত পোঙিস নামৰ এগৰাকী কবিৰ নাম পোৱা যায়। *লীলাৱতী* কাব্যত এই গৰাকী কবিক নৃপতি হালৰ প্রধান মন্ত্রী আখ্যা দিয়া হৈছে। এই কথাৰ পৰা বুজিবলৈ টান নহয় যে নৃপতি হাল আছিল কাব্যমোদী। তেৱেঁই বিভিন্ন কবিৰ দ্বাৰা ৰচিত গাথাবোৰ সংগ্রহ কৰাৰ উদ্যোগ হাতত লৈছিল। সেই সংগ্রহ কার্য হয়তো হালৰ পৰৱর্তী সময়লৈ সপ্তম-অষ্টম শতিকা পর্যন্ত বিভিন্নজনৰ হাত বাগৰি চলি আহিছিল। ফলত অনেক নতুন কবিৰ কবিতায়ো তাত স্থান লাভ কৰিছিল। ষষ্ঠ শতিকাৰ *সেতুবন্ধ* মহাকাব্যৰ ৰচক প্রবৰসেন, সপ্তম শতিকাৰ *গউড়বহো* কাব্যৰ ৰচক বপ্পইৰাঅ বা বাকপতিৰাজ আদি কবিৰ কবিতা *গাহাসত্তসঈ*-ৰ স্থানভুক্ত হোৱাটোৱেও তেনে ধাৰণাকে দৃঢ় কৰে। কিন্তু সেয়ে হ'লেও, শ্রদ্ধাজনিত কাৰণত সংগ্রাহক হিচাপে হাল নৃপতিৰ নামেই কাব্য-সংকলনটিৰ সৈতে জড়িত হৈ থাকিল। ইয়াৰ পৰা অনুমান কৰিবলৈ টান নহয় যে *গাহাসত্তসঈ*-ৰ সংকলন-কার্য খ্রীষ্টিয় প্রথম-দ্বিতীয় শতিকামানত আৰম্ভ হৈ সপ্তম-অষ্টম শতিকামানত সমাপ্ত হৈছিল। সাতশ গাথা অন্তর্ভুক্ত হৈছিল বাবে ইয়াক 'সত্তসঈ' (সপ্তশতী) ৰূপে নামকৰণ কৰা হ'ল। এই পুথিৰ বাবে গাথা সংকলনৰ কাম পৰৱর্তী সময়তো অব্যাহত আছিল যেন অনুমান হয়। কাৰণ পুথিখনিৰ ভিন্ ভিন্ পাঠত গাথা সংখ্যা ভিন্ ভিন্ হোৱা দেখা যায়। উদাহৰণস্বৰূপে পূর্বোল্লিখিত পাশ্চাত্য পণ্ডিত ওৱেবাৰে বিভিন্ন পাঠৰ পৰা প্রস্তুত কৰা সংকলনটিত সর্বমুঠ এহেজাৰটা গাথা অন্তর্ভুক্ত হৈছে।

সংস্কৃত সাহিত্যত লোক-জীৱনৰ প্রেমানুভূতি সম্বলিত যিকেইখন *শতক* শব্দযুক্ত কাব্য পোৱা যায়, সেই আটাইকেইখন সপ্তম শতিকা বা তৎ পৰৱর্তী সময়ৰ ৰচনা। *গাহাসত্তসঈ* কাব্যও সম্ভৱতঃ সপ্তম শতিকামানতে সংকলিত হৈছিল আৰু তাৰ অনুপ্রেৰণাত সংস্কৃতত *শতক* শীর্ষক প্রেমমূলক এক শ্রেণীৰ কাব্যৰ সৃষ্টি হৈছিল। অমৰুৰ *অমৰুশতক* ভতৃহৰিৰ *শৃঙ্গাৰশতক*, গোৱর্ধন আচার্যৰ *আর্যাসপ্তশতী*, আদি তাৰ প্রকৃষ্ট উদাহৰণ।

মুঠতে খ্রীষ্টিয় প্রথম-দ্বিতীয় শতিকাৰ কবি নৃপতি হালে সমসাময়িক অন্যান্য কবিৰ লগতে নিজেও লোক-জীৱনত মৌখিকভাৱে প্রচলিত বিভিন্ন প্রেমমূলক গাথাক পৰিশীলিত আৰু পৰিমার্জিত কৰি সিবোৰৰ একত্রীকৰণৰ উদ্যোগ হাতত লৈছিল। পৰৱর্তী কেইবা শতিকা জুৰি সেই সংকলন কার্য চলিছিল আৰু তাত নতুন নতুন কবিৰ বিভিন্ন গাথাই স্থান লাভ কৰিছিল। সময়ত এই সংকলনে এক বৃহৎ ৰূপ ধাৰণ কৰিছিল। তৎকালীন সময়ৰ কাব্য, নাট আদিৰ ৰচনাত যি ভাষা প্রয়োগ কৰা হৈছিল, সেই ভাষাৰেই উক্ত সংকলনৰ গাথাসমূহ পুনৰ লিখিত হৈছিল আৰু সাতশ গাথা থকা হেতুকে *গাহাসত্তসঈ* ৰূপে নামকৰণ কৰা হৈছিল। সম্ভৱতঃ হাল

নৃপতিৰ প্রতি সমসাময়িক কবিকুলে জনোৱা শ্রদ্ধাৰ চিনস্বৰূপে সংকলটিৰ সংগ্রাহকৰূপে তেওঁৰ নাম সংযোজিত হৈছে। পৰিশেষত ক'ব পাৰি যে *গাহাসত্তসঈ*ৰ সংকলনৰ কাম খ্রীষ্টিয় প্রথম-দ্বিতীয় শতিকাত আৰম্ভ হৈ সপ্তম-অষ্টম শতিকামানত সমাপ্ত হৈছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ *গাহাসত্তসঈ*ৰ ৰচনা-কাল নির্ণয় কৰক। (৭৫টা শব্দৰ ভিতৰত)

৩.৩.৪ বিষয়বস্তু

আমাৰ অসমৰ বিহুগীতবোৰত যিদৰে লোক-জীৱনৰ ঐহিক প্রেমৰ প্রতিফলন লক্ষ্য কৰা যায়, তেনেদৰে *গাহাসত্তসঈ*ৰ গাথাসমূহতো সেই সময়ৰ লোক-জীৱনৰ ইন্দ্রিয়গ্রাহ্য সুস্থ প্রেমৰ প্রতিচ্ছবি লক্ষ্য কৰিব পাৰি। অৱশ্যে এইবোৰ যথেষ্ট পৰিমাণে পৰিমার্জিত আৰু ৰুচিসম্পন্ন। লোক-মুখৰ পৰা সংগ্রহ কৰি নতুন ৰূপ দিয়া হেতুকে ইয়াৰ গাথাসমূহে উৎকৃষ্ট কাব্যৰ মর্যাদা লাভ কৰিবলৈ সমর্থ হৈছে।

সাধাৰণতে কোৱা হয় "প্রাকৃতজনৰ ঐহিক প্রেমানুভূতিৰ উষ্ণ উত্তাপেৰে *গাহাসত্তসঈ* প্রাণময়।" সংকলনটিৰ মাজেৰে প্রকাশ পোৱা উদ্দাম, গতিশীল তথা চিৰন্তন পার্থিৱ প্রেমৰ চিত্রসমূহে সর্বকালৰ সর্বজনৰ হৃদয় আলোড়িত কৰিব পৰা হেতুকে ভাৰতীয় কাব্য সাহিত্যত আজিও ইয়াৰ স্থান অম্লান হৈ আছে।

এই কথা সত্য যে সংস্কৃত সাহিত্যত প্রেমমূলক কাব্যই এক বিশিষ্ট আসন দখল কৰি আছে। কালিদাসৰ *মেঘদূতম্*, জয়দেৱৰ 'গীত-গোবিন্দ', অমৰুৰ *অমৰুশতক*, বিহ্লনৰ *চৌৰপঞ্চাশিকা*, ভতৃহৰিৰ *শৃঙ্গাৰশতক*, গোৱর্ধন আচার্যৰ *আর্যাসপ্তশতী* আদি কাব্যত প্রেমৰ বিচিত্র অভিব্যক্তিৰ প্রকাশ লক্ষ্য কৰিব পাৰি। কিন্তু *অমৰুশতক* আৰু *আর্যাসপ্তশতী*-ৰ বাহিৰে বাকীবোৰত লৌকিক প্রেমৰ চিত্রায়ণৰ পৰিৱর্তে দৈৱী বা আন কথাত অপার্থিৱ প্রেমলৈ উত্তৰণৰ প্রয়াসহে তুলি ধৰিব বিচৰা হৈছে। লৌকিক প্রেমৰ মাধ্যমেৰে দৈৱী প্রেমৰ উপলব্ধিয়েই আছিল এই কাব্যসমূহৰ ঘাই উদ্দেশ্য। সেইবাবে সাধাৰণজনৰ ঐহিক তথা ইন্দ্রিয়জ প্রেমৰ স্বাক্ষৰ এইবোৰৰ মাজত খুব কমেইহে ৰক্ষিত হৈছে। প্রাকৃত যুগৰ কবিসকল কিন্তু এই ক্ষেত্রত কিছু ব্যতিক্রম আছিল। তেওঁলোকে ঐহিক প্রেমৰ অন্তর্নিহিত গৰিমা সুন্দৰকৈ উপলব্ধি কৰিব পাৰিছিল। সপ্তম শতিকা আৰু তাৰ পাছৰ সংস্কৃত প্রেম-কাব্য যে প্রাকৃত প্রেম-কাব্যৰ অনুপ্রেৰণাতে ৰচিত হৈছিল তাত কোনো সন্দেহ নাই। এইফালৰ পৰা লৌকিক প্রেমৰ মহিমাৰ বর্ণনাত প্রাকৃত কবিসকল পথিকৃৎ বুলিলেও

ভুল কৰা নহয়। ধর্মৰ চাৰিবেৰৰ মাজত আবদ্ধ সংস্কৃত কবিকুলক কটাক্ষ কৰি প্রাকৃত কবিসকলে এনেদৰে লিখিছিল—

অমিঅং পাউঅ কব্বং পঢিউ সোউং ও জে ণ আণন্তি।
কামস্স তত্ত তন্তিং কুণন্তি তে কহং ণ লজ্জন্তি।।

(অমৃতৰ সদৃশ প্রাকৃত কাব্য যিসকলে পঢ়িব বা শুনিব নাজানে তেওঁলোকে কামতত্ত্বৰ আলোচনা কৰিবলৈ লজ্জাবোধ নকৰে কিয়?)

লোক-জীৱনৰ প্রেম অকৃত্রিম, উন্মুক্ত। ইয়াৰ গতি অবাৰিত আৰু স্বচ্ছল। এই প্রেমে জাতি-কুল, বৈধ-অবৈধ আদিৰ বন্ধন মানি নচলে। মান-অভিমান, বিৰহ-মিলন আদি চিৰন্তন আবেগ-অনুভূতি এনে প্রেমৰ নিত্য সহচৰ। বৈদগ্ধপূর্ণ প্রকাশ-চাতুর্যৰ সলনি নিতান্ত সহজ-সৰল অনাড়ম্বৰ ভাষাৰ মাধ্যমেৰে ইয়াৰ প্রকাশ ঘটে। তাৰ মাজেৰেই ফুটি উঠে ঐহিক প্রেমৰ স্বাভাৱিক উজ্জ্বল ৰূপ। সাধাৰণজনৰ আদিম প্রেমৰ এনে অনুভূতি অতীতৰে পৰা গাথাৰ ৰূপত প্রকাশিত হৈ আহিছে। ভাৰতীয় পৰম্পৰাও তাৰ ব্যতিক্রম নহয়। এই দেশৰ লোক-জীৱনৰ প্রেমানুভূতিয়েও সাধাৰণজনৰ মুখৰ ভাষাৰে গাথাৰ ৰূপত প্রকাশৰ বাট বিচাৰি পাইছিল। ইন্দ্রিয়গ্রাহ্য লৌকিক প্রেমানুভূতিৰে সমুজ্জ্বল এনে 'কৌটি কৌটি' গাথাৰ মাজৰ পৰা সংগৃহিত সাতশ গাথাৰ একত্র সংকলনেই হ'ল *গাহাসত্তসঈ*। এই সংকলনটিত সন্নিবিষ্ট প্রতিটো গাথাৰ মাজেৰে স্বাভাৱিক আৰু বন্ধনহীন আন্তৰিক প্রেমৰ আকুল আকুতি, তন্ময়তা, ব্যাকুলতা আদিৰ সুপ্রকাশ ঘটিছে। এইবোৰত অলঙ্কাৰৰ বাহুল্য পাবলৈ নাই। লোক-জীৱনৰ স্বভাৱোক্তিৰে প্রতিটো গাথা সৌন্দর্যময়। কেতবোৰ গাথাত আকৌ তথাকথিত মার্জিত ৰুচিৰ অভাৱো লক্ষ্য কৰা যায়। অভিসাৰিকা, উৎকণ্ঠিতা, প্রোষিতভর্তিকা নাৰী-হৃদয়ৰ ব্যাকুলতা প্রকাশ কৰিবলৈ যাওঁতে ঠায়ে ঠায়ে গ্রাম্যদোষদুষ্ট প্রয়োগো প্রত্যক্ষ কৰিব পাৰি। সেইবুলি তেনেবোৰ গাথাৰ কাব্যিক সৰলতা উলাই কৰিব পৰা নাযায়। অন্তৰৰ অনুভূতিৰ তীব্রতাই যে এনে হোৱাৰ ঘাই কাৰণ তাৰ উল্লেখ বাহুল্য মাথোন।

সংকলনটিৰ প্রায়ভাগ গাথাত স্বীয়া (স্বকীয়া) আৰু অন্যা (পৰকীয়া)— এই দুই ধৰণৰ নাৰী-হৃদয়ৰ অভিসাৰ, অভিলাষ, উদ্বেগ, বিৰহ, মিলন, শংকা, ব্যাকুলতা আদি প্রেমৰ বিভিন্ন অভিব্যক্তি অতিশয় মর্মস্পর্শীভাৱে প্রকাশিত হৈছে। সেয়ে হ'লেও, পৰকীয়া নায়িকাৰ বেদনা আৰু ব্যাকুলতাই সৰহভাগ গাথাকে প্রাণৱন্ত কৰি তুলিছে। তাৰ মাজত আকৌ সম্ভোগ-ৰহিতা বিপ্রলম্ভা নায়িকাৰ বিৰহৰ দুখ অধিক মর্মস্পর্শী ৰূপত প্রতিভাত হৈছে। ভাৰতীয় অলঙ্কাৰ শাস্ত্রত বর্ণিত অভিসাৰিকা, বাসকসজ্জিকা, উৎকণ্ঠিতা, বিপ্রলম্ভা, খণ্ডিতা, মানিনী, কলহান্তৰিতা, প্রোষিতভর্তিকা, স্বাধীনভর্তিকা আদি নায়িকাৰ ৰূপ গাথাসমূহৰ মাজেৰে ব্যঞ্জিত হোৱাটো মন কৰিবলগীয়া। কাম-পীড়িতা নায়িকাই প্রিয়জনৰ সৈতে মিলন-কামনাৰে ব্যাকুল মনেৰে যাত্রা কৰা, প্রিয়-মিলনৰ বাবে নানা বেশ-ভূষাৰে নিজকে সজাই পৰাই তোলা, ৰাতিৰ শেষ প্রহৰতো প্রিয়জনৰ সৈতে মিলনৰ আকাংক্ষাৰে বিৰহী হৈ উঠা,

কাজিয়াৰ হেতু প্রিয়জনৰ পৰা আঁতৰত অৱস্থান কৰা, প্রবাসী প্রিয়ৰ প্রতি আকুল হৈ অপেক্ষা কৰা আদি বিবিধ ভাবৰ উন্মুক্ত প্রকাশে তাৰেই সাক্ষ্য বহন কৰে। নাৰীৰ কোমলতা আৰু কাৰুণ্য— এই দুই অভিব্যক্তিৰ সহাৱস্থানে ইয়াৰ গাথাসমূহক অকৃত্রিম সৌন্দর্য দান কৰিছে। অহেতুক বাগাড়ম্বৰৰ পৰিৱর্তে গীতি-কবিতাৰ তন্ময় ভাবৰ স্বাভাৱিক কোমলতা প্রতিটো গাথাৰে এক বিশেষ বৈশিষ্ট্য।



জানি থোৱা ভাল

- নায়িকা— নাটকত প্রধান স্থান লাভ কৰা নায়ক যি নাৰী চৰিত্রৰ প্রতি প্রণয়াসক্ত হয় সেই নাৰী চৰিত্রক নায়িকা বুলি ক'ব পাৰি।

নায়িকাৰ প্রকাৰ ভেদ—

- অভিসাৰিকা— যি নায়িকা নিজে প্রিয়তমৰ ওচৰলৈ যায় বা আহ্বান কৰে, তেনেকুৱা নায়িকাকে অভিসাৰিকা বোলে।
- বাসকসজ্জিকা— প্রিয়তম আহিব, এনেকুৱা আশাত অলংকাৰেৰে সজ্জিত নায়িকা বাসকসজ্জিকা।
- উৎকণ্ঠিতা— নিজৰ কোনো দোষ নাথাকিলেও অন্য নায়িকাৰ প্রতি আসক্ত নায়কৰ নায়িকাক উৎকণ্ঠিতা নায়িকা বোলা হয়।
- বিপ্রলম্ভা— সময়ত প্রিয়তম নহা দুখত দুখিতা নায়িকাক বিপ্রলম্ভা বোলা হয়।
- খণ্ডিতা— পতিয়ে আন স্ত্রীৰ ওচৰলৈ যোৱাৰ সময়ত যি নায়িকাই কাপোৰ-কানি ফালি দিয়ে, তেওঁক খণ্ডিতা নায়িকা বোলা হয়।
- মানিনী— যি নায়িকাই নায়কৰ অন্য নাৰীৰ লগত থকা সম্পর্ক সহ্য কৰিব নোৱাৰে, তেনেকুৱা নায়িকাই মানিনী নায়িকা।
- কলহান্তৰিতা— নায়কৰ অপৰাধত নায়িকাই নায়ক ত্যাগ কৰি পিছত অনুতাপ কৰা নায়িকা কলহান্তৰিতা।
- প্রোষিতভর্তৃকা— নায়িকাৰ প্রিয়তম কিবা কাৰণত আঁতৰত থাকিবলগীয়া হ'লে, তেওঁক প্রোষিতভর্তৃকা নায়িকা বোলা হয়।
- স্বাধীনভর্তৃকা— নায়ক সদায় নায়িকাৰ বশত থকা আৰু নিজৰ সৌন্দর্য বুজি পোৱা নায়িকাক স্বাধীনভর্তৃকা নায়িকা বোলে।

চাৰিও কাষৰ প্রকৃতি জগতক প্রেমৰ উদ্দীপন বিভাৱ হিচাপে প্রয়োগ কৰিব পৰাটো সংকলনটিত সন্নিবিষ্ট গাথাসমূহৰ আন এক বিশেষত্ব। প্রকৃতিৰ বিভিন্ন ৰূপক প্রেমৰ ব্যঞ্জনাৰূপে, কিংবা প্রতিচিত্রৰূপে প্রয়োগ কৰাৰ উদাহৰণ প্রায়বোৰ গাথাৰ মাজত পোৱা যায়। 'সেহালিআনং গন্ধো ণ দেই সোত্তুং সূঅহ তুম্হে' (শেৱালীৰ গোন্ধে মোক শুবলৈ দিয়া নাই, তোমালোক শোৱাগৈ) তেনে এটি উদাহৰণ। বিৰহিনী নায়িকাই প্রিয়জনক সুঁৱৰি যে টোপনি যাব পৰা নাই তেনে এক ভাব

গাথাফাঁকিৰ মাজেৰে ব্যঞ্জিত হৈছে। আকৌ বসন্ত কালৰ আগমনত প্রিয়জনক কাষত নাপাই উন্মনা হোৱা নায়িকাই এনেদৰে আক্ষেপ কৰিছে—

দিট্ঠা চূআ অগ্ঘাইআ সুৰা দক্খিণাণিলো সহিও।
কজ্জাইং ৰ্ত্তিঅং গৰুআইং মামি কো বল্লহো কস্স।।

(আমে মলিয়াইছে, সুৰাৰ গোন্ধ পোৱা গৈছে, বসন্তৰ বতাহজাকো অনুভৰ কৰিছোঁ। তেওঁৰ কাৰণে কামেই ডাঙৰ হ'ল, কোৱাচোন মামী কোননো কাৰ মৰমৰ।)

এনেদৰে প্রকৃতিৰ বুকুৰ পৰা বিবিধ উপমা বুটলি লৈ গাথা ৰচকে ইন্দ্রিয়গম্য প্রেমানুভূতিৰ বর্ণনা আকর্ষণীয় কৰি তুলিছে। ৰঙা পাৰুল ফুলৰ গোন্ধৰ সৈতে নায়িকাৰ মুখৰ সুগন্ধৰ তুলনা, বিৰহ-বেদনাৰ দিনবোৰক বাৰিষাৰ সৈতে কৰা তুলনা, নাৰীৰ যৌৱনক বাৰিষাৰ ফেনিল তৰঙ্গৰ সৈতে ৰিজোৱা আদি চিত্র অতিশয় চমকপ্রদ তথা চিত্তাকর্ষক। কেতবোৰ গাথাত আকৌ কেৱল মাত্র প্রকৃতিৰ অপূর্ব চিত্র অঙ্কন কৰা হৈছে। তলত উল্লিখিত গাথাটি তাৰেই প্রকৃষ্ট উদাহৰণ—

কখ গঅং ৰই-বিম্বং কখ পণট্ঠা চন্দ্রতাৰাও।
গঅণে বলাআ-পন্তিং হোৰং ব কডেঢই।।

(সূর্যৰ কিৰণ ক'ত লুকাল, চন্দ্রতাৰকা ক'ত হেৰাই গ'ল; সময় যেন কোনো গ্রহৰ চিহ্নৰ দৰে আকাশত মেঘৰাশি বিস্তাৰিত হৈছে।)

সংকলনটিৰ সৰহভাগ গাথাতে প্রতীক আৰু কাব্যপোযোগী চিত্রকল্পৰ সুপ্রয়োগ লক্ষ্য কৰিব পাৰি। প্রতীকৰ ব্যৱহাৰেৰে মনৰ ভাবৰ অভিব্যঞ্জনা ব্যক্ত কৰাৰ কৌশল অকল অভিনৱেই নহয়, সহৃদয়জনৰ হৃদয়গ্রাহীও হৈ উঠিছে। 'হৰিণ-হৰিণীয়ে বনৰ পৰা নিজে ঘাঁহ আৰু পানী বিচাৰি খালেও সিহঁতৰ প্রেম মৃত্যু পর্যন্ত থাকে', 'আজি এই বাৰিষাৰ দিনত কামদেৱে ধনুত কাড় জুৰি মাৰিবলৈ ধৰিছে', 'তেওঁৰ বিৰহত মেঘৰ গাজনিত বধ্যভূমিৰ বলিৰ বাজনা শুনিবলৈ পাইছোঁ' আদি প্রয়োগ তাৰ প্রকৃষ্ট উদাহৰণ। উপমাৰ এনে সু-প্রয়োগ তথা অপূর্ব ছন্দসজ্জাই গাথাবোৰক অতি উচ্চ স্তৰৰ কাব্যিক মর্যাদা প্রদান কৰিছে।

সহজ-সৰল ভাষাৰে সাধাৰণজনৰ চিৰ পৰিচিত সুখ-দুখ, বিৰহ-বেদনা সম্বলিত গ্রাম্য জীৱনৰ নিটোল ছবি অংকন কৰিব পৰাটো সংকলনটিৰ গাথাসমূহৰ আন এক উল্লেখনীয় বিশেষত্ব। গ্রাম্য জীৱনত 'শালি ধানৰ পথাৰে খেতিয়কক নিজ পুত্রৰ দৰে স্নেহ কৰে', 'শুকুলা ৰঙৰ চাউলে খেতিয়কৰ মনত পৰম আনন্দ দান কৰে', 'শাৰদীয় জলহীন শুকুলা মেঘমালা সৈন্ধৱ লৱণৰ পাহাৰৰ দৰে অথবা কমোৱা তুলাৰ দৰে শোভা পাইছে', 'গাঁৱৰ মাজৰ দুই কাষে শুকান বোকাৰ মাজত নৰম বোকাৰ বাটটো শিৰৰ সেওঁতা যেন লাগিছে।' ইয়াৰ উপৰি শাহু, বোৱাৰী, ননদ, দেওৰ, মাহী, পেহী, মামী, সখী আদিৰে পৰিপূর্ণ গৃহস্থী একোখনত পাৰস্পৰিক সৌহার্দ, সুখ-দুখ, আশা-আকাংক্ষা আদিৰ সুন্দৰ চিত্রও গাথাবোৰৰ মাজত পোৱা যায়। সংকলিত বর্ণিত এই গ্রাম্য পৰিৱেশ দক্ষিণ ভাৰতৰ গোদাবৰী নদীৰ তীৰৱর্তী 'ধৱল মেঘৰ দ্বাৰা আবৃত বিন্ধ্য পর্বতৰ পাদদেশ' হ'লেও, ইয়াৰ জৰিয়তে তৎকালীন ভাৰতীয় জন-জীৱনৰ

প্রতিফলন ঘটা বুলি সহজেই পতিয়ন যাব পাৰি। কৃষ্ণ, শিৱ, পার্বতী, গণেশ আদি ভাৰতীয় দেৱ-দেৱী আৰু যশোদা, ৰাধা, গোপী আদিৰ উল্লেখেও গাথাসমূহক সর্বভাৰতীয় সামগ্রিকতা প্রদান কৰিছে। গাথাসমূহৰ মুখ্য বিষয় জন-জীৱনৰ সহজ-সৰল প্রেমানুভূতি হ'লেও কেতবোৰ গাথাৰ জৰিয়তে প্রেমৰ লগে লগে নৈতিক উপদেশ দিয়াৰো সচেতন প্রয়াস লক্ষ্য কৰিব পাৰি। যেনে—

বসণম্মি অণুব্বিগ্গা বিহবম্মি অগব্বিআ ভএ ধীৰা।
হোন্তি অহিন্ন-সহবা সমেসু বিসমেসু সপ্পুৰিসা।।

(জ্ঞানী লোক বিপদত উদ্বিগ্ন নহয়, সম্পদ কালত অহঙ্কাৰ আৰু ভয়শূন্য হয়; আৰু সুসময় বা দুঃসময়ত তেওঁৰ স্বভাৱৰ কোনো পৰিৱর্তন নহয়।)

মুঠতে লোক-জীৱনৰ নির্মল প্রেমৰ স্নিগ্ধতা, মিলনৰ সুখানুভূতি, বিৰহৰ যন্ত্রণা আদিৰ প্রতিফলন *গাহাসত্তসঈ* নামৰ এই কাব্য সংকলটিৰ প্রতিটো গাথাৰ মাজেৰে উপলব্ধি কৰিব পৰা যায়। প্রতিটো গাথা দুটাকৈ চৰণেৰে সজ্জিত। তাৰ মাজতে সোমাই আছে একো একোটা গভীৰ অর্থব্যঞ্জক ভাব। কোনোৱে মন্তব্য কৰাৰ দৰে 'ব্যক্তিগত অনুভূতিৰ সংগীতময় প্রকাশেই যদি লিৰিক বা গীতি-কবিতা হয়', তেন্তে এই সংকলনটিৰ প্রতিটো গাথা একোটাহঁত সার্থক গীতি-কবিতা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ *গাহাসত্তসঈ*-ত সন্নিবিষ্ট গাথাসমূহৰ মাজেৰে কেনে ধৰণৰ প্রেমৰ চিত্র অঙ্কিত হৈছে, উল্লেখ কৰক। (১৫০টা শব্দৰ ভিতৰত)

৩.৩.৫ ভাষাগত বৈশিষ্ট্য

ইয়াৰ আগৰ উপশাখাত এইটো উল্লেখ কৰি অহা হৈছে যে নৃপতি হাল সংকলিত *গাহাসত্তসঈ* অপভ্রংশ প্রভাৱিত মহাৰাষ্ট্রী প্রাকৃতত ৰচিত। এতিয়া এইটো উপশাখাত আপুনি সেই প্রাকৃতৰ ভাষাগত বৈশিষ্ট্য সম্বন্ধে অধ্যয়ন কৰিবলৈ পাব। এইখিনিতে উল্লেখ কৰি থোৱা সমীচীন হ'ব যে মহাৰাষ্ট্রী প্রাকৃতত স্বৰৰ প্রাধান্য অধিক আৰু ব্যঞ্জন ধ্বনিৰ ব্যৱহাৰ আপেক্ষিকভাৱে তাকৰ। ব্যৱহৃত ব্যঞ্জনকেইটাও স্বৰৰ ওপৰত ভাঁহি থকা যেন লাগে। সেই হেতুকে এইবিধ প্রাকৃত গীত আৰু কবিতাৰ উপযোগী বাহন হিচাপে স্বীকৃত হৈছিল। সংস্কৃত নাট্যকাৰসকলে সেইবাবে নাটকৰ গীত আৰু কবিতাত মহাৰাষ্ট্রী প্রাকৃত প্রয়োগ কৰিছিল। সংস্কৃত আলঙ্কাৰিক আচার্য দণ্ডীয়ে তেওঁৰ *কাব্যাদর্শ* গ্রন্থত মহাৰাষ্ট্রী প্রাকৃতৰ শ্রেষ্ঠত্ব সম্বন্ধে এনেদৰে মন্তব্য কৰিছে— 'মহাৰাষ্ট্রাশ্রয়াং ভাষাং প্রকৃষ্টং প্রাকৃতং বিদুঃ'। প্রাকৃত ব্যাকৰণবিদসকলে মহাৰাষ্ট্রীকে মূল বা শ্রেষ্ঠ প্রাকৃতৰূপে গণ্য কৰি অন্যান্য প্রাকৃতৰ লক্ষণ বিচাৰ কৰিছিল। বাকপতিৰাজৰ *গৌড়বহো*, প্রবৰসেনৰ *সেতুবন্ধ* বা

ৰাৱণবহো, আপোনাৰ পাঠ্যক্রমৰ অন্তর্ভুক্ত *গাহাসত্তসঈ* আদি উৎকৃষ্ট কাব্য মহাৰাষ্ট্রী প্রাকৃততে ৰচিত হৈছে। তলত আপোনাৰ জ্ঞাতার্থে *গাহাসত্তসঈ*-ত ব্যৱহৃত এই প্রাকৃতৰ বৈশিষ্ট্যসমূহৰ উল্লেখ কৰা হ'ল।

- স্বৰমধ্যস্থিত অল্পপ্রাণ ব্যঞ্জনৰ লোপ হোৱাৰ প্রৱণতা, যথা — সকল > সঅল, গগণ > গঅন। অৱশ্যে স্বৰমধ্যগত হ'লেও ব প্রায়ে ৰক্ষিত হোৱা দেখা যায়, যেনে — কুলবধু > কুলবহূ;
- স্বৰৰ মাজত থকা মহাপ্রাণ ধ্বনিৰ 'হ'-লৈ পৰিৱর্তন, যেনে— কথং > কধং > কহং;
- শ, ষ > স, যেনে— বিশেষয়তি > বিসেসই;
- ঋ > অ, ই, উ, যেনে— অমৃতময় > অমঅমঅ, অমৃতম্ > অমিঅং, পৃষ্ঠম্ > পুট্ঠিং;
- ন, য > ণ, জ, যেনে— হালেন > হালেণ, কার্যানি > কজ্জাইং;
- ঐ > এ, ই, যেনে— দৈৱেন > দেৱ্ৱেন, সৈন্ধৱ > সিন্ধৱ;
- সৌমিত্রি > সোমিত্তি, সকৌউহল্লস্স > সকৌতূহলস্য;
- পদান্ত ব্যঞ্জনৰ লোপ আৰু অন্ত্য ম্-ৰ ঠাইত অনুস্বাৰৰ ব্যৱহাৰ, যেনে— হৃদয়ম্ > হিঅঅং;
- পদান্তৰ অঃ > ও, যেনে— সহিতঃ > সহিও;
- সংযুক্ত ব্যঞ্জনৰ প্রায়ে সমীভৱন, যেনে— দেৱৰস্য > দিঅৰস্স, ৰামানুলগ্ন > ৰামাণুলগ্গ;
- ব্যঞ্জন ধ্বনিৰ তাকৰীয়া ব্যৱহাৰ;
- ক্রিয়া বিশেষণীয় প্রত্যয় 'আহি'-ৰ জৰিয়তে অপাদান কাৰকৰ একবচনৰ পদ গঠন, যেনে — দূৰাৎ > দূৰাহি, মুখাৎ > মুহাহি;
- ত্ম > প্প, যেনে — আত্মন > অপ্প;
- ক্ষ > চ্ছ, যেনে— ইক্ষু > উচ্ছু; কেতিয়াবা ক্খ, যেনে— দক্ষিণানিলো দক্খিণাণিলো;
- অধিকৰণ কাৰকৰ সপ্তমী বিভক্তি স্মিন > স্মি, যথা— ৰাহুমুখস্মিন > ৰাহুমুহম্মি,
- সংস্কৃতৰ পুংলিঙ্গ শব্দ মহাৰাষ্ট্রী প্রাকৃতত স্ত্রীলিঙ্গ বা ক্লীৱলিঙ্গৰূপে প্রয়োগ;
- অপভ্রংশৰ বৈশিষ্ট্য, যেনে— মহ, তহ, তিএঁ, এহি আদি শব্দ তথা এক স্বৰৰ ঠাইত আন এক স্বৰৰ প্রয়োগ;
- উঅহ, ছেআহিং, জূৰসু, হলহল আদি দেশী শব্দৰ ব্যৱহাৰ; ইত্যাদি।

আলোচ্য *গাহাসত্তসঈ* কাব্য সংকলনটিত মহাৰাষ্ট্রী প্রাকৃতৰ এই আটাইবোৰ বৈশিষ্ট্যৰ প্রতিফলন ঘটা পৰিলক্ষিত হয়। আপোনাৰ অধ্যয়নৰ সুবিধাৰ বাবে তলত সংকলনটিৰ পৰা দুটা বাছকৰনীয়া গাথা উদ্ধৃত কৰা হৈছে।

বিৰহাণলো সহিজ্জই আসাবন্ধেণ বল্লহজণস্স।
এক্কগাম পবাসো মাএ মৰণং বিসেসই।।

(প্রিয়জনৰ আগমন অথবা মিলনৰ আশাত বিৰহৰ তাপ সহ্য কৰিব পাৰি, কিন্তু প্রিয়জনৰ সৈতে একে গাঁৱত বাস কৰিও যদিও মিলন নহয় তেন্তে তাতকৈ আই মৰণেই শ্রেয়।)

কইঅব ৰহিঅং পেম্মং ণত্থি ৰিঅ মামি মাণুসে লোএ।

অহ হোই কস্স বিৰহো বিৰহে হোন্তম্মি কে জী অই।।

(মানুহৰ পৃথিৰীত মামী ছলনাহীন প্রেম পাবলৈ নাই, যদি সম্ভৱ হয় কাৰণো বিৰহ থাকিব আৰু বিৰহ থাকিলে কোননো বাচিব।)



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ *গাহাসত্তসঈ*-ৰ ভাষাগত বৈশিষ্ট্যবোৰ উল্লেখ কৰক। (১৫০টা শব্দৰ ভিতৰত)

৩.৩.৬ নির্বাচিত পাঠৰ অসমীয়া অনুবাদ আৰু শব্দগত টোকা

হাল নৃপতিৰ দ্বাৰা সংকলিত *গাহাসত্তসঈ* নামৰ প্রাকৃত কাব্যখনিৰ মুঠ সাতশটা গাথাৰ ভিতৰত আপোনাৰ অধ্যয়নৰ বাবে মাত্র ১,২,৭,৯ আৰু ১০ —এই পাঁচটা গাথাহে পাঠ্যক্রমৰ অন্তর্ভুক্ত কৰা হৈছে। তলত এই নির্বাচিত গাথাকেইটাৰ প্রতিটোৰে মূল পাঠ, অসমীয়া ভাঙনি আৰু শব্দগত টোকা দিয়া হৈছে। আশা কৰোঁ আপুনি কম আয়াসতে সেইখিনি আয়ত্ত কৰিব পাৰিব।

১নং গাথা ঃ সত্তসআইং কই-বচ্ছলেণ কোডীঅ মজ্ঝআৰম্মি।
হালেণ বিৰইআইং সালংকাৰাণং গাহাণং।।

অসমীয়া অনুবাদ ঃ সালংকৃত কৌটি কৌটি গাথাৰ মাজৰ পৰা সাতশ গাথা কবি-বৎসল হালৰ দ্বাৰা সংকলিত হৈছে।

শব্দগত টোকা ঃ

সত্তসআইং < সপ্তশতানি = সাতশ; প্ত > ত্ত (সমীভৱন), শ > স, স্বৰমধ্যস্থিত 'ত'-ৰ বিলোপ, নি > ইং।

কই-বচ্ছলেণ < কবিবৎসলেন = কবিকুলৰ পৃষ্ঠপোষক; ৎস > চ্ছ (সমীভৱন), ন > ণ (স্বতঃমূর্ধন্যীভৱন)

কোডীঅ < কোটেঃ = কৌটি কৌটি

মজ্ঝআৰম্মি < মধ্যকাৰস্মিন্ = মাজত; ধ্য > জ্ঝ (সমীভৱন), স্বৰমধ্যৱর্তী 'ক'-ৰ লোপ, সপ্তমী বিভক্তি স্মিন্ > ম্মি।

হালেণ < হালেন = হালৰ দ্বাৰা; ন > ণ

বিৰআইং < বিৰচিতানি = ৰচিত হৈছে। স্বৰমধ্যস্থিত 'চ', 'ত'-ৰ লোপ, নি > ইং

সালংকাৰাণং < সালাঙ্কাৰানাম্ = অলংকৃত। লা > ল (যুক্ত ব্যঞ্জনৰ পূর্ববর্তী দীর্ঘস্বৰৰ হ্রস্বীভৱন, অন্ত্য ম্ > ং

গাহাণং < গাথানাম্ = গাথাৰ; থ > হ, অন্ত্য ম্ > ং

২নং গাথা ঃ অমিঅং পাউঅ কব্বং পঢ়িউং সোউং অ জে ণ জাণন্তি।
কামস্স তত্ততন্তিং কুণন্তি তে কহং ণ লজ্জন্তি।

অসমীয়া অনুবাদ ঃ অমৃতময় প্রাকৃত কাব্য যিসকলে পঢ়িব বা শুনিব নাজানে তেওঁলোকে কামতত্ত্বৰ চর্চাত লজ্জাবোধ নকৰে কিয়?

শব্দগত টোকা ঃ

অমিঅং < অমৃতম্ = অমৃতময়; ঋ > ই, স্বৰমধ্যৱর্তী 'ত'-ৰ লোপ, অন্ত্য ম্ > ং পাউঅ-কব্বং < প্রাকৃত কাব্যম্ = প্রাকৃত কাব্য; প্রা > পা (আদ্যাক্ষৰৰ সংযুক্ত 'ৰ'-কাৰৰ লোপ), ঋ > উ, স্বৰমধ্যস্থিত 'ক' আৰু 'ত'-ৰ লোপ, ব্য > ব্ব (সমীভৱন) আৰু পূর্বৱর্তী দীর্ঘস্বৰৰ হ্রস্বীভৱন, অন্ত ম্ > ং

সোউং < শ্রোতুম = শুনিবৰ বাবে; আদি অক্ষৰত থকা সংযুক্ত 'ৰ'-ৰ লোপ, স্বৰমধ্যৱর্তী 'ত'-ৰ লোপ, অন্ত্য ম্ > ং

কামস্স তত্ততন্তিং < কামস্য তত্ত্বচিন্তাম্; স্য > স্স (সমীভৱন), ত্ত্ব > ত্ত, অন্ত্য ম্ > ং

৭নং গাথা ঃ দিঅৰস্স অসুদ্ধমণস্স কুলবহূ ণিঅঅকুড্ড লিহিআইং।
দিঅহং কহেই ৰামাণুলগ্ন সোমিত্তিচৰিআইং।।

অসমীয়া অনুবাদ ঃ চৰিত্রৱর্তী কুলবধূৱে নিজৰ কোঠাৰ বেৰত লিখি থোৱা ৰাম-অনুৰক্ত অনুজ লক্ষ্মণৰ চৰিত্রৰ কথাবোৰ কলুষিত চৰিত্রৰ (অশুদ্ধমনা) দেওৰেকক গোটেই দিন জুৰি কৈ থাকে।

শব্দগত টোকা ঃ

দিঅৰস্স < দেৱৰস্য = দেওৰেকক; আদ্যাৱস্থানত থকা এ > ই, স্য > স্স (সমীভৱন)।

অসুদ্ধমনস্স < অশুদ্ধমনস্য = কলুষিত মনৰ, শ > স

কুলবহূ < কুলবধূ = বোৱাৰী, সজবংশীয় তিৰোতা (নবৌৱেক); মহাপ্রাণ ধ > হ

ণিঅঅকুড্ড < নিজকুড্য = নিজৰ কোঠাৰ বেৰত; স্বৰমধ্যৱর্তী 'জ'-ৰ লোপ, ড্য > ড্ড (সমীভৱন)

লিহিআইং < লিখিতানি = লিখিত, লিখি থোৱা; মহাপ্রাণ খ > হ, স্বৰমধ্যৱর্তী 'ত'-ৰ বিলোপ, নি > ইং।

ৰামাণুলগ্গ < ৰামানুলগ্ন = ৰামৰ অনুৰক্ত; ন > ণ, গ্ন > গ্ণ (সমীভৱন)

সোমিত্তি-চৰিআইং < সৌমিত্রি-চৰিতানি = সৌমিত্রি অর্থাৎ লক্ষ্মণৰ চৰিত্র; ঔ > ও, ত্র > ত্ত (সমীভৱন), স্বৰমধ্যস্থিত 'ত'-ৰ লোপ, নি > ইং।

৯নং গাথা ঃ আৰম্ভন্তস্স ধুঅং লচ্ছী মৰণং ৰি হোই পুৰিসস্স।
তং মৰণং অণাৰম্ভে ৰি হোই লচ্ছী উণ ণ হোই।।

অসমীয়া অনুবাদ ঃ কোনো কাম আৰম্ভ কৰাজনৰ নিশ্চয়কৈ লক্ষ্মী লাভ হয় অথবা (তেওঁৰ) মৃত্যু হয়; কিন্তু কাম আৰম্ভ নকৰাজনৰ মৃত্যুহে হয়, লক্ষ্মী লাভ নহয়।

শব্দগত টোকা ঃ

আৰম্ভন্তস্স < আৰভমানস্য = কোনো কাম আৰম্ভ কৰা জনৰ
ধুঅং < ধ্রুৱম্ = নিশ্চিতভাৱে পুৰিসস্স < পুৰুষস্য = পুৰুষৰ
অনাৰম্ভে < ন আৰম্ভে = আৰম্ভ নকৰা
হোই < ভৱতি = হয়
লচ্ছী < লক্ষ্মীঃ = ধন, টকা-পইচা

৯নং গাথা ঃ সো তুজ্ঝ কএ সুন্দৰী তহ ছীণো সুমহিলো হলিঅউত্তো।
জহ সে মচ্ছৰিণীএ ৰি দোচ্চং জাআএ পড়িবণ্ণ।।

অসমীয়া অনুবাদ ঃ হেৰা সুন্দৰী, নিজৰ ৰূপৱতী পত্নী থকা সত্ত্বেও কৃষক-পুত্ৰ ইমান খীনাই গৈছে যে তেওঁৰ ঈৰ্ষাপৰায়ণা পত্নীয়েও দূতীৰ কার্য অৱলম্বন কৰিছে।

শব্দগত টোকা ঃ

তুজ্ঝ < তৱ = তোমাৰ
কএ < কৃতে = কাৰণে; ঋ > অ, ত-ৰ লোপ
ছীণো < ক্ষীণঃ = ক্ষীণাই যোৱা; ক্ষ > ছ, অন্ত্য অঃ > ও
সুমহিলো < সুমহিলঃ = ৰূপৱতী স্ত্রী; অন্ত্য অঃ > ত্ত
হলিঅউত্তো < হলিক পুত্রঃ = খেতিয়কৰ পুত্র; ক, প-ৰ লোপ, ত্র > ত্ত (সমীভৱন), অন্ত্য অঃ > ও
মচ্ছৰিণীএ < মৎসৰিণ্যা = ঈৰ্ষাপৰায়ণাৰ দ্বাৰাও; ৎস > চ্ছ, ণ্যা > ণীএ
দোচ্চং < দৌত্যম্ = দূত কার্য; ঔ > ও, ত্য > চ্চ (অন্যোন্য সমীভৱন), অন্ত্য ম্ > ং।
পড়িৱণ্ণ < প্রতিপন্ন = গ্রহণ কৰা, অৱলম্বন কৰা। আদি অৱস্থানৰ প্র > প, ত > ট > ড়, প > ৱ



চিন্তা-চর্চা কৰক ৩.১

আপোনাৰ পাঠ্য গাথাকেইটিৰ অসমীয়া অনুবাদ কৰি সেইবোৰত থকা কঠিন শব্দবোৰৰ সংস্কৃত ৰূপ আৰু অসমীয়া অর্থ উলিয়াই লওক।



৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিৰ অধ্যয়নৰ পৰা আমি—

- এই অধ্যায়টিৰ অধ্যয়নৰ পৰা আমি গম পালোঁ যে *গাহাসত্তসঈ* নামৰ প্রেমমূলক গীতি-কাব্যখনিত লোক-জীৱনত প্রচলিত বিভিন্ন গাথাৰ পৰা মুঠ সাতশটা গাথা পৰিমার্জিত ৰূপত স্থান দিয়া হৈছে।
- সাতটা শতকত বিভক্ত কৰি সংকলন কৰা হেতুকে ইয়াৰ নাম ৰখা হৈছে *গাহাসত্তসঈ*।
- কাব্য-সংকলনটিৰ ভাষা অপভ্রংশ প্রভাৱিত মহাৰাষ্ট্রী প্রাকৃত আৰু ইয়াৰ সংকলক হৈছে সাতবাহন বংশৰ কাব্যম্যোদি নৃপতি হাল।
- কাব্য সংকলনটিৰ ৰচনা-কাল সম্বন্ধে কোনো সঠিক সিদ্ধান্ত পোৱা নাযায়। ইয়াত সন্নিবিষ্ট কেইটিমান গাথাত পোৱা অভ্যন্তৰীণ প্রমাণ আৰু ইতিহাস-আশ্রিত কেতবোৰ তথ্যৰ আধাৰত পণ্ডিতসকলে ইয়াৰ সংকলন বা ৰচনা কাল খ্রীষ্টিয় প্রথম-দ্বিতীয় শতিকাৰ পৰা সপ্তম-অষ্টম শতিকা হ'ব পাৰে বুলি অনুমান কৰিছে।
- *গাহাসত্তসঈ*-ৰ মূল প্রতিপাদ্য বিষয় হৈছে তৎকালীন ভাৰতীয় লোক-জীৱনৰ প্রেম। সংস্কৃত প্রেমমূলক কাব্যৰ দৰে ইয়াত বর্ণিত প্রেম স্বর্গীয় অনুভূতিৰে সিক্ত নহয়। তাৰ বিপৰীতে ইয়াত ইন্দ্রিয়গম্য প্রেমৰ প্রতিচ্ছবিহে প্রতিফলিত হৈছে। সাধাৰণ মানুহৰ সুখ-দুখ, হাঁহি-অশ্রু, বিৰহ-মিলনৰ বৈচিত্র্যপূর্ণ অভিব্যক্তিয়ে কাব্য-সংকলটিক উৎকৃষ্টতাৰ মর্যাদা প্রদান কৰিছে।
- ইয়াৰ কবিসকল স্বকীয় প্রেমতকৈ পৰকীয়া প্রেমৰ কাব্যিক ৰূপ প্রদানত অধিক পটু আছিল যেন অনুমান হয়। অৱশ্যে কবিসকলে তাৰ লগে লগে মানুহক নৈতিক উপদেশ দিবলৈকো পাহৰা নাই। সাধাৰণজনৰ প্রেমৰ চিত্র অঙ্কিত হোৱা হেতুকে ইয়াৰ ভাষাও হৈ পৰিছে নিতান্ত ঘৰুৱা।



৩.৫ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) ঠাকুৰ, নগেন (১৯৯৩); *প্রাকৃত সাহিত্য চয়ন;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

২) ঠাকুৰ, নগেন (১৯৮৯); *প্রাকৃত সাহিত্যৰ অধ্যয়ন;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৩) ঠাকুৰ, নগেন (১৯৯৭); *পালি-প্রাকৃত-অপভ্রংশ ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ কে. এম. পাব্লিছিং।

৪) শইকীয়া বৰা, লীলাৱতী (২০০২); *সংস্কৃত-পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ;* ডিব্ৰুগড়, গুৱাহাটী ঃ বনলতা।

ইংৰাজী গ্ৰন্থ ঃ

৫) Biswas, Sukumar (1970); *A Comparative Old Indo-Aryan Grammar;* Pathsala, Guwahati : Bani Prakash.

৬) Kale, M. R. (Ed.) (1969); *The Abhijnana Sakuntalam of Kalidasa.* Delhi : MBD.

৭) Keith, A. B. (1973); *A History of Sanskrit Literature;* Oxford UP, Delhi : et al.

৩.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ *গাহাসত্তসঈ*-ৰ তিনিটা প্ৰধান বৈশিষ্ট্য... ...লোক-জীৱনৰ চিত্ৰ, সাংগীতিক লয় মিশ্ৰিয় গীতি-কাব্যপোযোগী ছন্দ, অপভ্ৰংশ মিশ্ৰিত মহাৰাষ্ট্ৰী ভাষাৰ ব্যৱহাৰ আদিৰ বিষয়ে ফঁহিয়াই লিখিব লাগিব।

নং প্ৰশ্নৰ উত্তৰ ঃ *গাহাসত্তসঈ*-ৰ ২০ গৰাকী গাথা-ৰচকৰ নাম... ...মকৰন্দ, ক্ষুদ্ৰৌঘ, কুমাৰিল, মহেন্দ্ৰ, প্ৰবাৰক, দুৰ্গস্বামী, ভীমস্বামী, চন্দ্ৰস্বামী, অলক, ধৰ্মক, গজসিংহ, কলিৰাজ আদি বিশগৰাকী কবিৰ নামোল্লেখ কৰিব লাগিব।

৩নং প্ৰশ্নৰ উত্তৰ ঃ *গাহাসত্তসঈ*-ৰ সংগ্ৰাহক গৰাকীৰ পৰিচয়... ...*গাহাসত্তসঈ*-ৰ সংগ্ৰাহক সাতবাহন বংশীয় নৃপতি হালৰ বিষয়ে বিস্তৃত বিৱৰণ দাঙি ধৰিব লাগিব।

৪নং প্ৰশ্নৰ উত্তৰ ঃ *গাহাসত্তসঈ*-ৰ ৰচনা-কাল... ...*গাহাসত্তসঈ* কাব্যখন কেতিয়া সংকলিত বা ৰচিত হৈছিল সেই সম্পৰ্কে কোনো নিৰ্ভৰযোগ্য তথ্য পোৱা নাযায়। অভ্যন্তৰীণ আৰু বহিৰঙ্গ প্ৰমাণৰ আধাৰত এই কাব্য-সংকলটিৰ ৰচনা-কাল নিৰ্ণয় কৰি ল'ব লাগিব।

৫নং প্ৰশ্নৰ উত্তৰ ঃ *গাহাসত্তসঈ*-ত সন্নিবিষ্ট গাথাসমূহৰ মাজেৰে... ...লৌকিক প্ৰেমৰ চিত্ৰ অঙ্কিত হৈছে। পৰিমাৰ্জিত ৰূপত সাধাৰণ মানুহৰ ইন্দ্ৰিয়গম্য প্ৰেমৰ মনোৰম চিত্ৰসমূহ উদাহৰণ সহ বিশ্লেষণ কৰি দেখুৱাব লাগিব।

৬নং প্ৰশ্নৰ উত্তৰ ঃ *গাহাসত্তসঈ*-ৰ ভাষাগত বৈশিষ্ট্য... ...স্বৰমধ্যস্থিত অল্পপ্ৰাণ অঘোষ ব্যঞ্জনৰ লোপ, স্বৰৰ মাজত থকা মহাপ্ৰাণ ধ্বনিৰ 'হ' লৈ পৰিৱৰ্তন, ব্যঞ্জন ধ্বনিৰ তাকৰীয়া ব্যৱহাৰ আদিৰ উল্লেখ কৰিব লাগিব।



৩.৭ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ পাঠ্য গাথাকেইটাৰ আধাৰত *গাহাসত্তসঈ*-ৰ বিষয়বস্তু সম্বন্ধে এটি টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ২ ঃ *গাহাসত্তসঈ*ৰ সংস্কৃত নাম কি? ইয়াক কি ভাষাত ৰচনা কৰা হৈছে? পুথিখনিৰ ভাষাগত বৈশিষ্ট্য ফঁহিয়াই আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ *গাহাসত্তসঈ*ৰ সংকলক কোন? তেওঁৰ চমু পৰিচয় দাঙি ধৰি ইয়াৰ অন্তৰ্গত গাথাসমূহৰ ৰচকসকলৰ নাম উল্লেখ কৰক।

প্ৰশ্ন ৪ ঃ *গাহাসত্তসঈত* কিমানটা গাথা সন্নিবিষ্ট হৈছে? পাঠ্য গাথাকেইটাৰ আধাৰত কাব্য-সংকলনটিৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰক।

প্ৰশ্ন ৫ ঃ *গাহাসত্তসঈ*ৰ ৰচনা-কাল সম্বন্ধে এটি বিশ্লেষণাত্মক প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ৬ ঃ আপোনাৰ পাঠ্য গাথাকেইটি যথাসম্ভৱ ঘৰুৱা অসমীয়ালৈ অনুবাদ কৰক আৰু কঠিন শব্দবোৰৰ সংস্কৃত ৰূপ নির্ধাৰণ কৰি সেইবোৰৰ অসমীয়া অর্থসহ একোটাকৈ ভাষাতাত্ত্বিক টোকা প্ৰস্তুত কৰক।

*** ***** ***

অধ্যায় ৪ ঃ সংস্কৃত নাটকত থকা প্রাকৃতাংশ ঃ *অভিজ্ঞানশকুন্তলম*ৰ ষষ্ঠ অংকৰ প্ৰৱেশক

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য

৪.২ পৰিচয়

৪.৩ *অভিজ্ঞানশকুন্তলম*ৰ ষষ্ঠ অংকৰ 'প্ৰৱেশক'

৪.৩.১ নাটকৰ চমু পৰিচয়

৪.৩.২ বিষয়বস্তু

৪.৩.৩ নাট্য প্ৰয়োজনীয়তা

৪.৩.৪ সামাজিক চিত্ৰ

৪.৩.৫ ভাষাগত বৈশিষ্ট্য

৪.৩.৬ নিৰ্বাচিত পাঠৰ অসমীয়া অনুবাদ আৰু শব্দগত টোকা

৪.৪ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

৪.৫ অধিক জানিবলৈ

৪.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৪.৭ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- *অভিজ্ঞানশকুন্তলম্* নামৰ সংস্কৃত নাটকখনিৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব
- *অভিজ্ঞানশকুন্তলম্* নাটকখনৰ পাঠ্যাংশৰ জৰিয়তে তৎকালীন সমাজ-ব্যৱস্থাৰ পৰিচয় দাঙি ধৰিব পাৰিব
- সংস্কৃত নাটকত প্ৰাকৃতৰ ব্যৱহাৰ সম্বন্ধে বিশ্লেষণ কৰিব পাৰিব
- নাটকখনিৰ পাঠ্যংশত ব্যৱহৃত প্ৰাকৃত ভাষাৰ বৈশিষ্ট্যসমূহ যথাযথভাৱে ব্যাখ্যা কৰি দেখুওৱাব পাৰিব
- নাটকখনত ব্যৱহৃত প্ৰাকৃত সংলাপসমূহ নিজৰ ভাষালৈ অনুবাদ কৰিব পাৰিব

৪.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় যান্মাসিকৰ অন্তৰ্গত ভাষা শাখাৰ শিক্ষাৰ্থীৰ বাবে আগবঢ়োৱা এইখন তৃতীয় পাঠ্যবিষয়। ইয়াৰ শিৰোনাম 'পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা পাঠ আৰু তুলনামূলক ব্যাকৰণ'। ইয়াৰ আগৰ অধ্যায়টোৰ আপুনি *গাহাসত্তসঈ*ৰ নিৰ্বাচিত গাথা

কেইটাৰ আলোচনাৰ মাধ্যমেদি মহাৰাষ্ট্ৰী প্রাকৃতৰ ভাষাতাত্বিক বৈশিষ্ট্যৰ লগতে সাহিত্যিক সৌন্দর্যৰ বিষয়ে জানিব পাৰিলে। এই অধ্যায়টোৰ শিৰোনামৰ পৰা ইতিমধ্যে ধাৰণা কৰিব পাৰিছে যে ইয়াত *অভিজ্ঞানশকুন্তলমৰ* অন্তর্গত ষষ্ঠ অংকৰ প্ৰৱেশক আলোচনা আগবঢ়োৱা হৈছে। এই দৃশ্যটোৰ মাজেৰে শকুন্তলাৰ দুষ্যন্ত প্রদও হেৰোৱা আঙঠিটো উদ্ধাৰ হোৱাৰ কথা আৰু তাৰ পৰিপ্রেক্ষিতত মহাৰাজ দুষ্যন্তৰ প্রতিক্রিয়া ব্যক্ত কৰা হৈছে। আদ্যোপান্ত প্রাকত ভাষা ব্যৱহাৰ হোৱাৰ বাবেই এই দৃশ্যটি আপোনাৰ পাঠ্যক্রমত অন্তর্ভুক্ত কৰা হৈছে।

৪.৩ *অভিজ্ঞানশকুন্তলম্*ৰ ষষ্ঠ অংকৰ 'প্ৰৱেশক'

সংস্কৃত সাহিত্যত মহাকবি কালিদাসৰ অমৰ সৃষ্টি *অভিজ্ঞানশকুন্তলম্* নাটকৰ এক বিশিষ্ট স্থান আছে। অকল সংস্কৃত সাহিত্যতে নহয়, এই নাটকখনিয়ে সমগ্র বিশ্বজুৰি পণ্ডিত-সজ্জনৰ হৃদয়ত এক সুকীয়া আসন দখল কৰিবলৈ সমর্থ হৈছে। মুঠ সাতোটা অঙ্কত বিভক্ত এই নাটকখনিৰ কাহিনীভাগ মহাকবিয়ে ভাৰতীয় মহাকাব্য মহাভাৰতৰ পৰা আহৰণ কৰিছে। অৱশ্যে মূলৰ সৰল কাহিনীভাগক নাট্যৰূপ দিবলৈ প্রয়োজন সাপেক্ষে নাট্যকাৰে নতুন নতুন ঘটনাৰ সংযোগ কৰিছে। এই নাটকখনিৰ মাত্র ষষ্ঠ অঙ্কৰ 'প্ৰৱেশক' শীর্ষক দৃশ্যটি আপোনাৰ অধ্যয়নৰ বাবে নির্বাচন কৰা হৈছে। স্বল্প পৰিসৰৰ এই বিশেষ দৃশ্যটিত শৌৰসেনী আৰু মাগধী— এই দুবিধ সাহিত্যিক প্রাকৃত ভাষাৰে সংলাপ ৰচনা কৰা হৈছে।

৪.৩.১ নাটকৰ চমু পৰিচয়

সংস্কৃত সাহিত্যৰ অমৰ প্রতিভা মহাকবি কালিদাসকৃত *অভিজ্ঞানশকুন্তলম্* বা আন কথাত শকুন্তলা নাটকৰ মূল ঘটনাংশ মহাভাৰতৰ আদি পর্বৰ পৰা আহৰণ কৰা হৈছে। সেয়ে হ'লেও, কাহিনী-বিন্যাসত নাট্যকাৰ মূলৰ পৰা ভালেখিনি আঁতৰি আহিছে। আচলতে নাট্যকাৰে মূলৰ পৰা কাহিনীৰ জুমুধিটো মাত্র গ্রহণ কৰিছে। মূলত বর্ণিত হস্তিনাপুৰৰ পুৰুবংশৰ ৰজা দুষ্যন্ত আৰু কণ্ব মুনিৰ আশ্রম-পালিতা-মহর্ষি বিশ্বামিত্র আৰু অপ্সৰা মেনকাৰ কন্যা শকুন্তলাৰ প্রেমজনিত কাহিনীভাগক নাট্যকাৰে স্বকীয় প্রতিভাৰে নানা মৌলিক উপাদান সংযোগ কৰি নাটকৰ উপযোগীকৈ গঢ় দি লৈছে। নাটকখনৰ শিৰোনামত থকা 'অভিজ্ঞান' (যি চিহ্নৰ জৰিয়তে কাৰোবাক স্মৰণ কৰা যায়) শব্দটোৱেও নতুন উপাদানৰ উপস্থিতিৰ প্রমাণ দিয়ে। আপোনাৰ পাঠ্য দৃশ্যটো নাটকৰহে অন্তৰঙ্গ বস্তু; মূল মহাভাৰতত ইয়াৰ কোনো উল্লেখ পোৱা নাযায়।

মহাভাৰতৰ কাহিনী অনুসাৰে মৃগয়াৰ বাবে বনলৈ যোৱা মহাৰাজ দুষ্যন্তই ঘটনা ক্রমে কণ্ব মুনিৰ আশ্রমত শকুন্তলাক লগ পায়। আশ্রমৰ মনোৰম পৰিৱেশত অকলশৰীয়া তন্বী গাভৰু গৰাকীক দেখি দুষ্যন্ত কামাতুৰ হৈ পৰে। তেওঁ গাভৰু গৰাকীৰ পৰিচয় লৈ ক্ষত্রিয় কুলজা বুলি গম পাই কণ্ব মুনিৰ অনুমতি অবিহনেই

তাৎক্ষণিকভাৱে গন্ধৰ্ব নিয়মানুসাৰে শকুন্তলাক বিয়া কৰায় আৰু সম্ভোগ চৰিতাৰ্থ কৰে। অভিপ্সা পূৰণৰ পাছত পৰৱৰ্তী কোনো সময়ত শকুন্তলাক পত্নীৰূপে লৈ যোৱাৰ প্ৰতিশ্ৰুতিৰে দুষ্যন্ত নিজ ৰাজ্যলৈ উভতি যায়। আশ্ৰমলৈ উভতি আহি কণ্ব মুনিয়ে সকলো জানি বিবাহযোগ্যা শকুন্তলাৰ ভৱিষ্যত মঙ্গল কামনা কৰি সেই বিবাহত অনুমোদন জনায়। সময়ত শকুন্তলাৰ গৰ্ভত এটি সৰ্বসুলক্ষণযুক্ত পুত্ৰ সন্তানৰ জন্ম হয়। শিশুটিৰ ছয় বছৰ বয়স হোৱাত মুনিয়ে এক শুভক্ষণত শকুন্তলাক পতিগৃহলৈ পঠিয়াই দিয়ে। কিন্তু হস্তিনাপুৰৰ ৰাজসভাত দুষ্যন্তই সকলো জানিও লোক অপবাদৰ ভয়ত শকুন্তলাক অস্বীকাৰ কৰে। তেনেতে হঠাৎ এক দৈৱবাণীয়ে সকলো কথা পৰিষ্কাৰকৈ জনাই দিয়াত সভাসদসকলৰ সন্মুখত ৰজাই শকুন্তলাক পত্নীৰূপে আদৰি লয়।

থূলমূলকৈ মহাভাৰতত বৰ্ণিত কাহিনীভাগ ইমানেই। আপুনি নিশ্চয় লক্ষ্য কৰিছে যে মূল কাহিনীভাগ তেনেই নিৰ্জীৱ। ইয়াত নাটকীয় উৎকণ্ঠা সৃষ্টিৰ তেনে কোনো বিশেষ সমল নাই। মহাকবিয়ে নিজ প্ৰতিভাৰ বলেৰে এই সৰল তথা নিৰ্জীৱ কাহিনীভাগক নাট্যৰূপ দি অতিশয় সৰস আৰু প্ৰাণৱন্ত কৰি তুলিছে। তাৰ বাবে তেওঁ মূলৰ পৰা আঁতৰি আহি ভালেমান নতুন ঘটনাৰ অৱতাৰণা কৰিছে। নাট্য-কাহিনীত তেওঁ নতুনকৈ সংযোগ কৰা উপাদানবোৰৰ ভিতৰত সবাতোকৈ উল্লেখযোগ্য হৈছে দুৰ্বাসাৰ অভিশাপ আৰু সেই অভিশাপৰ পৰা পৰিত্ৰাণৰ উপায়। পিছৰটো উপাদানৰ সাৰ্থকতাৰ বাবে নাট্যকাৰে দুষ্যন্ত প্ৰদত্ত অভিজ্ঞানৰূপী আঙঠি এটাৰ সহায় লৈছে। নাটকীয় ঘটনা অনুসাৰে দুষ্যন্তৰ প্ৰস্থানৰ পাছত আশ্ৰমত অগ্নিঋষি দুৰ্বাসাৰ প্ৰৱেশ ঘটে। তেওঁ চিন্তাক্লিষ্ট শকুন্তলাক বাৰম্বাৰ মাতিও মাত নাপাই ক্ৰোধে-অপমানে জৰ্জৰিত হৈ এই বুলি অভিশাপ দিয়ে— "তই যাৰ কথা ভাবি ইমান তন্ময় হৈ ইয়ালৈ অহা মোৰ নিচিনা তপোধনক আদৰিব নোৱাৰিলি, সেইজনেই মদাহী লোকে পূৰ্বৰ কথা স্মৰণ কৰিব নোৱাৰাৰ দৰে বাৰে বাৰে সোঁৱৰাই দিলেও তোৰ কথা মনত পেলাব নোৱাৰিব।" শকুন্তলা অভিশপ্ত হ'ল যদিও, তেওঁ কিন্তু নিজে একো গম নাপালে। গম পালে তেওঁৰ লগৰী অনসূয়া আৰু প্ৰিয়ম্বদাই। এই দুটি নাৰী চৰিত্ৰও নাট্যকাৰৰে অনবদ্য সৃষ্টি। দুয়ো গৰাকী শকুন্তলাৰ দৰেই আশ্ৰম-পালিতা; পাৰস্পৰিকভাৱে সুখ-দুখৰ একান্ত লগৰী। দুয়ো গৰাকীয়ে নিৰ্দোষী সখীয়েকক মহাসংকটৰ পৰা উদ্ধাৰ কৰিবলৈ ঋষিৰ হাতে-ভৰিয়ে ধৰি অভিশাপ মোচনৰ এটি উপায় উলিয়াই লয়। এই অনুসাৰে শকুন্তলাই যদি কোনো অভিজ্ঞান দেখু�ৱাব পাৰে তেন্তে তেওঁলোকৰ মিলন সম্ভৱ হ'ব। এই অভিজ্ঞান হ'ল দুষ্যন্ত প্ৰদত্ত এটা আঙঠি। এই আঙুঠিটো নাট্যকাৰে মিলনৰ প্ৰথম পৰ্বতে প্ৰেমৰ চিন স্বৰূপে দুষ্যন্তই শকুন্তলাক উপহাৰ দিয়া দেখুৱাইছে। অভিশাপৰ কথা কিন্তু নাটকৰ অন্তিম মুহূৰ্ত পৰ্যন্ত শকুন্তলাৰ পৰা কৌশলেৰে লুকুৱাই ৰখা হৈছে। দুষ্যন্ত প্ৰদত্ত আঙঠিটো যিহেতু শকুন্তলাৰ হাতত আছে, এতেকে দুয়ো সখীয়েকে অভিশাপৰ

বিষয়টো তেওঁক জনোৱাৰ আৱশ্যকতা বোধ নকৰিলে। কেৱল সেয়ে নহয়, এই ঘটনা নাট্যকাৰে অনসূয়া-প্রিয়ম্বদাৰ বাহিৰে আন কাকোৱেই জানিবলৈ দিয়া নাই।

ইয়াৰ পাছত সগর্ভা শকুন্তলাক পতিগৃহলৈ পঠিওৱা হৈছে। মহাভাৰতৰ মতে পতিগৃহলৈ যোৱাৰ সময়ত শকুন্তলা ছবছৰীয়া পুত্র সর্বদমনৰ মাতৃ। পিতৃগৃহত সন্তান জন্ম দিয়া কার্য কালিদাসে পৰিহাৰ কৰিছে। নাট্য-কাহিনীৰ সময়ৰ পৰিব্যাপ্তি আৰু তাৎকালীন সমাজ-ব্যৱস্থা তাৰ কাৰণ হ'ব পাৰে। সি যি কি নহওক, পতিগৃহলৈ যোৱাৰ বাটত শচীতীর্থত হাত ধোওঁতে শকুন্তলাৰ হাতৰ পৰা অজ্ঞাতসাৰে আঙঠিটো পানীত পৰিছে। ফলত তেওঁ দুর্বাসাৰ অভিশাপৰ ফলত সকলো পাহৰি যোৱা দুষ্যন্তক প্রয়োজনীয় অভিজ্ঞান দেখুৱাবলৈ অসমর্থ হয়। স্বামীৰ দ্বাৰা প্রত্যাখ্যাতা, ক্ষোভে-অপমানে জর্জৰিতা শকুন্তলাক দেৱতাসকলে মাৰীচৰ আশ্রমত আশ্রয় প্রদান কৰে।

ইফালে শচীতীর্থৰ পানীত পৰা সেই বিশেষ আঙঠিটো এটা ৰৌমাছে গিলে। মাছটো শক্রাৱতাৰবাসী জনৈক মাছমৰীয়াৰ জালত বন্দী হয় আৰু তাক কাটোতে ৰজাৰ নাম খোদিত থকা সেই মহামূল্যবান ৰত্ন খচিত আঙঠিটো ওলাই পৰে। সেইটো বিক্রী কৰিবৰ মনেৰে ৰজাৰলৈ আহোঁতে মাছমৰীয়াজনক চোৰ বুলি পহৰাৰত আৰক্ষীয়ে বন্দী কৰে। নিজৰ নির্দোষিতা প্রমাণ কৰিবলৈ মাছমৰীয়াজনে বিভিন্ন প্রকাৰে চেষ্টা কৰিলেও, নগৰৰক্ষী বিষয়াই মাছমৰীয়া আৰু ৰক্ষী দুজনক নগৰদ্বাৰৰ বাহিৰত থৈ গোটেই ঘটনাটো ৰজাক জনাবলৈ ৰাজ-অন্তেষপুৰত প্রৱেশ কৰে। কিছু পৰৰ পিছত তেওঁ উভতি আহি ৰাজ আজ্ঞা শুনায় যে ৰজাই মাছমৰীয়াজনক মুকলি কৰি দিবলৈ আদেশ দিছে। অকল সেয়ে নহয়, আঙঠিটোৰ সমমূল্যৰ পুৰস্কাৰেৰে ৰজাই মাছমৰীয়াজনক পুৰস্কৃতও কৰিছে। নগৰৰক্ষী বিষয়াগৰাকীয়ে আঙঠিটো পোৱাৰ পাছত মহাৰাজ দুষ্যন্ত যে বিচলিত হৈ পৰিছিল সেই কথাও জানিবলৈ দিয়ে। ইয়াৰ পাছত মাৰীচৰ আশ্রমত দুষ্যন্ত-শকুন্তলাৰ পুনর্মিলনৰ জৰিয়তে নাটকখনিৰ যৱনিকা পৰিছে।

ওপৰৰ আলোচনাৰ পৰা আপুনি নিশ্চয় এই কথা অনুভৱ কৰিব পাৰিছে যে নাট্যকাৰ মূল কাহিনীৰ পৰা ভালেখিনি আঁতৰি আহিছে। মহাভাৰতৰ দুষ্যন্ত শাসনকর্তা হ'লেও তেওঁ নৈতিকভাৱে অলপো শক্তিশালী নহয়। তেওঁ অতিশয় স্বেচ্ছাচাৰী আৰু কামুক। ৰাজ-মর্যাদা ক্ষুণ্ণ হোৱাৰ ভয়ত শকুন্তলাক তেওঁ সকলো জানিও প্রত্যাখ্যান কৰিছে। তেনেদৰে শকুন্তলা আজলী যদিও, প্রগল্‌ভা আৰু স্বার্থান্ধ। ৰাজৰাণী হোৱাৰ স্বার্থত তেওঁ পিতৃ কণ্বৰ আগমনলৈও বাট চোৱাৰ আৱশ্যকতা বোধ কৰা নাই। আনহাতে কালিদাসৰ সৃষ্টিত দুষ্যন্তৰ বিস্মৃতি ইচ্ছাকৃত নহয়; ই দুর্বাসাৰ অভিশাপৰহে অমোঘ পৰিণতি। মূলৰ অপৰিণামদর্শী দুষ্যন্ত কালিদাসৰ হাতত সুন্দৰ, মিষ্টভাষী আৰু ৰজোগুণসম্পন্ন হৈ উঠিছে। তাৰ লগে লগে নাট্যকাৰে শকুন্তলাৰ চৰিত্রকো অভিনৱত্ব প্রদান কৰিবলৈ পাহৰা নাই। মূলৰ

প্রগল্‌ভা তথা অত্যুৎসাহী শকুন্তলা নাটকত হৈ উঠিছে লাজুকী, স্বল্পভাষিনী আৰু অতিশয় সৰলপ্রাণা। আটাইতকৈ ডাঙৰ কথাটো হ'ল কালিদাসে মূল কাহিনীৰ দেহজ প্রেমক দুর্বাসাৰ অভিশাপৰ অনুশাসনৰ দ্বাৰা নিয়ন্ত্রিত কৰি আধ্যাত্মিক প্রেমলৈ উন্নীত কৰাৰ সফল প্রয়াস কৰিছে।

অভিশাপৰ জৰিয়তে নায়ক-নায়িকাৰ মাজলৈ বিৰহ আহিলেও সেয়া সাময়িক। কাৰণ নাট্যকাৰৰ উদ্দেশ্য দুয়োৰে মিলন ঘটোৱাটোহে। কাৰণ ভাৰতীয় আদর্শত ট্রেজেডীৰ কোনো স্থান নাই। অৱশ্যে নাট্যকাৰে মিলনৰ পূর্বে নায়ক-নায়িকাক বিৰহৰ যন্ত্রণাত পেলাই জুয়ে পোৰা সোণৰ দৰে উজ্জ্বল কৰি তোলাৰ চেষ্টা কৰিছে। অভিজ্ঞানৰূপী আঙঠি আৰু দুর্বাসাৰ অভিশাপৰ অৱতাৰণাৰ কাৰণো সেইটোৱে। আঙঠিৰ উদ্ধাৰে বিৰহত দগ্ধ নায়ক-নায়িকাৰ মিলন সহজ কৰি তুলিছে। মন কৰিবলগীয়া যে নাটকখনিত দুষ্যন্তই শকুন্তলাক দিয়া আঙঠিটো এটা নির্জীৱ পদার্থ মাত্র হৈ থকা নাই। নাট্যকাৰৰ প্রতিভাৰ বলত ই হৈ পৰিছে এটা সজীৱ-সচল চৰিত্র।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ *অভিজ্ঞানশকুন্তলম্‌* নাটকৰ কাহিনীভাগৰ এটি চমু বিৱৰণ দাঙি ধৰক। (১৫০টা শব্দৰ ভিতৰত)

৪.৩.২ বিষয়বস্তু

পূর্বৱর্তী উপশাখাটোৰ পৰা আপুনি নিশ্চয় অনুধাৱন কৰিব পাৰিছে যে *অভিজ্ঞানশকুন্তলম্‌* নাটকৰ নির্মিতি মহাকবি কালিদাস মহাভাৰতত বর্ণিত মূল কাহিনীভাগৰ পৰা ভালেখিনি আঁতৰি আহিছে। এই ক্ষেত্রত দুর্বাসাৰ অভিশাপ আৰু দুষ্যন্ত প্রদত্ত আঙঠিৰ ঘটনাৰ অন্তর্ভুক্তি বিশেষভাৱে উল্লেখনীয়। দুয়োটা ঘটনাৰ মাজেৰে মহাকবিৰ মৌলিক প্রতিভাৰ পৰিচয় পোৱা যায়। এতিয়া আমাৰ আলোচ্য বিষয় হ'ল পাঠ্যক্রমৰ অন্তর্ভুক্ত দৃশ্যটোৰ ঘটনাংশৰ বিষয়ে অৱগত হোৱা।

পাঠ্য দৃশ্যটোৰ মতে এদিনাখন জাল, বৰশী আদি মৎস চিকাৰৰ আহিলাৰে মাছ মাৰি জীৱিকা নির্বাহ কৰা শক্রাৱতাৰ নামৰ ঠাইৰ মাছমৰীয়া (ধীৱৰক) এজনৰ জালত এটা ৰৌমাছ বন্দী হয়। মাছটো কাটোতে তাৰ পেটৰ ভিতৰত সি মহাৰত্নেৰে সমুজ্জ্বল বহুমূলীয়া আঙঠি এটা দেখিবলৈ পায়। অতিশয় আনন্দিত হৈ সেই আঙঠিটো বিক্রী কৰি যৎ কিঞ্চিৎ ধন ঘটাৰ আশাৰে মাছমৰীয়াজন বজাৰলৈ যায়। কিন্তু দুর্ভাগ্যক্রমে বজাৰত টহল দি ফুৰা নগৰৰক্ষী বিষয়া (নাগৰক) আৰু ৰক্ষী দুজনে (সূচক আৰু জানুক) চুৰিৰ অভিযোগ তুলি তাক আটক কৰে আৰু হাত দুখন পিছফালে বান্ধি উত্তম-মধ্যম দি আঙঠিটোৰ আঁতিগুৰি জানিবলৈ বিচাৰে। কাৰণ

আঙঠিটো আছিল বহুমূলীয়া ৰত্নখচিত আৰু তাত মহাৰাজ দুষ্যন্তৰ নাম খোদিত কৰা আছিল। মৎস্য চিকাৰৰ জৰিয়তে পৰিয়ালক ভৰণ-পোষণ দিয়া মাছমৰীয়াজনে আঙঠিটো কেনেদৰে মাছৰ পেটত পালে সমস্ত ঘটনা বুজাই কোৱা স্বত্ত্বেও ৰক্ষীদ্বয় অথবা নগৰৰক্ষী বিষয়া কোনো তাৰ কথাত পতিয়ন যোৱা নাই। নগৰৰক্ষী বিষয়া গৰাকীয়ে আঙঠিটো শুঙি চাই সেইটো যে মাছৰ পেটত আছিল সেই কথা নিশ্চিত কৰিলেও, আটাইকেইজনে জালোৱাজনক এটা গভাইত চোৰ বুলিয়ে বদ্ধমূল ধাৰণা কৰিছে। অৱশেষত তিনিওজনে ঘটনাটো ৰজাক অৱগত কৰোৱা উচিত বুলি বিবেচনা কৰি ৰাজগৃহলৈ বুলি গমন কৰে। সম্ভৱতঃ তৎকালীন সময়ত অপৰাধীসহ ৰজাৰ ওচৰলৈ যোৱাৰ নিয়ম নাছিল। সেইবাবে ৰাজ-নিযুক্ত কৰ্মচাৰী হিচাপে বিষয়াগৰাকীয়ে ৰাজ অন্তেষপুৰৰ দুৱাৰমুখত মাছমৰীয়াজনক ৰক্ষীদ্বয়— সূচক আৰু জানুকৰ জিম্মাত থৈ নিজে ৰজাৰ ওচৰলৈ যায়। নগৰৰক্ষী বিষয়াগৰাকী উভতি অহাত কিছু বিলম্ব হোৱা দেখি ৰক্ষী দুজন অধৈর্য হৈ পৰে। সিহঁতৰ মতে মাছমৰীয়াৰূপী গভাইত চোৰটোক তৎকালেই মৃত্যুদণ্ড দিয়া আৱশ্যক। অৱশ্যে এই কথাও সিহঁতে উপলব্ধি কৰিছে যে ৰজাৰ ওচৰলৈ অৱসৰ বুজিহে যাব পাৰি আৰু সিহঁতৰ প্ৰভু, অর্থাৎ নগৰপালৰ বিলম্ব হোৱাৰ সেইটোৱেই কাৰণ।

ৰক্ষী দুজনে এনেদৰে কথা পাতি থাকোঁতে দেখিলে যে সিহঁতৰ প্ৰভু, অর্থাৎ নগৰৰক্ষী বিষয়া ৰজাৰ ঘৰৰ পৰা উভতি আহিছে। দুয়োজন ৰক্ষীয়ে একো ক'বলৈ নৌপাওঁতেই তেওঁ আহি ৰাজ-আজ্ঞা শুনালে যে মাছমৰীয়াজনক তৎকালেই মুক্তি দিব লাগে। লগতে তেওঁ এই কথাও জনালে যে ৰজাই আঙঠিটোৰ সমমূল্যৰ পুৰস্কাৰৰ টোপোলা এটিও মাছমৰীয়াজনলৈ বুলি আগবঢ়াইছে। ৰক্ষী দুজনে ভাবিছিল যে মাছমৰীয়াৰ অপৰাধৰ গুৰুত্বলৈ লক্ষ্য কৰি ৰজাই তাক মৃত্যুদণ্ড দিব। কিন্তু ঘটনাটো সিহঁতে ভবাৰ দৰে নহৈ তাৰ ওলোটাটোহে হ'ল। বৈপৰীত্য দেখি ৰক্ষীদ্বয় অতিশয় বিস্মিত হৈছে আৰু মাছমৰীয়াজনৰ ভাগ্য দেখি কিছু ঈর্ষান্বিতও হৈছে। সিহঁতৰ মতে মাছমৰীয়াজন যমৰ ঘৰলৈ গৈ তাৰ পৰা পুনৰ উভতি আহিল; যেন শূলৰ পৰা তুলি আনি তাক হাতীৰ পিঠিতহে তুলি দিয়া হ'ল। ৰক্ষীদ্বয়ে ভাবিছিল যে সিহঁতৰ প্ৰভুৱে আঙঠিটো দি ৰজাক ভালদৰে সন্তুষ্ট কৰিব পাৰিছে। দুয়োৰে প্ৰশ্নৰ উত্তৰত নগৰৰক্ষী গৰাকীয়ে এই কথা ব্যক্ত কৰিলে যে আঙঠিটো মহামূল্যবান বাবেই যে ৰজা সন্তুষ্ট হৈছে তেনে নহয়; বৰং ই যেন তেওঁৰ হৃদয়স্থিত কোনো আপোনজনৰ কথা সোঁৱৰাই দিছে, তেনে অনুমান হৈছে। কাৰণ ৰজাৰ স্বভাৱ যদিও অতিশয় গম্ভীৰ, আঙঠিটো হাতত পৰাৰ পাছত মুহূর্তমানৰ বাবে তেওঁক বিচলিত যেন দেখা গৈছিল। ইপিনে খন্তেক আগলৈকে মৃত্যুৰ বিভীষিকা দেখি থকা মাছমৰীয়াজনে তাৰ পৰা পৰিত্রাণ পাই পুৰস্কাৰৰ অর্ধেক নগৰৰক্ষী আৰু ৰক্ষীদ্বয়ক দিবলৈ ইচ্ছা প্ৰকাশ কৰিছে। মাছমৰীয়াজনৰ এনে মহানুভৱতাই নগৰৰক্ষীসহ ৰক্ষীদ্বয়ক যথেষ্ট আনন্দ দিয়ে আৰু বন্ধুত্বৰ বান্ধোন দৃঢ় কৰিবলৈ সকলোটি সুৰাৰ বিপণীলৈ গমন কৰে। ইমানতে দৃশ্যটোৰ সামৰণি পৰিছে।

দৃশ্যটোত নায়ক দুষ্যন্তৰ কায়িক উপস্থিতি দেখুওৱা হোৱা নাই। কিন্তু নাগৰকৰ কথাৰ পৰা বুজিবলৈ টান নহয় যে শকুন্তলাৰ স্মৃতিয়ে ৰজাক জুমুৰি দি ধৰিছে। ইয়াত মুখ্য ভূমিকা লৈছে শকুন্তলাক পূৰ্বতে দি থৈ অহা আঙঠিটোৱে। দৃশ্যটোৰ প্ৰতিপাদ্য বিষয় এইখিনিয়ে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ *অভিজ্ঞানশকুন্তলম্* নাটকৰ আপোনাৰ পাঠ্য দৃশ্যটোৰ বিষয়বস্তুৰ চমু আভাস দাঙি ধৰক। (১৫০টা শব্দৰ ভিতৰত)

৪.৩.৩ নাট্য প্রয়োজনীয়তা

নাটক একোখনত বিভিন্ন দৃশ্যৰ সমাৱেশ ঘটোৱা হয়। কিন্তু সেয়ে হ'লেও, প্রতিটো দৃশ্যৰ মাজত পাৰস্পৰিক সম্পৰ্ক থাকে। অন্যথা নাটকীয় ঘটনাৰ অগ্রগতি বাধাপ্রাপ্ত হয়। এইফালৰ পৰা নাটকত সন্নিবিষ্ট প্রতিটো দৃশ্যৰে প্রয়োজনীয়তা থাকে। আপোনাৰ অধ্যয়নৰ বাবে নির্বাচিত *অভিজ্ঞানশকুন্তলম্* নাটকৰ এই বিশেষ দৃশ্যটোৰ ক্ষেত্রতো সেই একে কথাই প্রযোজ্য। স্বল্প পৰিসৰৰ হ'লেও, এই দৃশ্যটোৱে নাটকখনিৰ কাহিনীভাগৰ অগ্রগতিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

সংস্কৃত নাটকত আৱশ্যকবোধে নাট্যকাৰে কোনো নির্দিষ্ট অঙ্ক একোটাৰ আৰম্ভণিত নিচেই কম পৰিসৰৰ দৃশ্য একোটাৰ সমাৱেশ ঘটোৱা দেখা যায়। কেৱল পার্শ্ব চৰিত্রৰ জৰিয়তে পৰিৱেশিত এনে দৃশ্যক 'প্রৱেশক' আখ্যা দিয়া হয়। এইবিধ দৃশ্যৰ ঘাই উদ্দেশ্য হ'ল পৰৱৰ্তী নাটকীয় ঘটনাৰ আভাস দিয়া। মহাকবি কালিদাসৰ অমৰ সৃষ্টি *অভিজ্ঞানশকুন্তলম্* নাটকতো এই নাট্য-ৰীতিৰ সফল প্রয়োগ লক্ষ্য কৰা যায়। আপোনাৰ পাঠ্যক্রমৰ অন্তর্ভুক্ত আলোচ্য দৃশ্যটো তাৰেই উজ্জ্বল নিদর্শন। মহাকবিয়ে মুঠ সাতোটা অঙ্কত বিভক্ত কৰা এই নাটকখনিৰ ষষ্ঠ অঙ্কৰ আৰম্ভণিতে এনে এটি দৃশ্যৰ অৱতাৰণা কৰিছে। দৃশ্যটোত নাটকৰ কোনো মুখ্য চৰিত্রৰ উপস্থিতি পাবলৈ নাই। ধীৱৰক, নাগৰক আৰু দুজন ৰক্ষী— সূচক আৰু জানুক —এই চাৰিটা গৌণ চৰিত্রৰ দ্বাৰা দৃশ্যটো সজোৱা হৈছে। এই চৰিত্রকেইটাৰ কথোপকথন আৰু ক্রিয়া-কলাপৰ জৰিয়তে শকুন্তলাৰ হেৰোৱা অভিজ্ঞান, অর্থাৎ দুষ্যন্ত প্রদত্ত আঙঠিটোৰ পুনঃপ্রাপ্তি আৰু সেই সন্দর্ভত নায়ক দুষ্যন্তৰ প্রতিক্রিয়া ব্যক্ত কৰা হৈছে। নায়কৰ কায়িক উপস্থিতি 'প্রৱেশক'-ত দেখুওৱা অনুচিত বাবেই নাট্যকাৰে তেওঁক দৃশ্যপটলৈ অনা নাই। তাৰ সলনি নাট্যকাৰে কৌশলপূৰ্ণ সংলাপৰ আশ্রয় লৈছে, যাতে নায়কৰ কায়িক উপস্থিতি অবিহনেও তেওঁৰ মানসিক অৱস্থা বুজি পোৱাত দর্শক-পাঠকৰ কোনো অসুবিধা নহয়। মন কৰিবলগীয়া যে এই দৃশ্যটোত

সন্নিবিষ্ট এটাও চৰিত্ৰ নাটকখনৰ আন কোনো দৃশ্যত পোৱা নাযায়। আপুনি নিশ্চয় অনুভৱ কৰিব পাৰিছে যে এনে দৃশ্যৰ অৱতাৰণা কৰিবলৈ বিশেষ নাট্য প্ৰতিভাৰ আৱশ্যক। এই ক্ষেত্ৰত মহাকবি কালিদাস যে পূৰ্ণমাত্ৰাই সফল হৈছে, তাত সন্দেহৰ অৱকাশ নাই।

আগেয়ে পূৰ্ণদৈৰ্ঘৰ নাটক একোখনত তিনিৰ পৰা সাতটা অংকত বিভক্ত কৰি উপস্থাপন কৰা হৈছিল। আকৌ প্ৰতিটো অঙ্কৰ ভিতৰত আছিল একাধিক দৃশ্য। এনে অংক বিভাজন ঘাইকৈ পঞ্চসন্ধিৰ দ্বাৰা নিয়ন্ত্ৰিত আছিল। উল্লেখনীয় যে পঞ্চসন্ধিৰ মাজেৰেই নাটকীয় কাহিনীভাগ ক্ৰমাৎ মুখৰ পৰা উপসংহাৰলৈ আগবাঢ়ি যায়। বৰ্তমান কালৰ নাটকত অংক বিভাজন পাবলৈ নাই, অকল দৃশ্যবিভাজনৰ জৰিয়তে কাহিনী আগবঢ়াই নিয়া হয়। অংক বা দৃশ্য যিয়ে নহওক, সেইবোৰৰ পাৰস্পৰিক সম্পৰ্ক কিন্তু নিকপকপীয়া। এইফালৰ পৰা *অভিজ্ঞানশকুন্তলম্* নাটকৰ আলোচ্য দৃশ্যটিও নাটকখনিৰ এক এৰাব নোৱাৰা অংগ।

আমি এই কথা গম পাই আহিছোঁ যে নাটকখনিৰ কাহিনীভাগত দুৰ্বাসাৰ অভিশাপে অত্যন্ত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। প্ৰকৃতপক্ষে নাটকখনিৰ পৰৱৰ্তী ঘটনা-প্ৰৱাহ অভিশাপৰ দ্বাৰা নিয়ন্ত্ৰিত বুলি ক'লেও বঢ়াই কোৱা নহয়। এই অভিশাপ মোচনৰ একমাত্ৰ উপায় হৈছে দুষ্যন্ত প্ৰদত্ত অভিজ্ঞানৰূপী আঙঠিটোৰ প্ৰদৰ্শন। দুৰ্বাসা ঋষিয়ে সেই উপায় শকুন্তলাৰ দুই সখীয়েক প্ৰিয়ম্বদা আৰু অনসূয়াক পূৰ্বেই দি থৈ গৈছে। কিন্তু শচীতীৰ্থত হাত ধোওঁতে দুষ্যন্ত প্ৰদত্ত আঙঠিটো পানীত পৰে। ফলত শকুন্তলা দুষ্যন্তৰ দ্বাৰা প্ৰত্যাখ্যিতা তথা অপমানিতা হয়। দুৰ্বাসাৰ অভিশাপ, আঙঠিৰ পতন, ইত্যাদি সম্পৰ্কে অৱশ্যে শকুন্তলাই একোৱেই গম নাপায়। নাট্যকাৰৰ উদ্দেশ্য যিহেতু নায়ক-নায়িকাৰ মিলনৰ পিছত বিৰহ আৰু পৰিশেষত পুনৰ্মিলন ঘটোৱা, এতেকে হেৰোৱা আঙঠি পুনৰুদ্ধাৰ হ'বই লাগিব। এনে এক পৰিপ্ৰেক্ষিততে নাট্যকাৰে উক্ত দৃশ্যটোৰ সংযোজন ঘটাইছে। কাৰণ আঙঠিটোৰ অবিহনে দুৰ্বাসাৰ অভিশাপৰ অন্ত নহয় আৰু নায়ক-নায়িকাৰো পুনৰ্মিলন সম্ভৱ হৈ নুঠে। নাট্যকাৰৰ পৰিকল্পনা অনুসাৰে আঙঠিটো হেৰাবও লাগিব আৰু তাৰ পুনৰুদ্ধাৰো হ'ব লাগিব। অন্যথা নাটকীয় ঔৎসুক্য ব্যাহত হোৱাৰ লগে লগে কাহিনীভাগৰ পৰিণতিও বিচৰা ধৰণে সম্ভৱ হৈ নুঠিব। ভালকৈ মনোযোগ দি চালে দেখা যাব, ষষ্ঠ অংকৰ এই বিশেষ দৃশ্যটোতে নাটকীয় কাহিনীৰ গ্ৰন্থিমোচন আৰম্ভ হৈ ক্ৰমশঃ ই অৱমৰ্শৰ দিশলৈ ধাৱমান হৈছে। জালোৱাজনে মাছৰ পেটত আঙঠিটো পাই বিক্ৰীৰ বাবে বজাৰলৈ ননা হ'লে আৰু ৰক্ষীদ্বয় তথা নাগৰকে সেই আঙঠি উদ্ধাৰ নকৰা হ'লে নাট্য-ঘটনাৰ পৰিণতি একোপধ্যে সম্ভৱ নহ'লহেঁতেন।

এই বিশেষ দৃশ্যটোৰ জৰিয়তে নাট্যকাৰে শকুন্তলাৰ বেদনাসিক্ত কৰুণ ঘটনাৱলীৰ পৰা দৰ্শক-পাঠকক কেইটিমান মুহূৰ্তৰ বাবে সকাহ দিয়াৰ নাটকীয় প্ৰয়োজনীয়তাও পূৰণ কৰা বুলি ক'ব পাৰি। এনে কাৰণতে দৃশ্যটো কিছু লঘু তথা হাস্যৰসাত্মকভাৱে উপস্থাপন কৰা হৈছে। বিশেষকৈ ধীৱৰ আৰু ৰক্ষীদ্বয়ৰ ক্ৰিয়া-

কলাপ আৰু সংলাপৰ মাজত তেনে ভাবৰে প্রতিফলন ঘটিছে। 'ণু ক্খু শোহণে বম্হণে শি ত্তি কদুঅ লএ্ওএ্ণ পলিগ্গহে দিগ্গে" (তেনেহ'লে কি এজন বিশুদ্ধ ব্রাহ্মণ বুলি ভাবি ৰজাই তোক এইটো উপহাৰ দিছে), "যাণুঅ স্ফুলন্তি মে অগ্গহস্তা (ধীবৰং নির্দিশ্য) ইমং গণ্ঠিশ্চেদঅং বাবাদেদুং" (জানুক, এই চোৰটোক মাৰিবলৈ মোৰ হাতৰ আঙুলিবোৰ কুটকুটাইছে), "যমবশদিং গদুঅ পড়িনিউত্তে ক্খু এশে" (ই যমৰ ঘৰৰ পৰা উভতি আহিল) আদি সংলাপে তাৰেই প্রমাণ দাঙি ধৰে।

দৃশ্যটোত ৰজাৰ ওচৰৰ পৰা উভতি আহি নাগৰকে "সিগ্ঘং সিগ্ঘং এদং" (অতি শীঘ্রে ইয়াক) বুলি কথাখিনি সম্পূর্ণ কৰিবলৈ নৌপাওঁতেই মাছমৰীয়াজনে ধৰি লৈছে যে তাৰ মৃত্যু নিশ্চিত। সেইবাবে সি "হা হদে স্মি' (হায় ! মই মৰিলোঁ) বুলি কান্দিবলৈ আৰম্ভ কৰিছে। কিন্তু লগে লগে জনা গ'ল যে ৰজাই আচলতে তাক পুৰস্কৃতহে কৰিছে। ঘটনাৰ এনে বৈপৰীত্যই দর্শকৰ মনত ধীৱৰৰ প্রতি সহানুভূতিৰ উদ্রেক কৰাৰ সলনি হাস্যৰসৰহে যোগান ধৰে। ইয়াৰ উপৰি মাছমৰীয়াজনক মৃত্যুদণ্ডৰ সলনি পুৰস্কৃত কৰা, সেই পুৰস্কাৰৰ প্রতি ৰক্ষীদ্বয়ৰ লোলুপ দৃষ্টি, মাছমৰীয়াৰ দ্বাৰা পুৰস্কাৰৰ অর্ধেক অংশ আটাইৰে সু�ৰাপানৰ বাবে প্রদান, ধীবৰৰ মহত্ত্বৰ প্রশংসা, সুৰাক সাক্ষী কৰি মিত্রতাৰ বান্ধোন দৃঢ় কৰিবলৈ সুৰাৰ বিপণীলৈ আটাইৰে গমন, ইত্যাদি কার্যয়ো হাস্যৰসৰ খোৰাক যোগায়।

এনেদৰে বিচাৰ কৰিলে বুজিব পৰা যায় যে আলোচ্য দৃশ্যটোৰ সংযোজনে নাটকখনৰ কাহিনীভাগৰ বিকাশ সহজ কৰি তোলাই নহয় তাক এক প্রত্যাশিত পৰিণতিৰ ফালে আগবঢ়াই নিয়াত সহায় কৰিছে আৰু তাৰ লগে লগে ঘটনাৰ কাৰুণ্যৰ মাজত সহৃদয় দর্শক-পাঠকক হাস্যৰসৰ জৰিয়তে সামান্য সকাহ দিয়াৰো চেষ্টা কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ *অভিজ্ঞানশকুন্তলম্* নাটকৰ ষষ্ঠ অংকত প্ৰৱেশক দৃশ্যটোৰ সংযোজনৰ আৱশ্যকতা কি আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

৪.৩.৪ সামাজিক চিত্র

সকলো শ্রেণীৰ সাহিত্যৰ মাজেৰে সেই সময়ৰ সমাজ-জীৱনৰ প্রতিফলন লক্ষ্য কৰিব পাৰি। *অভিজ্ঞানশকুন্তলম্* নাটকো তাৰ ব্যতিক্রম নহয়। নাটকখনিৰ বিভিন্ন দৃশ্যৰ মাজেৰে মহাকবি কালিদাসৰ সমসাময়িক সমাজখনৰ চিত্র অতি সুন্দৰভাৱে প্রতিফলিত হৈছে। আপুনি এই কথাও নিশ্চয় জানে যে কিংবদন্তি অনুসাৰে কালিদাস আছিল বিক্রমাদিত্য ৰজাৰ ৰাজসভাৰ নৱৰত্নৰূপে চিহ্নিত

নগৰাকী পণ্ডিতৰ মাজৰ এক উজ্জ্বল ৰত্ন। আনহাতে কোনো গৱেষকে তেওঁক পঞ্চম শতিকাৰ কুমাৰগুপ্তৰ সভাকবি বুলি অনুমান কৰিছে। সি যি কি নহওক, তেওঁৰ ৰচনাৰ মাজেৰে এইজনা ৰজাৰ ৰাজত্বকালৰ সমাজ-জীৱন, প্ৰশাসনিক ব্যৱস্থা, ইত্যাদি দিশৰ প্ৰতিফলন ঘটা নিতান্তই স্বাভাৱিক। এইটো উপশাখাত আলোচ্য দৃশ্যটোৰ মাজেৰে সেই চিত্ৰৰ প্ৰতিফলন কেনেদৰে ঘটিছে সেই কথা আলোচনা কৰিবলৈ লোৱা হৈছে।

দৃশ্যটোত মাত্ৰ চাৰিটা পাৰ্শ্ব চৰিত্ৰৰ সমাৱেশ ঘটিছে। এই চৰিত্ৰকেইটাৰ ক্ৰিয়া-কলাপ আৰু কথা-বতৰাৰ পৰা এই কথা প্ৰতীয়মান হয় যে সেই সময়ৰ সমাজত আজিৰ দৰেই বিভিন্ন স্তৰৰ মানুহে বসবাস কৰিছিল। ৰজা তথা ৰজাঘৰীয়া উচ্চ প্ৰশাসনিক বিষয়াসকলৰ আৰ্থিক অৱস্থা উন্নত আছিল যদিও, সাধাৰণ মানুহবোৰৰ অৱস্থা অলপো স্বচ্ছল নাছিল। মাছমৰীয়া শ্ৰেণীটোৱে জাল, বৰশী আদি মৎস্য চিকাৰৰ আহিলাৰ জৰিয়তে মাছ ধৰি সেইবোৰ ৰজাৰত বিক্ৰী কৰি জীৱিকা উলিয়াইছিল। দৰিদ্ৰতাৰ বাবেই মাছৰ পেটত মহামূল্যবান ৰত্নখচিত আঙঠিটো পোৱা মাত্ৰেই মাছমৰীয়াজন সেইটো বিক্ৰী কৰিবলৈ ৰজাৰলৈ আহিছে। আৰ্থিক অৱস্থা স্বচ্ছল হোৱা হ'লে মাছমৰীয়াজনে সেইটো বিক্ৰী কৰিবলৈ নানি নিজে ৰাখি থ'লেহেঁতেন বুলি ভাবিবৰ অৱকাশ আছে।

চোৰ, ডকাইত আদি সমাজ বিৰোধীসকলৰ পৰা জনসাধাৰণক ৰক্ষা কৰিবলৈ শান্তি ৰক্ষাৰ ভাৰ আৰক্ষীৰ ওপৰত ন্যস্ত কৰা হৈছিল। কিন্তু আৰ্থিক দুৰৱস্থাৰ হেতু তলৰ পৰ্যায়ৰ আৰক্ষীসকল লুভীয়া আৰু দুৰ্নীতিগ্ৰস্ত হৈ পৰিছিল। মাছমৰীয়াজনক ৰজাই দিয়া পুৰস্কাৰৰ টোপোলাটোৰ প্ৰতি সূচক আৰু জানুক নামৰ ৰক্ষী দুজনে লোলুপ দৃষ্টি দিয়াটোৱে তেনে সম্ভাৱনাকে প্ৰকট কৰে। অৱশ্যে সাধাৰণ মানুহৰ নিজৰ জীৱিকাৰ প্ৰতি অতিশয় শ্ৰদ্ধা আছিল। নগৰপালগৰাকীয়ে মাছ মাৰি জীৱন নিৰ্বাহ কৰা মাছমৰীয়াজনক 'বিসুদ্ধো দাণিং দে আজীবো" (তোৰ জীৱিকা বেছ বিশুদ্ধ) বুলি ঠাট্টা কৰাত সি 'শহযে কিল যে বিণিন্দিদে ণ হু শে কম্ম বিবয্যণীয়কে, পশুমালী কলেদি দালুণং অণুকম্পামিদুলে বে শোণিকে" (সহজাত বৃত্তি নিন্দনীয় হ'লেও তাক এৰিব নাপায়; কৰুণাত হৃদয় বিগলিত হ'লেও কচাইৰ কাম পশুহত্যা কৰাহে) বুলি পোনচাটেই উত্তৰ দিয়াটোৱে তাৰ প্ৰমাণ দাঙি ধৰে।

নগৰৰ শান্তি ৰক্ষাৰ ভাৰ একো একোজন নাগৰক বা নগৰৰক্ষী বিষয়াৰ ওপৰত ন্যস্ত আছিল। তেওঁৰ তলত একোটা আৰক্ষীৰ দল আছিল। তেওঁলোকে বজাৰ-সমাৰ আদি ঠাইত পহৰা দি ফুৰিছিল। কাৰোবাক অপৰাধী বুলি সন্দেহ হ'লে তেনে লোকক তেওঁলোকে বাচ-বিচাৰ নোহোৱাকৈ অত্যাচাৰ কৰিছিল। জালোৱাজনৰ দুয়ো হাত পিছফালে বান্ধি উত্তম-মধ্যম দিয়াটোৱে তেনে কথালৈকে আঙুলিয়ায়। অৱশ্যে অপৰাধীক পোনে পোনে শাস্তি দিয়াৰ অধিকাৰ তেওঁলোকৰ নাছিল যেন অনুমান হয়। সম্ভৱতঃ সকলো প্ৰকাৰৰ অপৰাধৰ বিচাৰ ৰজাই নিজে কৰিছিল। সেয়ে হ'লেও, অপৰাধীক পোনে পোনে ৰজাৰ ওচৰলৈ নিয়াত বাধা

আছিল যেন লাগে। ৰজাৰ আঙঠি চুৰিৰ সন্দেহত ধৰি অনা মাছমৰীয়াজনক ৰাজ অন্তেষপুৰৰ দুৱাৰ মুখত সূচক আৰু জানুক নামৰ ৰক্ষী দুজনৰ জিম্মাত থৈ নগৰৰক্ষী বিষয়াগৰাকীয়ে নিজে ৰজাৰ আগত পোনপটীয়াকৈ ঘটনাৰ সবিশেষ ক'বলৈ যোৱাটোৱে সেই কথাৰ প্ৰমাণ দাঙি ধৰে।

দেশত চোৰ-চাতুৰিৰ ঘটনাও কম নাছিল। এনে সমাজ-বিৰোধী কার্য সম্ভৱতঃ কঠোৰভাৱে নিয়ন্ত্রণ কৰাৰ ব্যৱস্থা লোৱা হৈছিল। হাটে-বজাৰে আৰক্ষীৰ লোকে টহল দি ফুৰা কার্যই সেই কথাকে দৃঢ় কৰে। হাট-বজাৰ লোকালয়ৰ পৰা আঁতৰত সুকীয়া স্থানত আছিল যেন অনুমান হয়। জালোৱাজনে আঙঠিটো বিক্রী কৰিবলৈ বজাৰ অভিমুখে যোৱা কথাটোৱে তেনে ধাৰণা দিয়ে। তৎকালীনভাৱে দেশত সুৰাৰ ব্যাপক প্রচলন আছিল আৰু বজাৰত এইবিধ দ্রব্য মুকলিকৈ কিনা-বেচা কৰা হৈছিল। তাৰ বাবে সুকীয়া বিপণী আছিল। জানুকে "তা শুণ্ডিকাগালং যেব গশ্চস্ম" (ব'লা আমি সুৰাৰ বিপনীলৈ যাওঁ) বুলি কোৱাটোৱে তেনে ধাৰণা দিয়ে। তদুপৰি সুৰাৰ ব্যৱহাৰত কোনো বাধা নিষেধ নাছিল যেন লাগে। সম্ভৱতঃ সমাজৰ সকলো শ্রেণীৰ মানুহে ইয়াক মুকলিভাৱে পান কৰিব পাৰিছিল। এনেদৰে নিচেই স্বল্প পৰিসৰৰ হ'লেও, এই বিশেষ দৃশ্যটোৰ জৰিয়তে তৎকালীন সমাজৰ বিভিন্ন দিশৰ প্রতিফলন লক্ষ্য কৰা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ *অভিজ্ঞানশকুন্তলম্*-অৰ ষষ্ঠ অংকৰ প্ৰৱেশক দৃশ্যটোত তৎকালীন সমাজৰ কোনবোৰ দিশ ফুটি উঠিছে উল্লেখ কৰক। (১৫০টা শব্দৰ ভিতৰত)

৪.৩.৫ ভাষাগত বৈশিষ্ট্য

অভিজ্ঞানশকুন্তলম্-অৰ এইটো দৃশ্যটো নিচেই কম পৰিসৰৰ হ'লেও ইয়াৰ ভাষাতাত্ত্বিক মূল্য অপৰিসীম। কাৰণ নাটকখনি যদিও সংস্কৃত ভাষাত ৰচিত, এই বিশেষ দৃশ্যটোৰ আটাইবোৰ সংলাপতে নাট্যকাৰে প্রাকৃত ভাষা ব্যৱহাৰ কৰিছে। অৱশ্যে তাৰ পূৰ্বে সংস্কৃত নাটকত প্রাকৃত ভাষাৰ ব্যৱহাৰ সম্বন্ধে কিছু কথা জানি লোৱা আৱশ্যক।

শিষ্ট সাহিত্যত প্রাকৃত ভাষাৰ প্রথম প্রৱেশ ঘটে সংস্কৃত নাটকৰ মাধ্যমেৰে। সংস্কৃত নাটকবোৰলৈ লক্ষ্য কৰিলে দেখা যায়, সেইবোৰৰ সৰহ ভাগ সংলাপ প্রাকৃত ভাষাত ৰচিত, কাৰণ নাটকত 'দেৱভাষা' ৰূপে পৰিচিত সংস্কৃত ভাষা উত্তম শ্রেণীৰ চৰিত্রৰ মুখত দিয়াৰহে নিয়ম আছিল। আনহাতে মধ্যম আৰু নিম্ন খাপৰ চৰিত্রৰ বাবে সুকীয়া সুকীয়া প্রাকৃতৰ ব্যৱহাৰ আছিল। খ্রীষ্টিয় দ্বিতীয় শতিকাৰ ভৰতমুনিৰ

নাট্যশাস্ত্ৰ তথা তৎ পৰৱৰ্তী অলংকাৰ-শাস্ত্ৰসমূহত নাটকত প্ৰাকৃত ভাষাৰ ব্যৱহাৰৰ বিষয়ে বিভিন্ন নিয়ম-নীতিৰ উল্লেখ পোৱা যায়। নাট্যকাৰসকলে সেইবোৰকে কিছু শিথিলভাৱে তেওঁলোকৰ নাটকত প্ৰয়োগ কৰিছিল। সংস্কৃত নাট্যকাৰসকলে সাধাৰণভাৱে মানি চলা তেনে কিছুমান নিয়ম এনে ধৰণৰ—

- ৰজা, ব্ৰাহ্মণ আদি উচ্চ শ্ৰেণীৰ চৰিত্ৰই সংস্কৃত ভাষা ব্যৱহাৰ কৰিব।
- ৰাজ-বিষয়া, বিদূষক, ৰাণী, পৰিচাৰিকা, শিক্ষিতা নাৰী আদি মধ্যম শ্ৰেণীৰ চৰিত্ৰই শৌৰসেনী প্ৰাকৃতত কথা ক'ব।
- ধীৱৰ, চমাৰ, প্ৰহৰী, ৰক্ষী আদি নিম্ন শ্ৰেণীৰ চৰিত্ৰৰ মুখৰ ভাষা হ'ব মাগধী প্ৰাকৃত।
- নাটকৰ গীত আৰু গাথাত মহাৰাষ্ট্ৰী প্ৰাকৃতৰ প্ৰয়োগ হ'ব।

উল্লেখনীয় যে শৌৰসেনী প্ৰাকৃত সংস্কৃতৰ কিছু ওচৰ চপা হোৱা বাবে নাটকৰ মধ্যম শ্ৰেণীৰ চৰিত্ৰৰ মুখত এই ভাষা প্ৰয়োগ কৰা হৈছিল। আনহাতে সাহিত্যত ব্যৱহৃত আটাইকেইটা প্ৰাকৃতৰ ভিতৰত মাগধীক আটাইতকৈ বিকৃত বুলি ধাৰণা কৰা হেতুকে নিম্ন শ্ৰেণীৰ চৰিত্ৰৰ সংলাপত এইবিধ প্ৰাকৃত ব্যৱহাৰ কৰা হৈছিল। নাট্যকাৰসকলে বহু সময়ত মাগধী প্ৰাকৃতৰ জৰিয়তে হাস্যৰস সৃষ্টি কৰাও পৰিলক্ষিত হয়। আকৌ প্ৰাকৃত ভাষাবোৰৰ ভিতৰত মহাৰাষ্ট্ৰীক শ্ৰেষ্ঠ প্ৰাকৃতৰূপে গণ্য কৰা হৈছিল। ব্যঞ্জন ধ্বনিৰ লোপ তথা স্বৰধ্বনিৰ বহুল ব্যৱহাৰে এইবিধ প্ৰাকৃতক শ্ৰুতিমাধুৰ্য দান কৰিছিল। সেইবাবে নাটকত এই প্ৰাকৃত গীত আৰু কবিতাৰ ভাষাৰূপে নিৰ্বাচন কৰা হৈছিল। নক'লেও চলে যে বিবিধ প্ৰকাৰৰ প্ৰাকৃতৰ প্ৰয়োগে নাটকীয় চৰিত্ৰসমূহক বাস্তৱানুগ ৰূপ দিয়াত সহায় কৰিছিল। কিন্তু একে সময়তে ভাষা প্ৰয়োগৰ এনে বৈবিধ্যই তৎকালীন সংস্কৃত নাট্যকাৰসকলৰ ৰক্ষণশীল মনোভাবৰো পৰিচয় দাঙি ধৰে।

অন্যান্য সংস্কৃত নাট্যকাৰৰ দৰে কালিদাসেও কম বেছি পৰিমাণে উল্লিখিত নিয়মবোৰৰ আধাৰত নাট্য-সংলাপ ৰচনা কৰিছে। *অভিজ্ঞানশকুন্তলম্* নাটকৰ আলোচ্য দৃশ্যটো তাৰেই উৎকৃষ্ট উদাহৰণ। এই দৃশ্যটোৰ সংলাপ ৰচনাত নাট্যকাৰে দুবিধ প্ৰাকৃতৰ আশ্ৰয় লৈছে— শৌৰসেনী আৰু মাগধী। আপুনি পূৰ্বৰ উপশাখাত পাই আহিছে যে মাত্ৰ চাৰিটা পাৰ্শ্ব চৰিত্ৰৰ ক্ৰিয়া-কলাপৰ জৰিয়তে এই বিশেষ দৃশ্যটো উপস্থাপন কৰা হৈছে। সেইকেইটা হৈছে— নাগৰক, ধীৱৰ আৰু ৰক্ষীদ্বয়, সূচক আৰু জানুক। ইয়াৰে নাগৰক মধ্যম শ্ৰেণীৰ চৰিত্ৰ হোৱা বাবে তেওঁৰ মুখত শৌৰসেনী প্ৰাকৃত দিয়া হৈছে; আনহাতে, ৰক্ষীদ্বয় আৰু ধীৱৰ সামাজিকভাৱে নিম্ন মৰ্যাদাৰ হোৱা হেতুকে তেওঁলোকৰ সংলাপ মাগধী প্ৰাকৃতত ৰচিত হৈছে। তলত পাঠৰ আধাৰত দুয়োবিধ প্ৰাকৃতৰ বৈশিষ্ট্যসমূহ ফঁহিয়াই দেখুওৱা হ'ল।

নাগৰকৰ ভাষা ঃ শৌৰসেনী প্রাকৃত

- স্বৰমধ্যৱৰ্তী দ-কাৰ আৰু ধ-কাৰৰ অৱস্থিতি, যেনে— তথা > তধা, পাৰিতোষিকঃ > পাৰিদোসিও
- শ, ষ, স-ৰ সলনি অকল স-ৰ প্রয়োগ, যথা— বিমর্ষিতব্যঃ > বিমৰিসিদব্বো
- বিসর্গযুক্ত অ-ৰ ও-লৈ ৰূপান্তৰ, যেনে — হৃদয়স্থিতঃ > হিঅঅট্ঠিদো
- ক্ষ > ক্খ, যেনে— প্রেক্ষ্য > পেক্খিঅ
- স্থ > ট্ঠ, যেনে — হৃদয়স্থিতঃ > হিঅঅট্ঠিদো
- ত্ম > ত্ত, যথা— আত্মন > অত্ত
- কর্মবাচ্যৰ য (য্) > ঈঅ, ইঅ, যেনে— গম্যতে > গমিঅদি
- স্বৰমধ্যৱৰ্তী অসংযুক্ত মহাপ্রাণ ধ্বনি থ-ৰ ঠাইত হ আৰু ধ-ৰ বিকল্প প্রয়োগ, যেনে— নাথ > নাহ, নাধ
- ভৱিষ্যৎ কালসূচক প্রত্যয় ষ্য > স্স, যেনে— হসিষ্যতি > হসিস্সদি
- সপ্তমীৰ একবচনৰ বিভক্তি স্মিন্ > ম্হি
- কৃ আৰু গম্ ধাতুত ক্ত্বাচ প্রত্যয়ৰ ইঅ-লৈ পৰিৱর্তন, যেনে—কৃত্বা > কৰিঅ, গত্বা > গমিঅ
- সংস্কৃতৰ অখণ্ডনীয় প্রভাৱ

ধীবৰ আৰু ৰক্ষীদ্বয়ৰ ভাষা ঃ মাগধী প্রাকৃত

- ৰ > ল, যেনে— ৰোহিত > লোহিদ, কাদম্ৰৰী > কাদম্বলী, মহাৰত্ন > মহাৰতন > মহালদন
- অসংযুক্ত শ, ষ, স > স, যেনে— একদিৱসম্ > একদিঅশ, ভাসুৰঃ > ভাশুলে
- জ > য, যেনে— জানাতি > যাণাদি, জীৱিতঃ > যীবিদে
- স্বৰমধ্যস্থিত দ-কাৰ আৰু ধ-কাৰৰ স্থিতি, যেনে— চিৰায়তে > চিলাঅদি, জাতিম্ > যাদিং
- বিসর্গযুক্ত অ (অঃ)-কাৰৰ এ-লৈ পৰিৱর্তন, যেনে— ঈশ্বৰঃ > ঈশলে, জীৱিতঃ > যীবিদে
- ক্ষ > শ্ক, যেনে— প্রেক্ষতে > পেশ্কদি;
  চ্ছ > শ্চ, যেনে — পুশ্চিতঃ > পুশ্চিদে;
  জ্ঞ > ঞ্ঞ, যেনে— ৰাজ্ঞা > লঞ্ঞা, জ্ঞ কেতিয়াবা ণ হয়, যেনে— আজ্ঞাপয়তি > আণবেদি;
  র্ত > স্ট, যেনে— ভর্তৃকঃ > ভস্টকে;
  র্থ > স্ত, যেনে— বিক্রয়ার্থম > বিক্কঅস্তং
- সম্বোধনৰ একবচনৰ অন্ত্য অ > আ, যেনে— কুম্ভীৰক > কুম্ভীলআ
- অস্মৎ শব্দৰ একবচন আৰু বহুবচন উভয়তে হগে, অহকে, হকে (অহম) হয়, যেনে— ‘হগে শক্কাবদালবাশী ধীবলে’ (অহম্ শক্রাৱতাৰবাসী ধীৱৰঃ)
- অকাৰান্ত শব্দৰ ষষ্ঠীৰ একবচনৰ স্য > শ্শ, যেনে— ঈদৃশস্য > ঈদিশশ্শ

- অৱ > ও আৰু অয > এ, যেনে— অৱতীর্য > অৱতৰিঅ > ওদালিঅ, ভৱতু > ভোদু, কথয়তি > কধেদি, প্রতিপালয়ত > পড়িবালেধ
- অ-ৰ বাহিৰে আন স্বৰৰ পিছত থকা বিসর্গৰ লোপ, যথা— অস্মাভিঃ > অস্মেহিং
- কৃ আৰু গম্ ধাতুত সংযোগ হোৱা ক্ত্বাচ প্রত্যয় 'দুঅ' হয়, যথা— কৃত্বা > কদুঅ, গত্বা > গদুঅ



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ *অভিজ্ঞানশকুন্তলম্*-অৰ এই বিশেষ দৃশ্যটিত ব্যৱহাৰ হোৱা প্রাকৃত ভাষাকেইটাৰ প্রতিটোৰে কেইটামানকৈ বৈশিষ্ট্য উল্লেখ কৰক। (১৫০টা শব্দৰ ভিতৰত)

৪.৩.৬ নির্বাচিত পাঠৰ অসমীয়া অনুবাদ আৰু শব্দগত টোকা

ইতিমধ্যে কৈ অহা হৈছে যে পাঠ্য হিচাপে নির্বাচিত সংস্কৃত সাহিত্যৰ অমৰ প্রতিভা মহাকবি কালিদাস কৃত *অভিজ্ঞানশকুন্তলম্* নাটকৰ ষষ্ঠ অঙ্কৰ অন্তর্গত 'প্রৱেশক' দৃশ্যটোৰ সংলাপ সম্পূর্ণ প্রাকৃত ভাষাত ৰচিত। ইয়াত শৌৰসেনী আৰু মাগধী এই দুই প্রকাৰৰ প্রাকৃত ব্যৱহাৰ কৰা হৈছে। দৃশ্যটোৰ সংলাপাংশৰ অসমীয়া অনুবাদ আৰু সিবোৰৰ বছা বছা শব্দ কিছুমানৰ ভাষাতাত্ত্বিক টোকা তলত দিয়া হৈছে। আপুনি সেইখিনি আয়ত্ত কৰিবৰ যত্ন কৰক।

মূল পাঠ ঃ

ৰক্ষিণৌ ঃ (পুৰুষং তাড়ায়িত্বা) হণ্ডে কুম্ভীলআ, কধেহি কহিং তুএ এশে মহালদণ-ভাশুলে উক্কিণামক্খলে লাঅকীএ অঙ্গুলীঅএ শমাশাদিদে।

ধীৰৰকঃ ঃ (ভীতিনাটিতকেন) পশীদন্তু ভাৰমিশ্শা, ণ হগে ঈদিশশ্শ অকয্যশ্শ কালকে।

প্রথমঃ ঃ কিং ণু ক্খু শোহণে বম্হণে শি ত্তি কদুঅ লঞ্ঞএণ পলিগ্গহে দির্গ্গে।

ধীৰৰকঃ ঃ শুণধ দাৰ গে ক্খুশক্কাৰদালবাশী ধীৰলে।

দ্বিতীয়ঃ ঃ হণ্ডে পাডচ্চলা, কিং তুমং অস্মেহিং যাদিং বশদিং চ পুশ্চিদে।

নাগৰকঃ ঃ সুঅঅ, কধেদু সব্বং কমেণ। মা ণং পডিবন্ধেধ।

উভৌঃ ঃ যং লাউত্তে আণবেদি। লৱেহি লে লৱেহি।

অসমীয়া অনুবাদ ঃ

ৰক্ষীদ্বয় ঃ (মানুহজনক কোবাই কোবাই) হেৰ' চোৰ, তই এই বহুমূলীয়া ৰত্নেৰে জিলিকি থকা ৰজাৰ নাম লিখা আঙঠিটো ক'ত পালি ক।

ধীৰৰ ঃ (ভীত হৈ) মহাশয়সকল প্রসন্ন হওক। মই এনে অপকর্ম কৰা নাই।

প্রথম ঃ তেনেহ'লে কি এজন সৎ ব্রাহ্মণ বুলি ভাবি ৰজাই তোক এইটো উপহাৰ দিছে?

ধীৱৰ ঃ তেনেহ'লে শুনক, মই শক্রাৱতাৰবাসী এজন মাছমৰীয়া।

দ্বিতীয় ঃ হেৰ' গভাইত চোৰ, আমি কি তোৰ জাতি আৰু বাসস্থানৰ কথা সুধিছোঁ?

নাগৰপাল ঃ সূচক ! তাক সকলো কথা ক'বলৈ দিয়া। বাধা নিদিবা।

উভয়ে ঃ যিবা আজ্ঞা মহাশয়। হেৰ' ক তেনেহ'লে, ক।

শব্দগত টোকা ঃ

হণ্ডে = অহো = হেৰ', ঐ।

কুম্ভীলআ < কুম্ভীৰক = কুম্ভীৰ, চোৰ; ৰ > ল

কধেহি < কথয় = ক; স্বৰমধ্যস্থিত ধ-কাৰৰ স্থিতি।

এশে < এষঃ = এই; ষ > শ

মহালদণভাশুলে < মহাৰত্নভাস্কৰং = মূল্যবান ৰত্নেৰে উজ্জ্বল; ৰ > ল, ত > দ, স > শ, ৰত্ন > ৰতন > (স্বৰভক্তি) লদন।

উক্কিনামক্খলে < উৎকীর্ণনামাক্ষৰঃ = নাম খোদাই কৰা; ৎক > ক্ক (সমীভৱন), অন্ত্য অঃ > এ, ৰ > ল

লাঅকীএ < ৰাজকীয়ঃ = ৰজাৰ; ৰ > ল, য়-ৰ লোপ

অঙ্গুলীঅএ < অঙ্গুৰীয়কঃ = আঙঠি; ৰ > ল, অন্ত্য অঃ > এ

শমাশাদিদে < সমাসাদিতঃ = পাইছ, সংগ্রহ কৰিছ; স > শ, ত > দ, অন্ত্য অঃ > এ

হগে < অহকে (অহম্ + স্বার্থিক ক) = মই

পশীদন্ত < প্রসীদন্ত = প্রসন্ন হওক; আদি অৱস্থানৰ সংযুক্ত ৰ-কাৰৰ লোপ প্র > প, স > শ

ভাবমিশ্শা < ভাবমিশ্রাঃ = মহাশয়সকল (সম্বোধনৰ বহুবচন)

কালকে < কাৰকঃ; ৰ > ল, অন্ত্য অঃ > এ

ঈদিশশ্শ < ঈদৃশস্য = এনেকুৱা; ঋ > ই, স্য > শ্শ (সমীভৱন)

শক্কাবদালবাশী < শক্রাৱতাৰবাসী = শক্রাৱতাৰৰ বাসিন্দা; ক্র > ক্ক (সমীভৱন), স > শ, ত > দ

পাডচ্চলা < পাটচ্চৰ = চোৰ; ৰ > ল, সম্বোধনৰ একবচনৰ অন্ত্য অ > আ

অস্মেহিং < অস্মাভিঃ = আমি; ভ > হ, অ-কাৰৰ বাহিৰে অন্য স্বৰৰ পিছত থকা বিসর্গৰ লোপ

যাদিং < জাতিম্ = জাতি; জ > য, ত > দ, অন্ত্য ম্ > ং

বশদিং < বসতিম্ = বাসস্থান; স > শ, ত > দ

পুশ্চিদে < পুচ্ছিতঃ = সুধিছোঁ, চ্ছ > শ্চ, ত > দ

শোহণে < শোভনঃ = ধুনীয়া, সৎ; ভ > হ, ন > ণ

বম্হণে < ব্রাহ্মণঃ = ব্রাহ্মণ, বামুণ; আদ্য অৱস্থানৰ সংযুক্ত ৰ-কাৰৰ লোপ, হ্ম > ম্হ (ধ্বনি বিপর্যয়)

কদুঅ < কৃত্বা (কৃ + ত্বাচ) = কৰা; ত্বাচ > দুঅ

পলিগ্‌গহে < পৰিগ্রহঃ = দান; গ্র > গ্‌গ (সমীভৱন), ৰ > ল, অন্ত্য অঃ > এ

দিণ্ণে < দত্তঃ = দান

লঞ্ঞঞা < ৰাজ্ঞা = ৰজা; জ্ঞ > ঞ্ঞঞ

পড়িবন্ধেধ < পৰিবন্ধেত = বাধা নিদিবা; ত > থ > ধ

লাউত্তে < ৰাঅউত্তে < ৰাজযুক্তঃ বা ৰাজপুত্রঃ = ৰাজকর্মচাৰী বা ৰাজপুত্র; জ আৰু য-ৰ লোপ

আণবেদি < আজ্ঞাপয়তি = আদেশ কৰক; জ্ঞ > ণ, প > ব, ত > দ

লবেহি < লপহি (লপ্ + লোট হি) = ক, কৈ যা

মূল পাঠ ঃ

ধীৱৰক ঃ শে হগে যালবডিশপ্পহুদীহিং মশ্চবন্ধণোৱাএহি কুডুম্বভলণং কলেমি।

নাগৰক ঃ (প্রহস্য) বিসুদ্ধো দাণিং দে আজীৱো।

ধীৱৰক ঃ ভস্তকে মা এৱং ভণ —

শহযে কিল যে বিণিন্দিদে
ণ হু শে কম্ম বিবয্‌যণীঅকে
পশুমালী কলেদি দালুণং
অণুকম্পামিদুলে শোণিকে।

নাগৰক ঃ তদো তদো।

ধীৱৰক ঃ অধ একদিঅশং মএ লোহিদমশ্চকে খণ্ডশো কপ্পিদে। যাৱ তশ্‌শ উদলব্‌ভন্তলে এদং মহালদণভাশুলং অঙ্গুলীঅঅং পেস্কামি। পশ্চা ইধ বিক্কঅস্তং ণং দংশঅন্তে যেয়ব গহিদে ভাৱমিশ্‌শেহিং। এত্তিকে দাৱ এদশ্‌শ আঅমে। অধুণা মালেধ ৱা কুস্টেধ ৱা।

নাগৰক ঃ (অঙ্গুৰীয়কম্ আঘ্রায়) জাণুঅ, মচ্ছোদৰসংঠিদং তি ণত্থি সংন্দেহো। তধা অঅং বিস্‌সগন্ধো। আগমো দাণিং এদশ্‌শ বিমৰিশিদব্‌বো। তা এধ। ৱাঅউলং জেৱ গচ্ছম্‌হ।

ৱক্ষিণৌ ঃ (ধীৱৰং প্রতি) গশ্চ লে গণ্ঠিশ্চেদআ গশ্চ (ইতি পৰিক্রামতঃ)

অসমীয়া অনুবাদ ঃ

ধীৱৰ ঃ মই জাল, বৰশী আদি মাছ ধৰা আহিলাৰে মোৰ আত্মীয়সকলক পোহপাল দিওঁ।

নগৰপাল ঃ (হাঁহি) তোমাৰ জীৱিকা দেখোন তেনেই বিশুদ্ধ।

ধীৱৰ ঃ মহাশয়, তেনেকৈ নক'ব —
সহজাত বৃত্তি (জন্মসূত্রে লাভ কৰা বৃত্তি) নিন্দনীয় হ'লেও তাক পৰিত্যাগ কৰা অনুচিত। অনুকম্পাৰে হৃদয় ভৰি থাকিলেও কচায়ে পশুহত্যাৰ দৰে নিষ্ঠুৰ কাম কৰিবলগীয়া হয়।

নগৰপাল ঃ তাৰ পাছত, তাৰ পাছত—

ধীবৰ ঃ তাৰ পাছত এদিনাখন মই ৰৌ মাছ এটা ডোখৰ ডোখৰকৈ কাটিছিলোঁ। তেতিয়া তাৰ পেটৰ ভিতৰত এই মহাৰত্নেৰে সুশোভিত আঙঠিটো দেখিছিলোঁ। এইটোকে পাছত ইয়াত বিক্রী কৰিবৰ বাবে দেখুৱাই ফুৰোঁতে মহাশয়সকলে মোক ধৰিছে। এইটো পোৱাৰ কাহিনী ইমানেই। এতিয়া মাৰকেই বা কাটকেই।

নগৰপাল ঃ (আঙঠিটো শুঙি) জানুক, এইটো যে মাছৰ পেটত আছিল তাত কোনো সন্দেহ নাই। সেইবাবেই এনে কেচেমা কেচেম গোন্ধ। গতিকে ইয়াৰ প্রাপ্তিৰ ঘটনা চিন্তাৰ বিষয়। আহা, আমি ৰাজপ্রাসাদলৈ যাওঁ।

উভয়ে ঃ (ধীবৰৰ প্রতি) ব'ল, হেৰ' গাঁথিকটীয়া ব'ল (সকলোটি কিছু আগুৱাই যায়)

শব্দগত টোকা ঃ

যালবডিশপ্পহুদীহিং < জালবড়িশপ্রভৃতিভিঃ = জাল-বৰশী আদিৰে; জ > য, প্র > প্প (সমীভৱন), ত > দ, ভিঃ > হিং

মশ্চবন্ধণোৱাএহিং < মৎস্যবন্ধনোপায়ৈঃ = মাছ মৰা সঁজুলিৰে, ৎস্য > শ্চ

কুডুম্বভলনং < কুটুম্বভৰণম্ = আত্মীয়সকলক ভৰণ-পোষণ; ৰ > ল, ন > ণ

কলেমি < কৰোমি = কৰোঁ; ৰ > ল

বিসুদ্ধোদাণিং < বিশুদ্ধঃ ইদানীম্ = এইটো বিশুদ্ধ; শ > স, ইদানীম্ > দাণিং

আজীৱো < আজীৱঃ = জীৱিকা; অন্ত্য অঃ > ও

ভস্টকে < ভর্তৃকঃ = ডাঙৰীয়া, মহাশয়; র্ত > স্ট

শহযে < সহজঃ = সহজাত, জন্মজ; স > শ, অন্ত্য অঃ > এ

বিবয্যণীয়কে < বিবর্জনীয়কঃ = পৰিত্যাজ্য, বর্জনীয়; র্জ > য্য, অন্ত্য অঃ > এ

পশুমালী < পশুমাৰী = পশুহত্যাকাৰক; ৰ > ল

কলেমি < কৰোমি = কৰে

দালুণং < দাৰুণম্ = নিষ্ঠুৰ; ৰ > ল, ম্ > ং

অণুকম্পামিদুলে < অনুকম্পামৃদুৰপি = অনুকম্পাৰে দ্রৱীভূত; ঋ > ই, ব > ল

শোণিকে < শৌনিকঃ = কচাই; ঔ > ও, ন > ণ, অন্ত্য অঃ > এ

এক্কদিঅশং < একদিৱসম্ = এদিনাখন; এক > এক্ক, ৱ-ৰ লোপ, স > শ, অন্ত্য ম্ > ং

লোহিদমশ্চকে < ৰোহিতমৎস্যকঃ = ৰৌমাছ; ৰ > ল, ৎস > শ্চ, ত > দ, অন্ত্য অঃ এ

খণ্ডশো কপ্পিদে < খণ্ডশঃ কল্পিতঃ = টুকুৰা টুকুৰ কৰা; ল্প > প্প, ত > দ

উদলব্ভন্তলে < উদৰাভ্যন্তৰঃ = পেটৰ ভিতৰত; ৰ > ল, ভ্য > ব্ভ

পেস্কামি < প্রেক্ষামি = দেখা পালোঁ; > আদি প্র > প, ক্ষ > স্ক

পশ্চা < পশ্চাৎ = পিছত; অন্ত্য ৎ-ৰ লোপ

বিক্কঅস্তং < বিক্রয়ার্থম্ = বিক্রী কৰিবৰ বাবে; ক্র > ক্ক, র্থ > স্ত, অন্ত্য ম্ > ং

দংশঅস্তং < দর্শয়ন্ = দেখুৱাওঁতে

এত্তিকে < অত্রকঃ = ইমানেই; ত্র > ত্ত (সমীভৱন)

আগমে < আগমঃ = আগমনৰ, প্রাপ্তিৰ

বিস্সগন্ধো < বিস্রগন্ধঃ = কেচেমাকেচেম গোন্ধ; স্র > স্স (সমীভৱন), অন্ত্য অঃ > ও

কুষ্টেধ < কুট্টেয়থ = টুকুৰা টুকুৰকৈ কটা; ট্ট > স্ট, থ > ধ

গণ্ঠিশ্চেদআ < গ্রন্থিচ্ছেদক = গাঁথিকটীয়া, চোৰ; আদি গ্র > গ, ন্থ > ণ্ঠ (মূর্ধণ্যীভৱন)

মূল পাঠ ঃ

নাগৰকঃ ঃ সূঅঅ, ইধ গোউৰদুআৰে অপ্পমত্তা পডিবালেধ মং যাৱ ৰাঅউলং পৰিসিঅ ণিক্কমামি

উভৌ ঃ পৰিশদু লাউত্তে শামিপ্পশাদস্তং

নাগৰকঃ ঃ তধা (ইতি নিষ্ক্রান্তঃ)

অসমীয়া অনুবাদ ঃ

নগৰৰক্ষী ঃ সূচক, মই যেতিয়ালৈকে ৰাজপ্রাসাদৰ পৰা উভতি নাহো, তেতিয়ালৈকে এই নগৰদ্বাৰতে অতি সতর্কতাৰে ৰৈ থাকাহঁক।

উভয়ে ঃ ৰজাৰ অনুগ্রহ লাভৰ বাবে আপুনি প্রৱেশ কৰক।

নাগৰক ঃ সেয়ে হওক (প্রস্থান)।

শব্দগত টোকা ঃ

গৌউড়দুআৰে < গোপুৰদ্ধাৰে = নগৰদ্বাৰ; প-ৰ লোপ, দ্ব > দুঅ

অপ্পমত্তা < অপ্রমত্তা = সতর্কতাৰে; প্র > প্প (সমীভৱন)

পডিবালেধ < প্রতিপালয়ত = ধৰি ৰখা, প্রতিপালন কৰা; আদি প্র > প, প > ব, অয় > এ, ত > থ > ধ

ৰাঅউলং < ৰাজকুলম্ = ৰজাৰ গৃহৰ; স্বৰমধ্যস্থিত জ আৰু ক-ৰ লোপ, অন্ত্য ম্ > ং

ণিক্কমামি < নিষ্ক্রমামি = উভতি অহা; ষ্ক্র > ক্ক

শামিপ্পশাদস্তং < স্বামী প্রসাদার্থং = ৰজাৰ অনুগ্রহ লাভৰ বাবে, স > শ, প্র > প্প, র্থং > স্তং

মূল পাঠ ঃ

সূচকঃ ঃ যাণুঅ, চিলাঅদি লাউত্তে।

জানুকঃ ঃ ণং অৱশলোৱশপ্পণীআ খু লাঅণো হোন্তি।

সূচকঃ ঃ যাণুঅ, স্ফুলন্তি মে অগ্গহত্থা (ধীৱৰং নির্দিশ্য) ইমং গণ্ঠিশ্চেদঅং ৰাৰাদেদুং।

ধীৱৰকঃ ঃ ণালিহদি ভাৱে অকালণমালকে ভৰিদুং

জানুকঃ ঃ (ৰিলোক্য) এশে অস্মাণং ঈশলে পত্তে গেণ্হিঅ লাঅশাশণং। (ধীৱৰং প্রতি) তা শউলাণং মুহং পেস্কশি অধ ৰা গিন্ধশিআলাণং বলী ভৰিশ্শশি।

নাগৰকঃ ঃ (প্রৰিশ্য) সিগ্ঘং সিগ্ঘং এদং — (ইতি অর্ধোক্তে)

ধীৱৰকঃ ঃ হা হদে স্মি (ইতি বিষাদং নাটয়তি)।

অসমীয়া অনুবাদ ঃ

সূচক ঃ জানুক, প্রভুৱে দেৰি কৰিছে।

জানুক ঃ অৱসৰ বুজিহে ৰজাৰ কায চাপিব পৰা যায়।

সূচক ঃ জানুক, (ধীৱৰক দেখুৱাই) এই গাঁঠিকটীয়াটোক মাৰিবলৈ মোৰ হাতৰ আঙুলিবোৰত পিৰপিৰণি উঠিছে।

ধীৱৰ ঃ মোক বিনা কাৰণে বধ কৰাটো উচিত নহ'ব।

জানুক ঃ (দূৰলৈ চাই) সৌৱা আমাৰ প্ৰভু ৰজাৰ আদেশ লৈ আহিছেই। (ধীৱৰলৈ চাই) তই এতিয়া কুকুৰৰ মুখ দেখিবি অথবা শিয়াল-শগুণৰ বলি হবি।

নগৰৰক্ষী ঃ (প্ৰৱেশ কৰি) অতি শীঘ্ৰে ইয়াক (অসমাপ্ত)।

ধীৱৰঃ ঃ হায় ! মই মৰিলো ! (বিষাদিত হয়)।

শব্দগত টেকা ঃ

চিলাঅদি < চিৰায়তে = দেৰি কৰা, বিলম্ব কৰা; ৰ > ল, ত > দ, তে > দি (আত্মনেপদ বিভক্তিৰ ঠাইত পৰস্মৈপদী)।

অৱশলোৱশপ্পণীআ < অৱসৰোপসর্পনীয়াঃ = অৱসৰ বা আহৰি বুজি; স > শ, ৰ > ল, র্প > প্প (সমীভৱন)

লাঅণো < ৰাজনঃ = ৰজাৱ; ৰ > ল, স্বৰমধ্যৱৰ্তী জ-ৰ লোপ

হোন্তি < ভৱন্তি = হয়। ভ > হ, অৱ > ও

স্ফুলন্তি < স্ফূৰন্তি = কুটকুটোৱা; ৰ > ল

অগ্গহস্তা < অগ্রহস্তা = হাতৰ আগভাগ, আঙুলি; গ্র > গ্গ (সমীভৱন)

ৱাৱাদেদুং < ব্যাপাদয়িতুম্ = বধ কৰিবৰ বাবে; আদ্যাক্ষৰৰ য-কাৰৰ লোপ, প > ব, ত > দ, অন্ত্য ম্ > ং

ণালিহদি < নোর্হতি = অনুচিত, যোগ্য নহয়।

ঈশলে < ঈশ্বৰঃ = প্ৰভু; ৰ > ল, অন্ত্য অঃ > এ

লাঅশাশণং < ৰাজশাসনম্ = ৰজাৰ আদেশ; স্বৰৰ মাজৰ জ-ৰ লোপ, স > শ, ম্ > ং

গেণ্হিঅ < গৃহীত্বা = গ্ৰহণ কৰি লৈ; ঋ > এ

শউলাণং < শ্বকুলানাম্ = কুকুৰৰ

পেক্কশি < প্রেক্ষসে = দেখা, দেখিবি; ক্ষ > ক্ক, স > শ

গিদ্ধশিআলাণং < গৃদ্ধ-শৃগালানাম্ = শগুণ-শিয়ালৰ; ঋ > ই, গ-ৰ লোপ

হদেস্মি < হতঃ + অস্মি = মই মৰিলোঁ।

মূল পাঠ ঃ

নাগৰকঃ ঃ মুঞ্চেধ ৰে মুঞ্চেধ জালোৱজীৱিণং। উৱৱগ্গো সে কিল অঙ্গুলীঅঅস্স আঅমো। অম্হ সামিণা জেৱ মে কধিদং।

সূচকঃ ঃ যধা আণৱেদি লাউত্তে। যমবশদিং গদুঅ পডিনিউত্তে ক্খু এশে (ইতি ধীৱৱং বন্ধনান মোচয়তি)

ধীৱৰকঃ ঃ (নাগৰকং প্রণম্য) ভষ্টকে, তৱ কেলকে মম যীৱিদে (ইতি পাদয়োঃ পততি)।

নাগৰকঃ ঃ উট্ঠেহি উট্ঠেহি। এসো ভট্টিণা অঙ্গুলীঅঅমুল্লসম্মিদো পাৰিদোসিও দে পসাদীকিদো। তা গেণ্হ এদং (ইতি ধীৱৱং কটকং প্রযচ্ছতি)।

ধীৱৰকঃ ঃ (সহর্ষ প্রতিগৃহ্য) অণুগ্গহিদে স্মি।

অসমীয়া অনুবাদ ঃ

নগৰৰক্ষী ঃ মুকলি কৰি দিয়া, এই জালোৱাটোক মুকলি কৰি দিয়া। আঙঠি-প্রাপ্তিৰ ঘটনা প্রমাণিত হৈছে। আমাৰ মহাৰাজেও মোক তেনেদৰেই কৈছে।

সূচক ঃ প্রভুৰ যি আদেশ। ই যমৰ ঘৰলৈ গৈ পুনৰ ঘূৰি আহিল (ধীৱৰৰ বন্ধন মুকলি কৰি দিয়ে)।

ধীৱৰ ঃ (নগৰপালকক প্রণাম কৰি) মহাশয়, আপোনাৰ কাৰণেই মোৰ জীৱন ৰক্ষাপৰিল (ভৰিত ধৰে)।

নগৰপালক ঃ উঠা, উঠা। ৰজাই সন্তুষ্ট হৈ তোমাক আঙঠিটোৰ সমান মূল্যৰ পাৰিতোষিক দিছে। সেইখিনি গ্রহণ কৰা (ধীৱৰক স্বর্ণমুদ্রা দিয়ে)।

ধীৱৰ ঃ (সানন্দে গ্রহণ কৰি) মই ধন্য হ'লোঁ।

শব্দগত টোকা ঃ

মুঞ্চেধ < মুঞ্চত =মুকলি কৰি দিয়া; ত > থ > ধ

জালোৱজীৱিণং < জালোপজীৱিণং = জালোৱাটোক, মাছমৰীয়াটোক; প > ৱ, ন > ণ

উববণ্ণো < উপপন্নঃ = প্রমাণিত হৈছে; প > ব

অম্হ সামিণা < অস্মৎ স্বামিনা =আমাৰ প্রভুৱে; স্ম > হ্ম > ম্হ (ধ্বনি বিপর্যয়), আদি অৱস্থানৰ স্ব > স, ন > ণ

যমবশদিং < যমবসতিং = যমৰ ঘৰ; স > শ, ত > দ

গদুঅ < গত্বা = গৈ; ত্ব > দুঅ।

পত্তিনিউত্তে < প্রতিনিবৃতঃ = পুনৰ ঘূৰি অহা; ব-ৰ লোপ, ঋ > ই

তব কেলকে < তৱ কৃতে = আপোনাৰ বাবেই।

যীবিদে < যীৱিতম্ = জীয়াই থাকিলোঁ, জীৱন পালোঁ।

উট্ঠেহি < উত্তিষ্ঠ =উঠা, উঠা; ত্ত > ট্ঠ, ষ্ঠ > হ্ঠ > ঠহ্ (ধ্বনি বিপর্যয়)।

ভট্টিণা < ভর্ত্রা =স্বামীয়ে, গৰাকীয়ে; র্ত্র > ট্ট (সমীভৱন)

অঙ্গুলীঅমুল্লসম্মিদো < অঙ্গুৰীয়কমূল্যসস্মিতঃ = আঙঠিৰ মূল্যৰ সমান; স্বৰমধ্যস্থিত ক-ৰ লোপ, ল্য > ল্ল (সমীভৱন) ত > দ

পাৰিদোসিও < পাৰিতোষিকঃ =পুৰস্কাৰ; ত > দ, স্বৰৰ মাজৰ ক-ৰ লোপ, অন্ত্য অঃ > ও

পসাদীকিদো < প্রসাদীকৃতঃ =সন্তুষ্ট হৈ; আদি অৱস্থানৰ প্র > প, ঋ > ই, ত > দ, অন্ত্য অঃ > ও

গেণহ্ < গৃহান =গ্রহণ কৰা, লোৱা; ঋ > এ

অনুগ্গহিদে < অনুগৃহীতঃ =ধন্য হোৱা; গৃ > গ্গ, ত > দ

মূল পাঠ ঃ

জানুকঃ ঃ এশে ক্খু লঞ্ঞণ্ণা তধা ণাম অণুগ্গহিদে যং শূলাদো ওদালিঅ হস্তিস্কংন্ধং সমালোৱিদে।

সূচকঃ ঃ লাউত্তে, পালিদোশিএ কধেদি মহালিহলদ্‌ণেণ তেণ অঙ্গুলীঅএণ শামিণো বহুমদেণ হোদব্‌বং তি।

নাগৰকঃ ঃ ণং তস্‌সিং ভট্টিণো মহাৰিহৰদণং তি ণ পাৰিদোসো। এত্তিঅং উণ।

উভৌঃ ঃ কিং ণাম—

নাগৰকঃ ঃ তক্কেমি তস্‌স দংসণেণ কো ৰি হিঅঅট্‌ঠিদো জণো ভট্টিণা সুমৰীদো ত্তি। জদো তং পেক্‌খিঅ মুহুত্তঅং পইদিগম্ভীৰো ৰি পজ্জস্‌সুঅমণো আসি।

সূচকঃ ঃ তোদিশে দাণি ভস্টা লাউত্তেণ।

জানুকঃ ঃ ণং ভণামি ইমশ্‌শ মশ্চলীশত্তুণো কিদে ত্তি। (ইতি ধীৰৰম্‌ অসূয়য়া পশ্যতি)

ধীৰৰকঃ ঃ ভস্টকা ইদো অদ্ধং তুস্মাণং পি শূলামুল্লং ভোদু।

জানুকঃ ঃ ধীৰল, মহত্তলে শংপদং মে পিঅৰঅশ্‌শকে শংবুত্তে শি। কাদম্বলী-শদ্ধিকে ক্‌খু পঢমং অস্মাণং শোহিদে ইশ্চীঅদি। তা শুণ্ডিকাগালং যেৱ গশ্চস্ম। (ইতি নিষ্ক্রান্তাঃ সর্ৱে)

অসমীয়া অনুবাদ ঃ

জানুক ঃ ৰজাই ইয়াক ইমানেই অনুগৃহীত কৰিলে যে শূলৰ পৰা নমাই যেন হাতীৰ পিঠিত বহুৱাই দিয়া হ'ল।

সূচক ঃ প্ৰভু, পাৰিতোষিকেই কয় যেন বহুমূলীয়া ৰত্নখচিত সেই আঙঠিটো ৰজাৰ বৰ মনঃপুত হৈছে।

নগৰপাল ঃ বহুমূলীয়া ৰত্নখচিত বুলিয়েই যে ৰজাৰ এই পাৰিতোষিক তেনে নহয়; আন কিবাও আছে।

উভয়ে ঃ কিনো সেয়া?

নগৰপাল ঃ মোৰ ধাৰণা হয়, সেইটো দেখি তেওঁৰ কোনো হৃদয়স্থিত প্ৰিয়জনাৰ কথা সোঁৱৰণিলৈ আহিছে। কাৰণ সেইটো দেখি স্বভাৱগম্ভীৰ মহাৰাজ মুহূৰ্তমানৰ কাৰণে বিচলিত হৈ পৰিছিল।

সূচক ঃ প্ৰভু, তেনেহ'লে আপুনি মহাৰাজক বিশেষভাৱে সন্তুষ্ট কৰিছে।

জানুক ঃ মই কওঁ, এই মাছৰ শত্রুটোৰ বাবেই সন্তুষ্ট হৈছে। (ধীৱৰৰ প্ৰতি ঈৰ্ষাৰ চাৱনি)

ধীৱৰ ঃ মহোদয়সকল, ইয়াৰ আধা (পাৰিতোষিকৰ) আপোনালোকৰ সুৰাৰ মূল্য হওক।

জানুক ঃ ধীবৰ, তুমি মহৎ; এতিয়াৰ পৰা তুমি আমাৰ প্ৰিয় সখা হ'লা। আমাৰ প্ৰথম বন্ধুত্ব সুৰাক সাক্ষী কৰি স্থাপিত হোৱাটো বাঞ্ছা কৰোঁ। গতিকে আহা আমি মদ-বেচোঁতাৰ দোকানলৈ যাওঁ। (আটাইৰে প্ৰস্থান)

শব্দগত টোকা ঃ

শূলাদো < শূলাৎ =শূলৰ পৰা

ওদালিঅ < অৱতার্য > অৱতাৰিয় =উলিয়াই অনা; অৱ > ও, ত > দ, র্য ৰিঅ (স্বৰভক্তি) > লিঅ (ৰ > ল)।

হস্তিস্কন্ধং (তৎসম ৰূপ) = হাতীৰ পিঠিত।

শমালোৱিদে < সমাৰোপিতঃ = আৰোপিত, বহুওৱা; স > শ, ৰ > ল, প > ৱ, ত > দ

মহালিহলদণেণ < মহার্হৰত্নেন =মহামূল্যবান ৰত্নখচিত; র্হ > ৱিহ (স্বৰভক্তি) > লিহ (ৰ > ল), ৰত্ন > লদণ (স্বৰভক্তি)।

হোদ্ব্বং < ভৱিতব্য =হ'ব; ভ > হ, ব্য > ব্ব।

ভট্টিণো < ভর্ত্তুঃ = গৰাকীৰ (ৰজাৰ); র্ত্ত > ট্ট

মহাৱিহৰদণং < মহার্হৰত্নং =বহুমূলীয়া ৰত্ন; র্হ > ৱিহ (স্বৰভক্তি)

তক্কেমি < তর্কয়ামি =অনুমান হয়, ভাব হয়; র্ক > ক্ক

হিঅট্ঠিদো < হৃদয়স্থিতঃ =হৃদয়ত থকা; দ, য়-ৰ লোপ, স্থ > ট্ঠ, অন্ত্য অঃ > ও

সুমৰীদো < স্মৰিতঃ = স্মৰণলৈ অহা, মনত পৰা; আদি অৱস্থানৰ স্ম > সুম (স্বৰভক্তি), ত > দ

পেক্খিঅ < প্রেক্ষ্য =দেখি; ক্ষ > ক্খ

মুহূত্তঅং < মুহূর্ত্তকং =মুহূর্তৰ বাবে; র্ত্ত > ত্ত (সমীভৱন)

পইদিগম্ভীৰো < প্রকৃতিগম্ভীৰঃ, স্বভাৱত গম্ভীৰ; আদি প্র > প, ক-ৰ লোপ, ঋ > ই, ত > দ

পজ্জস্সুঅমণো < পর্য্যুৎসুকমনাঃ =উদ্বিগ্নমনা, বিচলিত হোৱা; র্য্য > জ্জ (সমীভৱন), ৎসু (সমীভৱন), ৎ-ৰ লোপ

ভস্টকা < ভর্তা =প্রভু, ৰজা; র্ত > স্ট, ক-ৰ লোপ

মশ্চলীশত্তু < মৎস্যশত্রোঃ =মাছৰ শত্রু (মাছমৰীয়া =ধীৱৰ); ৎস > শ্চ, ত্র > ত্ত

তুস্মাণং = আপোনালোকৰ

শূলামূল্লং < সুৱামূল্যং =সুৰাৰ মূল্য, মদৰ দাম; স > শ, ল্য > ল্ল (সমীভৱন)

ভোদু < ভৱতু = হওক; অৱ > ও

মহত্তলে < মহত্ত্বৰঃ =মহৎ, মহান; ত্ব > ত্ত, ৰ > ল, অন্ত্য অঃ > এ

পিঅবঅশ্শকে < প্রিয়বয়স্যকঃ =প্রিয়সখা, প্রিয়বন্ধু; আদি প্র > প, য়-ৰ লোপ, স্য > শ্শ

কাদম্বলী-শদ্ধিকে < কাদম্বৰী-শ্রদ্ধিকম্ =মদৰ উপহাৰেৰে; ৰ > ল, শ্র > শ

পঢমং < প্রথমং =প্রথম; থ > ঢ সঘোষীভৱন, স্বতঃমূর্ধন্যীভৱন)।

শোহিদে < সৌহৃদঃ =বন্ধুত্ব, সৌহার্দ; স > শ, ঋ > ই, অন্ত্য অ > এ

ইশ্চীঅদি < ইচ্ছ্যতে =ইচ্ছা কৰোঁ; চ্ছ > শ্চ, কর্মবাচ্যৰ য (য়) > ঈঅ, আত্মনেপদ বিভক্তি তে > দি

শুণ্ডিকাগালং < শৌণ্ডিকাগাৰম্ =মদ্যাগাৰ, মদ বিক্রেতাৰ ঘৰ; ঔ > ও, ৰ > ল, অন্ত্য ম্ > ং

গশ্চস্ম < গচ্ছমঃ =যাওঁ; চ্ছ > শ্চ



চিন্তা-চৰ্চা কৰক ৪.১

মূল পাঠৰ অসমীয়া অনুবাদসহ কঠিন শব্দবোৰৰ তালিকা এখন কৰি সিবোৰৰ সংস্কৃত ৰূপ, অসমীয়া অর্থ আৰু পৰিৱর্তনৰ দিশবোৰ আয়ত্ত কৰক।



৪.৪ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

- মহাকবি কালিদাসৰ *অভিজ্ঞানশকুন্তলম্* সংস্কৃত ভাষাৰ এখনি অতিশয় উৎকৃষ্ট নাটক। সেইবাবেই কোৱা হৈছে— 'কাব্যেষু নাটকং ৰম্যম্, তত্র ৰম্যা শকুন্তলা ...'; অর্থাৎ, সকলো প্রকাৰৰ কাব্যৰ ভিতৰত নাটক হৈছে সবাতোকৈ ৰমণীয়, তাতোকৈ ৰমণীয় শকুন্তলা।
- নাটকখনি মুঠ সাতোটা অঙ্কত বিভক্ত। এই নাটকখনিৰ ষষ্ঠ অংকৰ মাত্র 'প্ৰৱেশক' দৃশ্যটো আপোনাৰ পাঠ্যক্রমৰ অন্তর্ভুক্ত হৈছে।
- সংস্কৃত নাটকত কেতবোৰ ঘটনাৰ আভাস দিবলৈ *প্ৰৱেশক* নামৰ স্বল্প পৰিসৰৰ দৃশ্য একোটাৰ সমাৱেশ ঘটোৱা হয়। এনে দৃশ্যত মূল চৰিত্র উপস্থিত নাথাকে। পার্শ্ব চৰিত্রৰ জৰিয়তে এনে দৃশ্যৰ ৰূপ দান কৰা হয়।
- পাঠ্য দৃশ্যটোতো মাত্র চাৰিটা পার্শ্ব চৰিত্রৰ সমাৱেশ লক্ষ্য কৰিব পাৰি— নাগৰক, ৰক্ষীদ্বয়— সূচক আৰু জানুক আৰু ধীৱৰক। দৃশ্যটোৰ মাজেৰে শকুন্তলাৰ হেৰোৱা অভিজ্ঞান, অর্থাৎ মহাৰাজ দুষ্যন্ত-প্রদত্ত আঙঠিটোৰ পুনঃপ্রাপ্তি আৰু তৎ পৰৱর্তী সম্ভাব্য ঘটনাৰ আভাস দাঙি ধৰা হৈছে।
- দৃশ্যটোৰ সংলাপাংশৰ ৰচনাত সম্পূর্ণৰূপে প্রাকৃত ভাষাৰ আশ্রয় লোৱা হৈছে। ইয়াৰে মধ্যম শ্রেণীৰ চৰিত্র নাগৰকে শৌৰসেনী প্রাকৃতত কথা কৈছে। আনহাতে ধীৱৰ আৰু ৰক্ষী দুজন সামাজিকভাৱে নিম্নস্তৰৰ হোৱা হেতুকে সিহঁতৰ মুখত মাগধী প্রাকৃত দিয়া হৈছে।
- হাস্যৰস সৃষ্টিৰ জৰিয়তে শকুন্তলাৰ বিৰহ-বেদনাৰ কৰুণ ঘটনাৱলীৰ পৰা দর্শক/ পাঠকক সাময়িক সকাহ দিয়াটোও এইটো দৃশ্যৰ অৱতাৰণাৰ আন এক উদ্দেশ্য।
- দৃশ্যটোৰ মাজেৰে তৎকালীন সামাজিক আৰু ৰাজনৈতিক ব্যৱস্থাপনাৰ প্রতিচ্ছবিও প্রতিফলিত হৈছে।



৪.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) ঠাকুৰ, নগেন (১৯৯৩); *প্ৰাকৃত সাহিত্য চয়ন;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

২) ঠাকুৰ, নগেন (১৯৮৯); *প্ৰাকৃত সাহিত্যৰ অধ্যয়ন;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৩) ঠাকুৰ, নগেন (১৯৯৭); *পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ কে. এম. পাব্‌লিছিং।

৪) শইকীয়া বৰা, লীলাৱতী (২০০২); *সংস্কৃত-পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ;* ডিব্ৰুগড়, গুৱাহাটী ঃ বনলতা।

ইংৰাজী গ্ৰন্থ ঃ

৫) Biswas, Sukumar (1970); *A Comparative Old Indo-Aryan Grammar;* Pathsala, Guwahati : Bani Prakash.

৬) Kale, M. R. (Ed.) (1969); *The Abhijnana Sakuntalam of Kalidasa.* Delhi : MBD.

৭) Keith, A. B. (1973); *A History of Sanskrit Literature;* Oxford UP, Delhi : et al.

৪.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ *অভিজ্ঞানশকুন্তলম্* নাটকৰ কাহিনীভাগ... ...মহাকবি কালিদাসে তেওঁৰ অমৰ সৃষ্টি *অভিজ্ঞানশকুন্তলম্*-ত মহাভাৰতৰ পৰা আহৰিত দুষ্যন্ত... ...প্ৰণয়বৃত্ত কাহিনীভাগক কেনেদৰে নাট্যৰূপ দিছে তাৰ বিৱৰণ দাখি ধৰিব লাগিব।

২নং প্ৰশ্নৰ উত্তৰ ঃ *অভিজ্ঞানশকুন্তলম্* নাটকৰ পাঠ্য দৃশ্যটোৰ বিষয়বস্তু... ...*অভিজ্ঞানশকুন্তলম্* নাটকৰ ষষ্ঠ অঙ্কৰ *প্ৰৱেশক* দৃশ্যটোত বৰ্ণিত শকুন্তলাৰ হেৰোৱা অভিজ্ঞানৰ উদ্ধাৰ আৰু সেই সম্পৰ্কত ঘটা ঘটনাৱলীৰ বিষয়ে লিখিব লাগিব।

৩নং প্ৰশ্নৰ উত্তৰ ঃ *অভিজ্ঞানশকুন্তলম্* নাটকৰ ষষ্ঠ অঙ্কত *প্ৰৱেশক* দৃশ্যটোৰ সংযোজনৰ আৱশ্যকতা... ...*অভিজ্ঞানশকুন্তলম্* নাটকৰ ষষ্ঠ অংকত সন্নিৱিষ্ট *প্ৰৱেশক* দৃশ্যটোৰ সংযোজনৰ জৰিয়তে নাট্যকাৰে হেৰোৱা আঙঠিৰ পুনঃপ্ৰাপ্তিৰ জৰিয়তে নাটকখনৰ পৰিসমাপ্তি যে সহজ কৰি তুলিছে, সেই কথা আলোচনা কৰিব লাগিব।

৪নং প্রশ্নৰ উত্তৰ ঃ আপোনাৰ পাঠ্য দৃশ্যটোত তৎকালীন সমাজৰ কোনবোৰ দিশ ফুটি উঠিছে... ...*অভিজ্ঞানশকুন্তলম্* নাটকৰ আলোচ্য দৃশ্যটোত তৎকালীন শাসন ব্যৱস্থা, সামাজিক স্তৰ বিন্যাস, ইত্যাদি দিশবোৰ কেনেদৰে ফুটি ওলাইছে সেই বিষয়ে উল্লেখ কৰিব লাগিব।

৫নং প্রশ্নৰ উত্তৰ ঃ পাঠটিত ব্যৱহাৰ হোৱা প্রাকৃত ভাষাকেইটাৰ প্রতিটোৰে পাঁচোটাকৈ বৈশিষ্ট্য ..... পাঠৰ পৰা প্রতিটোৰে পাঁচোটাকৈ উদাহৰণ দি শৌৰসেনী আৰু মাগধী প্রাকৃতৰ বৈশিষ্ট্যৰ বিষয়ে লিখিব লাগিব।



৪.৭ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ *অভিজ্ঞানশকুন্তলম্* নাটকৰ ষষ্ঠ অঙ্কৰ আপোনাৰ পাঠ্যাংশৰ মাজেদি সেই সময়ৰ সামাজিক আৰু ৰাজনৈতিক ব্যৱস্থাৰ চিত্র কেনেদৰে প্রতিফলিত হৈছে আলোচনা কৰক।

প্রশ্ন ২ ঃ *অভিজ্ঞানশকুন্তলম্* নাটকৰ মূল আৰু মৌলিকতা— আপোনাৰ পাঠৰ আধাৰত এই বিষয়ে এটি বিশ্লেষণাত্মক নিবন্ধ যুগুত কৰক।

প্রশ্ন ৩ ঃ *অভিজ্ঞানশকুন্তলম্* নাটকৰ আপোনাৰ পাঠ্য দৃশ্যটোৰ নাট্য প্রয়োজনীয়তা সম্পর্কে ফঁহিয়াই আলোচনা কৰক।

প্রশ্ন ৪ ঃ সংস্কৃত নাটকত প্রাকৃতৰ ব্যৱহাৰৰ বিষয়ে এটা টোকা লিখি *অভিজ্ঞানশকুন্তলম্* নাটকৰ ষষ্ঠ অঙ্কৰ আপোনাৰ পাঠ্য দৃশ্যটোত এই বিধি কিদৰে পালন কৰা হৈছে বিশ্লেষণ কৰক।

প্রশ্ন ৫ ঃ আপোনাৰ পাঠ্য দৃশ্যটোৰ সহায়ত *অভিজ্ঞানশকুন্তলম্* নাটকৰ ভাষাগত বৈশিষ্ট্য সম্বন্ধে এটি টোকা প্রস্তুত কৰক।

প্রশ্ন ৬ ঃ *অভিজ্ঞানশকুন্তলম্* নাটকৰ আপোনাৰ পাঠ্য দৃশ্যটোত ধীৱৰ, ৰক্ষীদ্বয় আৰু নাগৰকৰ মুখত কি ভাষা দিয়া হৈছে? সেই প্রাকৃতৰ বৈশিষ্ট্যবোৰ আলোচনা কৰক।

*** ***** ***

অধ্যায় ৫ ঃ অৱহট্‌ঠ সাহিত্য পাঠ (১)
আব্দুৰ ৰহমানৰ *সন্দেহ ৰাসকৰ* দ্বিতীয় প্ৰক্ৰম ঃ ৰ ১-৫

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ *সন্দেশ ৰাসক*

- ৫.৩.১ কবি পৰিচয়
- ৫.৩.২ *সন্দেশ ৰাসকৰ* ৰচনা কাল
- ৫.৩.৩ *সন্দেশ ৰাসক* কাব্যৰ নামকৰণ আৰু গঠন বৈশিষ্ট্য
- ৫.৩.৪ বিষয়বস্তু আৰু কাব্যিক সৌন্দর্য
- ৫.৩.৫ ভাৰতীয় দূত-কাব্য আৰু *সন্দেহ ৰাসক*
- ৫.৩.৬ ভাষাগত বৈশিষ্ট্য
- ৫.৩.৭ মূল পাঠ অসমীয়া অনুবাদ আৰু শব্দগত টোকা

৫.৪ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

৫.৫ অধিক জানিবলৈ

৫.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৫.৭ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মধ্য ভাৰতীয় আৰ্যভাষাৰ শেষ স্তৰৰ অৰ্কচীন অপভ্রংশ বা অৱহট্‌ঠ ভাষাৰ পশ্চিমা ৰূপটোত ৰচিত সাহিত্যৰ বিষয়ে বিশ্লেষণ কৰিব পাৰিব
- অপভ্রংশ তথা অৱহট্‌ঠ ভাষাৰ বৈশিষ্ট্য ফঁহিয়াই দেখুৱাব পাৰিব
- *সন্দেশ ৰাসকৰ* কবি আব্দুৰ ৰহমানৰ সাহিত্য কৃতিৰ বিষয়ে যথাযথ ব্যাখ্যা আগবঢ়াব পাৰিব
- *সন্দেশ ৰাসকৰ* কাব্যৰ বিষয়বস্তু আৰু কাব্যিক সৌন্দর্য বিশ্লেষণ কৰি দেখুৱাব পাৰিব
- ভাৰতীয় দূত-কাব্যৰ পৰস্পৰৰ বিষয়ে ফঁহিয়াই ব্যাখ্যা কৰিব পাৰিব।

৫.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় ষান্মাসিকৰ ভাষা শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা তৃতীয় পাঠ্যবিষয়ৰ অন্তর্গত এইটো পঞ্চম অধ্যায়। এই অধ্যায়টোত আপুনি অৱহট্‌ঠ বা

অৰ্বাচীন অপভ্ৰংশত ৰচিত *সন্দেশ ৰাসক* বা *সন্দেহ ৰাসউ* নামৰ দূত-কাব্যখনৰ বিষয়ে অধ্যয়ন কৰিবলৈ পাব। এই দূত- কাব্যখনৰ ৰচক আব্দুৰ ৰহমান। পাঠ্যক্ৰমৰ পৰিসৰলৈ লক্ষ্য ৰাখি কাব্যখনৰ দ্বিতীয় প্ৰক্ৰমৰ প্ৰথম পাঁচোটা গাথাহে আপোনাৰ বাবে নিৰ্বাচন কৰা হৈছে। পাঠ্য বিষয়ত অন্তৰ্ভুক্ত সন্দেস ৰাসক নামৰ কাব্যখনৰ ভাষা পশ্চিমা অৱহট্‌ঠ কাব্যখনিক ভাৰতীয় দূত কাব্য পৰম্পৰাৰ শেহতীয়া প্ৰতিনিধি আখ্যা দিয়া হৈছে। শৃঙ্গাৰ ৰসৰ আধাৰত ৰচিত হৈ এখনি অতিশয় উৎকৃষ্ট গীতি কাব্য। সৰ্বমুঠ তিনিটা প্ৰক্ৰমত বিভক্ত এই কাব্যখনত প্ৰবাসী স্বামীৰ বিৰহ-যন্ত্ৰণাত দুখেৰে দিন পাৰ কৰা এগৰাকী নাৰীয়ে জনৈক পথিকৰ মাধ্যমেৰে মনৰ বাতৰি গিৰীয়েকলৈ প্ৰেৰণ কৰাৰ বিৱৰণ আছে। 'ৰাসক' বা অৱহট্‌ঠ ভাষাত *সংনেহ ৰাসউ*। প্ৰকৃতিৰ ৰূপৰ কাৰ্যবেক্ষণ আৰু মানৱ-হৃদয়ৰ ভাবাবেগ বিশ্লেষণত কবিয়ে যথেষ্ট নিপুণতাৰ পৰিচয় দিব পাৰিছে। কাব্যখন অদ্দহমান বা আব্দুল ৰহমান (পাঠভেদে আব্দুৰ ৰহমান) নামৰ এগৰাকী মুছলমান কবিয়ে ৰচনা কৰিছিল। সম্পূৰ্ণ হিন্দু পৰিবেশত ৰচিত এই কাব্যখনিৰ অন্যতম উল্লেখযোগ্য দিশ হৈছে ভাৰতীয় সাংস্কৃতিক জীৱনৰ বৈচিত্ৰ্যপূৰ্ণ ঐতিহ্যৰ প্ৰকাশ তথা সমন্বয়ৰ আদৰ্শৰ প্ৰতিফলন।

৫.৩ সন্দেশ ৰাসক

নব্য ভাৰতীয় আৰ্যভাষাসমূহৰ উদ্ভৱ কালত প্ৰাদেশিক কবি-সাহিত্যিকসকলে নিজ ভাষাৰ সমান্তৰালভাৱে ভাৰতীয় আৰ্যভাষাৰ মধ্যস্তৰৰ শেহতীয়া প্ৰতিনিধি অপভ্ৰংশ তথা অৱহট্‌ঠ ভাষাতো সাহিত্যাদি ৰচনা কৰিছিল। তাৰেই এক উৎকৃষ্ট নিদৰ্শন হৈছে অদ্দহমান বা আব্দুল ৰহমানৰ দ্বাৰা শৌৰসেনী অপভ্ৰংশৰ অৰ্বাচীন ৰূপ শৌৰসেনী অৱহট্‌ঠ বা আন কথাত পশ্চিমা অৱহট্‌ঠত ৰচিত দূত-কাব্য '*সন্দেশ ৰাসক*' বা *সংনেহ ৰাসউ*। কাব্যখনত ভাৰতীয় ধ্ৰুপদী সাহিত্যৰ আদৰ্শৰ অনুসৰণ লক্ষ্য কৰিব পাৰি। তৎকালীনভাৱে ভাৰতীয় জন-জীৱনত প্ৰচলিত কথ্য ভাষাৰ সাহিত্যিক প্ৰয়োগ, চিত্ৰধৰ্মী বৰ্ণনা আৰু অলঙ্কাৰৰ যথাযথ ব্যৱহাৰে কাব্যখনিক উৎকৃষ্ট ৰূপ প্ৰদান কৰিছে। তলত আপোনাৰ অধ্যয়নৰ সুবিধাৰ্থে কাব্যখনিৰ ৰচক, ৰচনাৰ সময়, বিষয়বস্তু আদি দিশবোৰৰ সম্যক আলোচনা দাঙি ধৰা হ'ল।

৫.৩.১ কবি পৰিচয়

আপুনি ইতিমধ্যে জানিব পাৰিছে যে *সন্দেশ ৰাসক* বা *সংনেহ ৰাসউ* নামৰ দূত-কাব্যখনিৰ ৰচক গৰাকীৰ নাম হৈছে অদ্দহমান বা আব্দুল ৰহমান। প্ৰাচীন কালৰ প্ৰায়ভাগ ভাৰতীয় কবিৰ দৰে এইগৰাকী কবিৰো জীৱন তথা সময়ৰ উল্লেখ ইতিহাসৰ পাতত পাবলৈ নাই। কাব্যখনিৰ আৰম্ভণিতে কবিয়ে নিজৰ বিষয়ে উল্লেখ কৰা সামান্য পৰিচয়, কাব্যৰ ভাষা আৰু 'ৰাসক' সাহিত্যৰ উদ্ভৱ আৰু বিকাশৰ আঁত ধৰি এইগৰাকী কবিৰ সময় খ্ৰীষ্টিয় দ্বাদশ শতিকাৰ শেষভাগ অথবা ত্ৰয়োদশ শতিকাৰ আদিভাগ বুলি অনুমান কৰা হৈছে। *সন্দেশ ৰাসকৰ* প্ৰথম প্ৰক্ৰমত কবিয়ে নিজৰ পৰিচয় এনেদৰে ব্যক্ত কৰিছে—

পচ্চাএসি পহূও পূব্বপসিদ্ধো স মিচ্ছদেসো থি।
তহ ৰিসএ সংভূত্ত আৰদ্দো মীৰসেণস্‌স।।
তহ তণও কুলকমলো পাইঅ কব্‌বেসু গীয় বিসয়েসু।
অদ্দহমাণপসিদ্ধো সংণেহৰাসয়ং ৰইয়ং।।

অর্থাৎ, পশ্চিম দেশত পুৰণি কালৰে পৰা অতিশয় প্ৰসিদ্ধ যি ম্লেছদেশ আছে, তাতে মীৰসেন নামেৰে এজন তাঁতীৰ জন্ম হৈছিল। তেওঁৰেই পুত্ৰ অদ্দহমান (আব্দুল বা আব্দুৰ ৰহমান) —যিজন কুল-কমল স্ৱৰূপ আৰু প্ৰাকৃত কাব্য আৰু গীতৰ বিষয়ত অতিশয় প্ৰসিদ্ধ, তেৱেঁই *সন্দেশ ৰাসক* ৰচনা কৰিছে। কবিয়ে কৰা এনে উল্লেখৰ পৰা বুজিবলৈ টান নহয় যে *সন্দেশ ৰাসকৰ* কবি আব্দুল ৰহমানৰ পিতৃৰ নাম আছিল মীৰসেন আৰু তেওঁ তাঁতী কুলৰ লোক আছিল। কিন্তু পশ্চিমৰ 'মিচ্ছদেস', অর্থাৎ 'ম্লেছদেশ' ক'ত আছিল তাৰ উৱাদিহ উলিওৱা যথেষ্ট কঠিন কাম।

ভাৰতবর্ষৰ ইতিহাস অধ্যয়ন কৰিলে এই কথা জানিব পৰা যায় যে পাৰস্যৰ মুছলমানসকলে ৭১২ খ্ৰীষ্টাব্দত তৎকালীন ভাৰতবর্ষৰ পশ্চিম প্ৰান্তৰৰ (সম্প্ৰতি পাকিস্তানৰ অন্তর্গত) ব্ৰাহ্মণৰাজ ডাহিৰক পৰাস্ত কৰি সিন্ধু আৰু মূলতানত পোন প্ৰথমবাৰৰ বাবে মুছলমান সাম্ৰাজ্য স্থাপন কৰিছিল। এই মুছলমানসকলক সেই অঞ্চলৰ স্থানীয় লোকসকলে 'ম্লেছ' আখ্যা দিছিল আৰু তেওঁলোকে অধিকাৰ কৰা ঠাইসমূহক 'ম্লেছদেশ' বুলিছিল। কবি আব্দুল ৰহমানৰ পিতৃ মীৰসেনৰ এনে 'মিচ্ছদেস' বা 'ম্লেছদেশ'-তে জন্ম হৈছিল আৰু এই দেশ সম্ভৱতঃ আছিল সিন্ধু উপত্যকা অঞ্চলৰ মূলতান। পৰৱর্তী কোনো এক সময়ত কবি আব্দুল ৰহমানে অতীতৰ বাসস্থান এৰি বর্তমান গুজৰাটৰ অন্তর্গত সৌৰাষ্ট্ৰ-কচ্ছ অঞ্চলত নতুনকৈ বসবাস কৰিবলৈ লৈছিল। সৌৰাষ্ট্ৰ অঞ্চললৈ তেওঁৰ প্ৰব্ৰজনৰ কাৰণ সম্ভৱতঃ সেই সময়ত ভাৰতবর্ষৰ উত্তৰ-পশ্চিম অঞ্চলত দেখা দিয়া অশান্ত পৰিবেশ। কাৰণ, ইতিহাসৰ তথ্যই এই কথা প্ৰমাণ কৰে যে সেই সময়ৰ সিন্ধু-পাঞ্জাৱকে ধৰি সমগ্ৰ উত্তৰ-পশ্চিম ভাৰতবর্ষত তুর্কী, মোগল, পাঠান আদি ইছলাম ধর্মাৱলম্বী লোকসকলে কৰা বাৰম্বাৰ আক্ৰমণে সেই অঞ্চলত যথেষ্ট অশান্তিৰ সৃষ্টি কৰিছিল। ইয়াৰ ফলত সাহিত্য-সংস্কৃতি-চিন্তাৰ পৰিৱেশ সম্পূর্ণৰূপে বিধ্বস্ত হৈছিল।

সন্দেশ ৰাসকৰ ভাষা আৰু বর্ণিত বিষয়েও এই কথা প্ৰমাণ কৰে যে কবি আব্দুল ৰহমান প্ৰাচীন পশ্চিমা ৰাজস্থানী অর্থাৎ মাৰোৱাৰী-গুজৰাটী ভাষিক এলেকাৰ কোনো এঠাইৰ লোক আছিল। সম্ভৱতঃ মূলতান-সিন্ধু অঞ্চলৰ পৰা আহি তেওঁ এই অঞ্চলতে বসতি কৰিছিল আৰু সাহিত্য-চর্চাত মনোনিৱেশ কৰিছিল। কাব্যখনিত 'মূলথানু' বা 'মূলতান', 'সামৰু' বা 'শাম্বপুৰম' নগৰৰ বর্ণনাত কবিয়ে অত্যুৎসাহ দেখুৱাটোৱেও কবিৰ পূর্বৰ বাসভূমি মূলতান অঞ্চল বুলি প্ৰমাণ দাঙি ধৰে। ইয়াৰ উপৰি 'খস্তাইত্তিহি' (স্তম্ভতীর্থ বা খম্ভাত), 'জালন্ধৰি' (জলন্ধৰ),

'বিজয়নগৰ' (বিক্ৰমপুৰ) আদি ঠাইৰ উল্লেখেও তেনে কথাকে দৃঢ় কৰে। কাব্যখনিৰ প্ৰথম সংগ্ৰাহক তথা সম্পাদক জিন বিজয়ে এনেবোৰ ঠাইৰ নামৰ আধাৰতে কবি আব্দুল ৰহমানক ভাৰতবৰ্ষৰ পশ্চিম সীমান্তৰ লোক আছিল বুলি উল্লেখ কৰিছে। বিখ্যাত পণ্ডিত ৰাহুল সাংকৃত্যায়নেও আব্দুল ৰহমান মূলতান অঞ্চলৰ বাসিন্দা আছিল বুলি মত প্ৰকাশ কৰিছে। কিন্তু সেয়ে হ'লেও, কাব্যখনিত কবিয়ে নিজে উল্লেখ কৰি থৈ যোৱা পৰিচয়, কাব্যৰ ভাষা আৰু ৰচনাশৈলীয়ে আব্দুল ৰহমানক এতিয়াৰ গুজৰাট অঞ্চলৰ নাইবা আন কথাত মাৰোৱাৰী-গুজৰাটী ভাষা-প্ৰধান অঞ্চলৰ লোক আছিল বুলি প্ৰতিপন্ন কৰে।

নব্য ভাৰতীয় আৰ্যভাষা ৰূপে আত্মপ্ৰকাশ কৰা গুজৰাটী-মাৰোৱাৰী ভাষাই আনুমানিক খ্ৰীষ্টিয় ষোড়শ শতিকাত গুজৰাটী আৰু ৰাজস্থানীৰূপে স্বতন্ত্ৰ ভাষাৰ মৰ্যাদা লাভ কৰে। এই দুয়োটা ভাষাই শৌৰসেনী প্ৰাকৃত তথা তাৰ অপভ্ৰংশ ৰূপৰ পৰা বিকাশ লাভ কৰিছিল। এই ভাষা দুটাই আধুনিক ৰূপ লাভ কৰাৰ পূৰ্বে শৌৰসেনী অপভ্ৰংশত বিপুল পৰিমাণৰ সাহিত্য ৰচিত হৈছিল। এটা সময়ত গুৰ্জৰ উপজাতিয়ে এই ভাষিক অঞ্চলত নিজৰ গুৰ্জৰ ৰাজ্য প্ৰতিষ্ঠা কৰিলেও, পৰিশেষত সেই জাতিৰ লোকসকলেও আৰ্য ভাষাকে নিজৰ বুলি আঁকোৱালি লয়। ইয়াৰ স্বাভাৱিক পৰিণতি হিচাপে গুৰ্জৰ ভাষাৰ কিছুমান বৈশিষ্ট্য শৌৰসেনী অপভ্ৰংশত সোমাই পৰে। আপুনি ইতিমধ্যে গম পাইছে যে *সন্দেশ ৰাসকৰ* ভাষা শৌৰসেনী অপভ্ৰংশৰ অৰ্বাচীন ৰূপ বা পশ্চিমা অৱহট্‌ঠ। সেয়ে হ'লেও, ইয়াৰ ভাষাত পূৰ্বে উল্লেখ কৰা গুৰ্জৰ ভাষাৰ দুই-এক বৈশিষ্ট্যও লক্ষ্য কৰিব পাৰি। এনে কথাই কাব্যখনি গুজৰাট অঞ্চলত ৰচিত হোৱাৰ সম্ভাৱনা দাঙি ধৰে। গুজৰাট অঞ্চলত সংস্কৃত, শৌৰসেনী প্ৰাকৃত তথা শৌৰসেনী অপভ্ৰংশৰ প্ৰাচীন-অৰ্বাচীন ভাষাত বিবিধ সাহিত্য-চৰ্চাৰ ধাৰাবাহিক ইতিহাস পোৱা যায়। কিন্তু, ইয়াৰ বিপৰীতে সিন্ধু-মূলতান অঞ্চলত সাহিত্য-চৰ্চাৰ তেনে কোনো ধাৰাবাহিকতা পাবলৈ নাই। গতিকে ভাষা তথা ঐতিহ্যৰ দৃষ্টিৰে বিচাৰ কৰি পণ্ডিতসকলে *সন্দেশ ৰাসক* কাব্যখনি গুজৰাট অঞ্চলতে ৰচিত হৈছিল বুলি অনুমান কৰিছে।

গুজৰাটী ভাষাত পূৰ্বৰে পৰাই কেতবোৰ লোকধৰ্মী কাব্য ৰচিত হোৱাৰ প্ৰমাণ পোৱা যায়। এইবোৰৰ ভিতৰত 'ৰাসক' কাব্য অন্যতম। নাৰী মনৰ প্ৰকাশক এইবিধ জনপ্ৰিয় কাব্য গুজৰাটীৰ নিজস্ব সম্পদ। আপোনাৰ পাঠ্যক্ৰমৰ অন্তৰ্গত *সন্দেশ ৰাসক*-ৰ বৈশিষ্ট্যলৈ লক্ষ্য কৰি ইয়াকো ৰাসক শ্ৰেণীৰ কাব্য আখ্যা দিয়া হৈছে। উল্লেখনীয় যে এই কাব্যখনিত এগৰাকী নাৰীৰ মানসিক অৱস্থাৰ প্ৰতিচ্ছবি অতিশয় মৰ্মস্পৰ্শীভাৱে চিত্ৰিত হৈছে। কবি আব্দুল ৰহমানক গুজৰাট অঞ্চলৰ লোক বুলি অনুমান কৰাৰ ইও অন্যতম কাৰণ।

পৰিশেষত এনেদৰে ক'ব পাৰি যে *সন্দেশ ৰাসকৰ* স্ৰষ্টা কবি আব্দুল ৰহমানৰ পূৰ্বপুৰুষ আছিল সিন্ধু-মূলতান অঞ্চলৰ বাসিন্দা। কিন্তু পৰৱৰ্তী সময়ত কিবা বিশেষ কাৰণবশতঃ এই কবিগৰাকীয়ে মূল বাসভূমি এৰি গুজৰাট অঞ্চলত

বসতি কৰিবলৈ লয়। তাতে তেওঁ স্থানীয় ভাষা আৰু সাহিত্যৰ ঐতিহ্যৰ সৈতে গভীৰভাৱে পৰিচিত হয় আৰু তেনে পৰম্পৰাক আধাৰ হিচাপে লৈ উল্লিখিত কাব্যখনি ৰচনা কৰে। *সন্দেশ ৰাসকত* পৰিলক্ষিত হোৱা প্ৰাচীন ভাৰতীয় কাব্য-পৰম্পৰাৰ অনুসৰণ, ইছলাম ধৰ্মৰ প্ৰভাৱহীনতা, বহিঃপ্ৰভাৱহীন স্থানীয় লোকভাষাৰ লগে লগে তৎকালীন সাহিত্যত ব্যৱহৃত ভাষাৰ যথাৰ্থ ব্যৱহাৰ আদি বৈশিষ্ট্যই তেনে ধাৰণাকে দৃঢ় কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ *সন্দেশ ৰাসক* কাব্যৰ ৰচকগৰাকীৰ চমু পৰিচয় দাঙি ধৰক। (৭৫টা শব্দৰ ভিতৰত)

৫.৩.২ *সন্দেশ ৰাসকৰ* ৰচনা কাল

অন্যান্য পুৰণি সাহিত্যৰ দৰে *সন্দেশ ৰাসকৰো* ৰচনা কাল সম্পৰ্কে কোনো উল্লেখ পাবলৈ নাই। গতিকে ইয়াৰো ৰচনাৰ সময় অন্য কোনো উল্লেখ বা তথ্যৰ ভিত্তিত নিৰ্ণয় কৰি ল'বলগীয়া হয়। কাব্যখনিৰ নামকৰণত থকা 'ৰাসক' শব্দৰ উল্লেখ আৰু অৱহট্‌ঠ ভাষাত ৰচিত সাহিত্যৰ সময় নিৰ্ণয় কৰিব পাৰিলে এই কাব্যখনিৰ ৰচনা-কালৰ নিৰ্ণয় সহজ হৈ উঠিব।

পণ্ডিতসকলে এই কথা অনুমান কৰিছে যে অৱহট্‌ঠ সাহিত্যৰ ৰচনা আৰু 'ৰাসক' সাহিত্যৰ উদ্ভৱ প্ৰায় সমসাময়িকভাৱে হৈছিল আৰু এই কাৰ্য সংঘটিত হৈছিল খ্ৰীষ্টিয় একাদশ-দ্বাদশ শতিকামানৰ পৰা। গতিকে *সন্দেশ ৰাসক* কাব্যখনি দ্বাদশ শতিকাৰ অন্তিম ভাগ কিংবা ত্ৰয়োদশ শতিকাৰ আদি ভাগত ৰচিত হৈছিল বুলি অনুমান কৰি ল'ব পাৰি। কাব্যখনিৰ এখনি ভাষ্য লক্ষীচন্দ্ৰ নামৰ টীকাকাৰ এগৰাকীয়ে ১৪৬৫ খ্ৰীষ্টাব্দত যুগুতাই উলিয়াইছিল বুলি জানিব পৰা যায়। সাধাৰণতে সৰ্বসাধাৰণৰ বাবে দুৰ্বোধ্যৰূপে পৰিগণিত গ্ৰন্থৰহে টীকা বা ভাষ্য ৰচনাৰ আৱশ্যকতা থাকে। প্ৰাচীন ভাৰতীয় ভাষাত ৰচিত প্ৰায়ভাগ গ্ৰন্থৰ পৰৱৰ্তী সময়ত হোৱা টীকা ভাষ্যবোৰে সেই কথাৰ প্ৰমাণ দাঙি ধৰে। *সন্দেশ ৰাসক* কাব্যও তাৰ ব্যতিক্ৰম নহয়। ইয়াৰ মূল পাঠ পৰৱৰ্তী প্ৰায় দুশ বছৰৰ ব্যৱধানত সাধাৰণ মানুহৰ বাবে দুৰ্বোধ্য হৈ পৰাটোত আচৰিত হ'বলগীয়া নাই। এনে কাৰণতে সম্ভৱতঃ লক্ষীচন্দ্ৰ নামৰ উল্লিখিত টীকাকাৰ গৰাকীয়ে সকলোৱে সহজে বুজিব পৰাকৈ *সন্দেশ-ৰাসকৰ* উক্ত টীকাখন ৰচনা কৰিছিল।

কাব্যখনিত বৰ্ণিত বিষয়বস্তুৰে কবি তথা কাব্যৰ সময় দ্বাদশ-ত্ৰয়োদশ শতিকা বুলি অনুমান কৰাত অৰিহণা যোগায়। ইয়াৰ বৰ্ণনীয় বিষয় হৈছে বিজয়নগৰৰ স্বামী-বিৰহিনী সুন্দৰী এগৰাকীৰ বেদনা-গধুৰ জীৱন-যন্ত্ৰণা আৰু সেই

বেদনা জনৈক পথিকৰ মাধ্যমেৰে প্ৰবাসত থকা স্বামীলৈ প্ৰেৰণ। কাব্যত উল্লেখ থকা মতে নায়িকাৰ স্বামী ব্যৱসায় সংক্ৰান্তত ভালেমান দিন খম্ভাত নামৰ ঠাইত আছিলগৈ। যি গৰাকী পথিকক নায়িকাই বাটেৰে উৰি যোৱা দি প্ৰচণ্ড বেগেৰে গৈ থকা দেখিছিল তেওঁৰো গন্তব্য স্থল আছিল খম্ভাত। এই খম্ভাত নামৰ ঠাইখন চালুক্য বংশৰ ৰজা সিদ্ধৰাজ আৰু কুমাৰপালৰ ৰাজত্বকালত ব্যৱসায়-বাণিজ্যৰ প্ৰধান কেন্দ্ৰবিন্দু হৈ পৰিছিল। এই দুজনা ৰজাৰ তথা চালুক্য বংশৰ শাসনকালত সৌৰাষ্ট্ৰ বা গুজৰাট ৰাজ্যৰ উত্তৰ-পশ্চিম সীমান্ত সিন্ধু নদী পৰ্যন্ত প্ৰসাৰিত আছিল আৰু সেইবোৰ ঠাইত বিভিন্ন প্ৰান্তৰৰ পৰা অহা বণিকসকল ব্যৱসায়-বাণিজ্যৰ বাবে গোট খাইছিল বুলি অনুমান কৰা হৈছে। গতিকে আব্দুল ৰহমানৰ কাব্যৰ বিৰহিনী নায়িকাৰ পতি ব্যৱসায়িক কাৰণত খম্ভাতলৈ যোৱা কথাৰ উল্লেখে কাব্যখনি সিদ্ধৰাজ আৰু কুমাৰপালৰ শাসনকালত, অৰ্থাৎ খ্ৰীষ্টিয় দ্বাদশ শতিকাৰ শেষভাগ অথবা ত্ৰয়োদশ শতিকাৰ আদি ভাগত ৰচিত হৈছিল বুলি প্ৰতিপন্ন কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ *সন্দেশ ৰাসক* কাব্যৰ ৰচনা-কাল নিৰ্ণয় কৰক। (৭৫টা শব্দৰ ভিতৰত)

৫.৩.৩ *সন্দেশ ৰাসক* কাব্যৰ নামকৰণ আৰু গঠনৰীতি

আপুনি পূৰ্বৰ উপশাখা দুটাত *সন্দেশ-ৰাসকৰ* ৰচকগৰাকীৰ পৰিচয় আৰু ৰচনাৰ সময় সম্বন্ধে অধ্যয়ন কৰিলে। এতিয়া এইটো উপশাখাত উক্ত কাব্যৰ নামকৰণৰ তাৎপৰ্যৰ বিষয়ে আপোনাক অৱগত কৰোৱা হ'ব। কাব্যখনিক *সংনেহ ৰাসউ* (*সন্দেশ ৰাসক*) নামেৰে কিয় বিভূষিত কৰা হ'ল সেই প্ৰশ্ন নিশ্চয় আপোনাৰ মনলৈও আহিছে। অলপ মন কৰিলে আপুনি বুজিব পাৰিব যে দুটা বিশেষ শব্দ— 'সংনেহ' (সংস্কৃত সন্দেশ) আৰু 'ৰাসউ' (সংস্কৃত ৰাসক)ৰ সংযোগ সাধনেৰে কাব্যখনিৰ শিৰোনামটো সৃষ্টি কৰা হৈছে। সংস্কৃত 'সন্দেশ' তথা প্ৰাকৃত 'সংনেহ'ৰ মূল অৰ্থ বাতৰি বা খবৰ। কাব্যখনিৰ মুখ্য বিষয় হৈছে বিজয়নগৰৰ স্বামী-বিৰহ-কাতৰা প্ৰোষিতভৰ্তৃকা নাৰী এগৰাকীৰ দ্বাৰা বাটেৰে গৈ থকা জনৈক পথিকৰ মাধ্যমেৰে প্ৰবাসগত স্বামীলৈ বিৰহ-যন্ত্ৰণাৰ 'সন্দেশ' বা 'বাৰ্তা' প্ৰেৰণ। সেই হেতুকে কবিয়ে বিষয়বস্তুৰ পৰিচয় ব্যক্ত হোৱাকৈ কাব্যখনিৰ নামকৰণত 'সন্দেশ' শব্দটো জড়িত কৰিছে। আনহাতে 'ৰাসউ' শব্দই লোক জীৱনৰ শৃঙ্গাৰাত্মক প্ৰেমমূলক কাহিনীক বুজায়। কাব্যখনিৰ ঘাই ৰস আদি বা শৃঙ্গাৰ হোৱা হেতুকে 'সংনেহ' (সন্দেশ)ৰ সৈতে 'ৰাসউ' (ৰাসক) শব্দ লগ লগাই কাব্যৰ নাম 'সংনেহ-ৰাসউ' *(সন্দেশ ৰাসক)* ৰখা হৈছে।

ভাৰতীয় সাহিত্যত পুৰণি কালৰে পৰাই ৰাস, ৰাসা, ৰাসক শব্দৰ প্রয়োগ লক্ষ্য কৰা যায়। এইবোৰ শব্দ বহু সংখ্যক নাৰীয়ে অংশগ্রহণ কৰা বিভিন্ন তাল-লয়েৰে সু-সমৃদ্ধ নৃত্যানুষ্ঠানক বুজাবলৈ ব্যৱহাৰ কৰা হৈছিল। (এই প্রসঙ্গত আপুনি মহাপুৰুষ শঙ্কৰদেৱ বিৰচিত *কীর্তন-ঘোষা*ৰ ৰাসক্রীড়া খণ্ডটোলৈ মন কৰক। ইয়াতো 'ৰাস' শব্দৰ দ্বাৰা যমুনাৰ পাৰত বৃন্দাবনৰ গোপীনীসকলে কৃষ্ণৰ সৈতে চক্রাকাৰে কৰা এক প্রকাৰৰ নৃত্যক বুজোৱা হৈছে।) ভাৰতীয় নাট্য পৰম্পৰাত 'ৰাসক' আৰু 'নাট্য-ৰাসক' নামৰ দুবিধ উপৰূপকৰো উল্লেখ পোৱা যায়। সি যি কি নহওক, 'ৰাসক' অভিধাই প্রথমতে নৃত্যানুষ্ঠান বা গীত-প্রধান নাট্যানুষ্ঠানক বুজাইছিল। পাছলৈ শব্দটোৱে গীতি-প্রধান কাব্যক বুজাবলৈ লৈছিল।

বিশেষজ্ঞসকলে 'ৰাস' সাহিত্যক দুটা ভাগত ভগাইছে— জৈন ৰাস আৰু লোক-ৰাস। জৈন ৰাস মূলতঃ জৈনধর্মৰ আদর্শৰ দ্বাৰা পৰিচালিত। নৈতিকতা আৰু আধ্যাত্মিক মনোভাবৰ প্রকাশ ইয়াৰ প্রধান বিশেষত্ব। ইয়াৰ বিপৰীতে লোক-ৰাসত ঘাইকৈ বীৰ আৰু শৃঙ্গাৰ ৰসে প্রাধান্য লাভ কৰা পৰিলক্ষিত হয়। ইয়াৰ বিষয়বস্তু ইতিহাস অথবা লৌকিক প্রেম সম্বলিত ঘটনাৰ পৰা আহৰিত হ'ব পাৰে।

'ৰাস' বা 'ৰাসা' আৰু 'ৰাসক'ৰ কেতবোৰ মৌলিক পার্থক্য আছে। 'ৰাস' বা 'ৰাসা' হৈছে আৱেগ সম্বলিত বীৰগাথা অথবা বর্ণনাধর্মী দীঘল কবিতা। আনহাতে 'ৰাসক' হৈছে নাৰীৰ সুখ-দুখ, বিৰহ-ব্যথাৰে পৰিপুষ্ট লোক-জীৱনৰ পৰা আহৰিত গাথা। 'ৰাসক'ৰ কাহিনী প্রায়ে কবি-কল্পিত আৰু এইবোৰৰ প্রধান ৰস আদি বা শৃঙ্গাৰ। তদুপৰি ৰাসক কাব্যৰ ছন্দসজ্জাৰ এক স্বকীয়ত্ব আছে; সেই ছন্দৰ জৰিয়তে এই কাব্যই গীতিময়তা লাভ কৰে। আপোনাৰ পাঠ্যক্রমৰ অন্তর্ভুক্ত অৱহট্‌ঠ ভাষাৰ কাব্য *সন্দেশ ৰাসক*ৰ দ্বিতীয় প্রক্রমৰ ৪৩নং গাথাত এনেদৰে উল্লেখ আছে—'কহ বহুৰুৰি নিবদ্ধউ ৰাসউ ভাসিয়ই।' ইয়াৰ অর্থ হ'ল 'কোনো ঠাইত অভিনেতাই বিবিধ ৰূপেৰে নিবদ্ধ ৰাসক অভিনয় কৰা (বা পাঠ কৰা) শুনিবলৈ পায়।' এনে উল্লেখৰ পৰা বুজিবলৈ টান নহয় যে গীতি-নাট্য তথা নির্দিষ্ট ছন্দত ৰচিত কাব্যই 'ৰাসক' কাব্য।

ৰাসক কাব্যৰ ছন্দসজ্জা কিছু সকীয়া প্রকৃতিৰ। এই ছন্দৰ বৈশিষ্ট্যবোৰ এনে ধৰণৰ—

ক) চাৰিটাকৈ চৰণ মিলি একোটা ৰাসক ছন্দ সম্পূর্ণ হয়;

খ) প্রতিটো চৰণৰ মাত্রা সংখ্যা ২১;

গ) প্রত্যেক চৰণৰ অন্তিম মাত্রালঘু হয়; আৰু

ঘ) প্রথম-দ্বিতীয় আৰু তৃতীয়-চতুর্থ চৰণৰ অন্ত্য মিল থাকে।

আলোচ্য *সন্দেশ ৰাসক* কাব্যৰ ছন্দসজ্জাত ওপৰত দেখুৱাই অহা বৈশিষ্ট্যবোৰ সণ্ঢালনিকৈ ব্যৱহাৰ হোৱা দেখা যায়। কবিয়ে অৱশ্যে আৱশ্যকবোধে বিশেষ কেতবোৰ ঠাইত 'দোহা' 'চউপইয়' আদি ভিন্ ভিন্ ছন্দও প্রয়োগ কৰিছে।

সি যি নহওক, 'ৰাসক' শব্দই পোনতে যে নাৰীসকলৰ দ্বাৰা পৰিৱেশিত বিভিন্ন তাল-লয়যুক্ত নৃত্য-গীতৰ এক বিশেষ অনুষ্ঠানক বুজাইছিল, সেই কথা স্পষ্ট। পৰৱর্তী সময়ত শব্দটোৱে ওপৰত উল্লেখ কৰি অহা বিশেষ ধৰণৰ ছন্দসজ্জাৰে চৰিত এক শ্রেণীৰ লয়বিশিষ্ট গীতি-কাব্যক বুজাবলৈ লয়। খ্রীষ্টিয় দশমৰ পৰা দ্বাদশ শতিকাৰ সময়ছোৱাত এইবিধ কাব্যই সর্বসাধাৰণৰ বিশেষ সমাদৰ লাভ কৰিবলৈ সমর্থ হয়। পোনতে জৈন মতাৱলম্বীসকল ধর্ম প্রচাৰৰ লক্ষ্য আগত ৰাখি এই বিধ কাব্য-চর্চাত ব্রতী হয় যদিও, পাছলৈ ই শৃঙ্গাৰ ৰস প্রধান লোক কাব্যৰো বাহন হৈ উঠে।

আপুনি অধ্যয়ন কৰি থকা এই শিতানটোৰ আৰম্ভণিতে মই কৈ আহিছো যে 'সংনেহ' (সন্দেশ) আৰু 'ৰাসউ' (ৰাসক) — এই দুই শব্দৰ সংযোগত *সংনেহ ৰাসউ*, অর্থাৎ *সন্দেশ ৰাসক* শিৰোনামটো গঠিত হৈছে। 'সন্দেশ' শব্দৰ অর্থ হ'ল 'খবৰ' বা 'বার্তা' আৰু আনহাতে ভাৰতীয় পৰম্পৰাত 'ৰাসক' হ'ল এবিধ গীতি-কাব্যৰ ছন্দৰ নাম। আপুনি কাব্যখনিৰ বিষয়বস্তুৰ প্রসঙ্গত পাই আহিছে যে *সন্দেশ ৰাসক* কাব্যত এগৰাকী বিৰহিনী নাৰীয়ে নিজৰ বিৰহ-যন্ত্রণাৰ বার্তা প্রবাসত থকা স্বামীক জনাবলৈ বাটেৰে গৈ থকা জনৈক পথিকক কাতৰ অনুৰোধ জনাইছে। তদুপৰি, কাব্যখনিত 'দোহা', 'চউপইয়' আদি দুই-এবিধ ভিন্ন ছন্দ প্রয়োগ কৰিলেও, ই মূলতঃ 'ৰাসক' ছন্দত ৰচিত। 'সন্দেশ' বা 'বার্তা'ই মুখ্য ভূমিকা লোৱা হেতুকে আৰু 'ৰাসক' ছন্দত ৰচিত হোৱা বাবে কাব্যখনিৰ *সন্দেশ ৰাসক* নামকৰণ যথোপযুক্ত হৈছে বুলি নিঃসন্দেহে পতিয়ন যাব পাৰি।

কাব্যখনৰ গঠন-বৈশিষ্ট্য কিছু ভিন্ন প্রকৃতিৰ। মুঠ তিনিটা খণ্ডৰ জৰিয়তে ইয়াৰ বিষয়বস্তু উপস্থাপিত হৈছে আৰু প্রতিটো খণ্ডৰ নাম দিয়া হৈছে 'প্রক্রম'। ইয়াৰে 'প্রথম প্রক্রম'ত কাব্যৰ প্রস্তাৱনা, কবিৰ পৰিচয় আৰু আত্ম-লঘিমা ব্যক্ত কৰা হৈছে। 'দ্বিতীয় প্রক্রম'ত কাব্যৰ মূল কাহিনী আৰম্ভ হৈছে। ইয়াত বিৰহিনী নায়িকাৰ বিৰহ-বেদনা, নায়িকাৰ দ্বাৰা বাটেৰে গৈ থকা জনৈক পথিকক প্রবাসত থকা স্বামীৰ ওচৰলৈ তেওঁৰ বিৰহ-যন্ত্রণাৰ বাতৰি লৈ যাবলৈ কাতৰ অনুৰোধ, বাটৰুৱাৰ দ্বাৰা নায়িকাৰ ৰূপ-লাৱণ্যৰ প্রশংসা আৰু সাম্বপৰ নগৰৰ সৌন্দর্যৰ বিৱৰণ দিয়া হৈছে। তৃতীয় 'প্রক্রম'ত আছে ষড়ঋতুৰ প্রতিটোতে ঘটা নায়িকাৰ দুখ-বেদনাৰ মর্মস্পর্শী বর্ণনা। ঠিক তেনে সময়তে নায়কৰ হঠাৎ ঘটা প্রত্যাৱর্তনৰ ফলত নায়িকাৰ মনত সৃষ্টি হোৱা আৱেগ-বিহ্বল আনন্দদায়ক পৰিস্থিতিৰ মাজেৰে কাব্যৰ সামৰণি পৰিছে।

কাব্যখনিৰ গাঁথনিক দিশত ৰাসক ছন্দই এক বিশেষ ভূমিকা পালন কৰিছে। এইবিধ ছন্দৰ জৰিয়তে কবিয়ে ঘটনাক্রমৰ বিৱৰণ নিটোল ৰূপত দাঙি ধৰিবলৈ সমর্থ হৈছে। এই ফালৰ পৰাও কাব্যৰ নামকৰণত 'ৰাসক' শব্দৰ সংযোজন যথোপযুক্ত হৈছে বুলি ক'ব পাৰি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ 'ৰাসক' ছন্দৰ বৈশিষ্ট্য উল্লেখ কৰি *সন্দেশ ৰাসক* কাব্যৰ গঠন-ৰীতিৰ এটি টোকা লিখা। (১৫০টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ৪ ঃ *সন্দেশ ৰাসক* কাব্যৰ শিৰোনামৰ সাৰ্থকতা বিচাৰ কৰক। (১৫০টা শব্দৰ ভিতৰত)

৫.৩.৪ বিষয়বস্তু আৰু কাব্যিক সৌন্দৰ্য

আব্দুল ৰহমানৰ *সন্দেশ ৰাসক* ভাৰতীয় দূত-কাব্য পৰম্পৰাৰ এক উল্লেখযোগ্য নিদৰ্শন। সেয়ে হ'লেও, ই মূলতঃ এখনি প্ৰেমমূলক কাব্য। মুঠ তিনিটা প্ৰক্ৰমত বিভক্ত এই কাব্যখনিৰ মাজেৰে ব্যৱসায়জনিত কাৰণত ঘৰৰ পৰা আঁতৰত থকা প্ৰবাসগত স্বামীৰ বিৰহত দৈহিক-মানসিক দুয়ো প্ৰকাৰৰ যন্ত্ৰণাৰে জীৱন কটোৱা এগৰাকী সুন্দৰী ৰমণীৰ বিৰহ-ব্যথা অতিশয় মৰ্মস্পৰ্শীভাৱে তুলি ধৰা হৈছে। ইয়াৰে 'প্ৰথম প্ৰক্ৰম'ত কাব্যৰ প্ৰস্তাৱনা, কবিৰ স্বকীয় পৰিচয়, কাব্য ৰচনাৰ উদ্দেশ্য আৰু ৰচকৰ আত্ম-লঘিমা ব্যক্ত কৰা হৈছে। 'দ্বিতীয় প্ৰক্ৰম'ত বিৰহিনী নায়িকাৰ বিৰহ-বেদনা, নায়িকাৰ দ্বাৰা বাটেৰে গৈ থকা জনৈক পথিকক প্ৰবাসত থকা স্বামীৰ ওচৰলৈ তেওঁৰ বিৰহ-যন্ত্ৰণাৰ বাতৰি লৈ যাবলৈ কৰা কাতৰ অনুৰোধ, বাটৰুৱাৰ দ্বাৰা নায়িকাৰ দৈহিক ৰূপ-লাৱণ্যৰ প্ৰশংসা আৰু সাম্বপুৰ নগৰৰ মনোমোহা সৌন্দৰ্যৰ বিৱৰণ দিয়া হৈছে। তৃতীয় 'প্ৰক্ৰম'ত আছে ছয় ঋতুৰ বিৱৰণ আৰু ঋতুভেদে নায়িকাই ভোগ কৰা দুখ-বেদনাৰ মৰ্মস্পৰ্শী বৰ্ণনা। ঠিক তেনে সময়তে নায়ক হঠাৎ ঘৰলৈ উভতি অহাত নায়িকাৰ মনত সৃষ্টি হোৱা আনন্দদায়ক পৰিস্থিতিৰ মাজেৰে কাব্যখনিৰ সামৰণি মৰা হৈছে। ২২ প্ৰকাৰৰ বিবিধ ছন্দৰ ব্যৱহাৰেৰে মুঠ ২২৩টা গাথাৰ মাজেৰে কবিয়ে বিৰহিনী নায়িকাৰ বিৰহ-বেদনা দাঙি ধৰিবলৈ প্ৰয়াস কৰিছে। তলত আপোনাৰ অৱগতিৰ অৰ্থে কাব্যৰ বিষয়বস্তুৰ আভাস দিয়া হৈছে।

বিজয়নগৰ নিবাসী এগৰাকী সুন্দৰী নাৰীয়ে ব্যৱসায় সংক্ৰান্তত বিদেশলৈ যোৱা স্বামীৰ বিৰহত কাতৰ হৈ উৎকণ্ঠাৰে বাটলৈ চাই থাকোতে হঠাৎ মাটিত ভৰি লগা নলগাকৈ উৰি যোৱাৰ দৰে তীব্ৰ বেগেৰে গৈ থকা এগৰাকী পথিকক দেখা পালে। তেওঁ ক্ষীপ্ৰ বেগেৰে পথিকৰ ওচৰ চাপি পথিকজন ক'ৰ পৰা আহিছে, ক'লৈ যাব সুধিলে। পথিকে ক'লে যে তেওঁ সাম্বপুৰৰ পৰা আহিছে আৰু খম্ভাতলৈ যাব। পথিকৰ কথা শুনি সেই ৰমণীগৰাকীৰ মন উগুল-থুগুল হৈ পৰিল। কাৰণ তেওঁৰ স্বামী ব্যৱসায় সংক্ৰান্তত খম্ভাততে আছেগৈ। তেওঁ বাটৰুৱাজনক তেওঁৰ বিৰহ-বেদনাৰ খবৰ বা 'সন্দেশ' স্বামীৰ ওচৰলৈ কঢ়িয়াই লৈ যাবলৈ কাতৰ অনুৰোধ জনালে। স্বামী অবিহনে দেহ-মনত সৃষ্টি হোৱা বিৰহজনিত দুখৰ কথা, স্বামীৰ

অনুপস্থিতিত পাৰ কৰা সম্ভোগবিহীন দিনবোৰৰ কথা তেওঁ পথিকৰ আগত বিৱৰি ক'লে। বিৰহিণী নাৰীগৰাকীৰ চকুত লোতক দেখি পথিকে সহানুভূতিৰে তেওঁক স্বামীয়ে এৰি যোৱা কিমান দিন হ'ল সুধিলে। নাৰীগৰাকীয়ে ক'লে যে তেওঁৰ স্বামী যোৱাৰ সময়টো গ্ৰীষ্ম কাল আছিল। এতিয়া বসন্ত কাল। গতিকে এটা বছৰ পাৰ হ'ল। তেওঁ সহ্যাতীত পৰিস্থিতিৰ মাজেৰে গ্ৰীষ্ম ঋতু পাৰ কৰিলে। উদ্বিগ্নতাৰ মাজত বৰ্ষা ঋতুও পাৰ হ'ল। শৰৎ আৰু হেমন্ত ঋতু তেওঁ দুখৰ মাজেৰেই পাৰ কৰিলে। এতিয়া বসন্ত ঋতুৰ আগমনৰ লগে লগে তেওঁ আগতকৈও অধীৰা হৈ পৰিছে। অশোক আৰু চজিনা ফুলে তেওঁৰ দুখ বঢ়াই তুলিছে, ময়ূৰীৰ নৃত্যই সেই দুখৰ মাত্ৰা আৰু অধিক বৃদ্ধি কৰিছে; অসহ্য হৈ উঠিছে কুলি চৰাইৰ মাত; পচোৱাৰ শীতল বাই তেওঁৰ দেহৰ পোৰণি শাঁত পেলাব পৰা নাই; কিংশুক ফুলবোৰ যেন ফুল নহয়, ঘন ক'লা তেজ; উত্তেজক বসন্ত ঋতুৱে বুকুৰ ভিতৰত কামনাৰ জুই জ্বলাইছে আৰু তেওঁক প্ৰিয়-মিলনৰ বাবে কাতৰ কৰি তুলিছে।

বিৰহিণীয়ে এনেদৰে মনৰ দুখ-বেদনা পথিকৰ আগত ব্যক্ত কৰি সেই খবৰ তেওঁৰ স্বামীক জনাবলৈ কৈছে। তাৰ লগে লগে তেওঁ এই কথাও সোঁৱৰাই দিছে যাতে কথাবোৰ কওঁতে কিছু সতৰ্কতা অৱলম্বন কৰে আৰু গিৰীয়েকৰ খং নুঠাকৈ সহজভাৱে বুজাই কয়। এইখিনি কৈ পথিকজনক বিদায় দি বিৰহিণী নায়িকাই নিজ গৃহত প্ৰৱেশ কৰিব খোজোতেই দক্ষিণ দিশৰ পৰা তেওঁৰ প্ৰিয়জন গৃহাভিমুখে আহি থকা দেখিবলৈ পালে। স্বাভাৱিকতে এনে অপ্ৰত্যাশিত ঘটনাই নায়িকাক উৎফুল্লিত কৰি তুলিছে। নায়িকাই নিজে নভবাকৈ হঠাতে কাৰ্যসিদ্ধি লাভ কৰাৰ দৰে *সন্দেশ ৰাসক* কাব্যৰ পাঠক-শ্ৰোতায়ো সকলো কামতে সিদ্ধি লাভ কৰক— তেনে কামনাৰে কাব্যৰ পৰিসমাপ্তি ঘটোৱা হৈছে।

কাব্যখনিত কবিয়ে কাব্যৰ নায়িকাগৰাকীৰ বিৰহ-ব্যথা, সন্দেশ প্ৰেৰণ আৰু তাৰ অনুষঙ্গ হিচাপে নৈসৰ্গিক জগতৰ চিত্ৰ অতিশয় দক্ষতাৰে অঙ্কন কৰিছে। প্ৰকৃতি জগতৰ পৰা আহৰণ কৰা উপমাদিৰ প্ৰয়োগেৰে কবিয়ে নায়িকাৰ অপৰূপ শাৰীৰিক সৌন্দৰ্যৰ বিৱৰণ দিছে। ইয়াত প্ৰকৃতিৰ সকলো ছবি হৈ পৰিছে উদ্দীপন বিভাব, নায়িকাৰ হৃদয়ানুভূতিৰ ব্যঞ্জনা। আকৌ গ্ৰীষ্ম, বৰ্ষা, শৰৎ, হেমন্ত, শীত, বসন্ত —এই ছয় ঋতুৰ বৰ্ণনাৰ সৈতে কবিয়ে নিসৰ্গৰ বুকুৰ পৰা বুটলি অনা উপমাৰ যি সংযোগ ঘটাইছে, সেইবোৰে নায়িকাৰ হৃদয়াৱেগ যথাৰ্থ ৰূপত তুলি ধৰিবলৈ সমৰ্থ হৈছে। অৱশ্যে নায়িকাৰ দেহ-সংগঠনৰ বৰ্ণনাত কবি সংস্কৃত কবিকুলৰ সমকক্ষ হ'ব পৰা নাই। কিন্তু, সেয়ে হ'লেও কেতবোৰ প্ৰসঙ্গত তেওঁ মৌলিকতা দেখুৱাবলৈ যে সক্ষম হৈছে তাত সন্দেহৰ অৱকাশ নাই। বিশেষকৈ চিত্ৰধৰ্মী বৰ্ণনাত কবিৰ কুশলতা সংস্কৃত কবিসকলতকৈ কোনো গুণে কম নহয় বুলিব পাৰি। কান্দি কান্দি চকু উখহাই বাউলী হৈ পৰা, বিৰহ-বেদনাৰে ক্লিষ্ট নায়িকাৰ মুখমণ্ডলত মূৰৰ চুলি সিঁচৰিত হৈ পৰা, বাৰে বাৰে হুমুনিয়াহ কাঢ়ি হাতৰ আঙুলি ফুটাই থকা, সমগ্ৰ শৰীৰ ভাঙি এঙামুৰি দিয়া আদি চিত্ৰ তাৰ প্ৰকৃষ্ট উদাহৰণ। তেনেদৰে ধুমুহাৰ গতিৰে বাট বুলা

পথিকজনক দেখি তেওঁক লগ ধৰিবলৈ উত্ৰাৱল হৈ খোজ দিওঁতে নায়িকাৰ চঞ্চল নিতম্বৰ পৰা মেখেলা খুলি পৰা, সেইখন যথাস্থানত বান্ধি ল'বলৈ ধৰোঁতে ডিঙিৰ হাৰ সুলকি পৰা, সেইবোৰৰ কিছুমান এৰি কিছুমান বুটলি লৈ পুনৰ আগবাঢ়িব খোজোঁতে নুপুৰত জোটাপুতি লাগি মাটিত লুটি খাই পৰা, তাৰ পৰা বিস্ময় আৰু লজ্জাৰে উঠি পুনৰ খোজ দিবলৈ লওঁতেই পাটৰ কাঁচলি ফাটি মোহনীয় স্তনযুগল ঈষৎ মুক্ত হৈ পৰা আৰু দুটা পদুম ফুলেৰে স্বৰ্ণকুম্ভ ঢাকি ধৰাৰ দৰে নায়িকাই নিজৰ স্তনযুগল দুহাতেৰে ঢাকি ধৰা, বাটৰুৱাৰ মুখত নিজৰ প্ৰশংসা শুনি সলাজ ভাবেৰে ভৰিৰ আঙুলিৰে মাটি খুচৰি থকা আদি দৃশ্যায়নত কবিৰ দক্ষতা অনুভৱ কৰিব পাৰি। স্বামী-বিৰহ-কাতৰা ৰমণী এগৰাকীৰ এনে বিব্ৰত অৱস্থাৰ বিৱৰণ অতিশয় বাস্তৱ আৰু জীৱন্ত।

তৎকালীন কথ্য ভাষাত সোমাই পৰা বিভিন্ন দেশী শব্দৰ ব্যৱহাৰ কাব্যখনিৰ আন এক উল্লেখযোগ্য বৈশিষ্ট্য। কাব্যখনিত ব্যৱহৃত তেনে কেতবোৰ শব্দ হ'ল— ণজ্জই, খিসিঅ, সিহনা, ঝসুৰ, তুৰক্কি, ৰেংহতি, চল্লহি, চিক্কণৰউ ইত্যাদি। একেদৰে কবিয়ে বিষয়বস্তুৰ সৈতে খাপ খাই পৰা লোক-জীৱনত প্ৰচলিত বাক্যৰীতিও দক্ষতাৰে প্ৰয়োগ কৰিছে। এনে বৈশিষ্ট্যই কাব্যখনিক সাধাৰণ পাঠকৰ ওচৰ চপাই নিয়াত যথেষ্ট সহায় কৰিছে। উদাহৰণ হিচাপে তলৰ পংক্তি দুটালৈ আঙুলিয়াব পাৰি—

'ঠাহি-ঠাহি ণিমিসদ্‌ধু সুথিৰু অৱহাৰি মনু।'

(ৰ'ব, ৰ'ব, মাত্ৰ আধানিমেষ ৰৈ মোৰ কথা মনোযোগ দি শুনক।)

'তউ পংথিউ কণয়ংগি তত্থ বোলাবিয়উ।
কহি জাইসি হিব পতিয় কহঁব তুই আইয়উ।।

(তাৰ পাছত সেই কনকাংগীয়ে পথিকক সম্বোধন কৰি সুধিলে— আপুনিনো ক'ৰ পৰা আহিছে, ক'লৈনো যাব।)

উপমাৰ সার্থক প্ৰয়োগ, অনুপ্ৰাসৰ ঝংকাৰ আৰু চিত্ৰধর্মী বর্ণনাই কাব্যখনিক অপূর্ব সৌন্দর্য দান কৰিছে। তলৰ পংক্তিকেইটাই তাৰ প্ৰমাণ দাঙি ধৰিব—

'বিৰহাণনি সংবিঅ সসই দীহ কৰসাহ তোড়ই।'
'তহ মণহৰ চল্লংতিয় চংচলৰমণভৰি।
ছুৰৰি খিসিয় বসণাৱলি কিংকিণিবৱ পসৰি।।'
'পড়ি উট্‌ঠিয় সবিলক্খ সলজ্জিব সংঝসিয়।'
'ণয়ৰ ণামু সামৰু সবোৰুহদল ণয়ণি।
ণায়ৰ জনসংপুণু হৰিস সসিহৰবয়নি।।' ইত্যাদি

কবি আব্দুল ৰহমানৰ আত্ম-লঘিমা অতিশয় প্ৰশংসনীয়। তেওঁ বিদ্বানজনক সম্বোধন কৰি লিখিছে যে তেওঁৰ পূর্বৱর্তী সুপ্ৰসিদ্ধ কবিসকলে সুললিত ছন্দসজ্জাৰে সুন্দৰ সুন্দৰ কবিতা ৰচনা কৰি থৈ গৈছে। সেই কবিতা বাদ দি তেওঁৰ দৰে অজ্ঞানীজনে ৰচনা কৰা 'ললিয়হীন' (লালিত্যহীন), 'কুকুবিত্ত' (কুকবিতা বা

অকবিতা)ক কোনেও প্ৰশংসা নকৰে। এনে কথাৰ মাজেৰে কবিৰ বিনয়ী ভাব অতি স্পষ্টভাৱে প্ৰকাশ পাইছে। এই ভাব স্পষ্ট কৰিবলৈ তথা তেনে হোৱাৰ পাছতো তেওঁ কাব্য-ৰচনাত হাত দিয়াৰ যিবোৰ কাৰণ দৰ্শাইছে সেইবোৰৰ মাজত কবিৰ দৃষ্টিৰ সূক্ষ্মতা, উপমা প্ৰয়োগৰ দক্ষতা, পৰিচিত সাধাৰণ বস্তুক ভাবৰ উপযোগী কৰি তুলিব পৰা ক্ষমতা আদি বৈশিষ্ট্য সুন্দৰকৈ ফুটি উঠিছে। তেওঁৰ ধাৰণা অনুসাৰে যাৰ মাজত কাব্যিক প্ৰতিভা বিদ্যমান, তেওঁ কাব্য-চৰ্চা কৰা আৱশ্যক। কুলিৰ মাত শুৱলা হ'ল বুলি কাউৰীয়ে নামাতিবনে, স্বৰ্গৰ নন্দন বনত পাৰিজাত ফুলাৰ বাবে সাধাৰণ ফুলে পাহি নেমেলিবনে, ৰাতিৰ আকাশত চন্দ্ৰ উদয় হয় বুলি ঘৰত চাকি নজ্বলাবনে, গঙ্গা সাগৰলৈ বয় বুলি সৰু জান-জুৰি নোবোৱাকৈ থাকিবনে, কোনো তৰুণীয়ে ভৰত মুনিয়ে নিৰ্দিষ্ট কৰি থোৱা তাল-লয়যুক্ত লয়লাস নাচ নাচিলে বুলি সাধাৰণ গাভৰুৱে নচা বাদ দিবনে —আদি বিভিন্ন উপমাযুক্ত প্ৰশ্নেৰে তেওঁ নিজৰ প্ৰতিভাক অৱমূল্যায়ন কৰিও, একে সময়তে কম প্ৰতিভাসম্পন্ন লোকৰো যে কাব্য-চৰ্চাৰ অধিকাৰ আছে, সেই কথা দৃঢ়তাৰে প্ৰতিপন্ন কৰাৰ চেষ্টা কৰিছে। কবিয়ে আশা কৰিছে, অভাৱগ্ৰস্ত, বিদগ্ধজনে পাত্ৰৰ অভাৱত পদুমৰ পাততে খাই তৃপ্তি পোৱাৰ দৰে তেওঁৰ এই কাব্যও উপায়বিহীন হৈ কোনোবাই পঢ়িব; কিন্তু, জ্ঞানী আৰু মূৰ্খৰ ভেদ কৰাসকল যেন এই কাব্য পাঠ কৰাৰ পৰা বিৰত থাকে। কাৰণ কবিয়ে এই কাব্য বিদ্বৎজনৰ বাবে ৰচনা কৰা নাই। ভাৰতীয় কাব্য-পৰম্পৰাত এনে নম্ৰতা আৰু বিনয়ী ভাবৰ প্ৰদৰ্শন অত্যন্ত বিৰল বুলি ক'লেও বঢ়াই কোৱা নহয়। তৎকালীন ভাৰতবৰ্ষৰ ধৰ্মীয় পৰিৱেশ, প্ৰেমৰ মাজেৰে বৈৰাগ্যৰ আদৰ্শ প্ৰতিষ্ঠা তুলি ধৰাৰ উচ্চ পৰ্যায়ৰ সাহিত্যিক চিন্তা আদিৰ মাজত *সন্দেশ ৰাসক*ৰ দৰে আদি ৰস প্ৰধান কাব্যই সমাদৰ নাপাব বুলিয়েই হয়তো কবি আব্দুল ৰহমান শংকিত হৈছিল আৰু সেইবাবেই তেওঁ অত্যন্ত বিনয়েৰে কাব্যখন পাঠক সমাজলৈ আগবঢ়াইছে। কবিৰ ভাষাৰে কাব্যখন অনুৰাগীসকলৰ বাবে ৰতি-গৃহ স্বৰূপ, সকামীসকলৰ চিত্ত হৰণকাৰী, মদনৰ মাহাত্ম্য প্ৰকাশক, বিৰহিণীৰ বাবে কামদেৱ সদৃশ আৰু ৰসগ্ৰাহীসকলৰ বাবে ৰস উদ্ৰেককাৰী।' লোক-জীৱনৰ ভাৱ-ভাষা সম্বলিত এই কাব্যখনিৰ অন্তৰ্গত আপোনাৰ পাঠ্য গাথাকেইটি সূক্ষ্মভাৱে অধ্যয়ন কৰিলে ইয়াত অন্তৰ্নিহিত হৈ থকা তেনে ভাৱৰ প্ৰকাশ লক্ষ্য কৰিব পাৰিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ *সন্দেহ ৰাসক* কাব্যৰ বিষয়বস্তু সম্বন্ধে এটি টোকা প্ৰস্তুত কৰক। (৭৫টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ৬ ঃ *সন্দেশ ৰাসক* কাব্যৰ কাব্যিক সৌন্দৰ্য ক'ত কিদৰে প্ৰকাশ পাইছে বিচাৰি উলিয়াওক। (১০০টা শব্দৰ ভিতৰত)

৫.৩.৫ ভাৰতীয় দূত-কাব্য আৰু *সন্দেহ ৰাসক*

এইটো উপশাখাত আপুনি ভাৰতীয় দূত-কাব্যৰ পৰম্পৰা আৰু সেই পৰম্পৰাৰ শেহতীয়া প্ৰতিনিধি হিচাপে *সন্দেশ ৰাসকৰ* মূল্যায়নৰ বিষয়ে অধ্যয়ন কৰিবলৈ পাব। আগৰ উপশাখাবোৰৰ পৰা আপুনি এই কথা জানিব পাৰিছে যে ৰচনাশৈলী, ছন্দসজ্জা আৰু নাৰী-চিত্তৰ প্ৰাধান্যই এই কাব্যখনিক 'ৰাসক কাব্য' হিচাপে প্ৰতিষ্ঠা কৰিছে। কিন্তু কাব্যখনিৰ বিষয়বস্তুলৈ লক্ষ্য কৰিলে দেখা যায় ইয়াত এগৰাকী বিৰহিণী নায়িকাৰ বিৰহ-ব্যথাৰ বাৰ্তা বা সন্দেশ প্ৰবাসগত স্বামীলৈ প্ৰেৰণ কৰাৰ কথা সবিস্তাৰে বৰ্ণিত হৈছে। এনে বৈশিষ্ট্যলৈ লক্ষ্য কৰি কাব্যখনিক ভাৰতীয় দূত-কাব্যৰ শেহতীয়া প্ৰতিনিধি আখ্যা দিয়া হৈছে। আহকচোন, *সন্দেশ ৰাসকত* দূত-কাব্যৰ বৈশিষ্ট্য বিচৰাৰ পূৰ্বে আমি প্ৰথমে ভাৰতীয় দূত-কাব্যৰ পৰম্পৰাত অলপ চকু ফুৰাই লওঁ।

আপুনি নিশ্চয় জানে যে দূত-কাব্যত বিৰহ-বেদনাৰে জৰ্জৰিত কোনো প্ৰেমিক বা প্ৰেমিকাই কোনো বিশেষ মাধ্যমেৰে নিজৰ প্ৰিয়জনলৈ হৃদয়ৰ বাতৰি পঠিয়াবলৈ কাতৰ অনুৰোধ জনোৱাৰ মৰ্মন্তুদ বিৱৰণ থাকে। সেই মাধ্যম কোনো মানুহ বা আন কোনো অচেতন পদাৰ্থ হ'ব পাৰে। সংস্কৃত সাহিত্যত মহাকবি কালিদাসে তেওঁৰ অমৰ সৃষ্টি 'মেঘদূতম্'ৰ জৰিয়তে এইবিধ কাব্যৰ এটি নতুন ধাৰাৰ সৃষ্টি কৰিছিল। 'মেঘদূতম'ত কালিদাসে দেৱদিন নামৰ জনৈক নিৰ্বাসিত যক্ষৰ বিৰহৰ-বেদনাৰ বতৰা আহাৰৰ কলীয়া ডাৱৰৰ মাধ্যমেৰে প্ৰেয়সীলৈ প্ৰেৰণ কৰাৰ অভিনৱ চিন্তাক কাব্যিক ৰূপ প্ৰদান কৰিছে। পৰৱৰ্তী সময়ত ভাৰতীয় কাব্য-পৰম্পৰাত এই কাব্যখনিয়ে বিশেষ প্ৰভাৱ বিস্তাৰ কৰা পৰিলক্ষিত হয়। দ্বাদশ শতিকাৰ ধোয়ী কবি ৰচিত 'পৱনদূত' আৰু ৰূপ গোস্বামীৰ 'হংসদূত' আৰু 'উদ্ধৱদূত' বা 'উদ্ধৱ সন্দেশ' এই বিষয়ৰ উল্লেখযোগ্য দূত-কাব্য। ধোয়ী কবিৰ 'পৱনদূত'-ত ৰজা লক্ষ্মণসেন আৰু গন্ধৰ্বকন্যা কুবলয়তীৰ যি কাল্পনিক প্ৰেম-কাহিনী বৰ্ণিত হৈছে তাৰ মাজেৰে দূত-কাব্যৰ প্ৰায়বোৰ বৈশিষ্ট্য ফুটি ওলাইছে যদিও, ৰূপ গোস্বামী বিৰচিত 'হংসদূত' আৰু 'উদ্ধৱদূত'ত লোক-জীৱনৰ ওপৰত আধাৰিত কোনো লৌকিক কাহিনী পোৱা নাযায়। গৌড়ীয় ৰাধা-প্ৰেমৰ বৰ্ণনাই ৰূপ গোস্বামীৰ কাব্যকৃতিক লৌকিকতাৰ উৰ্ধত প্ৰতিষ্ঠা কৰিছে আৰু তাৰ ফলত কাব্যখনিত বৰ্ণিত প্ৰেম সাধাৰণ স্তৰৰ পৰা আধ্যাত্মিক প্ৰেমলৈ উন্নীত হৈছে। কাহিনী-বিন্যাসত লৌকিক প্ৰেমৰ অভাৱৰ হেতুকে এই কাব্যখনিক প্ৰকৃত দূত-কাব্য বোলা হোৱা নাই।

আনুমানিক খ্ৰীষ্টিয় দ্বাদশ-ত্ৰয়োদশ শতিকাৰ সময়ছোৱাত আব্দুল ৰহমানে অৱহট্‌ঠ ভাষাত ৰচনা কৰা *সন্দেশ ৰাসক* নামৰ কাব্যখনিক এখনি সাৰ্থক দূত-কাব্য আখ্যা দিব পাৰি, কাৰণ ওপৰত বৰ্ণোৱাৰ দৰে দূত কাব্যৰ প্ৰায় আটাইবোৰ বৈশিষ্ট্য কাব্যখনিৰ মাজেৰে প্ৰতিফলিত হৈছে. বিশেষকৈ কবি-কল্পিত প্ৰেম-কাহিনী, নায়ক বা নায়িকাৰ বিৰহ-ব্যথাৰ 'সন্দেশ' বা বাৰ্তা প্ৰিয়জনলৈ প্ৰেৰণৰ প্ৰতিচ্ছবি এই

কাব্যখনৰ মাজেৰে সুন্দৰকৈ প্ৰতিফলিত হৈছে। এনে কাৰণতে *সন্দেশ ৰাসকক* ভাৰতীয় দূত-কাব্যৰ শেহতীয়া প্ৰতিনিধি আখ্যা দিয়া হৈছে।

কালিদাসৰ 'মেঘদূতম'ৰ সৈতে আব্দুল ৰহমানৰ *সন্দেশ ৰাসকৰ* তুলনা কৰিলে দুয়োখন কাব্যৰ ভালেমান দিশত সাদৃশ্য প্ৰত্যক্ষ কৰা যায়। প্ৰথমতে, 'মেঘদূতম্'ত ৰামগিৰি পাহাৰত নিৰ্বাসন দণ্ড ভোগ কৰি থকা দেৱদিন নামৰ যক্ষগৰাকীৰ অন্তৰৰ বিৰহ-ব্যথা যিদৰে মূৰ্ত হৈ উঠিছে, তেনেদৰে *সন্দেশ ৰাসকতো* প্ৰবাসগত স্বামীৰ বিৰহ-বেদনাৰে জৰ্জৰিতা বিজয়নগৰবাসী বিশেষ ৰমণীগৰাকীৰ অন্তৰৰ বেদনা অতিশয় মৰ্মস্পৰ্শী ভাষাৰে বৰ্ণিত হৈছে। দ্বিতীয়তে, 'মেঘদূতম্'ত নিৰ্বাসিত যক্ষই আহাৰৰ প্ৰথম মেঘক প্ৰেমিকাৰ ওচৰলৈ তেওঁৰ অন্তৰৰ বিৰহ-বেদনাৰ বাৰ্তা বহনকাৰী দূত হিচাপে প্ৰেৰণ কৰিছে, ঠিক তেনেদৰে *সন্দেশ ৰাসকতো* পতি বিৰহিণী নায়িকাই জনৈক পথিকক তেওঁৰ বিৰহৰ বতৰা প্ৰবাসগত স্বামীক জনাবলৈ দৌত কাৰ্য কৰিবলৈ অনুৰোধ জনাইছে। তৃতীয়তে, 'মেঘদূতম' কাব্যত কবি কালিদাসে নায়ক যক্ষৰ মাধ্যমেৰে 'তন্বী শ্যামা শিখৰিদশনা পক্কবিম্বাধৰোষ্ঠী, মধ্যে ক্ষামা চকিত হৰিণীপেক্ষণা নিম্ননাভিঃ' হিচাপে যক্ষ-প্ৰেমিকাক এক জীৱন্ত ৰূপ প্ৰদান কৰিছে। তেনেদৰে আব্দুল ৰহমানেও নিজস্ব কল্পনাৰে বিজয়নগৰৰ বিশিষ্ট ৰমণীগৰাকীক 'উত্তংগথিৰথোৰমণি বিৰুড়লক্কি ধয়ৰট্‌ঠ পউহৰি' বুলি এক জীৱন্ত ৰূপ দিয়াত কাৰ্পণ্য কৰা নাই। চতুৰ্থতে, কালিদাসে উজ্জয়িনী নগৰৰ বিৱৰণত যিদৰে অসামান্য দক্ষতা দেখুৱাইছে, তেনেদৰে আব্দুল ৰহমানেও সাম্বপুৰ নগৰৰ প্ৰতিচ্ছবি অঙ্কনত বিশেষ পাৰদৰ্শিতা দেখুৱাব পাৰিছে। এনে সাদৃশ্যই কবি আব্দুল ৰহমানৰ আলোচ্য কাব্যখন যে মহাকবি কালিদাসৰ 'মেঘদূতম'ৰ দ্বাৰা বিশেষভাৱে প্ৰভাৱিত সেই কথাকে প্ৰমাণ কৰে। অৱশ্যে একে সময়তে ভাবগত, বস্তুগত আৰু শৈলীগত দিশৰ বিচাৰত দুয়োগৰাকী কবিৰ বিস্তৰ প্ৰভেদ লক্ষ্য কৰা যায়। এইফালৰ পৰা দুয়োগৰাকী কবিৰ চিন্তাক সম্পূৰ্ণৰূপে মৌলিক বুলিব পাৰি।

বৈসাদৃশ্যৰ ভিতৰত প্ৰথমেই ক'ব পাৰি দুয়োগৰাকী কবিৰ কাব্য-সৃষ্টিৰ পটভূমিৰ কথা। আপুনি এই কথা নিশ্চয় জানে যে কালিদাস আছিল ৰজাঘৰৰ পৃষ্ঠপোষকতাত সাহিত্য চৰ্চা কৰা এগৰাকী অভিজাত কবি। সেই হেতুকে তেওঁৰ সৃষ্টিত এক উচ্চস্তৰীয় স্বকীয় গাম্ভীৰ্য ৰক্ষিত হোৱাটো নিতান্ত স্বাভাৱিক কথা। ইয়াৰ বিপৰীতে আব্দুল ৰহমান আছিল সাধাৰণজনৰ কবি। গতিকে স্বাভাৱিক কাৰণতে তেওঁৰ সৃষ্টিত কালিদাসৰ কাব্যিক কুশলতা আৰু মননৰ গাম্ভীৰ্য পাবলৈ টান। বৰং কালিদাসৰ উচ্চ আদৰ্শমূলক চিন্তাৰ বিপৰীতে আব্দুল ৰহমানৰ কাব্য-চিন্তাক তৰল আৰু বহু পৰিমাণে ভোগ সৰ্বস্ব বুলিব পাৰি। দ্বিতীয়তে 'ৰাসক' ছন্দৰ প্ৰয়োগে *সন্দেহ ৰাসক* কাব্যক এক দ্ৰুত গতিময়তা প্ৰদান কৰিছে। এনে দ্ৰুত লয় 'মেঘদূতম্'ত পোৱা নাযায়। 'মেঘদূতম্'ৰ ৰচনা শৈলীত উদ্‌ভ্ৰান্ত চঞ্চলতা সামান্য পৰিমাণেও পোৱা নাযায়। তাৰ বিপৰীতে আব্দুল ৰহমানৰ কাব্যৰ বিৱৰণ বহু পৰিমাণে উদ্‌ভ্ৰান্ত

আৰু তাৰ গতিও উদ্দাম। তৃতীয়তে, প্ৰেমৰ প্ৰকাশ-ৰীতিতো দুয়োজনা কবিৰ মাজত যথেষ্ট পাৰ্থক্য বিদ্যমান। কালিদাসৰ প্ৰেম-চিন্তা এক স্বৰ্গীয় অনুভূতিৰে সিক্ত; ভোগ সৰ্বস্বতাৰ পৰা ই বহু আঁতৰত। আনহাতে আব্দুল ৰহমানৰ প্ৰেম-চিন্তা ঐহিক জীৱনৰ সম্ভোগ-বাসনাৰে পৰিব্যাপ্ত। এই প্ৰেম পাৰ্থিব তথা বাস্তৱতাৰ সৈতে প্ৰত্যেক্ষভাৱে জড়িত। চতুৰ্থতে, কালিদাসে অচেতন মেঘক দূতৰূপে কল্পনা কৰিছে। এনে কল্পনাই সাধাৰণ কাব্য ৰসিকৰ হৃদয় কিমানদূৰ আলোড়িত কৰিব পাৰিছে, তাত সন্দেহৰ অৱকাশ থাকি যায়। আনহাতে আব্দুল ৰহমানে তেজ-মঙহৰ মানুহ— জনৈক বাটৰুৱাক প্ৰিয়জনৰ কাষলৈ বিৰহৰ বাৰ্তা প্ৰেৰণৰ বাবে দূতৰূপে নিৰ্বাচন কৰি লোক-জীৱনৰ বন্ধন মানিব নোখোজা তেজ-মঙহৰ স্বাধীন প্ৰেমৰ স্বৰূপ চিত্ৰিত কৰাৰ চেষ্টাত ব্ৰতী হৈছে।

চতুৰ্থতে, 'মেঘদূত' কাব্যৰ সৃষ্টিৰ অন্তৰালত আছে দেৱদাসী এগৰাকীক ভালপোৱাৰ অপৰাধত বাৰাণসীৰ উচ্চ বৰ্ণৰ ৰূপদক্ষ যুৱক 'দেৱদিন'ক ৰামগড় পাহাৰৰ গভীৰ অৰণ্যলৈ নিৰ্বাসিত কৰাৰ কৰুণ কাহিনী। আপুনি এই কথা নিশ্চয় পঢ়িবলৈ পাইছে যে কালিদাস জীৱনৰ আদি কালছোৱাত গছৰ আগত বহি গুৰিত ঘাপ দিয়া মহামূৰ্খ আছিল। তৎকালীন পণ্ডিতসকলে কৌশলেৰে মহামূৰ্খ কালিদাসৰ সৈতে তেওঁলোকক অপমান কৰা ৰাজকুমাৰী বিদ্যাৱতীৰ বিয়া সম্ভৱ কৰি তোলে। বিয়াৰ ৰাতি বিদ্যাৱতীয়ে সকলো বুজি পাই কালিদাসক ঘৰৰ পৰা উলিয়াই দিয়ে আৰু জ্ঞানোদয়ৰ পাছতহে তেওঁৰ ওচৰলৈ উভতি আহিবলৈ কয়। কাৰোবাৰ ষড়যন্ত্ৰৰ বলি হ'লেও কালিদাসে সম্ভৱতঃ পত্নীৰ সৈতে হোৱা এনে বিচ্ছেদ সহিব পৰা নাছিল। 'মেঘদূতম্'ৰ জৰিয়তে সেই মৰ্মন্তুদ ঘটনাৰ স্মৃতি মহাকবিয়ে ধৰি ৰখাটোক বোধহয় অসম্ভৱ বুলিব নোৱাৰি। সি যি কি নহওঁক, *সন্দেশ ৰাসকৰ* অন্তৰালত কিন্তু তেনে কোনো বিশেষ ঘটনা বা স্মৃতি নিহিত হৈ থকাৰ উমান পোৱা নাযায়। লোক-মনোৰঞ্জনৰ উদ্দেশ্যে ৰচিত এই কাব্যখনিক কবি আব্দুল ৰহমানৰ সম্পূৰ্ণৰূপে মৌলিক সৃষ্টি বুলি ক'ব পাৰি।

পঞ্চমতে, 'মেঘদূতম্'ৰ অলংকাৰ বহুল প্ৰকাশ-নৈপুণ্য *সন্দেশ ৰাসকত* পাবলৈ নাই। মহাকবিৰ বৰ্ণনা-ৰীতিৰ গাম্ভীৰ্য, অনুভূতিৰ গভীৰতাৰ তুলনাত '*সন্দেশ ৰাসক*'ৰ বৰ্ণনা-ৰীতি বহু পৰিমাণে নিস্প্ৰভ। কিন্তু একে সময়তে এই কথাও ঠিক যে লোক-জীৱনৰ পৰা আহৰিত সমলেৰে নাৰী আৰু প্ৰকৃতিৰ ৰূপ-বৰ্ণনাত আব্দুল ৰহমানে বিশেষ দক্ষতা দেখুৱাব পাৰিছে। গুৰু গম্ভীৰ ভাব-প্ৰকাশক সংস্কৃত ভাষা এৰি তৎকালীনভাৱে প্ৰচলিত কথ্য ভাষাক কাব্যিক মৰ্যদা প্ৰদান কৰিবলৈ সমৰ্থ হোৱাটো আৰু সেই ভাষাৰ মাধ্যমেৰে সুন্দৰ সুন্দৰ বাংময় চিত্ৰ অঙ্কন কৰিব পৰাটো কবিৰ স্বকীয় প্ৰতিভাৰ পৰিচায়ক। তদুপৰি, কবিগৰাকীয়ে ঋতুভেদে বিৰহিণী নাৰীৰ হৃদয়ত যি ভাব বৈচিত্ৰ্যৰ সমাহাৰ ঘটে, তাৰ বতৰা দিয়াত অসাধাৰণ পাৰদৰ্শিতা দেখুৱাইছে। এনে বৈশিষ্ট্যৰ সমাহাৰে *সন্দেশ ৰাসকক* যে এখনি ৰসোত্তীৰ্ণ কাব্যৰ আসনত প্ৰতিষ্ঠিত কৰিছে তাক নিৰ্দ্বিধাই স্বীকাৰ কৰিব পাৰি। অৱশ্যে কাব্যখনিত

নায়িকাৰ দৈহিক ৰূপৰ বৰ্ণনা কিছু গ্ৰাম্যদোষদুষ্ট বুলি আৰু কেতবোৰ বৰ্ণনা ৰুচি বিগৰ্হিত হোৱা বুলি উঠা অভিযোগ একে আষাৰে খণ্ডণ কৰিবলৈ টান। যদি কাব্যখনি লোক-কাব্য বা সাধাৰণ জনৰ ৰুচিবোধলৈ লক্ষ্য কৰি ৰচিত হৈছিল বুলি ধৰা যায় তেন্তে কবিক তেনে দোষৰ পৰা অব্যাহতি দিব পৰা যায়। কাৰণ সেই প্ৰয়োজন পূৰণত কবি যোল অনাই সফল হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ *সন্দেশ ৰাসকত* দূত কাব্যৰ কোনবোৰ লক্ষণ প্ৰকাশ পাইছে বিচাৰ কৰক (১৫০টা শব্দৰ ভিতৰত)

৫.৩.৬ ভাষাগত বৈশিষ্ট্য

আপুনি ইতিমধ্যে জানিব পাৰিছে যে *সন্দেশ ৰাসক* কাব্যখনিৰ ভাষা হৈছে প্ৰাচীন গুজৰাটী-ৰাজস্থানীৰ সৈতে সম্পৰ্কযুক্ত পশ্চিমা অৱহট্‌ঠ বা আন কথাত শৌৰসেনী অৱহট্‌ঠ। সেয়ে হ'লেও, ইয়াৰ কেতবোৰ সুকীয়া ভাষাগত বৈশিষ্ট্যও লক্ষ্য কৰিব পাৰি। এইটো উপশাখাত সেই বৈশিষ্ট্যবোৰৰ বিষয়ে আলোচনা কৰা হ'ব।

প্ৰাচীন গুজৰাটীৰ বৈশিষ্ট্য ঃ

- ষষ্ঠী বিভক্তি হিচাপে 'হ'ৰ প্ৰয়োগ।
- তৃতীয়াৰ একবচনত 'ই', 'হি' আদি বিভক্তিৰ ব্যৱহাৰ।
- অসমাপিকা ক্ৰিয়াৰ গঠনত 'ই' বিভক্তিৰ প্ৰয়োগ।
- 'কিম', 'জিম', 'তিম' আদিৰ সৰ্বনামৰূপে প্ৰয়োগ।
- 'তিনি', 'জিনি'ৰ পুৰুষবাচক সৰ্বনাম হিচাপে ব্যৱহাৰ ইত্যাদি।

প্ৰাচীন ৰাজস্থানীৰ বৈশিষ্ট্য ঃ

- ক্ৰিয়াপদৰ আগত পূৰ্বসৰ্গৰূপে 'স'ৰ প্ৰয়োগ; যেনে— সবিলক্‌খা, সলজ্জিৰ, ইত্যাদি।
- বিভক্তিহীনভাৱে কাৰকৰ প্ৰয়োগ।
- অসমাপিকাত গুজৰাটী 'ই'ৰ লগে লগে ৰাজস্থানী 'অবি', 'ইবি' আদিৰ প্ৰয়োগ; যেনে— সৰলাইবি, ছুডবি, ইত্যাদি।

নিজস্ব ভাষাগত বৈশিষ্ট্য ঃ

- অৱহট্‌ঠ ভাষাত সাধাৰণতে দীৰ্ঘস্বৰ হ্ৰস্ব হয়। *সন্দেশ ৰাসকৰ* ভাষাত এই বৈশিষ্ট্যটোৰ পূৰ্ণ প্ৰতিফলন লক্ষ্য কৰিব পাৰি; যেনে বৰৰমণী > বৰৰমণি; পদধৰী > পউহৰি।
- এক স্বৰৰ ঠাইত আন এক স্বৰৰ ব্যৱহাৰ; যেনে— অ > উ, উ > ও, উ > অ, ইত্যাদি।
- একেটা শব্দৰে দুই তিনি প্ৰকাৰৰ ৰূপৰ প্ৰয়োগ কাব্যখনৰ ভাষাৰ আন এক বৈশিষ্ট্য; যেনে— পথিক > পহিউ, পথিউ, পংথিউ; তস্য > তসু, ইত্যাদি।

এইবোৰ ৰূপে তৎকালীন সমাজ জীৱনত প্রচলিত কথ্য ভাষাৰ চানেকি বহন কৰে। ভাষাৰ এনে প্রয়োগে কাব্যখনিক লোকজীৱনৰ কাষ চপাই নিছে।

- কাব্যখনিত একে অর্থযুক্ত যুৰীয়া শব্দক ধ্বন্যাত্মক শব্দ (Echo words) ৰূপে ব্যৱহাৰ কৰা হৈছে; যথা— তিবিকিবি, কহকহব, ইত্যাদি।
- বিভক্তিৰ ক্ষেত্রত তৃতীয়া আৰু সপ্তমী একাকাৰ হৈ পৰিছে। অৱশ্যে অর্থৰ দিশত পার্থক্য ৰক্ষিত হৈছে। যেনে— ৰাহ + ই = ৰাহি (ৰাহুৰ দ্বাৰা), বিৰহাণল + ই = বিৰহাণলি (বিৰহ-অনলত) ইত্যাদি।
- প্রয়োগৰ ফালৰ পৰা কাৰক তিনিটা ঃ কর্তা-কর্ম (প্রথমা-দ্বিতীয়া), কৰণ-অধিকৰণ (তৃতীয়া-সপ্তমী) আৰু সম্বন্ধ পদ (ষষ্ঠী)। অপাদান কাৰকৰ পঞ্চমী বিভক্তিৰ প্রয়োগ পাবলৈ নাই।
- তৃতীয়াৰ একবচনত প্রাচীন গুজৰাটীৰ বৈশিষ্ট্য -'ই' আৰু '-হী'ৰ লগে লগে '-ইন' বিভক্তিৰ প্রয়োগ লক্ষ্য কৰিব পাৰি।
- অসমাপিকা ক্রিয়াৰ গঠনত গুজৰাটী-ৰাজস্থানীৰ বৈশিষ্ট্য '-ই', '-অবি' আৰু '-এবি'ৰ লগে লগে 'এবিনু'ৰ প্রয়োগ ঘটিছে; যেনে— প্রেক্ষ্য > পিক্‌খেবিনু।
- লিঙ্গ আৰু বচনৰ প্রয়োগ সংস্কৃতৰ দৰে নিকপ্‌কপীয়া নহয়; বৰং বহু পৰিমাণে শিথিল।
- কাব্যখনিৰ ভাষাত প্রচুৰ পৰিমাণে দেশী শব্দৰ প্রয়োগ লক্ষ্য কৰা যায়। সেইবোৰৰ কিছুমান; যেনে— খিসিঅ, ণজ্জই, ৰেংহতি, চঙ্গিমা, চল্লহি, ঝসুৰ, গল্লিহি, উত্তাৰলি ইত্যাদি। সম্ভৰতঃ এইবোৰ শব্দ তৎকালীনভাৰে সাধাৰণ মানুহৰ কথ্য ভাষাত সোমাই পৰিছিল। কাব্যকাৰে যিহেতু সাধাৰণজনৰ মনোৰঞ্জনৰ উদ্দেশ্য আগত ৰাখি এই কাব্য ৰচনা কৰিছিল, এতেকে তেওঁ ভাষা প্রয়োগৰ ক্ষেত্রত যথাসম্ভৰ কথিত ৰূপৰ আশ্রয় লৈছিল। এনে কাৰণতে কাব্যখনত দেশী শব্দৰ প্রচুৰ প্রয়োগ ঘটিব পাৰে। মুঠতে ই কাব্যখনিৰ অন্যতম বৈশিষ্ট্য হিচাপে পৰিগণিত হৈছে।

৫.৩.৭ মূল পাঠ, অসমীয়া অনুবাদ আৰু শব্দগত টোকা

আপোনাৰ পাঠ্যক্রমত মধ্যভাৰতীয় আর্যভাষাৰ অন্তিম স্তৰক প্রতিনিধিত্ব কৰা অর্বাচীন অপভ্রংশ বা অৱহট্‌ঠ ভাষাত আব্দুল ৰহমানে ৰচনা কৰা '*সন্দেশ ৰাসক*' নামৰ কাব্যখনিৰ দ্বিতীয় প্রক্রমৰ একাদিক্রমে ১ ৰ পৰা ৫ লৈ মুঠ পাঁচটা গাথা অন্তর্ভুক্ত কৰা হৈছে। এইটো উপশাখাত এই পাঁচটা গাথাৰ মূল পাঠ, যথাসম্ভৰ সৰল তথা ঘৰুৱা অসমীয়া অনুবাদ আৰু কঠিন শব্দবোৰৰ ভাষাগত টোকাৰ আলোচনা দাঙি ধৰা হৈছে। আপুনি মনোযোগ সহকাৰে সেইখিনি আয়ত্ত কৰিবলৈ চেষ্টা কৰক।

১ নং গাথাৰ মূল পাঠ ঃ

বিজয়ণয়ৰহু কাবি বৰৰমণি,
উত্তংগথিৰথোৰথণি, বিৰূডলক্কি, ধয়ৰট্ঠপউহৰি।
দীণাণণি পহুণিহই জলপৰাহ পৰহংতি দীহৰি।।
বিৰহগ্গিহি কণয়ংগিতণু তহ সামলিমপৰণ্ণু।
ণজ্জই ৰাহি বিড়ংবিঅউ তাৰাহিবই সউন্নু।।

অসমীয়া অনুবাদ ঃ বিজয়নগৰত উন্নত পয়োধৰা, ৰাজহংসগামিনী, ভ্ৰমৰীৰ দৰে ক্ষীণ কঁকাল-বিশিষ্টা এগৰাকী বিশিষ্টা মহিলা আছিল। বাটৰ ফালে চাই চাই তেওঁৰ মুখমণ্ডল মলিন হৈ পৰিছিল আৰু অবিৰাম গতিৰে তেওঁৰ দুচকুৰে চকুলো বৈ আছিল। ৰাহুৱে পূৰ্ণচন্দ্ৰক গ্ৰাস কৰাৰ দৰে বিৰহৰ জুইত দগ্ধ হৈ তেওঁৰ সোণ বৰণীয়া দেহা শ্যাম বৰণীয়া হৈ পৰিছিল।

শব্দগত টোকা ঃ

বিজয়ণয়ৰহু < বিজয়নগৰস্য = বিজয়নগৰত; স্য > স্স = হু (গুৰ্জৰ অপভ্রংশৰ বৈশিষ্ট্য)।

কাবি < কা + অপি = কোনো এগৰাকী প > ব।

বৰৰমণি < বৰৰমণী = বিশিষ্টা মহিলা; ণী > ণি, দীৰ্ঘস্বৰৰ হ্ৰস্বীভৱন।

উত্তংপথিৰথোৰথণি < উত্তুংগ-স্থিৰ-স্থূল-স্তনী = উন্নত স্তনবিশিষ্টা; ত্তু > ত্ত; স্থিৰ > থিৰ (স্থ > থ), স্থুল > থোৰ (উ > ও, ল > ৰ) স্তনী > থণী (স্থ > থ, ঈ > ই, ন > ণ)।

বিৰূডলক্কি = ভোমোৰাৰ দৰে ক্ষীণ কঁকালবিশিষ্টা।

ধয়ৰট্ঠ-পউহৰি < ধৃতৰাষ্ট্ৰ পদধৰী = ৰাজহংস-গামিনী; ঋ > অ, ত > য়, আ > অ, ষ্ট > ট্ঠ (সমীভৱন)

দীণাণণি < দীনাননী = মলিন বদনা, ন > ণ ঈ > ই।

পহু < পথম্ = বাট; থ > হ।

ণিহই = পশ্যতি = চাইছে, নিৰীক্ষণ কৰিছে।

জলপৰাহ < জলপ্রবাহঃ = অশ্রুধাৰা, চকুপানীৰ ধাৰ; প্র > প।

পৰহংতি < প্ৰৱহন্তি = বৈছে, প্রবাহিত হৈছে; আদি অৱস্থানৰ প্র > প, ন > ং।

দীহৰি < দীর্ঘাঃ > দীগ্ঘৰা > দীঘৰা > দীহৰা > দীহৰি = দীঘলীয়া; মহাপ্রাণ ঘ > হ, আ > ই।

বিৰহগ্গিহি < বিৰহাগ্নিভিঃ = বিৰহৰ জুইৰে; আ > অ, গ্র > গ্গ (সমীভৱন), মহাপ্রাণ ভিঃ > হি।

ণজ্জই (দেশী শব্দ) = শোভিত হোৱা।

তহ < তথা = সেই; মহাপ্রাণ থ > হ, আ > আ

সামলিমপবণ্ণু < শ্যামলিমপ্রপন্ন = শ্যাম বৰণীয়া হোৱা (ক'লা হোৱা); শা > স, প্র > প, প > ব, ন্ন > ণ্ণ।

ৰাহি < ৰাহুণা = ৰাহুৰ দ্বাৰা; তৃতীয়া বিভক্তিৰূপে 'ই'ৰ ব্যৱহাৰ।
বিড়ংবিঅউ < বিড়ম্বিতকঃ = গ্ৰাস কৰা; ম্ > ং, ত > অ, প্ৰথমাৰ একবচন অঃ > উ।
কণয়ংগিতণু < কনকাঙ্গীতনু = সোণ বৰণীয়া শৰীৰ; স > ণ, ঙ > ং।
তাৰাহিবই < তাৰাধিপতিঃ = চন্দ্ৰ; মহাপ্ৰাণ ধ > হ, প > ব, 'ত'ৰ লোপ।
সউণ্ণু < সম্পূৰ্ণম্ = সম্পূৰ্ণৰূপে; ম্প'ৰ লোপ, ঊ > উ।

২নং গাথাৰ মূল পাঠ ঃ

ফুসই লোয়ণ ৰুৱই দুক্‌খত্ত,
ধম্মিল্লপমুক্কমুহ বিজ্জংভই অণু অংগু মোড়ই।
বিৰহাণলি সংতবিঅ, সসই দীহ কৰসাহ তোড়ই।।
ইম মুদ্ধহ বিলৱংতিয়হ মহি চলণেহি ছিহংতু।
অদ্ধুড্ডীণউ তিণি পহিউ পহি জোয়উ পৱহংতু।।

অসমীয়া অনুবাদ ঃ তেওঁ দুখত আতুৰ হৈ কান্দি আছিল আৰু চকুলো মচিছিল; চুলিকোচা মুকলি হৈ মুখমণ্ডলত সিঁচৰতি হৈ পৰিছিল; বাৰে বাৰে হামিয়াইছিল, কোমল শৰীৰটোত এঙামুৰি দি আছিল। বিৰহৰ জুইত দেই পুৰি (তেওঁ) হুমুনিয়াহ কাঢ়িছিল আৰু আঙুলিবোৰ মোটোকাই আছিল। এনেদৰে সেই সুন্দৰীয়ে বিলাপ কৰি থাকোঁতে বাটেৰে জনৈক পথিকক ভৰিৰে মাত্ৰ মাটি স্পৰ্শ কৰি আধা উৰি যোৱাৰ দৰে গৈ থকা দেখিবলৈ পালে।

শব্দগত টোকা ঃ

ফুসই < স্পৃশ্যতি = মচিছিল বা স্পৰ্শ কৰিছিল; ঋ > উ,অল্পপ্ৰাণ প > মহাপ্ৰাণ ফ, 'ত'ৰ লোপ।
ৰুৱই < ৰৌতি = কান্দিছে বা ৰোদন কৰিছে; ঔ > ও, 'ত'ৰ লোপ।
দুক্‌খত্ত < দুঃখার্ত্তা = দুখত আতুৰ বা বেদনা পীড়িতা; দুঃখার্ত্তা > দুক্‌খত্তা > দুক্‌খত্ত (ৰেফৰ লোপ, দীৰ্ঘস্বৰৰ ঠাইত হ্ৰস্বস্বৰ)।
ধম্মিল্ল-পমুক্ক-মুহ < ধৰ্মিল্ল-প্ৰমুক্ত-মুখা = চুলি মুকলি হৈ মুখত পৰা; ৰ্ম > ম্ম (সমীভৱন), আদি অৱস্থানৰ প্ৰ > প, ক্ত > ত্ত (সমীভৱন), মহাপ্ৰাণ খ > হ, আ > অ।
বিজ্জংভই < বিজৃম্ভতি = হামিয়াইছে; জৃ > জ্জ (সমীভৱন), ম্ >ং 'ত'ৰ লোপ।
অণু < অণু = ক্ষুদ্ৰ বা কোমল।
অংগু < অঙ্গম্ = শৰীৰ; অন্ত্য 'ম'ৰ লোপ, ১ মা বা ২ য়াৰ একবচনত 'উ' বিভক্তি।
মোড়ই < মোটতি = এঙামূৰি দিয়া; 'ত'ৰ লোপ।
বিৰহাণলি < বিৰহানলে = বিৰহৰ জুইৰে; এ > ই (এক স্বৰৰ ঠাইত আন এক স্বৰ), ন > ণ।
সংতবিঅ < সন্তপিতা = সন্তপ্তা বা পীড়িতা; সংযুক্ত ন > ং প >ব, 'ত'ৰ লোপ, আ > অ।
সসই < শ্বসতি = হুমুনিয়াহ পেলোৱা; আদি অৱস্থানৰ শ্ব >স, 'ত-'ৰ লোপ।
দীহ < দীৰ্ঘম্ = দীঘলীয়া; মহাপ্ৰাণ ঘ > হ, অন্ত্য 'ম্'ৰ লোপ।

কৰসাহ < কৰশাখাঃ = হাতৰ আঙুলি; শ > স, মহাপ্ৰাণ খ > হ, আ > অ।
তোড়ই < ত্রোটতি = মোটোকাই থকা; আদি অৱস্থানৰ সংযুক্ত ত্র > ত, 'ত'ৰ লোপ।
ইম < ইত্থম = এনেদৰে; অৱহট্‌ঠ ভাষাৰ পদ।
মুদ্ধহ < মুগ্ধায়াঃ = সুন্দৰীৰ; গ্ধ > দ্ধ (সমীভৱন)।
বিলৱংতিয়হ < বিলপন্ত্যাঃ = বিলাপকাৰিণীৰ, অপভ্রংশত অ-কাৰান্ত শব্দৰ প্ৰভাৱত ষষ্ঠীৰ একবচনত হ-কাৰ।
মহি < মহীম্ = মাটি বা পৃথিৱী; অন্ত্য 'ম'-ৰ লোপ, ঈ > ই।
চলণেহি < চৰণৈঃ/চৰণাভ্যাম্ = চৰণ যুগলৰ দ্বাৰা বা দুয়োখন ভৰিৰে, ৰ > ল, দ্বিবচনৰ ঠাইত বহুবচন।
ছিহংতকু < স্পৃশন্তঃ = স্পৰ্শ কৰি বা খুচৰি; ঋ > ই, স্প > ছ, শ > হ, সংযুক্ত ন্া > ং, প্ৰথমাৰ একবচনত 'উ' বিভক্তি।
অদ্ধুডডীণউ < অৰ্দ্ধোড্ডীণকঃ = আধা উৰি যোৱা, ৰেফৰ লোপ, ও > উ, অঃ > উ।
পহিউ < পথিকঃ = বাটৰুৱা, পথিক; মহাপ্ৰাণ থ > হ, অঃ > উ।
পহি < পথে = পথত বা বাটত।
জোয়উ = দৃশ্ ধাতুৰ সলনি প্ৰাকৃত-অপভ্রংশত 'জো' বা 'জোঅ' ধাতুৰ প্ৰয়োগ দেখা যায়।
পৱহংতু < প্ৰৱহন্তঃ = প্ৰৱাহিত হৈছে, সংযুক্ত ন > ং, অন্ত্য অঃ > উ।

৩নং গাথাৰ মূল পাঠ ঃ

তং জি পহিয় পিক্‌খেৱিণু পিঅউক্কংখিৱিয়,
মংথৱগয় সৱলাইবি উত্তাৱলি চলিয়।
তহ মণহৱ চল্লংতিয় চংচলৱমণভৱি,
ছুড়ৱি খিসিয় ৱসণাৱলি কিংকিণিৱৱ পসৱি।

অসমীয়া অনুবাদ ঃ সেই পথিকজনক দেখি স্বামীৰ বাবে উৎকণ্ঠিতা ৱমণী গৱাকীয়ে ধীৰ গতি এৰি পোনে পোনে উত্ৰাৱল হৈ আগুৱাই গ'ল; তেওঁৰ মনোহৰ পৰিত গমনত চঞ্চল নিতম্বৰ পৰা কিংকিনীযুক্ত মেখলা (কৰধনি) খহি পৰিল আৰু তাৰ শব্দ বিয়পি পৰিল।

শব্দগত টোকা ঃ

তং < তম্ = সেই; অন্ত্য ম্ > ং।
জি = এব (নিশ্চয়ার্থক অব্যয়)।
পহিয় < পথিকঃ = পথিকক, বাটৰুৱাক, মহাপ্ৰাণ থ > হ।
পিক্‌খেৱিণু < প্ৰক্ষ্যবিনু = দেখি; প্ৰে > পি, ক্ষ > ক্‌খ।
পিঅউক্কংখিৱিয় < প্ৰিয়োৎকণ্ঠিতা = প্ৰিয়জনৰ বাবে উৎকণ্ঠিতা; প্ৰ > প, ৎক > ক্ক, সংযুক্ত ন > ং।
মংথৱগয় < মন্থৱগতিম্ = ধৰি গতি, সংযুক্ত স > ং, 'ত'ৰ লোপ, অন্ত্য 'ম'ৰ লোপ।
সৱলাইবি < সৱলায়িত্বা = পোনে পোনে; ত্বাচ প্ৰত্যয়ৰ ঠাইত 'ইবি'।
উত্তাৱলি (দেশী শব্দ) = উত্ৰাৱল হৈ।

মনহৰ < মনহৰম্ = মনোৰম বা মনোহৰ; ন > ণ, অন্ত্য অনুনাসিক 'ম'ৰ লোপ।
চলিয় < চলিতা = গৈছিল; চলিতা > চলিআ > চলিয়।
চল্লংতিয় < চলন্ত্যাঃ = গমনকাৰিণীৰ; ত্বাচ্ প্রত্যয়ৰ ঠাইত 'ইঅ'।
চংচলৰমণভৰি < চঞ্চলৰমণভৰাৎ = চঞ্চল নিতম্বৰ পৰা; সংযুক্ত নাসিক্য ঞ > ং, ভৰি < ভৰাৎ = আ > ই (এক স্বৰৰ ঠাইত আন এক স্বৰৰ প্রয়োগ।
খিসিঅ < খিসিতাঃ (ক্রুটিতা) = খহি পৰিল, দেশী ধাতু।
ৰসণাৱলি < ৰসনাৱলী = মেখলা বা কৰধনি, ন > ণ, ঈ > ই
কিংকিণিৰৱ < কিংকিণীৰৱঃ = কিংকিণীৰ শব্দ, ঈ > ই ।
পসৰি < প্রসৰঃ = বিয়পি পৰা; প্র > প, অন্ত্য অঃ > ই ।

৪নং গাথাৰ মূল পাঠ ঃ

তং জং মেহল ঠৱই গংঠি ণিট্‌ঠুৰ সুহয়,
তুডিয় তাৰ থূলাৱলি ণৱসৰহাৰলয়।
তা তিৰি কিৰি সংবৰিৰি চইৰি কিৰি সংচৰিঅ,
ণেৱৰ চৰণ বিলগ্‌গিৰি তহ পহি পংখুডিয়।

অসমীয়া অনুবাদ ঃ সেই সুন্দৰীয়ে যেতিয়া মেখেলা (কৰধনি) খন পুনৰ টানকৈ বান্ধি ল'লে, তেতিয়া আকৌ ডাঙৰ ডাঙৰ মুকুতাখচিত ডিঙিৰ নতুন হাৰডাল ছিগি পৰিল। সেইবোৰৰ কিছুমান বুটলি, কিছুমান এৰি থৈ বেগেৰে গমন কৰোঁতে নূপুৰত ভৰি জোঁট-পোট খাই বাটতে তেওঁ পৰি গ'ল।

শব্দগত টোকা ঃ

তং < তাম্ = সে; অন্ত্য অৱস্থানৰ অনুনাসিক ম্ > ং, আ > অ (এক স্বৰৰ ঠাইত আন এক স্বৰ)।
যং < যৎ = যেতিয়া।
মেহল < মেখলাম্ = মেখলা (কৰধনি), মহাপ্রাণ খ > হ, অন্ত্য 'ম'-ৰ লোপ, আ > অ।
ঠৱই < স্থাপয়তি = স্থাপন কৰিলে বা পিন্ধিলে; আদি সংযুক্ত স্থ > ঠ, আ > অ, প > ব, 'ত'ৰ লোপ।
গংঠি < গন্থিম্ = গাঁঠি, আদি সংযুক্ত গ্র > গ, সংযুক্ত ন > ং, অন্ত্য 'ম্'ৰ লোপ।
ণিট্‌ঠুব < নিষ্ঠুৰম্ = টানকৈ বা দৃঢ়ভাৱে; ষ্ঠ > ট্‌ঠ, (সমবর্গীয় সমীভৱন), অন্ত্য 'ম্'ৰ লোপ।
সুহয় < সুভগা = সুন্দৰী বা ভাগ্যৱতী; ভ > হ।
তুডিয় < ক্রুটিতা = ছিগি পৰিল; আদি ক্র > ত।
থূলাৱলি < স্থূলাৱলী = ডাঙৰ মুকুতা যুক্ত; আদি অৱস্থানৰ সংযুক্ত স্থ > থ, ঈ > ই।
ণৱসৰহাৰলয় < নৱসৰহাৰলতা = নতুন হাৰ।
তিবি কিবি (অৱহট্‌ঠত প্রয়োগ হোৱা যুৰীয়া শব্দ) < তানি কানিচিৎ = কিছু কিছু।
সংবৰিৰি < সম্-বৃ (ইবি) = বুটলি বা সামৰি।

চইবি < ত্যজিত > চইঅ + ইবি = এৰি থি; ত্য > চ্চ > চ।

সংচৰিঅ < সঞ্চৰিতা = যাবলৈ ধৰা, সংযুক্ত নাসিক্য, ধ্বনি ঞ্চ > ং, 'ত'ৰ লোপ, আ > অ (এক স্বৰৰ ঠাইত আন এক স্বৰ)।

ণেৱৰ < নূপুৰে = নূপুৰত, প > ৱ, উ > এ, উ >অ, এ>অ।

বিলগ্‌গিৰি < বিলগ্য = জোঁটাপুতি লাগি, ত্বাচ প্রত্যয়ৰ ঠাইত ইবি।

পহি < পথি = পথত, মহাপ্রাণ থ > হ।

পংখুডিয় < প্রখণ্ডিতা = পৰি গ'ল, আদি সংযুক্ত প্র > প, অ > উ, সংযুক্ত নাসিক্য ণ্ড > ং আৰু 'ত'ৰ লোপ, আ > অ।

৫নং গাথাৰ মূল পাঠ ঃ

পডি উট্‌ঠিয় সবিলক্‌খ সপজ্জিৰ সংঝসিয়।
তং সিয় সচ্চ ণিয়ংসণ মুদ্ধহ বিৱলসিয়।।
তং সংবৰি অণুসৰিয় পহিয় পাৱয়ণমণ।
ফুডৰি ণিত্ত কুপ্পাস ৱিলগ্‌গিয় দৰ সিহণ।।

অসমীয়া অনুবাদ ঃ হতচকিতা, লজ্জিতা আৰু সংভ্রান্তা হৈ পৰাৰ পৰা উঠোঁতেই তেওঁৰ শুকুলা ৰঙৰ পাতল ওৰণিখন খহি পৰিল। সেইখন সামৰি পথিকজনক লগ পোৱাৰ ইচ্ছাৰে আগবাঢ়িবলৈ লওঁতেই তেওঁৰ পাটৰ কাঁচলিখন ফাটি স্তনযুগল ঈষৎ প্রকট হৈ পৰিল।

শব্দগত টোকা ঃ

পডি < পতিত = পৰা, পতিত > পডিঅ > পডি,অৱহট্‌ঠ 'ইঅ' = 'ই' বা ঈ।

উট্‌ঠয় < উত্থিত = উঠি; থ > ট্‌ঠ (বিষমীভৱন)

সবিলক্‌খ < সবিলক্ষ্য = হতচকিতা; ক্ষ > ক্‌খ, আ > অ (এক স্বৰৰ ঠাইত আন এক স্বৰ)।

সলজ্জিৰ < সলজ্জিৰা = লজ্জিতা, আ > অ > (এক স্বৰৰ ঠাইত আন এক স্বৰ)।

সংঝসিয় < সংঝসিতা (দেশী শব্দ) = সংভ্রান্তা, সংভ্রামিতা (পর্যাপ্ত, উৎক্ষিপ্ত আদি অর্থত অৱহট্‌ঠ ভাষাত 'ঝসিয়' ৰূপৰ সংযোগ হয়)।

সিয় < শ্বেতম্ = শুকুলা, শুভ্র বা বগা, শ্বেত > সেঅ > সিঅ, অ > ই (এক স্বৰৰ ঠাইত আন এক স্বৰ), অন্ত্য 'ম্'ৰ লোপ।

সচ্ছ < স্বচ্ছম্ = পাতল বা স্বচ্ছ; আদি অৱস্থানৰ সংযুক্ত স্ব > স, অন্ত্য 'ম্'ৰ লোপ।

ণিয়ংসণ < নিবসনম্ = ওৰণি; নিবসনম্ > ণিঅংসণ > ণিয়ংসণ (স্বতঃ নাসিকীভৱন আৰু স্বতঃ মূর্ধন্যীভৱন), অন্ত্য 'ম'ৰ লোপ।

বিৱলসিয় < বিৱলসিতম্ = খহি পৰা; 'ত' আৰু অন্ত্য 'ম্'ৰ লোপ।

সংবৰি < সংবৃত্য = সামৰি; ঋ > অ, ৃ > ইঅ > ই।

অণুসৰিয় < অনুসৃতা = অনুসৰণ কৰা; ঋ > অ।

পহিয় < পথিক = পথিক বা বাটৰুৱা; মহাপ্ৰাণ থ > হ, 'ক'ৰ লোপ, য় শ্ৰুতিৰ আগম।

পাৱয়ণমণ < প্ৰাপকমনা = লগ পোৱাৰ ইচ্ছাৰে, আদি সংযুক্ত প্ৰ > প, প > ব, আ > অ।

ফুডবি < স্ফুট + অবি = ফাটি যোৱা, আদি অক্ষৰৰ সংযুক্ত স্ফ > ফ, ট > ড।

ণিত্ত < নেত্ৰম্ = পাট কাপোৰ, এ > ই (এক স্বৰৰ ঠাইত আন এক স্বৰ), ত্ৰ > ত্ত (সমীভৱন), অন্ত্য 'ম'ৰ লোপ।

বিলগ্‌গিয় < বিলগ্নিত = প্ৰকটিত হোৱা, ওলাই পৰা; গ্ন > গ্‌গ (সমীভৱন) 'ত'ৰ লোপ।

দৰ < দৰম্ = ঈষৎ বা সামান্য; অন্ত্য 'ম্'-কাৰৰ লোপ।

সিহণ (দেশী শব্দ) = স্তনযুগল।



চিন্তা-চৰ্চা কৰক ৫.১

সন্দেশ ৰাসক কাব্যৰ আপোনাৰ পাঠ্য গাথাকেইটি সৰল অসমীয়ালৈ ভাঙনি কৰক আৰু কঠিন শব্দবোৰৰ টোকা প্ৰস্তুত কৰি উলিয়াওক।



৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিৰ অধ্যয়নৰ পৰা আমি গম পালো যে—

- কবি অব্দহমান বা আব্দুল ৰহমানে আনুমানিক খ্ৰীষ্টিয় দ্বাদশ অথবা ত্ৰয়োদশ শতিকাত ৰচনা কৰা *সন্দেশ ৰাসক* এখনি লোক-জীৱন আধাৰিত প্ৰেমমূলক কাব্য।
- কাব্যখনিৰ ভাষা অৰ্বাচীন অপভ্ৰংশ বা অৱহট্‌ঠ। তদুপৰি ইয়াৰ ভাষাই তৎকালীনভাৱে লোকজীৱনত প্ৰচলিত কথ্য ৰূপৰ প্ৰতিনিধিত্ব কৰিছে। কথ্য ভাষাক কাব্যিক মৰ্যাদা দান কৰিব পৰাটো কবিৰ এক বিশেষ কৃতিত্ব।
- কাব্যখনিত ঘাইকৈ 'ৰাসক' ছন্দ ব্যৱহাৰ কৰা হৈছে। কবিয়ে আৱশ্যকবোধে দোহা, চউপইন আদি ছন্দৰ আশ্ৰয়ো লৈছে।
- প্ৰবাসগতা স্বামীৰ অপেক্ষাত বিৰহ-বেদনাৰে জৰ্জৰিতা এগৰাকী মহিলাই জনৈক পথিকৰ জৰিয়তে নিজৰ মনৰ কথা স্বামীলৈ প্ৰেৰণ কৰাৰ বিষয়বস্তুক লৈ কাব্যখনি ৰচিত হৈছে।



৫.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) ঠাকুৰ নগেন (১৯৯৮); প্ৰাকৃত সাহিত্যৰ অধ্যয়ন; গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।
২) ঠাকুৰ নগেন (১৯৯৩); প্ৰাকৃত সাহিত্য চয়ন; গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।
৩) ঠাকুৰ নগেন (১৯৯৭); পালি-প্ৰাকৃত - অপভ্ৰংশ ভাষা আৰু সাহিত্য ; গুৱাহাটী ঃ কে এম পাব্লিছিং।
৪) ঠাকুৰ নগেন (২০০২); সংস্কৃত-পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ; গুৱাহাটী ঃ বনলতা।

বাংলা গ্ৰন্থ ঃ

৫) বন্দ্যোপাধ্যায়, ধীরেন্দ্র নাথ (১৯৮৮); সংস্কৃত সাহিত্যের চণ্ডীদাস; কলকাতাঃ পশ্চিমবঙ্গ রাজ্য পুস্তক পর্ষদ।
৬) বসু, শংকৰী প্ৰসাদ (১৯৯৯); বিদ্যাপতি ও চণ্ডীদাস, কলকাতা ঃ দে'জ পাব্লিকেশ্যন।
৭) ভট্টাচার্য, দেবীদাস (১৯৬৫); মধ্য ভারতীয় আর্য ভাষা ও সাহিত্যের ভূমিকা; গৌহাটী ঃ ওরিয়েন্টেল বুক কোম্পানী।

ংৰাজী গ্ৰন্থ ঃ

৮) Kale, M.R.(Ed.) (1996); The Abhijnana Sakuntalam of Kalidasa; Delhi : MBD
৯) Mishra, Hari Mohan (1998); 'Kirtilata', in encyclopeadia of indian Literature, Vol-3. (ed.) by Amaresh dutta, Delhi : Sahitya Academi.
১০) Winternitz, M. (1985); History of Indian Literature; Vol-II (trans in English by Subhadra Jha); Delhi : MBD

৫.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্ৰশ্নৰ উত্তৰ ঃ *সন্দেহ ৰাসক* কাব্যৰ ৰচক আব্দুৰ ৰহমানৰ পৰিচয় দাঙি ধৰিব লাগিব।

২ নং প্ৰশ্নৰ উত্তৰ ঃ *'সন্দেহ ৰাসক'*ৰ ৰচনা কাল সঠিককৈ নিৰ্ণিত হোৱা নাই যদিও সেই সম্বন্ধে, বিভিন্ন পণ্ডিতৰ মতামত আৰু সেই সম্পৰ্কীয় প্ৰাপ্ত তথ্যদিৰ উল্লেখ কৰিব লাগিব।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাসক ছন্দৰ বৈশিষ্ট্য অৰ্থাৎ ছন্দসজ্জা উল্লেখ কৰি *'সন্দেশ ৰাসক'* কাব্যৰ গঠন ৰীতিৰ আভাস দিব লাগিব।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ *সন্দেশ ৰাসক* কাব্যৰ এই নাম কিয় ৰখা হ'ল আৰু এই নামে কাব্যখনিৰ তাৎপৰ্য কিদৰে দাঙি ধৰিবলৈ সমৰ্থ হৈছে, সেই বিষয়ে উল্লেখ কৰিব লাগিব।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ *সন্দেশ ৰাসক* কাব্যৰ মাজেৰে বৰ্ণিত ঘটনাৰ এটি বিৱৰণ দাঙি ধৰিব লাগিব

৬ নং প্ৰশ্নৰ উত্তৰ ঃ *সন্দেশ ৰাসক* কাব্যৰ ভাষাশৈলী, ছন্দসজ্জা, লোক-জীৱনৰ বাংময় চিত্ৰ, অলংকাৰ আদিৰ প্ৰয়োগ ইত্যাদিৰ বিষয়ে বিশ্লেষণ কৰি দেখুৱাব লাগিব।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ *সন্দেশ ৰাসক* দূত কাব্য জনৈক পথিকৰ জৰিয়তে প্ৰবাসত বাৰ্তা প্ৰেৰণ কৰাৰ লক্ষণ কেনেদৰে ফুটি ওলাইছে সেই বিষয়ে আলোচনা কৰিব লাগিব।



৫.৭ আৰ্হি প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ *সন্দেশ ৰাসক* কাব্যৰ ৰচক কোন? তেওঁৰ পৰিচয় দি কাব্যখনিৰ ৰচনাকাল সম্পৰ্কে এটি আলচ যুগুত কৰক।

প্ৰশ্ন নং ২ ঃ *'সন্দেশ ৰাসক'* কাব্যৰ প্ৰকৃত নাম কি? এই কাব্যখন কি ভাষাত ৰচিত? কাব্যখনিৰ নামাকৰণ সম্বন্ধে আপোনাৰ অভিমত ব্যক্ত কৰক।

প্ৰশ্ন নং ৩ ঃ ভাৰতীয় দূত কাব্যৰ পৰস্পৰত '*সন্দেশ ৰাসকৰ* স্থান'— এই শিতানত এটি আসচ যুগুত কৰক।

প্ৰশ্ন নং ৪ ঃ *সন্দেশ ৰাসকৰ* বিষয়বস্তুৰ আভাস দাঙি ধৰি ইয়াৰ সাহিত্যিক সৌন্দৰ্য বিচাৰ কৰক।

প্ৰশ্ন নং ৫ ঃ ৰাসক শ্ৰেণীৰ কাব্যৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি *সন্দেশ ৰাসকৰ* সেইবোৰ কেনেদৰে প্ৰতিফলিত হৈছে বিচাৰ কৰক, লগতে ইয়াৰ মাজেৰে প্ৰতিফলিত প্ৰেম কাহিনী সংস্কৃত কাব্যৰ প্ৰেম কাহিনীতকৈ কি কি বিষয়ত পৃথক, আলোচনা কৰক।

প্ৰশ্ন নং ৬ ঃ *সন্দেশ ৰাসকৰ* আপোনাৰ পাঠ্যক্ৰমৰ অন্তৰ্গত গাথাকেইটা সৰল অসমীয়ালৈ অনুবাদ কৰক।

প্ৰশ্ন নং ৭ ঃ *সন্দেশ ৰাসকৰ* নিজস্ব ভাষাগত বৈশিষ্ট্যবোৰ ফঁহিয়াই বিচাৰ কৰক।

*** ***** ***

অধ্যায় ৬ ঃ অৱহট্‌ঠ সাহিত্য পাঠ (২)
বিদ্যাপতিৰ *কীর্তিলতা* ঃ ১-৫ নং গাথা

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ *কীর্তিলতা*

- ৬.৩.১ কবি পৰিচয়
- ৬.৩.২ *কীর্তিলতা* কাব্যৰ নামকৰণ আৰু বিষয়বস্তু
- ৬.৩.৩ *কীর্তিলতা* কাব্যৰ ঐতিহাসিক মূল্য
- ৬.৩.৪ *কীর্তিলতা* কাব্যৰ সাহিত্যিক সৌন্দর্য
- ৬.৩.৫ *কীর্তিলতা*ৰ ভাষাগত বৈশিষ্ট্য
- ৬.৩.৬ মূল পাঠ, অসমীয়া অনুবাদ আৰু শব্দগত টোকা

৬.৪ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

৬.৫ অধিক জানিবলৈ

৬.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৬.৭ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- পূব ভাৰতৰ অন্যতম কবি 'ৰিজ্জাৱই'ৰা বিদ্যাপতিৰ জীৱন আৰু সাহিত্য প্ৰতিভাৰ যথাযথ বিশ্লেষণ কৰিব পাৰিব
- পূৰী অৱহট্‌ঠত ৰচিত ঐতিহাসিক কাব্য *কীর্তিলতা*ৰ মূল্যায়ন কৰিব পাৰিব
- সংস্কৃত ভাষাত ৰচিত চম্পু-কাব্যৰ লগত *কীর্তিলতা*ৰ তুলনা কৰিব পাৰিব
- *কীর্তিলতা* কাব্যৰ ভাষা সম্বন্ধে বিশ্লেষণ কৰিব পাৰিব।

৬.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় ষান্মাসিকৰ অন্তৰ্গত ভাষা শাখাৰ শিক্ষাৰ্থীৰ বাবে আগবঢ়োৱা এইখন তৃতীয় পাঠ্যবিষয়। এই অধ্যায়টোত বিদ্যাপতিৰ *কীর্তিলতা* কাব্যৰ, প্ৰথম পাঁচফাকি পদ পাঠত অন্তৰ্ভুক্ত কৰা হৈছে। বিদ্যাপতিৰ *কীর্তিলতা* ঐতিহাসিক আখ্যানমূলক কাব্য। ইয়াৰ মাজেদি কবিৰ পৃষ্ঠপোষক টিহুতৰ 'অইনৱৰ' বংশৰ শ্ৰেষ্ঠ ৰজা হিচাপে পৰিগণিত কীর্তিসিংহৰ বীৰত্ব ব্যঞ্জক কাহিনী বিবৃতি হৈছে। তাৰ লগে লগে সমসাময়িক

সমাজ ব্যৱস্থা আৰু তৎকালীন মুছলমান শাসকসকলৰ শাসন ব্যৱস্থা তথা তেওঁলোকৰ ৰাজত্বকালৰ আর্থ-সামাজিক দিশবোৰৰো প্রতিফলন ঘটিছে।

৬.৩ *কীর্তিলতা*

নব্য ভাৰতীয় আর্যভাষাৰ উদ্ভৱ কালত প্রাদেশিক কবি-সাহিত্যিকসকলে ভাৰতীয় আর্যভাষাৰ মধ্যস্তৰৰ শেহতীয়া প্রতিনিধি অপভ্রংশ তথা অর্বাচীন অপভ্রংশ বা অৱহট্‌ঠ ভাষাৰ মাধ্যমেৰে সাহিত্য ৰচনা কৰিছিল। তাৰেই এক উজ্জ্বল নিদর্শন হৈছে মৈথিলী কবি বিদ্যাপতি বা ৰিজ্জাৱই বিৰচিত ঐতিহাসিক কাব্য *কীর্তিলতা*। কাব্যখনি পূর্বী অৱহট্‌ঠ ভাষাত ৰচনা কৰা হৈছে। ইয়াৰ ৰচনা-কাল খ্রীষ্টিয় পঞ্চদশ শতিকাৰ আদিভাগ। কাব্যখনিত কবিৰ পৃষ্ঠপোষক মিথিলাৰাজ কীর্তিসিংহৰ বীৰত্বৰ কাহিনী বর্ণিত হৈছে। তলত আপোনাৰ অধ্যয়নৰ সুবিধার্থে কাব্যখনিৰ ৰচয়িতাৰ পৰিচয়, বিষয়বস্তু, মূল পাঠ, অসমীয়া অনুবাদ আদি আৱশ্যকীয় দিশবোৰৰ সম্যক আলোচনা দাঙি ধৰা হৈছে।

৬.৩.১ কবি পৰিচয়

আপোনাৰ অধ্যয়নৰ বাবে নির্বাচিত পূর্বী অৱহট্‌ঠত ৰচিত ঐতিহাসিক কাব্য *কীর্তিলতাৰ* ৰচক হৈছে 'কবি-সার্বভৌম' মৈথিলী কবি বিদ্যাপতি (অৱহট্‌ঠ নাম ৰিজ্জাৱই)। পূব ভাৰতৰ মধ্যযুগীয় কবি-সাহিত্যিকসকলৰ মাজত এইগৰাকী কবিৰ স্থান একক আৰু অদ্বিতীয়। বিশেষকৈ ইতিহাস-চেতনা, প্রেম-চেতনা, অধ্যাত্ম দর্শন আৰু সৌন্দর্য-চেতনাৰ বাবে এইগৰাকী কবিয়ে সর্বসাধাৰণৰ মাজত আজিও এক নিগাজী আসন দখল কৰি আছে। শঙ্কৰী প্রসাদ বসুৱে সেইবাবেই বিদ্যাপতিক 'মধ্যযুগৰ পূর্ব ভাৰতৰ কবি-সার্বভৌম' হিচাপে বিভূষিত কৰিছে। এনে আখ্যাই সমসাময়িক কবিসকলৰ মাজত বিদ্যাপতিৰ শ্রেষ্ঠত্বৰ কথাকে প্রতিপন্ন কৰে।

মধ্যযুগীয় সাহিত্যৰ আলোচকসকলে বিদ্যাপতিৰ সময় খ্রীষ্টিয় চতুর্দশ শতিকাৰ অন্তিম চৰণৰ পৰা পঞ্চদশ শতিকাৰ মধ্যভাগ বুলি ঠাৱৰ কৰিছে। বিমান বিহাৰী মজুমদাৰে এইগৰাকী কবিৰ জীৱন-কাল ১৩৮০ খ্রীষ্টাব্দৰ পৰা ১৪৬০ খ্রীষ্টাব্দ বুলি ঠাৱৰ কৰিছে। কবিৰ জন্ম হৈছিল মিথিলা দেশৰ অন্তর্গত বিপসী নামৰ গাঁও এখনত। মিথিলাৰ কামেশ্বৰ বংশৰ ৰাজ-পৰিয়ালৰ লগত বিদ্যাপতিৰ পূর্বপুৰুষসকলৰ ওতঃপ্রোত সম্বন্ধ আছিল। তেওঁলোকে প্রায়ভাগ সময়তে এই ৰাজ-পৰিয়ালৰ ৰাজত্বকালত বিভিন্ন ৰাজ-পদবীত নিযুক্ত হৈ শাসন-কার্যত ভাগ ল'বলগীয়া হৈছিল। সেই সূত্রে বিদ্যাপতিও আছিল এই ৰাজবংশৰ সুহৃদ আৰু পৰামর্শদাতা। তাৰ লগে লগে তেওঁ ৰাজসভাৰ সভাকবি হিচাপে সাহিত্যাদি ৰচনাতো মনোনিৱেশ কৰিবলগীয়া হৈছিল।

বিদ্যাপতিয়ে কাব্য-চর্চা কৰাৰ কালছোৱাত সমগ্র উত্তৰ-ভাৰত জুৰি চাৰিওপিনে অশান্তিৰ জুই জ্বলিছিল। মিথিলাতো তেনে অশান্তি বিৰাজ কৰিছিল।

ৰাজ-পৰিয়ালৰ তেজে-ধোৱা সিংহাসনত যদি এজন বহিছে, তেন্তে আন এজনে সিজনাক হত্যা কৰি নিজে ৰাজপাটত আৰোহণ কৰিছে। মুঠতে চৌদিশে এক হিংসাত্মক পৰিবেশ। এনে এক অশান্তিময় পৰিৱেশৰ মাজতে বিদ্যাপতিয়ে সাহিত্য-চর্চাৰ গতি অব্যাহত ৰাখিবলগীয়া হৈছিল। কাৰণ তেওঁ আছিল ৰজাঘৰীয়া কবি। অৱশ্যে এই পৰিৱেশে একে সময়তে বিদ্যাপতিক সাহিত্য-সৃষ্টিৰ সমলো যোগান ধৰিছিল। প্রচুৰ অভিজ্ঞতা, অক্লান্ত সাধনা আৰু বিপুল পাণ্ডিত্যৰ সমন্বয় বিদ্যাপতিৰ সাহিত্য-কর্মৰ প্রধান বিশেষত্ব। এহাতে বৈষ্ণৱ ধর্মৰ ধর্মীয় চেতনা আৰু আনহাতে ইতিহাস-চেতনা এই দুই প্রকাৰৰ বৈশিষ্ট্যসম্পন্ন সাহিত্যৰ সৃষ্টিৰে ইতিহাস ৰচনা কৰিব পৰাটো বিদ্যাপতিৰ এক উল্লেখযোগ্য সাফল্য।

ওপৰৰ আলোচনাৰ পৰা আপুনি বুজিব পাৰিছে যে বিদ্যাপতি আছিল মিথিলাৰ কামেশ্বৰ ৰাজকূলৰ উত্থান-পতনৰ প্রত্যক্ষদর্শী। এই ৰাজ-পৰিয়ালৰ দেৱসিংহ, কীর্তিসিংহ আৰু শিৱসিংহ নিজ ৰাজ্যৰ পৰা বিতাৰিত হৈ নৈমিষাৰণ্যত বাস কৰিবলগীয়া হৈছিল। সেই সময়ছোৱাত এজন শিষ্যৰূপে বিদ্যাপতিয়েও সেই অৰণ্যতে বাস কৰিছিল। তেতিয়া বিদ্যাপতিৰ বয়স আছিল মাত্র পঁচিশ বছৰ। পাছত দেৱসিংহ, কীর্তিসিংহ আৰু শিৱসিংহ নিজ ৰাজ্যলৈ উভতি অহাত বিদ্যাপতিও মিথিলালৈ উভতি আহি তেওঁলোকৰ আশ্রয়ত সাহিত্য-চর্চা কৰিবলৈ লয়। পৰৱর্তী সময়ত কামেশ্বৰ ৰাজবংশৰ পুনৰ বিপর্যয় ঘটে। ইয়াৰ ফলত বিদ্যাপতিয়ে ৰাজবনৌলিত ৰজা পুৰাদিত্যৰ আশ্রয়ত পলাতক জীৱন কটাবলগীয়া হয়। মিথিলাত কামেশ্বৰ ৰাজবংশ পুনঃ প্রতিষ্ঠিত হোৱাত বিদ্যাপতি পুনৰ মিথিলালৈ উভতি আহে। মিথিলাত তেওঁ পদ্মসিংহ আৰু বিশ্বাসদেৱীৰ আশ্রয় লাভ কৰে আৰু তাতে পুনৰ সাহিত্য-চর্চাত মনোনিবেশ কৰে। মিথিলাৰ ৰাজবংশৰ উত্থান-পতনৰ অভিজ্ঞতাৰ আধাৰত প্রথমে তেওঁ *ভূপৰিক্রমা* নামৰ এখন গ্রন্থ ৰচনা কৰে। পৰৱর্তী সময়ত তেওঁ মৈথিলী মিশ্রিত অৱহট্‌ঠ ভাষাত *কীর্তিলতা* আৰু *কীর্তিপতাকা* নামৰ আন দুখন কাব্যগ্রন্থ ৰচনা কৰে। দুয়োখন গ্রন্থতে কবিৰ প্রখৰ ইতিহাস-চেতনাৰ স্বাক্ষৰ লক্ষ্য কৰিব পাৰি। বিমানবিহাৰী মজুমদাৰে গ্রন্থ দুখনত বর্ণিত যুদ্ধৰ বিৱৰণলৈ লক্ষ্য কৰি বিদ্যাপতিয়ে নিজে যুদ্ধত অংশ গ্রহণ কৰাৰ সম্ভাৱনা ব্যক্ত কৰিছে। মজুমদাৰৰ মতৰ ওপৰত নির্ভৰ কৰি শঙ্কৰী প্রসাদ বসুৱে বিদ্যাপতিক চতুর্দশ শতিকাৰ পঞ্চমজনা 'সৈনিক কবি' আখ্যা দিছে। ইয়াৰ পৰৱর্তী সময়ত কবিগৰাকীয়ে ঐতিহাসিক চিন্তা এৰি বৈষ্ণৱ-পদ ৰচনাত নিজকে আত্মনিয়োগ কৰে। ইয়াৰ ফলত তেওঁৰ ইতিহাস-চেতনা ক্রমাৎ স্তিমিত হৈ আহে আৰু সেই চেতনা মাত্র প্রবাদ-প্রবচন আদিৰ মাজত সংৰক্ষিত হৈ ৰয়।

বিদ্যাপতিৰ সাহিত্য-চিন্তা অতিশয় বৈচিত্র্যপূর্ণ। ইতিহাস, ন্যায়, স্মৃতি আদি বিষয়ত তেওঁৰ অগাধ পাণ্ডিত্য আছিল। তেওঁৰ দ্বাৰা ৰচিত পূর্বোল্লিখিত *ভূপৰিক্রমা*, *কীর্তিলতা*, *কীর্তিপতাকাৰ* উপৰি *পুৰুষ পৰীক্ষা*, *লিখনাৱলী*, *শৈৱসর্বস্বহাৰ*, *গঙ্গাবাক্যাৱলী*, *বিভাগসাগৰ*, *দানবাক্যাৱলী*, *দুর্গাভক্তিতৰঙ্গিনী* আদি গ্রন্থই সেই

কথাকে প্রমাণ কৰে। এইবোৰৰ উপৰি তেওঁ বিপুল পৰিমাণৰ বৈষ্ণৱপদ আৰু শৈৱপদ ৰচনা কৰি গৈছে।

বিদ্যাপতি অলঙ্কাৰ আৰু স্মৃতিশাস্ত্ৰৰ অধ্যাপক আছিল। আন কথাত তেওঁ সংস্কৃত ভাষাৰ এগৰাকী উল্লেখযোগ্য পণ্ডিত আছিল। তেওঁ কেইবাখনো সংস্কৃত গ্ৰন্থ ৰচনা কৰিছে। কিন্তু কিছুমান নির্দিষ্ট বিষয়ৰ ৰচনাত তেওঁ সদায়ে নিজৰ স্থানীয় ভাষাক আগস্থান দিছে। এনে কাৰণতে তেওঁৰ সৰহভাগ ৰচনাত লোক-জীৱনৰ পৰা আহৰিত মৈথিলী মিশ্রিত অৱহট্‌ঠ ভাষাৰ প্রয়োগহে লক্ষ্য কৰা যায়। নিজৰ জাতি আৰু ভাষাৰ প্রতি শ্রদ্ধাশীল মনোভাৱ তাৰ কাৰণ হ'ব পাৰে। সম্ভৱতঃ সর্বভাৰতীয় আৱশ্যকতালৈ লক্ষ্য ৰাখি তেওঁ সংস্কৃত গ্ৰন্থ-প্রণয়নত হাত দিছিল আৰু আনহাতে, স্থানীয় প্রয়োজন তথা নিজ ৰাজ্য মিথিলাৰ অধিবাসীসকলৰ প্রতি থকা দায়বদ্ধতাৰ কথা ভাবি তেওঁ অৱহট্‌ঠ আৰু মৈথিলী ভাষাত কাব্য ৰচনা কৰিছিল। *কীর্তিলতা* কাব্যত কবিয়ে উল্লেখ কৰা নিম্নোক্ত পদফাকিয়ে তাৰেই সাক্ষ্য বহন কৰে ঃ

সক্কঅ-বাণী বুহঅন ভাৱই
পাউঅ-ৰস কো মম্ম ন পাৱই।
দেসিল-ৱঅনা সৱজন মিট্‌ঠা
তেং তইসন জংপিঅ অৱহট্‌ঠা।।

ইয়াৰ অর্থ হ'ল— 'সংস্কৃত কথাৰ মর্ম বিদগ্ধজনেহে বুজে; প্রাকৃত-ৰসৰ মর্ম কোনেও নাপায়। দেশী-বচন সকলোৰে বাবে মিঠা; সেই হেতুকে অৱহট্‌ঠত ৰচনা কৰিছো'। কবিৰ এনে চিন্তাই সাহিত্য-সৃষ্টিৰ প্রসঙ্গত ভাষা বিশেষৰ যোগ্যতা বা অযোগ্যতাৰ এক স্পষ্ট ধাৰণা দিয়ে। স্থানীয় ভাষাৰে সাহিত্য সৃষ্টি কৰিলে সেয়া আদৰণীয় নহ'ব, তেনে ধাৰণাৰ পৰা এইজনা কবি সম্পূর্ণৰূপে মুক্ত আছিল যেন অনুমান হয়। আন প্রকাৰে ইয়াক কবিগৰাকীৰ ভাষা-দর্শনো বুলিব পাৰি।

বিদ্যাপতিয়ে জীৱনত দাৰিদ্র্য আৰু ঐশ্বর্য দুয়োটাকে প্রত্যক্ষভাৱে দেখিছে। জীৱনৰ অন্তিম কালছোৱাত তেওঁৰ সমস্ত ধন-সম্পদ অযোগ্য পৰিজনৰ হাতত পৰি সমূলধ্বে নাশ হোৱাও তেওঁ দেখিবলৈ পাইছে। সেইবাবেই হয়তো মিথিলাৰ তৎকালীন এক উচ্চ বংশত জন্ম লাভ কৰা সত্বেও তেওঁ ক'তো নিজৰ বংশ-পৰিচয় লিপিবদ্ধ কৰি থৈ যোৱা নাই। বিদ্যাপতিৰ ব্যক্তিগত জীৱনৰ বহু প্রয়োজনীয় কথা অন্ধকাৰত ৰৈ যোৱাৰ সেইটোৱেই ঘাই কাৰণ হ'ব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ বিদ্যাপতিৰ চমু পৰিচয় আৰু সাহিত্য-কর্মৰ এটি চমু আভাস দাঙি ধৰক। (১৫০টা শব্দৰ ভিতৰত)

৬.৩.২ *কীর্তিলতা* কাব্যৰ নামকৰণ আৰু বিষয়বস্তু

পূর্বৱর্তী উপশাখাত প্রসঙ্গক্রমে এই কথা কৈ অহা হৈছে যে ৰিজ্জাৱই বা বিদ্যাপতিয়ে ৰচনা কৰা *কীর্তিলতা* এখনি মনোৰম ঐতিহাসিক কাব্য। আন প্রকাৰে এই কাব্যখনিক কবিগৰাকীৰ ইতিহাস-চেতনা আৰু সমাজ-চেতনাৰ এক উজ্জ্বল চানেকি বুলিবও পাৰি। এতিয়া এইটো উপশাখাত আপুনি কাব্যখনিৰ নামকৰণৰ যথার্থতা আৰু বিষয়বস্তু সম্বন্ধে অধ্যয়ন কৰিবলৈ পাব।

কবিৰ মতে লতা জাতীয় গছ যিদৰে আন কোনো গছ বা চাঙক অৱলম্বন কৰি চাৰিওফালে প্রসাৰিত হয়, ঠিক তেনেদৰে আখৰৰূপী খুঁটা বা স্তম্ভৰ ওপৰত কাব্যৰূপী মঞ্চ নির্মাণ কৰিলেহে যশ-কীর্তি বিয়পি পৰে। *কীর্তিলতা* কাব্যত এই কথা কবিয়ে এনেদৰে প্রকাশ কৰিছে ঃ

তিহুঅন-খত্তেহি কাঞি তসু কিত্তিৱলি পসৰেই।
অক্খৰ-খম্বাৰম্ভএগ মাএচো বন্ধি ন দেই।।

অর্থাৎ মঞ্চ হ'ল কাব্য আৰু আখৰ হ'ল সেই মঞ্চৰ আধাৰ। আন কথাত কাব্য-মঞ্চ আখৰৰ দ্বাৰা নির্মিত স্তম্ভৰ ওপৰত বর্তি থাকে। বিদ্যাপতিয়ে তেওঁৰ পৃষ্ঠপোষক ত্রিহুতৰ কামেশ্বৰ বংশীয় ৰাজন কীর্তিসিংহৰ যশ-গৌৰৱ প্রচাৰ কৰিবলৈ আখৰৰূপী স্তম্ভৰ ওপৰত কাব্য-মঞ্চ ৰচনা ৰচিছে আৰু তাৰ জৰিয়তে কাব্যৰ কেন্দ্রীয় চৰিত্র কীর্তিসিংহৰ কীর্তি চিৰস্থায়ী কৰিব বিচাৰিছে। কাব্যত বর্ণিত ৰজাগৰাকীৰ নাম 'কীর্তিসিংহ' আৰু তেওঁৰ কীর্তি বা যশ-গুণক 'লতা' বুলি ধৰি লোৱা হৈছে। গতিকে এই ফালৰ পৰা কাব্যখনিৰ *কীর্তিলতা* নাম সার্থক হৈছে বুলি নিশ্চয়কৈ পতিয়ন যাব পাৰি।

কাব্যখনি সর্বমুঠ চাৰিটা 'পল্লৱ'ত বিভক্ত। ইয়াৰে 'প্রথম পল্লৱ'ৰ আৰম্ভণিৰ কেইফাকিমান পদত সজ্জন আৰু দুর্জনৰ পার্থক্য বিচাৰ কৰা হৈছে। তাৰ লগে লগে কাব্যখনিত অৱহট্‌ঠ ভাষাৰ ব্যৱহাৰৰ সমর্থনত কবিয়ে নিজৰ যুক্তি অতিশয় বলিষ্ঠভাৱে দাঙি ধৰাৰ প্রয়াস কৰিছে। তাৰ পিছতহে মূল বিষয়ত প্রৱেশ কৰা হৈছে। উল্লেখনীয় যে কাব্যখনিত এহাল মৌমাখিৰ কথোপকথনৰ মাধ্যমেৰে মূল কাহিনীৰ অৱতাৰণা কৰা হৈছে। এইটো 'পল্লৱ'ৰ শেষৰফালে 'অইনৱৰ' ৰাজবংশৰ কামেশ্বৰৰ পৰা গুণেশ্বৰলৈ —গুণেশ্বৰৰ দুই পুত্র বীৰসিংহ আৰু কীর্তিসিংহ সহ বিভিন্ন শাসকৰ পৰিচয় দাঙি ধৰা হৈছে।

'দ্বিতীয় পল্লৱ'ত কবিয়ে জনৈক মুছলমান প্রশাসক অছলামে বিশ্বাসঘাটকতা কৰি ১৩৭১ চনত মিথিলাৰাজ গুণেশ্বৰক হত্যা কৰি মিথিলা দেশ অধিকাৰ কৰা আৰু গুণেশ্বৰৰ পুত্র কীর্তিসিংহৰ দ্বাৰা জৌনপুৰৰ নবাব ইব্রাহীন শ্বাহ শ্বার্কিৰ সহায়ত অছলামৰ বিৰুদ্ধে যুদ্ধৰ প্রস্তুতি চলোৱাৰ বিৱৰণ দাঙি ধৰা হৈছে।

কাব্যৰ 'তৃতীয় পল্লৱ'ত মিথিলাৰ বিতাৰিত ৰাজকুমাৰ বীৰসিংহ আৰু কীর্তি-সিংহৰ দুখ-দুর্দশাৰ মর্মন্তুদ ছবি অঙ্কিত হৈছে আৰু তাৰ লগে লগে জৌনপুৰৰ নবাব ইব্রাহীম শ্বাহ শ্বার্কিৰ সৈন্যবাহিনীয়ে পশ্চিম দিশলৈ চলোৱা অভিযানৰ বিৱৰণ দিয়া হৈছে।

'চতুর্থ পল্লৱ'ত ইব্রাহীম শ্বাহ শ্বার্কিৰ সৈন্যবাহিনীয়ে পূব দিশলৈ চলোৱা অভিযান, অছলাম-বাহিনীৰ সৈতে ইব্রাহীম শ্বাহ শ্বার্কি নেতৃত্বাধীন সৈন্যবাহিনীৰ মিথিলাৰ ৰাজধানীৰ সমীপত হোৱা প্রচণ্ড যুদ্ধ, কীর্তিসিংহ আৰু ইব্রাহীমৰ সৈন্যবাহিনীৰ প্রচণ্ড বিক্রম, কীর্তিসিংহৰ বিজয় আৰু পৰিশেষত উৎসৱমুখৰ পৰিবেশত কীর্তিসিংহৰ ত্রিহুতৰ ৰাজপাট আৰোহণ— ইত্যাদি বিষয় সন্নিবিষ্ট কৰা হৈছে। ইমানতে কাব্যখনিৰ সামৰণি পৰিছে।

১৩৭১ চনত অছলামে মিথিলা ৰাজ্য অধিকাৰ কৰাৰ পৰা কীর্তিসিংহৰ দ্বাৰা সেই ৰাজ্যৰ পুনৰুদ্ধাৰলৈ, অর্থাৎ ১৪০২ চনলৈ মুঠ একত্রিশ বছৰ সময়ৰ আৱশ্যক হৈছিল। পিতৃ গুণেশ্বৰৰ হত্যাৰ সময়ত কীর্তিসিংহ নিচেই কম বয়সীয়া আছিল। পিতৃহত্যাৰ প্রতিশোধ ল'বলৈ আৰু অছলামৰ হাতৰ পৰা ৰাজ্য উদ্ধাৰ কৰি মিথিলাত নিজ-বংশৰ ৰাজত্ব প্রতিষ্ঠা কৰিবলৈ কীর্তিসিংহক সুদীর্ঘ একত্রিশ বছৰৰ প্রয়োজন হয়। মিথিলাবাসীৰ বাবে এই সময়ছোৱা আছিল অৰাজকতা আৰু বিশৃংখলাৰ সময়। হত্যা-লুণ্ঠন আদি আছিল এই কালছোৱাৰ নিত্য নৈমিত্তিক ঘটনা। *কীর্তিলতা* কাব্যত এইছোৱা সময়ৰ বিৱৰণ তেনেভাৱেই দিয়া হৈছে।

কীর্তিলতাত ইতিহাস আৰু কবিতা উভয়ৰে সুন্দৰ সমাহাৰ লক্ষ্য কৰিব পাৰি। কবিয়ে ইতিহাসৰ ঘটনাৱলী এই কাব্যত যথাযথভাৱে উপস্থাপন কৰিছে নে নাই সেই কথা সঠিককৈ কোৱা টান। কিন্তু আন প্রকাৰে ইয়াত সংস্কৃত ঐতিহাসিক কাব্যকাৰসকলে কৰাৰ দৰে মাত্রাধিক কল্পনাৰ মিশ্রণ ঘটোৱা বুলিও ক'ব নোৱাৰি। অন্যান্য মধ্যযুগীয় কবিয়ে কৰাৰ দৰে *কীর্তিলতাৰ* কবিয়ে তেওঁৰ পৃষ্ঠপোষক ৰজাৰ স্তুতিবাণী বা অহেতুক প্রশংসাৰেও কাব্য-কর্ম ওপচাই থোৱা নাই। ইতিহাস আৰু কল্পনাৰ সংমিশ্রণেৰে ৰচিত এই কাব্যখনিক নিঃসন্দেহে এক উচ্চস্তৰৰ সাহিত্য-কর্ম আখ্যা দিব পাৰি। ইতিহাসৰ সত্য ঘটনাৱলীৰ আলমত ৰচিত হোৱা বাবে ইয়াক ঐতিহাসিক কাব্য বোলা হৈছে। কাব্যখনিত বর্ণিত ঘটনাৱলীয়েও তাৰেই প্রমাণ দাঙি ধৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ *কীর্তিলতা* কাব্যৰ নামকৰণৰ যথার্থতা সম্বন্ধে এটি টোকা প্রস্তুত কৰক। (১৫০টা শব্দৰ ভিতৰত)

প্রশ্ন নং ৩ ঃ *কীর্তিলতা* কাব্যৰ বিষয়বস্তু কি? উল্লেখ কৰক। (১৫০টা শব্দৰ ভিতৰত)

৬.৩.৩ *কীর্তিলতা* কাব্যৰ ঐতিহাসিক মূল্য

'কবি সার্বভৌম' বিদ্যাপতি বিৰচিত *কীর্তিলতা* মূলতঃ এখন ঐতিহাসিক কাব্য। তেওঁৰ এইটো ধাৰাৰ আনখন কাব্য হৈছে *কীর্তিপতাকা*। কিন্তু সেয়ে হ'লেও বিদ্যাপতি আছিল ঘাইকৈ প্রেম-মনস্তত্ব আৰু সৌন্দর্যৰ কবি। বিশেষকৈ বৈষ্ণৱ প্রেম-ভক্তিৰ চিত্র-অঙ্কনত মধ্যযুগীয় কবিকুলৰ মাজত এইগৰাকী কবিৰ স্থান আছিল একক আৰু অদ্বিতীয়। এনে এগৰাকী কবিৰ কলমেৰে দুখনকৈ ঐতিহাসিক কাব্য নিসৃত হোৱাটো নিঃসন্দেহে এক বিস্ময়কৰ কথা। মিথিলাৰ 'অইনৱৰ-কামেশ্বৰ' ৰাজবংশৰ সভাকবি আৰু অন্যতম পৰামর্শদাতা হিচাপে বিদ্যাপতিয়ে সেই ৰাজ-পৰিয়ালৰ দুগৰাকী প্রসিদ্ধ ৰজা কীর্তিসিংহ আৰু শিৱসিংহৰ যশ-কীর্তি প্রকাশ কৰাৰ উদ্দেশ্য আগত ৰাখিয়েই যথাক্রমে *কীর্তিলতা* আৰু *কীর্তিপতাকা* নামৰ ঐতিহাসিক কাব্য দুখন ৰচনা কৰিছে। তাৰ লগে লগে তেওঁ প্রাসঙ্গিকভাৱে সমসাময়িক ঐতিহাসিক ঘটনাৱলীৰো যথাযথ বিৱৰণ দাঙি ধৰিছে। দুয়োখন কাব্য মৈথিলী-মিশ্রিত অৱহট্‌ঠ ভাষাত ৰচিত।

ইতিমধ্যে কৈ অহা হৈছে *কীর্তিলতাত* মিথিলাৰ কামেশ্বৰ ৰাজ-পৰিয়ালৰ উত্তৰাধিকাৰ কীর্তিসিংহৰ দ্বাৰা পিতৃহন্তা তথা মিথিলাৰ শাসনভাৰ হস্তগত কৰা মুছলমান শাসক অছলামক পৰাভূত কৰি নিজ ৰাজ্য উদ্ধাৰ কৰাৰ কথা বর্ণিত হৈছে। আনহাতে *কীর্তিপতাকাৰ* বিষয়বস্তু হৈছে মিথিলাৰ উক্ত বংশৰ আনজনা ৰজা শিৱসিংহৰ শৃঙ্গাৰ-লীলা আৰু তেওঁৰ বীৰত্বব্যঞ্জক ঘটনাৱলী। নক'লেও চলে, দুয়োখন কাব্যগ্রন্থই কাব্যকাৰ গৰাকীৰ ইতিহাস-চেতনাৰ সাক্ষ্য বহন কৰি আছে। আপোনাৰ পাঠ্যক্রমত যিহেতু অকল *কীর্তিলতা* কাব্যৰ পদহে সন্নিবিষ্ট কৰা হৈছে, এতেকে *কীর্তিপতাকাৰ* কথা অৱতাৰণা নকৰি এই উপশাখাত আপোনাৰ অৱগতিৰ অর্থে ঐতিহাসিক কাব্য হিচাপে অকল *কীর্তিলতাৰ* মূল্যায়ন আগবঢ়োৱা হ'ব।

খ্রীষ্টিয় ত্রয়োদশ-চতুর্দশ শতিকাত উত্তৰ-পূব ভাৰতত আর্য-সভ্যতাৰ ইতিহাস যি সংকটৰ সন্মুখীন হৈছিল, বিদ্যাপতি আছিল তাৰ প্রত্যক্ষ দ্রষ্টা। সম্ভৱতঃ এইটো কাৰণতে তেওঁ মিথিলাৰ 'সিংহ' বংশৰ ৰজাসকলৰ যশ-গৌৰৱৰ কাহিনীক অতিশয় সফলতাৰে কাব্যৰূপ দিবলৈ সমর্থ হৈছিল। *কীর্তিলতা* কাব্যত বর্ণিত যুদ্ধৰ বিৱৰণলৈ লক্ষ্য কৰিলে এনে অনুমান হয় যেন কবিয়ে নিজে সেই যুদ্ধত হাতত অস্ত্র লৈ অংশ গ্রহণ কৰিছে। তাৰ উপৰি, কাব্যখনিৰ মাজেৰে যুদ্ধ-বিধ্বস্ত সমাজত ঘটা নীতি-বিপর্যয়, সামাজিক মূল্যবোধৰ অৱক্ষয়, সমাজ-জীৱনৰ ভৱিষ্যৎ পৰিণতি, ইত্যাদি বিষয়ৰ যি মূল্যায়ন দাঙি ধৰা হৈছে, সেইবোৰৰ মাজেৰে কবিৰ অসামান্য কাব্য-প্রতিভা প্রকাশ পোৱাৰ লগে লগে তেওঁৰ দার্শনিক চিন্তাৰ গভীৰতাও ফুটি ওলাইছে।

কাব্যৰ প্রথম 'পল্লৱ'ত মিথিলাৰ 'অইনৱৰ' ৰাজবংশৰ ৰজাসকলৰ এক ধাৰাবাহিক ইতিহাস সন্নিবিষ্ট হৈছে। এই ৰাজবংশৰ প্রথম ৰজা কামেশ্বৰৰ পৰা গুণেশ্বৰলৈ তেওঁৰ দুই পুত্র বীৰসিংহ আৰু কীর্তিসিংহ সহ আটাইকেইজন শাসকৰ

নামোল্লেখ হোৱাটো এইটো ‘পল্লৱ’ৰ বিশেষত্ব। দ্বিতীয় ‘পল্লৱ’ত অছলাম নামৰ এগৰাকী মুছলমান শাসকৰ বিশ্বাসঘাটকতা, মিথিলা অধিকাৰ আৰু তৎকালীন মিথিলাৰাজ গুণেশ্বৰক হত্যা কৰাৰ কৰুণ কাহিনী সন্নিবিষ্ট হৈছে। ইতিহাসৰ তথ্য অনুসাৰে এই ঘটনা ঘটিছিল ১৩৭১ চনত। কবিয়ে এই ইতিহাস কাব্যখনিৰ মাজত যথাযথভাৱে বিধৃত কৰিবলৈ সমর্থ হোৱাটো মন কৰিবলগীয়া।

তৃতীয় ‘পল্লৱ’ত বর্ণিত ঘটনা অনুসাৰে অছলামে মিথিলাৰ শাসনভাৰ হস্তগত কৰাৰ পাছত ৰাজ্যহাৰা হৈ বীৰসিংহকে ধৰি আটাইকেইগৰাকী ৰাজকুমাৰে গভীৰ অৰণ্যত আশ্রয় ল’বলগীয়া হয়। কবিয়ে এই সময়ছোৱাত অৰণ্যৰ বুকুত ৰাজকুমাৰসকলে ভোগ কৰা দুখ-দুর্দশাৰ ছবি অতিশয় মর্মস্পর্শী ভাষাৰে বর্ণনা কৰিছে। এইটো ‘পল্লৱ’তে মিথিলাৰ সুহৃদ জৌনপুৰৰ নবাব শ্বাহ ইব্রাহীম শ্বার্কিয়ে পশ্চিম দিশলৈ কৰা সৈন্য-সঞ্চালন আৰু বিজয় অভিযানৰ বিৱৰণ বিশ্বাসযোগ্যভাৱে দাঙি ধৰা হৈছে। ইয়াৰ পিছত চতুর্থ তথা অন্তিম ‘পল্লৱ’-ত ইব্রাহীম শ্বার্কিৰ পূব দিশলৈ কৰা অভিযান, ৰাজকুমাৰ কীর্তিসিংহৰ সৈতে মিলিত হৈ মিথিলা ৰাজ্য আক্রমণ, মিথিলাৰ ৰাজধানীৰ সমীপত অছলামৰ সৈন্যৰ সৈতে হোৱা প্রচণ্ড যুদ্ধ আৰু কীর্তিসিংহ আৰু ইব্রাহীম শ্বাহৰ বিজয়ৰ কাহিনী সন্নিবিষ্ট হৈছে। তাৰ পিছত বিজয়োৎসৱৰ বিৱৰণেৰে কাব্যৰ সামৰণি পৰিছে।

ওপৰত যিখিনি কথা আলোচনা কৰা হ’ল তাৰ পৰা নিশ্চয় আপোনাৰ বুজি পাবলৈ টান হোৱা নাই যে খ্রীষ্টিয় চতুর্দশ শতিকাত ভাৰতবর্ষৰ জনৈক মুছলমান শাসকৰ সৈতে মিথিলাৰ ৰাজবংশৰ যি যুদ্ধ সংঘটিত হৈছিল তাৰ এক জীৱন্ত ছবি *কীর্তিলতা* কাব্যৰ মাজেৰে প্রতিফলিত হৈছে। কবি বিদ্যাপতি আছিল এই সমস্ত ঘটনাৰ প্রত্যক্ষদর্শী। গতিকে তেওঁৰ প্রত্যক্ষ অভিজ্ঞতাই কাব্যখনিক আৱশ্যকীয় গাম্ভীর্য প্রদান কৰাৰ উপৰি বিশ্বাসযোগ্য ৰূপত ইতিহাসৰ ওচৰ চপাই নিয়াত সহায় কৰিছে।

ভাৰতীয় পৰম্পৰাত ‘ইতিহাস’ শব্দৰ বুৎপত্তিগত অর্থ হ’ল— ‘এনেকুৱাই আছিল’। কিন্তু এনে অর্থত শব্দটো ব্যৱহাৰ হোৱাৰ উদাহৰণ বিৰল। পাছলৈ ধর্ম, অর্থ, কাম, মোক্ষ— এই চতুর্বর্ণ সাধনৰ ইঙ্গিত থকা পূৰাবৃত্ত কথা তথা প্রাচীন আখ্যানাদিক ইতিহাস বুলি গণ্য কৰা হৈছিল। সম্ভৱতঃ এনে কাৰণতে প্রাচীন ভাৰতত আধুনিক Historyৰ সমার্থক গ্রন্থ-ৰচনাৰ কোনো প্রয়োগ দেখিবলৈ পোৱা নাযায়। অৱশ্যে খ্রীষ্টিয় দ্বাদশ শতিকা-মানৰ পৰা সংস্কৃত আৰু প্রাকৃত ভাষাত Historyৰ বৈশিষ্ট্য যৎ কিঞ্চিত প্রতিফলিত কৰিব পৰাকৈ কিছু সংখ্যক ঐতিহাসিক গ্রন্থ প্রণীত হোৱা লক্ষ্য কৰিব পাৰি। কহ্লনৰ *ৰাজতৰঙ্গিনী*, বাণভট্টৰ *হর্ষচৰিত*, বিহ্লনৰ *বিক্রমাঙ্কদেৱচৰিত*, পদ্মগুপ্তৰ *নৱসাহসাঙ্কচৰিত*, বাক্‌পতিৰাজৰ *গউড়বহো*, হেমচন্দ্রৰ *কুমাৰপাল চৰিত* আদি গ্রন্থ এই প্রসঙ্গত উল্লেখযোগ্য। এই গ্রন্থবোৰত কম-বেছি পৰিমাণে ইতিহাসৰ ঘটনাৱলী বিধৃত হৈছে বুলি পতিয়ন যাব পাৰি। ইতিহাসৰ পৰা বুটলি অনা বাস্তৱ ঘটনাৰ বিৱৰণ এই গ্রন্থসমূহৰ প্রধান বিশেষত্ব। বিদ্যাপতিৰ *কীর্তিলতা* কাব্যও তাৰ

ব্যতিক্রম নহয়। ইয়াত কবিয়ে তেওঁৰ পৃষ্ঠপোষক ৰজা কীর্তিসিংহৰ তেনে কোনো উচ্চ প্রশংসা কৰা নাই। তেওঁ মাত্র 'লতা জাতীয় গছ যিদৰে আন কোনো গছ বা চাঙক অৱলম্বন কৰি চাৰিওফালে প্রসাৰিত হয়, ঠিক তেনেদৰে আখৰৰূপী খুঁটা বা স্তম্ভৰ ওপৰত কাব্যৰূপী মঞ্চ নির্মাণ কৰি তাৰ জৰিয়তে তেওঁৰ পৃষ্ঠপোষক ৰজাগৰাকীৰ সত্য ঘটনাৱলীৰ যশ-কীর্তি প্রচাৰ কৰিব বিচাৰিছে'। এনে দৃষ্টিৰে চালে কাব্যখনিৰ ঐতিহাসিক মূল্য যে অপৰিসীম তাক দ্বিধাহীনভাৱে স্বীকাৰ কৰিব পাৰি। অৱশ্যে একে সময়তে এই কথাও মনত ৰখা প্রয়োজন যে *কীর্তিলতা* ইতিহাস নহয়, কবি-কল্পনাৰে সুসমৃদ্ধ ই এক সৃষ্টিশীল সাহিত্য-কর্মহে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ ঐতিহাসিক কাব্য হিচাপে *কীর্তিলতা* কাব্যৰ চমু মূল্যায়ন কৰক। (১৫০টা শব্দৰ ভিতৰত)

৬.৩.৪ *কীর্তিলতা* কাব্যৰ সাহিত্যিক সৌন্দর্য

এই উপশাখাটোৰ প্রাৰম্ভণতে আপুনি মনত ৰাখি থওক যে, অৱশেষ বিচাৰত বিদ্যাপতিৰ *কীর্তিলতা* এক সৃষ্টিধর্মী ৰচনাহে; ইতিহাস ইয়াত আধাৰ ৰূপেহে ব্যৱহাৰ হৈছে। গতিকে স্বাভাৱিক কাৰণতে ই কবি-কল্পনাৰে সুসমৃদ্ধ। কবিয়ে মিথিলাৰ 'অইনৱৰ' ৰাজবংশৰ উত্থান-পতনৰ প্রত্যক্ষ অভিজ্ঞতাৰে এই কাব্যখনি ৰচনা কৰিছে। ইয়াত কল্পনা আছে, কিন্তু সেই কল্পনা যে বাস্তৱৰ ওপৰত প্রতিষ্ঠিত তাত কোনো সন্দেহ নাই। আহকচোন, প্রথমে আমি কাব্যৰ কাহিনীভাগৰ ওপৰত অলপ চকু ফুৰাই লওঁ।

কাব্যখনি মুঠ চাৰিটা খণ্ডত বিভক্ত আৰু প্রতিটো খণ্ডৰ নাম দিয়া হৈছে 'পল্লৱ'। কবিয়ে অতিশয় কৌশলপূর্ণ কাব্যিক পদ্ধতিৰে এহাল মৌমাখিৰ কথোপকথনৰ জৰিয়তে কাব্যৰ বিষয়বস্তু উত্থাপন কৰিছে। কাব্যৰ প্রথম 'পল্লৱ'ত মিথিলাৰ 'অইনৱৰ'ৰ ৰাজবংশৰ কামেশ্বৰৰ পৰা গুণেশ্বৰলৈ আটাইকেইজন ৰজাৰ নামোল্লেখ কৰা হৈছে। সেয়ে হ'লেও, কবিৰ ঘাই উদ্দেশ্য কিন্তু 'অক্‌খৰ-খম্বাৰম্ভএগ মাএ্চো বন্ধি ন দেই' (অক্ষৰৰূপী স্তম্ভৰ ওপৰত কাব্যৰূপী মঞ্চ নির্মাণ কৰি) কামেশ্বৰ বংশৰ উত্তৰাধিকাৰী কীর্তিসিংহৰ 'কীর্তিৰ লতা' বা যশ-গৰিমা প্রচাৰ কৰা। সম্ভৱতঃ এইটো কাৰণতে তেওঁ কাব্যৰ নায়ক কীর্তিসিংহৰ কথা প্রথমটো 'পল্লৱ'তে কৌশলেৰে অৱতাৰণা কৰিছে। দ্বিতীয় 'পল্লৱ'ত মুছলমান প্রশাসক অছলামৰ বিশ্বাসঘাটকতা, অছলামৰ দ্বাৰা কীর্তিসিংহৰ পিতৃ গুণেশ্বৰৰ হত্যা আৰু মিথিলা অধিকাৰ কৰাৰ সকৰুণ কাহিনী বিবৃত হৈছে। তাৰ লগে লগে কবিয়ে মিথিলাৰ বন্ধু জৌনপুৰৰ নবাব শ্বাহ ইব্রাহীম শ্বার্কিৰ সহায়ত পিতৃহন্তা অছলামৰ

ওপৰত প্ৰতিশোধ ল'বলৈ কীর্তিসিংহই লোৱা সংকল্পৰ কথাও সন্নিবিষ্ট কৰিছে। কীর্তিসিংহৰ এনে সংকল্পই স্বাভাৱিকতে তেওঁৰ বীৰত্বৰ কথাকে প্ৰতিপন্ন কৰিছে। তৃতীয় 'পল্লৱ'ত জৌনপুৰৰ নবাব শ্বাহ ইব্ৰাহীম শ্বাৰ্কিৰ পশ্চিম দিশলৈ কৰা সৈন্য সঞ্চালনৰ বিৱৰণ দিয়া হৈছে। তদুপৰি, এইটো 'পল্লৱ'তে মিথিলাৰ বিতাৰিত ৰাজকুমাৰদ্বয় বীৰসিংহ আৰু কীর্তিসিংহৰ দুখ-দুর্গতিৰ ছবিও অতিশয় মর্মস্পর্শী ভাষাৰে চিত্ৰিত হৈছে। কাব্যৰ চতুর্থ 'পল্লৱ'ত ইব্ৰাহিম শ্বাহৰ পূব দিশলৈ সৈন্য সঞ্চালন, মিথিলা আক্ৰমণ, অছলাম বাহিনীৰ সৈতে হোৱা প্ৰচণ্ড যুদ্ধ আৰু কীর্তিসিংহৰ বিজয়ৰ কাহিনী বিবৃত হৈছে।

ওপৰত বর্ণিত কাহিনীভাগৰ পৰা আপুনি নিশ্চয় বুজিব পাৰিছে যে মিথিলাৰ ঐতিহাসিক ঘটনাৱলীক কবিয়ে কাব্যখনিৰ আধাৰ হিচাপে লৈছে। কিন্তু, কবিৰ ঘাই উদ্দেশ্য যিহেতু কীর্তিসিংহৰ কীর্তি প্ৰচাৰ কৰা, সেইবাবে স্বাভাৱিক কাৰণতে কীর্তিসিংহৰ বীৰত্বব্যঞ্জক ঘটনাৱলীয়ে কাব্যখনিত অধিক প্ৰাধান্য পাইছে।

লেখকৰ জ্ঞাতসাৰেই হওক বা অজ্ঞাতসাৰেই হওক, সকলো সাহিত্যৰ পিছফালে একোখন সমাজ লুকাই থাকে। অর্থাৎ, সাহিত্যই সমসাময়িক সমাজ একোখনক প্ৰতিনিধিত্ব কৰে। সেইবাবেই সাহিত্যক 'সমাজৰ দাপোণ' আখ্যা দিয়া হৈছে। আমাৰ আলোচ্য *কীর্তিলতা*ও স্বাভাৱিকতে তাৰ ব্যতিক্ৰম নহয়। এইখন কাব্যতো তৎকালীন সমাজৰ এক বাস্তব চিত্ৰৰ প্ৰতিফলন লক্ষ্য কৰিব পাৰি। ১৩৭১ খ্ৰীষ্টাব্দত মুছলমান প্ৰশাসক অছলামে মিথিলাৰাজ গুণেশ্বৰক হত্যা কৰি মিথিলা অধিকাৰ কৰাৰ সময়ত কীর্তিসিংহ নিচেই সৰু আছিল। সেই সময়ৰ পৰা জৌনপুৰৰ নবাবৰ সহায়ত মিথিলা ৰাজ্য পুনৰুদ্ধাৰ কৰালৈকে একত্ৰিশ বছৰ সময় লাগিছিল। কবি বিদ্যাপতিয়ে এইছোৱা সময়ত ঘটা অৰাজক আৰু বিশৃংখল পৰিস্থিতি অতি বিশ্বাসযোগ্য ৰূপত দাঙি ধৰিবলৈ সক্ষম হৈছে। কাব্যখনিৰ নিঃসন্দেহে ই এক তাৎপর্যপূর্ণ দিশ। তদুপৰি যুদ্ধৰ পৰিণতি স্বৰূপে হোৱা সামাজিক বান্ধোন আৰু ৰীতি-নীতিৰ বিপর্যয়, প্ৰচলিত মূল্যবোধৰ অৱক্ষয়, ভৱিষ্যতৰ আশংকা, ইত্যাদি দিশো কবিয়ে সার্থকভাৱে তুলি ধৰিবলৈ সমর্থ হৈছে। কাব্যখনিত বর্ণিত যুদ্ধৰ বিৱৰণ ইমানেই বাস্তৱসম্মত যে কোনো কোনো আলোচকে সেই যুদ্ধত কবি বিদ্যাপতিৰ প্ৰত্যক্ষ অংশ গ্ৰহণ একো অসম্ভৱ নহয় বুলিও মত প্ৰকাশ কৰিছে।

কীর্তিলতা কাব্যৰ আলোচনাৰ প্ৰসঙ্গত কোনো কোনো আলোচকে এই কাব্য কবি বিদ্যাপতিৰ ডেকা কালৰ ৰচনা বুলি অভিমত ব্যক্ত কৰিছে। তেওঁলোকৰ এনে মতৰ মূল ভিত্তি হ'ল কাব্যখনিৰ ভণিতাত কবিৰ বিশেষণৰূপে উল্লেখ হোৱা 'খেলন' শব্দটো। কিন্তু ব্যাকৰণৰ নিয়মানুসাৰে কর্তাপদ 'ভাৰতী'ৰ ক্ৰিয়াপদৰূপে 'খেলন'ৰ সলনি 'খেলতু' হোৱাহে সম্ভৱ। কোনো কোনো পাণ্ডুলিপিত 'খেলতু'ৰ প্ৰয়োগ থকাটো প্ৰসঙ্গক্ৰমে উল্লেখনীয়। 'খেলন' বা 'খেলতু' যিয়েই উল্লেখ নহওক, কাব্যখনি যে কবিৰ পৈণত বয়সৰ ৰচনা তাক ৰচনা-ৰীতিৰ গাম্ভীর্যই প্ৰমাণ কৰে।

আগৰ উপশাখাত আপুনি এই কথা পাই আহিছে যে *কীর্তিলতা* সৃষ্টিধর্মী সাহিত্যহে, ইতিহাস নহয়। সেইবাবে ইয়াত কবি-কল্পনাই বিশেষ প্রাধান্য লাভ কৰিছে। সেই বুলি ইয়াত ঐতিহাসিক তথ্যৰ বিকৃতিও পাবলৈ নাই। সংস্কৃত ঐতিহাসিক কাব্যৰ দৰে ইয়াত ইতিহাসৰ সৈতে কবি-কল্পনাৰ মাত্রাধিক সংমিশ্রণো পোৱা নাযায়। ইতিহাসৰ সৈতে কল্পনাৰ সুসমন্বয় এইখন কাব্যৰ অন্যতম বিশেষত্ব। ইতিহাসৰ তথ্যৰ অবিকৃত ব্যৱহাৰ আৰু তাৰ আধাৰত কবি-কল্পনাৰ যথার্থ বিচৰণ— এনে সমতা কম সংখ্যক কাব্যৰ মাজতহে লক্ষ্য কৰা যায়। *কীর্তিলতাক* তেনে কাব্যৰ সার্থক নিদর্শন বুলিব পাৰি। ইতিহাসৰ তথ্য বিচৰাসকলে ইতিহাস হিচাপে আৰু কাব্যৰসিকসকলে এক অনুপম কাব্য হিচাপে অতি সহজে ইয়াৰ ৰস আহৰণ কৰিব পাৰে।

কীর্তিলতাত যে তৎকালীন উত্তৰ-পূব ভাৰতৰ ৰাজনৈতিক-সামাজিক প্রতিচ্ছবি অতিশয় বিশ্বাসযোগ্যভাৱে উপস্থাপিত হৈছে তাৰ পুনৰুল্লেখৰ আৱশ্যক নাই। কাব্যখনিত জৌনপুৰ নগৰৰ বর্ণনাত কবিয়ে বিশেষ দক্ষতা দেখুৱাব পাৰিছে। এই নগৰৰ বাসগৃহ, মন্দিৰ-জনপথত হোৱা জন সমাগম আদিৰ বিৱৰণ কবিয়ে বাস্তৱসম্মত ৰূপত তুলি ধৰিছে। অৱশ্যে নবাব শ্বাহ ইব্রাহিম শ্বার্কিৰ সৈন্যবাহিনীয়ে চলোৱা অভিযানৰ বিৱৰণত কল্পনাৰ ৰহণ লগোৱাত কবিয়ে কিছু স্বাধীনতা লৈছে। সেয়ে হ'লেও, তেওঁ ইতিহাস অবিকৃত ৰূপত ধৰি ৰাখিবলৈ যত্নৰ ত্রুটী কৰা নাই।

কাব্যখনিত সংস্কৃতৰ চম্পু-কাব্যৰ আর্হি প্রত্যক্ষ কৰাৰ যায়। কোৱা বাহুল্য যে চম্পু-কাব্য গদ্য আৰু পদ্য উভয় শৈলীৰ সংমিশ্রণেৰে ৰচিত এক বিশেষ শ্রেণীৰ সাহিত্য-কর্ম। প্রকৃতপক্ষে গদ্য আৰু পদ্য উভয় দিশতে সমানে পাৰদর্শিতা প্রদর্শন কৰিবলৈ যাওঁতে এইবিধ সাহিত্যৰ সৃষ্টি হৈছে। সাহিত্যদর্পণকাৰ বিশ্বনাথ কবিৰাজে সেইবাবেই চম্পু-কাব্যৰ সংজ্ঞা এনেদৰে নিৰূপণ কৰিছে— 'গদ্যপদ্যময় কাব্যম্ চম্পুৰিত্যাভিধিয়তে'। আকৌ আন এগৰাকী সংস্কৃত আলঙ্কাৰিক আচার্য দণ্ডীয়ে এইবিধ কাব্যক 'গদ্যপদ্যময়ী কচিচ্ছ চম্পুৰিত্যাভিধিয়তে' বুলি কৈছে। চম্পু-কাব্যৰ সংজ্ঞা যিয়েও নহওক, এইবিধ সাহিত্যই সংস্কৃতত এক বিশেষ স্থান লাভ কৰি আছে। আপোনাৰ পাঠ্যক্রমৰ অন্তর্গত *কীর্তিলতা* কাব্যতো উল্লিখিত চম্পু-কাব্যৰ ৰীতিৰ অনুসৰণ লক্ষ্য কৰা যায়। ইয়াত ব্যৱহৃত গদ্যাংশই বিভিন্ন পদৰ এককবোৰৰ মাজত এক সংযোগ সেতুৰ ভূমিকা পালন কৰিছে। মন কৰিবলগীয়া যে কাব্যখনিৰ গদ্যাংশৰ বাক্যবোৰ চুটি চুটি আৰু বর্ণনাময়ী। সংস্কৃত তৎসম শব্দৰ প্রাচুর্য এই গদ্যৰ অন্যতম বৈশিষ্ট্য। কাব্যাংশত কিন্তু তৎসম শব্দৰ প্রয়োগ প্রায় নাই বুলিব পাৰি। সমগ্র কাব্যখনিৰ ক'তোতেই বর্ণনাৰ বাহুল্য ঘটা নাই। কষ্ট-কল্পিত অলঙ্কাৰৰ বর্জন, বাছকবনীয়া শব্দচয়নৰ সুবিন্যাস, উপমা-ৰূপকাদি অলঙ্কাৰৰ স্বাভাৱিক ব্যৱহাৰ, অন্ত্যানুপ্রাসৰ সুপ্রয়োগৰ জৰিয়তে সৃষ্টি হোৱা কাব্যিক লয় আদিয়ে কাব্যখনিক অপূর্ব সৌন্দর্য প্রদান কৰাৰ লগে লগে কাব্যিক গাম্ভীর্যও আনি দিছে। তৎকালীন অপভ্রংশ তথা অৱহট্‌ঠ ভাষাত ৰচিত কাব্যৰ কাব্যকাৰসকলে ঘাইকৈ দোহা, চপয় আদি

ছন্দসজ্জাৰে কাব্যদেহ নির্মাণ কৰি লৈছিল। *কীর্তিলতাত* বিদ্যাপতিয়েও তেনেবোৰ ছন্দকে প্রয়োগ কৰিছে। কিন্তু বর্ণনীয় বিষয়ৰ সৈতে খাপ খাই পৰাকৈ যথোপযুক্ত ছন্দ নির্বাচন কৰি ল'ব পৰাটো বিদ্যাপতিৰ স্বকীয় কাব্য-প্রতিভাৰ পৰিচায়ক। কবিৰ এই গুণে *কীর্তিলতাক* অপভ্রংশ বা অৱহট্‌ঠ কাব্যৰ মাজত এক সুকীয়া আসনত প্রতিষ্ঠা কৰিছে।

কাব্যকাৰে গদ্যাংশৰ বিৱৰণত প্রয়োজন সাপেক্ষে ঠায়ে ঠায়ে তৎসম শব্দৰ আশ্রয় ল'লেও, কাব্যখনিত আদিৰ পৰা অন্তলৈ মৈথিলী মিশ্রিত পূর্বী অৱহট্‌ঠ ভাষাৰ প্রয়োগ ঘটিছে। কোনো কোনোৱে বিদ্যাপতি-ব্যৱহৃত এই ভাষাক 'মৈথিলী অৱহট্‌ঠ' বুলি অভিহিত কৰিছে। সংস্কৃতৰ বিদগ্ধ পণ্ডিত হৈয়ো নিজ দিশ তথা জাতিৰ প্রতি থকা শ্রদ্ধাজনিত কাৰণত কবিয়ে তৎকালীন মিথিলাবাসীৰ প্রয়োজনলৈ লক্ষ্য ৰাখি সেই দেশৰ জনগণে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা কথিত ভাষাকে কাব্যখনিত পৰিমার্জিত ৰূপত ব্যৱহাৰ কৰিছে। কবিয়ে কাব্যৰ আৰম্ভণিতে উল্লেখ কৰিছে যে, 'সক্কঅ-বাণী বুহঅন ভাৱই' (সংস্কৃত বুধজনৰ বা বিদ্বানজনৰ ভাষা), সাধাৰণজনে তাৰ মর্ম বুজিব নোৱাৰে। সেইবাবে তেওঁ এই কাব্য অৱহট্‌ঠ ভাষাত ৰচনা কৰিছে। কবিৰ এনে ধাৰণাৰ পৰা বুজিবলৈ টান নহয় যে কবি ভাষা সম্পর্কে অতিশয় সচেতন আছিল। উপযুক্তভাৱে ব্যৱহাৰ কৰিব জানিলে সাধাৰণ জ্ঞানপদী ভাষাও যে সাহিত্যৰ প্রকাশ-মাধ্যম হৈ উঠিব পাৰে সেই সম্পর্কে বিদ্যাপতিৰ ধাৰণা আছিল অতিশয় স্পষ্ট।

পৃষ্ঠপোষক ৰজাৰ মাত্রাধিক প্রশস্তি প্রাচীন আৰু মধ্যযুগীয় কাব্যৰ অন্যতম প্রধান বৈশিষ্ট্য। এই ক্ষেত্রত *কীর্তিলতা* কাব্যক কিছু ব্যতিক্রম বুলিব পাৰি। বিদ্যাপতিৰ পৃষ্ঠপোষক আছিল মিথিলাৰ 'সিংহ' বংশৰ ৰজা কীর্তিসিংহ। কাব্যখনি কীর্তিসিংহৰ বীৰত্বব্যঞ্জক ঘটনাৰ বিৱৰণ হ'লেও, বা কবিৰ ঘাই উদ্দেশ্য কীর্তিসিংহৰ যশ-গৰিমাৰ প্রচাৰ হ'লেও, ইয়াত সংশ্লিষ্ট পৃষ্ঠপোষকজনাৰ প্রশস্তিৰ বাহুল্য ক'তোৱেই পোৱা নাযায়। বীৰৰস কাব্যখনিৰ মূল উপজীব্য; সেয়ে হ'লেও ইয়াৰ মাজেৰে শৃঙ্গাৰ আৰু বীভৎস ৰসৰো সুপ্রকাশ ঘটিছে। এনেদৰে বিচাৰ কৰি মধ্যযুগীয় পূর্ব ভাৰতীয় কবি বিদ্যাপতিৰ *কীর্তিলতাক* এক উৎকৃষ্ট কাব্য-কর্ম বুলিব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ *কীর্তিলতা* কাব্যৰ কাব্যিক সৌন্দর্য বিচাৰ কৰক। (১৫০টা শব্দৰ ভিতৰত)

প্রশ্ন নং ৬ ঃ সংস্কৃত চম্পু-কাব্যৰ কোনবোৰ দিশ *কীর্তিলতাৰ* মাজত পোৱা যায় যুকিয়াই উলিয়াওক। ১৫০টা শব্দৰ ভিতৰত)

৬.৩.৫ *কীর্তিলতাৰ* ভাষাগত বৈশিষ্ট্য

মৈথিলী কবি বিদ্যাপতি বিৰচিত *কীর্তিলতা* কাব্যৰ ভাষা যে মৈথিলী মিশ্রিত পূর্বী অৱহট্‌ঠ সেই কথা আপুনি আগৰ উপশাখাবোৰত পাই আহিছে। বীৰৰস প্রধান এই কাব্যখনৰ কেতবোৰ ভাষাগত বৈশিষ্ট্য আপোনাৰ সুবিধার্থে এইটো উপশাখাত উল্লেখ কৰা হ'ল। এই বৈশিষ্ট্যবোৰ মনোযোগ সহকাৰে অধ্যয়ন কৰিলে আপুনি কাব্যখনিৰ পাঠ্য পদকেইটা সহজে আয়ত্ব কৰিব পাৰিব।

পূর্বৱর্তী শাখাৰ পৰা গম পাইছে যে অপভ্রংশ ভাষাৰ অর্বাচীন স্তৰত সমগ্র উত্তৰ ভাৰতত লৌকিক সাহিত্যৰ মাধ্যমৰূপে শৌৰসেনী অপভ্রংশৰ পৰা উদ্ভৱ হোৱা অৱহট্‌ঠ ভাষা প্রয়োগ হৈছিল। এই অৱহট্‌ঠ ভাষাৰূপ পূব ভাৰততো সাহিত্য ৰচনাত ব্যৱহৃত হৈছিল। পূব ভাৰতত ব্যৱহাৰ হোৱা বাবে ইয়াক পণ্ডিতসকলে 'পূর্বী অৱহট্‌ঠ' আখ্যা দিছে। অৱশ্যে তৎকালীন জনসাধাৰণৰ মাজত যি সহজ কথ্য ভাষাৰূপ প্রচলিত হৈ আছিল, তাৰ সৈতে অৱহট্‌ঠৰ কিছু পার্থক্য আছিল। কবি বিদ্যাপতিয়ে এই ভাষাৰ নাম দিছে 'দেসিল ৱঅনা'। *কীর্তিলতা* কাব্যত যদিও সেই 'দেসিল ৱঅনা' (দেশী বচন)-ৰ প্রয়োগ সণ্ঢালনিকৈ পোৱা নাযায়, তথাপি এই কথা ঠিক যে বিদ্যাপতিয়ে বহু ক্ষেত্রত নিজ ৰাজ্য মিথিলাত প্রচলিত তৎকালীন কথিত ভাষাৰ ভালেমান ৰূপ ব্যৱহাৰ কৰিছে। তলত কাব্যখনিৰ কেতবোৰ ভাষাগত বৈশিষ্ট্য উল্লেখ কৰা হৈছে।

- এক স্বৰৰ ঠাইত আন এক স্বৰৰ প্রয়োগ, যেনে— প্রসাৰতি > পসৰেই (আ > অ), মঞ্চঃ > মাঞ্চা (অ > আ) ইত্যাদি।
- অন্ত্য অৱস্থানৰ দীর্ঘস্বৰৰ হ্রস্বীভৱন, যেনে— ৱৈৰী > ৱইৰি (ঈ > ই)।
- স্বৰ-সংকোচন, পদান্ত ম্-ৰ ং-ৰলৈ পৰিৱর্তন, সংযুক্ত 'ৰ'-কাৰৰ লোপ আদি অৱহট্‌ঠৰ ভাষাগত বৈশিষ্ট্য কাব্যখনিত লক্ষ্য কৰিব পাৰি, যেনে— অম্‌তম্ > অমিঞং, চন্দ্র > চন্দ ইত্যাদি।
- বিভক্তিহীন কাৰকৰূপৰ প্রয়োগ আৰু এক কাৰকৰ ঠাইত আন এক কাৰকৰ ব্যৱহাৰ কাব্যখনিৰ ভাষাৰ আন এক বৈশিষ্ট্য। ইয়াত কর্তা-কর্ম, কৰণ-অধিকৰণ আৰু সম্বন্ধ পদ এই তিনি প্রকাৰৰ কাৰকৰ প্রয়োগ দেখা যায়। 'ই' বিভক্তি তৃতীয়া আৰু সপ্তমী (কৰণ আৰু অধিকৰণ) দুয়োটা ৰূপতে প্রয়োগ হৈছে।
- অ-কাৰান্ত শব্দৰ প্রথমাৰ একবচনত 'উ' বিভক্তিৰ ব্যৱহাৰ, যেনে— মধ্যঃ > মজ্‌ঝু।
- ষষ্ঠীৰ একবচনত 'হু' বিভক্তিৰ প্রয়োগ, যেনে— দ্বি শব্দৰ ষষ্ঠীৰ একবচনত দুহু।
- ত্বাচ্ প্রত্যয়ৰ 'ইঅ'-ৰপে ব্যৱহাৰ, যেনে— কৃত্বা > কৰিঅ।

পূব ভাৰতৰ সাহিত্য-কর্মত প্রয়োগ হোৱা অৱহট্‌ঠ ভাষাৰ এই বৈশিষ্ট্যসমূহ *কীর্তিলতা* কাব্যতো পোৱা যায়। অৱশ্যে কবিয়ে তাৰ সৈতে কেতবোৰ 'দেশী'-ৰূপো ব্যৱহাৰ কৰিছে। সম্ভৱতঃ কাব্যখনি যথাসম্ভৱ নিজ ৰাজ্যৰ জনসাধাৰণৰ ওচৰ চপাই নিবলৈকে তেওঁ ভাষাটোৰ স্থানীয় কথ্য ৰূপ কিছু হ'লেও ব্যৱহাৰ কৰিছে।

কবিৰ ভাষাত ঃ

সক্কঅ-বাণী বুহঅন ভাৱই
পাউঅ-ৰস কো মম্ম ন পাৱই।
দেসিল-বঅনা সৱজন মিট্‌ঠা
তেং তইসন জংপিঅ অৱহট্‌ঠ।।

কবিৰ মতে সংস্কৃত ভাষা 'বুধজন' বা বিদ্বানজনেহে বুজিব পাৰে, সাধাৰণ মানুহে তাৰ একো ভূ নাপায়। আনহাতে, প্ৰাকৃত ভাষাও যিহেতু কিছু জটিল, এতেকে সেই ভাষাৰো প্ৰকৃত ৰস আহৰণ কৰা দুৰূহ কাম। ইয়াৰ বিপৰীতে দেশী বচন, অর্থাৎ অৱহট্‌ঠ ভাষা সকলোৰে বাবে মিঠা, সেইবাবে তেওঁ অৱহট্‌ঠত সাহিত্য ৰচনা কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ *কীর্তিলতা* কাব্যৰ পাঁচটা প্ৰধান ভাষাগত বৈশিষ্ট্য উল্লেখ কৰক। (১৫০টা শব্দৰ ভিতৰত)

৬.৩.৬ মূল পাঠ, অসমীয়া অনুবাদ আৰু শব্দগত টোকা

এইটো অধ্যায়ৰ আৰম্ভণিতে আপোনাক জনোৱা হৈছে যে ৰিজ্জাৰই বা বিদ্যাপতিৰ *কীর্তিলতা* কাব্যৰ প্ৰথম 'পল্লৱ'-ৰ আৰম্ভণিৰ পাঁচফাকি পদ আপোনাৰ পাঠ্যপুথিৰ অন্তর্ভুক্ত কৰা হৈছে। এই উপশাখাত আপোনাৰ বাবে উক্ত পদকেইফাকিৰ মূল পাঠসহ অসমীয়া অনুবাদ আৰু কঠিন শব্দবোৰৰ টোকা সন্নিবিষ্ট কৰা হ'ল। কবিয়ে তেওঁৰ এই কাব্যৰ ভাষাৰ শ্ৰেষ্ঠত্ব আৰু সুজন (সৎলোক) আৰু দুর্জন (দুষ্টজন)-ৰ মাজত পার্থক্য কি সেই কথা এই পদকেইফাকিৰ জৰিয়তে স্পষ্ট কৰি দিছে। আপুনি মনোযোগ সহকাৰে অধ্যয়ন কৰি সেইখিনি আয়ত্ব কৰিবলৈ যত্ন কৰক।

১নং পদৰ মূল পাঠ ঃ

তিহুঅন-খত্তেহি কাঞি তসু কিত্তিৱলি পসৱেই।
অক্‌খৰ-খম্বাৰম্ভএঞা মাঞ্চো বন্ধি ন দেই।।

অসমীয়া অনুবাদ ঃ ত্রিভুবন-ক্ষেত্রত তেওঁৰ কীর্তি-লতা কিদৰে প্ৰসাৰিত হ'ব, যদিহে আখৰৰ স্তম্ভ (খুঁটা)ৰ ওপৰত মঞ্চ সাজি দিয়া নহয় ! (অথবা, আখৰৰ স্তম্ভৰ ওপৰত মঞ্চ তৈয়াৰ কৰি নিদিলে ত্রিভুৱন-ক্ষেত্রত তেওঁৰ কীর্তি-লতা কিদৰে প্ৰসাৰিত হ'ব?)

শব্দগত টোকা ঃ

তিহুঅন < ত্রিভুৱন = ত্রিভুৱন (স্বর্গ, মর্ত্য, পাতাল); আদি অৱস্থানৰ সংযুক্ত ত্র > ত, মহাপ্রাণ ভ > হ, 'ৱ'ৰ লোপ।

খত্তেহি < ক্ষেত্রস্মিন্ — ক্ষেত্রত; ক্ষ > ক্খ > খ, ত্র > ত্ত (সমীভৱন), স্মিন্ > ম্হি (ধ্বনি-বিপর্যয়) > হি।

তসু < তস্য = তেওঁৰ; স্য > স্স (সমীভৱন) > সু।

কিত্তি < কীর্তি = কীর্তি (যশ, গৰিমা); ঈ > ই, র্ত > ও (সমীভৱন)।

পসৱেই < প্রসাৱতি = প্রসাৰিত হয়; আদি অৱস্থানৰ সংযুক্ত প্র > প, আ > অ, অ > এ (এক স্বৰৰ ঠাইত আন এক স্বৰৰ প্রয়োগ) 'ত'ৰ লোপ।

অক্খৰ < অক্ষৰ = আখৰ; ক্ষ > ক্খ।

খম্ব < স্তম্ভ = স্তম্ভ (খুঁটা); আদি অৱস্থানৰ স্ত > স > খ, ম্ভ > ম্ব।

মাঞ্চো < মঞ্চঃ = মঞ্চ; অ > আ, ঞ্চ > ঞ্চ, অন্ত্য অৱস্থানৰ অঃ > ও।

দেই < দদাতি = দিয়ে; দদাতি > দেতি > দেই, স্বৰ মধ্যৱর্তী 'দ' আৰু 'ত'ৰ লোপ।

২নং পদৰ মূল পাঠ ঃ

তেং মোঞে ভলঞ্ঞা নিব্ঢ়ি গএ জইসও তইসও কব্ব।
খল খেল-চ্ছল দূসিহই সুঅন পসংসই সব্ব।

অসমীয়া অনুবাদ ঃ এই কথা মই ভালদৰে বুজিব পাৰিছোঁ যে যেনে তেনে ৰচনা কৰা মোৰ এই কাব্যক হিংসুকজনে খেলৰ ছলেৰে দূষিব আৰু সুজনে (সৎ লোকে) প্রশংসা কৰিব।

শব্দগত টোকা ঃ

মোঞে < অস্মদ্ = মই।

জইসও < যস্যঃ = যেনে; স্য > ইস (অপিনিহিতি); অন্ত্য অঃ > ও।

তইসও < তস্যঃ = তেনে; স্য > ইস (অপিনিহিতি); অন্ত্য অঃ > ও।

কব্ব < কাব্য = কাব্য; আ > অ, ব্য > ব্ব (সমীভৱন)।

দূসিহই < দূষিস্যতি = দোষ দিয়ে; ষ > স, স্য > স্স > স > হ, স্বৰ মধ্যৱর্তী 'ত'ৰ লোপ।

সুঅন < সুজন = সুজন (সৎ লোক) ; স্বৰ মধ্যৱর্তী স্পর্শ ব্যঞ্জন 'জ'-ৰ লোপ।

পসংসই < প্রশংসিত = প্রশংসা কৰে (বখানে); আদি প্র > প, শ > স, স্বৰ মধ্যস্থিত 'ত'ৰ লোপ।

সব্ব < সর্ব = সকলো, র্ব > ব্ব।

৩নং পদৰ মূল পাঠ ঃ

সুঅন পসংসই কব্ব মঝু দুজ্জন বোলই মন্দ।
অৱসও ৰিসহৰ ৰিস ৰমই অমিঞ ৰিমুক্কই চন্দ।।

অসমীয়া অনুবাদ ঃ সজ্জনে মোৰ কাব্যৰ প্রশংসা কৰে, দুর্জনে বেয়া বুলি কয় (নিন্দা কৰে); অৱশ্যে বিষধৰে বিষকে ঢালে, চন্দ্রইহে অমৃত বর্ষণ কৰে।

শব্দগত টোকা ঃ

সুঅন < সুজন = সুজন (সজ্জন); স্বৰ মধ্যৱর্তী 'জ'ৰ-ৰ লোপ।

পসংসই < প্রশংসতি = প্রশংসা কৰে; আদি অৱস্থানৰ প্র > প, শ > স, স্বৰ মধ্যস্থিত 'ত'-ৰ লোপ।

কব্ব < কাব্য = কাব্য (কবিতা); ব্য > ব্ব।

মঝু < অস্মদ্ = মোৰ; (অস্মদ শব্দ অৱহট্‌ঠৰ ষষ্ঠীৰ একবচনত মজ্‌ঝু > মঝু)।

দুজ্জন < দুর্জন = দুর্জন (অসৎ লোক); র্জ > জ্জ (সমীভৱন)।

অৱসও < অৱশ্যঃ = অৱশ্যে; শ্য > স্‌স > স, অন্ত্য অঃ > ও।

ৱিসহৰ < ৱিষধৰ = বিষধৰ (বিষ বহনকাৰী); ষ > স, মহাপ্রাণ ধ > হ।

ৱমই < ৱমতি = ঢালে; 'ত'ৰ লোপ।

অমিঞ < অমৃতং = অমৃত; ঋ > ই, তং > ঞ।

চন্দ < চন্দ্র = জোন; সংযুক্ত 'ৰ'-কাৰৰ লোপ।

ৱিমুক্কই < ৱিমুক্ততি = বর্ষণ কৰে; ক্ত > ত্ত (সমীভৱন), স্বৰ মধ্যৱর্তী 'ত'ৰ লোপ।

৪নং পদৰ মূল পাঠ ঃ

সজ্জন চিন্তই মনহি মনে মিত্ত কৰিঅ সৱ কোএ।
ভেঅ কহন্তা মজ্‌ঝু জই দুজ্জন ৱইৰি ণ হোএ।।

অসমীয়া অনুবাদ ঃ সৎলোকে মনেৰে সকলোকে মিত্র বুলি ভাবে; ভেদভাব অনাসকলৰ মাজত দুর্জন (দুষ্ট লোক) থাকিলেও (সিহঁতক) বৈৰী (শত্রু)-জ্ঞান নকৰে।

শব্দগত টোকা ঃ

সজ্জন < সজ্জন (সৎ জন) = সৎলোক।

চিন্তই < চিন্ততি = ভাৱে, চিন্তা কৰে; স্বৰ মধ্যৱর্তী 'ত'ৰ লোপ।

মিত্ত < মিত্র = বন্ধু, মিত্র; ত্র > ত্ত (সমীভৱন)

কৰিঅ < কৃত্ত্বা = কৰি; ক্ত্বাচ্ প্রত্যয়ৰ প্রাকৃতৰ দৰে 'ইঅ'-লৈ পৰিবর্তন।

সৱ < সর্ৱ = সকলো; র্ৱ > ব্‌ব (সমীভৱন) > ব।

ভেঅ < ভেদ = ভেদ, পার্থক্য; স্বৰ মধ্যস্থিত 'দ'ৰ লোপ।

মজ্‌ঝু < মধ্যঃ = মাজ; ধ্য > জ্‌ঝ আৰু প্রথমাৰ উ' বিভক্তি।

জই < যদি = যদি; য > জ, স্বৰ মধ্যৱর্তী 'দ'ৰ লোপ।

দুজ্জন < দুর্জন = অসৎ বা দুষ্ট লোক; র্জ > জ্জ (সমীভৱন)।

ৱইৰি < ৱৈৰী = বৈৰী বা শত্রু; ঐ > অই, ঈ > ই।

হোএ < ভৱতি = হয়; মহাপ্রাণ ভ > হ, অৱ > ও, স্বৰ মধ্যৱতী 'ত'-ৰ লোপ, ই > এ।

৫নং পদৰ মূল পাঠ ঃ

বালচন্দ ৱিজ্জাৱই-ভাসা
দুহু নহি লগ্গই দুজ্জন হাসা।
ও পৰমেসৰ হৰ-সিৰ সোহই
ঈ নিচ্চই নাঅৰ-মন মোহই।।

অসমীয়া অনুবাদ ঃ কাঁচিজোন আৰু বিদ্যাপতিৰ ভাষা— দুয়োকো দুর্জনৰ (দুষ্টজনৰ) উপহাসে স্পর্শ নকৰে; সিটোৱে পৰমেশ্বৰ হৰৰ শিৰ শোভিত কৰে আৰু ইটোৱে সদায় বিদ্বৎজনৰ মন মোহিত কৰে।

শব্দগত টোকা ঃ

বালচন্দ < বালচন্দ্র = বালক চন্দ্র বা কাঁচিজোন; সংযুক্ত 'ৰ'-কাৰৰ লোপ।

ৱিজ্জাৱই < বিদ্যাপতি = বিদ্যাপতি (কাব্যৰ কবিৰ নাম); দ্য > জ্জ (সমীভৱন), প > ৱ, স্বৰ মধ্যস্থিত 'ত'ৰ লোপ।

ভাসা < ভাষা = ভাষা; ষ > স।

দুহু < দ্বি = দুই; ষষ্ঠীৰ একবচনত হু বিভক্তি।

নহি < নাস্তি = নাই; স্ত > থ (সমীভৱন) থ (মহাপ্রাণ) > হ, আ > অ।

লগ্গই < লগ্গতি = লগ পায় বা স্পর্শ কৰে; গ্ন > গ্গ (সমীভৱন), স্বৰ মধ্যৱর্তী 'ত'ৰ লোপ।

পৰমেসৰ < পৰমেশ্বৰ = পৰমেশ্বৰ বা ভগবান, শ্ব > স্স (সমীভৱন) > স।

সিৰ < শিৰ = শিৰ বা মূৰ; শ > স।

সোহই < শোভতি = শোভা কৰে; শ > স, মহাপ্রাণ ভ > হ, স্বৰ মধ্যৱর্তী 'ত'ৰ লোপ।

নিচ্চ < নিত্য = সদায়; ত্য > চ্চ (অন্যোন্য সমীভৱন)

নাঅৰ < নাগৰ = বিজ্ঞজন; স্বৰ মধ্যৱর্তী 'গ'ৰ লোপ।

মোহই < মোহতি = মোহিত কৰে; স্বৰ মধ্যৱতী 'ত'ৰ লোপ।



চিন্তা-চর্চা কৰক ৬.১

কীর্তিলতা কাব্যৰ আপোনাৰ পাঠ্য পদকেইটাৰ সৰল অসমীয়া ভাঙনি আৰু কঠিন শব্দসমূহৰ ভাষাগত টোকা আয়ত্ব কৰিবলৈ যত্ন কৰক।



৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিৰ অধ্যয়নৰ পৰা আমি গম পালো যে—

- নাৰী আৰু প্রকৃতিৰ ৰূপ বর্ণনা, সহজ-সৰল ভাষাৰে সুন্দৰ সুন্দৰ বাংময় চিত্রৰ অঙ্কন, ঋতুভেদে বিৰহিণী নাৰীৰ হৃদয়ত সৃষ্টি হোৱা ভাব-বৈচিত্র্যৰ যথার্থ বিৱৰণ, ইত্যাদি দিশত কবিয়ে অসাধাৰণ পাৰদর্শিতা দেখুৱাবলৈ সমর্থ হৈছে।
- পূব ভাৰতৰ 'কবি সার্বভৌম' বিদ্যাপতিৰ পৃষ্ঠপোষক ত্রিহুতৰ ৰজা কীর্তিসিংহৰ বীৰত্বব্যঞ্জক কাহিনী বর্ণিত হোৱা বাবে এই কাব্যৰ নাম *কীর্তিলতা* ৰখা হৈছে।

লতা যিদৰে আন কোনো বস্তুক আশ্রয় কৰি প্রসাৰিত হয়, কবিয়েও তেনেদৰে আখৰৰ জৰিয়তে কাব্য ৰচনা কৰি কীর্তিসিংহৰ যশ-গৰিমা প্রচাৰ কৰিবলৈ এই কাব্য ৰচনা কৰিছে।

- কাব্যখনি ইতিহাসৰ আধাৰত ৰচনা কৰা হৈছে। আন কথাত এইখন এখন ঐতিহাসিক কাব্য।
- মিথিলাৰ 'অইনৱৰ' ৰাজবংশৰ পৰিপূর্ণ বিৱৰণ কাব্যখনিৰ এক উল্লেখযোগ্য দিশ।
- কীর্তিসিংহৰ পিতৃ গুণেশ্বৰক মুছলমান প্রশাসক অছলামে বিশ্বাসঘাটকতা কৰি হত্যা কৰা, মিথিলা ৰাজ্য নিজৰ দখললৈ নিয়া আৰু ৰাজকুমাৰদ্বয় কীর্তিসিংহ আৰু বীৰসিংহক বিতাৰিত কৰাৰ কৰুণ কাহিনী কাব্যখনিত সন্নিবিষ্ট হৈছে।
- হাবিয়ে-জংঘলে নির্বাসিত জীৱন কটাই পিতৃহত্যাৰ প্রতিশোধ লোৱাৰ সংকল্প লোৱা কীর্তিসিংহই জৌনপুৰৰ নবাব শ্বাহ ইব্রাহীম শ্বার্কিৰ সহায়ত মুছলমান শাসক পিতৃহন্তা তথা মিথিলাৰ দখলদাৰ অছলামক পৰাভূত কৰি নিজ ৰাজ্য উদ্ধাৰ কৰাৰ বীৰত্বব্যঞ্জক কাহিনী কাব্যখনিৰ আন এক উল্লেখযোগ্য দিশ।
- ইতিহাস-সচেতন কবি বিদ্যাপতিৰ কাপ-নিসৃত কাব্যখনিত তৎকালীন ইতিহাসৰ লগে লগে সামাজিক-ৰাজনৈতিক প্রেক্ষাপটৰো যথার্থ প্রতিফলন ঘটিছে।
- কষ্টকল্পিত অলঙ্কাৰ আদিৰ বর্জন আৰু তাৰ বিপৰীতে স্বভাৱজাত অলঙ্কাৰ আৰু যথোপযুক্ত ছন্দৰ ব্যৱহাৰে কাব্যখনিক সুসমৃদ্ধ কৰি তুলিছে।
- মূলতঃ পূর্বী অৱহট্‌ঠত ৰচিত হ'লেও, কবিয়ে মিথিলাৰ তৎকালীন সাধাৰণ লোকসকললৈ লক্ষ্য ৰাখি কাব্যখনিত মৈথিলী-মিশ্রিত অৱহট্‌ঠ ভাষা প্রয়োগ কৰিছে।



৬.৫ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) ঠাকুৰ, নগেন (১৯৮৯); *প্রাকৃত সাহিত্যৰ অধ্যয়ন;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

২) ঠাকুৰ, নগেন (১৯৯৩); *প্রাকৃত সাহিত্য চয়ন;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৩) ঠাকুৰ, নগেন (১৯৯৭); *পালি-প্রাকৃত-অপভ্রংশ ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ কে এম পাব্লিছিং।

৪) শইকীয়া বৰা, লীলাৱতী (২০০২); *সংস্কৃত-পালি-প্রাকৃত আৰু অসমীয়া ব্যাকৰণ;* গুৱাহাটী ঃ বনলতা।

বাংলা গ্রন্থ ঃ

৫) বন্দ্যোপাধ্যায়, ধীরেন্দ্র নাথ (১৯৮৮); *সংস্কৃত সাহিত্যের ইতিহাস;* কলকাতা ঃ পশ্চিমবঙ্গ রাজ্য পুস্তক পর্ষদ।

৬) বসু, শংকৰী প্রসাদ (১৯৯৯); *বিদ্যাপতি ও চণ্ডীদাস;* কলকাতা ঃ দে'জ পাব্লিকেশ্যন।

৭) ভট্টাচার্য, দেবীদাস (১৯৬৫); *মধ্য ভারতীয় আর্য ভাষা ও সাহিত্যের ভূমিকা;* গৌহাটী ঃ ওরিয়েণ্টেল বুক কোম্পানী।

ইংৰাজী গ্রন্থ ঃ

৮) Kale, M. R. (Ed.) (1969); *The Abhijnana Sakuntalam of Kalidasa;* Delhi : MBD.

৯) Mishra, Hari Mohan (1989); *'Kirtilata', in Encyclopeadia of Indian Literature, Vol-3. (ed.)* by Amaresh Dutta, Delhi : Sahitya Academi.

১০) Winternitz, M. (1985); *History of Indian Literature; Vol-II* (trans in English by Subhadra Jha); Delhi : MBD.

৬.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ বিদ্যাপতিৰ চমু পৰিচয় আৰু সাহিত্য-কর্মৰ... ... ...ক্ষেত্রত সংস্কৃত আৰু দেশী উভয় ভাষাত বুৎপত্তি লাভ কৰা বিদগ্ধ পণ্ডিত বিদ্যাপতিয়ে কেনেদৰে দুখ-দুর্দশাৰ মাজতো মিথিলাৰ 'অইনৱৰ' ৰাজ-বংশৰ পৃষ্ঠপোষকতাত বহুমুখী প্রতিভাৰে বিবিধ বিষয়ক সাহিত্যৰ সৃষ্টি কৰিছিল তাৰ আভাস দাঙি ধৰিব লাগিব।

২নং প্রশ্নৰ উত্তৰ ঃ *কীর্তিলতা* কাব্যৰ নামকৰণৰ... ... ...প্রসঙ্গত কবিয়ে লতা আন বস্তুৰ আশ্রয় লৈ প্রসাৰিত হোৱাৰ দৰে আখৰৰূপী স্তম্ভৰ ওপৰত কাব্য-মঞ্চ সাজি ত্রিহুতৰ ৰাজকুমাৰ ৰজা কীর্তিসিংহৰ যশ-গৰিমা কিদৰে চিত্রিত কৰিছে সেই বিষয়ে লিখিব লাগিব। অর্থাৎ কীতি + লতা = *কীর্তিলতা*— এনেদৰে যে কাব্যখনিৰ নামকৰণ কৰা হৈছে, সেই বিষয়ে আলোচনা কৰিব লাগিব।

৩নং প্রশ্নৰ উত্তৰ ঃ *কীর্তিলতা* কাব্যৰ বিষয়বস্তু... ... ...ইতিহাস আশ্রিত। মিথিলাৰ 'অইনৱৰ' ৰাজ-পৰিয়ালৰ উত্থান-পতন তথা পিতৃ গুণেশ্বৰৰ হত্যাকাৰী তথা মিথিলা ৰাজ্য অধিকাৰ কৰোঁতা মুছলমান প্রশাসক অছলামক কীর্তিসিংহই জৌনপুৰৰ নবাব শ্বাহ ইব্রাহীম শ্বার্কিৰ সহায়ত প্রবল বিক্রমেৰে পৰাস্ত কৰি কিদৰে মিথিলা ৰাজ্য পুনৰুদ্ধাৰ কৰিছিল তাৰ বিৱৰণ দিব লাগিব।

৪নং প্রশ্নৰ উত্তৰ ঃ ঐতিহাসিক কাব্য হিচাপে 'কীর্তিলতা' কাব্যৰ মূল্যায়ন... ... ...কৰোঁতে কাব্যখনিত ইতিহাসৰ তথ্য আৰু সমল কিমানদূৰ বিধৃত হৈছে তাৰ বিশ্লেষণ দাঙি ধৰিব লাগিব। লগতে কবিয়ে ইতিহাসৰ সৈতে কবি-কল্পনাৰ মিশ্রণ কেনেদৰে ঘটাইছে তাৰো বিৱৰণ দিব লাগিব।

৫নং প্রশ্নৰ উত্তৰ ঃ *কীর্তিলতা* কাব্যৰ কাব্যিক সৌন্দর্য-বিচাৰ... ... ...কৰাৰ ক্ষেত্রত কাব্যখনিৰ বিষয়বস্তুৰ উপস্থাপন-ৰীতি, ইতিহাস আৰু কবি-কল্পনাৰ সংমিশ্রণ, ছন্দসজ্জা, অলঙ্কাৰৰ প্রয়োগ, ভাষা-ৰীতি, ইত্যাদি দিশৰ বিষয়ে আলোচনা কৰিব লাগিব।

৬নং প্রশ্নৰ উত্তৰ ঃ সংস্কৃত চম্পু-কাব্যৰ... ... ...কেতবোৰ বৈশিষ্ট্য, যেনে— গদ্য-পদ্যৰ মিশ্রণ, গদ্যৰ ভাষা আদি *কীর্তিলতা* কাব্যৰ মাজত কেনেদৰে প্রকাশ পাইছে, সেই বিষয়ে লিখিব লাগিব।

৭নং প্রশ্নৰ উত্তৰ ঃ *কীর্তিলতা* কাব্যৰ পাঁচটা প্রধান ভাষাগত বৈশিষ্ট্য... ... ...উদাহৰণ সহ আলোচনা কৰিব লাগিব।



৬.৭ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ *কীর্তিলতা* কাব্যৰ কবি বিদ্যাপতিৰ জীৱন আৰু সাহিত্য কৃতিৰ পৰিচয় প্রকাশ পোৱাকৈ এটি টোকা যুগুত কৰক।

প্রশ্ন ২ ঃ *কীর্তিলতা* কাব্যৰ আপোনাৰ পাঠ্য পদকেইটাৰ আধাৰত বিদ্যাপতিৰ সাহিত্য-প্রতিভাৰ মূল্যায়ন কৰক।

প্রশ্ন ৩ ঃ *কীর্তিলতা* কাব্যৰ বিষয়বস্তু সম্বন্ধে এটি আলোচনা দাঙি ধৰক।

প্রশ্ন ৪ ঃ *কীর্তিলতা* কাব্যত ইতিহাস কিমানদূৰ বিধৃত হৈছে, সেই বিষয়ে আপোনাৰ মতামত ব্যক্ত কৰক।

প্রশ্ন ৫ ঃ *কীর্তিলতা* কাব্যৰ ৰচনা-কীর্তি আৰু কাব্যিক সৌন্দর্য্যৰ বিষয়ে এটি নিবন্ধ যুগুত কৰক।

প্রশ্ন ৬ ঃ *চম্পু কাব্য*ৰ সংজ্ঞা দাঙি ধৰি *কীর্তিলতা*ত তাৰ কি কি বৈশিষ্ট্যৰ প্রতিফলন ঘটিছে, বুজাই লিখক।

প্রশ্ন ৭ ঃ *কীর্তিলতা*ৰ আপোনাৰ পাঠ্যসূচীৰ অন্তর্গত পদকেইফাকি সৰল অসমীয়ালৈ অনুবাদ কৰক, লগতে কঠিন শব্দবোৰৰ একোটা ভাষাগত টোকা লিখক।

*** ***** ***

অধ্যায় ৭ ঃ মধ্য ভাৰতীয় আর্যভাষা

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ মধ্য ভাৰতীয় আর্যভাষা
৭.৩.১ আদি যুগ
৭.৩.২ মধ্য যুগ
৭.৩.২.১ সাহিত্যিক প্রাকৃত ভাষাৰ সাধাৰণ বৈশিষ্ট্য
৭.৩.৩ অন্ত্যযুগ
৭.৩.৩.১ অপভ্রংশ ভাষাৰ সাধাৰণ বৈশিষ্ট্য
৭.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৫ অধিক জানিবলৈ
৭.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৭.৭ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মধ্য ভাৰতীয় আর্য ভাষাৰ পৰিচয় লাভ কৰিব
- মধ্য ভাৰতীয় আর্যভাষাৰ প্রধান স্তৰ বা যুগ বিভাজন সম্পর্কে আলোচনা কৰিব পাৰিব
- প্রত্যেকটো যুগ বা স্তৰৰ পৰিচয় লাভ কৰাৰ লগতে তাৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰিব পাৰিব
- মধ্যযুগ বা মধ্যস্তৰৰ অন্তর্গত 'সাহিত্যিক প্রাকৃত'ৰ অন্তর্গত বিভিন্ন প্রাকৃত ভাষাৰ বৈশিষ্ট্য আলোচনা কৰিব পাৰিব
- অন্ত্যযুগ বা তৃতীয় স্তৰৰ অন্তর্গত বিভিন্ন প্রাকৃত ভাষা শ্রেণীৰ অপভ্রংশ ৰূপৰ সামগ্রিক ধাৰণা লাভ কৰিব।

৭.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় যান্মাসিকৰ ভাষা শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা দ্বিতীয় পাঠ্য বিষয় 'পালি-প্রাকৃত অপভ্রংশ ভাষা পাঠ আৰু তুলনামূলক ব্যাকৰণ'ৰ অন্তর্গত এইটো সপ্তম পাঠ। পাঠটোৰ শিৰোনাম 'মধ্য ভাৰতীয় আর্য ভাষা'। ইয়াত মধ্য ভাৰতীয় আর্যভাষাৰ পৰিচয় আদবঢ়োৱাৰ লগতে ক্রমবিকাশৰ স্তৰভেদে মধ্যভাৰতীয় আর্যভাষাক যি তিনিটা স্তৰত ভাগ কৰা হৈছিল তাৰ আলোচনা আগবঢ়োৱা হৈছে।

৭.৩ মধ্য ভাৰতীয় আর্যভাষা

মধ্য ভাৰতীয় আর্যভাষাৰ ব্যাপ্তিকাল আনুমানিক ৬০০ খ্ৰী.পূর্বৰ পৰা ১০০০ খ্ৰী.পর্যন্ত। এই সুদীর্ঘ কালৰ ভাষা ৰূপটিও কিন্তু সুস্থিৰ নহয়। সময়ে সময়ে এই সময় সীমাৰ বুকুতে বিভিন্ন ভাষিক সাংস্কৃতিক পৰিবর্তন ঘটিছে। আনহাতে ভৌগলিক ভাবেও এই সময়চোৱাত নানা আঞ্চলিক ৰূপৰো বিকাশ ঘটিছে। ভাষাতাত্ত্বিক পণ্ডিতসকলে এই আঞ্চলিক ৰূপ বা উপভাষাবোৰক পৃথক পৃথক নামেৰে অভিহিত কৰিছে। মধ্য ভাৰতীয় আর্যভাষাৰ এই আঞ্চলিক ৰূপ বা উপভাষাবোৰক পৃথক পৃথক নামেৰে অভিহিত কৰিছে। মধ্য ভাৰতীয় আর্যভাষাৰ সামগ্রিক ধাৰণা এটা কৰাত তলৰ তালিকখনে আপোনাক নিশ্চয় সহায় কৰিব ঃ

তালিকা নং ৭.১

তালিকা নং ৭.১

স্তৰ	সময়	আঞ্চলিক ৰূপ	প্রধান নিদর্শন
১) আদিস্তৰ ঃ প্রত্নলিপিৰ প্রাকৃত আৰু পালি সাহিত্য	আনুমানিক খ্রীষ্টপূর্ব ষষ্ঠ শতিকাৰ পৰা খ্রীষ্টিয় প্রথম শতিকা পর্যন্ত	ক) উত্তৰ-পশ্চিমা	অশোকৰ শ্বাহবাজগঢ়ী, মানসেহ্ৰা অনুশাসন
		খ) দক্ষিণ-পশ্চিমা	গিৰ্নাৰ অনুশাসন
		গ) প্রাচ্য-মধ্যা	কালসী অনুশাসন
		ঘ) প্রাচ্যা	ধৌলী আৰু জৌগড় অনুশাসন
	আনুমানিক খ্রীঃপূঃ ২০০ - শতিকাৰ পৰা খ্রীষ্টিয় প্রথম শতিকা	পালি এটা বৌদ্ধ ধর্মৰ কৃত্রিম সাহিত্যিক ভাষা	বৌদ্ধ হীনযান সম্প্রদায়ৰ সাহিত্যৰ মাজত (পালি সাহিত্য)
২) মধ্যস্তৰ বা দ্বিতীয় স্তৰ ঃ সাহিত্যিক প্রাকৃত	আনুমানিক খ্রীষ্টিয় প্রথম শতিকাৰ পৰা খ্রীষ্টিয় ষষ্ঠ শতিকা পর্যন্ত	মহাৰাষ্ট্রী প্রাকৃত, শৌৰসেনী প্রাকৃত, মাগধী প্রাকৃত, অর্ধ-মগধী প্রাকৃত পৈশাচী প্রাকৃত,	প্রাকৃত কাব্য আৰু সংস্কৃত নাটকৰ গীতৰ ভাষা, সংস্কৃত নাটকৰ নাৰী আৰু মধ্যম শ্রেণীৰ চৰিত্রৰ মুখৰ ভাষা, নিম্ন শ্রেণীৰ চৰিত্রৰ মুখৰ ভাষা, সুবিস্তৃত জৈন-সাহিত্য, প্রাকৃত প্রকাশ আদি ব্যাকৰণ

৩) অন্ত্যস্তৰ বা তৃতীয় স্তৰ ঃ অপভ্রংশ আৰু অৱহট্‌ঠ	আনুমানিক খ্ৰীষ্টিয় ষষ্ঠ শতিকাৰ পৰা খ্ৰীষ্টিয় দশম শতিকা পর্যন্ত	পৈশাচী অপভ্রংশ, মহাৰাষ্ট্ৰী অপভ্রংশ, শৌৰসেনী অপভ্রংশ, মাগধী অপভ্রংশ, অর্ধ-মগধী অপভ্রংশ	আখ্যান কাব্য, দার্শনিক কাব্য, গীতি-কবিতা, নীতি কবিতা আদি

৭.৩.১ আদি যুগ

আপোনাৰ পাঠ্যবিষয়ৰ অন্তর্গত এই বিশেষ আলোচনাটোৰ অন্তর্ভুক্ত কৰা তালিকা নং ৭.১ ৰ পৰা এইটো বুজিব পৰা গ'ল যে মধ্যভাৰতীয় আর্যভাষাক প্রধানতঃ তিনিটা ভাগ বা স্তৰত বিভক্ত কৰি আলোচনা কৰিব পাৰি। আমি এতিয়া সেই আলোচনালৈ আগবাঢ়ো আহক—

পালি ভাষাৰ উদ্ভৱস্থল সম্পর্কে বিভিন্ন মত পোৱা যায়। উৰিষ্যাৰ ভুৱনেশ্বৰৰ ওচৰৰ উদয়গিৰি পাহাৰৰ হাতিগুম্ফা গুহাত পোৱা খাৰবেল অনুশাসনৰ (খ্ৰীষ্টপূর্ব প্রথম শতিকা) ভাষাৰ লগত পালি ভাষাৰ বিশেষ মিল লক্ষ্য কৰি জার্মান পণ্ডিত ওল্ডেনবার্গ (Oldenberg) আৰু মূলাৰে (Muller) সিদ্ধান্ত কৰিছে যে উৰিষ্যাৰ আঞ্চলিক ভাষাৰ ওপৰত ভিত্তি কৰিয়েই পালি ভাষা গঢ়ি উঠিছিল। ভিণ্ডিছৰ মতে, পালি হ'ল অর্ধমাগধীৰ প্রকাৰভেদ আৰু তাৰ জন্মস্থান হ'ল কোশল। সতীশচন্দ্র বিদ্যাভূষণ আৰু পালি-বিশেষজ্ঞ পণ্ডিত ভিলহেল্ম গাইগাৰে অনুমান কৰে যে মগধ অঞ্চলেই পালিৰ জন্মস্থান। গাইগাৰে (Geiger) কৈছে— Pali should be regarded as a form of Magadhi, the language in which Buddha himself had preached. পালি আচলতে বৌদ্ধ সাহিত্যিক ভাষাহে। এইটো কোনো অঞ্চলৰে জীৱন্ত কথ্য ভাষা নাছিল। 'পালি' ভাষা সৃষ্টিৰ লগত তৎকালীন ৰাজনৈতিক আৰু সাংস্কৃতিক ঘটনা-পৰিস্থিতিৰ সম্পর্ক আছে।

বুদ্ধৰ জন্মৰ সময়ত মগধ এখন শক্তিশালী ৰাজ্য আছিল। আনহাতে আর্য সংস্কৃতি, আর্যভাষা গ্রহণ কৰি মগধ এখন আর্যৰাষ্ট্র হৈ পৰিছিল। কিন্তু আর্যসংস্কৃতিৰ মূলভূমি মধ্যভাৰতৰ আর্যসকলে মগধ অঞ্চল অর্থাৎ প্রাচ্য অঞ্চলটোক তেওঁলোকৰ পৰা পৃথক বুলি গণ্য কৰিছিল। কাৰণ মগধ অঞ্চল বা প্রাচ্য অঞ্চলটোৰ লোকসকল মূলতঃ অনার্য ঃ পিছতহে আর্যীকৰণৰ মাজেদি আর্য হৈছিল। এনে কাৰণতে সুনীতি কুমাৰ চট্টোপাধ্যায়ে অনুমান কৰিছে প্রাকৃত স্তৰটো প্রথম সূচনা হৈছিল পূৰত— প্রাচ্য কথ্য ভাষাত - কোশল-মগধ আদি অঞ্চলৰ ব্রাত্য আর্যসকলৰ মাজত। এই ভাষাই মৌর্য ৰাজতন্ত্রৰ ভাষা আছিল। বুদ্ধদেৱে পোনতে এই ভাষাতে ধর্মৰ বাণী প্রচাৰ কৰিছিল। কিন্তু মৌয্যসাম্রাজ্য পতনৰ পিছত পূর্বী (প্রাচ্যা) উপভাষাটোৰ মর্যাদা বাঢ়িল। ভাৰতৰ সমাজ-সাংস্কৃতিৰ বিৱর্তনৰ ধাৰাত এই অঞ্চলটো সদায় গুৰুত্বপূর্ণ ৰূপেই বিবেচিত হৈ আহিছে। এই অঞ্চলৰ ভাষা বৈদিক-সংস্কৃতৰ বেছি

ওচৰ চপা হোৱাৰ কাৰণো এয়ে যে এই অঞ্চলে বৈদিক ভাষা-সংস্কৃতিৰ প্ৰতি সদায় সংৰক্ষণশীল ভূমিকা লৈ আহিছে।

অশোকৰ পিছত বুদ্ধৰ বাণীবোৰ শৌৰসেনী প্ৰাকৃতৰ প্ৰাচীন ৰূপ তথা মধ্যভাৰতত প্ৰচলিত এটা উপভাষালৈ অনুবাদ কৰা হৈছিল। অনুবাদৰ ফলত ইয়াত প্ৰাচ্য উপভাষাৰ ৰূপ এটাও ৰৈ গৈছিল। এনেদৰে প্ৰাচ্য উপভাষাৰ প্ৰভাৱযুক্ত মধ্যদেশীয় যিটো ভাষিক ৰূপত বুদ্ধৰ বাণীবোৰ অনুবাদ হৈছিল— সেই ভাষাই 'পালি' ভাষা বুলি সুনীতি কুমাৰ চেটাৰ্জীয়ে Origin and Development of Bengali Language নামৰ গ্ৰন্থত উল্লেখ কৰিছে।

সুকুমাৰ সেনেও ঠিক এনে অনুমানেই কৰিছে। তেওঁ অৱশ্যে কৈছে— মধ্যদেশীয় উপভাষাৰ আধাৰত অশোক-পৰৱৰ্তী সময়ত সমগ্ৰ আৰ্য ভাৰততে এটা সাৰ্বজনীন ভাষা (Lingua-franca) প্ৰচলন হৈছিল। এই সাৰ্বজনীন ভাষাতে পূৰ্বী উপভাষাৰ কৃত্ৰিম সংশ্লেষণেৰে (Artificial Synthesis) পালি ভাষা গঢ়ি তোলা হৈছিল।

সাহিত্যিক ভাষা হিচাপে পালিৰ বিকাশৰ সময় খ্ৰীষ্টপূৰ্ব ২০০ৰ পৰা খ্ৰীষ্টিয় ২০০ শতিকা। অশোকৰ পিছৰে পৰা বহু ব্ৰাহ্মণেও বৌদ্ধ ধৰ্ম গ্ৰহণ কৰিছিল। পালি ভাষা সাহিত্যিক ভাষা ৰূপে প্ৰতিষ্ঠা হোৱাৰ পিছতে পালিত সংস্কৃতৰ প্ৰভাৱ পৰাত এই কথাই বিশেষভাৱে সহায় কৰিছিল। পিছলৈ সংস্কৃত ভাষাই পালিৰ আদৰ্শ হৈ পৰিল আৰু খ্ৰীষ্টিয় পঞ্চম শতিকামানৰ পৰা এটা কৃত্ৰিম সাহিত্যিক ভাষা ৰূপেহে ভাৰত, শ্ৰীলংকা, ব্ৰহ্মদেশ আদিত বৰ্তি থাকিল।

সংক্ষেপে পালি ভাষাৰ জন্ম সম্পৰ্কে ক'ব পাৰি যে মূলত মধ্যদেশৰ প্ৰাকৃতৰ ওপৰত ভিত্তি কৰি সকলো ধৰণৰ প্ৰাকৃতৰ উপাদান গ্ৰহণ কৰি পালি গঢ়ি উঠিছিল। তথাপি বিশেষজ্ঞ পণ্ডিতসকলে লক্ষ্য কৰিছে যে দক্ষিণ-পশ্চিমা আৰু প্ৰাচ্য-মধ্যাৰ উপাদানেই ইয়াত বেছি।

পালি ভাষাক সমন্বয়ী ভাষা বা Compromising Speech বোলা হয়। পালিৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যবোৰ আলোচনা কৰিলে বিভিন্ন শ্ৰেণীৰ প্ৰাকৃতৰ লগত তাৰ বিভিন্ন ক্ষেত্ৰত গভীৰ সাদৃশ্য দেখা যায়; তাৰ পৰা এইটো প্ৰমাণিত হয় যে বিভিন্ন শ্ৰেণীৰ প্ৰাকৃতৰ পৰা উপাদান আহৰণ কৰি এই Compromising Speech টোৰ বিকাশ হৈছিল।

পালি নামটো সম্পৰ্কে কেবাটাও মত পোৱা যায়। কোনো কোনো পণ্ডিতৰ মতে 'পাল' (পালন কৰা) ধাতুৰ পৰা পালি শব্দৰ উৎপত্তি হৈছে। বুদ্ধৰ বাণী এই ভাষাই ধাৰণ আৰু পালন কৰা বাবে ইয়াক পালি বোলা হৈছে।

দ্বিতীয় মত অনুসৰি, পল্লী শব্দৰ পৰাহে 'পালি' হৈছে। 'পল্লী' শব্দৰ যুক্তব্যঞ্জন 'ল্ল'-ৰ এটা 'ল' লুপ্ত হৈ পালি হৈছে। প্ৰাচীন ভাৰতৰ জনসাধাৰণ আছিল মূলত পল্লীবাসী আৰু এই পল্লীবাসীৰ মাজতেই বুদ্ধৰ বাণী প্ৰচাৰিত হোৱাৰ কাৰণে পল্লীৰ পৰাই পালিৰ উৎপত্তি হোৱা বুলি ভবা হৈছে। তৃতীয় মত অনুসৰি, 'পাঠ'-ৰ পৰা পালি হৈছে। যি ভাষাত বুদ্ধদেৱৰ উপদেশৰ পাঠ (Linguistic features of Pali) সংৰক্ষিত, সিয়েই পালি।

৭.৩.২ মধ্য যুগ

মধ্য যুগ বা মধ্যস্তৰ বা দ্বিতীয় স্তৰত সাহিত্যিক প্ৰাকৃতসমূহ, সামৰি লোৱা হয়। 'প্ৰাকৃ'ত বুলিলে খ্ৰী.পূৰ্ব ষষ্ঠ শতিকাৰ পৰা খ্ৰী.দশম শতিকা পৰ্যন্ত সমগ্ৰ মধ্য ভাৰতীয় আৰ্যভাষাৰ যুগটোক বুজায় যদিও, প্ৰকৃততে এই নামটো মধ্য ভাৰতীয় আৰ্যভাষাৰ দ্বিতীয় স্তৰ, অৰ্থাৎ সাহিত্যিক প্ৰাকৃত স্তৰটোক বুজাবলৈহে বিশেষভাৱে ব্যৱহাৰ হয়। এই প্ৰসঙ্গত R. Pischel-এ তেওঁৰ গ্ৰন্থ A Grammar of the Prakrit languageত কৈছে— The Indian always understood by the term Prakrit the Literaray language. খ্ৰীষ্টিয় প্ৰথম শতিকামানৰ পৰাই সংস্কৃত নাটকত সাহিত্যিক-প্ৰাকৃতৰ প্ৰয়োগ দেখা যায়।

পালি ভাষাৰ আলোচনা প্ৰসঙ্গতে কোৱা হৈছে যে খ্ৰীষ্টপূৰ্ব শতিকাতে ভাৰতৰ বিভিন্ন অঞ্চলত কেইটামান স্পষ্ট আঞ্চলিক ভাষা-ৰূপ গঢ়লৈ উঠিছিল। খ্ৰীষ্টিয় তৃতীয় শতিকামানৰ ভিতৰত এই ৰূপবোৰৰ পৰাই নিৰ্দিষ্ট নিজস্ব ৰূপত গঢ় লৈ উঠা ভাষাবোৰ আঞ্চলিক নামেৰে পৰিচিত হৈ পৰে। সমান্তৰালভাৱে এই প্ৰাকৃতবোৰৰে এটা সাধুৰূপত সাহিত্যও ৰচনা হ'বলৈ ধৰে। সাহিত্যবোৰৰ মাজেদিয়েই এই প্ৰাকৃতবোৰ আমাৰ বাবে আজিও সংৰক্ষিত হৈ আছে। সেয়ে এই স্তৰটোক 'সাহিত্যিক-প্ৰাকৃত' স্তৰ বোলা হয়।

প্ৰকৃততে সাহিত্যৰ মাজত প্ৰাপ্ত এই প্ৰাকৃতবোৰ জনসাধাৰণৰ মুখৰ জীৱন্ত ভাষা নহয়। জনসাধাৰণৰ মুখৰ জীৱন্ত ভাষাবোৰৰ আঞ্চলিক বৈচিত্ৰ্যৰ ওপৰত ভিত্তি কৰিয়েই এইবোৰ ভাষাৰ বিকাশ ঘটিলেও যিসকলে এই ভাষাসমূহ সাহিত্যত ব্যৱহাৰ কৰিছিল তেওঁলোকে সামাজিক স্তৰ ভেদে ইয়াক ব্যৱহাৰ কৰিছিল। যেনে— শিক্ষিতা নাৰী, বিদূষক বা অশিক্ষিত পুৰুষৰ মুখত শৌৰসেনী, অশিক্ষিত নিম্নশ্ৰেণীৰ চৰিত্ৰৰ মুখত মাগধী প্ৰাকৃত ব্যৱহাৰ কৰিছে। বাস্তৱিকতে সমাজ জীৱনত ভাষা-ব্যৱহাৰৰ এনে ভিন্নতা অসম্ভৱ। প্ৰকৃতাৰ্থত সংস্কৃতজ্ঞ প্ৰাকৃত-ব্যাক�ৰণবিদসকলে লৌকিক ৰূপত প্ৰচলিত ভাষাৰূপবোৰক সংস্কৃত ব্যাকৰণৰ আদৰ্শৰে পৰিমাৰ্জিত কৰি গঢ়ি তুলিছিল। ফলত সাহিত্যিক-প্ৰাকৃতসমূহে কথ্যধৰ্মী গুণ বহুখিনি হেৰুৱাই কৃত্ৰিম সাধুভাষা ৰূপে আত্মপ্ৰকাশ কৰিলে। এনে ৰীতিধৰ্মী (stylised) হৈ পৰা বাবেই প্ৰায় পাচঁশ-ছশ বছৰ ধৰি সাহিত্যিক-প্ৰাকৃতবোৰ বিকাশহীনভাৱে সাহিত্যত ব্যৱহাৰ হৈ আহিব পাৰিলে। তথাপি সাহিত্যিক প্ৰাকৃতসমূহৰ নামকৰণৰ মাজত ভৌগোলিক অৱস্থিতি পৰিলক্ষিত হোৱাৰ উপৰি সাহিত্যিক নিদৰ্শনসমূহত অলেখ 'দেশী' শব্দ পোৱা যায়। এই দুটা কথাই সাহিত্যিক-প্ৰাকৃতৰ লৌকিক ভিত্তি প্ৰতিপন্ন কৰে।

সাহিত্যিক-প্ৰাকৃত বুলিলে প্ৰধানতঃ পাঁচটাক বুজায়—

- মহাৰাষ্ট্ৰী প্ৰাকৃত
- শৌৰসেনী প্ৰাকৃত
- পৈশাচী প্ৰাকৃত

- অৰ্ধ-মাগধী আৰু
- মাগধী প্ৰাকৃত

- **মহাৰাষ্ট্ৰী প্ৰাকৃত ঃ** সাহিত্যিক-প্ৰাকৃতসমূহৰ ভিতৰত মহাৰাষ্ট্ৰী-প্ৰাকৃতকে শ্ৰেষ্ঠ বুলি বিবেচনা কৰা হয়। সংস্কৃত নাটকৰ গীতৰ ভাষা ৰূপতেই ইয়াৰ প্ৰয়োগ সীমাবদ্ধ নাছিল; বৰং পূৰ্ণাঙ্গ সাহিত্য ৰচনাৰ মাধ্যম হিচাপেও মহাৰাষ্ট্ৰীৰ প্ৰয়োগ ব্যাপক আছিল। খ্ৰীষ্টিয় তৃতীয় শতিকাৰ হালৰ 'গাহাসত্তসঈ' নামৰ গীতিকাব্য, প্ৰৱৰসেনৰ 'সেতুবন্ধ' নামৰ মহাকাব্য আদি মহাৰাষ্ট্ৰী প্ৰাকৃততে ৰচনা কৰা হৈছিল। গোদাবৰী নদীৰ তীৰৱৰ্তী অঞ্চলৰ পৰা মহাৰাষ্ট্ৰ-ৰাজস্থানলৈ বিস্তৃত অঞ্চলত প্ৰচলিত পশ্চিমা কথ্য প্ৰাকৃতৰ আধাৰতে মহাৰাষ্ট্ৰী সাহিত্যিক-প্ৰাকৃতৰ বিকাশ হয়। স্বৰ-বহুলতা এই প্ৰাকৃতৰ মনকৰিবলগীয়া বৈশিষ্ট্য। Pischel-এ তেওঁৰ গ্ৰন্থত কৈছে— No other dialect has been phonetically modified to such an extent for ornate purposes..... It was admitted long ago that its sound system was essentially determined by the fact that Maharastri above all was used for musical stanzars. সেইবাবে মহাৰাষ্ট্ৰী-প্ৰাকৃতত অলেখ গীতি-কবিতা প্ৰাচীন কালৰে পৰা সৃষ্টি হৈছিল। এই প্ৰাকৃতৰ প্ৰধান বৈশিষ্ট্য হ'ল—
  - স্বৰমধ্যৱৰ্তী অল্পপ্ৰাণ একক ব্যঞ্জনৰ লোপ (যেনে— প্ৰাকৃত > পাউঅ) আৰু মহাপ্ৰাণ একক ব্যঞ্জন 'হ' লৈ ৰূপান্তৰ হয় (যেনে— সখী > সহী, মেঘ > মেহ)।
  - শ, স, ষ— তিনিটা উষ্ম ধ্বনিৰ ভিতৰত কেৱল 'স' ৰ ব্যৱহাৰ।
  - স্বৰমধ্যৱৰ্তী শ, স, ষ— ৰ হ'লৈ পৰিৱৰ্তন (যেনে— দশ > দহ, দিৱস > দিঅহ, পাষণ > পাহাণ)।
  - ক্ষ > চ্ছ বা ছ ; (অক্ষি > অচ্ছি, ক্ষণ > ছণ)।
  - প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ 'ত্ম' মহাৰাষ্ট্ৰী প্ৰাকৃতত 'প্প' হয়, যেনে— আত্মন্ > অপ্পা
  - শব্দৰূপৰ ক্ষেত্ৰত পঞ্চমীৰ একবচনত— 'আত্ত' আৰু 'আহি' বিভক্তিৰ ব্যৱহাৰ।
  - সপ্তমীৰ একবচনত সৰ্বনামৰ বিভক্তি '—স্মিন' মহাৰাষ্ট্ৰীত '—ম্মি' হয়; অন্য প্ৰাকৃতত '- মহি' বা '-ংসি' হয়।
- **শৌৰসেনী প্ৰাকৃত ঃ** প্ৰাচীন শূৰসেন (বৰ্তমান দিল্লী-মথুৰা-মীৰাট) ৰাজ্যত প্ৰচলিত কথ্য প্ৰাকৃতৰ আধাৰত শৌৰসেনী সাহিত্যিক প্ৰাকৃতৰ বিকাশ হয়। এই প্ৰাকৃততে সংস্কৃত ভাষাৰ প্ৰভাৱ আটাইতকৈ গভীৰ। মহাৰাষ্ট্ৰী আৰু শৌৰসেনী একেই পশ্চিমা কথ্য-প্ৰাকৃতৰ পৰা বিকাশ যদিও সংস্কৃতৰ গভীৰ প্ৰভাৱে শৌৰসেনীক মহাৰাষ্ট্ৰীৰ পৰা পৃথক কৰিছে। এই প্ৰাকৃতৰ প্ৰধান বৈশিষ্ট্যসমূহ হ'ল—

- প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ স্বৰমধ্যৱৰ্তী 'ত' 'থ' ক্ৰমে 'দ' আৰু 'ধ'-ত পৰিণত হয়— কৃত > কদ (মহাৰাষ্ট্ৰীত - কঅ); প্ৰাকৃত >পাউদ, ইত্যাদি।
- ক্ষ > কখ, যেনে— ইক্ষু > ইকখু
- র্য > জ্জু / য্য
- সংস্কৃতৰ বহু শব্দ অপৰিৱৰ্তনীয় হৈ ৰৈছে।
- শব্দৰূপৰ ক্ষেত্ৰত সপ্তমীৰ একবচনৰ বিভক্ত '-স্মিন' > ম্হি, কেতিয়াবা '-স্সিং' হয়। যেনে— সর্বস্মিন > সববম্হি, সববস্সিং

- **মাগধী প্ৰাকৃত ঃ** প্ৰাচীন মগধ (দক্ষিণ বিহাৰ) অঞ্চলত প্ৰচলিত প্ৰাচ্য-উপভাষাৰ আধাৰত মাগধী প্ৰাকৃতৰ বিকাশ। অশোকৰ দিনত মগধৰ সাংস্কৃতিক পৰিচয় উচ্চ শিখৰত উঠিছিল। সংস্কৃত নাটকত সাধাৰণ জীৱনৰ বৈচিত্ৰ্য ফুটাই তুলিবৰ বাবে আৰু কিছু পৰিমাণে হাস্যৰস সৃষ্টিৰ বাবে মাগধী প্ৰাকৃত ব্যৱহাৰ কৰিছে। অন্য প্ৰাকৃতৰ তুলনাত মাগধীৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্য আৰু শব্দ সাধনৰ প্ৰক্ৰিয়া বহু পৰিমানে পৃথক চৰিত্ৰৰ। ইয়াৰ মূলতে পূব ভাৰতৰ বৃহৎ অঞ্চলটোত আৰ্যসংস্কৃতি আৰু সংস্কৃত ভাষাৰ প্ৰভাৱ উত্তৰ-পশ্চিম অঞ্চলতকৈ কম। পূব অঞ্চলটোত বসবাস কৰা অনা-আৰ্য কোল, দ্ৰাৱিড়, তিব্বতবৰ্মী ভাষা-ভাষী লোকৰ প্ৰভাৱেও মাগধী প্ৰাকৃতৰ এনে সুকীয়া চৰিত্ৰ গঢ় লৈ উঠাত সহায় কৰিছিল। মাগধী প্ৰাকৃতৰ প্ৰধান বৈশিষ্ট্য দুটামান হ'ল—
  - শ, ষ, স —এই তিনিটা উষ্মধ্বনিৰ ভিতৰত কেৱল 'শ'-ৰ ব্যৱহাৰ। যেনে— দিৱস > দিঅশ, সুৰা > শুলা ইত্যাদি।
  - ৰ > ল ; যেনে— ৰাজ্ঞা > লঞ্ঞঞা ; ৰোহিত > লোহিত
  - জ > য ; যেনে— জীৱিত > যীৱিত, জানাতি > যাণাতি।
  - সংযুক্ত ব্যঞ্জনৰ কেতিয়াবা সমীভৱন হয়(যেনে, অদ্য > অয্য, প্ৰজ্ঞা > পঞ্ঞা); কেতিয়াবা ৰক্ষিত হয় (যেনে— পশ্চাৎ > পশ্চা, স্ফুৰতি > স্ফুলতি); কেতিয়াবা অনিয়মভাৱে সলনি হয় (যেনে— গচ্ছতি > গশ্চদি; ভর্তৃক > ভষ্টকে)।
  - শব্দৰূপৰ ক্ষেত্ৰত পদান্ত অ-কাৰান্ত বিসর্গ 'এ'-কাৰত পৰিণত হয়; যেনে— নৰঃ > ণলে, এষঃ > এশে
  - সম্বোধনত অ-কাৰন্ত শব্দ আ-কাৰন্ত হয়। যেনে— হে পুৰুষ > হে পুলিশা।
  - ধাতুৰূপৰ ক্ষেত্ৰত দেখা যায় কৃ, গম, মৃ ধাতুৰ পাছৰ 'ক্ত' প্ৰত্যয়ৰ ঠাইত '-ড' হয়। যেনে— কৃতঃ > কডে; গতঃ > গডে।
- **অর্ধ-মাগধী ঃ** অর্ধ-মাগধী প্ৰাকৃতৰ ব্যৱহাৰ মূলত জৈন সাহিত্যৰ মাজতে সীমাবদ্ধ আছিল বাবেই যেকবী (Jacabi)-এ ইয়াক 'জৈন-প্ৰাকৃত' বুলিছে। কিন্তু জৈন সাহিত্যৰ মাজত ব্যৱহাৰৰ পূৰ্বে অযোধ্যা-কোশল (বৰ্তমানৰ লক্ষ্ণৌ-অৱধ-অযোধ্যা) অঞ্চলৰ কথ্য প্ৰাকৃতে এই প্ৰাকৃতৰ আধাৰ নিৰ্মাণ কৰিছিল। ভৌগোলিকভাৱে অর্ধ-মাগধী ভাষাকেন্দ্ৰ শৌৰসেনী আৰু মাগধীৰ

মধ্যৱর্তী হোৱাৰ বাবে এই দুই প্ৰাকৃতৰ লক্ষণ তথা প্ৰভাৱ অৰ্ধ-মাগধীৰ মাজত দেখা যায়। এই প্ৰাকৃতৰ প্ৰধান দুটামান বৈশিষ্ট্য হ'ল—

- মাগধীৰ দৰে 'ৰ' ধ্বনি 'ল'-লৈ পৰিৱৰ্তন আৰু শৌৰসেনীৰ দৰে 'ৰ' ৰক্ষিত হয়। যেনে— দাৰুণ > দাৰুণ
- স্বৰমধ্যৱর্তী একক ব্যঞ্জন লোপ পায় আৰু তাৰ ঠাইত 'য়' শ্ৰুতি ধ্বনিৰ আগম। যেনে— সকল > সয়ল ; নগৰ > নয়ৰ
- 'ণ' আৰু 'ন' দুয়োটাই ৰক্ষিত। যেনে— নদী > ণঈ, নঈ
- শব্দৰূপৰ ক্ষেত্ৰত, '-অঃ' যুক্ত শব্দ কেতিয়াবা 'এ' আৰু কেতিয়াবা 'ও' হয়। যেনে— জনঃ > জণে, জণো

- **পৈশাচী ঃ** পৈশাচী প্ৰাকৃতৰ সাহিত্যিক নিদৰ্শন তেনেই সামান্য। খ্ৰীষ্টিয় প্ৰথম বা দ্বিতীয় শতিকামানত ৰচিত গুণাঢ্যৰ বৃহৎকথা (বড্ডকহা) এই প্ৰাকৃততে ৰচনা কৰা হৈছিল যদিও গ্ৰন্থখন পোৱা নাযায়। গ্ৰন্থখনৰ কাহিনীবোৰ সংস্কৃত ৰচনাৰ মাজতহে ৰক্ষিত হৈ আছে। প্ৰাচীন প্ৰাকৃতৰ সামান্য নিদৰ্শন পোৱা যায় বৈয়াকৰণ আৰু আলঙ্কাৰিকসকলৰ উল্লেখ আৰু উদ্ধৃতিৰ মাজত। অনুমান কৰা হৈছে, উত্তৰ-পশ্চিমা মধ্য প্ৰাকৃতৰ ভিত্তিত পৈশাচী প্ৰাকৃত গঢ় লৈ উঠিছিল। এই প্ৰাকৃতক পৈশাচীৰ উপৰি ব্যাকৰণবিদসকলে 'পৈশাচিক', ভূত ভাষা আদি নামেৰেও উল্লেখ কৰিছে। এনে নামকৰণৰ মূলতে আৰ্য সংস্কৃতিৰ মূল ভূখণ্ড 'মধ্যদেশ'-ৰ আৰ্যসকলৰ আৰ্য-অহমিকাই ক্ৰিয়া কৰিছিল। কাৰণ, উত্তৰ-পশ্চিমা অঞ্চলটো খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকামানৰ পৰাই পাৰস্য অধিকৃত হৈ পৰিছিল। ফলত তাত পাৰছীয় ভাষা-সংস্কৃতিৰ প্ৰভাৱ গভীৰ হৈ পৰি বৈদিক আৰ্য সংস্কৃতিৰ পৰা বিচ্ছিন্ন হৈ পৰিছিল।

  পৈশাচী প্ৰাকৃতৰ দুটামান প্ৰধান বৈশিষ্ট্য হ'ল—

  - স্বৰমধ্যৱর্তী ঘোষ ব্যঞ্জনৰ অঘোষীভৱন; যেনে— গগন > গকন, ৰাজা > ৰাচা, ইত্যাদি।
  - স্বৰমধ্যৱর্তী একক ব্যঞ্জন লোপ হোৱা নাই; যেনে— নগৰ > নকৰ, মেঘ > মেখ
  - ণ > ন; তৰুণী > তলুনী
  - শ, ষ > স; অৰ্থাৎ পৈশাচীত কেৱল 'স'-ৰ ব্যৱহাৰ আছে।
  - পদান্ত অ-কাৰন্ত বিসৰ্গ 'ও' লৈ পৰিৱৰ্তন। যেনে— মেঘঃ > মেঘো।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ সাহিত্যিক প্ৰাকৃত মানে কি? সাহিত্যিক প্ৰাকৃত প্ৰধানতঃ কেইটা আৰু কি কি? প্ৰত্যেকৰে প্ৰধান বৈশিষ্ট্যসমূহ উল্লেখ কৰক। (১৫০টা শব্দৰ ভিতৰত)



চিন্তা-চৰ্চা কৰক ৭.১

সাহিত্যিক প্ৰাকৃতৰ অন্তৰ্গত যিকোনো এটা প্ৰাকৃতত লিখা সাহিত্য ৰচনা ভাষাতাত্ত্বিক মূল্যয়ান আগবঢ়াওক।

৭.৩.২.১ সাহিত্যিক প্ৰাকৃত ভাষাৰ সাধাৰণ বৈশিষ্ট্য

ইয়াৰ আগৰ শাখাৰ পাঁচটা সাহিত্যিক প্ৰাকৃতৰ সুকীয়া সুকীয়া আলোচনা কৰা হৈছে যদিও এই প্ৰাকৃতসমূহৰ মাজত অমিলতকৈ মিলহে অধিক। অৰ্থাৎ, এই সাহিত্যিক-প্ৰাকৃতসমূহ কিছুমান সাধাৰণ বৈশিষ্ট্যৰে পৰস্পৰে সম্পৰ্কিত। তলত এনে সাধাৰণ বৈশিষ্ট্যসমূহ আলোচনা কৰা হ'ল—

ধ্বনিতত্ত্ব ঃ প্ৰাকৃতত স্বৰবৰ্ণৰ সংখ্যা ৮ টা -- অ, আ, ই, ঈ, উ, ঊ, এ আৰু ও। ঋ, ঌ, ৡ-ৰ ব্যৱহাৰ লোপ পালে। ঋ-কাৰ বিভিন্ন স্বৰলৈ বা ৰ, ৰি, ৰু-লৈ পৰিণত হ'ল—

কৃত > কঅ, কদ (ঋ > অ)
হৃদয় > হিঅঅ (ঋ > ই)
বৃক্ষ > ৱ্রচ্ছ (ঋ > ৰ)
গৃহ > গেহ (ঋ > এ)
বৃক্ষ > ৰুচ্ছ, ইত্যাদি

- ঐ > এ আৰু ঔ > ও,উ হ'ল—
  ঐ > এ — শৈল > সেল; ঔ > ও — যৌৱন > জোব্বণ
  বৈৰ > বেৰ; ঔ > উ — মৌক্তিক > মুত্তিঅ
- 'অয়' আৰু 'অৱ' ক্ৰমে 'এ' আৰু 'ও' লৈ পৰিৱৰ্তন হ'ল। যেনে—
  লৱণ > লোণ (অৱ > ও)
  নয়তি > ণেই (অয় > এ)
- তদুপৰি বিভিন্ন স্বৰ অনিয়মিত ধৰণে পৰিৱৰ্তন ঘটিল।
  যেনে— অ > ই, আ, এ; আ > অ, ই; ই > অ, উ, ও ইত্যাদি।
  অনুস্বাৰ আৰু সংযুক্ত ব্যঞ্জনৰ পূৰ্ববৰ্তী দীৰ্ঘস্বৰ হ্ৰস্ব হ'ল—
  কাব্য > কব্ব ('ক'-ৰ পিছৰ আ > অ হ'ল)
  পুত্রানাং > পুত্তণং
- অনুস্বাৰ লুপ্ত হ'লে পূৰ্ববৰ্তী হ্ৰস্বস্বৰ দীৰ্ঘ হয়। যেনে— বিংসত > বীসা
- শৌৰসেনীৰ বাহিৰে স্বৰমধ্যৱৰ্তী ক, গ, চ, জ, ত, দ, প আদি অল্পপ্ৰাণ ধ্বনি আনবোৰ প্ৰাকৃতত লোপ পালে।
  যেনে— নদী > ণঈ, শচী > সঈ, ৰজত > ৰজঅ।

- স্বৰমধ্যৱৰ্তী মহাপ্ৰাণ ধ্বনি পৈশাচীৰ বাহিৰে আনবোৰ প্ৰাকৃতত 'হ' লৈ পৰিণত হয়। যেনে— শাখা > সাহা, নাথ > নাহ ইত্যাদি।
- পৈশাচী আৰু অৰ্ধমাগধীৰ বাহিৰে আন তিনিটা প্ৰাকৃতত 'ন' > ণ হয়। মাগধীৰ বাহিৰে অন্য প্ৰাকৃতত য > জ হয়।
  একেদৰে, 'শ' কেৱল মাগধীতহে ৰক্ষিত। মাগধীত 'ৰ' ধ্বনিও 'ল' লৈ পৰিণত হয়, আন প্ৰাকৃতত নহয়।
- পদান্ত '-অঃ' > ও হয় (মাগধীত কিন্তু -অঃ > ও হয়)।
  যেনে— পুত্রঃ > পুত্তো (প + উ + ত + ৰ + ঃ > প + উ + ত + ত + ও)
- আদিস্থানৰ সংযুক্ত ব্যঞ্জন একক হয়— গ্রাম্য > গাম, ম্লান > মিলাণ, দুগ্ধ > দুদ্ধ; এনেক্ষেত্ৰত কেতিয়াবা স্বৰাগম হয়, কেতিয়াবা স্বৰভক্তি বা কেতিয়াবা এটা ব্যঞ্জন লোপ হৈ সৰল হয়।
- মধ্যস্থানৰ সংযুক্ত ব্যঞ্জনৰ প্ৰায়েই সমীভৱন হয়, কেতিয়াবা স্বৰভক্তি, অপিনিহিতিৰ দ্বাৰাও সৰল হয়। যেনে— শব্দ > সদ্দ, যুক্ত > জুত্ত, কর্ম > কম্ম, পুষ্প > পুপফ, বর্গ > বগ্গ ইত্যাদি।
  সমীভৱনৰ ক্ষেত্ৰত উষ্ম, নাসিক্য বা স্পর্শ ব্যঞ্জন অনুসৰি মহাপ্ৰাণীভৱন, অল্পপ্ৰাণীভৱন, ঘোষীভৱন আদি প্ৰক্ৰিয়াও ঘটে।
  স্বৰভক্তিৰ ক্ষেত্ৰতো কেতবোৰ সুকীয়া বৈশিষ্ট্য চকুত পৰে। যেনে— কেতিয়াবা অ, ই, উ স্বৰ আগম হয়—
  ৰত্ন > ৰঅণ (অ— আগম)
  হর্ষ > হৰিস (ই— আগম)
  পদ্ম > পউম (উ— আগম)
- 'ক্ষ' ধ্বনিৰ পৰিৱৰ্তন কেবা ধৰণৰো—
  ক্ষ > ছ, চ্ছ (মহাৰাষ্ট্ৰী)
  ক্ষ > কখ (শৌৰসেনী)
  কেতিয়াবা ক্ষ > স্ক (মাগধীত)

সন্ধি ঃ প্ৰাকৃতৰ সন্ধি তেনেই সৰল হ'ল। ইয়াৰ কাৰণ, দুটা স্বৰৰ মাজৰ অল্পপ্ৰাণ ধ্বনিবোৰৰ লোপ। অৱশ্যে সংস্কৃততে সন্ধি হৈ অহা শব্দ প্ৰাকৃতত সামান্য পৰিৱৰ্তন হৈ ৰক্ষিত হৈছে। যেনে—

মহা + উৎসৱ > মহূসৱ
ৰাঅ + ইসি > ৰাএসি (ৰাজঋষি)
একং + একং > একমেকং
ভূ + তব্য > হোঅবব

প্ৰাকৃতত বিসর্গ সন্ধি একেবাৰে নাই। কাৰণ, প্ৰাকৃতত বিসর্গৰ প্ৰয়োগ নাই।

শব্দৰূপ ঃ সংস্কৃতৰ শব্দৰূপ পালিত সৰল হ'ল; প্ৰাকৃতত ই পালিতকৈও সৰল হ'ল। প্ৰাকৃতত ব্যঞ্জনান্ত শব্দবোৰ স্বৰান্ত হোৱাৰ ফলত শব্দৰূপৰ বৈচিত্ৰ্য হ্ৰাস পালে।

লিংগৰ ক্ষেত্ৰতো দেখা গ'ল অ-কাৰান্ত, ই-কাৰান্ত আৰু উ-কাৰান্ত শব্দবোৰ পুংলিংগবাচক হ'ল; আ-কাৰান্ত, ঈ-কাৰান্ত আৰু ঊ-কাৰান্ত শব্দহে কেৱল স্ত্ৰীলিংগবাচক হ'ল আৰু কেৱল অ-কাৰান্ত শব্দৰহে ক্লীৱলিংগ পোৱা গ'ল।

আনহাতে, ই-কাৰান্ত পুংলিংগবাচক শব্দ আৰু উ-কাৰান্ত পুংলিংগবাচক শব্দৰ ৰূপ একে হৈ পৰিল; একেদৰে আ-কাৰান্ত, ঈ-কাৰান্ত আৰু ঊ-কাৰান্ত শব্দৰূপৰ পাৰ্থক্য নোহোৱা হ'ল। এক কথাত, অধিকাংশ শব্দৰূপ অ-কাৰান্ত শব্দৰ দৰে হ'ল।

প্ৰাকৃতৰ শব্দৰূপৰ বিভক্তিসমূহৰ তালিকাখন মন কৰিলে দেখিব যে ৪ৰ্থী আৰু ৬ষ্ঠীৰ (দুয়োটা বচনৰে) বিভক্তি একে। একেদৰে, প্ৰাকৃততো দ্বিবচন নাই; দ্বিবচনৰ স্থান ল'লে বহুবচনে।

শব্দৰূপৰ বিভক্তিৰ তালিকা ঃ

	একবচন	**বহুবচন**
১মা—	ও, এ	আ, ণো, (ও, উ)
২য়া—	ং	ণা, আ (এ, উ, ও)
৩য়া—	এণা (অ, আ, ই, এ)	হিং, হি (ভিং)
৪র্থী—	স্স (অ, এ)	ণং (ণ)
৫মী—	হি, ও, (আ, উ)	হিংতো, সুংতো (হি, হিং)
৬ষ্ঠী—	স্স; ণো (আঅ, আএ)	ণং (ণ)
৭মী—	ম্মি, ম্হি (এ)	সু (সুং)

ওপৰৰ তালিকাত বন্ধনীৰ ভিতৰত দিয়া বিভক্তিবোৰ হ'ল বিকল্প বিভক্তি। বৈদিক-সংস্কৃতৰ পৰা বিকাশ হৈ অহা নিয়মীয়া বিভক্তিবোৰৰ উপৰি, সেইবোৰৰ বিকল্প হিচাপে প্ৰাকৃতত বন্ধনীৰ ভিতৰত দিয়া বিভক্তি চিনবোৰৰো ব্যৱহাৰ দেখা গ'ল।

প্ৰাকৃতৰ শব্দৰূপৰ অন্য এক বৈশিষ্ট্য দেখা গ'ল যে, স্ত্ৰীলিংগ শব্দৰূপত ৩য়া, ৬ষ্ঠী, ৭মীৰ ৰূপ একে হৈ পৰিল। যেনে— আ-কাৰান্ত (স্ত্ৰীলিংগ) 'মালা' শব্দৰ ৰূপ এনে ধৰণৰ—

৩য়া—	একবচন—	মালাএ, মালাই, মালাঅ
৪র্থ—	একবচন—	মালাএ, মালাই, মালাঅ
৬ষ্ঠী—	একবচন—	মালাএ, মালাই, মালাঅ
৭মী—	একবচন—	মালাএ, মালাই, মালাঅ

ধাতুৰূপ ঃ প্ৰাকৃতৰ ধাতুৰূপ পালিতকৈ সৰল হ'ল যদিও ল-কাৰ আৰু গণৰ ক্ষেত্ৰত নিজস্ব কিছুমান বৈশিষ্ট্য গঢ় লৈ উঠিল। প্ৰাকৃতৰ ধাতুৰূপৰ প্ৰধান বৈশিষ্ট্যবোৰ হ'ল—

- সকলো ধাতুৰেই ভূ-ধাতুৰ দৰে ৰূপ হোৱাৰ প্ৰৱণতা দেখা দিলে। সংস্কৃতত ধাতুৰ পিছত ধাতুটোৰ গণ অনুযায়ী বিভিন্ন বিকৰণ যোগ হৈ ৰূপ হৈছিল। প্ৰাকৃতত ধাতু আৰু বিকৰণৰ সমীভৱন হৈ নতুন ক্ৰিয়ামূল সৃষ্টি হোৱাৰ প্ৰৱণতাৰ ফলত গণৰ গুৰুত্ব হ্ৰাস পালে।
- প্ৰাকৃতত ল-কাৰৰ বৈচিত্ৰ্য হ্ৰাস পালে। কাল প্ৰকাশক ল-কাৰৰ ভিতৰত প্ৰাকৃতত কেৱল লট্ (বৰ্তমান) আৰু লৃট্ (ভৱিষ্যত)হে ৰক্ষিত হ'ল। অতীত কালবাচক ল-কাৰৰ ঠাইত কৃৎ-প্ৰত্যয়ৰ ব্যৱহাৰৰ দ্বাৰাহে অতীত কাল বুজোৱা ৰীতি প্ৰতিষ্ঠা হ'ল।
- প্ৰাকৃতত আত্মনেপদ লোপ পালে।
- শব্দৰূপৰ দৰে ধাতুৰূপতো বিকল্প বিভক্তিৰ ব্যৱহাৰ দেখা গ'ল।
- ধাতুৰূপতো দ্বিবচন লোপ পালে আৰু বহুবচনে দ্বিবচনৰ স্থান ল'লে।

ধাতুৰূপৰ বিভক্তিৰ তালিকা ঃ

(ক) লট্ (বৰ্তমান)

	একবচন	**বহুবচন**
প্ৰথম পুৰুষ	ই (দি)	ন্তি
মধ্যম পুৰুষ	সি	হ (ধ)
উত্তম পুৰুষ	মি	মো

(খ) লোট্ (অনুজ্ঞা)

	একবচন	**বহুবচন**
প্ৰথম পুৰুষ	উ (দু)	ন্তু
মধ্যম পুৰুষ	সু (শু)	হ (ধ)
উত্তম পুৰুষ	মু	মো

(গ) লৃট (ভৱিষ্যৎ)

	একবচন	**বহুবচন**
প্ৰথম পুৰুষ	স্সই (স্সদি)	সসন্তি (শ্শন্তি)
মধ্যম পুৰুষ	স্সদি (শ্শশি)	স্সহ (স্সহ), (স্সধ)
উত্তম পুৰুষ	স্সামি, সসং (শশং)	সসামো (শ্শামো)

নামধাতু ঃ প্ৰাকৃতৰ নামমূলত '—আঅ' আৰু '—ৱে' বিকৰণ যোগ হৈ নামধাতু গঠন হয়। যেনে— সুখায়তি > সুহাঅই (মহাৰাষ্ট্ৰী)
সুহাঅদি (শৌৰসেনী)

(ইয়াৰে 'সুহ' (< সুখ) ধাতু; 'আঅ' = নামধাতুৰ বিকৰণ; '--ই' = বৰ্তমান কালৰ প্ৰথম পুৰুষৰ একবচনৰ বিভক্তি।)

অসমাপিকা ৰূপ ঃ প্ৰাকৃতত অন্ত (শতৃ) আৰু মান্ (শানচ্) প্ৰত্যয়ৰ যোগত বৰ্তমান কালৰ কৃদন্ত গঠন কৰা হয়। যেনে— জাণন্ত, পেচ্ছমান ইত্যাদি।

প্ৰাকৃতত অতীত কালৰ কৃদন্ত গঠনৰ প্ৰত্যয় তিনিটা ঃ ন, ইত, ত (ক্ত)। ভৱিষ্যত কৃদন্ত গঠনৰ প্ৰত্যয়ো তিনিটা ঃ ৰ্ব, অণীয় / অনিজ্জ আৰু য্য বা জ্জ।

নিজন্ত ধাতু (পাঁচনী ধাতু) ঃ প্ৰাকৃতত নিজন্ত ধাতু গঠনৰ প্ৰত্যয় 'এ' আৰু বে/আবে। যেনে— হাসয়তি > হাসেই, হাসাৱেই; কাৰয়তি > কাৰেই, কাৰাৱেই ইত্যাদি।

৭.৩.৩ অন্ত্যযুগ

অন্ত্যযুগটোক অন্ত্যস্তৰ বা তৃতীয় স্তৰ হিচাপেও আখ্যা দিয়া হয়। আহকচোন, ভাষাবিদসকলে এই অন্ত্যযুগৰ বিষয়ে কি কৈ গৈছে তাৰ লেখ লওঁ—

ভাৰতীয় আৰ্যভাষাৰ বিকাশৰ প্ৰক্ৰিয়াত মধ্য ভাৰতীয় আৰ্যভাষাৰ শেষস্তৰটোক পণ্ডিতসকলে 'অপভ্রংশ' নাম দিছে। গ্ৰীয়াৰ্ছন, পিশেল, সুনীতি কুমাৰ চেটাৰ্জী আদি পণ্ডিতসকলৰ মতে প্ৰত্যেক সাহিত্যিক-প্ৰাকৃতেই সময়ৰ লগে লগে যি সৰল ৰূপলৈ পৰিৱৰ্তিত হৈছিল, সিয়েই অপভ্রংশ। অপভ্রংশ স্তৰৰ পৰাই আধুনিক বাৰতীয় ভাষাবোৰৰ বিকাশ হৈছে। ওপৰত যি পাঁচটা সাহিত্যিক-প্ৰাকৃতৰ বিষয়ে আপুনি পঢ়ি আহিছে, সেই পাঁচটা সাহিত্যিক প্ৰাকৃতৰ পৰাই পাঁচটা অপভ্রংশৰ বিকাশ হোৱা বুলি ভবা হয়। যেনে—

মহাৰাষ্ট্ৰী প্ৰাকৃত > মহাৰাষ্ট্ৰী অপভ্রংশ
শৌৰসেনী প্ৰাকৃত > শৌৰসেনী অপভ্রংশ
মাগধী প্ৰাকৃত > মাগধী অপভ্রংশ
অৰ্ধ-মাগধী প্ৰাকৃত > অৰ্ধ মাগধী অপভ্রংশ
পৈশাচী প্ৰাকৃত > পৈশাচী অপভ্রংশ

অপভ্রংশ স্তৰটোৰ সময় ধৰা হয় খ্ৰীষ্টিয় ষষ্ঠ শতিকাৰ পৰা খ্ৰীষ্টিয় দশম শতিকা। কিন্তু অপভ্রংশ স্তৰটোৰো আকৌ দুটা ভাগ দেখুওৱা হয়— ক) প্ৰাচীন অপভ্রংশ; খ) অৰ্বাচীন অপভ্রংশ বা অৱহট্ঠ।

প্ৰকৃততে প্ৰাকৃতৰ সৃষ্টিৰ দৰেই অপভ্রংশৰো সৃষ্টি। সাহিত্যিক প্ৰাকৃতৰ দৰে ৰীতিবদ্ধ মান্যৰূপ সৃষ্টিৰ বিপৰীতে জনগণৰ দৈনন্দিন ব্যৱহাৰৰ ভাষাটোৰ কিন্তু সৰলতামুখী বিকাশ অব্যাহত আছিল। লাহে লাহে এই কথ্যৰূপটোতো প্ৰথমে লোকসাহিত্য আৰু পিচলৈ ধৰ্মীয় সাহিত্য (বিশেষতঃ জৈনধৰ্মৰ সাহিত্য)-ও সৃষ্টি হ'বলৈ ধৰে। এই প্ৰক্ৰিয়াটো সাহিত্যিক-প্ৰাকৃতৰ যুগতে চলি আছিল। সেইবাবে দণ্ডী, চণ্ড, হেমচন্দ্ৰ, মাৰ্কণ্ডেয় আদি ব্যাকৰণবিদে অপভ্রংশক এটা স্বতন্ত্ৰ প্ৰাকৃত ভাষা হিচাপে আলোচনা কৰিছে। সাহিত্যিক প্ৰাকৃতৰ দৰে এইস্তৰৰ অপভ্রংশ ভাষাও আচলতে প্ৰচলিত ভাষাৰ এটা মান্যৰূপহে; সাহিত্যিক আৰু ব্যাকৰণবিদসকলৰ সচেষ্ট নিৰ্মিতি বুলিব পাৰি। এইটোৱেই প্ৰাচীন অপভ্রংশ।

প্ৰাচীন অপভ্ৰংশত সাহিত্যাদি ৰচিত হোৱাৰ সমান্তৰালভাৱে জনসাধাৰণৰ দৈনন্দিন বাক্ ব্যৱহাৰত প্ৰচলিত ভাষাটো পুনৰ সৰল হ'ল আৰু তাতো লৌকিক গীত-পদ ৰচিত হৈছিল। এই ৰূপটোকে অৱহট্‌ঠ বোলা হৈছে। এই শব্দটো প্ৰাকৃত বা অপভ্ৰংশৰ 'বিকৃত' ৰূপক বুজাবলৈকে ব্যৱহাৰ কৰা হৈছিল। এই 'অৱহট্‌ঠ' ৰূপটোৱেই হ'ল অৰ্বাচীন অপভ্ৰংশ বা লৌকিক বা দেশী। গতিকে অপভ্ৰংশৰ সময় এনেদৰে দেখুৱাব পাৰি—

প্ৰাচীন অপভ্ৰংশ— খ্ৰীষ্টাব্দ ষষ্ঠ শতিকাৰ পৰা খ্ৰীষ্টিয় অষ্টম শতিকা

অৰ্বাচীন অপভ্ৰংশ বা অৱহট্‌ঠ— খ্ৰীষ্টাব্দ অষ্টম শতিকাৰ পৰা খ্ৰীষ্টিয় দশম শতিকা।

অপভ্ৰংশসমূহৰ ভিতৰত শৌৰসেনী অপভ্ৰংশই সৰ্বভাৰতীয় সাহিত্য চৰ্চাৰ মাধ্যম হৈ উঠিছিল। একাদশ শতিকাৰ প্ৰাকৃত বৈয়াকৰণ পুৰুষোত্তমে অপভ্ৰংশৰ তিনিটা আঞ্চলিক ৰূপ উল্লেখ কৰিছে— ক) নাগৰক; খ) ব্ৰাচড়ক; (গ) উপনাগৰক। য়াকোবি, গ্ৰীয়াৰ্ছন আদি আধুনিক পণ্ডিতেও এই বিভাজন মানি লৈছে আৰু নাগৰক, উপনাগৰক আৰু ব্ৰাচড়ক আঞ্চলিক ৰূপৰ ভৌগোলিক সম্পৰ্ক ক্ৰমে গুজৰাট, ৰাজস্থান, পাঞ্জাব আৰু সিন্ধুদেশ বুলি ভাবে।

অপভ্ৰংশ ভাষাৰ প্ৰসিদ্ধ গৱেষক G. V. Tagare-এ অপভ্ৰংশক তিনিটা আঞ্চলিক ৰূপত ভাগ কৰিছে—

পূৰ্বী — (মাগধীয় ভাষাগুচ্ছৰ বিকাশ হৈছে)

পশ্চিমী — (হিন্দী-গুজৰাটী ভাষাৰ বিকাশ হৈছে)

দক্ষিণী — (মাৰাঠী ভাষাৰ বিকাশ হৈছে)

৭.৩.৩.১ অপভ্ৰংশ ভাষাৰ সাধাৰণ বৈশিষ্ট্য

ধ্বনিগত ঃ অপভ্ৰংশ স্তৰত ধ্বনিগত পৰিৱৰ্তন ব্যাপক ৰূপত সংঘটিত হয়। এটা স্বৰৰ ঠাইত আন এটা স্বৰৰ ব্যৱহাৰ অপভ্ৰংশৰ মনকৰিবলগীয়া বিশেষত্ব।

যেনে— প্ৰাকৃততিণ > অপভ্ৰংশ. তিণ / তণু

পুট্‌ঠি > পট্‌ঠি / পিট্‌ঠি / পুট্‌ঠি

অপভ্ৰংশ স্তৰত অন্ত্যস্থানৰ ই-কাৰ আৰু উ-কাৰ অনুনাসিক হ'ল।

যেনে— ভনতি > ভণহিঁ।

অন্ত্যস্থিত দীৰ্ঘস্বৰ হ্ৰস্ব হ'ল; যেনে— কমলা > কমল, সন্ধ্যা > সঞ্ঝ, ইত্যাদি।

উ-কাৰৰ পূৰ্বৱৰ্তী ম-লোপ পালে।

যেনে— যমুনা > জউণা; দুৰ্গম > দুগ্‌গউ, ইত্যাদি।

ব্যঞ্জন ধ্বনিৰ ক্ষেত্ৰতো দেখা যায় স্বৰমধ্যৱৰ্তী -ম- > -ৱঁ- হ'ল,

যেনে— কুমৰ > কুৱঁৰ; গ্ৰাম > গাৱঁ, ইত্যাদি।

যুগ্ম ব্যঞ্জনৰ এটা লোপ আৰু তাৰ ক্ষতিপূৰণ হিচাপে পূৰ্বৱৰ্তী হ্ৰস্বস্বৰ দীৰ্ঘ হ'ল, যেনে— সহস্র > সহাস। শ, স, ষ ধ্বনি 'হ' ধ্বনিলৈ পৰিণত হোৱাৰ প্ৰৱণতা দেখা গ'ল; যেনে— এষ- > এহ-, দ্বাদশ বাৰহ, ইত্যাদি।

শব্দৰূপগত ঃ শব্দৰূপৰ পূৰ্বৰ বৈচিত্র্য নোহোৱা হ'ল, সকলো শব্দৰূপেই অ-কাৰান্ত শব্দৰ দৰে হ'ল। বিভিন্ন কাৰকত বিভক্তিৰ পৰিৱৰ্তে অনুসৰ্গৰ ব্যাপক প্ৰয়োগ হ'ল। স্ত্রীলিংগ শব্দই পুংলিংগৰ ৰূপ ল'লে, ক্লীৱলিংগ নোহোৱা হ'ল। তাতে হ্ৰস্ব-দীৰ্ঘৰ পার্থক্য নথকাত লিংগৰ পার্থক্য লোপ পালে। কেৱল ঈ-যোগেৰেও স্ত্রীলিংগ শব্দ সাধন হোৱা দেখা গ'ল। যেনে— পৃষ্ট > পুট্ঠ > স্ত্রী. পুট্ঠী

ধাতুৰূপ ঃ কাল আৰু ভাব প্ৰকাশক ল-কাৰৰ সীমিত প্ৰয়োগ অপভ্রংশৰ ধাতুৰূপৰ প্ৰধান বৈশিষ্ট্য। অপভ্রংশত ৰক্ষিত ল-কাৰ মূলত তিনিটা— লট্ (বৰ্তমান, নির্দেশক); লোট্ (অনুজ্ঞা), লৃট্ (সাধাৰণ ভৱিষ্যৎ)। ধাতুৰূপৰ বিভিন্ন বিভক্তিসমূহ হ'ল—

লট্ (কৃত্বাচ্য)

	একবচন	বহুবচন
প্রথম পুৰুষ—	ই	... হিঁ
মধ্যম পুৰুষ—	হি	... হু
উত্তম পুৰুষ—	উঁ	... হুঁ

লোট্ (কৃত্বাচ্য)

	একবচন	বহুবচন
প্রথম পুৰুষ—	উ	... ন্তু
মধ্যম পুৰুষ—	হি, সু	... হ, হু
উত্তম পুৰুষ—	মু	... ম্হ

লৃট্ (কৃত্বাচ্য)

	একবচন	বহুবচন
প্রথম পুৰুষ—	সই	... হিন্তি, হিহিঁ
মধ্যম পুৰুষ—	হিসি	... হিহ
উত্তম পুৰুষ—	হিমি	... হসুঁ, স্সহুঁ

ধাতুৰূপ

লট্ – √পুচ্ছ

	একবচন	বহুবচন
প্রথম পুৰুষ—	পুচ্ছই	... পুচ্ছহিঁ
মধ্যম পুৰুষ—	পুচ্ছহি	... পুচ্ছহু
উত্তম পুৰুষ—	পুচ্ছউঁ	... পুচ্ছহুঁ

লোট্

	একবচন	বহুবচন
প্রথম পুৰুষ—	পুচ্ছউ	... পুচ্ছন্ত
মধ্যম পুৰুষ—	পুচ্ছহি, পুচ্ছসু	... পুচ্ছহ, পুচ্ছহু
উত্তম পুৰুষ—	পুচ্ছমু	... পুচ্ছম্হ

লৃট্

	একবচন	বহুবচন
প্রথম পুৰুষ—	কৰীসই	... কৰিহিন্তি, কৰিহিহিঁ
মধ্যম পুৰুষ—	কৰিহিসি	... কৰিহিহ
উত্তম পুৰুষ—	কৰিহিমি	... কৰিস্সহুঁ, কৰীহসুঁ।



৭.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অধ্যায়টিৰ অধ্যয়নৰ শেষত আপুনি জানিব পাৰিলে যে পালি-প্রাকৃত-অপভ্রংশ ভাৰতীয় আৰ্যভাষাৰ বিকাশৰ তিনিটা ভিন্ন স্তৰ।
- পালি মূলত বৌদ্ধ ধর্মীয় সাহিত্যৰ ভাষা; ই জনসাধাৰণৰ দৈনন্দিন কথ্য-ভাষাৰ আধাৰতে বিকাশ হ'লেও এটা কৃত্রিম সাহিত্যিক ভাষা হিচাপেহে ইয়াৰ প্রচলন ব্যাপক হ'ল।
- 'প্রাকৃত' নামটোৰে মধ্যভাৰতীয় আৰ্যভাষা স্তৰৰ সুদীর্ঘ কালৰ ভাষাৰূপবোৰ সামৰি ল'লেও সাহিত্যিক-প্রাকৃত সমূহকহে বিশেষভাৱে বুজায়।
- সাহিত্যিক-প্রাকৃত প্রধানকৈ পাঁচটা— শৌৰসেনী, মহাৰাষ্ট্রী, পৈশাচী, মাগধী আৰু অর্ধমাগধী।
- অশোকৰ সময়তে স্পষ্ট হৈ উঠা আৰ্যভাষাৰ আঞ্চলিক উপভাষিক ৰূপবোৰৰ পৰাই মান্যৰূপত সাহিত্যিক-প্রাকৃত ৰূপবোৰে বিকাশ লাভ কৰে।
- সাহিত্যিক-প্রাকৃতবোৰ বৈয়াকৰণসকলে ৰীতিবদ্ধ কৰি পেলোৱাৰ বাবে আৰু সাহিত্যত সামাজিক শ্রেণী অনুসৰি চৰিত্রৰ মুখত ন ন প্রাকৃত বিকাশহীন। সেইবাবে এইবোৰ একে ৰূপতে প্রায় ছশ বছৰমান সাহিত্যত ব্যৱহাৰ হৈ আছিল।
- অপভ্রংশও প্রাকৃতৰ দৰেই বিকাশ হোৱা মধ্য ভাৰতীয় আৰ্যভাষাৰ অন্তিম স্তৰ। প্রাকৃত বা অপভ্রংশ— প্রথমে জনগণৰ দৈনন্দিন বাক্‌ব্যৱহাৰত সৰল হৈ পূর্বৰূপৰ

পৰা পৃথক হৈ পৰা ৰূপ; তাতে সাহিত্য সৃষ্টি আৰু ব্যাকৰণৰ নিয়ম নির্ধাৰণৰ পিছত সুকীয়া ভাষিক স্তৰ ৰূপে বিকাশ হয়।

- বৈদিক ভাষাৰ ধ্বনিগত বৈশিষ্ট্য, শব্দৰূপ আৰু ধাতুৰূপৰ বৈচিত্র্য আৰু জটিলতা পালি, প্রাকৃত, অপভ্রংশত ক্রমে সৰল হৈ আহিলে। এনেদৰেই আধুনিক ভাৰতীয় ভাষাবোৰৰ বিকাশ হৈছে।



৭.৫ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গোস্বামী, উপেন্দ্র নাথ (২০০০); *অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ;* গুৱাহাটী ঃ বৰুৱা এজেঞ্চি।

২) ঠাকুৰ, নগেন (১৯৯৭); *পালি-প্রাকৃত-অপভ্রংশ ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৩) শইকীয়া বৰা, লীলাৱতী, (২০০২); *সংস্কৃত, পালি-প্রাকৃত আৰু অসমীয়া ব্যাকৰণ;* গুৱাহাটী ঃ বনলতা।

বাংলা গ্রন্থ ঃ

৪) মজুমদার, পরেশচন্দ্র (১৯১৭); *সংস্কৃত ও প্রাকৃত ভাষার ক্রমবিকাশ*

৫) সেন, সুকুমার, (১৯৬৮); *ভাষার ইতিবৃত্ত*।

ইংৰাজী গ্রন্থ ঃ

৬) Pischel, R. (1981); *A Grammar of the Prakrit Language.*

৭) Sen, S. (1960) ; *A Comparative Grammar of Middle Indo Aryan.*

৭.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ সাহিত্যিক প্রাকৃতৰ চমু পৰিচয় .....সাহিত্যিক প্রাকৃতৰ পাঁচ প্রকাৰৰ উল্লেখ .....প্রত্যেকৰে দুটামান বৈশিষ্ট উল্লেখ কৰিব।



৭.৭ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ মধ্য ভাৰতীয় আৰ্যভাষাৰ পৰিচয়মূলক টোকা লিখক।

প্ৰশ্ন ২ ঃ আদি যুগ বুলি মধ্য ভাৰতীয় আৰ্য ভাষাৰ কোনটো স্তৰক বুজোৱা হৈছে? সেই স্তৰৰ ভাষা ক'ত ৰক্ষিত হৈছে?

প্ৰশ্ন ৩ ঃ 'সাহিত্যিক প্ৰাকৃত'ৰ বিষয়ে এটি সামগ্ৰিক আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৪ ঃ মধ্য ভাৰতীয় আৰ্য ভাষাৰ শেষ স্তৰ অপভ্ৰংশ আৰু অৱহট্‌ঠৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

*** ***** ***

অধ্যায় ৮ ঃ পালি ভাষাৰ সাধাৰণ বৈশিষ্ট্য

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ পালি ভাষাৰ সাধাৰণ বৈশিষ্ট্য
৮.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৫ অধিক জানিবলৈ
৮.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৮.৭ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- পালি ভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহৰ পৰিচয় লাভ কৰিব
- পালি ভাষাৰ ধ্বনিতত্ত্বৰ লগত জড়িত দিশসমূহৰ ধাৰণা লাভ কৰিব
- সংস্কৃতৰ স্বৰসমূহ পালিত কি ৰূপ পৰিগ্ৰহ কৰে তাৰ আলোচনা কৰিব পাৰিব
- পালি ভাষাৰ শব্দৰূপৰ আলোচনা কৰিব পাৰিব
- পালি ভাষাৰ ধাতুৰূপ সম্পৰ্কে জানিব পাৰিব।

৮.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় ষান্মাসিকৰ এটি অন্তৰ্গত ভাষা শাখাৰ শিক্ষাৰ্থীৰ বাবে আগবঢ়োৱা দ্বিতীয় পাঠ্যবিষয় 'পালি-প্ৰাকৃত অপভ্ৰংশ ভাষা পাঠ আৰু তুলনামূলক ব্যাকৰণ'ৰ এইটো অষ্টম অধ্যায়। ইয়াৰ শিৰোনাম 'পালি ভাষাৰ সাধাৰণ বৈশিষ্ট্য। ইতিমধ্যে ইয়াৰ পূৰ্বৰ অধ্যায়টোত মধ্যভাৰতীয় আৰ্যভাষাৰ সাধাৰণ পৰিচয় আগবঢ়োৱা হ'ল। সেই আলোচনাতে পালি ভাষাৰ উদ্ভৱস বিকাশ আৰু বৃদ্ধিৰ লগত জড়িত দিশসমূহ আলোচনা কৰা হ'ল। গতিকে এই অধ্যায়ত আমি পালি ভাষাৰ বৈশিষ্ট্যসমূহৰ আলোচনাতে আমাৰ আলোচনা সীমাবদ্ধ কৰা হৈছে।

৮.৩ পালি ভাষাৰ সাধাৰণ বৈশিষ্ট্য

ভাষা একোটাৰ উদ্ভৱপৰ্বৰ লগত নানা উত্থান-পতনৰ কথা জড়িত হৈ থাকে। ভৌতিক পাৰিপাৰ্শ্বিকতাই বোলক বা ভাষাটোৰ লগত জড়িত বৈয়াকৰণিক দিশেই নহওঁক কিয়, ভাষা একোটাৰ উদ্ভৱকালীন বেদনা বিচিত্ৰ আৰু কোনো কোনো ক্ষেত্ৰত জটিল। আহকচোন, এই প্ৰসংগতে আমি পালি ভাষাৰ বৈশিষ্ট্যসমূহত চকু ফুৰাও—

ধ্বনিতাত্ত্বিক বৈশিষ্ট্য

পালি ভাষাত সংস্কৃত, বৰ্ণমালাই ব্যৱহৃত হৈছিল যদিও সংস্কৃত ভাষাৰ স্বৰবৰ্ণ আৰু ব্যঞ্জনবৰ্ণৰ ভালেমান দিশত পৰিবৰ্তন ঘটিছিল।

স্বৰবৰ্ণ ঃ পালিত সংস্কৃতৰ চৈধ্যতা প্ৰধান স্বৰৰ ভিতৰত আঠটাৰহে ব্যৱহাৰ থাকিল। সেইকেইটা হ'ল— অ, আ, ই, ঈ, উ, ঊ, এ, ও। মাত্ৰা বা দৈঘ্যৰ ফালৰ পৰা অ, ই, উ হ্ৰস্ব আৰু আ, ঈ, ঊ দীৰ্ঘ। সংস্কৃতৰ কম্পিত ঋ, ৠ , ঌ আৰু দ্বিস্বৰ ঐ, ঔ পালিত নোহোৱা হ'ল বা অন্য স্বৰলৈ পৰিবৰ্তন হ'ল।

ঋ > অ, ই, উ, এ, ৰ, ৰি, ৰু লৈ ৰূপান্তৰ হ'ল। যেনে—

ঋ > অ, কৃত > কত
ঋ > ই, তৃণ > তিন
ঋ > উ, ঋতু > উতু
ঋ > এ, গৃহ > গেহ
ঋ > ৰ, বৃহৎ > ব্ৰহা
ঋ > ৰি, ঋণ > ৰিণ
ঋ > ৰু, বৃক্ষ > ৰুকখ

ঌ > উ, ইলি ধ্বনিলৈ ৰূপান্তৰ হ'ল।

ঐ আৰু ঔ বেছি ভাগ ক্ষেত্ৰতে 'এ' আৰু 'ও' লৈ ৰূপান্তৰ হ'ল।

যেনে— ঐ > এ, শৈল > সেল, ভৈৰৱ > ভেৰৱ
ঔ > ও, যৌৱন > যোব্বন, গৌতম > গোতম

কেতিয়াবা, ঐ > ই, ঈ, অ, আ, উ হয়—

সৈন্ধৱ > সিন্ধৱ

'অয়' আৰু 'অৱ' প্ৰায় ৰক্ষিত হৈছে যদিও কেতিয়াবা 'এ' আৰু 'ও' লৈ পৰিবৰ্তন ঘটিছে— জয়তি > জেতি
ভৱতি > ভোতি

স্বৰধ্বনিৰ উপৰিউক্ত পৰিৱৰ্তনৰ উপৰি ব্যৱহৃত আঠোটা স্বৰ কেতিয়াবা অনিয়মিত ধৰণে অন্য স্বৰলৈ ৰূপান্তৰ হোৱা দেখা যায়। যেনে—

অ >	আ,	অলিন্দ	>	আলিন্দ
	ই,	কস্য	>	কিস্‌স
	এ,	অত্ৰ	>	এত্থ, ইত্যাদি
আ >	অ	মাংস	>	মংস
ই, ঈ >	উ	শিশুক	>	সুসুকো
উ, ঊ >	অ	স্ফুৰতি	>	ফৰতি
এ >	আ	কেয়ূৰ	>	কায়ূৰ
ও >	উ	জোৎস্না	>	জুনহা, ইত্যাদি

ব্যঞ্জন ধ্বনিৰ পৰিৱৰ্তন ঃ পালিত ব্যঞ্জন বৰ্ণৰ সংখ্যা ৩১টা। সংস্কৃত ভাষাৰ শ আৰু ষ ৰ ব্যৱহাৰ পালিত লোপ পালে। যেনে—

শব্দ > সদ্দ (শ > স)

বর্ষ > বস্স (র্ষ > স)

পালিত বিসর্গৰ প্রয়োগ নাই। সংস্কৃত বিসর্গ (ঃ) পালিত বিভিন্ন ধৰণে পৰিৱর্তন হ'ল—

অ-কাৰন্ত বিসর্গ > ও-কাৰন্ত হ'ল, যেনে— নৰঃ > নৰো

'অ'ৰ বাহিৰে অন্যস্বৰৰ বিসর্গ লোপ পালে, যেন— ভিক্ষুঃ > ভিক্খু

অগ্নিঃ > অগ্গি

পালিত পৰিৱর্তন ঘটা ব্যঞ্জনধ্বনিৰ ৰূপ সাধাৰণভাৱে এনেধৰণৰ—

- পদান্ত 'ম্' অনুস্বাৰ হয়। যেনে— গৃহম্ > গেহং
  বুদ্ধম্ > বুদ্ধং
- 'ন' কেতিয়াবা 'ণ' হয়, যেনে— অৱনত > ওণত
- অনুস্বাৰৰ বাহিৰে পদান্ত ব্যঞ্জন লোপ পালে। যেনে— সম্যক > সম্মা, পশ্চাৎ > পচ্ছা
- পালিত ৰেফ (ˊ)ৰ প্রয়োগ নাই। ৰেফযুক্ত সংস্কৃত শব্দ প্রায়েই দ্বিত্ব হয়। যেনে— সর্ব > সব্ব, কার্য > কযয
- ঘোষীভৱন, অঘোষীভৱন, মহাপ্রাণতা আদি ধ্বনিগত পৰিৱর্তনৰ বাবে আদি আৰু মধ্যস্থিত একক ব্যঞ্জনৰ বিভিন্ন ধৰণৰ পৰিৱর্তন ঘটিল। যেনে—

  বিবেক > বিবেগ (-ক > -গ; ঘোষীভৱন)

  প্রাজন > পাচন (-জ > -চ-; অঘোষীভৱন)

  কুব্জ > খুব্জ (ক- > খ-; মহাপ্রাণতা)

  কৃত > কট (-ত > -ট, মূর্ধন্যীভৱন)
- শব্দৰ আদিস্থানৰ সংযুক্ত ব্যঞ্জন কেতিয়াবা ৰক্ষিত হৈছে। যেনে—
  স্বাগত > স্বাগত; ব্রাহ্মণ > ব্রাহমণ
  কেতিয়াবা স্বৰভক্তিৰে আৰু কেতিয়াবা স্বৰাগমনৰ দ্বাৰা আদিস্থিত সংযুক্ত ব্যঞ্জনক সৰল কৰা হয়— ক্লেশ > কিলেস (স্বৰভক্তি); স্ত্রী > ইত্থী (স্বৰাগম)
  আদিস্থিত 'ত্য', ধ্য, দ্য, জ্ঞ, স্থ ক্রমে চ, ঝ, জ, ঞ, থ লৈ ৰূপান্তৰ হয়। যেনে— ত্যাগঃ > চাগো; ধ্যানং > ঝানং, দ্যুতি > জুতি, জ্ঞানং > ঞানং, স্থবিৰ > থেৰ, ইত্যাদি।
- মধ্যস্থিত সংযুক্ত ব্যঞ্জন বেছিভাগ ক্ষেত্রতে সৰল হৈ পৰিল। এনে সৰলীভৱনক সমীভৱন, স্বৰভক্তি, বর্ণবিপর্যাস আদিৰে ব্যাখ্যা কৰিব পাৰি।

সমীভৱনৰ দ্বাৰা— সপ্ত > সত্ত, দুর্গত > দুগ্‌গত, ধর্ম > ধম্ম,
অগ্নি > অগ্‌গি, লগ্ন > লগ্‌গ্‌
পুষ্প > পুপ্‌ফ, হস্ত > হত্থ

বর্ণ-বিপর্যাস— তৃষ্ণা > তণ্‌হা, গ্রীষ্ম > গিম্‌হ
জিহ্বা > জিব্‌হা

-ক্ষ- > ক্‌খ/চ্ছ হয়— চক্ষু > চক্‌খু, অক্ষি > অচ্ছি ইত্যাদি

অপিনিহিতি— র্য > ৰিয়; আশ্চর্য > অচ্ছৰিয়

- অন্ত্য সংযুক্ত ব্যঞ্জনৰ ক্ষেত্রতো সমীভৱন আৰু বর্ণবিপর্যাসৰ দ্বাৰাই পৰিৱর্তন ঘটিল।

পালি ভাষাৰ সন্ধি ঃ সংস্কৃত ভাষাত ওচৰা-উচৰিকৈ থকা দুটা শব্দৰ শেষ আৰু আদি ধ্বনিৰ মিলনৰ ফলত দুয়োটা ধ্বনিৰ গুণৰ পৰিৱর্তন হৈ শব্দ দুটাৰ পৰা এটা নতুন শব্দ সৃষ্টি হোৱাকে সন্ধি বোলা হয়।



জানি থোৱা ভাল

সন্ধিক আধুনিক ভাষাবিজ্ঞানে বহুলভাৱে দুভাগত ভগাইছে— ক) বহির্সন্ধি (external sandhi); খ) অন্তর্সন্ধি (internal sandhi)। দুটা শব্দৰ মাজত হোৱা সন্ধিয়েই বহির্সন্ধি। আনহাতে ধাতু বা শব্দৰ লগত বিভক্তি বা প্রত্যয়ৰ সন্ধিয়েই অন্তর্সন্ধি।

স্বৰসন্ধি = স্বৰবর্ণ + স্বৰবর্ণ
ব্যঞ্জনসন্ধি = ব্যঞ্জনবর্ণ + ব্যঞ্জনবর্ণ বা ব্যঞ্জনবর্ণ + স্বৰবর্ণ
বিসর্গসন্ধি = বিসর্গ + স্বৰবর্ণ / ব্যঞ্জনবর্ণ

পালি ভাষাত অনুস্বাৰৰ বাহিৰে পদান্ত ব্যঞ্জন লোপ পোৱাৰ বাবে পালিত ব্যঞ্জন সন্ধি নাই। আনহাতে আৰম্ভণিতো সংযুক্ত ব্যঞ্জনৰ ব্যৱহাৰ কম। গতিকে পালি ভাষাৰ সন্ধিক এনেদৰে ভগাব পাৰি—

বহির্সন্ধি	**অন্তর্সন্ধি**
স্বৰ বহির্সন্ধি	স্বৰ অন্তর্সন্ধি
মিশ্র বা বমিস্‌সক বহির্সন্ধি	মিশ্র অন্তর্সন্ধি
অনুস্বাৰ বা নিগ্‌গহীত বহির্সন্ধি	অক্ষৰ অন্তর্সন্ধি

স্বৰ বহির্সন্ধি ঃ প্রথম শব্দৰ শেষ স্বৰ আৰু দ্বিতীয় শব্দৰ আদি স্বৰৰ সন্ধি হওঁতে কেতিয়াবা পূর্বস্বৰ লোপ পায়, কেতিয়াবা পিছৰ স্বৰো লোপ পায়। যেনে—

তথা + এৱ > তথেৱ (প্রথম স্বৰ আ-লোপ)
সো + ইমং > সোমং

কেতিয়াবা ত, দ, ন, স, ৰ, ল আদিৰ আগম হয়। যেনে—

অজ্জ + অগ্‌গে > অজ্জতগ্‌গে

ৰাজা + ইৰ > ৰাজাৰিৰ

মিশ্ৰ বা বমিস্‌সক বহির্সন্ধি ঃ প্ৰথম শব্দৰ শেষ স্বৰ আৰু পিছৰ শব্দৰ আদি ব্যঞ্জনৰ মিলন হওঁতে কেতিয়াবা হ্ৰস্বস্বৰ দীৰ্ঘ হয় বা দীৰ্ঘস্বৰ হ্ৰস্ব হয়; কেতিয়া বা স্বৰটো লোপ পায় বা স্বৰটোৰ ঠাইত 'অ' আগম হয়—

মুণি + চৰে > মুণীচৰে (ই > ঈ)

যথা + ভাৰি > যথভাৰি (আ > অ; দীৰ্ঘ > হ্ৰস্ব)

এসো + ধৰ্ম্ম > এসধম্ম (ও > অ)

অনুস্বাৰ বা নিগ্‌গহীত বহির্সন্ধি ঃ প্ৰথম শব্দৰ শেষ অনুস্বাৰ আৰু দ্বিতীয় শব্দৰ আদি স্বৰ বা ব্যঞ্জনৰ সন্ধি হওঁতে দেখা যায়—

- অনুস্বাৰৰ লগত ব্যঞ্জনৰ সন্ধিৰ ক্ষেত্ৰত অনুস্বাৰ লোপ পায় আৰু যি বৰ্গৰ ব্যঞ্জন থাকে সেই বৰ্গৰ পঞ্চম বৰ্ণৰ আগম হয়। যেনে—

  থলং + চ = থলঞ্চ ('চ' বৰ্গৰ পঞ্চম বৰ্ণ ঞ)

  কিন্তু ব্যঞ্জনটো যদি 'ল' হয়, তেন্তে আৰু এটা 'ল' আগম হয়। যেনে—

  পুং + লিংগ > পুল্লিংগ

- অনুস্বাৰৰ পাছত স্বৰবৰ্ণ থাকিলে, অনুস্বাৰৰ ঠাইত 'ম' হয় আৰু কেতিয়াবা অনুস্বাৰ লোপ পায়। যেনে— তং + এত্থং > তমত্থং, কিং + ইতি > কিন্তি

  স্বৰ অন্তর্সন্ধি আৰু মিশ্ৰ বা বমিস্‌সক অন্তর্সন্ধি সাধাৰণভাৱে বহির্সন্ধিৰ দৰেই। অৱশ্যে ইয়াৰ মাজতো দুই-এটা মৌলিক বৈশিষ্ট্য আছে।

  অন্তর্সন্ধিৰ ক্ষেত্ৰত অক্ষৰ অন্তর্সন্ধিয়েই পালি ভাষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ। অক্ষৰ সন্ধি হৈছে শব্দৰ ভিতৰৰ ধ্বনি পৰিৱৰ্তন। যেনে—

  অগ্নি > অগ্‌গি (সমীভৱন)

  জিহ্বা > জিভ্‌হা

  পুষ্প > পুপ্‌ফ আদি

পালি ভাষাৰ শব্দৰূপ ঃ পালি ভাষাৰ শব্দৰূপ সংস্কৃতৰ তুলনাত যথেষ্ট সৰল হ'ল। পালি শব্দৰূপ জানিবলৈ সংস্কৃতৰ শব্দৰূপৰ সামান্য ধাৰণা এটা কৰি লোৱা উচিত।

সংস্কৃতত এটা নামমূল বা প্ৰাতিপদিকত কাৰক, বচন আৰু লিংগ অনুযায়ী সুকীয়া সুকীয়া বিভক্তি লগ লাগে। আকৌ নামমূল বা প্ৰাতিপদিকটো স্বৰান্ত নে ব্যঞ্জনান্ত, স্বৰান্ত যদি কি স্বৰ— এই কথাৰ ওপৰতো শব্দৰূপৰ আকৃতি-প্ৰকৃতি সলনি হয়।

সংস্কৃতৰ লিংগ নিৰূপনো জটিল প্ৰক্ৰিয়া। কেতিয়াবা আকৃতি লৈ (শব্দটোৰ শেষৰ বৰ্ণ অনুসৰি), কেতিয়াবা অৰ্থ লৈ আৰু কেতিয়াবা প্ৰত্যয় লৈ লিংগ নিৰূপনৰ সুনিৰ্দিষ্ট নিয়ম আছে। যেনে ঘৈণী বুজাবলৈ সংস্কৃতত তিনিটা শব্দ আছে, প্ৰতিটোৰে লিংগ বেলেগ— ভাৰ্যা

(স্ত্রী), দাৰ (পুং), কলত্র (ক্লীৱলিংগ)। সংস্কৃতৰ বচন তিনিটা— একবচন, দ্বিবচন আৰু বহুবচন।



জানি থোৱা ভাল

সংস্কৃতৰ কাৰকবাচক বিভক্তিবোৰক সুপ বিভক্তি বোলা হয়। সাতটা কাৰকত তিনিটা বচনৰ সুকীয়া সুকীয়া বিভক্তি আছে। সেই হিচাপে সংস্কৃতত সুপ বিভক্তিৰ সংখ্যা ২১টা—

সুপ বিভক্তি	একবচন	দ্বিবচন	বহুবচন
১মা	সু	ঔ	জস্
২য়া	অম্	ঔ	শস্
৩য়া	টা	ভ্যাম্	ভিস্
৪র্থী	ঙে	ভ্যাম্	ভ্যস্
৫মী	ঙসি	ভ্যাম্	ভ্যস্
৬ষ্ঠী	ঙস্	ওম্	আম্
৭মী	ঙি	ওস্	সুপ্

গতিকে, নামশব্দ এটা ৰূপ কৰোঁতে শব্দটোৰ শেষৰ বর্ণ কি, শব্দটোৰ লিংগ কি আৰু বচন কি— এইকেইটা কথা বিবেচনা কৰিহে নির্দিষ্ট কাৰকৰ বিভক্তি লগ লগাব পাৰি। গতিকে, বুজিব পাৰি যে সংস্কৃতৰ শব্দৰূপ অত্যন্ত নিয়মবদ্ধ আৰু জটিল।

পালিত ব্যঞ্জনান্ত শব্দৰূপ নাই। স্বৰান্তৰ ভিতৰতো আকৌ ঋ-কাৰান্ত আৰু দ্বিস্বৰান্ত (ঐ/ঔ) শব্দৰূপো নাই। একেদৰে পালিত দ্বিবচন লোপ পালে, দ্বিবচনৰ ৰূপবোৰ বহুবচনৰ দৰে ৰূপ হ'ল। পালিত লিংগ নামত তিনিটাই থাকিল যদিও সংস্কৃতৰ জটিলতা বহু হ্রাস পালে। কাৰণ, পালিত লিংগ নির্ণয় প্রধানতঃ অর্থানুযায়ীহে কৰা হ'ল। সংস্কৃতৰ পুংলিঙ্গ শব্দ পালিত ক্লীৱলিংগ হ'ল আৰু ক্লীৱলিংগ শব্দ পুংলিঙ্গ হ'ল।

গতিকে পালিৰ শব্দৰূপ সংস্কৃতৰ তুলনাত যথেষ্ট পৰিমাণে সৰল হৈ পৰিল।

পালিত ই-কাৰান্ত, উ-কাৰান্ত, ও-কাৰান্ত শব্দৰূপ অ-কাৰান্ত শব্দৰ দৰেই হ'ল। উদাহৰণ স্বৰূপে, সংস্কৃতত ষষ্ঠীৰ একবচনত পুত্র, মুনি, সাধু, পিতৃ আদি অ-কাৰান্ত, ই-কাৰান্ত, উ-কাৰান্ত, ঋ-কাৰান্ত শব্দবোৰ যথাক্রমে পুত্রস্য, মুণেঃ, সাধোঃ, পিতুঃ, এনে ভিন্ন ভিন্ন ৰূপ হয়, কিন্তু পালিত অ-কাৰান্ত শব্দৰ সাদৃশ্যৰে এইবোৰ পুত্রস্স, মুণিস্স, সাধুস্স, পিতুস্স এনে ধৰণৰ হৈ পৰিল।

পালিত কেইবাটাও কাৰকত অভিন্ন বিভক্তি যোগ হোৱাত কাৰকৰ বৈচিত্র্য কমিল। কৰণ আৰু অপাদানত ৩য়া, ৫মী আৰু সম্প্রদান আৰু সম্বন্ধপদত ৪র্থী, ৬ষ্ঠী বিভক্তি একে হৈ পৰিল।

পালিৰ বিভক্তি	একবচন	বহুবচন
১মা	ও	আ, এ
২য়া	ং	এ, (য়)
৩য়	এন, ন (আ)	হি, ভি
৪র্থী	স্স (য়)	নং
৫মী	স্মা (মহা)	হি, ভি
৬ষ্ঠী	স্স (য়)	নং
৭মী	স্মিং, ম্হি (এ)	সু

পালিত সর্বনাম শব্দৰ ৰূপ তলত দেখুওৱা হ'ল ঃ

সর্বনাম শব্দৰূপৰ চানেকি

উত্তম পুৰুষ ঃ অম্হ (অস্মদ্)

	একবচন	বহুবচন
১মা—	অহং	ময়ং, অমহে
২য়া—	মং, মমং	অমহাকং, অম্হে
৩য়া—	ময়া, মে	অম্হেহি, অমহেভি
৪র্থী—	মম, মমং, মজ্ঝং, মে	অস্মাকং, অম্হাকং
৫মী—	ময়া, মে	অম্হেহি, অম্হেভি
৬ষ্ঠী—	মম, মমং, মজ্ঝং, মে	অস্মাকং, অম্হাকং
৭মী—	ময়ি	অম্হেসু

মধ্যমপুৰুষ ঃ তুম্হ (যুষ্মদ্)

	একবচন	বহুবচন
১মা—	তং, তুৱং	তুমহে
২য়া—	তং, তুৱং, তবং	তুম্হে, তুম্হাকং
৩য়া—	ত্বয়া, তয়া	তুম্হেহি, তুম্হেভি
৪র্থী—	তৱ, তমহং, তুয্ঝং, তে	তুম্হাকং
৫মী—	ত্বয়া, তয়া	তুম্হেহি, তুম্হেভি
৬ষ্ঠী—	তৱ, তুমহং, তুযঝং, তে	তুম্হাককং
৭মী—	ত্বয়ি, তয়ি	তুম্হেসু

প্ৰথম পুৰুষ ঃ ত (তদ্)

	একবচন	বহুবচন
১মা—	সো, স	তে, ণে
২য়া—	তং, ণং	তে, ণে
৩য়া—	তেণ	তেহি
৪র্থী—	তস্স	তেসং
৫মী—	তেণ	তেহি
৬ষ্ঠী—	তস্স	তেসং
৭মী—	তসমিং	তেস

পালিৰ ধাতুৰূপ ঃ শব্দৰূপৰ দৰেই ধাতুৰূপৰ ক্ষেত্ৰতো পালিভাষাৰ বিশেষত্ব বুজিবলৈ সংস্কৃত ধাতুৰূপৰ পৰিচয় নিতান্তই প্ৰয়োজনীয়।



জানি থোৱা ভাল

ধাতুৰ পিছত বিভিন্ন ক্ৰিয়া বিভক্তি যোগ হৈ বিভিন্ন বচন, পুৰুষ, কাল আৰু ভাব অনুসৰি ৰূপ হৈ ক্ৰিয়া সম্পন্ন হোৱা অৰ্থ প্ৰকাশ কৰাই ধাতুৰূপ। সংস্কৃতৰ ক্ৰিয়া বিভক্তবোৰক তিঙ্-বিভক্তি বোলা হয়। কাল আৰু ভাব অনুসৰি তিঙ-বিভক্তিবোৰক দহটা ভাগত ভগোৱা হয় (এইবোৰক ল-কাৰ বোলে)।

কাল অনুসৰি		ভাব অনুসৰি	
১)	লট্ (Present indicative)	১)	লোট (অনুজ্ঞা/imperative)
২)	লঙ্ (Past imperfect)	২)	লৃঙ (সাম্ভাব্য/conditional)
৩)	লুঙ্ (Past Aorist/সামান্য অতীত)	৩)	বিধিলিঙ (বিধি বা ইচ্ছা প্ৰকাশক/ Optative)
৪)	লিট্ (Past Perfect)	৪)	আশীলিঙ (আশীৰ্বাদসূচক Benedictive)
৫)	লৃট্ (Future or Future indicative)		
৬)	লুট্ (Future perfect)		

এই দহ প্ৰকাৰ বিভক্তি পুনৰ পৰস্মৈপদ আৰু আত্মনেপদ— দুভাগত বিভক্ত। দুয়োভাগৰে তিনিটাকৈ বচন আৰু পুৰুষ আছে। গতিকে পৰস্মৈপদ নটা আৰু আত্মনেপদ নটা, মুঠ ওঠৰটা আকৃতি আছে। পৰস্মৈপদ দহটা ল-কাৰত নৰ্ত্বেটা আৰু আত্মনেপদো দহটা ল-কাৰত নৰ্ত্বেটা ধৰি সংস্কৃতত মুঠ ক্ৰিয়া বিভক্তি এশ আশীটা।

বিভক্তি যোগ হোৱাৰ পিছত সংস্কৃতৰ ধাতুবোৰৰ আকৃতিৰ যি পৰিৱৰ্তন হয় সেই পৰিৱৰ্তনৰ ভিত্তিত ধাতুবোৰক শৃংখলাবদ্ধ কৰিবৰ বাবে কিছুমান ভাগত ভগোৱা হয়। এইবোৰকে গণ বোলা হয়। গণ-দহটা— ভ্বাদি, অদাদি, হ্বাদি, দিৱাদি, স্বাদি, তুদাদি, ৰুধাদি, তনাদি, ক্রাদি আৰু চুৰাদি।

শব্দৰূপৰ দৰে পালি ধাতুৰূপো সংস্কৃতৰ তুলনাত যথেষ্ট সৰল হ'ল। পালিৰ ধাতুৰূপত দ্বিবচন লোপ পালে। আত্মনেপদ আৰু পৰস্মৈপদৰ মাজৰ পার্থক্য হ্রাস পালে - আত্মনেপদৰ বিভক্তিৰ ঠাইত পৰস্মৈপদৰ বিভক্তি প্রয়োগ হোৱা দেখা গ'ল।

পালিত কাল আৰু ভাবপ্রকাশৰ ল-কাৰ আঠটা। সংস্কৃতৰ 'লুট্' আৰু 'আশীলিঙ' পালিত লোপ পালে।

পালিত সংস্কৃতৰ দহোটা গণৰ ঠাইত সাতোটা ৰক্ষিত হ'ল ; সংস্কৃতৰ অদাদি, তুদাদি, হ্বাদি গণীয় ধাতুবোৰ পালিত ভ্বাদিৰ দৰে ৰূপ হ'ল।

পালি তিঙ্-বিভক্তিৰ চানেকি হিচাপে লট্-ৰ পৰস্মৈপদী আৰু আত্মনেপদী বিভক্তিবোৰ দেখুওৱা হ'ল ঃ

পৰস্মৈপদ

	প্রথম পুৰুষ	**মধ্যম পুৰুষ**	**উত্তম পুৰুষ**
একবচন	তি	সি	মি
বহুবচন	অন্তি	থ	ম

আত্মনেপদ

	প্রথম পুৰুষ	**মধ্যম পুৰুষ**	**উত্তম পুৰুষ**
একবচন	তে	সে	এ
বহুবচন	অন্তে	ৱহে	ম্হে

অসমাপিকা ৰূপ ঃ পালিৰ বর্তমান কালৰ কৃদন্ত গঠনৰ প্রত্যয় চাৰিটা— শতৃ > অং, অন্ত; শানচ্ > আন, মান। পালিত অতীত কৃদন্ত গঠিত হয় ত,ন, আৰু ব্যৎ প্রত্যয়ৰ যোগত। আনহাতে ভৱিষ্যৎ কৃদন্ত গঠনৰ প্রত্যয় চাৰিটা— তব্ব, অনীয়, য্য আৰু সসং। পালিত তুমুনন্ত (নিমিত্তার্থক ক্রিয়া) গঠনৰ বাবে সংস্কৃতৰ তুমুন (তুম্) প্রত্যয়েই— তুং ৰূপে ব্যৱহাৰ হয়। অৱশ্যে-- তৱে, তুয়ে, তায়ে আদি কেইটামান অতিৰিক্ত প্রত্যয়ৰ ব্যৱহাৰো লক্ষণীয়।

তুং— ..... + তুং > কুত্তং, কাতুং



অগ্রগতি খতিয়ান

প্রশ্ন নং ১ ঃ পালিৰ ভাষাৰতাত্ত্বিক বৈশিষ্ট্য কিছুমান উল্লেখ কৰক (১৫০টা শব্দৰ ভিতৰত)



৮.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ অধ্যয়নে আমাক পালি ভাষাৰ বৈশিষ্ট্যসমূহৰ বিষয়ে জানিবলৈ সুযোগ দিলে।
- পালিত সংস্কৃতৰ চৈধ্যটা প্রধান স্বৰৰ ভিতৰত আঠটাৰহে ব্যৱহাৰ থাকিল। সেইকেইটা হ'ল— অ, আ, ইষ ঈ, উ, ঊ, এ, ও। মাত্রাৰ ফালৰ পৰা অ, ই, উ, হ্রস্ব আৰু আ, ঈ, ঊ দীর্ঘ। সংস্কৃতৰ কম্পিত ঋ, স্মৃ, ঌ আৰু দ্বিস্বৰ ঐ, ঔ পালিত নোহোৱা হ'ল বা অন্য স্বৰলৈ পৰিবর্তন হ'ল।
- পালিত ব্যঞ্জন বর্ণৰ সংখ্যা ৩১ টা। সংস্কৃত ভাষাৰ শ আৰু ষ-ৰ ব্যৱহাৰ পালিত লোপ পালে। যেনে শব্দ > সদ্দ (শ > স)
  বর্ষ > বস,ষ (ষ > স)
- পালিত ভাষাত অনুস্বৰৰ বাহিৰে পদান্ত ব্যঞ্জন লোপ পোৱাৰ বাবে পালিত ব্যঞ্জন সন্ধি নাই। আনহাতে আৰম্ভণিতো সংযুক্ত ব্যঞ্জনৰ ব্যৱহাৰ কম।
- পালিত কেইবাটাও কাৰকত অভিন্ন বিভক্তি যোগ হোৱাত কাৰকৰ বৈচিত্র্য কমিল। কাৰণ আৰু অপাদানত ৩য়া, ৫মী আৰু সম্প্রদান আৰু সম্বন্ধপদত ৪র্থী, ৬ষ্ঠী বিভক্তি একে হৈ পৰিল।



৮.৫ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) ঠাকুৰ, নগেন (১৯৯৭); *পালি-প্রাকৃত-অপভ্রংশ ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ কে. এম. পাব্লিছিং।

২) শইকীয়া বৰা, লীলাৱতী (২০০২); *সংস্কৃত-পালি-প্রাকৃত আৰু অসমীয়া ব্যাকৰণ;* গুৱাহাটী ঃ বনলতা।

বাংলা গ্রন্থ ঃ

৩) বিদ্যাসাগর, ঈশ্বরচন্দ্র (১৯৯৬); *সমগ্র ব্যাকরণ-কৌমুদী (সংশোধিত);* কলকাতা ঃ দেব সাহিত্য কুটীর প্রাঃ লিঃ।

৪) ভট্টাচার্য, দেবীদাস (১৯৬৫); *মধ্য ভারতীয় আর্যভাষা ও সাহিত্যের ভূমিকা;* গৌহাটী ঃ ওরিয়েণ্টাল বুক কোম্পানী।

৫) মজুমদাৰ, পৰেশ চন্দ্র (১৯৭১); *সংস্কৃত ও প্রাকৃত ভাষাৰ ক্রমবিকাশ* ।

ইংৰাজী গ্ৰন্থ ঃ

৬) Biswas, Sukumar (1970); *A Comparative Old Indo-Aryan Grammar;* Guwahati : Bani Prakash.

৭) Whitney, W. D. (1985); *Sanskrit Grammar;* Delhi : MBD, et al.

৮) Burrow. T. (1973); *The Sanskrit Language.*

৮.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্ৰশ্নৰ উত্তৰ ঃ পালি ভাষাৰ চমু পৰিচয় পাঠৰ আলোচনাৰ আধাৰত পালি ভাষাৰ বিবিধ ভাষাতাত্ত্বিক বৈশিষ্ট্য উদাহৰণসহ উল্লেখ কৰক।



৮.৭ আৰ্হি প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ পালি ভাষাৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্যসমূহৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন নং ২ ঃ পালি ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যসমূহৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

*** ***** ***

অধ্যায় ৯ ঃ সংস্কৃত-পালি-প্রাকৃত-অপভ্রংশৰ স্বৰধ্বনি, গুণ-বৃদ্ধি-সম্প্রসাৰণ

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ সংস্কৃত-পালি-প্রাকৃত-অপভ্রংশৰ স্বৰধ্বনি আৰু গুণ-বৃদ্ধি-সম্প্রসাৰণ

৯.৩.১ স্বৰধ্বনি

৯.৩.২ স্বৰধ্বনিৰ গুণ-বৃদ্ধি-সম্প্রসাৰণ

৯.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৫ অধিক জানিবলৈ

৯.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৯.৭ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সংস্কৃতৰ স্বৰ ধ্বনিবোৰৰ পালি-প্রাকৃত আৰু অপভ্রংশত হোৱা পৰিৱর্তনৰ বিষয়ে বিশ্লেষণ কৰি দেখুৱাব পাৰিব
- সংস্কৃত, পালি-প্রাকৃত আৰু অপভ্রংশ ভাষাত ঘটা স্বৰধ্বনিৰ গুণ-বৃদ্ধি-সম্প্রসাৰ যথাযথ ব্যাখ্যা আগবঢ়াব পাৰিব।

৯.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় যান্মাসিকৰ ভাষা শাখাৰ শিক্ষার্থীসকলৰ বাবে আগবঢ়োৱা এয়াই তৃতীয় পাঠ্যবিষয়ৰ অন্তর্গত নৱম অধ্যায়। ইতিমধ্যে আপুনি অশোকৰ অনুশাসন, ধম্মপদ সাহিতিক প্রকৃতিৰ উদাহৰণযুক্ত প্রাকৃত অপভ্রংশ ভাষাৰ সাধাৰণ বৈশিষ্ট্যসমূহ পঢ়িবলৈ পালে। এই অধ্যায়ত আপুনি প্রাচীন ভাৰতীয় আর্যভাষা, অর্থাৎ সংস্কৃত ভাষাৰ স্বৰ, স্বৰৰ গুণ, বৃদ্ধি সম্প্রসাৰণ আদি মধ্য ভাৰতীয় আর্যভাষাৰ পালি-প্রাকৃত অপভ্রংশ স্তৰত হোৱা বিবিধ প্রকাৰৰ পৰিৱর্তনৰ বিষয়ে অধ্যয়ন কৰিবলৈ পাব।

আপুনি এই কথা নিশ্চয় জানে যে ভাষাৰ গতি বোৱতি সূঁতিৰ দৰে নিত্য পৰিৱর্তনশীল। মানুহৰ মুখ বাগৰি ভাষা পৰিৱর্তনৰ মাজেৰে অগ্রসৰ হয়। ভাৰতীয় আর্যভাষাও স্বাভাৱিকতে তাৰ ব্যতিক্রম নহয়। খ্রীষ্টপূর্ব পঞ্চদশ শতিকাৰ পৰা বর্তমানলৈ এই

ভাষাৰ ইতিহাস নির্ণয়ত পণ্ডিতসকলে তিনিটা স্তৰৰ কথা লক্ষ্য কৰিছে— প্রাচীন ভাৰতীয় আর্যভাষা, মধ্য ভাৰতীয় আর্যভাষা আৰু নব্য ভাৰতীয় আর্যভাষা। ইয়াৰে খ্রীষ্টপূর্ব ষষ্ঠ শতিকাৰ পৰা খ্রীষ্টিয় নৱম-দশম শতিকালৈ এইছোৱা সময়ত ভাৰতীয় আর্যভাষাৰ যিটো ৰূপ ভাৰতত প্রচলিত হৈছিল সেই ৰূপটোকে মধ্য ভাৰতীয় আর্যভাষা আখ্যা দিয়া হৈছে। এই ভাষাৰ আদি, মধ্য আৰু অন্ত্য, অর্থাৎ পালি, প্রাকৃত আৰু অপভ্রংশ স্তৰত ধ্বনিগত দিশত যিবোৰ পৰিৱর্তনে দেখা দিছিল এইটো অধ্যায়ত সেই পৰিৱর্তনৰ দিশবোৰ মূল সংস্কৃতৰ বৈশিষ্ট্যসহ দাঙি ধৰা হ'ব। অৱশ্যে আপোনাৰ জ্ঞাতার্থে এই কথা জনাই থওঁ যে উক্ত আলোচনা আপোনাৰ পাঠ্যসূচীৰ অন্তর্ভুক্ত স্বৰ, আৰু গুণ-বৃদ্ধি-সম্প্রসাৰণৰ মাজত সীমাবদ্ধ থাকিব। আহকচোন, আমি সেইবোৰৰ প্রতিটো দিশৰে অধ্যয়ন কৰোঁ।

৯.৩ সংস্কৃত-পালি-প্রাকৃত-অপভ্রংশৰ স্বৰধ্বনি আৰু গুণ-বৃদ্ধি-সম্প্রসাৰণ

সংস্কৃতৰ সৈতে পালি-প্রাকৃত আৰু অপভ্রংশ ভাষাৰ স্বৰ, স্বৰৰ গুণ-বৃদ্ধি-সম্প্রসাৰণ আদি ধ্বনিগত দিশৰ ভালেমান পার্থক্য লক্ষ্য কৰা যায়। তলত আপোনাৰ অৱগতিৰ বাবে প্রতিটোৰে একোটি আলোচনা উদাহৰণসহ দাঙি ধৰা হৈছে।

৯.৩.১ স্বৰধ্বনি

সংস্কৃতৰ স্বৰধ্বনি ঃ সংস্কৃত ভাষাত স্বৰধ্বনিৰ সংখ্যা আছিল চৈধ্যটা। সেইকেইটা হৈছে অ, আ, ই, ঈ, উ, ঊ, ঋ, ৠ, ঌ, ৡ, এ, ও, ঐ আৰু ঔ। এইবোৰৰ ভিতৰত ঌ-ৰ ব্যৱহাৰ ধ্রুপদী সংস্কৃতত লোপ পাইছিল। আনহাতে ৯টো একমাত্র 'ক্ঌপ' ধাতুত পোৱা গৈছে। তেনেদৰে ৠ ধ্বনিও সংস্কৃতত বিশেষ ধাতুৰ শেষত আৰু কেতবোৰ শব্দ-গঠন তথা শব্দৰূপত প্রয়োগ হোৱা দেখা যায়। ঌ-ৰ প্রয়োগ সমূলি পোৱা নাযায় বাবে সংস্কৃত স্বৰধ্বনিৰ সংখ্যা তেৰটা বুলি ধৰাহে উচিত হয়। সংস্কৃত ব্যাকৰণবিদসকলে ঌ-টো মাত্র হ্রস্ব-দীর্ঘৰ সামঞ্জস্য ৰক্ষা কৰিবৰ বাবেহে বর্ণমালাত স্থান দিয়া যেন লাগে। এইখিনিতে আপুনি আৰু এটা কথা মনত ৰাখিব যে সংস্কৃতৰ প্রতিটো স্বৰেই একোটা বিশিষ্ট ধ্বনি বা বর্ণ। কাৰণ এই বর্ণবোৰৰ লিখিত ৰূপ আৰু উচ্চাৰণৰ কোনো পার্থক্য নাই।

ধ্বনিগুণ, মাত্রা, ওঁঠ আৰু জিভাৰ কলন আৰু উৎস অনুসাৰে সংস্কৃতৰ স্বৰধ্বনিসমূহক তলত দিয়া ধৰণে শ্রেণীবিভাগ কৰিব পাৰি—

- ঐতিহাসিক দৃষ্টিকোণৰ পৰা—
  - ক) সৰল বা বিশুদ্ধ স্বৰ ঃ অ আ ই ঈ উ ঊ;
  - খ) দ্বিস্বৰ বা যৌগিক স্বৰ ঃ
    - অ) বিশুদ্ধ দ্বিস্বৰ ঃ ঐ ঔ;
    - আ) একক যেন লগা দ্বিস্বৰ ঃ এ ও;
  - গ) কম্পিত বা তৰল স্বৰ ঃ ঋ ৠ ঌ ৡ;

- মাত্রা বা দৈর্ঘৰ ফালৰ পৰা— হ্রস্ব ঃ অ ই উ ঋ ঌ ঐ ঔ;
  দীর্ঘ ঃ আ ঈ ঊ ৠ ঌ এ ও

হ্রস্ব স্বৰবোৰত এক মাত্রা আৰু দীর্ঘ স্বৰবোৰত দুই মাত্রা থাকে। আকৌ লিখিত ৰূপত নাথাকিলেও, সংস্কৃত ব্যাকৰণবোৰত তিনি মাত্রিক প্লুত স্বৰবো উল্লেখ পোৱা যায়। সাধাৰণতে দূৰত থকা কাৰোবাক মাতোতে বা গীত আদি গাওঁতে এই স্বৰৰ উচ্চাৰণ হয়।

- স্বৰ ধ্বনিৰ উচ্চাৰণত বায়ু-প্রবাহ মুখ বিৱৰৰ কোনো স্থানত সম্পূর্ণৰূপে বাধাপ্রাপ্ত নহয়। মাত্র কেতবোৰ স্বৰৰ উচ্চাৰণত উচ্চাৰণ-কৰণ উচ্চাৰণ-স্থানৰ ওচৰ চাপি যায়। সেই হেতুকে স্বৰধ্বনিবোৰক অনিয়ত ধ্বনি আখ্যা দিয়া হৈছে। যি উচ্চাৰণ-স্থানৰ কায চাপে সেই স্থান অনুসাৰে স্বৰধ্বনিবোৰক তলত দিয়া ধৰণে শ্রেণী বিভাগ কৰা হৈছে—

কণ্ঠ্য ঃ অ আ
তালব্য ঃ ই ঈ
ঔষ্ঠ্য ঃ উ ঊ
মূর্ধন্য ঃ ঋ ৠ
দন্ত্য ঃ ঌ
কণ্ঠ্য-তালব্য ঃ এ ঐ
কণ্ঠৌষ্ঠ্য ঃ ও ঔ

একে উচ্চাৰণ-স্থানৰ পৰা সমশক্তিৰে উচ্চাৰিত ধ্বনি বা বর্ণবোৰক সবর্ণ বোলা হয়, যেনে— অ আ ই ঈ। আনহাতে ভিন্ন উচ্চাৰণ-স্থানৰ পৰা উচ্চাৰিত ধ্বনিবোৰ অসবর্ণ, যেনে— অ ই উ ইত্যাদি।

সংস্কৃত স্বৰবোৰৰ প্রতিটোৰে একোটা নাসিক্য ৰূপো পোৱা যায়। এই ফালৰ পৰা স্বৰধ্বনিবোৰৰ দুটা ভাগ পোৱা যায়— অনুনাসিক আৰু অননুনাসিক বা সাধাৰণ।

সাম্প্রতিক কালৰ ভাষাবিজ্ঞানীসকলে ওঁঠৰ সঞ্চালন আৰু জিভাৰ অংশ তথা কলন অনুযায়ী স্বৰধ্বনিৰ যি ভাগ কৰিছে, সেই অনুসাৰে সংস্কৃতৰ সৰল আৰু দ্বিস্বৰবোৰক তলত দিয়া ধৰণে তালিকাভুক্ত কৰি দেখুৱাব পাৰি—

জিভাৰ উচ্চতা আৰু মুখ বিৱৰৰ বিস্তৃতি অনুযায়ী	জিভাৰ অংশ আৰু ওঁঠৰ অৱস্থান অনুসৰি			
	অগ্র বা সন্মুখ/বিবৃতোষ্ঠ্য		মূলীয় বা পশ্চ/সংবৃতৌষ্ঠ্য	
	হ্রস্ব	দীর্ঘ	হ্রস্ব	দীর্ঘ
উচ্চ / সংবৃত	ই	ঈ	উ	ঊ
উচ্চ মধ্য / অর্ধ সংবৃত		এ		ও
নিম্ন / বিবৃত			অ	আ
যৌগিক বা দ্বিস্বৰ	ঐ		ঔ	

পালি-প্রাকৃত-অপভ্রংশৰ স্বৰধ্বনি ঃ আপোনাৰ জ্ঞাতার্থে জনাওঁ যে মধ্য ভাৰতীয় আর্যভাষাক পণ্ডিতসকলে তিনিটা সুস্পষ্ট স্তৰত ভাগ কৰিছে ঃ আদি, মধ্য আৰু অন্ত্য। ইয়াৰে আদি স্তৰটোক প্রতিনিধিত্ব কৰিছে যথাক্রমে প্রাকৃত আৰু অপভ্রংশ ভাষাই। এই তিনিওটা স্তৰৰ স্বৰধ্বনিৰ বিষয়ে তলত আলোচনা কৰা হৈছে। আপুনি সেইখিনি আয়ত্ব কৰিবলৈ যত্ন কৰক।

এইখিনিতে এটা কথা মনত ৰাখি থওক যে পালি-প্রাকৃত-অপভ্রংশ ভাষাৰ স্বৰধ্বনিৰ উৎস হৈছে সংস্কৃত ভাষাৰ স্বৰধ্বনি। ওপৰৰ আলোচনাত আপুনি পাই আহিছে যে সংস্কৃততে চৈধ্যতা স্বৰধ্বনিৰ উল্লেখ থাকিলেও, প্রায়োগিকভাৱে তেৰটা স্বৰধ্বনিহে পোৱা গৈছে। এই তেৰটা স্বৰধ্বনিৰ পালি-প্রাকৃত-অপভ্রংশত মাত্র আঠোটাহে ৰক্ষিত হৈছে। এই আঠোটা স্বৰ হৈছে— অ আ ই ঈ উ ঊ এ ও। ইয়াৰে মাত্রাৰ ফালৰ পৰা অ ই উ হ্রস্ব আৰু আ ঈ ঊ দীর্ঘ ধ্বনি। আকৌ এ ও সংবৃত হিচাপে উচ্চাৰিত হ'লে হ্রস্বৰূপে আৰু বিবৃত হ'লে দীর্ঘৰূপে উচ্চাৰিত হয়। উচ্চাৰণৰ স্থান অনুসাৰে অ আ কণ্ঠ্য, এ কণ্ঠ্য তালব্য আৰু ও কণ্ঠৌষ্ঠ্য। ওঁঠৰ সঞ্চালন আৰু জিভাৰ কলন অনুসাৰে পালি-প্রাকৃত-অপভ্রংশৰ স্বৰধ্বনিসমূহক তলত দিয়া ধৰণে ফলা কৰি দেখুৱাব পাৰি—

ওঁঠৰ সঞ্চালন, জিভাৰ উচ্চতা আৰু মুখ বিৱৰৰ বিস্তৃতি অনুযায়ী	জিভাৰ অংশ আৰু ওঁঠৰ অৱস্থান অনুসৰি			
	অগ্র বা সন্মুখ/বিবৃতোষ্ঠ্য		মূলীয় বা পশ্চ/সংবৃতৌষ্ঠ্য	
	হ্রস্ব	দীর্ঘ	হ্রস্ব	দীর্ঘ
উচ্চ / সংবৃত	ই	ঈ	উ	ঊ
উচ্চ মধ্য / অর্ধ সংবৃত	এ		ও	
নিম্ন / বিবৃত			অ	আ

সংস্কৃতৰ ঋ পালি-প্রাকৃত-অপভ্রংশত সম্পূর্ণৰূপে লোপ পাইছে। আনহাতে ঋ ৯ আৰু যৌগিক বা দ্বিস্বৰ ঐ ঔ অন্য স্বৰধ্বনিলৈ পৰিৱর্তিত হৈছে। ঋ কেতিয়াবা ৰ-ও হৈছে। তলত তাৰ আভাস দাঙি ধৰা হৈছে। এই ক্ষেত্রত আলোচনা চমুৱাবলৈ কেইটামান সংক্ষিপ্ত ৰূপ ব্যৱহাৰ কৰা হৈছে। সেইখিনি আপুনি ভালদৰে বুজি পোৱাৰ যত্ন কৰিব, যেনে— পা = পালি, প্রা = প্রাকৃত, শৌ = শৌৰসেনী প্রাকৃত, মহা = মহাৰাষ্ট্রী প্রাকৃত, মা = মাগধী প্রাকৃত, অপ = অপভ্রংশ, ইত্যাদি।

সংস্কৃতৰ ঋ ধ্বনিৰ পালি-প্রাকৃত-অপভ্রংশত হোৱা পৰিৱর্তন —

ঋ > অ ঃ কৃত > কত (পা); কট, কঅ (প্রা), কদ (শৌ)

ঋ > ই ঃ ঋষি > ইসি, তৃণ > তিন (পা), ইসি, তিণ (প্রা);

ঋ > উ ঃ ঋজু > উজু (পা, প্রা, অপ)

ঋ > এ ঃ গৃহ > গেহ (পা, প্রা), গৃহ প্রাকৃততে 'ঘৰহ' ৰূপেও পোৱা যায়, অপভ্রংশত তাৰ পৰা 'ঘৰ' হৈছে।

ঋ > ৰ ঃ বৃহন্ত > ব্রহা, ব্রহন্ত (পা); বৃক্ষ > ব্রচ্ছ (প্রা);

ঋ > ৰি ঃ ঋদ্ধি > ৰিদ্ধি (পা, প্রা), ঋণং > ৰিণং (প্রা);

ঋ > ৰু ঃ বৃক্ষ > ৰুক্খ (পা), ৰুচ্ছ (মাহা);

৯ > উ ঃ ক্৯প্ত > কুত্ত (পা), ৯ > ইলি ঃ কিলিত্ত (প্রা); ক্৯প্ত কেতিয়াবা পালি-প্রাকৃততে কপ্প হৈছে।

পালি-প্রাকৃত-অপভ্রংশত সংস্কৃতৰ দ্বিস্বৰৰ পৰিৱর্তন ঃ সংস্কৃতৰ যৌগিক বা দ্বিস্বৰ ধ্বনিৰ পালি-প্রাকৃত-অপভ্রংশত তলত দিয়া ধৰণে পৰিৱর্তিত হৈছে—

ঐ > এ ঃ শৈল, ৱৈৰ > সেল, ৱেৰ (পা, প্রা);

ঐ > অই ঃ চৈত্র > চইত্ত (পা, প্রা), কৈতৰ > কইঅৰ (প্রা), ৱৈৰী > ৱইৰি (অপ);

ঔ > ও ঃ যৌৱন > যোব্বন (পা), জোব্বণ (প্রা);

ঔ > অউ ঃ যৌৱন > জউঅণ (প্রা)

ঐ আৰু ও-ৰ পিছত সংযুক্ত ব্যঞ্জন থাকিলে যথাক্রমে ঐ > ই, ঈ আৰু ঔ > উ হয়, যেনে— সৈন্ধৱ > সিন্ধৱ (পা, প্রা), ধৈযর্ম্ > ধীৰং (পা, প্রা); মৌক্তিকম্ > মুত্তিকং (পা), মুত্তিঅং (প্রা), মুত্তিদং (শৌ)। মন কৰিবলগীয়া যে পালিত ঔ কেতিয়াবা অ, আ-ৰূপেও প্রয়োগ হৈছে, যেনে— গৌৰৱম্ > গাৰৱং (পা), সৌম্য > সম্ম (পা)।

সংস্কৃতৰ দ্ব্যক্ষৰ ধ্বনি অয় আৰু অৱ পালি ভাষাত কাশ্চিৎ ৰক্ষিত হৈছে যদিও প্রায় ক্ষেত্রতে যথাক্রমে এ আৰু ও-লৈ পৰিৱর্তিত হৈছে। প্রাকৃত অপভ্রংশতো এ আৰু ও ৰূপেই পোৱা গৈছে, যেনে—

অয় > এ ঃ জয়তি > জয়তি, জেতি (পা), জেই (প্রা), নয়তি > নেতি (পা), নেদি, নেই (প্রা);

অৱ > ও ঃ লৱনম্ > লোণং, ভৱতি > ভৱতি, ভোতি (পা), ভোতি, ভোদি, ভোই, হোই, (প্রা, অপ)।

৯, ঋ আৰু দ্বিস্বৰ ধ্বনিকেইটাক বাদ দি বাকী যি আঠটা স্বৰ পালি-প্রাকৃত-অপভ্রংশত অৱশিষ্ট থাকিল সেইকেইটাও প্রায়ে বিভিন্ন প্রকাৰৰ পৰিৱর্তনৰ মাজেৰে ব্যৱহাৰ হ'বলৈ ধৰিলে। শ্বাসাঘাত, স্বৰ-সংগতি, ধ্বনি-বিপর্যয়, অপিনিহিতি, সমীভৱন, মাত্রা, স্বৰ-সংকোচন, ইত্যাদি কাৰণত পালি-প্রাকৃত-অপভ্রংশ ভাষাত এটা স্বৰৰ ঠাইত আন এটা স্বৰৰ ব্যৱহাৰে এক বিশেষ ধ্বনিগত বৈশিষ্ট্যৰূপে দেখা দিলে, যেনে— অ > আ; অলকা > আলকা (পা), সমৃদ্ধি > সামিদ্ধী (প্রা); আ > অ; লাসিকা > লসিকা (পা), যথা > জহ (প্রা), সঞ্চৰিতা > সংচৰিঅ (অপ); অ > ই চন্দ্রমা > চন্দিমা (পা), পক্ক > পিক্ক (প্রা) ইত্যাদি। অপভ্রংশত এটা স্বৰৰ ঠাইত আন এটা স্বৰৰ ব্যৱহাৰৰ উপৰি স্বৰ-সংকোচন ঘটা, অর্থাৎ কেইবাটাও স্বৰ লগ লাগি এটা হোৱাৰ প্রৱণতা গা কৰি উঠে, যেনে— কলহকাৰিণী > কলহআৰিণী > কলহাৰিণি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সংস্কৃত আৰু পালি-প্রাকৃত ভাষাৰ স্বৰধ্বনিৰ দুখন তালিকা প্রস্তুত কৰক আৰু দুয়োটা ভাষাৰ স্বৰধ্বনি-সমূহৰ তুলনা দাঙি ধৰক। (১৫০টা শব্দৰ ভিতৰত)

৯.৩.২ স্বৰধ্বনিৰ গুণ-বৃদ্ধি-সম্প্রসাৰণ

সংস্কৃত ভাষাত মূল শব্দ বা ধাতুত প্রত্যয় বা বিভক্তি সংযোগ কৰি নতুন শব্দ নির্মাণ কৰোঁতে সুৰাঘাত বা শ্বাসাঘাতৰ স্থান পৰিৱর্তনৰ ফলত তেনে শব্দ বা ধাতুত থকা অ ই ঈ, উ ঊ, ঋ, ঌ — এই সৰল স্বৰকেইটাৰ গুণগত পৰিৱর্তন ঘটে। সংস্কৃত ব্যাকৰণবিদসকলে স্বৰৰ এনে গুণগত পৰিৱর্তনৰ তিনিটা ক্রম লক্ষ্য কৰিছে — গুণ, বৃদ্ধি আৰু সম্প্রসাৰণ। উদাহৰণস্বৰূপে কৃ ধাতুৰ পৰা যথাক্রমে কৰণ, কাৰণ আৰু কৃত — এই তিনিটা ভিন্ন ৰূপৰ সৃষ্টি হৈছে। কৃ ধাতুৰ পৰা সৃষ্টি হোৱা এই তিনিটা শব্দৰ অর্থগত ভিন্নতা আছে। এনেদৰে পৰিৱর্তিত হোৱা ধাতু বা শব্দমূলৰ নাইবা ধাতু বা শব্দমূলৰ সৈতে যোগ হোৱা প্রত্যয় তথা বিভক্তিৰ মূল স্বৰধ্বনি প্রথম ক্রমত অবিকৃত থাকে বা একে ধৰণৰ অন্য ধ্বনিলৈ পৰিৱর্তিত হয়, দ্বিতীয় ক্রমত সেই স্বৰধ্বনি দীর্ঘ হয় আৰু তৃতীয় ক্রমত সেই ধ্বনি লোপ পায় বা ক্ষয়িত হয়। এই ক্রম তিনিটাই হ'ল গুণ, বৃদ্ধি আৰু সম্প্রসাৰণ। ওপৰৰ কৃ ধাতুৰ উদাহৰণটোত একে মূলৰ পৰা উৎপন্ন হোৱা সত্ত্বেও, প্রথমটোত ঋ স্বৰ 'অৰ্' হৈছে, দ্বিতীয়টোত 'আৰ্' হৈছে আৰু তৃতীয়টোত ঋ অবিকৃত ৰূপত ৰৈ গৈছে। সংস্কৃত ব্যাকৰণবিদসকলৰ মতে ইয়াৰে প্রথমটো গুণ, দ্বিতীয়টো বৃদ্ধি আৰু তৃতীয়টো ক্ষয়িত বা ব্যাকৰণৰ পৰিভাষাত সম্প্রসাৰণ।

স্বৰধ্বনিৰ এনে গুণ, বৃদ্ধি, সম্প্রসাৰণ মূলতঃ শ্বাসাঘাতৰ স্থান-পৰিৱর্তনৰ ওপৰত নির্ভৰশীল। ধাতু বা শব্দমূলৰ লগত প্রত্যয় বা বিভক্তিৰ সংযোগ ঘটি নতুন শব্দ গঠিত হোৱাৰ ফলত শ্বাসাঘাতৰ স্থান সলনি হয়। এনে নতুন শব্দত শ্বাসাঘাত শব্দ বা ধাতুৰ স্বৰত নাইবা প্রত্যয় বা বিভক্তিৰ স্বৰত পৰিব পাৰে। শ্বাসাঘাতৰ স্থান সলনি হোৱাৰ ফলত স্বৰৰ গুণগত পৰিৱর্তন ঘটে। ধাতু আৰু শব্দমূলৰ উপৰি সংস্কৃত ভাষাৰ স্বৰসন্ধিৰ ক্ষেত্রতো এনে গুণ-বৃদ্ধি ঘটা দেখিবলৈ পোৱা যায়। তলত তিনিওটাৰ চমু আভাস দাঙি ধৰা হৈছে।

গুণ ঃ সংস্কৃত ভাষাত গুণ বা গুণিত স্বৰ পাঁচোটা— অ এ ও অৰ্ অল্। অ অবিকৃতভাৱে থাকি গ'লে, ই ঈ > এ উ, উ > ও, ঋ > জ অৰ আৰু ঌ > অল্ হোৱাকে স্বৰৰ গুণ আখ্যা দিয়া হয়। সাধাৰণতে স্বৰৰ গুণ বুলিলে ওপৰত উল্লেখ কৰা বাকীকেইটা স্বৰৰ আগত 'অ' এটা যোগ হোৱা বুজায়। অর্থাৎ অ + ই/ঈ =

এ, অ + উ / ঊ = ও, অ + ঋ অৰ্, অ + ঌ = অল্ এনেদৰে স্বৰ গুণিত হয়। নৰ + ইন্দ্ৰ = নৰেন্দ্ৰ —এই উদাহৰণটোত নৰ শব্দৰ অ-ৰ লগত ইন্দ্ৰ শব্দৰ ই যোগ হৈ অ + ই = এ হৈছে। এই এ মূল স্বৰ নহয়; বৰং অ + ই-ৰ সংযোগত হোৱা গুণিত স্বৰহে। অৱশ্যে সংস্কৃত ব্যাকৰণত 'অ' এটা যোগ হোৱা নিয়মৰ উল্লেখ নাই। আৱশ্যক অনুযায়ী ই ঈ-ৰ ঠাইত এ, উ ঊ-ৰ ঠাইত ও, ঋ ৠ-ৰ ঠাইত অৰ্ আৰু ঌ-ৰ ঠাইত অল্ হৈ স্বৰবৰ্ণৰ পৰিৱৰ্তন হোৱাকে গুণ বুলি কোৱা হৈছে। সাধাৰণতে স্বৰসন্ধি আৰু ধাতুত কৃৎ প্ৰত্যয় সংযোজিত হ'লে অন্ত্য বা উপধা অক্ষৰৰ স্বৰত এনে পৰিৱৰ্তন দেখা দিয়ে। তলত সংস্কৃতৰ গুণিত স্বৰৰ কেইটিমান উদাহৰণ দাঙি ধৰা হ'ল—

অ > অ ঃ দহ্ + ক্ত = দগ্ধ
গম্ + তব্য = গন্তব্য

ই > এ ঃ তৰ + ইচ্ছা = তৰেচ্ছা
ছিদ্ + নিচ্ + তি = ছেদয়তি

উ > ও ঃ চন্দ্ৰ + উদয়ঃ = চন্দ্ৰোদয়ঃ
ৰোহ্ + নিচ্ + তি = ৰোহয়তি

ঋ > অৰ্ ঃ কৃ + অনট্ = কৰণ
মৃ + অনট্ = মৰণ

ঌ > অল্ ঃ তৰ + ঌ কাৰঃ = তৰলকাৰঃ।

সাধাৰণতে সন্ধিৰ ফলত বা শব্দ বা ধাতু ৰূপৰ ফলত শ্বাসাঘাতৰ যি স্থানচ্যুতি ঘটে তাৰ পৰিণতি কল্পে স্বৰৰ এনে পৰিৱৰ্তন সংঘটিত হয়। গুণিত স্বৰক সবল স্বৰ বোলা হয়।

বৃদ্ধি ঃ অ-ৰ ঠাইত আ, ই/ঈ-ৰ ঠাইত ঐ, উ/ঊ-ৰ ঠাইত ঔ, ঋ/ৠ-ৰ ঠাইত আৰ্ আৰু ঌ-ৰ ঠাইত আল্ হোৱাকে স্বৰৰ বৃদ্ধি আখ্যা দিয়া হয়। অৰ্থাৎ গুণিত স্বৰৰ দৰে বৃদ্ধি স্বৰৰ সংখ্যাও পাঁচটা। প্ৰকৃতপক্ষে গুণ স্বৰৰ আগত এটা অ স্বৰ বৰ্ধন হিচাপে যোগ হোৱাকে বৃদ্ধি স্বৰ বোলা হয়, যেনে অ + অ = আ, অ + এ = ঐ, অ + ও = ঔ, অ + অৰ্ = আৰ্ আৰু অ + অল্ = আল্। এইবোৰৰ ভিতৰত অল্ আল্ হোৱা উদাহৰণ সুলভ নহয়। তলত বৃদ্ধি স্বৰৰ কেইটামান উদাহৰণ দাঙি ধৰা হৈছে —

অ > আ ঃ পদ + ঘঞ্ = পাদ
পঠ্ + নিচ্ + তি = পাঠয়তি

ই > ঐ ঃ শিৱ্ + ষ্ণ (ষ্ণ বা ষণ্) = শৈৱ
বিষ্ণু + ষ্ণ (ষ্ণ বা ষণ্) = বৈষ্ণৱ

উ > ঔ ঃ কুৰু + ষ্ণ (ষ্ণ বা ষণ্) = কৌৰৱ
স্তু + তি = স্তৌতি

ঋ > আৰ্ ঃ কৃ + ণ্যৎ = কার্য

কৃ + থুল = কাৰক ইত্যাদি

স্বৰৰ গুণ যিদৰে আৱশ্যক অনুসাৰেৰে হয়, একেদৰে বৃদ্ধিও আৱশ্যক অনুসাৰেই হয়। স্বৰৰ বৃদ্ধিৰো প্রধান কাৰণ শ্বাসাঘাতৰ স্থান-পৰিৱর্তন।

সম্প্রসাৰণ ঃ মূল শব্দ বা ধাতুৰ স্বৰৰ গুণগত পৰিৱর্তনৰ ক্ষয়িত ৰূপক সম্প্রসাৰণ আখ্যা দিয়া হৈছে। সাধাৰণতে মূল শব্দ বা ধাতুত প্রত্যয় যোগ হ'লে শব্দ বা ধাতুত থকা য়, ৱ, ৰ, ল যথাক্রমে ই, উ, ঋ, ঌ হয় তেতিয়া তাক স্বৰৰ সম্প্রসাৰিত ক্রম বা সম্প্রসাৰণ বোলা হয়। যেনে—

য় > ই ঃ যজ্ + ক্তিন্ = ইষ্টিঃ

ৱ > উ ঃ ৱচ্ + ক্ত = উক্ত

ৰ > ঋ ঃ প্রচ্ছ্ + ক্ত = পৃষ্টঃ ইত্যাদি। ল > ঌ হোৱাৰ উদাহৰণ পোৱা নাযায়।

য় আৰু ৱ অর্ধ ব্যঞ্জন হ'লেও এই দুটা ধ্বনি ক্রমে ই আৰু উ-লৈ ৰূপান্তৰিত হওঁতে ব্যঞ্জনৰ ঠাইত স্বৰৰ ধ্বনিগুণ লাভ কৰে। একেদৰে ৰ আৰু ল যদিও ব্যঞ্জন ধ্বনি এই দুই ধ্বনি যথাক্রমে ঋ আৰু ঌ-লৈ পৰিৱর্তন হওঁতে অর্ধ ব্যঞ্জনৰ গুণ লাভ কৰে; অর্থাৎ ৰ + ই = ৰি, ল + ই = লি — প্রথমে ব্যঞ্জন তাৰ পিছত স্বৰ এনে ধৰণে উচ্চাৰিত হয়।

পালি-প্রাকৃত-অপভ্রংশত স্বৰৰ গুণ-বৃদ্ধি-সম্প্রসাৰণ ঃ সংস্কৃতৰ কেতবোৰ বিশেষ ধাতুৰূপত হোৱা স্বৰৰ গুণ আৰু বৃদ্ধি ৰক্ষিত হোৱাৰ বাহিৰে পালি-প্রাকৃত-অপভ্রংশ স্তৰত সাধাৰণভাৱে স্বৰৰ গুণ-বৃদ্ধি নাই বুলিব পাৰি। কিন্তু সম্প্রসাৰণ এই স্তৰৰ ভাষাৰ এক বিশেষ বৈশিষ্ট্য। পালি-প্রাকৃত-অপভ্রংশ স্তৰত সংস্কৃতৰ বর্তমান কালৰ ধাতুৰূপৰ গুণিত স্বৰ আৰু ণিজন্ত ধাতুৰূপৰ বৃদ্ধি স্বৰ কিছু পৰিমাণে ৰক্ষিত হৈছে, যেনে —

সং হস্তি (√ হস্ + তি) > হসতি (পা), হসই (প্রা), হসদি (শৌ)

সং চলতি (√ চল্ + তি) > চলই (পা, প্রা)।

এই দুয়োটা উদাহৰণৰ আৰম্ভণিৰ 'অ' (হ + অ, চ + অ) গুণিত স্বৰ আৰু ই পালি-প্রাকৃত স্তৰত সংৰক্ষিত হছে।

বর্ধিত ক্রম ঃ সং হাসয়তি > হাসেতি (পা), হাসেই (প্রা)

সং চালয়তি > চালেতি (পা), চালেই (প্রা)

সং কাৰয়তি > কাৰেতি (পা), কাৰেই (প্রা) ইত্যাদি

সম্প্রসাৰিত ক্রম ঃ মধ্য ভাৰতীয় আর্যভাষাত সম্প্রসাৰিত ক্রমৰ বহুল ব্যৱহাৰ লক্ষ্য কৰিব পাৰি। এই স্তৰৰ ভাষাত সংস্কৃতত ঋ আৰু ঌ লুপ্ত হোৱাত তাৰ পৰা ৰ আৰু ল হোৱা নিয়মো লোপ পায়। ইয়াত মাত্র য় আৰু ৱ ক্রমে ই/ঈ আৰু উ/ঊ হোৱা নিয়ম ৰক্ষিত হ'ল। তাৰ বাহিৰেও সংস্কৃতৰ দ্ব্যক্ষৰ ধ্বনি অয় আৰু অৱ পালি-প্রাকৃতত ক্ষয়িত হৈ ক্রমে এ আৰু ও হ'ল। তলত সেইবোৰৰ উদাহৰণ দাঙি ধৰা হৈছে।

য় > ই / ঈ ঃ ব্যতিক্রম > বীতিক্কম (পা)
ব্যতিহাৰ > বীতিহাৰ (পা)
ব্যূহ > তীহ (পা)
তির্যক > তিৰিক্খ (প্রা)
ব্যঞ্জন > বিঅন (প্রা) ইত্যাদি

ৱ > উ/ঊ ঃ শ্বন > সূন (পা), সূণ (প্রা)
দ্বিতীয় > দুতিয় (পা)
দ্বিবিধ > দুবিধ (পা)
দ্বাদশ > দুৱাদস (প্রা)
ত্বৰিত > তুৰিঅ (প্রা) ইত্যাদি।

অয় > এ ঃ জয়তি > জেতি (পা), জেই (প্রা), জেদি (শৌ) কথয়তি > কথেতি (পা), কথেই (প্রা), কধেদি (শৌ) নয়তি > নেতি (পা), নেই (প্রা), নেদি (শৌ) ইত্যাদি।

অৱ > ও ঃ ভৱতি > ভোতি, হোতি (পা), হোই (প্রা), হোদি (শৌ) অৱধি > ওধি (পা) অৱনত > ওণত (প্রা) ইত্যাদি



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ সংস্কৃতৰ স্বৰধ্বনিৰ গুণ-বৃদ্ধি-সম্প্রসাৰণ সম্বন্ধে এটি আলচ দাঙি ধৰক আৰু পালি-প্রাকৃতৰ সৈতে তাৰ এটি তুলনা দাঙি ধৰক। (১৫০টা শব্দৰ ভিতৰত)



৯.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ পৰা আমি গম পালো যে সংস্কৃত ভাষাত স্বৰধ্বনিৰ সংখ্যা আছিল ৯ ৰ বাদে তেৰটা
- সংস্কৃতৰ তেৰটা স্বৰধ্বনিৰ ঠাইত পালি-প্রাকৃত অপভ্রংশত মাত্র আঠোটাহে ৰক্ষিত হৈছে।
- সংস্কৃত ভাষাত মূল শব্দ বা ধাতুত প্রত্যয় বা বিভক্তি সংযোগ কৰি নতুন শব্দ নির্মাণ কৰোঁতে সুৰাঘাত বা শ্বাসাঘাতৰ স্থান পৰিৱর্তনৰ ফলত স্বৰৰ গুণ, বৃদ্ধি আৰু সম্প্রসাৰণ হৈছিল।
- পালি-প্রাকৃত অপভ্রংশ স্তৰত সাধাৰণভাৱে স্বৰৰ গুণ-বৃদ্ধি নাই বুলিব পাৰি। কিন্তু সম্প্রসাৰণ এই স্তৰৰ ভাষাৰ এটা বিশেষ বৈশিষ্ট্য।



৯.৫ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) ঠাকুৰ, নগেন (১৯৯৩); *প্রাকৃত সাহিত্য চয়ন;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

২) ঠাকুৰ, নগেন (১৯৮৯); *প্রাকৃত সাহিত্যৰ অধ্যয়ন;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৩) ঠাকুৰ, নগেন (১৯৯৭); *পালি-প্রাকৃত-অপভ্রংশ ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ কে. এম. পাব্‌লিছিং।

৪) শইকীয়া বৰা, লীলাৱতী (২০০২); *সংস্কৃত-পালি-প্রাকৃত আৰু অসমীয়া ব্যাকৰণ;* ডিব্রুগড়, গুৱাহাটী ঃ বনলতা।

বাংলা গ্রন্থ ঃ

৫) বন্দ্যোপাধ্যায়, ধীরেন্দ্র নাথ (১৯৮৮); *সংস্কৃত সাহিত্যের ইতিহাস;* কলকাতা ঃ পশ্চিমবঙ্গ রাজ্য পুস্তক পর্ষদ।

৬) বসু, শঙ্করীপ্রসাদ (১৯৯৯); *বিদ্যাপতি ও চণ্ডীদাস;* কলকাতা ঃ দে'জ পাব্লিকেশ্যন।

৭) বিদ্যাসাগর, ঈশ্বরচন্দ্র (১৯৯৬); *সমগ্র ব্যাকরণ-কৌমুদী (সংশোধিত);* কলকাতা ঃ দেব সাহিত্য কুটীর প্রাঃ লিঃ।

৮) ভট্টাচার্য, দেবীদাস (১৯৬৫); *মধ্য ভারতীয় আর্যভাষা ও সাহিত্যের ভূমিকা;* গৌহাটী ঃ ওরিয়েণ্টাল বুক কোম্পানী।

ইংৰাজী গ্রন্থ ঃ

৯) Biswas, Sukumar (1970); *A Comparative Old Indo-Aryan Grammar;* Pathsala, Guwahati : Bani Prakash.

১০) Kale, M. R. (Ed.) (1969); *The Abhijnana Sakuntalam of Kalidasa.* Delhi : MBD.

১১) Keith, A. B. (1973); *A History of Sanskrit Literature;* Oxford UP, Delhi : et al.

১২) Macdonell, A. A. (1988); *A Sanskrit Grammar for Students;* Delhi : MBD.

১৩) Mishra, Harimohan (1989); *"Kirtilata"*, *in Encyclopaedia of Indian Literature*, Vol-3, Ed. by Amaresh Dutta, Delhi : Sahitya Academi.

১৪) Whitney, W. D. (1985); *Sanskrit Grammar;* Delhi : MBD, et al.

১৫) Winternitz, M. (1985); *History of Indian Literature;* Vol-II (trns. in Eng. by Subhadra Jha), Delhi : MBD.

৯.৬ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃ সংস্কৃত আৰু পালি-প্রাকৃত ভাষাৰ স্বৰধ্বনিৰ দুখন তালিকা প্রস্তুত কৰি দুয়োটা ভাষাৰ স্বৰধ্বনিসমূহৰ তুলনা দাঙি ধৰিব লাগিব।

২ নং প্রশ্নৰ উত্তৰ ঃ সংস্কৃত স্বৰধ্বনিৰ গুণ-বৃদ্ধি সম্প্রসাৰণ সম্বন্ধে আলোচনা কৰি পালি-প্রাকৃতত সেইবোৰৰ কেনে ধৰণৰ পৰিবর্তন সংঘটিত হৈছে তাৰ বিৱৰণ দিব লাগিব



৯.৭ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ সংস্কৃতত স্বৰধ্বনিৰ সংখ্যা কেইটা আৰু কি কি? পালি-প্রাকৃতত সেইবোৰৰ কিমানটা ৰক্ষিত হৈছে? দুখন তালিকা কৰি সংস্কৃত আৰু পালি-প্রাকৃতৰ স্বৰধ্বনিৰ তুলনা কৰি দেখুৱাওক।

প্রশ্ন ২ ঃ সংস্কৃতৰ ঋ, ঐ, ঔ, অয়, অৱ-ৰ পালি-প্রাকৃতত সেইবোৰ কিমান দূৰ ৰক্ষিত হৈছে বিচাৰ কৰক।

প্রশ্ন ৩ ঃ সংস্কৃত স্বৰধ্বনিৰ গুণ-বৃদ্ধি-সম্প্রসাৰণ সম্বন্ধে আলোচনা কৰি পালি-প্রাকৃতত সেইবোৰ কিমানদূৰ ৰক্ষিত হৈছে বিচাৰ কৰক।

*** ***** ***

অধ্যায় ১০ ঃ সংস্কৃত-পালি-প্রাকৃত-অপভ্রংশৰ ব্যঞ্জনধ্বনি, সংযুক্ত ব্যঞ্জনধ্বনি, সন্ধি

অধ্যায় গাঁথনি

10.1 উদ্দেশ্য

10.2 পৰিচয়

10.3 সংস্কৃত-পালি-প্রাকৃত-অপভ্রংশৰ ব্যঞ্জনধ্বনি, সংযুক্ত ব্যঞ্জন, সন্ধি

10.3.1 ব্যঞ্জনধ্বনি

10.3.2 সংযুক্ত ব্যঞ্জন

10.3.3 সন্ধি

10.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

10.5 অধিক জানিবলৈ

10.6 অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

10.7 আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সংস্কৃত ব্যঞ্জন ধ্বনিবোৰৰ পালি-প্রাকৃত আৰু অপভ্রংশত হোৱা পৰিবর্তনৰ বিষয়ে বিশ্লেষণ কৰি দেখুৱাব পাৰিব
- সংস্কৃতৰ সংযুক্ত ব্যঞ্জনধ্বনিৰ পালি-প্রাকৃত অপভ্রংশত ঘটা পৰিবর্তনৰ দিশবোৰ বিশ্লেষণ কৰিব পাৰিব
- সংস্কৃত-পালি-প্রাকৃত অপভ্রংশ ভাষাৰ সন্ধিৰ বিষয়ে সম্যক ধাৰণা আগবঢ়াব পাৰিব।

১০.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় ষান্মাসিকৰ ভাষা শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা এইখন তৃতীয় পাঠ্যবিষয়। এই অধ্যায়টোৰ শিৰোনাম 'সংস্কৃত-পালি-প্রাকৃত-অপভ্রংশৰ ব্যঞ্জনধ্বনি, সংযুক্ত ব্যঞ্জন, সন্ধি'। আহকচোন, মধ্যভাৰতীয় আর্য ভাষাৰ স্তৰত সংস্কৃত ভাষাৰ ব্যঞ্জনধ্বনিৰ কেনে ধৰণৰ পৰিবর্তন হৈছিল তাক আলোচনা কৰো।

১০.৩ সংস্কৃত-পালি-প্রাকৃত-অপভ্রংশৰ ব্যঞ্জনধ্বনি, সংযুক্ত ব্যঞ্জন, সন্ধি

১০.৩.১ ব্যঞ্জনধ্বনি

সংস্কৃত ব্যঞ্জনধ্বনি ঃ সংস্কৃত ভাষাত প্রধান ব্যঞ্জনধ্বনিৰ সংখ্যা তেত্ৰিশ টা। সেইবোৰ হৈছে ক, খ ,গ, ঘ, ঙ, চ, ছ, জ, ঝ, ঞ, ট, ঠ, ড, ঢ, ণ, ত, থ, দ, ধ, ন, প, ফ, ব, ম, য, ৰ, ল, ৱ, শ, ষ, স, হ। সংস্কৃতত ইয়াৰ প্ৰতিটোৱেই একোটা বিশিষ্ট্য ধ্বনি বা বৰ্ণ। আন কথাত সংস্কৃতত উচ্চাৰিত ধ্বনি আৰু বৰ্ণ বা আখৰৰ মাজত কোনো পাৰ্থক্য নাই। এই প্ৰধান ব্যঞ্জনকেইটাৰ উপৰি সংস্কৃতত আৰু কেইটামান ব্যঞ্জনৰ প্ৰয়োগ আছে। সেইকেইটা হৈছে অনুস্বাৰ (ং), বিসৰ্গ (ঃ), চন্দ্ৰবিন্দু (ঁ), ড়, ঢ়, ক্ষ আৰু ৎ। সংস্কৃত ব্যাকৰণবিদসকলে অনুস্বাৰ আৰু বিসৰ্গক 'অযোগৱাহ বৰ্ণ' আখ্যা দিছে। ইহঁত অযোগ, অৰ্থাৎ বৰ্ণমালাত উল্লেখ নাই; কিন্তু ৱাহ, অৰ্থাৎ ব্যৱহাৰ আছে। সাধাৰণতে অন্ত্য ম্-ৰ সলনি অনুস্বাৰ (ং) আৰু অন্ত্য স্ বা ৰ্-ৰ সলনি বিসৰ্গ (ঃ)-ৰ প্ৰয়োগ হোৱা দেখা যায়। একোটাহঁত বৰ্ণৰ উচ্চাৰণ অনুনাসিক গুণসম্পন্ন কৰিবলৈ চন্দ্ৰবিন্দু (ঁ) ব্যৱহাৰ কৰা হয়। শ্ৰুতি-সংস্থানৰ ফালৰ পৰা বিসৰ্গ হ'ল অঘোষ হ।

সংস্কৃত ভাষাৰ লিখিত ৰূপত ড় ঢ় ক্ষ ৎ-ৰ ব্যৱহাৰ দেখা গ'লেও, ইহঁত বিশিষ্ট ব্যঞ্জন ধ্বনি নহয়। মূৰ্ধণ্য স্পৰ্শ ড আৰু ঢ ধ্বনি দুটা স্বৰৰ মাজত ব্যৱহাৰ হ'লে সিহঁত ড় আৰু ঢ়-ৰূপে উচ্চাৰিত হয়। ক্ষ প্ৰকৃততে ক্ আৰু ষ্-ৰ সংযুক্ত ৰূপহে। ৎ-টোক ত-ৰ খণ্ড ৰূপ বুলি বা হলন্ত ৰূপ বুলি গণ্য কৰা হয়। মুঠতে পাণিনি প্ৰমুখ্যে সংস্কৃত ব্যাকৰণবিদসকলে উল্লেখ নকৰা অথচ ভাষাটোত ব্যৱহাৰ হৈ থকা এই ধ্বনিকেইটাৰ বাহিৰে বাকী তেত্ৰিশটা ব্যঞ্জন ধ্বনি বা বৰ্ণক উচ্চাৰণৰ স্থান আৰু উচ্চাৰণৰ ধৰণ অনুসাৰে ছটাকৈ ভাগত শ্ৰেণীবিভাগ কৰিব পাৰি ঃ

উচ্চাৰণৰ স্থান অনুসাৰে ঃ ঔষ্ঠ্য, দন্ত্য, মূৰ্ধন্য, তালব্য, কণ্ঠ্য, বা পশ্চ তালব্য, আৰু কণ্ঠনালীয়। উচ্চাৰণৰ ধৰণ অনুসাৰে ঃ স্পৰ্শ, নাসিক্য, উষ্ম, পাৰ্শ্বিক, কম্পিত আৰু অৰ্ধ ব্যঞ্জন।

তলত সংস্কৃত ব্যঞ্জন ধ্বনিবোৰ স্থান আৰু ধৰণ অনুসাৰে তালিকা কৰি দেখুওৱা হ'ল—

উচ্চাৰণৰ স্থান		ঔষ্ঠ্য		দন্ত্য		মূৰ্ধন্য		তালব্য		কণ্ঠ্য বা পশ্চ তালব্য		কণ্ঠনালীয়	
উচ্চাৰণৰ ধৰণ		অঘোষ	ঘোষ	অঘোষ	ঘোষ	অঘোষ	ঘোষ	অঘোষ	ঘোষ	অঘোষ	ঘোষ	অঘোষ	ঘোষ
স্পৰ্শ	অল্পপ্ৰাণ	প	ব	ত	দ	ট	ড	চ	জ	ক	গ		
	মহাপ্ৰাণ	ফ	ভ	থ	ধ	ঠ	ঢ	ছ	ঝ	খ	ঘ		
নাসিক্য			ম		ন		ণ		ঞ		ঙ		
উষ্ম			স		য		শ					হ	

পার্শ্বিক			ল									
কম্পিত					ৰ							
অর্ধ-স্বৰ	ৱ						য়					

ঐতিহাসিক দিশৰ পৰা অথবা মূল উৎসৰ ওপৰত ভিত্তি কৰি সংস্কৃতৰ ব্যঞ্জন ধ্বনিবোৰক দুটা বহল ভাগত ভগোৱা হৈছে। এই ভাগ দুটা হৈছে — মুখ্য ব্যঞ্জন ধ্বনি আৰু গৌণ ব্যঞ্জন ধ্বনি। যিবোৰ ব্যঞ্জন ধ্বনি মূল ইণ্ডো-ইউৰোপীয় ভাষাৰ পৰা কোনো ধৰণৰ পৰিৱৰ্তন নোহোৱাকৈ সংস্কৃত ভাষালৈ আহিছে সেইবোৰ মুখ্য ব্যঞ্জন ধ্বনি। ক-বৰ্গৰ পাঁচটা, ত-বৰ্গৰ পাঁচটা, প-বৰ্গৰ পাঁচটা আৰু ল, স, য়, ৱ — এই ধ্বনিকেইটা মুখ্য ধ্বনি। আনহাতে, যিবোৰ ধ্বনি মূল ইণ্ডো-ইউৰোপীয়ৰ পৰা পোনে পোনে নাহি ধ্বনিগত পৰিৱৰ্তনৰ মাজেৰে সংস্কৃতত নতুনকৈ গঢ় লৈছে অথবা আন কোনো ভিন্ন উৎসৰ পৰা আহি সংস্কৃতত ব্যৱহাৰ হৈছে, সেইবোৰ গৌণ ব্যঞ্জন ধ্বনি। সংস্কৃতৰ তালব্য চ-বৰ্গৰ ধ্বনিকেইটা, মূর্ধন্য বৰ্গৰ ধ্বনিকেইটা, তালব্য উষ্ম শ, মূর্ধন্য উষ্ম ষ আৰু কণ্ঠনালীয় উষ্ম হ ধ্বনিক গৌণ ধ্বনি বোলা হৈছে।

পালি-প্রাকৃত-অপভ্রংশৰ ব্যঞ্জনধ্বনি ঃ পালি ভাষা আৰু অশোকৰ অনুশাসনত প্রয়োগ হোৱা ভাষাৰ পৰা অপভ্রংশ স্তৰৰ ভাষাৰূপলৈ লক্ষ্য কৰিলে দেখা যায় এই সুদীর্ঘ পৰিক্রমাত প্রাচীন ভাৰতীয় আর্যভাষাৰ বা আন কথাত সংস্কৃত ভাষাৰ ন ণ আৰু শ স ষ —এই পাঁচটা ধ্বনিৰ বাহিৰে বাকী আঠাইশটা ব্যঞ্জন পালি-প্রাকৃত-অপভ্রংশ স্তৰত প্রায় একে ধৰণে ৰক্ষিত হৈছিল। অশোক-অনুশাসন আৰু পালি কিছু প্রাচীন স্তৰৰ হোৱা হেতুকে এই দুই ভাষাৰূপত সংস্কৃতৰ দন্ত্য আৰু মূর্ধন্য দুয়োটা নাসিক্য ব্যঞ্জন (ন আৰু ণ) পোৱা গৈছে। কিন্তু পৈশাচী আৰু অর্ধ মাগধীৰ বাহিৰে বাকীকেইটা প্রাকৃতত অকল ণ-ৰ প্রয়োগ পোৱা গৈছে। অশোকৰ অনুশাসনত শ ষ স — এই তিনিওটা উষ্ম ধ্বনি এৰা-ধৰাকৈ ব্যৱহাৰ হৈছিল। কিন্তু মাগধীৰ বাহিৰে আন প্রাকৃত আৰু পালিত অকল স-ৰ প্রয়োগ পোৱা যায়। আনহাতে মাগধীত শ-ৰ ব্যৱহাৰ পোৱা গৈছে।

উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসৰি পালি-প্রাকৃতৰ ব্যঞ্জন ধ্বনিসমূহক এনেদৰে তালিকাভুক্ত কৰিব পাৰি —

উচ্চাৰণৰ স্থান		ওষ্ঠ্য		দন্ত্য		মূর্ধন্য		তালব্য		কণ্ঠ্য বা পশ্চ তালব্য		কণ্ঠনালীয়	
উচ্চাৰণৰ ধৰণ		অঘোষ	ঘোষ	অঘোষ	ঘোষ	অঘোষ	ঘোষ	অঘোষ	ঘোষ	অঘোষ	ঘোষ	অঘোষ	ঘোষ
স্পর্শ	অল্পপ্রাণ	প	ব	ত	দ	ট	ড	চ	জ	ক	গ		
	মহাপ্রাণ	ফ	ভ	থ	ধ	ঠ	ঢ	ছ	ঝ	খ	ঘ		
নাসিক্য			ম		ন		ণ		ঞ		ঙ		
উষ্ম					স			শ(মা)					হ

পার্শ্বিক				ল								
কম্পিত						ৰ						
অর্ধ-স্বৰ		ৱ							য়			

ওপৰৰ তালিকাখনৰ পৰা আপুনি এই কথা নিশ্চয় বুজিব পাৰিছে যে য-ৰ বাহিৰে সংস্কৃত ভাষাৰ অন্য বত্রিশটা ব্যঞ্জন ধ্বনি পালি-প্রাকৃত-অপভ্রংশ ভাষাত ৰক্ষিত হৈছে। অৱশ্যে এইবোৰ সংস্কৃতৰ দৰে সকলো অৱস্থানতে একে ৰূপত ব্যৱহাৰ হোৱা নাই। উদাহৰণস্বৰূপে পালি-প্রাকৃত-অপভ্রংশত ঙ ধ্বনিৰ ব্যৱহাৰ আদি অৱস্থানত পোৱা নাযায়। মধ্য আৰু অন্ত্য অৱস্থানতো ম ধ্বনি অনুস্বাৰ (ং)-ৰূপেহে পোৱা গৈছে। আকৌ অপভ্রংশত পদৰ মাজত আৰু শেষত ম অনুনাসিকৰূপে উচ্চাৰিত হৈছিল। য় পালি-প্রাকৃতত ৰক্ষিত হৈছে; কিন্তু মাগধী ভিন্ন আন প্রাকৃতত ই প্রায়ে জ-ত পৰিণত হৈছে। একেদৰে ৱ পালি-প্রাকৃতত পোৱা গৈছে; আনহাতে, অপভ্রংশ স্তৰত ৱ প্রায়ে উ-লৈ ৰূপান্তৰিত হৈছিল, যেনে— স্বভাৱ > সহাউ, উৎসৱ > উচ্ছউ। ইয়াৰ উপৰি সংস্কৃতৰ পৰা অহা আৰু ওপৰৰ তালিকাখনত উল্লেখ হোৱা প্রায়বোৰ ব্যঞ্জন ধ্বনিৰ পালি-প্রাকৃত-অপভ্রংশ স্তৰত সঘোষীভৱন, অঘোষীভৱন, মহাপ্রাণীকৰণ, অল্পপ্রাণীকৰণ, লোপ, নাসিক্যীভৱন, উষ্মীভৱন ইত্যাদি ধ্বনি-পৰিৱর্তনৰ নানান প্রক্রিয়াৰ ফলত ব্যাপক পৰিৱর্তন সংঘটিত হৈছে। পালি মধ্য ভাৰতীয় আর্যভাষাৰ আদি স্তৰৰ ভাষা হোৱা হেতুকে পালি ভাষাত পৰিৱর্তনৰ হাৰ আপেক্ষিকভাৱে কম। কিন্তু প্রাকৃত-অপভ্রংশ স্তৰত এইবোৰৰ বিশেষকৈ স্বৰ মধ্যস্থিত ব্যঞ্জন ধ্বনিবোৰৰ যথেষ্ট পৰিৱর্তন ঘটা পৰিলক্ষিত হয়। তলত আপোনাৰ সুবিধার্থে তাৰ কিছু উদাহৰণ দাঙি ধৰা হ'ল—

- শৌৰসেনী ভিন্ন অন্য প্রাকৃতত স্বৰ মধ্যৱর্তী অসংযুক্ত ক গ চ জ ত দ প ব আদি অল্পপ্রাণ ধ্বনি লুপ্ত হৈছে। এই বৈশিষ্ট্যটো মাহাৰাষ্ট্রী প্রাকৃতৰ এক বিশিষ্ট লক্ষণ ৰূপে চিহ্নিত। শৌৰসেনীত বর্গৰ প্রথম ধ্বনিৰ ঠাইত তৃতীয় ধ্বনি হৈছে, যেনে— কৃত > কদ, প্রাকৃত > পাউদ আদি। মাহাৰাষ্ট্রী প্রাকৃতত স্বৰ মধ্যৱর্তী ব্যঞ্জনৰ লোপৰ হেতু এই প্রাকৃত বিশেষভাৱে গীত আৰু কবিতাৰ ভাষা হিচাপে ব্যৱহৃত হৈছিল।
- স্বৰ মধ্যৱর্তী মহাপ্রাণ খ ঘ থ ধ ফ ভ ধ্বনিৰ প্রায়ে হ-লৈ পৰিৱর্তন, যেনে— কথং > কহং, শাখা > সাহা, সাধু > সাহু, শেফালিকা > সেহালিআ ইত্যাদি।
- স্বৰ মধ্যস্থিত প কেতিয়াবা ব-লৈ ৰূপান্তৰিত হৈছে, যথা— শপথ > সবহ।
- মাগধী আৰু পৈশাচী প্রাকৃতত ৰ প্রায়ে ল হৈছে, যেনে কুম্ভীৰক > কুম্ভীলআ, ভাসুৰঃ > ভাশুলে (মা), তৰুণী > তলুণী (পৈশাচী)।
- মহাপ্রাণ ধ্বনি যদিও সাধাৰণতে হ-লৈ ৰূপান্তৰিত হৈছে, কেতিয়াবা কিন্তু হ ওলোটা প্রক্রিয়াৰে ধ হোৱাও দেখা যায়, যেনে— দাহ > দাধ।

- শ ষ স মাগধী ভিন্ন অন্য প্রাকৃতত স হয়; মাগধীত শ হয়, যেনে— শিষ্য > সিস্, প্রশীদন্তু > পশীদন্তু (মা)। আকৌ শ ষ স কেতিয়াবা ছ হোৱাও দেখা যায়, যেনে— সুধা > ছুহা, ষষ্ঠ > ছট্ঠ ইত্যাদি।
- সংস্কৃতত প্রয়োগ হোৱা মূর্ধন্য তাড়িত ড় আৰু ঢ় পালি-প্রাকৃত-অপভ্রংশত পাবলৈ নাই; এই দুই ধ্বনিৰ ঠাইত সাধাৰণতে ড আৰু ঢ হয়।
- পালি-প্রাকৃত-অপভ্রংশ স্তৰত বিসর্গ (ঃ)-ৰ প্রয়োগ নাই। অন্ত্য অৱস্থানৰ বিসর্গযুক্ত অ (অঃ) ইয়াত সাধাৰণতে ও হয়; মাগধী প্রাকৃতত কিন্তু এ হয়, যেনে— এষঃ > এসো, ভর্তৃকঃ > ভস্টকে (মা)। অন্য স্বৰৰ সৈতে বিসর্গ যুক্ত হ'লে অকল বিসর্গৰ লোপ হয়, যেনে— দেৱেভিঃ > দেৱেহি। পদৰ মাজত বিসর্গ থাকিলে পৰৱর্তী ব্যঞ্জন দ্বিত্ব হয়, যেনে— দুঃখ > দুক্খ, দুঃসহ > দুস্সহ
- সংস্কৃতৰ অন্ত্য ব্যঞ্জন পালি-প্রাকৃত-অপভ্রংশত লুপ্ত হৈছে; তাৰ ঠাইত অন্ত্য স্বৰ দীর্ঘ হৈছে বা কেতিয়াবা অনুস্বাৰ (ং) হৈছে, যেনে— তাবৎ > তাব, তৎ > তা, মনস্ > মনং, ইত্যাদি।
- শ্বাসাঘাতৰ ফলত কেতিয়াবা স্বৰ মধ্যৱর্তী ব্যঞ্জনৰ দ্বিত্ব হৈছে, যেনে— তৈল > তেল্ল, যৌৱন > জোব্বণ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সংস্কৃত আৰু পালি-প্রাকৃতৰ ব্যঞ্জন ধ্বনিসমূহৰ একোখনকৈ তালিকা কৰি দুয়োটাৰে তুলনা কৰি দেখুৱাওক। [150টা শব্দৰ ভিতৰত)

১০.৩.২ সংযুক্ত ব্যঞ্জন

সংস্কৃত ভাষাত বিবিধ প্রকাৰৰ সংযুক্ত ব্যঞ্জনৰ ব্যৱহাৰ আছে। এনে ব্যঞ্জনৰ সংখ্যা তিনিকুৰিৰো অধিক। শব্দৰ আদি, মধ্য আৰু অন্ত্য —এই তিনিওটা অৱস্থানতে এই সংযুক্ত ব্যঞ্জনবোৰ প্রয়োগ পোৱা যায়। পূর্বৰ আলোচনাৰ পৰা আপুনি নিশ্চয় গম পাইছে যে পালি-প্রাকৃত-অপভ্রংশত সংস্কৃতৰ এই সংযুক্ত ব্যঞ্জনবোৰ বিভিন্ন প্রক্রিয়াৰে পৰিৱর্তনৰ মাজেৰে আহি প্রয়োগ হৈছে। পৰিৱর্তনৰ এনে প্রক্রিয়াবোৰৰ ভিতৰত সমীভৱন, বিষমীভৱন, ধ্বনি-বিপর্যয়, লোপ, সম্প্রসাৰণ, অপিনিহিতি, স্বৰভক্তি বা বিপ্রকর্ষ আদি উল্লেখযোগ্য। এইবোৰৰ ভিতৰতো আকৌ পালি-প্রাকৃত স্তৰত সমীভৱনে সংযুক্ত ব্যঞ্জনৰ পৰিৱর্তনত ব্যাপক ভূমিকা লৈছে।

আদি অৱস্থানৰ সংযুক্ত ব্যঞ্জন ঃ সংস্কৃত শব্দৰ আদি অৱস্থানত থকা সংযুক্ত ব্যঞ্জন পালি-প্রাকৃত-অপভ্রংশত ঘাইকৈ তিনিটা প্রক্রিয়াৰে পৰিৱর্তিত হৈছিল —

1) সংযুক্ত ব্যঞ্জনৰ যি কোনো এটাৰ, সাধাৰণতে প্রথমটো লোপ পায়;

2) সংযুক্ত ব্যঞ্জনৰ আগত এটি স্বৰৰ আগম হয়; আৰু

3] স্বৰভক্তিৰ দ্বাৰা সংযুক্ত ব্যঞ্জন একক ব্যঞ্জনলৈ ৰূপান্তৰিত হয়।

লোপৰ ফলত হোৱা পৰিৱর্তন ঃ

জ্ঞ > ঞ	ঃ	জ্ঞাতি > ঞাতি (পা)
জ্ঞ > ণ	ঃ	জ্ঞাত্বা > ণচ্চা (প্রা)
জ্য > জ	ঃ	জ্যোৎস্না > জোণ্হা (পা, প্রা)
প্র > প	ঃ	প্রাকৃত > পাউঅ (প্রা)
শ্র > স	ঃ	শ্রেষ্ঠ > সেট্ঠ (পা, প্রা)
শ্ম > ম	ঃ	শ্মশান > মসান (পা), মসাণ (প্রা)
স্ত > থ	ঃ	স্তুপ > থূপ (পা), থূঅ (থূঅ)
স্থ > থ	ঃ	স্থূল > থূল (পা, প্রা)
স্ন > ণ	ঃ	স্নেহ > ণেহ
ক্ষ > খ, ছ, ঝ	ঃ	ক্ষেমঃ, ক্ষমঃ, ক্ষামঃ > খেমো, ছণো (খনো), ঝাম (পা); ক্ষয়, ক্ষীণ > খঅ, খয়, ছীণ, ঝীণ (প্রা)

আগমৰ ফলত হোৱা পৰিৱর্তন ঃ আদি অৱস্থানত থকা সংযুক্ত ব্যঞ্জনৰ আগত স্বৰধ্বনি সংযোগ হোৱাকে আগম বা আদি স্বৰাগম বোলা হয়। পালি-প্রাকৃত-অপভ্রংশত আগমৰ ফলত হোৱা পৰিৱর্তনৰ উদাহৰণ বৰ বেছি পোৱা নাযায়। এই ক্ষেত্রত সংস্কৃত 'স্ত্রী' শব্দটোৰ পৰিৱর্তনৰ কথা উল্লেখ কৰিব পাৰি। এই শব্দটো পালি-প্রাকৃত-অপভ্রংশ স্তৰত 'ইত্থী' ৰূপত পোৱা যায়।

স্বৰভক্তিৰ ফলত হোৱা পৰিৱর্তন ঃ পদ মধ্যৱর্তী সংযুক্ত ব্যঞ্জনৰ মাজত একোটা স্বৰধ্বনি সুমুৱাই সংযুক্ত ব্যঞ্জন দুটা একক ব্যঞ্জনলৈ পৰিৱর্তিত কৰা প্রক্রিয়াৰ নাম স্বৰভক্তি বা বিপ্রকর্ষ। সংযুক্ত ব্যঞ্জনৰ মাজত একোটা স্বৰধ্বনি সোমাই তাক ভাঙি একক ব্যঞ্জনত পৰিণত কৰা হেতুকে এই প্রক্রিয়াক মধ্য স্বৰাগমো বোলা হয়। পালি-প্রাকৃতত তাৰ উদাহৰণ কেতবোৰ হ'ল, যেনে —

ম্লান > মিলান (পা), মিলাণ (প্রা)

ক্লেশ > কিলেস (পা, প্রা)

স্নেহ > সিণেহ (পা, প্রা)

ক্লিন্ন > কিলিন্ন (পা) ইত্যাদি

সমীভৱনৰ ফলত হোৱা পৰিৱর্তন ঃ শব্দ একোটাত ওচৰা-উচৰিকৈ থকা দুটা ভিন্ন ধ্বনিৰ এটাৰ প্রভাৱত আনটোৱে সমৰূপতা লাভ কৰা প্রক্রিয়াকে সমীভৱন বোলা

হয়। পূর্বৱর্তী ধ্বনিৰ প্রভাৱত পৰৱর্তী ধ্বনি সমীভূত হ'লে প্রগত সমীভৱন, পৰৱর্তী ধ্বনিয়ে পূর্বৱর্তী ধ্বনিৰ সমৰূপতা আনিলে পৰাগত সমীভৱন আৰু দুয়োৰে পাৰস্পকি প্রভাৱত দুয়োটা ভিন্ন ধ্বনিত পৰিণত হ'লে পাৰস্পৰিক বা অন্যোন্য সমীভৱন হোৱা বুলি কোৱা হয়। সাধাৰণতে সবল ব্যঞ্জনৰ লগত তুলনামূলকভাৱে দুর্বল ব্যঞ্জন যুক্ত হ'লে দুর্বল ব্যঞ্জন লুপ্ত হয় আৰু তাৰ ঠাই সবল ব্যঞ্জনে অধিকাৰ কৰে। ভাষা একোটাৰ ক্ষেত্রত স্পর্শ ব্যঞ্জনসমূহ আটাইতকৈ সবল ধ্বনি। তাৰ তুলনাত নাসিক্য ব্যঞ্জনবোৰ কিছু দুর্বল; আনহাতে তাতোকৈও দুর্বল পাশ্বিক ল, কম্পিত ৰ আৰু য়, ৱ। পালি-প্রাকৃত-অপভ্রংশ স্তৰত আদি সংযুক্ত ব্যঞ্জনৰ সমীভৱনৰ উদাহৰণ আপেক্ষিকভাৱে তাকৰ। আদি সংযুক্ত ব্যঞ্জনৰ এটা লোপ হোৱাটোৱেই তাৰ ঘাই কাৰণ। তলত তেনে সমীভৱনৰ উদাহৰণ দাঙি ধৰা হ'ল।

স্ন > ণ্হ ঃ স্নান > ণ্হান (পা, প্রা)
স্থ > ট্ঠ ঃ স্থিত > ট্ঠিঅ (প্রা)
স্থান > ঠান (পা), ট্ঠাণ (প্রা)

কেতিয়াবা স্বৰভক্তিৰ ফলত সংযুক্ত ব্যঞ্জনটো সৰলীকৃত হৈ দুটা পৃথক অক্ষৰ ৰূপে ব্যৱহৃত হয়। এনে প্রক্রিয়াত সমীভৱনেও ক্রিয়া কৰে। যেনে— ক্লিষ্ট > কিলিট্ঠ।

মধ্য অৱস্থানৰ সংযুক্ত ব্যঞ্জন ঃ সংস্কৃতৰ প্রায়ভাগ পদ-মধ্যস্থিত সংযুক্ত ব্যঞ্জন ধ্বনি পালি-প্রাকৃতত সাধাৰণতে সমীভৱন প্রক্রিয়াৰে পৰিৱর্তিত হৈছিল। সমীভৱনৰ উপৰি বিষমীভৱন, ধ্বনি-বিপর্যয়, স্বৰভক্তি বা মধ্য স্বৰাগম, অপিনিহিতি আদি প্রক্রিয়াৰেও মধ্য অৱস্থানৰ সংযুক্ত ব্যঞ্জনৰ পৰিৱর্তন সাধিত হৈছিল। তলত সেইবোৰ বিশ্লেষণ কৰি দেখুওৱা হ'ল।

সমীভৱনৰ ফলত হোৱা পৰিৱর্তন ঃ

ক্ষ > ক্খ ঃ লক্ষণ > লক্খণ (পা, প্রা)
ন্ম > ন্ম ঃ উন্মত্ত > উন্মত্ত (পা, প্রা)
শ্চ > চ্ছ ঃ নিশ্চল > নিচ্ছল (পা, প্রা)
ৎস > চ্ছ ঃ উৎসাহ > উচ্ছাহ (পা, প্রা)
র্ত > ট্ট ঃ নর্তকী > নট্টকী (পা), নট্টঈ (প্রা)
স্ত > ত্ত ঃ দুস্তৰ > দুত্তৰ (পা, প্রা)
স্ত্র > ক্ক ঃ নিষ্ক্রমামি > নিক্কমামি (প্রা)
স্প > প্প ঃ বনস্পতি > বনপ্পতি (পা), বনপ্পই (প্রা)
দ্য > জ্জ ঃ প্রদ্যুম্ন > পজ্জুণ্ণ (পা, প্রা) ইত্যাদি

ধ্বনি-বিপর্যয়ৰ ফলত হোৱা পৰিৱর্তন ঃ উচ্চাৰণৰ সুবিধাৰ বাবে ধ্বনিৰ পাৰস্পৰিক স্থান পৰিৱর্তনৰ নাম ধ্বনি বিপর্যয়। পালি-প্রাকৃতত তাৰ উদাহৰণ, যেনে —

হ্ব > ব্হ ঃ আহ্বান আব্হান (পা)
শ্ম > ম্হ ঃ কাশ্মীৰ > কম্হীৰ (পা, প্রা)
স্ম > ম্হ ঃ বিস্ময় > বিম্হঅ (পা, প্রা) ইত্যাদি

অন্ত্য অৱস্থানৰ সংযুক্ত ব্যঞ্জন ঃ সংস্কৃতৰ পদৰ অন্তত থকা সংযুক্ত ব্যঞ্জনবোৰ পালি-প্রাকৃত-অপভ্রংশ স্তৰত সাধাৰণতে সমীভৱন, স্বৰভক্তি আদি প্রক্রিয়াৰ জৰিয়তে পৰিৱর্তিত হৈছিল। অৱশ্যে অপভ্রংশ স্তৰত সমীভৱনৰ ফলত হোৱা ব্যঞ্জনৰ দ্বিত্ব ৰূপৰ এটা লোপ পাই একক ব্যঞ্জনত পৰিণত হৈছিল। ইয়াৰ ফলত ক্ষতিপূৰণমূলক বা পৰিপূৰক দীর্ঘিকৰণ হৈ পূর্বৱর্তী হ্রস্বস্বৰ দীর্ঘ হৈছিল।

সমীভৱনৰ ফলত হোৱা পৰিৱর্তন ঃ

জ্ঞ > ঞ্ঞ, ণ ঃ প্রজ্ঞা > পঞ্ঞ, আজ্ঞা > আণা (প্রা)
ক্ষ > চ্ছ ঃ অক্ষি > অচ্ছি (পা, প্রা)
র্ম > ম্ম ঃ কর্ম > কম্ম (পা, প্রা), কাম (অপ)
র্ণ > ণ্ণ ঃ কর্ণ > কণ্ণ (পা, প্রা), কাণ (অপ)
ত্ম > ত্ত ঃ আত্মা > অত্তা (পা), অপ্পা (মাহা)
ত্য > চ্চ ঃ সত্য > সচ্চ (পা, প্রা)
থ্য > চ্ছ ঃ পথ্য > পচ্ছ (পা, প্রা)
দ্য > জ্জ ঃ অদ্য > অজ্জ, বিদ্যা > বিজ্জা (পা, প্রা)
ধ্য > জ্ঝ ঃ মধ্য > মজ্ঝ (পা, প্রা, অপ)
ন্ন > ন্ম ঃ নিন্ন > নিম্ম (পা, প্রা)
ষ্ঠ > ট্ঠ ঃ শ্রেষ্ঠ > সেট্ঠ (পা প্রা)
স্ত > ট্ঠ ঃ অস্তি > অট্ঠি (পা, প্রা) ইত্যাদি

ধ্বনি বিপর্যয়ৰ ফলত হোৱা পৰিৱর্তন ঃ

হ্ৱ > ৱ্ভ ঃ জিহ্ৱা > জিৱ্হা (পা, প্রা)
ক্ষ্ণ > ণ্হ ঃ তীক্ষ্ণ > তীণ্হ (পা, প্রা)
র্ঘ > হ্ৰ ঃ দীর্ঘ > দিহ্ৰ (প্রা)
ষ্ণ > ণ্হ ঃ কৃষ্ণ > কণ্হ, তৃষ্ণা > তণ্হা (পা, প্রা)
শ্ন > ঞ্হ, ণ্হ ঃ প্রশ্ন > পঞ্হ (পা), পণ্হ (পা, প্রা)
স্ন > ণ্হ ঃ জোৎস্না > জোণ্হা (প্রা)
ষ্ম > ম্হ ঃ গ্রীষ্ম > গিম্হ (প্রা)

উল্লেখনীয় যে সংযুক্ত ব্যঞ্জনৰ ধ্বনি-বিপর্যয়ৰ ফলত হোৱা পৰিৱর্তনত সংস্কৃতৰ শ, ষ, স — এই উষ্ম ধ্বনিকেইটা হ-লৈ ৰূপান্তৰিত হৈছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ সংস্কৃতৰ সংযুক্ত ব্যঞ্জনসমূহ পালি-প্রাকৃত-অপভ্রংশত কেনেদৰে পৰিৱর্তিত হৈছে তাৰ এটি আলোচনা দাঙি ধৰক। [150টা শব্দৰ ভিতৰত)

১০.৩.৩ সন্ধি

আপোনাক বুজাই কোৱাৰ আৱশ্যক নিশ্চয় নাই যে সন্ধি শব্দটোৰ সাধাৰণ অর্থ হ'ল মিলন, সংযোগ, লগ লগা বা লগ লাগি থকা। 'সন্ধিৰ বাঁহ বুধিৰে কটা' বা 'ইয়াণ্ডাবু সন্ধি' আদি শব্দগুচ্ছই তেনে অর্থকে বহন কৰে। পিছে ভাষাৰ প্রসঙ্গতো সন্ধিৰ অর্থ প্রায় তেনেকুৱাই। সংস্কৃত ভাষাত সন্ধি মানে হ'ল ওচৰা-উচৰিকৈ থকা দুটা ভিন্ন অর্থবিশিষ্ট শব্দৰ প্রথমটোৰ অন্তিম ধ্বনি আৰু দ্বিতীয়টোৰ প্রথম ধ্বনিৰ মিলন বা সংযোগ। অর্থাৎ, ওচৰা-উচৰিকৈ থকা দুটা সম্পূর্ণ ভিন্ন অর্থযুক্ত শব্দৰ প্রথমটোৰ শেষ আৰু দ্বিতীয়টোৰ আদি ধ্বনি একেলগে উচ্চাৰিত হোৱাৰ ফলত ধ্বনি দুটাৰ গুণগত পৰিৱর্তন হৈ যি মিলন বা সংযোগ সংঘটিত হয় তাকে সন্ধি বুলিব পাৰি, যেনে— গজ + ইন্দ্র = গজেন্দ্র, জগৎ + নাথ = জগন্নাথ ইত্যাদি। আপুনি ধৰিব পাৰিছে নিশ্চয় যে উদাহৰণ দুটাৰ প্রথমটোত 'গজ' শব্দৰ শেষত থকা 'অ' আৰু পৰৱর্তী 'ইন্দ্র' শব্দত থকা 'ই' লগ লাগি 'এ' হৈছে। আনহাতে দ্বিতীয়টোত 'জগৎ' শব্দৰ শেষত থকা 'ৎ' আৰু পৰৱর্তী 'নাথ' শব্দত থকা 'ন' মিলি 'ন্ন' হৈছে। ইয়াৰ ফলত 'গজেন্দ্র' আৰু 'জগন্নাথ' দুটা নতুন অর্থযুক্ত শব্দৰ সৃষ্টি হৈছে।

সন্ধি সংস্কৃত ভাষাৰ এক অপৰিহার্য প্রক্রিয়া। এই ভাষাটোত সন্নিহিত দুটা বর্ণৰ মাজত য'তেই সম্ভৱ ত'তেই সন্ধি হৈছিল। নতুন পদ-গঠনত, উপসর্গ আৰু ধাতুৰ সংযোগত, প্রত্যয়-বিভক্তি আদিৰ সংযোগত সংস্কৃতত অপৰিহার্যভাৱে সন্ধিৰ প্রয়োগ হৈছিল।

সন্ধিৰ শ্রেণীবিভাগ ঃ সন্নিহিত ধ্বনিৰ ধ্বনি-গুণৰ ওপৰত নির্ভৰ কৰি সংস্কৃত ব্যাকৰণবিদসকলে সংস্কৃত সন্ধিক তিনি ভাগ কৰিছে— স্বৰসন্ধি, ব্যঞ্জন সন্ধি আৰু বিসর্গ সন্ধি। স্বৰৰ সৈতে স্বৰৰ মিলনক স্বৰসন্ধি, স্বৰৰ সৈতে ব্যঞ্জনৰ তথা ব্যঞ্জনৰ সৈতে ব্যঞ্জনৰ মিলনক ব্যঞ্জন সন্ধি আৰু বিসর্গৰ সৈতে স্বৰ বা ব্যঞ্জনৰ মিলনক বিসর্গ সন্ধি আখ্যা দিয়া হৈছে। প্রকৃতপক্ষে বিসর্গ সন্ধি ব্যঞ্জন সন্ধিৰে ভিতৰুৱা। এই তিনিওবিধ সন্ধিক বর্ণৰ মিলনৰ প্রকৃতি (Nature of combination) অনুসৰি পাশ্চাত্য পণ্ডিতসকলে দেখুওৱা ভাগ দুটা এনে ধৰণৰ— বহিঃসন্ধি আৰু অন্তর্সন্ধি।

বহিঃসন্ধি হ'ল দুটা ভিন্ন অর্থযুক্ত শব্দৰ সন্ধি। এনে সন্ধিত শব্দ দুটা মিলি এটা ভিন্ন অর্থবিশিষ্ট শব্দত পৰিণত হয়। আনহাতে ধাতু বা শব্দৰ লগত প্রত্যয় বা বিভক্তিৰ সংযোগত যি সন্ধি হয় তাৰ নাম অন্তর্সন্ধি। বহিঃসন্ধিয়ে দুটা শব্দৰ প্রথমটোৰ শেষ বর্ণ আৰু দ্বিতীয়টোৰ আদি বর্ণৰ বাহ্যিক মিল দেখুৱায়। আন কথাত বহিঃসন্ধিত শব্দ দুটা লগ লাগোতে আদি আৰু শেষ বর্ণৰ যি বাহ্যিক পৰিৱর্তন ঘটে, সেই পৰিৱর্তনটো প্রত্যক্ষ কৰা যায়। কিন্তু অন্তর্সন্ধিয়ে ধাতু বা শব্দৰ শেষ বর্ণৰ প্রত্যয় আৰু বিভক্তিৰ আদি বর্ণৰ মিলন হওঁতে ঘটা অভ্যন্তৰীণ পৰিৱর্তনটো দেখুৱায়। এনে সন্ধিত ধাতু বা শব্দৰ লগত লগ লগা প্রত্যয় বা বিভক্তি স্পষ্ট হৈ নাথাকে; শব্দ বা ধাতুৰ লগত প্রত্যয় বা বিভক্তি এনেদৰে মিলি যায় যে ভাষাটোৰ সন্ধিৰ নিয়ম নাজানিলে সেইবোৰ চিনি উলিওৱা দুৰূহ হৈ পৰে। কাৰণ অভ্যন্তৰীণ পৰিৱর্তন ঘটি সন্ধি হৈ সৃষ্টি হোৱা শব্দটোৱে সম্পূর্ণ নতুন ৰূপ লাভ কৰে। অন্তর্সন্ধি আৰু বহিঃসন্ধি উভয়ৰে স্বৰ, ব্যঞ্জন আৰু বিসর্গ সন্ধি থাকিব পাৰে।

স্বৰ বহিঃসন্ধিত শব্দ দুটাৰ প্রথমটোৰ শেষ স্বৰ আৰু দ্বিতীয়টোৰ আদি স্বৰৰ মিলন হয়। তলত তাৰ উদাহৰণ দাঙি ধৰা হৈছে—

অ + অ = আ ঃ দেৱ +Âঅসুৰ = দেৱাসুৰ
অ + আ = আ ঃ হিম + আলয় = হিমালয়
আ + আ = আ ঃ বিদ্যা + আলয় = বিদ্যালয়
অ + ই = এ ঃ দেৱ + ইন্দ্র = দেৱেন্দ্র
অ + উ = ও ঃ পাদ + উদক = পাদোদক
ই + আ = ্যা ঃ ইতি + আদি = ইত্যাদি
ই + ই = ঈ ঃ গিৰি + ইন্দ্র = গিৰীন্দ্র
ই + এ = ে্য ঃ প্রতি + এক = প্রত্যেক ইত্যাদি

সংস্কৃতত স্বৰ বহিঃসন্ধিৰ কেতবোৰ নির্দিষ্ট নিয়ম আছে। উদাহৰণস্বৰূপে অ বা আ-ৰ পিছত ই বা ঈ থাকিলে দুয়ো মিলি এ হয়, যেনে নৰ + ইন্দ্র = নৰেন্দ্র। তেনেদৰে ই-ৰ পিছত আ বা এ থাকিলে যথাক্রমে য্া বা ে্য হয়। ওপৰৰ ইতি ÂU আদি = ইত্যাদি আৰু প্রতি + এক = প্রত্যেক তাৰ উৎকৃষ্ট উদাহৰণ।

ব্যঞ্জন বহিঃসন্ধি ঃ ব্যঞ্জন বহিঃসন্ধিত প্রথম শব্দৰ শেষ অৱস্থানৰ ব্যঞ্জন আৰু দ্বিতীয় শব্দৰ আদি অৱস্থানৰ স্বৰ বা ব্যঞ্জনৰ মিলন হয়, যেনে —

ক্ + অ = গ ঃ দিক্ + অন্ত = দিগন্ত
ৎ + উ = দু ঃ তৎ + উপৰি = তদুপৰি
ক্ + ব = গ্ব ঃ দিক্ + বিজয় = দিগ্বিজয়
ক্ + দ = গ্দ ঃ বাক্ + দত্তা = বাগ্দত্তা
ৎ + ন = ন্ন ঃ জগৎ + নাথ = জগন্নাথ, ইত্যাদি

সংস্কৃত ভাষাত স্বৰ সন্ধিৰ দৰে ব্যঞ্জন সন্ধিৰো ভালেমান নিয়ম আছে। উদাহৰণস্বৰূপে সন্ধি হোৱা শব্দ দুটাৰ প্রথমটোৰ শেষত বর্গৰ প্রথম ধ্বনি আৰু দ্বিতীয়টোৰ আদিত বর্গৰ পঞ্চম ধ্বনি থাকিলে প্রথমটোত থকা বর্গৰ প্রথম ধ্বনি সেই বর্গৰ পঞ্চম ধ্বনিলৈ পৰিৱর্তিত হয়। ওপৰৰ উদাহৰণত থকা জগন্নাথ শব্দটো তেনে সন্ধিৰ পৰিণতি। তেনেদৰে প্রথমটো শব্দৰ শেষৰ বর্ণ বর্গৰ প্রথম ধ্বনি আৰু দ্বিতীয়টো শব্দৰ আদি ধ্বনি বর্গৰ তৃতীয় ধ্বনি হ'লে বর্গৰ প্রথম ধ্বনি একে বর্গৰ তৃতীয় ধ্বনিলৈ ৰূপান্তৰিত হয়। ওপৰৰ বাগ্‌দত্তা শব্দটো তাৰেই প্রকৃষ্ট উদাহৰণ।

বিসর্গ বহিঃসন্ধি ঃ বিসর্গ সন্ধিত শব্দ দুটাৰ প্রথমটোৰ শেষত থকা বিসর্গ আৰু দ্বিতীয়টোৰ আদিত থকা স্বৰ বা ব্যঞ্জনৰ মিলন হয়, যেনে— অন্তঃ + বৃত্ত = অন্তর্বৃত্ত, আৱিঃ + কাৰ = আৱিষ্কাৰ, দুঃ + চিন্তা = দুশ্চিন্তা ইত্যাদি। সংস্কৃতত বিসর্গ যদিও স্বৰৰ সৈতে সংযুক্ত হয়, তথাপি ইয়াৰ সন্ধিগত প্রক্রিয়াৰ সৈতে ব্যঞ্জন সন্ধিৰ মিল লক্ষ্যণীয়। এনে কাৰণতে সংস্কৃতত বিসর্গ সন্ধিক ব্যঞ্জন সন্ধিৰ ভিতৰুৱা বুলি ধৰা হয়।

অন্তর্সন্ধিৰ শ্রেণীবিভাগ ঃ মূল শব্দ বা ধাতুৰ লগত যোগ হৈ পৰিৱর্তিত হোৱা অন্তর্সন্ধিৰ প্রধান ভাগ দুটা— স্বৰ অন্তর্সন্ধি আৰু ব্যঞ্জন অন্তর্সন্ধি। সাধাৰণতে শব্দ বা ধাতুৰ শেষত থকা বিসর্গৰ লগত প্রত্যয় বা বিভক্তিৰ আদি স্বৰ বা আদি ব্যঞ্জনৰ সন্ধি হোৱাৰ উদাহৰণ বিৰল। অন্তর্সন্ধিৰ শব্দবোৰৰ অভ্যন্তৰীণ পৰিৱর্তন ঘটে। তলৰ উদাহৰণবোৰলৈ লক্ষ্য কৰিলে আপুনি সেই কথা অনুভৱ কৰিব পাৰিব।

স্বৰ অন্তর্সন্ধি ঃ এই প্রকাৰৰ সন্ধিত শব্দ বা ধাতুৰ শেষত থকা স্বৰ আৰু প্রত্যয় বা বিভক্তিৰ আদি স্বৰৰ মিলন হয়, যেনে—

নৌ + ইক = নাৱিক

পো + অন = পৱন ইত্যাদি

এই উদাহৰণ দুটাৰ প্রথমটোত 'নৌ'-ৰ 'ঔ'-ৰ লগত 'ইক' প্রত্যয়ৰ 'ই'-ৰ আৰু 'পো'-ৰ 'ও'-ৰ লগত 'অন' প্রত্যয়ৰ 'অ'-ৰ সংযোগ ঘটি যথাক্রমে 'নাৱিক' আৰু 'পৱন' শব্দ দুটা গঠিত হৈছে।

ব্যঞ্জন অন্তর্সন্ধি ঃ এইবিধ সন্ধিত শব্দ বা ধাতুৰ শেষত থকা ব্যঞ্জন আৰু প্রত্যয় বা বিভক্তিৰ আদিত থকা ব্যঞ্জন সংযুক্ত হয়, যেনে—

এইবিধ সন্ধিত শব্দ বা ধাতুৰ শেষত থকা ব্যঞ্জন আৰু প্রত্যয় বা বিভক্তিৰ আদিত থকা ব্যঞ্জন সংযুক্ত হয়, যেনে —

হৃষ্ + ত = হৃষ্ট

অদ্ + ন = অন্ন

যুজ্ + ক্ত = যুক্ত

দিশ্ + সু = দিক্ষু ইত্যাদি

সমীভৱন আৰু সংস্কৃত ব্যঞ্জন সন্ধি ঃ পূৰ্বৱৰ্তী শাখা এটাৰ আলোচনাত আপুনি এই কথা পাই আহিছে যে দুটা ভিন্ন ধ্বনি ওচৰা-উচৰিকৈ থাকিলে এটাৰ প্ৰভাৱত আনটোৱে সমৰূপতা লাভ কৰাকে সমীভৱন বোলে। পূৰ্বৱৰ্তী ধ্বনিৰ প্ৰভাৱত পৰৱৰ্তী ধ্বনিয়ে সমৰূপতা লাভ কৰিলে প্ৰগত সমীভৱন, পৰৱৰ্তী ধ্বনিৰ প্ৰভাৱত পূৰ্বৱৰ্তী ধ্বনিয়ে পৰিৱৰ্তন লাভ কৰিলে পৰাগত সমীভৱন আৰু পৰস্পৰৰ প্ৰভাৱত দুয়োটা ধ্বনি পৰিৱৰ্তিত হ'লে তাক অন্যোন্য বা পাৰস্পৰিক সমীভৱন বোলা হয়। আনকি ওচৰা-উচৰিকৈ থকা দুটা ধ্বনিৰ এটা সঘোষ আনটো অঘোষ হ'লে দুয়োটা সঘোষ বা দুয়োটা অঘোষ হোৱাকো সমীভৱন বোলা হয়। আকৌ এটা দন্ত্য আনটো মূৰ্ধন্য বা তালব্য হ'লে দুয়োটা দন্ত্য বা দুয়োটা মূৰ্ধন্য অথবা দুয়োটা তালব্য হোৱা প্ৰক্ৰিয়াকো সমীভৱন বুলিয়েই ধৰা হয়।

সংস্কৃত সন্ধিৰ প্ৰকৃতিলৈ লক্ষ্য কৰিলে এই কথা স্পষ্ট হয় যে সন্ধিৰ প্ৰক্ৰিয়াটোত স্বৰ আৰু ব্যঞ্জনৰ পাৰস্পৰিক প্ৰভাৱ বিদ্যমান। এনে প্ৰভাৱৰ ফলত সন্নিহিত যি কোনো এটা স্বৰ বা ব্যঞ্জনে প্ৰাধান্য লাভ কৰে নতুবা কোনো নতুন ধ্বনিৰ আগম হয়, যেনে— যাচ্ + না = যাচ্ঞা, ৰাজ্ + নী = ৰাজ্ঞী আদি প্ৰগত সমীভৱনৰ দ্বাৰা হোৱা সন্ধি। আনহাতে জগৎ + নাথ = জগন্নাথ, মৃৎ + ময় = মৃণ্ময়, উৎ + ছেদ = উচ্ছেদ, সৎ + জন = সজ্জন, সৎ + চৰিত্ৰ = সচ্চৰিত্ৰ আদি সন্ধি পৰাগত সমীভৱনৰ উদাহৰণ। আকৌ উৎ + হাৰ = উদ্ধাৰ, উৎ + শৃঙ্খল = উচ্ছৃঙ্খল আদি সন্ধিক অন্যোন্য সমীভৱন বুলিব পাৰি।

পালি-প্ৰাকৃত-অপভ্রংশৰ সন্ধি ঃ সংস্কৃতৰ বৈচিত্ৰ্যপূৰ্ণ আৰু জটিলতা বিশিষ্ট সন্ধি পালি-প্ৰাকৃত-অপভ্রংশ স্তৰত যথেষ্ট সৰল হ'ল। সংস্কৃতত সন্ধি অপৰিহাৰ্য আছিল। গদ্য-পদ্য সকলো লেখাতে সন্ধিয়ে এক প্ৰধান ভূমিকা গ্ৰহণ কৰিছিল। পালি ভাষাত গদ্যত সন্ধি প্ৰায় নাই বুলিব পাৰি; কিন্তু গাথা বা পদ্যত কিছু পৰিমাণে সন্ধিৰ প্ৰয়োগ লক্ষ্য কৰিব পাৰি। সংস্কৃতৰ স্বৰ, ব্যঞ্জন আৰু বিসৰ্গ সন্ধিৰ ঠাইত পালি-প্ৰাকৃতত মাত্ৰ স্বৰ সন্ধিহে ৰক্ষিত হৈছে। পালি-প্ৰাকৃতত শব্দৰ অন্ত্য অৱস্থানত অনুস্বাৰৰ বাহিৰে আন ব্যঞ্জন নাই বুলিলেও হয়। সেই হেতুকে এই স্তৰৰ ভাষাত ব্যঞ্জন আৰু বিসৰ্গ সন্ধি লুপ্ত হৈ তাৰ ঠাইত মিশ্ৰ বা বমিস্‌সক সন্ধি আৰু অনুস্বাৰ বা নিগ্‌গহীত সন্ধি গঢ় লৈ উঠিছে। এই ফালৰ পৰা পালি-প্ৰাকৃত-অপভ্রংশ স্তৰৰ সন্ধিক তিনিটা ভাগত ভগাব পাৰি ঃ স্বৰ সন্ধি, মিশ্ৰ বা বমিস্‌সক সন্ধি আৰু অনুস্বাৰ বা নিগ্‌গহীত সন্ধি। আকৌ সংস্কৃত সন্ধিৰ দৰে সন্ধি হোৱা বৰ্ণৰ প্ৰকৃতিলৈ লক্ষ্য কৰি পালি-প্ৰাকৃতৰ সন্ধিকো বহুলভাৱে বহিঃসন্ধি আৰু অন্তৰ্সন্ধি— এই দুটা ভাগত ভগাই আলোচনা কৰিব পাৰি। অৱশ্যে সংস্কৃতৰ তুলনাত পালি-প্ৰাকৃতত বহিঃসন্ধি বা আন কথাত, শব্দৰ সৈতে হোৱা শব্দৰ সন্ধি নিতান্তই সীমিত। মাত্ৰ সংস্কৃতৰ সন্ধিসিদ্ধ শব্দ কিছুমান পালি-প্ৰাকৃতলৈ বিৱৰ্তনৰ মাজেদি আহোঁতে সেইবোৰত বহিঃসন্ধি কিছু পৰিমাণে ৰক্ষিত হৈছে। তলত প্ৰতিটোৰে উদাহৰণসহ পৰিচয় দিয়া হ'ল—

পালি ভাষাৰ সন্ধি ঃ পালি বহিঃসন্ধি তিনি প্ৰকাৰৰ— স্বৰ বহিঃসন্ধি, মিশ্ৰ বা বমিস্‌সক সন্ধি আৰু অনুস্বাৰ বা নিগ্‌গহীত সন্ধি। পালি ভাষা প্ৰাকৃততকৈ প্ৰাচীন স্তৰৰ হোৱা হেতুকে সংস্কৃতৰ ভালেমান বৈশিষ্ট্য ৰক্ষিত হৈছে। এই ভাষাত সংস্কৃতৰ বহিঃসন্ধিৰ নীতি-নিয়ম কিছুদূৰ ৰক্ষিত হোৱাৰ সেইটোৱেই কাৰণ। তাৰ লগে লগে পালি ভাষাৰ নিজস্ব নিয়ম অনুসাৰেও কেতবোৰ বহিঃসন্ধিৰ সৃষ্টি হৈছে।

পালিত প্ৰথম শব্দৰ শেষ স্বৰ আৰু পৰৱৰ্তী শব্দৰ আদি স্বৰৰ মাজত সন্ধি হ'লে সন্ধিসিদ্ধ শব্দত তলত দিয়া ধৰণৰ পৰিৱৰ্তনে দেখা দিয়ে।

1) কেতিয়াবা পূৰ্বৱৰ্তী স্বৰ লুপ্ত হয়, যেনে— মে + অথি = মথি, নৰ + ইন্দ = ণৰিন্দ ইত্যাদি
2) কেতিয়াবা পৰৱৰ্তী স্বৰ লোপ পায়, যেনে — ছায়া + ইৱ = ছায়াৱ, সো + ইমং = সোমং, অত্তণো + ইৱ = অত্তণেৱ ইত্যাদি।
3] কেতিয়াবা দুয়োটাৰে লোপ হোৱাও দেখা যায়; এনে ক্ষেত্ৰত কেতিয়াবা পূৰ্বৱৰ্তী স্বৰ দীৰ্ঘ হয়, যেনে— দেৱ + ইতি = দেৱাতি ইত্যাদি।
4) কেতিয়াবা সন্ধি হোৱা দুই স্বৰৰ মাজলৈ ত, দ, ন, ব, ম, য়, ৰ, ল-ৰ আগম হয়, যেনে— অজ্জ + অগ্‌গে = অজ্জতগ্‌গে, ইতি + আয়তি = ইতোনায়তি, ৰাজা + ইৱ = ৰাজাৰিৱ ইত্যাদি।

মিশ্ৰ বা বমিস্‌সিক সন্ধি ঃ এই প্ৰকাৰৰ সন্ধিত শব্দ দুটাৰ প্ৰথমটোৰ শেষ স্বৰ আৰু দ্বিতীয়টোৰ আদি ব্যঞ্জনৰ মিলন হয় আৰু পালি ভাষাৰ নিয়মানুসাৰে সিবোৰৰ ধ্বনিগত পৰিৱৰ্তন হয়, যেনে—

অনু + থূলানি = অনুংথূলানি
দু + ৰক্‌খং = দূৰক্‌খং
এসো + ধম্মো = এসধম্মো
মুনি + চৰে = মুনীচৰে
প + বজ্জং = পব্বজ্জং ইত্যাদি।

অনুস্বাৰ বা নিগ্‌গহীত সন্ধি ঃ অনুস্বাৰৰ পিছত স্বৰ বা ব্যঞ্জন থাকিলে দুয়ো মিলি যি সন্ধি হয়, তাৰ নাম অনুস্বাৰ বা নিগ্‌গহীত সন্ধি। এনে সন্ধিত শব্দ দুটাৰ প্ৰথমটোৰ শেষত থকা অনুস্বাৰ আৰু দ্বিতীয়টোৰ আদিতে থকা স্বৰ বা ব্যঞ্জনৰ মিলন হয়। এই বিধ সন্ধিক মিশ্ৰ সন্ধি ৰূপেও আলোচনা কৰা হয়, যেনে—

কায়ং + ইমং = কায়মিমং
ধনং + এৱ = ধনমেৱ
সং + যতো = সঞ্ঞতো
সং + যম = সঞ্ঞম
বুদ্ধানং + সাসনং = বুদ্ধানাসাসনং, বুদ্ধানংসাসনং ইত্যাদি

পালি ভাষাৰ অন্তর্সন্ধি ঃ পালি ভাষাৰ অন্তর্সন্ধিক স্বৰ, মিশ্ৰ আৰু অক্ষৰ— এই তিনিটা শ্ৰেণীত ভাগ কৰিব পাৰি। তলত সিবোৰৰ প্ৰতিটোৰে উদাহৰণ দাঙি ধৰা হৈছে—

স্বৰ অন্তর্সন্ধি ঃ শব্দ বা ধাতুৰ অন্ত্য অৱস্থানৰ স্বৰ আৰু সেই শব্দ বা ধাতুৰ সৈতে সংযুক্ত প্ৰত্যয় বা বিভক্তিৰ আদি স্বৰৰ মাজত হোৱা সন্ধিয়ে হ'ল স্বৰ অন্তর্সন্ধি। তলত তেনে সন্ধিৰ উদাহৰণ দাঙি ধৰা হৈছে—

অপ্পমাদ + এন = অপ্পমাদেন

দম + এন = দমেন

পুত্ত + এন = পুত্তেন ইত্যাদি

মিশ্ৰ বা বমিস্সক অন্তর্সন্ধি ঃ শব্দ বা ধাতুৰ শেষ স্বৰ আৰু তাৰ সৈতে সংযুক্ত প্ৰত্যয় বা বিভক্তিৰ আদি ব্যঞ্জনৰ সৈতে হোৱা সন্ধিক মিশ্ৰ বা বমিস্সক অন্তর্সন্ধি বোলা হয়। পালি ভাষাত এনে সন্ধি তেনেই সীমিত। সাধাৰণতে শব্দ বা ধাতুৰ লগত প্ৰত্যয় বা বিভক্তি যোগ হওঁতে যি দুটা ধ্বনিৰ সন্ধি হয় সিহঁতৰ গুণগত পৰিৱৰ্তন নহয়; বৰং শব্দ বা ধাতুৰ সৈতে প্ৰত্যয় বা বিভক্তি স্বাভাৱিকতে লগ লাগে। পালিত মিশ্ৰ অন্তর্সন্ধিৰ পৰিমাণ কম হোৱাৰ এইটোৱে মূল কাৰণ। তথাপি পালি ভাষাত হোৱা তেনে সন্ধিকেইটামানৰ উদাহৰণ তলত দিয়া হ'ল—

ভূত + সু = ভূতেসু

ৰাজ + ম্হি = ৰাজম্হি

ভজমান + স্স = ভজমানস্স ইত্যাদি।

অক্ষৰ অন্তর্সন্ধি ঃ পালি ভাষাৰ অক্ষৰ অন্তর্সন্ধি হৈছে বিভিন্ন ধ্বনি-পৰিৱৰ্তনৰ প্ৰক্ৰিয়াৰে সংঘটিত হোৱা শব্দৰ অভ্যন্তৰীণ ধ্বনি পৰিৱৰ্তন। সংস্কৃতৰ দুটা ভিন্ন গুণসম্পন্ন অথবা একে গুণবিশিষ্ট ধ্বনি পালি ভাষালৈ আহোঁতে বিভিন্ন প্ৰক্ৰিয়াৰে যি পৰিৱৰ্তন সাধিত হৈছে সেয়াই অক্ষৰ অন্তর্সন্ধি। অনিয়মিত শব্দ-সন্ধিৰ হেতুকে পালি বহিঃসন্ধিৰ জটিলতা অনেক গুণে কমি গৈছে। কিন্তু অক্ষৰ অন্তর্সন্ধিৰ প্ৰাচুর্য যথেষ্ট বৃদ্ধি পাইছে। তলত তাৰ উদাহৰণ দাঙি ধৰা হৈছে।

অগ্নি > অগ্গি, পুষ্প > পুপ্ফ, অপ্রমাদ > অপ্পমাদ, সত্য > সচ্চ (সমীভৱন)

জিহ্বা > জিব্হা, কাশ্মীৰ > কম্হীৰ, প্রশ্ন > পণ্হ (ধ্বনি বিপর্যয়)

ক্লেশ > কিলেস, ম্লান > মিলাণ, শ্লাঘা > সিলাঘা, ক্লিন্ন > কিলিন্ন (স্বৰভক্তি)

দুর্বচ > দুব্বচ (সাদৃশ্য) ইত্যাদি।

ওপৰৰ উদাহৰণবোৰৰ পৰা এই কথা স্পষ্ট হয় যে ধ্বনি-পৰিৱৰ্তনৰ বিভিন্ন প্ৰক্ৰিয়াই পালি ভাষাত শব্দৰ অভ্যন্তৰীণ পৰিৱৰ্তন ঘটাই অক্ষৰ অন্তর্সন্ধিৰ সৃষ্টি কৰিছে। ইয়াৰ ফলত পালি সন্ধি-প্ৰকৰণ কিছু সুকীয়া প্ৰকৃতিৰ হৈ পৰিছে।

প্রাকৃত সন্ধি ঃ প্রাকৃত স্তৰত সন্ধি পালিতকৈ অধিক সৰল হৈছে। দুই স্বৰৰ মধ্যৱর্তী অল্পপ্রাণ ধ্বনিবোৰ লোপ পোৱাৰ ফলত প্রাকৃতত সন্ধিৰ ব্যৱহাৰ প্রায় নাইকিয়া হৈছে। বিশেষকৈ বহিঃসন্ধি এই স্তৰৰ ভাষাত প্রায় নোহোৱাৰ দৰে। মাত্র

সংস্কৃতৰ সন্ধিসিদ্ধ যিবোৰ শব্দ প্ৰাকৃত স্তৰলৈ আহিছে, সেই শব্দবোৰত বহিঃসন্ধি কিছু পৰিৱৰ্তিত ৰূপত ৰক্ষিত হৈছে।

পালিৰ দৰে প্ৰাকৃত ভাষাত প্ৰয়োগ হোৱা সন্ধিকো বহিঃসন্ধি আৰু অন্তৰ্সন্ধি— এই দুই ভাগত ভগাব পাৰি। আকৌ এই দুয়ো প্ৰকাৰৰ সন্ধিক স্বৰসন্ধি আৰু মিশ্ৰসন্ধি এই দুভাগত ভগাই আলোচনা কৰিব পাৰি। পালি ভাষাৰ দৰে প্ৰাকৃততো অন্তৰ্সন্ধিৰ ভিতৰুৱা অক্ষৰ সন্ধি বহুল পৰিমাণে দেখা যায়।

স্বৰ বহিঃসন্ধি ঃ প্ৰাকৃত ভাষাত সংস্কৃত নিয়মানুগ আৰু সংস্কৃত নিয়ম বহির্ভূত— এই দুই প্ৰকাৰৰ স্বৰসন্ধি প্ৰত্যক্ষ কৰা যায়। তলত দুয়োবিধৰে উদাহৰণ দাঙি ধৰা হৈছে—

সংস্কৃত-নিয়মানুগ স্বৰসন্ধি ঃ

অ + অ = আ ঃ দক্‌খিণ + অণিল = দক্‌খিণাণিল

অ + আ = আ ঃ দীণ + আণণি = দীণাণণি

অ + ই = এ ঃ ন + ইচ্ছই = ণেচ্ছই; ৰাঅ + ইসি = ৰাএসি

অ + উ = ও ঃ পণ্‌হ + উত্তৰং = পণ্‌হোত্তৰং ইত্যাদি

সংস্কৃত-নিয়ম বহির্ভূত স্বৰসন্ধি ঃ

নৰ + ইন্দ্ৰ ঃ নৰিন্দ্ৰ

গঅ + ইন্দ ঃ গইন্দ

পত্ত + অন্তৰিঅ ঃ পত্তন্তৰিঅ ইত্যাদি

মিশ্ৰ বহিঃসন্ধি ঃ পালিৰ দৰে প্ৰাকৃততো প্ৰথম শব্দৰ শেষত ম থাকিলে আৰু দ্বিতীয় শব্দৰ আদিত স্বৰবৰ্ণ থাকিলে সেই স্বৰ কেতিয়াবা ম-ৰ লগত মিলি যায় অথবা অনুস্বাৰলৈ পৰিৱৰ্তিত হয়। প্ৰাকৃতত অনুস্বাৰ সন্ধিকো মিশ্ৰ সন্ধিৰ ভিতৰত ধৰা হয়। তলত সেইবোৰৰ উদাহৰণ দিয়া হৈছে—

একং + একং = একমেকং

দিস + চক্কং = দিসাঅক্কং

নি + কলঙ্কা = নিক্কলঙ্কা ইত্যাদি

স্বৰ অন্তৰ্সন্ধি ঃ পালি-প্ৰাকৃত ভাষাত সংস্কৃতৰ স্বৰমধ্যৱৰ্তী ব্যঞ্জন লোপ হোৱাৰ ফলত স্বৰ-সংযুক্তি যথেষ্ট বৃদ্ধি পাইছে। ইয়াৰ ফলত প্ৰকৃত স্বৰ অন্তৰ্সন্ধি সামান্য পৰিমাণেহে পোৱা যায়। শব্দৰ মাজৰ ব্যঞ্জন লোপ হোৱাৰ ফলত বৈ যোৱা উদ্বৃত্ত স্বৰৰ মাজত সন্ধি নোহোৱাটো তাৰ ঘাই কাৰণ। তথাপি তলৰ উদাহৰণকেইটাই পালি-প্ৰাকৃত স্তৰৰ স্বৰ অন্তৰ্সন্ধিৰ নিদৰ্শন দাঙি ধৰিব—

বঅণ + এণ = বঅণেণ

মহুৰ + এন = মহুৰেণ ইত্যাদি

মিশ্ৰ অন্তৰ্সন্ধি ঃ প্ৰাকৃতত স্বৰ অৰ্ন্তসন্ধিতকৈ মিশ্ৰ অৰ্ন্তসন্ধিৰ প্ৰয়োগ আপেক্ষিকভাৱে কিছু বেছি। প্ৰত্যয় বা বিভক্তিবোৰৰ আদি বৰ্ণ ব্যঞ্জন হোৱাটোৱেই তাৰ ঘাই কাৰণ। তলত তাৰ উদাহৰণ দিয়া হ'ল—

কণ্ণ + হি = কণ্ণেহি

ভূ + তব্য = হোঅব্ব, হোদব্ব

অগ্‌গি + সু = অগ্‌গীসু ইত্যাদি

অক্ষৰ সন্ধি ঃ প্রাকৃতত পালিৰ দৰেই অক্ষৰ সন্ধিৰ প্রয়োগ যথেষ্ট। সেইবোৰৰ কিছুমান এনে ধৰণৰ ঃ অদ্য > অজ্জ, মধ্য > মজ্‌ঝ, পুষ্প > পুপ্‌ফ, লক্ষণ > লক্‌খণ ইত্যাদি।

পালিৰ দৰে প্রাকৃততো ব্যঞ্জন সন্ধি পোৱা নাযায়। ইয়াৰ প্রধান কাৰণ তিনিটা ঃ পদান্ত ব্যঞ্জনৰ লোপ, স্বৰ মধ্যৱর্তী ব্যঞ্জনৰ লোপ আৰু সমীভৱন অথবা স্বৰভক্তিৰ দ্বাৰা সংযুক্ত ব্যঞ্জনৰ সৰলীকৰণ। প্রাকৃতত প্রায় ক্ষেত্রতে প্রথম শব্দৰ শেষ আৰু দ্বিতীয় শব্দৰ আদি ব্যঞ্জন সমীভূত হৈ প্রয়োগ হৈছে, যেনে— দুৰ্ + লভ = দুল্লহ। আকৌ প্রথম শব্দৰ শেষত ব্যঞ্জন আৰু দ্বিতীয় শব্দৰ আদিত স্বৰ থাকিলে প্রথম শব্দৰ ব্যঞ্জন ৰক্ষিত হোৱা দেখা গৈছে, যেনে— যৎ + অস্তি = জদ্‌অথি বা জদথি।

প্রাকৃত ভাষাত পালিৰ দৰেই বিসর্গ সন্ধিও পোৱা নাযায়। অৱশ্যে পদান্তত অ-কাৰৰ লগত বিসর্গ থাকিলে দুয়ো মিলি ও-কাৰ হয়, যেনে— নৰঃ > ণৰো, (মাগধীত এ-কাৰ হয়, যেনে ভর্তৃকঃ > ভষ্টকে)। অন্য স্বৰৰ পিছত বিসর্গ থাকিলে সেই বিসর্গ লুপ্ত হয় বা পৰৱর্তী পদৰ আদি ব্যঞ্জনৰ লগত সমীভূত হয়। যেনে— দুঃ + সহ = দুস্‌সহ। বিসর্গৰ পিছত সংযুক্ত ব্যঞ্জন থাকিলে অকল বিসর্গ লুপ্ত হয়, যেনে— দুঃস্থ > দুট্‌ঠ।

পালি-প্রাকৃতত সংস্কৃত সন্ধিৰ বাহুল্য আৰু জটিলতা হ্রাস পোৱাৰ কাৰণসমূহ এনেদৰে যুকিয়াই উলিয়াব পাৰি—

1) সংস্কৃত ভাষাত সন্ধিৰ জটিলতা ঘাইকৈ ব্যঞ্জন সন্ধিত লক্ষ্য কৰা যায়। কিন্তু পালি-প্রাকৃত স্তৰত পদান্ত ব্যঞ্জন লোপ পোৱাৰ ফলত ব্যঞ্জন সন্ধিৰ জটিলতা সমূলি নাইকিয়া হ'ল।
2) সংস্কৃতৰ শব্দৰ মাজৰ সংযুক্ত ব্যঞ্জন পালি-প্রাকৃতত সমীভৱন, স্বৰভক্তি আদি প্রক্রিয়াৰে সৰল হৈ পৰাত সন্ধিৰ আৱশ্যকতা প্রায় নোহোৱাৰ দৰে হ'ল।
3] পালি-প্রাকৃত স্তৰত বিসর্গৰ প্রয়োগ লোপ পোৱাত সংস্কৃতৰ বিসর্গযুক্ত শব্দবোৰ বিসর্গৰ পিছৰ ব্যঞ্জনৰ সৈতে সমীভূত হৈ ব্যৱহাৰ হ'ল। ইয়াৰ ফলত বিসর্গ সন্ধি নোহোৱা হ'ল।
4) পালি-প্রাকৃতত পদ মধ্যৱর্তী ব্যঞ্জন লোপ হোৱাৰ ফলত সেই ব্যঞ্জনৰ সৈতে যুক্ত হৈ থকা স্বৰবোৰ উদ্বৃত্ত স্বৰ ৰূপে থাকি গ'ল যদিও উদ্বৃত্ত স্বৰৰ মাজত সন্ধি নোহোৱাৰ ফলত ওচৰা-উচৰিকৈ কেইবাটাও স্বৰ একেলগে থাকি গ'ল, যেনে— ৰাজযুক্ত > লাঅউত্ত (মা), আগত > আঅঅ, বিয়োজিত > বিওইঅ

আদি। অৱশ্যে অপভ্রংশ স্তৰত এনে উদ্বৃত্ত স্বৰ লগ লগা বা সংকোচন হোৱা লক্ষ্য কৰা যায়, যেনে— অন্ধকাৰ > অন্ধআৰ > অন্ধাৰ, কলহকাৰিণী > কলহআৰিণী > কলহাৰিণী ইত্যাদি।

মুঠতে পালি-প্রাকৃত স্তৰত সংস্কৃতৰ নিয়মসিদ্ধ সন্ধি কিঞ্চিৎ পৰিমাণে দেখা গ'লেও, প্রায় ক্ষেত্রতে নিয়ম-বহির্ভূত বা স্বকীয় নিয়মসিদ্ধ সন্ধিৰ প্রাধান্যহে অধিক পৰিমাণে পোৱা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ সন্ধি বুলিলে কি বুজা যায়? সংস্কৃত সন্ধিৰ সৈতে পালি-প্রাকৃত সন্ধিৰ পার্থক্যবোৰ ফঁহিয়াই বিচাৰ কৰক। [150টা শব্দৰ ভিতৰত)



১০.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সংস্কৃত ভাষাত প্রধান ব্যঞ্জন ধ্বনিৰ সংখ্যা তেত্রিশটা। সংস্কৃতত ইয়াৰ প্রতিটোৱেই একোটা বিশিষ্ট ধ্বনি বা বর্ণ।
- সংস্কৃত ভাষাৰ ন ণ আৰু শ স ষ এই পাঁচটা ধ্বনিৰ বাহিৰে বাকী আঠাইশটা ব্যঞ্জন পালি-প্রাকৃত-অপভ্রংশ স্তৰত প্রায় একে ধৰণে ৰক্ষিত হৈছিল।
- সংস্কৃত ভাষাত পদৰ আদি, মধ্য, অন্ত্য —এই তিনিওটা অৱস্থানত বিবিধ প্রকাৰৰ সংযুক্ত ব্যঞ্জনৰ ব্যৱহাৰ আছে। এনে ব্যঞ্জনৰ সংখ্যা তিনিকুৰিৰো অধিক।
- পালি-প্রাকৃত-অপভ্রংশত সংস্কৃতৰ এই সংযুক্ত ব্যঞ্জনবোৰ সমীভৱন, ধ্বনি বিপর্যয়, লোপ আদি বিভিন্ন প্রক্রিয়াৰে পৰিৱর্তনৰ মাজেৰে আহি প্রয়োগ হৈছে।
- সন্ধি মানে হ'ল ওচৰা-উচৰিকৈ থকা দুটা ভিন্ন অর্থবিশিষ্ট শব্দৰ প্রথমটোৰ অন্তিম ধ্বনি আৰু দ্বিতীয়টোৰ প্রথম ধ্বনিৰ মিলন বা সংযোগ। সন্ধি সংস্কৃত ভাষাৰ এক অপৰিহার্য প্রক্রিয়া। সংস্কৃত সন্ধিক তিনি ভাগ কৰিছে— স্বৰসন্ধি, ব্যঞ্জন সন্ধি আৰু বিসর্গ সন্ধি।
- সংস্কৃতৰ বৈচিত্র্যপূর্ণ আৰু জটিলতাবিশিষ্ট সন্ধি পালি-প্রাকৃত-অপভ্রংশ স্তৰত যথেষ্ট সৰল হ'ল। পালি-প্রাকৃত-অপভ্রংশ স্তৰৰ সন্ধিক তিনিটা ভাগত ভগাব পাৰি— স্বৰ সন্ধি, মিশ্র বা বমিস্সক সন্ধি আৰু অনুস্বাৰ বা নিগ্গহীত সন্ধি।



১০.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

1] ঠাকুৰ, নগেন [1993]Ê, *প্ৰাকৃত সাহিত্য চয়ন;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

2] ঠাকুৰ, নগেন [1989]Ê, *প্ৰাকৃত সাহিত্যৰ অধ্যয়ন;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

3] ঠাকুৰ, নগেন [1997]Ê, *পালি-প্ৰাকৃত-অপভ্রংশ ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ কে. এম. পাব্লিছিং।

4] শইকীয়া বৰা, লীলাৱতী [2002]Ê, *সংস্কৃত-পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ;* ডিব্ৰুগড়, গুৱাহাটী ঃ বনলতা।

বাংলা গ্ৰন্থ ঃ

5] বন্দ্যোপাধ্যায়, ধীরেন্দ্র নাথ [1988]Ê, *সংস্কৃত সাহিত্যের ইতিহাস;* কলকাতা ঃ পশ্চিমবঙ্গ রাজ্য পুস্তক পর্ষদ।

6] বসু, শঙ্করীপ্রসাদ [1999]Ê, *বিদ্যাপতি ও চণ্ডীদাস;* কলকাতা ঃ দে'জ পাব্লিকেশ্যন।

7] বিদ্যাসাগর, ঈশ্বরচন্দ্র [1996]Ê, *সমগ্র ব্যাকরণ-কৌমুদী (সংশোধিত);* কলকাতা ঃ দেব সাহিত্য কুটীর প্রাঃ লিঃ।

8] ভট্টাচার্য, দেবীদাস [1965]Ê, *মধ্য ভারতীয় আর্যভাষা ও সাহিত্যের ভূমিকা;* গৌহাটী ঃ ওরিয়েণ্টাল বুক কোম্পানী।

ইংৰাজী গ্ৰন্থ ঃ

9] Biswas, Sukumar (1970); *A Comparative Old Indo-Aryan Grammar;* Pathsala, Guwahati : Bani Prakash.

10] Kale, M. R. (Ed.) (1969); *The Abhijnana Sakuntalam of Kalidasa.* Delhi : MBD.

11] Keith, A. B. (1973); *A History of Sanskrit Literature;* Oxford UP, Delhi : et al.

12] Macdonell, A. A. (1988); *A Sanskrit Grammar for Students;* Delhi : MBD.

13] Mishra, Harimohan (1989); *"Kirtilata"*, *in Encyclopaedia of Indian Literature*, Vol-3, Ed. by Amaresh Dutta, Delhi : Sahitya Academi.

14] Whitney, W. D. (1985); *Sanskrit Grammar;* Delhi : MBD, et al.

15] Winternitz, M. (1985); *History of Indian Literature;* Vol-II (trns. in Eng. by Subhadra Jha), Delhi : MBD.

১০.৬ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃসংস্কৃত আৰু পালি-প্রাকৃতৰ ব্যঞ্জন ধ্বনিসমূহৰ দুখন সুকীয়া তালিকা দাঙি ধৰিব লাগিব আৰু সংস্কৃত ব্যঞ্জনৰ সৈতে পালি-প্রাকৃতৰ ব্যঞ্জন কোন দিশত পৃথক সেই বিষয়ে লিখিব লাগিব।

২ নং প্রশ্নৰ উত্তৰ ঃসংস্কৃতৰ সংযুক্ত ব্যঞ্জনসমূহ পালি-প্রাকৃত-অপভ্রংশত কি কি প্রক্রিয়াৰে কেনেদৰে পৰিৱর্তিত হৈছে সেই বিষয়ে আলোচনা কৰিব লাগিব।

৩ নং প্রশ্নৰ উত্তৰ ঃসন্ধিৰ ধাৰণা দি সংস্কৃত সন্ধিৰ সৈতে পালি-প্রাকৃত সন্ধি কোনবোৰ দিশত পৃথক সেইবোৰৰ বিষয়ে আলোচনা কৰিব লাগিব।



১০.৭ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ দুখন তালিকা কৰি সংস্কৃত আৰু পালি-প্রাকৃতৰ ব্যঞ্জন ধ্বনিসমূহৰ এটি তুলনামূলক আলোচনা দাঙি ধৰক।

প্রশ্ন ২ ঃ সংস্কৃতৰ শ, ষ আৰু স ধ্বনিয়ে পালি-প্রাকৃতত কি ৰূপ লৈছে উদাহৰণসহ বুজাই লিখক।

প্রশ্ন ৩ ঃ সংস্কৃতৰ সংযুক্ত ব্যঞ্জন ধ্বনিসমূহ পালি-প্রাকৃত ভাষাত কি কি প্রক্রিয়াৰ জৰিয়তে কেনেদৰে পৰিৱর্তিত হৈছে, বিচাৰ কৰক।

প্রশ্ন ৪ ঃ সন্ধি কাক বোলে? সংস্কৃতত সন্ধি কেই প্রকাৰৰ? সংস্কৃত আৰু পালি-প্রাকৃত সন্ধিৰ বৈশিষ্ট্যসমূহ ফঁহিয়াই দেখুৱাওক।

প্রশ্ন ৫ ঃ পালি-প্রাকৃত ভাষাত কেই প্রকাৰৰ সন্ধি পোৱা যায়। সেইবোৰ সংস্কৃততকৈ কি কি ক্ষেত্রত পৃথক, বহলাই বুজাই লিখক।

*** ***** ***

অধ্যায় ১১ ঃ সংস্কৃত-পালি-প্রাকৃত-অপভ্রংশৰ শব্দৰূপ ঃ কাৰক, শব্দ-বিভক্তি, বচন আৰু লিঙ্গ

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ সংস্কৃত-পালি-প্রাকৃত-অপভ্রংশৰ শব্দৰূপ ঃ কাৰক, শব্দ-বিভক্তি, বচন আৰু লিঙ্গ

- ১১.৩.১ সংস্কৃতৰ শব্দৰূপ
- ১১.৩.২ সংস্কৃতৰ বচন, লিঙ্গ আৰু শব্দ-বিভক্তি
- ১১.৩.৩ সংস্কৃতৰ কাৰক আৰু শব্দ-বিভক্তি
- ১১.৩.৪ সংস্কৃত-শব্দৰূপৰ শ্রেণীবিভাগ
- ১১.৩.৫ সংস্কৃত শব্দৰূপৰ অন্যান্য বিশেষত্ব
- ১১.৩.৬ পালি-প্রাকৃত-অপভ্রংশৰ শব্দৰূপ

১১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৫ অধিক জানিবলৈ

১১.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১১.৭ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সংস্কৃতৰ শব্দৰূপৰ পালি-প্রাকৃত আৰু অপভ্রংশত হোৱা পৰিৱর্তনৰ বিষয়ে বিশ্লেষণ কৰি দেখুৱাব পাৰিব
- সংস্কৃতৰ কাৰকৰ পালি-প্রাকৃত-অপভ্রংশত ঘটা পৰিৱর্তনৰ দিশবোৰ বিশ্লেষণ কৰিব পাৰিব
- সংস্কৃত ভাষাৰ শব্দ-বিভক্তিৰ সৈতে পালি-প্রাকৃত আৰু অপভ্রংশৰ লিঙ্গ-ব্যৱস্থাৰ তুলনামূলক ব্যাখ্যা আগবঢ়াব পাৰিব
- সংস্কৃত-পালি-প্রাকৃত-অপভ্রংশ ভাষাৰ বচন আৰু লিঙ্গৰ বিষয়ে সম্যক ধাৰণা দিব পাৰিব।

১১.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় ষাণ্মাসিকৰ ভাষা শাখাৰ শিক্ষার্থীসকলৰ বাবে আগবঢ়োৱা এয়া তৃতীয় পাঠ্যবিষয়ৰ অন্তর্গত একাদশ অধ্যায়। ইয়াৰ সংস্কৃত পালি-প্রাকৃত-

অপভ্রংশৰ শব্দৰূপ ঃ কাৰক, শব্দ-বিভক্তি, বচন আৰু লিঙ্গ— এই বিষয়ে আলোচনা আগবঢ়োৱা হৈছে। আপুনি এইটো জানে যে ভাষা বিশেষৰ শব্দৰূপৰ সৈতে কাৰক, কাৰক-বিভক্তি বা শব্দ-বিভক্তি, বচন, লিঙ্গ আদি বিষয় জড়িত হৈ থাকে। ভাষা এটাৰ নাম-প্রকৃতি বা প্রাতিপদিকৰ (যেনে— বিশেষ্য, সর্বনাম আদি) বিবিধ প্রকাৰৰ ৰূপ হোৱা প্রণালীকে শব্দৰূপ (Declension) আখ্যা দিয়া হয়। এনে ৰূপ-সাধন-প্রণালীত প্রাতিপদিকৰ পিছত বিবিধ প্রকাৰৰ বিভক্তিৰ সংযোগ ঘটে। অর্থাৎ, শব্দৰূপ মানে হ'ল নামমূল বা প্রাতিপদিকৰ পিছত নাম-বিভক্তি লগ লগাই বচন, লিঙ্গ আৰু বিভিন্ন কাৰকৰ ভাব-প্রকাশৰ প্রণালী। শব্দৰূপত বিভক্তিয়ে ঘাই ভূমিকা পালন কৰে। বিভক্তিযুক্ত শব্দই পদ; অর্থাৎ, বিভক্তিৰ সংযোগ অবিহনে কোনো শব্দ বাক্যত ব্যৱহাৰ হ'ব নোৱাৰে। সংস্কৃত ভাষাত বচন আৰু কাৰক অনুসাৰে নাম শব্দৰ ৰূপ হয়। সেয়ে হ'লেও, আকাৰ অনুযায়ী শব্দৰূপ সুকীয়া সুকীয়া হয়। ইয়াৰ উপৰি লিঙ্গ অনুসাৰেও শব্দৰূপ ভিন্ন হয়। বিভক্তি সংযোগ কৰাৰ পিছত বচন বা সংখ্যাৰ ৰূপৰ সাল-সলনি ঘটে, লিঙ্গৰ পৰিৱর্তন ঘটিব পাৰে আৰু বিভিন্ন কাৰকৰ অর্থ ভেদ হয়। সংস্কৃতৰ শব্দৰূপৰ আলোচনাৰ প্রসঙ্গতো উল্লিখিত বিষয়কেইটাৰ অৱতাৰণা কৰিবলগীয়া হয়। মন কৰিবলগীয়া যে সংস্কৃতৰ বচন, লিঙ্গ আৰু কাৰক অনুযায়ী হোৱা নামশব্দৰ ৰূপ যথেষ্ট জটিল আৰু বৈচিত্র্যপূর্ণ। আপোনাৰ পাঠ্যক্রমত এনে বিষয়বোৰৰ লগতে পালি-প্রাকৃত-অপভ্রংশত হোৱা বিবিধ প্রকাৰৰ পৰিৱর্তনৰ দিশটোও অন্তর্ভুক্ত কৰা হৈছে। এইটো অধ্যায়ত সংস্কৃতৰ শব্দৰূপৰ, অর্থাৎ নাম-প্রকৃতি বা প্রাতিপদিকৰ (যেনে— বিশেষ্য, সর্বনাম আৰু বিশেষণ) বিবিধ প্রকাৰৰ ৰূপ হোৱা প্রণালীৰ পালি-প্রাকৃত-অপভ্রংশত ঘটা পৰিৱর্তনৰ বিষয়ে আলোচনা কৰা হৈছে। পাঠ্যক্রমৰ সীমাবদ্ধতালৈ লক্ষ্য কৰি ইয়াত মাত্র শব্দ-বিভক্তি, কাৰক, বচন, লিঙ্গ আৰু শব্দৰূপৰ শ্রেণীবিভাগ— এই বিষয়কেইটাহে দাঙি ধৰা হৈছে।

১১.৩ সংস্কৃত-পালি-প্রাকৃত-অপভ্রংশৰ শব্দৰূপ ঃ কাৰক, শব্দ-বিভক্তি, বচন আৰু লিঙ্গ

১১.৩.১ সংস্কৃতৰ শব্দৰূপ

সংস্কৃত ভাষাত বচন, লিঙ্গ আৰু কাৰক অনুযায়ী নামশব্দৰ ৰূপ কৰা হয়। সেয়ে হ'লেও গঠন আৰু আকাৰ অনুযায়ী শব্দৰূপ সুকীয়া হোৱা দেখা যায়। এনে কাৰণত সংস্কৃতৰ শব্দৰূপত যথেষ্ট জটিলতা থকা পৰিলক্ষিত হয়।

শব্দ-বিভক্তি ঃ শব্দৰ ৰূপ-সাধন প্রক্রিয়া (Declension)-ত শব্দৰ সৈতে যিবোৰ ভাষিক চিহ্নৰ সংযোগ ঘটে সেইবোৰক শব্দ-বিভক্তি বোলা হৈছে। বিভক্তিযুক্ত শব্দমূল বা প্রাতিপদিকক পদ বোলা হয় আৰু পদৰ মর্যাদা লাভ কৰাৰ পিছতহে তেনে শব্দ বাক্যত ব্যৱহাৰ হ'ব পাৰে। এই ফালৰ পৰা শব্দৰূপত বিভক্তিৰ ভূমিকাই প্রধান।

বিভক্তি হ'ল এক বা একাধিক ধ্বনিৰে গঠিত একোটাহঁত ক্ষুদ্ৰ ক্ষুদ্ৰ ৰূপ বা প্ৰাকৃতি। এই ৰূপবোৰে প্ৰকৃতি বা মূল (ধাতু)-ৰ লগত নাইবা শব্দমূল বা প্ৰাতিপদিকৰ পিছত বহি বাক্যত প্ৰয়োগ হোৱা বিভিন্ন পদৰ মাজত সংগতি স্থাপন কৰি বাক্য অৰ্থপূৰ্ণ কৰি তোলে। প্ৰকৃতি বা মূলৰ পিছত লগ লগা বিভক্তিবোৰ ক্ৰিয়া-বিভক্তি বা আৰু শব্দমূল বা প্ৰাতিপদিকৰ পিছত সংযোগ হোৱা বিভক্তিবোৰ কাৰক-বিভক্তি বা শব্দ-বিভক্তি। প্ৰাতিপদিকৰ পিছত যোগ হোৱা বিভক্তিক নাম-বিভক্তি বা কাৰক-বিভক্তি বা শব্দ-বিভক্তি বোলা হয় যদিও সংস্কৃতত এনে বিভক্তিক 'সুপ্-বিভক্তি' আখ্যা দিয়া হৈছে। বিভক্তিসমূহৰ প্ৰথমটোৰ আদি বৰ্ণ সু আৰু শেষৰটোৰ অন্তিম বৰ্ণ প্ হোৱা হেতুকে এইবোৰক 'সুপ্-বিভক্তি' বোলা হৈছে। উল্লেখনীয় যে সংস্কৃত ভাষাত কাৰক আৰু বচনৰ নিৰ্ণয়ত 'সুপ্-বিভক্তি'-ৰ সংযোগ ঘটে। ইয়াৰ ফলত প্ৰাতিপদিকৰ ৰূপ আৰু অৰ্থৰ তাৰতম্য ঘটে।

সংস্কৃতত সম্বন্ধপদক ধৰিলে কাৰকৰ সংখ্যা সাতটা ঃ কৰ্তা (প্ৰথমা), কৰ্ম (দ্বিতীয়া), কৰণ (তৃতীয়া), সম্প্ৰদান (চতুৰ্থী), অপাদান (পঞ্চমী), সম্বন্ধ (ষষ্ঠী) আৰু অধিকৰণ (সপ্তমী); আনহাতে বচন তিনিটা ঃ একবচন, দ্বিবচন আৰু বহুবচন। গতিকে সাতোটা কাৰক আৰু প্ৰতিটোৰে তিনিটাকৈ বচনত সুপ্-বিভক্তিৰ সংখ্যা মুঠ একৈশটা। এই বিভক্তিবোৰে এহাতে কাৰকৰ ভাব প্ৰকাশ কৰে আৰু আনহাতে বচন বা সংখ্যাৰ ধাৰণা দিয়ে। তলৰ তালিকাখনে আপোনাক কথাখিনি বুজাত সহায় কৰিব ঃ

কাৰক	বিভক্তিৰ সংখ্যাগত নাম	বচন		
		একবচন	দ্বিবচন	বহুবচন
কৰ্তা	প্ৰথমা	সু	ঔ	জস্
কৰ্ম	দ্বিতীয়া	অম্	ঔ	শস্
কৰণ	তৃতীয়া	টা	ভ্যাম্	ভিস্
সম্প্ৰদান	চতুৰ্থী	ঙে	ভ্যাম্	ভ্যস্
অপাদান	পঞ্চমী	ঙসি	ভ্যাম্	ভ্যস্
সম্বন্ধ	ষষ্ঠী	ঙস্	ওস্	আম্
অধিকৰণ	সপ্তমী	ঙি	ওস্	সুপ্

কোনো কোনো ব্যাকৰণবিদে সম্বোধন পদৰ বিভক্তিক ভিন্নৰূপে ধৰি বিভক্তিৰ সংখ্যা আঠোটা কৰিব বিচাৰে। কিন্তু সম্বোধনত যিহেতু প্ৰথমা বিভক্তি বিশেষৰূপে প্ৰয়োগ হয়, সেইবাবে তাক সুকীয়াৰূপে গণ্য কৰা নহয়। মন কৰিবলগীয়া যে প্ৰয়োগৰ সময়ত বিভক্তিবোৰত থকা উ, জ, শ, ট, ঙ আৰু প্ সদায়ে লোপ পায়; 'স' বিসৰ্গলৈ ৰূপান্তৰিত হয়। আপোনাৰ জ্ঞাতাৰ্থে তলত সংস্কৃত অকাৰান্ত 'নৰ' শব্দৰ প্ৰথমা বিভক্তিত তিনিওটা বচনত হোৱা ৰূপ উদাহৰণ হিচাপে দাঙি ধৰা হ'ল ঃ

	একবচন	দ্বিবচন	বহুবচন
প্রথমা	নৰ + সু = নৰস্ > নৰঃ	নৰ + ঔ = নৰৌ	নৰ + জস্ > নৰ + অস্ = নৰাস > নৰাঃ

আকৌ শব্দমূল বা প্রাতিপদিকটোৰ আকৃতি অনুযায়ী কেতবোৰ বিভক্তিয়ে সুকীয়া ৰূপো লয়। সংস্কৃত ব্যাকৰণ মতে, 'অতো ভিসঃ ঐস্', অর্থাৎ অ-কাৰান্ত পুংলিঙ্গ আৰু স্ত্রীলিংগসূচক শব্দমূলৰ পিছত তৃতীয়াৰ বহুবচনত ভিস্ বিভক্তি ঐস্ (ঐঃ) হয়, যেনে— নৰ + ভিস্ = নৰৈঃ, বৃক্ষ + ভিস্ = বৃক্ষৈঃ ইত্যাদি। তেনেদৰে 'টা-ঙসি-ঙসামিনাৎ স্যা'ঃ, অর্থাৎ অ-কাৰান্ত পুংলিঙ্গ আৰু ক্লীৱলিঙ্গবাচক প্রাতিপাদিকৰ পিছত তৃতীয়াৰ একবচনৰ -টা, পঞ্চমীৰ একবচনৰ -ঙসি আৰু ষষ্ঠীৰ একবচনৰ -ঙস্ যথাক্রমে -এন, -আ আৰু -স্য হয়, যেনে— নৰ + টা = নৰেণ, বৃক্ষ + ঙসি = বৃক্ষাৎ, নৰ + ঙস্ = নৰস্য, ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সংস্কৃতৰ শব্দ-বিভক্তিক কিয় সুপ্-বিভক্তি বোলা হয়? সংস্কৃতৰ সুপ্-বিভক্তিৰ তালিকা এখন প্রস্তুত কৰক। (১৫০টা শব্দৰ ভিতৰত)

১১.৩.২ সংস্কৃতৰ বচন, লিঙ্গ আৰু শব্দ-বিভক্তি

পূর্বৱর্তী উপশাখাটোৰ পৰা আপুনি সংস্কৃত ভাষাৰ বচন সম্বন্ধে কিছু ধাৰণা লাভ কৰিলে। সংস্কৃত ব্যাকৰণ অনুসাৰে সুপ্-তিঙাদি বিভক্তিযুক্ত পদৰ সংখ্যা যাৰ দ্বাৰা নিৰূপিত হয়, তাকে বচন বোলা হয়। মন কৰিবলগীয়া যে সংস্কৃত ভাষাত বিভক্তিসমূহতে বচনৰ অর্থ সোমাই থাকে। অর্থাৎ বচন অনুসাৰে যি যি বিভক্তি প্রয়োগ কৰা হয়, সেই সেই বিভক্তিৰ দ্বাৰাই সংখ্যা নিৰূপিত হয়। সংস্কৃতত সুপ্-বিভক্তিৰ প্রথমা, দ্বিতীয়া আদি প্রতি ভাগ বিভক্তিৰ তিনিটাকৈ বচন পোৱা যায় ঃ একবচন, দ্বি বচন আৰু বহু বচন। একবচনে এটা, দ্বিবচনে দুটা আৰু বহুবচনে দুটাতকৈ অধিক সংখ্যা নিৰূপণ কৰে। উদাহৰণ স্বৰূপে কোনো প্রাতিপদিকৰ পিছত প্রথমাৰ একবচনৰ সু, দ্বিবচনৰ ঔ আৰু বহুবচনৰ জস্ লগ লগালে যথাক্রমে এক, দুই আৰু বহুতৰ ধাৰণা পোৱা যায়। উদাহৰণ স্বৰূপে 'নৰ' শব্দৰ নৰ + সু = নৰঃ, অর্থাৎ এজন মানুহ, নৰ + ঔ = নৰৌ মানে দুজন মানুহ আৰু নৰ + জস্ = নৰাঃ মানে দুজনতকৈ অধিক বা বহুত মানুহ।

সংস্কৃত ভাষাত লিঙ্গ-নির্ণয়ৰ প্রক্রিয়া অতিশয় জটিল। কাৰণ, একেটা শব্দ-বিভক্তিয়ে লিঙ্গ অনুসাৰে ভিন্ ভিন্ নামশব্দকে ভিন্ ভিন্ ৰূপ প্রদান কৰে। সাধাৰণতে ভাষাটোত তিনি প্রকাৰৰ লিঙ্গ আছে ঃ পুংলিঙ্গ, স্ত্রীলিঙ্গ আৰু ক্লীৱলিঙ্গ। সেয়ে হ'লেও, আন কিছুমান ভাষাৰ দৰে সংস্কৃতত অর্থলৈ লক্ষ্য কৰি, অর্থাৎ

শব্দটোৱে পুৰুষ, স্ত্রী নে জড় পদার্থ বুজাইছে তাৰ্লৈ চাই লিঙ্গ নিৰূপণ কৰা নহয়। তাৰ সলনি ভাষাটোত কেতিয়াবা অর্থৰ ভিত্তিত, কেতিয়াবা যোগ হোৱা প্রত্যয়ৰ ভিত্তিত আৰু কেতিয়াবা শব্দৰ আকৃতি বা গঠন অনুযায়ী লিঙ্গ নির্ণয় কৰা হয়। আনকি একোটাহঁত নাম শব্দৰ প্রতিশব্দবোৰৰ বা সমানার্থক শব্দবোৰবো ভিন্ ভিন্ লিঙ্গ হ'ব পাৰে। উদাহৰণ স্বৰূপে, 'মাতৃ' শব্দ পুংলিঙ্গ; কিন্তু, একেই স্ত্রী বাচক 'ধাতৃ' শব্দ ক্লীৱলিঙ্গ। সংস্কৃত 'ভার্যা' 'দাৰ' আৰু 'কলত্র' শব্দই তিৰোতাক বুজায়; কিন্তু লিঙ্গৰ ফালৰ পৰা অকল 'ভার্যা' শব্দহে স্ত্রীলিঙ্গ; বাকী 'দাৰ' আৰু 'কলত্র' যথাক্রমে পুংলিঙ্গ আৰু ক্লীৱলিঙ্গহে।

একে অর্থ বুজাবলৈ অর্থ, আকৃতি আৰু প্রত্যয়ৰ সংযোগ অনুযায়ী তিনিটা সুকীয়া শব্দৰ ব্যৱহাৰ সংস্কৃত লিঙ্গৰ অন্যতম বিশেষ বৈশিষ্ট্য। মুঠতে সংস্কৃত লিঙ্গ অর্থভিত্তিক নহয়, ৰৰং ব্যাকৰণভিত্তিকহে। ব্যাকৰণৰ নিয়মৰ আধাৰত প্রয়োগ বৈশিষ্ট্যৰ জৰিয়তেহে সংস্কৃতত লিঙ্গ নিৰূপণ কৰা হয়। এনে কাৰণতে সংস্কৃতৰ লিঙ্গ-নির্ণয়ৰ প্রক্রিয়াক ব্যাকৰণগত (Grammatical) আখ্যা দিয়া হৈছে।

সংস্কৃত ব্যাকৰণত পুংলিঙ্গ, স্ত্রীলিঙ্গ আৰু ক্লীৱলিঙ্গ শব্দ সম্বন্ধে বিশেষ নীতি-নির্দেশনা দিয়া আছে। এনে নির্দেশনাৰ মূল আধাৰ হৈছে তিনিটা ঃ শব্দৰ অর্থ, শব্দৰ গঠন বা আকৃতি আৰু শব্দটোত যোগ হোৱা প্রত্যয়। অর্থ অনুযায়ী দেৱতা বুজোৱা (সুৰ, ব্রহ্মা, বিষ্ণু, ৰুদ্র আদি), অসুৰ বুজোৱা (দৈত্য, দানৰ আদি), চন্দ্র বুজোৱা (চন্দ্র, ইন্দ্র, সোম আদি), সূর্য বুজোৱা (সূর্য, ৰবি, ভাস্কৰ আদি), মেঘ বুজোৱা (মেঘ, জলধৰ আদি), পর্বত বুজোৱা (গিৰি, শৈল আদি) শব্দবোৰক পুংলিঙ্গসূচক বুলি ধৰা হয়। তেনেদৰে ভূবাচক (ভূ, ধৰিত্রী আদি), নদীবাচক (নদী, সৰিৎ, তটিনী আদি), নিশাবাচক (নিশা, ৰাত্রি, যামিনী আদি), লতাবাচক (লতা, ৱল্লী আদি) শব্দ স্ত্রীলিঙ্গ। মুখ, নয়ন, লৌহ, মাংস, বস্ত্র, ৰুধিৰ, কাষ্ঠ, বন্ধু অর্থত মিত্র, অন্নবাচক, নক্ষত্রবাচক শব্দবোৰ অর্থৰ ফালৰ পৰা ক্লীৱলিঙ্গ।

গঠন বা আকৃতি অনুযায়ী শব্দৰ শেষত ক, ষ, ণ, ভ, ম, ৰ্ থকা শব্দবোৰ (কাক, তুষ, পাষাণ, কুম্ভ, সোম, হৰ আদি) পুংলিঙ্গসূচক। আনহাতে আ-কাৰান্ত, উ-কাৰান্ত, ঈ-কাৰান্ত শব্দবোৰ সাধাৰণতে স্ত্রীলিঙ্গবাচক। তদুপৰি ৱিংশতিৰ পৰা নৱতি পর্যন্ত সংখ্যাবাচক শব্দবোৰ আৰু প্রতিপদ, দ্বিতীয়া আদি তিথিবাচক শব্দবোৰো স্ত্রীলিঙ্গসূচক। সাধাৰণতে শত, সহস্র, অযুত, লক্ষ, নিযুত আদি শব্দ ক্লীৱলিঙ্গবাচক। আকৌ অস, ইস্ আৰু অন্ ভাগান্ত শব্দবোৰ ক্লীৱলিঙ্গ। তেনেদৰে অন্ত্য ম্-কাৰ যুক্ত শব্দবোৰ (কাৰণম্, তৃণম, শৰীৰম, শৰণম্ আদি) ক্লীৱলিঙ্গসূচক।

শব্দৰ শেষত যোগ হোৱা প্রত্যয় অনুসাৰে ঘঞ্ (নাশ, পাঠ আদি), অল্ (ভৰ, গ্রহ, দ্রোহ আদি), ণঙ্ (যত্ন, প্রশ্ন, যজ্ঞ আদি) আৰু ইমন্ (মহিমা, নীলিমা আদি) প্রত্যয়ান্ত শব্দবোৰ পুংলিঙ্গ। আকৌ সংস্কৃত স্ত্রী প্রত্যয় আপ, ঙষি, ঙীপ যুক্ত শব্দবোৰ (অজা, অশ্বা, কর্ত্রী, ৰাজ্ঞী আদি) সদায়ে স্ত্রীলিঙ্গসূচক। সেয়ে হ'লেও, ক্তিন্ প্রত্যয়ান্ত শব্দ মুক্তি, প্রীতি, গতি আদি; ভাৱবাচ্যৰ ক্বিপ্ প্রত্যয়ান্ত শব্দ আপত্, বিপত্ আদি; তল প্রত্যয়ান্ত শব্দ শুক্লতা, পটুতা, নম্রতা আদিও স্ত্রীলিঙ্গৰ ভিতৰুৱা শব্দ।

একেদৰে ভাৱবাচ্যৰ ক্ত প্রত্যয়ান্ত শব্দবোৰ (হসিতম্, পতম্); তব্য, অনীয়, ণ্যৎ, প্রত্যয়ান্ত শব্দবোৰ (গন্তৱ্যম্, গময়ীয়ম, নেয়ম্, দেয়ম্ আদি) ক্লীৱলিঙ্গ।

সংস্কৃত শব্দৰূপত লিঙ্গৰ ভূমিকা অতিশয় গুৰুত্বপূর্ণ। কাৰণ লিঙ্গ অনুসাৰে শব্দৰ ৰূপবোৰ ভিন্ ভিন্ হয়। উদাহৰণ স্বৰূপে অ-কাৰান্ত পুংলিঙ্গবাচক 'নৰ' শব্দৰ লগত প্রথমা বিভক্তি যোগ হ'লে এনে ধৰণৰ ৰূপ হয়, যেনে— নৰঃ- নৰৌ-নৰাঃ; আনহাতে অ-কাৰান্ত ক্লীৱলিঙ্গসূচক 'মিত্র' শব্দৰ ৰূপ কিন্তু ভিন্ন প্রকৃতিৰ হয়, যেনে— মিত্রম-মিত্রে-মিত্রাণি। আকৌ আ-কাৰান্ত স্ত্রীলিঙ্গ 'লতা' শব্দৰ ৰূপ লতা-লতে-লতাঃ হয়। গতিকে দেখা যায় সংস্কৃতত লিঙ্গ অনুসাৰে বিভক্তিয়ে সুকীয়া ৰূপ পৰিগ্রহ কৰে। আনকি একে লিঙ্গৰ অন্তর্গত শব্দবোৰেও ৰূপ হওঁতে আকাৰ অনুযায়ী ভিন্ন ৰূপ লয়। এনে কাৰণতে সংস্কৃতৰ শব্দৰূপ জটিল আৰু বৈচিত্র্যময় হৈ দেখা দিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ বচন কাক বোলে? সংস্কৃত ভাষাত বচন কেইবিধ? ভাষাটোৰ বচন-নির্ণয়ত শব্দ-বিভক্তিৰ ভূমিকা সম্বন্ধে এটি টোকা প্রস্তুত কৰক। (১৫০টা শব্দৰ ভিতৰত)

প্রশ্ন নং ৩ ঃ সংস্কৃত লিঙ্গ-পদ্ধতিৰ সকলো দিশ ফঁহিয়াই এটি চমু আলোচনা দাঙি ধৰক। (১৫০টা শব্দৰ ভিতৰত)

১১.৩.৩ সংস্কৃতৰ কাৰক আৰু শব্দ-বিভক্তি

বিভক্তিসমূহৰ প্রয়োগৰ জৰিয়তে ক্রিয়াৰ লগত নামশব্দৰ সম্বন্ধ স্থাপন হয়। গতিকে ক্রিয়াৰ সৈতে বিভক্তিযুক্ত নামশব্দৰ সম্বন্ধ বা অন্বয় সাধনকে কাৰক বোলা হয়। আন কথাত বাক্যত ব্যৱহাৰ হওঁতে বিভক্তিযুক্ত নামশব্দৰ ক্রিয়াপদৰ সৈতে যি সম্বন্ধ স্থাপিত হয় তাৰ নামেই কাৰক। সংস্কৃত ব্যাকৰণত ক্রিয়ান্বয়ি কাৰকম্' বুলি কাৰকৰ যি সংজ্ঞা দিয়া হৈছে তাৰ পৰা বুজা যায় যে অকল ক্রিয়াৰ সৈতে সম্পর্ক ঘটা পদবোৰৰহে কাৰকৰ মর্যাদা আছে, ক্রিয়াৰ বাহিৰে অন্য পদৰ লগত সম্বন্ধ বুজোৱা শব্দক (পদক) কাৰক বোলা নহয়। সেয়া হ'লেও, প্রচলিত সংস্কৃত ব্যাকৰণবোৰত শব্দৰূপৰ প্রসঙ্গত সম্বন্ধপদ আৰু সম্বোধনপদকো কাৰক আখ্যা দি মুঠ আঠোটা কাৰকৰ আলোচনা কৰা হৈছে। কিন্তু সূত্র অনুসাৰে ক্রিয়াৰ সৈতে নামপদৰ সম্পর্ক নঘটা হেতুকে সম্বন্ধপদ সম্বন্ধপদ আৰু সম্বোধনপদতো ক্রিয়াৰ সৈতে নামপদৰ পোনপটীয়া সম্পর্ক নঘটে। সম্বন্ধপদত ষষ্ঠী বিভক্তিৰ চিন লগ লাগে। আকৌ সম্বোধনপদৰো সম্বন্ধপদৰ দৰে তিনিটা বচন অনুযায়ী ৰূপ হয়। গতিকে এটা শৃংখলা ৰক্ষাৰ বাবে সম্বন্ধপদ আৰু সম্বোধন পদ উভয়ৰে আলোচনা কাৰকৰ শিতানতে দাঙি ধৰা হৈছে। অৱশ্যে সম্বোধন পদৰ বাবে সংস্কৃতত কোনো সুকীয়া বিভক্তি নাই; প্রথমাৰ দ্বিবচন আৰু বহুবচনৰ বিভক্তিয়ে সম্বোধনতো ব্যৱহাৰ

হয়। মাত্র একবচনত কোনো কোনো শব্দৰ সুকীয়া আকাৰ লক্ষ্য কৰা যায়। এই ফালৰ পৰা সম্বোধন পদৰ বিভক্তিক প্রথমা বিভক্তিৰে এক বিশেষ ৰূপ বুলিব পাৰি।

ওপৰৰ আলোচনাৰ পৰা আপুনি নিশ্চয় বুজিব পাৰিছে যে সংস্কৃত ভাষাত যথার্থ কাৰক ছটা ঃ কর্তা, কর্ম, কৰণ, সম্প্রদান, অপাদান আৰু অধিকৰণ। আনহাতে বিভক্তিৰ সংখ্যা সাতোটা ঃ প্রথমা, দ্বিতীয়া, তৃতীয়া, চতুর্থী, পঞ্চমী, ষষ্ঠী আৰু সপ্তমী। কাৰোবাৰ লগত সম্বন্ধ বুজাবলৈ অথবা দুটা নামশব্দৰ পাৰস্পৰিক সম্বন্ধৰ অর্থ জ্ঞাপন কৰিবলৈ সম্বন্ধ পদ হয় আৰু সম্বন্ধ পদত ষষ্ঠী বিভক্তি যোগ হয়। কিন্তু সম্বন্ধ পদৰ সৈতে ক্রিয়াপদৰ সম্পর্ক নঘটে বাবে তাক কাৰক বুলি ধৰা নহয়। সম্বন্ধ কাৰকৰূপে গণ্য কৰিলে কাৰকৰ সংখ্যা হয় সাতোটা।

যি প্রধানভাৱে কোনো কাম কৰে বা যিয়ে ক্রিয়া সম্পাদন কৰে সি কর্তা কাৰক আৰু কর্তা কাৰকত প্রথমা বিভক্তি লগ লাগে। কর্তাই যাৰ ওপৰত ক্রিয়া কৰি পূর্ণতা লাভ কৰে তাৰ নাম কর্ম কাৰক; কর্ম কাৰকত দ্বিতীয়া বিভক্তি যোগ হয়। কর্তাই যাৰ দ্বাৰা বা যিহৰ সহায়ত ক্রিয়া সম্পাদন কৰে তাৰ নামকৰণ কাৰক; এই কাৰকত তৃতীয়া বিভক্তি যোগ হয়। কোনো বস্তুৰ স্বত্ব ত্যাগ কৰি কাৰোবাক দান কৰা বুজালে সম্প্রদান কাৰক হয়; সম্প্রদান কাৰকত চতুর্থী বিভক্তি যোগ হয়। য'ৰ পৰা পৃথক, বিশ্লেষ, আৰম্ভ, উৎপন্ন হয়, তাৰ নাম অপাদান কাৰক। অপাদান কাৰকত পঞ্চমী বিভক্তিৰ সংযোগ ঘটে। স্থান, কাল, পাত্র আদি যিহৰ আধাৰত ক্রিয়া সম্পাদিত হয়, তাৰ নাম অধিকৰণ কাৰক; অধিকৰণ কাৰকত সপ্তমী বিভক্তি যোগ হয়। কাৰোবাৰ সৈতে সম্বন্ধ বুজাবলৈ বা দুটা নাম শব্দৰ লগত পাৰস্পৰিক সম্পর্ক বুজোৱাক সম্বন্ধ পদ বোলে। আপোনাক আগতেই কোৱা হৈছে যে সম্বন্ধ পদৰ ক্রিয়াৰ সৈতে সম্পর্ক নাথাকে। সেইবাবে সম্বন্ধ পদক কাৰকৰ শাৰীত ধৰা নহয়। কিন্তু এই পদ বুজাবলৈ ষষ্ঠী বিভক্তিৰ প্রয়োগ হয়।

আপোনাৰ অৱগতিৰ বাবে তলৰ তালিকাখনত অ-কাৰান্ত 'গজ' শব্দত কাৰক অনুসাৰে যোগ হোৱা শব্দ-বিভক্তিবোৰৰ প্রয়োগ দেখুওৱা হ'ল ঃ

কাৰক	বিভক্তি	একবচন	দ্বিবচন	বহুবচন
কর্তা	প্রথমা	গজ + সু = গজঃ	গজ + ঔ = গজৌ	গজ + জস্ = গজাঃ
কর্ম	দ্বিতীয়া	গজ + অম্ = গজম্	গজ + ঔ = গজৌ	গজ + শস্ = গজান
কৰণ	তৃতীয়া	গজ + টা = গজেন	গজ + ভ্যাম্ = গজাভ্যাম্	গজ + ভিস্ = গজৈঃ
সম্প্রদান	চতুর্থী	গজ + ঙে্ = গজায়	গজ + ভ্যাম্ = গজাভ্যাম্	গজ + ভ্যস্ = গজেভ্যঃ
অপাদান	পঞ্চমী	গজ + ঙসি = গজাৎ	গজ + ভ্যাম্ = গজাভ্যাম্	গজ + ভ্যস্ = গজেভ্যঃ
সম্বন্ধ পদ	ষষ্ঠী	গজ + ঙস্ = গজস্য	গজ + ওস্ = গজয়ো	গজ + আম্ = গজানাম্
অধিকৰণ	সপ্তমী	গজ + ঙি = গজে	গজ + ওস্ = গজয়োঃ	গজ + সুপ্ = গজেসু
সম্বোধন পদ	—	গজঃ	গজৌ	গজাঃ



অগ্রগতি নিৰীক্ষণ


প্রশ্ন নং ৪ ঃ সংস্কৃতত কাৰক কেইবিধ? এইবোৰত কি কি বিভক্তি লগ লাগে ফঁহিয়াই বুজাই লিখক। (১৫০টা শব্দৰ ভিতৰত)

১১.৩.৪ সংস্কৃত শব্দৰূপৰ শ্রেণীবিভাগ

সংস্কৃত ভাষাত সুপ্ বিভক্তি সংযোগ কৰি কাৰক, বচন আৰু লিঙ্গ অনুযায়ী নামশব্দৰ ৰূপ কৰা হয়। এই ক্ষেত্রত শব্দ আৰু বিভক্তি উভয়ৰে আকৃতি আৰু প্রকৃতিগত পৰিৱর্তন হয়। এনে পৰিৱর্তনলৈ লক্ষ্য কৰি সংস্কৃত নামশব্দৰ ৰূপ-সাধন প্রক্রিয়াক ঘাইকৈ দুটা ভাগত ভাগ কৰা হৈছে ঃ বিশেষ্য শব্দৰূপ আৰু সর্বনাম শব্দৰূপ। এই দুটা ভাগৰ ভিতৰতো আকৌ বিশেষ্য বা সংজ্ঞাবাচক শব্দৰ ৰূপক প্রধান বুলিব পাৰি। দুয়োটা ভাগতে একে সুপ্ বিভক্তিৰ প্রয়োগ হয় যদিও, কেতবোৰ সর্বনাম শব্দৰ ৰূপ বিশেষ্যৰ শব্দৰূপতকৈ ভিন্ন হোৱা দেখা যায়। এই ক্ষেত্রত 'অস্মদ্', 'যুষ্মদ্', 'তদ্' আদি সর্বনাম শব্দলৈ আঙুলিয়াব পাৰি। সর্বনাম শব্দই সর্বনামৰ অর্থ প্রকাশ নকৰাকৈ সংজ্ঞা বুজাবলৈ ল'লে তেনে সর্বনামৰ ৰূপ সাধাৰণ অ-কাৰান্ত শব্দৰ দৰে ৰূপ হয়।

নামশব্দৰ অন্তর্গত বিশেষণ শব্দৰ কোনো সুকীয়া ৰূপ নাই। গুণ বুজোৱা বিশেষ্য শব্দৰ লিঙ্গ নিৰূপণ কৰি আকৃতি অনুসাৰে বিশেষণ শব্দৰ ৰূপ কৰা হয়। আন কথাত, বিশেষ্যৰ লিঙ্গ অনুযায়ী বিশেষণ শব্দৰ ৰূপৰ সাল-সলনি ঘটে। বিশেষ্যৰ যি লিঙ্গ, বচন আৰু বিভক্তি, বিশেষণৰো সেই লিঙ্গ, বচন আৰু বিভক্তি হয়।

বিশেষ্য শব্দৰূপৰ শ্রেণীবিভাগ ঃ শব্দৰ আকৃতি আৰু শব্দৰূপৰ চানেকী অনুসাৰে বিশেষ্য শব্দবোৰক এনেদৰে শ্রেণীবিভাগ কৰিব পাৰি ঃ



স্বৰান্ত শব্দৰূপ ঃ শব্দৰ অন্তত স্বৰধ্বনি থকা শব্দবোৰ স্বৰান্ত শ্রেণীৰ শব্দ; যেনে— নৰ, মুনি, লতা, নদী, সাধু, ইত্যাদি। এনে শব্দমালাক মুখ্যতঃ তিনিটা

শ্রেণীত ভাগ কৰিব পাৰি ঃ অ-কাৰান্ত শ্রেণী, ই/উ কাৰান্ত শ্রেণী আৰু আ/ঈ/ঊ কাৰান্ত শ্রেণী। আটাইবোৰ স্বৰান্ত শব্দৰ ভিতৰত অ-কাৰান্ত শব্দৰ সংখ্যাই অধিক। এই শ্রেণীৰ শব্দসমূহ ঘাইকৈ পুংলিঙ্গ আৰু ক্লীৱলিঙ্গবাচক ৰূপত পোৱা যায়। তদুপৰি এই শ্রেণীৰ শব্দৰ শব্দৰূপৰ কেতবোৰ বিশেষ বৈশিষ্ট্য আছে। সেইবোৰ এনে ধৰণৰ ঃ

- অ-কাৰান্ত শব্দৰ কেৱল পুংলিঙ্গ আৰু ক্লীৱলিঙ্গতহে ৰূপ হয়; স্ত্রী বাচক ৰূপ নাই।
- অ-কাৰান্ত শব্দত সুপ্-বিভক্তিবোৰে কিছু ভিন্ন ৰূপ লয়; উদাহৰণস্বৰূপে -ভিস, -টা, -ঙসি, -ঙস্ বিভক্তি ক্রমে -ঐস্, -ইন, -আৎ আৰু -স্য হয়, যেনে— নৰ + ভিস্ = নৰৈঃ, নৰ + টা = নৱেণ, নৰ + ঙসি = নৰাৎ, নৰ + ঙস = নৰস্য ইত্যাদি।
- সুপ্ বিভক্তি সংযোগ হোৱাৰ পিছত অ-কাৰান্ত শব্দৰ শেষৰ স্বৰটোৰ গুণ বা বৃদ্ধি হয়; উদাহৰণ স্বৰূপে—
  প্রথমাৰ বহুবচন ঃ গজ + ঙস্ = গজাঃ (অ + অ = আ),
  পঞ্চমীৰ একবচন ঃ গজ + ঙসি = গজাৎ (অ + অ = আ),
  সপ্তমীৰ একবচন ঃ গজ + ঙি = গজে (অ + ই = এ) ইত্যাদি
- ক্লীৱলিঙ্গবাচক অ-কাৰান্ত শব্দৰ কর্তা আৰু কর্ম কাৰকৰ বাহিৰে আন কাৰকৰ অ-কাৰান্ত পুংলিঙ্গ শব্দৰ সৈতে একে ৰূপ হয়; উদাহৰণ স্বৰূপে—

পুংলিঙ্গবাচক 'গজ' শব্দ

	একবচন	দ্বিবচন	বহুবচন
কর্তা কাৰক ঃ	গজঃ	গজৌ	গজাঃ
কর্ম কাৰক ঃ	গজম্	গজৌ	গজান্।

ক্লীৱলিঙ্গবাচক 'মিত্র' শব্দ

কর্তা কাৰক ঃ	মিত্রম্	মিত্রে	মিত্রাণি
কর্ম কাৰক ঃ	মিত্রম্	মিত্রে	মিত্রাণি

বাকীবোৰ কাৰকৰ ৰূপ অ-কাৰান্ত পুংলিঙ্গ শব্দৰ সৈতে একে।

- অ-কাৰান্ত শব্দৰূপৰ সম্প্রদান আৰু অপাদান কাৰকৰ দ্বিবচনত -ভ্যাম্ বিভক্তি সংযোগ হওঁতে 'আ' স্বৰৰ আগম হয়, যেনে— নৰ + ভ্যাম্ = নৰাভ্যাম্। আকৌ সম্বন্ধ পদ আৰু অধিকৰণ কাৰকত -ওস্ বিভক্তি য়-লৈ ৰূপান্তৰিত হয়, যেনে- নৰ + ওস্ = নৰয়ো।
- অ-কাৰান্ত শব্দৰ কর্তা কাৰকত বহুবচনৰ -জস্ (অস্) বিভক্তি সংযোগ হওঁতে স্বৰৰ বৃদ্ধি হয়; যেনে— নৰ + জস্ > নৰ + অস্ = নৰাঃ (অ + অ = আ)।
- পুংলিঙ্গবাচক শব্দৰ কর্ম কাৰক আৰু কৰণ কাৰকৰ বহুবচনত ৰূপ হওঁতে -শস্ আৰু ভিস্ বিভক্তি যথাক্রমে -আন আৰু -ঐঃ হয়; যেনে— নৰ + শস্ = নৰাণ, নৰ + ভিস্ = নৰৈঃ।

- অ-কাৰান্ত পুংলিঙ্গ শব্দৰ সম্বন্ধ পদৰ বহুবচনত -আম্ বিভক্তি -নাম্ হয়; যেনে— নৰ + আম্ = নৰানাম্। আকৌ অধিকৰণ কাৰকৰ বহুবচনত সুপ্ লগ লাগোতে 'এ' স্বৰৰ প্ৰভাৱত স > ষ হয়; যেনে— নৰ + সুপ্ = নৰসু > নৰেষু।

সংস্কৃতত ই-কাৰান্ত আৰু উ-কাৰান্ত পুংলিঙ্গবাচক শব্দৰ শব্দৰূপ অ-কাৰান্ত পুংলিঙ্গ শব্দৰ দৰে হয় যদিও, আকৃতিৰ বৈশিষ্ট্যৰ কাৰণে সেইবোৰ ভিন্ ভিন্ হৈ দেখা দিয়ে। ই/উ-কাৰান্ত ক্লীৱলিঙ্গবাচক শব্দৰ ৰূপ হওঁতে কৰণ কাৰকৰ পৰা অধিকৰণ কাৰকলৈকে প্ৰাতিপদিকটোত এটা 'ন'-ৰ সংযোগ ঘটে আৰু স্বৰৰ আগম হয়; যেনে— ৱাৰিণা, ৱাৰিণে, ৱাৰিণঃ ইত্যাদি। আকৌ আ/ঈ/ঊ-কাৰান্ত শব্দবোৰ; যেনে— লতা, নদী, বধূ আদি সাধাৰণতে স্ত্ৰীলিঙ্গবাচক হিচাপে ৰূপ হয়।

ব্যঞ্জনান্ত শব্দৰূপ ঃ যিবোৰ শব্দৰ অন্ত্য অৱস্থানত ব্যঞ্জনধ্বনি থাকে, সেইবোৰ ব্যঞ্জনান্ত শব্দ; যেনে— ৰাজন্, আত্মন্, পথিন্, মহৎ ইত্যাদি। স্বৰান্ত শব্দৰ সৈতে থকা অন্ত্যধ্বনিৰ পাৰ্থক্যই এই শ্ৰেণীৰ শব্দক পৃথক কৰিলেও, ৰূপগত দিশতো ইবোৰৰ পাৰ্থক্য লক্ষ্য কৰিব পাৰি। এই শ্ৰেণীৰ শব্দৰ প্ৰাতিপাদিকসমূহক সাধাৰণতে দুটা ভাগত ভগোৱা হয় ঃ মৌলিক বা ধাতুমূলক (Root stem) আৰু সাধিত (Derivative)। সি যি কি নহওক, ব্যঞ্জনান্ত শব্দবোৰ সংস্কৃত শব্দৰূপৰ আন এক প্ৰধান ভাগ। ৰূপগত দিশত স্বৰান্ত শব্দৰূপৰ সৈতে ব্যঞ্জনান্ত শব্দৰূপৰ ঘাই পাৰ্থক্য হ'ল ঃ

- কৰ্ম কাৰকৰ বহুবচনৰ ক্ষেত্ৰত স্বৰান্ত শব্দত -ম্ বিভক্তি যোগ হয়, আনহাতে ব্যঞ্জনান্ত শব্দত -অম্ হয়, যেনে— আত্মন্ + অম্ = আত্মানম, ৰাজন্ + অম্ = ৰাজানম্, ইত্যাদি।
- ব্যঞ্জনান্ত শব্দত বিভক্তি যোগ হোৱাৰ পিছত মূল শব্দৰ অভ্যন্তৰীণ পৰিৱৰ্তন ঘটে, কিন্তু স্বৰান্ত শব্দৰ ক্ষেত্ৰত এনে পৰিৱৰ্তন দেখা নাযায়, যেনে— নৰ + ম্ = নৰম্।
- সম্বন্ধ পদৰ একবচনত -আম্ বিভক্তি স্বৰান্ত শব্দত -ঙস্ বিভক্তি -স্য ৰূপে যোগ হয়, যেনে— নৰ + ঙস্ = নৰস্য। কিন্তু ব্যঞ্জনান্ত শব্দত -অস্ (সঃ) হয়, যেনে— ৰাজনঃ আত্মনঃ ইত্যাদি।
- সম্বন্ধ পদৰ বহুবচনত -আম্ বিভক্তি -নাম্ ৰূপে যোগ হয়, যেনে— নৰ + আম্ = নৰানাম; কিন্তু ব্যঞ্জনান্ত শব্দত সি -আম্ হৈয়ে থাকে, যেনে— ৰাজ্ঞাম ইত্যাদি।

শব্দৰূপৰ ভিত্তিত ব্যঞ্জনান্ত শব্দবোৰক দুটা প্ৰধান ভাগত ভগোৱা হৈছে ঃ (ক) পৰিৱৰ্তনীয় আৰু (খ) অপৰিৱৰ্তনীয়। যিবোৰ শব্দত শব্দৰূপৰ বিভক্তি যোগ হ'লে প্ৰাতিপদিকৰ অভ্যন্তৰীণ পৰিৱৰ্তন ঘটে সেইবোৰ পৰিৱৰ্তনীয় ব্যঞ্জনান্ত শব্দ, যেনে শ্ৰেয়স, ৱিদ্বস্ আদি; আনহাতে যিবোৰ শব্দৰ ৰূপ কৰোঁতে প্ৰাতিপদিকৰ কোনো অভ্যন্তৰীণ পৰিৱৰ্তন সাধন নহয় সেইবোৰ অপৰিৱৰ্তনীয় ব্যঞ্জনান্ত শব্দ। উদাহৰণ স্বৰূপে শ্ৰেয়স, ৱিদ্বস্ আদি পৰিৱৰ্তনীয় আৰু আনহাতে নিশ্, দিশ্, বণিজ্

আদি অপৰিৱর্তনীয় ব্যঞ্জনান্ত শব্দ। পৰিৱর্তনীয় ব্যঞ্জনান্ত শব্দত বিভক্তি যোগ হোৱাৰ পূর্বে প্রাতিপদিকত প্রত্যয় যোগ হ'লে প্রাতিপদিকৰ অভ্যন্তৰীণ পৰিৱর্তন ঘটে। এনে ক্ষেত্রত প্রাতিপদিকৰ দুই বা তিনি ধৰণৰ ৰূপ হোৱা দেখা যায়। এনে ৰূপ প্রবল, দুর্বল বা মধ্যমীয়া হ'ব পাৰে। যেনে— ভৱিষ্যত কালৰ -অন্ত (ৱন্ত) লগ লাগিলে প্রবল ৰূপ (যেনে— কর্তা আৰু কর্ম কাৰকৰ দ্বিবচনৰ ৱিদ্বস্ + ঔ = ৱিদ্বাংসৌ, কর্তা কাৰকৰ বহুবচনৰ ৱিদ্বস্ + অঃ = ৱিদ্বাংসঃ আদি); -অৎ, -উস্ লগ লাগিলে দুর্বল ৰূপ (যেনে— কর্ম কাৰকত উষ্ প্রত্যয়ৰ সংযোগৰ পিছত বিভক্তি লগ লাগি সৃষ্টি হোৱা ৱিদ্ + উষ্ + স্ = বিদুষঃ) আৰু -ৱৎ লগ লাগিলে (যেনে— ৱিদ্ + ৱৎ + ভ্যাম্ = ৱিদ্বদ্ভ্যাম্) মধ্যমীয়া ৰূপ বুলি ধৰা হয়।

যিবোৰ শব্দৰ ৰূপ কৰোঁতে কাৰক অনুযায়ী স্বৰৰ কিছু সাল-সলনি ঘটাৰ বাহিৰে মূলৰ বা প্রাতিপদিকৰ কোনো পৰিৱর্তন নহয় সেইবোৰ অপৰিৱর্তনীয় ব্যঞ্জনান্ত শব্দ।

অন্তৱর্তী বা মধ্যৱর্তী শব্দৰূপ ঃ স্বৰান্ত আৰু ব্যঞ্জনান্ত উভয় গুণ সম্পন্ন শব্দৰূপক অন্তৱর্তী বা মধ্যৱর্তী শ্রেণীৰ অন্তর্ভুক্ত কৰা হৈছে। ঋ-কাৰান্ত আৰু দ্বি-স্বৰান্ত শব্দৰ শব্দৰূপক এই শ্রেণীত ধৰা হৈছে। উদাহৰণ স্বৰূপে পিতৃ, মাতৃ, ধাতৃ আদি ঋ-কাৰান্ত আৰু 'ৱৈ, গ্রৌ আদি শব্দ দ্বি-স্বৰান্ত। প্রায়ভাগ সংস্কৃত ব্যাকৰণবিদে এই দুই প্রকাৰৰ শব্দক স্বৰান্ত শব্দৰূপৰ ভিতৰতে ধৰি আলোচনা কৰিছে যদিও, ঋ-কাৰান্ত আৰু দ্বি-স্বৰান্ত শব্দৰ শব্দৰূপৰ বৈশিষ্ট্যলৈ লক্ষ্য কৰি সাম্প্রতিক কালৰ কোনো কোনো আলোচকে এই দুই শ্রেণীৰ শব্দৰূপক অন্তৱর্তী বা মধ্যৱর্তী শ্রেণীৰ ভিতৰত ধৰিছে। তেওঁলোকৰ মতে এই দুবিধ শব্দৰূপত স্বৰান্ত আৰু ব্যঞ্জনান্ত দুয়ো প্রকাৰৰ শব্দৰূপৰ বৈশিষ্ট্য আংশিকভাৱে মিহলি হৈ আছে।

ঋ-কাৰান্ত শব্দবোৰক আংশিকভাৱে ব্যঞ্জনান্ত বুলি ধৰাৰ মূলতে হৈছে 'ঋ' ধ্বনিৰ 'ৰ'-ৰ সৈতে থকা মিল বা সম্পর্ক। গ্রীক-লেটিন আদি ভাষাত সংস্কৃতৰ ঋ-কাৰান্ত শব্দবোৰ সাধাৰণতে ৰ্ ব্যঞ্জনান্ত হিচাপে পোৱা যায়। উদাহৰণ স্বৰূপে সংস্কৃত পিতৃ, মাতৃ, দাতৃ আদি শব্দ গ্রীক ভাষাত যথাক্রমে পতেৰ্, মাতেৰ্, দাতেৰ্ ৰূপে, অর্থাৎ ৰ্-ব্যঞ্জনান্ত ৰূপে পোৱা যায়। তদুপৰি এই শ্রেণী শব্দৰ শব্দৰূপত স্বৰান্তৰ দৰে ব্যঞ্জনান্ত শব্দৰূপবো বৈশিষ্ট্য কিছু পৰিমাণে পোৱা যায়। উদাহৰণ স্বৰূপে স্বৰান্ত শব্দৰ কর্ম কাৰকৰ বহুবচনত -স্ (শস্) বিভক্তি -ণ ৰূপে আৰু সম্বন্ধপদৰ বহুবচনত -আম্ বিভক্তি -নাম ৰূপে প্রয়োগ হয়, যেনে— শিশুন্, নৰাণাম, ইত্যাদি। ঋ-কাৰান্ত শব্দতো অনুৰূপ বৈশিষ্ট্য প্রত্যক্ষ কৰা যায়, যেনে— পিতৃণ্, পিতৃণাম্, ইত্যাদি। একেদৰে ঋ-কাৰান্ত পিতৃ, দাতৃ আদি শব্দত ব্যঞ্জনান্ত শব্দৰ দৰে কর্ম কাৰকৰ একবচনত -অম্ বিভক্তি যোগ হয়, যেনে— পিতৰম্, দাতৰম্ আদি। এচাম ভাষাতত্ত্ববিদৰ মতে পিতৃ, দাতৃ আদি শব্দত ৰূপ হোৱাৰ পূর্বে কর্ম কাৰক আৰু সুপ্ বিভক্তিৰ মাজত অৰ্ প্রত্যয় সংযোজিত হৈ পিতৰ্, দাতৰ্ এনে ৰূপ লয়, অর্থাৎ ব্যঞ্জনান্ত হৈ পৰে। সেইবাবে তাৰ পিছত ব্যঞ্জনান্ত শব্দৰ দৰে -অম্ বিভক্তি লগ

লাগে। শব্দৰূপ কৰাৰ সময়ত অন্ত্য অৱস্থানৰ ঋ-টো-ব্-লৈ ৰূপান্তৰিত হোৱাটো এই শ্রেণী শব্দৰ শব্দৰূপৰ অন্যতম বৈশিষ্ট্য।

ঐ আৰু ঔ-ক সংস্কৃত ভাষাত বিশুদ্ধ দ্বিস্বৰ বুলি গণ্য কৰা হয়। আনহাতে এ আৰু ও ছদ্মবেশী দ্বিস্বৰ। সংস্কৃতত এ-কাৰান্ত শব্দ পোৱা নাযায়। গতিকে অকল ঐ, ঔ আৰু ও-দ্বিস্বৰান্ত শব্দৰহে ৰূপ হোৱা দেখা যায়। দ্বিস্বৰান্ত শব্দবোৰৰ সৰহভাগেই একাক্ষৰী। এনে শব্দৰ ৰূপ কৰোঁতে সুপ্ বিভক্তি যোগ হোৱাৰ পূৰ্বে মূল অক্ষৰ ঐ আৰু ঔ সদায় আ-স্বৰলৈ, ও স্বৰ ঔ বা আ/অ স্বৰলৈ ৰূপান্তৰিত হয়। উদাহৰণ স্বৰূপে 'ৱৈ' শব্দ কর্তা কাৰকৰ তিনিওটা বচনত ক্রমে ৱাঃ, ৱায়ৌ, ৱায়ঃ হয়। একেদৰে 'গৌ' শব্দ হয় ক্রমে গৌঃ, গাৱৌ, গাৱঃ। সাধাৰণতে ঐ-কাৰান্ত আৰু ঔ-কাৰান্ত শব্দবোৰ যথাক্রমে ই-কাৰান্ত আৰু উ-কাৰান্ত শব্দৰ দৰে ৰূপ হয়। সেয়ে হ'লেও, ব্যঞ্জনান্ত শব্দৰূপৰ দৰে সম্বন্ধ পদৰ বহুবচনৰ -আম্ বিভক্তি দ্বিস্বৰান্ত শব্দৰূপৰ ক্ষেত্রতো প্রয়োগ হোৱা দেখা যায়, যেনে— ৱায়াম্, গৱাম্ ইত্যাদি। সেইবাবে ঋ-কাৰান্ত শব্দৰ দৰে দ্বিস্বৰান্ত শব্দৰূপকো স্বৰান্ত আৰু ব্যঞ্জনান্ত শব্দৰূপৰ মাজত অন্তৱর্তী বা মধ্যৱর্তী শ্রেণীৰ শব্দৰূপ হিচাপে ধৰা হৈছে। দ্বিস্বৰান্ত শব্দৰূপৰ অন্যতম বৈশিষ্ট্য হ'ল এই শ্রেণীৰ শব্দৰ কেতবোৰ দিশত ব্যঞ্জনান্ত শব্দৰূপৰ বৈশিষ্ট্য লক্ষ্য কৰা গ'লেও, ঐ-কাৰান্ত শব্দৰ লগত ই-কাৰান্ত শব্দৰূপৰ আৰু ঔ-কাৰান্ত শব্দৰ উ-কাৰান্ত শব্দৰূপৰ যথেষ্ট্য সাদৃশ্য প্রত্যক্ষ কৰিব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ সংস্কৃতৰ শব্দৰূপক কেইটা আৰু কি কি শ্রেণীত ভাগ কৰা হৈছে, চমুকৈ উল্লেখ কৰক। (১৫০টা শব্দৰ ভিতৰত)

১১.৩.৫ সংস্কৃত শব্দৰূপৰ অন্যান্য বিশেষত্ব

সংস্কৃত ভাষাত বিশেষণবাচক শব্দবোৰৰ কাৰক, বচন আৰু লিঙ্গ অনুসাৰে ৰূপ হয়। সাধাৰণতে বিশেষ্যৰ যি লিঙ্গ, বিভক্তি আৰু বচন; বিশেষণৰো সেই লিঙ্গ, বিভক্তি আৰু বচন হয়। আকৌ সংখ্যাবাচক শব্দবোৰৰো বিশেষণ শব্দৰ দৰে বচন, লিঙ্গ আৰু বিভক্তি অনুসাৰে ৰূপ হয়। এই শব্দবোৰো পুংলিঙ্গ, স্ত্রীলিঙ্গ আৰু ক্লীৱলিঙ্গ— এই তিনিটা ভাগত পোৱা যায়। কিছুমান শব্দ সদায় স্ত্রীলিঙ্গ; যেনে তিথিবাচক প্রতিপদ, দ্বিতীয়া, তৃতীয়া আদি। আকৌ শত, সহস্র, অযুত, নিযুত, লক্ষ আৰু অ-কাৰান্ত সংখ্যাবাচক শব্দবোৰ ক্লীৱলিঙ্গ। অ-কাৰান্ত সংখ্যাবাচক শব্দবোৰৰ ৰূপ সকলো কাৰকতে 'ত্রি' শব্দৰ দৰে ৰূপ হয়। দ্বি, ত্রি, চতুৰ্ আদি শব্দৰ তিনিওটা লিঙ্গতে ৰূপ হয়। সংখ্যাবাচক শব্দবোৰৰ ভিতৰত 'এক' আৰু 'দ্বি'-ৰ বাহিৰে বাকী

আটাইবোৰ শব্দ নিত্য বহুবচনাত্মক। 'এক' শব্দ সদায় একবচনত, দ্বি শব্দ সদায় দ্বিবচনত ৰূপ হয়। কিছুমান সংখ্যাবাচক শব্দৰ তিনিওটা লিঙ্গতে একে ৰূপ হয়। বহুবচনাত্মক 'পঞ্চম্' শব্দ তাৰ প্ৰকৃষ্ট উদাহৰণ। আকৌ 'ত্রি' শব্দ তিনিওটা লিঙ্গতে পৃথকভাৱে ৰূপ হয়।

সর্বনাম শব্দৰ ৰূপ ঃ সংস্কৃতত বিশেষ্য আৰু সর্বনাম শব্দত একে সুপ্ বিভক্তি লগ লাগে যদিও, দুয়ো শ্ৰেণীৰ শব্দৰ শব্দৰূপৰ ক্ষেত্ৰত কিছু পাৰ্থক্য পৰিলক্ষিত হয়। উদাহৰণ স্বৰূপে বিশেষ্য শব্দৰ সপ্তমীৰ একবচনত কেতিয়াও 'স্মিন্' বিভক্তি যোগ নহয়। কিন্তু ব্যক্তিবোধক সর্বনাম তথা অধিকাংশ পুংলিঙ্গবাচক সর্বনাম শব্দত এই ক্ষেত্ৰত 'স্মিন্' বিভক্তি যোগ হোৱা দেখা যায়।

ৰূপগত বৈশিষ্ট্যলৈ লক্ষ্য কৰি সর্বনাম শব্দৰূপক বহলভাৱে দুটা ভাগত ভগাব পাৰি ঃ লিঙ্গ নির্বিশেষে ব্যক্তিবোধক সর্বনাম শব্দৰ ৰূপ আৰু প্ৰশ্নসূচক আৰু নিদেৰ্শসূচক সর্বনামৰ ৰূপ। ব্যক্তিবোধক সর্বনাম 'অস্মদ্' আৰু 'যুষ্মদ্' শব্দৰ যথাক্ৰমে উত্তম পুৰুষ আৰু মধ্যম পুৰুষত ৰূপ কৰিলে কর্তাকাৰকত প্ৰথমাৰ তিনিওটা বচনত আৰু কর্মকাৰকত দ্বিতীয়াৰ একবচন আৰু দ্বিবচনত একে ম্ (অম্) বিভক্তি লগ লাগে আৰু মূল শব্দটোৰ পৰিৱর্তন ঘটে। তলৰ উদাহৰণকেইটাই কথাখিনি স্পষ্ট হোৱাত সহায় কৰিব ঃ

	একবচন	**দ্বিবচন**	**বহুবচন**
কর্তা কাৰক (প্ৰথমা)	অহম্, ত্বম্	আৱাম্, যুৱাম্	ৱয়ম, যুয়ম্
কর্ম কাৰক (দ্বিতীয়া)	মাম্, মা	আৱাম্, নৌ ত্বাম, ত্বা	যুৱাম্, ৱাম্

দ্বিতীয়াৰ বহুবচনত উল্লিখিত দুয়োটা শব্দৰে ৰূপ যথাক্ৰমে অস্মান্, নঃ আৰু যুষ্মান, ৱঃ হয়। একেদৰে সম্বন্ধ পদৰ ষষ্ঠীৰ বহুবচনৰ 'আম্' বিভক্তি অস্মদ্ আৰু যুষ্মদ্ (দুয়োটা শব্দতে 'কম্' (অম্) হয়; যেনে— অস্মাকম্, যুষ্মাকম্। আকৌ চতুর্থী, পঞ্চমী, ষষ্ঠীৰ একবচন আৰু চতুর্থী, পঞ্চমীৰ বহুবচনতো সুপ্ বিভক্তিয়ে ভিন্ন ৰূপ লয়। মন কৰিবলগীয়া যে যুষ্মদ্ শব্দৰ তিনিওটা লিঙ্গতে ৰূপ হয়; আনহাতে অস্মদ্ শব্দৰ অকল পুংলিঙ্গ আৰু স্ত্ৰীলিঙ্গতহে ৰূপ হয়।

ব্যক্তিবোধক সর্বনামৰ প্ৰথম পুৰুষৰ 'তদ্' শব্দ কর্তা কাৰকৰ প্ৰথমাৰ একবচনত পুংলিঙ্গত সঃ আৰু স্ত্ৰীলিঙ্গত সা হয়। ইয়াৰ বাহিৰে বাকীবোৰ কাৰকত 'তদ্' শব্দৰ আদ্যাক্ষৰ ৰক্ষিত হয়। এই শব্দটো পুংলিঙ্গ হ'লে অ-কাৰান্ত পুংলিঙ্গ শব্দৰ দৰে আৰু স্ত্ৰীলিঙ্গ হ'লে আ-কাৰান্ত স্ত্ৰীলিঙ্গ শব্দৰ দৰে ৰূপ হয়। মাত্ৰ ষষ্ঠীৰ বহুবচনত ব্যঞ্জনান্ত শব্দৰ দৰে 'আম্' বিভক্তি আৰু সপ্তমীৰ একবচনত 'স্মিন্' বিভক্তি লগ লাগে। সপ্তমীৰ 'স্মিন্' বিভক্তি সকলো সর্বনাম পদতে যোগ হয়; ব্যতিক্ৰম মাথো 'অস্মদ্' আৰু 'যুষ্মদ্' শব্দ।

ইদম্, অদম্ আদি নির্দেশসূচক সর্বনাম, প্রশ্নসূচক কিম্ আৰু সম্বন্ধবোধক যদ্ শব্দৰ ৰূপ সাধাৰণতে 'তদ্' শব্দৰ দৰে হয়। ইদম্ শব্দৰ আদ্যাক্ষৰ 'ই' তৃতীয়াৰ পৰা সপ্তমীলৈ তিনিওটা বচনত অ, আ আৰু এ-লৈ পৰিৱর্তিত হয়। সর্ব, পূর্ব আদি সর্বনাম পদ ষষ্ঠীৰ বহুবচন আৰু সপ্তমীৰ একবচনৰ বাহিৰে অন্যান্য ক্ষেত্রত অ-কাৰান্ত পুংলিঙ্গ শব্দৰ দৰে ৰূপ হয়।



চিন্তা-চর্চা কৰক ১১.১

আৱশ্যকীয় তালিকা সহ সংস্কৃত শব্দৰূপৰ সকলো দিশ সামৰি এটি টোকা প্রস্তুত কৰক।

১১.৩.৬ পালি-প্রাকৃত-অপভ্রংশৰ শব্দৰূপ

সময়ৰ সোঁতত মানুহৰৰ মুখ বাগৰি প্রাচীন ভাৰতীয় আর্যভাষা (সংস্কৃত ভাষা) যথেষ্ট সৰল হৈ পৰিল। সেইবাবে পালি-প্রাকৃত-অপভ্রংশ স্তৰৰ শব্দৰূপ সংস্কৃতৰ তুলনাত অনেক গুণে সৰল। এই সৰলতা শব্দৰ গঠন বা আকৃতি, বচন, লিঙ্গ, কাৰক আৰু বিভক্তি আদি সকলো দিশতে প্রত্যক্ষ কৰা যায়। তলত তেনে ঘাই ঘাই বৈশিষ্ট্যবোৰ উল্লেখ কৰা হ'ল ঃ

- শব্দৰ অন্ত্য ধ্বনি অনুযায়ী সংস্কৃত শব্দৰূপক দুটা ভাগত ভগোৱা হয় ঃ স্বৰান্ত আৰু ব্যঞ্জনান্ত। কিন্তু পদান্ত ব্যঞ্জনৰ লোপৰ ফলত পালি-প্রাকৃত-অপভ্রংশত প্রায় সকলো শব্দই স্বৰান্ত হৈ পৰিল। ঋ, ঐ আৰু ঔ ভিন্ন স্বৰলৈ ৰূপান্তৰিত হোৱাৰ ফলত তেনে শব্দৰ সংস্কৃতীয়া শব্দৰূপৰ বৈশিষ্ট্য সমূলি লোপ পালে। গতিকে পালি-প্রাকৃত-অপভ্রংশ স্তৰত অকল স্বৰান্ত শব্দৰূপহে ৰক্ষিত হ'ল।
- পালি-প্রাকৃত-অপভ্রংশ স্তৰত প্রায় ক্ষেত্রতে শব্দৰূপ অ-কাৰান্ত শব্দৰূপৰ অনুগামী হ'ল। আনকি অন্ত্য ব্যঞ্জনৰ লোপৰ ফলত সংস্কৃতৰ ব্যঞ্জনান্ত শব্দবোৰো এই স্তৰত স্বৰান্ত হৈ দেখা দিলে। যেনে— ৰাজন্ > ৰাজা, ৰাআ; আত্মন > অত্ত, অপ্প, ইত্যাদি। সংস্কৃতত অ-কাৰান্ত শব্দৰূপ আন শব্দৰ তুলনাত বেছি আৰু বহু পৰিমাণে সৰল। পালিতকৈ প্রাকৃতত আৰু প্রাকৃততকৈ অপভ্রংশ স্তৰত সাদৃশ্যজনিত কাৰণত অ-কাৰান্ত শব্দৰূপৰ প্রাধান্য যথেষ্ট বেছি হোৱা পৰিলক্ষিত হয়। প্রাকৃতত অ-কাৰান্ত শব্দৰূপৰ উপৰি আন শব্দৰূপৰ বৈশিষ্ট্যও পোৱা যায়, কিন্তু অপভ্রংশত সাধাৰণতে অ-কাৰান্ত শব্দৰূপহে পোৱা যায়।
- সংস্কৃতৰ তিনিটা বচনৰ ঠাইত পালি-প্রাকৃত-অপভ্রংশত মাত্র দুটা বচন ৰক্ষিত হ'ল। সংস্কৃতৰ দ্বিবচন পালি-প্রাকৃত-অপভ্রংশত সম্পূর্ণ লোপ পালে। দ্বিবচনৰ ঠাই ল'লে বহুবচনে। অৱশ্যে দুটা বুজাবলৈ বহুবচন বুজোৱা ৰূপৰ আগত দুই বুজোৱা দ্বে, দুৱে, ৱেনি, দো আদি শব্দ ব্যৱহাৰ হ'ল।

- সংস্কৃতৰ তিনিওটা লিঙ্গ পালি-প্রাকৃত-অপভ্রংশত ৰক্ষিত হ'ল যদিও সংস্কৃতৰ ব্যাকৰণগত লিঙ্গৰ বৈশিষ্ট্য এই স্তৰত সমূলি লোপ পালে। সংস্কৃতত অর্থানুযায়ী, শব্দৰ গঠন বা আকৃতি অনুযায়ী আৰু সংযোগ হোৱা প্রত্যয় অনুযায়ী লিঙ্গ নির্ণয়ৰ যি নিয়ম আছিল, সেই নিয়ম পালি-প্রাকৃত-অপভ্রংশত বহুলাংশে ৰক্ষিত হ'ল যদিও সিবোৰৰ ভালেমান পৰিৱর্তনো ঘটিল। তাৰ ঠাইত লিঙ্গ-নির্ণয়ৰ কিছুমান নতুন নিয়মে দেখা দিলে। পুংলিঙ্গবাচক শব্দত স্ত্রী প্রত্যয় সংযোগ কৰি স্ত্রীলিঙ্গ কৰা আৰু অনুস্বাৰ যোগ দি ক্লীৱলিঙ্গবাচক শব্দ গঠন কৰাৰ নিয়ম প্রচলিত হ'ল। পালি-প্রাকৃত-অপভ্রংশত সংস্কৃতৰ পুংলিঙ্গ শব্দ ক্লীৱলিঙ্গ হ'ল। তেনেদৰে ক্লীৱলিঙ্গবাচক শব্দ পুংলিঙ্গ হ'ল। উদাহৰণস্বৰূপে 'অগ্নি' শব্দ সংস্কৃতত পুংলিঙ্গ, কিন্তু প্রাকৃতত ক্লীৱলিঙ্গ। আকৌ 'বৃক্ষ' সংস্কৃতত ক্লীৱলিঙ্গ শব্দ, কিন্তু প্রাকৃতত ই 'ৱ্রছা' বা 'ৱৃক্ষ' হৈ পুংলিঙ্গলৈ পৰিৱর্তিত হ'ল।
- সংস্কৃতত তিনিওটা লিঙ্গৰ ৰূপ সুকীয়া সুকীয়া। কিন্তু পালি-প্রাকৃত-অপভ্রংশত পুংলিঙ্গ আৰু ক্লীৱলিঙ্গ শব্দৰ ৰূপ কর্তা আৰু কর্ম কাৰকৰ বাহিৰে সকলোতে একে হ'ল। গতিকে সংস্কৃতৰ লিঙ্গভিত্তিক শব্দৰূপৰ বৈচিত্র্য পালি-প্রাকৃত-অপভ্রংশত সৰলীকৃত হৈ মুখ্যতঃ পুংলিঙ্গ আৰু স্ত্রীলিঙ্গ এই দুই প্রকাৰৰ লিঙ্গত পৰিণত হ'ল।
- একেটা বিভক্তিৰে ভিন্ ভিন্ কাৰকৰ অর্থ প্রকাশ কৰাটো পালি-প্রাকৃত অপভ্রংশৰ শব্দৰূপৰ আন এক বিশেষত্ব। উদাহৰণ স্বৰূপে এই স্তৰত সম্প্রদান কাৰক আৰু সম্বন্ধ পদৰ একবচনৰ বিভক্তিৰ পার্থক্য নোহোৱা হ'ল। সেইদৰে কৰণ আৰু অপাদান কাৰকৰ বহুবচনত বিভক্তিৰ ভিন্নতা লোপ পালে। আকৌ স্ত্রীলিঙ্গবাচক বিশেষ্য শব্দৰ একবচনত কৰণৰ পৰা অধিকৰণ কাৰক পর্যন্ত একে বিভক্তি যোগ হ'বলৈ ল'লে। অপভ্রংশ স্তৰত এই বৈশিষ্ট্য অধিক প্রকট হৈ দেখা দিলে। প্রাকৃত স্তৰত কর্তা আৰু কর্ম কাৰকৰ স্বকীয় অস্তিত্ব পোৱা গ'লেও, অপভ্রংশ স্তৰত সি একাকাৰ হৈ এটা কাৰকৰ দৰে হ'ল আৰু বিভক্তিহীনতা বা শূন্য-বিভক্তি এই কাৰকৰ ঘাই বৈশিষ্ট্য হৈ পৰিল। অপাদান কাৰক, সম্প্রদান কাৰক আৰু সম্বন্ধ পদ একাকাৰ হৈ পৰিল। কৰণ কাৰক আৰু অধিকৰণ কাৰকৰ পার্থক্য বিলুপ্ত হ'ল। এনেদৰে বিভিন্ন কাৰক একাকাৰ হৈ পৰাৰ ফলত অপভ্রংশ স্তৰত কাৰকৰ মুখ্য শ্রেণী মাত্র তিনিটাহে পোৱা গ'ল ঃ কর্তা-কর্ম, কৰণ-অধিকৰণ আৰু সম্প্রদান-অপাদান-সম্বন্ধ। অপভ্রংশ স্তৰত দেখা দিয়া কাৰকৰ এনে বৈশিষ্ট্যৰ পৰাই নব্য ভাৰতীয় আর্যভাষাসমূহত নতুন কাৰক-পদ্ধতি গঢ় লৈ উঠিল।

- সংস্কৃতত নাম শব্দৰূপ আৰু সর্বনাম শব্দৰূপ বুলি যি দুটা শ্রেণী-বিভাজন পোৱা যায় পালি-প্রাকৃতত সি একাকাৰ হৈ পৰিল। এই স্তৰত প্রায়ভাগ সর্বনাম শব্দ স্বৰান্ত বিশেষ্য শব্দৰ দৰে ৰূপ হ'বলৈ ল'লে আৰু বিশেষ্যৰ দৰে সর্বনাম শব্দৰূপতো বিকল্প বিভক্তি বিশেষভাৱে ব্যৱহাৰ হোৱা দেখা গ'ল। তেনেদৰে নাম শব্দৰ অন্তর্গত বিশেষণ আৰু সংখ্যাবাচক শব্দৰূপৰ ক্ষেত্রতো সংস্কৃতৰ একবচন আৰু বহুবচনৰ বিভক্তিবোৰ কিছু পৰিৱর্তিত হৈ পালি-প্রাকৃতত প্রয়োগ হৈছে। পালি-প্রাকৃতত অৱশ্যে সংস্কৃতৰ দৰে সকলো বিশেষণ শব্দত কাৰক-বিভক্তি যোগ নহয়। কেতবোৰ শব্দত বিশেষ্যৰ যি লিঙ্গ, যি বচন বিশেষণতো সেই লিঙ্গ, সেই বচন হোৱা দেখা যায়। সংখ্যাবাচক শব্দবোৰৰ এক-ৰ বাহিৰে বাকীবোৰ বহুবচনত ৰূপ হয়। এক শব্দৰ ৰূপ কেৱল একবচনত হয়। পালি-প্রাকৃতত দুই এটা শব্দৰ বাহিৰে বেছিভাগ পুংলিঙ্গ আৰু স্ত্রীলিঙ্গ— এই দুটা ভেদ দেখা যায়। উদাহৰণ স্বৰূপে 'তি' (ত্রি) শব্দৰ ৰূপ প্রথমাত তয়ো (পুংলিঙ্গ), তিস্সো (স্ত্রীলিঙ্গ) আৰু তিনি (ক্লীৱলিঙ্গ) হয়।

পালি-প্রাকৃত-অপভ্রংশত শব্দ-বিভক্তিৰ প্রয়োগ-বৈশিষ্ট্য ঃ পালি-প্রাকৃতত সংস্কৃতৰ সুপ্-বিভক্তিকেইটা কিছু ধ্বনিগত পৰিৱর্তনৰ মাজেৰে ব্যৱহাৰ হৈছিল। কিন্তু অপভ্রংশ স্তৰত নতুন নতুন বিভক্তি গঢ় লৈ উঠে আৰু কাৰক-বিভক্তিৰ ব্যাপক পৰিৱর্তন সাধিত হয়। ইয়াৰ ফলত বিভক্তিৰ প্রয়োগত ভালেমান নতুন বৈশিষ্ট্যই দেখা দিয়ে। অৱশ্যে তাৰ পূর্বে পালিৰ তুলনাত প্রাকৃতত, বিশেষকৈ সাহিত্যিক প্রাকৃতৰ স্তৰত শব্দ-বিভক্তিসমূহৰ ভালেমান বিকল্প ৰূপৰ প্রয়োগ ঘটাত এই স্তৰৰ শব্দৰূপ কিছু স্বকীয়ভাৱে বিকশিত হোৱা প্রত্যক্ষ কৰা যায়। তলত সংস্কৃতৰ সুপ্-বিভক্তিৰ পালি-প্রাকৃত-অপভ্রংশত হোৱা পৰিৱর্তনৰ আভাস দাঙি ধৰা হৈছে।

- সংস্কৃতৰ প্রথমাৰ একবচনৰ বিভক্তি -সু (বিসর্গযুক্ত অঃ) > -ও (মাগধীত -এ), দ্বিতীয়াৰ একবচনৰ -ম্ > -ং, ষষ্ঠীৰ একবচনৰ -স্য > -স্স ষষ্ঠীৰ বহুবচনৰ -নাম্ > -নং হোৱা দেখা যায়।
- সংস্কৃতৰ সর্বনামৰ পঞ্চমীৰ একবচনৰ -স্মাত্ > -স্মু বা -ম্হা, সপ্তমীৰ একবচনৰ -স্মিন্, -স্মি, -স্মিং, -ম্হি হয়।
- অপভ্রংশ স্তৰত বিভক্তিহীনতা বা শূন্য বিভক্তিৰ প্রয়োগ আৰু অনুসর্গৰ প্রয়োগৰ জৰিয়তে কাৰকৰ ধাৰণা জ্ঞাপনৰ নতুন বৈশিষ্ট্যই দেখা দিয়ে। অপভ্রংশৰ শব্দ-বিভক্তিগত বৈশিষ্ট্যবোৰ এনে ধৰণৰ ঃ
  - অপভ্রংশত প্রথমা-দ্বিতীয়াৰ একবচন আৰু বহুবচন উভয়তে বিভক্তিহীনতা অন্যতম বৈশিষ্ট্য। অৱশ্যে কেতিয়াবা এই ক্ষেত্রত -উ বিভক্তিৰ প্রয়োগো দেখা যায়।
  - তৃতীয়াৰ একবচনত পালি-প্রাকৃতৰ -এশ বা -ণৰ ঠাইত অপভ্রংশত এঁ-ৰ ব্যৱহাৰ হ'ল।

- পঞ্চমীৰ একবচনত পালি-প্রাকৃতৰ -স্মা বা -হি-ৰ ঠাইত অপভ্রংশত -হুঁ, -হেঁ-ৰ প্রয়োগ হ'বলৈ ল'লে।
- ষষ্ঠীৰ একবচনত পালি-প্রাকৃতৰ -স্স-ৰ ঠাইত অপভ্রংশত-হুঁ, -সু বা স্সু-ৰ প্রয়োগ ঘটিল।
- সপ্তমীৰ একবচনত পালি-প্রাকৃতৰ-স্মিং, -ম্মি, বা ম্হি-ৰ ঠাইত অপভ্রংশত হিঁ বা মি-ৰ প্রয়োগ হ'ল।
- বিভক্তিৰ সুকীয়া ৰূপৰ প্রয়োগৰ লগে লগে অপভ্রংশ স্তৰত অনুসর্গৰ ব্যাপক প্রয়োগ হ'বলৈ ল'লে। আন কথাত বিভিন্ন কাৰকৰ অর্থ প্রকাশ কৰিবলৈ বিভিন্ন অনুসর্গৰ ব্যৱহাৰ অপভ্রংশৰ এক স্বকীয় বৈশিষ্ট্য। উদাহৰণ স্বৰূপে অপাদান কাৰকত হোন্ত, হোন্তউ, হোন্তি, ঠিউ; সম্বন্ধ পদত কেৰ, কেৰঅ; কৰণ কাৰকত তণ, সহুঁ, সো; অধিকৰণ কাৰকত মাঝ, উপ্পৰি আদি অনুসর্গৰ ব্যৱহাৰ লক্ষ্য কৰিব পাৰি। এনে ৰীতিয়ে পৰৱর্তী স্তৰৰ নব্য ভাৰতীয় আর্যভাষাসমূহকো ব্যাপকভাৱে প্রভাৱিত কৰে।

তলত পালি-প্রাকৃত-অপভ্রংশৰ বিভক্তিসহ অ-কাৰান্ত 'পুত্ত' (পুত্র) শব্দৰ শব্দৰূপৰ নমুনা দাঙি ধৰা হৈছে ঃ

পালি ভাষাৰ শব্দ-বিভক্তি আৰু শব্দ ৰূপ

কাৰক	বিভক্তি		অ-কাৰান্ত 'পুত্ত' শব্দ	
	একবচন	বহুবচন	একবচন	বহুবচন
কর্তা	প্রথমা -ও (বিসর্গৰ সলনি)	-আ (-আসে)	পুত্ত, পুত্তো	পুত্তা
কর্ম	দ্বিতীয়া -ং	-এ	পুত্তং	পুত্তে
কৰণ	তৃতীয়া -এন (আ)	-হি (-এহি), -ভি (-এভি)	পুত্তেণ	পুত্তেহি, পুত্তেভি
সম্প্রদান	চতুর্থী -স্স (য়)	নং	পুত্তায়, পুত্তস্স	পুত্তাণং
অপাদান	পঞ্চমী -স্মা, -ম্হা	-হি (-এহি), -ভি (-এভি)	পুত্তস্মা, পুত্তম্হা	পুত্তেহি, পুত্তেভি
সম্বন্ধ পদ	ষষ্ঠী -স্স (য়)	ণং	পুত্তস্স	পুত্তাণং
অধিকৰণ	সপ্তমী -স্মিং, ম্হি (এ)	সু	পুত্তস্মিং, পুত্তম্হি	পুত্তেসু
সম্বোধন পদ			পুত্ত, পুত্তা	পুত্তা

প্রাকৃতৰ বিভক্তি আৰু শব্দৰূপ

কাৰক	বিভক্তি		অ-কাৰান্ত 'পুত্ত' শব্দ	
	একবচন	**বহুবচন**	**একবচন**	**বহুবচন**
কর্তা	প্রথমা -ও, এ (বিসর্গৰ সলনি)	-আ (-ণো, ও, উ)	পুত্ত, পুত্তো	পুত্তা
কর্ম	দ্বিতীয়া -ং	-আ (-ণো, এ, উ, ও)	পুত্তং	পুত্তা
কৰণ	তৃতীয়া -এণ (অ, আ, ই, এ)	-হি, হিং (ভিং)	পুত্তেণ	পুত্তেহিং, পুত্তেহি
সম্প্রদান	চতুর্থী -স্স (অ, এ)	ণং (ণ)	পুত্তস্স	পুত্তাণং
অপাদান	পঞ্চমী -হি (ও, আ, উ)	হিংতো, সুন্তো (হি, হিং)	পুত্তাহি	পুত্তোহিংতো, পুত্তেসুন্তো
সম্বন্ধ পদ	ষষ্ঠী -স্স (আহ, আএ)	ণং (ণ)	পুত্তস্স	পুত্তাণং
অধিকৰণ	সপ্তমী -ম্মি, ম্হি (এ)	সু (সুং)	পুত্তম্মিং, পুত্তিম্হি	পুত্তেসু
সম্বোধন পদ			পুত্ত	পুত্তা

[ওপৰৰ তালিকা দুখনত বিকল্পসহ যিবোৰ বিভক্তিৰ প্রয়োগ দেখুওৱা হৈছে সেইবোৰ মুখ্যতঃ মহাৰাষ্ট্রী প্রাকৃতৰ বৈশিষ্ট্যৰ আধাৰত দিয়া হৈছে। কাৰণ প্রাকৃত ব্যাকৰণবিদসকলে মুখ্যতঃ মহাৰাষ্ট্রী প্রাকৃতকে মূল হিচাপে লৈ শৌৰসেনী, মাগধী আদি আন আন প্রাকৃতৰ বিচাৰ কৰা দেখা যায়। অন্য প্রাকৃতত স্বাভাৱিকতে এই বিভক্তিবোৰৰ কিছুমান সুকীয়া ধৰণৰ হয়।]

অপভ্রংশৰ বিভক্তি আৰু শব্দৰূপ

কাৰক	বিভক্তি		অ-কাৰান্ত 'পুত্ত' শব্দ	
	একবচন	**বহুবচন**	**একবচন**	**বহুবচন**
কর্তা	প্রথমা ০, (উ)	০, আ	পুও, পুত্তু	পুত্ত, পুত্তা
কর্ম	দ্বিতীয়া -ং (উ)	০, আ	পুত্তং, পুত্তু	পুত্ত, পুত্তা
কৰণ	তৃতীয়া এঁ (এণ)	হি, হিং	পুত্তেঁ, পুত্তেঁণ	পুত্তহি, পুত্তেহিং
সম্প্রদান	চতুর্থী হো, সু(স্সু)	হুঁ, ণ	পুত্তহো, পুত্তসু	পুত্তহুঁ, পুত্তাণ
অপাদান	পঞ্চমী হুঁ, হেঁ	হুঁ, হি	পুত্তহুঁ, পুত্তহেঁ	পুত্তেহি, পুত্তেহিঁ
সম্বন্ধ পদ	ষষ্ঠী হুঁ, সু (স্সু)	হুং, ণ	পুত্তহুঁ	পুত্তহু, পুত্তাণ
অধিকৰণ	সপ্তমী হিঁ, মি (ম্মি)	হিঁ	পুত্তহিঁ, পুত্তমি	পুত্তহিঁ
সম্বোধন পদ			পুত্ত	



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ সংস্কৃতৰ শব্দৰূপৰ বৈচিত্র্য পালি-প্রাকৃত-অপভ্রংশত কেনেদৰে পৰিৱর্তিত হৈছে উপযুক্ত উদাহৰণ সহ বুজাই লিখক। (১৫০টা শব্দৰ ভিতৰত)



১১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

অধ্যায়টি অধ্যয়ন কৰাৰ অন্তত এইটো বুজি পোৱা গ'ল যে সংস্কৃত ভাষাত শব্দৰূপৰযি জটিলতা আছিল পালি-প্রাকৃত-অপভ্রংশ স্তৰত সেই জটিলতা হ্রাস হৈ ভালেখিনি সৰল হৈ পৰিছে। এই সৰলতা এনেদৰে চমুৱাই দেখুৱাব পাৰি—

- সংস্কৃতৰ বিভিন্ন পদ-বিভক্তি পালি-প্রাকৃত-অপভ্রংশত সলনি হৈ একাকাৰ হৈ পৰিল।
- সংস্কৃতত কাৰক আৰু বচন অনুসাৰে যিবোৰ শব্দ-বিভক্তিৰ প্রয়োগ হৈছিল. সেইবোৰৰ কোনো বিকল্প ৰূপ পোৱা নাযায়। পালি-প্রাকৃত-অপভ্রংশত কিন্তু বিকল্প বিভক্তিৰ প্রয়োগ হ'বলৈ ল'লে, বিশেষকৈ অপভ্রংশ স্তৰত এনে বিকল্প বিভক্তিৰ ব্যৱহাৰ যথেষ্ট বৃদ্ধি পালে।
- সংস্কৃত ভাষাত কাৰকৰ অর্থ প্রকাশৰ ক্ষেত্রত কোনো অনুসর্গৰ প্রয়োগ পাবলৈ নাই। পালি-প্রাকৃত-অপভ্রংশত কিন্তু নতুন বিভক্তিৰ উপৰি অনুসর্গৰ জৰিয়তে কাৰকৰ অর্থ প্রকাশ কৰাৰ ৰীতিৰ আৱির্ভাব ঘটিল।
- সংস্কৃতত বচন তিনিটা আছিল ঃ একবচন, দ্বিবচন আৰু বহুবচন। পালি-প্রাকৃত-অপভ্রংশত দ্বিবচন লুপ্ত হ'ল আৰু তাৰ ঠাইত বহুবচনৰ ব্যৱহাৰ হ'বলৈ ল'লে।
- সংস্কৃতৰ লিঙ্গভেদে হোৱা ভিন্ ভিন্ শব্দৰূপৰ জটিলতা নোহোৱা হৈ পালি-প্রাকৃত-অপভ্রংশত প্রায় সকলো শব্দ পুংলিঙ্গৰ দৰে ৰূপ হ'বলৈ ল'লে।
- পালি-প্রাকৃত-অপভ্রংশত সকলা শব্দ অ -কাৰান্তৰ দৰে ৰূপ হ'বলৈ লোৱাত গঠন আৰু আকৃতি অনুসাৰে হোৱা সংস্কৃতীয়া শব্দৰূপৰ বৈচিত্র্য লোপ পালে।
- বিভক্তিৰ একাকাৰৰ প্রৱণতাৰ ফলত পালি-প্রাকৃত-অপভ্রংশত কাৰকেও প্রায় ক্ষেত্রতে সমৰূপতা লাভ কৰিলে।
- পালি-প্রাকৃত-অপভ্রংশত বিকল্প বিভক্তিৰ প্রয়োগৰ ফলত একেই পদ ভিন্ ভিন্ ৰূপত প্রয়োগ হ'ল।
- প্রাকৃতৰ অন্তিম স্তৰত তথা অপভ্রংশ স্তৰত কাৰকৰ অর্থ প্রকাশত অনুসর্গৰ প্রয়োগ বৃদ্ধি পালে আৰু বিভক্তিহীনতা বা শূণ্য বিভক্তিৰ প্রয়োগ হ'বলৈ ল'লে।



১১.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) ঠাকুৰ, নগেন (১৯৮৯); *প্ৰাকৃত সাহিত্যৰ অধ্যয়ন;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

২) ঠাকুৰ, নগেন (১৯৯৩); *প্ৰাকৃত সাহিত্য চয়ন;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৩) ঠাকুৰ, নগেন (১৯৯৭); *পালি-প্ৰাকৃত-অপভ্রংশ ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ কে এম পাব্‌লিছিং।

৪) শইকীয়া বৰা, লীলাৱতী (২০০২); *সংস্কৃত-পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ*; গুৱাহাটী ঃ বনলতা।

বাংলা গ্ৰন্থ ঃ

৫) বন্দোপাধ্যায়, ধীরেন্দ্র নাথ (১৯৮৮); *সংস্কৃত সাহিত্যের ইতিহাস;* কলকাতা ঃ পশ্চিমবংগ রাজ্য পুস্তক পর্ষদ।

৬) বিদ্যাসাগর, ঈশ্বরচন্দ্র (১৯৯৬); *সমগ্র ব্যাকরণ-কৌমুদী;* কলকাতা ঃ দেৱ সাহিত্য কুটীর প্রাঃ লিঃ।

৭) ভট্টাচার্য, দেবীদাস (১৯৬৫); *মধ্য ভারতীয় আর্যভাষা ও সাহিত্যের ভূমিকা;* গৌহাটী ঃ ওরিয়েণ্টাল বুক কোম্পানী।

ংৰাজী গ্ৰন্থ ঃ

৮) Biswas, Sukumar (1970); *A Comperative Old Indo-Aryan Grammar;* Delhi : MBD.

৯) Macdonell, A. A. (1988); *A Sanskrit Grammar for Students;* Delhi : MBD.

১০) Whitney, W. D (1985); *Sanskrit Grammar;* Delhi : MBD, et al.

১১.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ সংস্কৃতৰ শব্দ-বিভক্তিক 'সুপ্-বিভক্তি' বোলাৰ কাৰণ..... বিভক্তিসমূহৰ প্ৰথমটোৰ আদি বর্ণ সু আৰু শেষৰটোৰ অন্তিম বর্ণ প্ হোৱাটো। সংস্কৃতৰ সুপ্-বিভক্তিৰ তালিকাৰ বাবে ছেদ ৬.৩.১ চাওক।

২নং প্ৰশ্নৰ উত্তৰ ঃ বচন.... হ'ল সংস্কৃত ব্যাকৰণ অনুসাৰে সুপ্-তিঙাদি বিভক্তিযুক্ত পদৰ সংখ্যা নিৰূপিত হোৱা ৰূপ। সংস্কৃত ভাষাত বচন তিনিবিধ....। ভাষাটোৰ বচন-নির্ণয়ত ..... সুকীয়া সুকীয়া শব্দ-বিভক্তি লগ লাগে।

৩নং প্রশ্নৰ উত্তৰ ঃ সংস্কৃত লিঙ্গ-পদ্ধতি..... সম্পূর্ণভাৱে অর্থগত নহয়।

৪নং প্রশ্নৰ উত্তৰ ঃ সংস্কৃতত কাৰকৰ সংখ্যা মূলতঃ ছয়বিধ। এইবোৰত শব্দ-বিভক্তি বা আন কথাত সুপ্-বিভক্তি লগ লাগে। ফঁহিয়াই বুজাই লিখক।

৫নং প্রশ্নৰ উত্তৰ ঃ সংস্কৃতৰ শব্দৰূপক..... মুখ্যতঃ দুটা শ্রেণীত ভাগ কৰা হৈছে। এইবোৰৰ আকৌ কিছুমান উপভাগ আছে।

৬নং প্রশ্নৰ উত্তৰ ঃ সংস্কৃতৰ শব্দৰূপৰ বৈচিত্র্য পালি-প্রাকৃত-অপভ্রংশত কেনেদৰে পৰিৱর্তিত হৈছে উপযুক্ত উদাহৰণ সহ বুজাই লিখক।



১১.৭ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ সংস্কৃতৰ শব্দ-বিভক্তিসমূহৰ এখন তালিকা কৰি সিবোৰৰ সৈতে পালি-প্রাকৃত শব্দৰূপৰ এটি তুলনামূলক আলোচনা দাঙি ধৰক।

প্রশ্ন ২ ঃ সংস্কৃতৰ শব্দ-বিভক্তিসমূহক 'সুপ্'-বিভক্তি' আখ্যা দিয়াৰ কাৰণ কি? সংস্কৃতৰ বচন আৰু লিঙ্গ-নির্ণয়ত শব্দ-বিভক্তিয়ে কেনে ভূমিকা পালন কৰে? পালি-প্রাকৃতৰ বচন আৰু লিঙ্গ-পদ্ধতিৰ সৈতে সংস্কৃতৰ এক তুলনা দাঙি ধৰক।

প্রশ্ন ৩ ঃ বচন শব্দৰ অর্থ কি? সংস্কৃতত কেইবিধ বচন পোৱা যায়? সেই আটাইবোৰ বচন পালি-প্রাকৃতত ৰক্ষিত হৈছেনে? উপযুক্ত উদাহৰণেৰে বুজাই লিখক।

প্রশ্ন ৪ ঃ সংস্কৃতত কি কি লিঙ্গ পোৱা যায়? পালি-প্রাকৃতত সংস্কৃতৰ আটাইকেইটা লিঙ্গ ৰক্ষিত হৈছে নে নাই উদাহৰণ সহ ফঁহিয়াই দেখুৱাওক।

প্রশ্ন ৫ ঃ কাৰক বুলিলে কি বুজা যায়? সংস্কৃত ভাষাত কাৰকৰ সংখ্যা কিমান? পালি-প্রাকৃতত সংস্কৃত কাৰকৰ কেনে ধৰণৰ পৰিৱর্তন সাধিত হৈছে বিচাৰ কৰক।

প্রশ্ন ৬ ঃ সংস্কৃতৰ শব্দৰূপক কেইটা শ্রেণীত ভাগ কৰা হৈছে? পালি-প্রাকৃতত শব্দৰূপৰ তেনে ভাগ পোৱা যায়নে, বিশ্লেষণ কৰি দেখুৱাওক।

*** ***** ***

অধ্যায় ১২ ঃ সংস্কৃত-পালি-প্রাকৃত-অপভ্রংশৰ ধাতুৰূপ (মুখ্য আৰু গৌণ) কাল, ল-কাৰ, ণিজন্ত, তুমুণন্ত

অধ্যায় গাঁথনি

12.1 উদ্দেশ্য

12.2 পৰিচয়

12.3 সংস্কৃত-পালি-প্রাকৃত-অপভ্রংশৰ ধাতুৰূপ ঃ (মুখ্য আৰু গৌণ) ঃ কাল, ল-কাৰ, ণিজন্ত, তুমুণন্ত

- 12.3.1 সংস্কৃতৰ মুখ্য ধাতুৰূপ
- 12.3.2 কাল আৰু ভাব অনুসৰি বিভক্তিৰ প্রয়োগ ঃ ল-কাৰ
- 12.3.3 গণ বিভাজন
- 12.3.4 পালি-প্রাকৃতৰ ধাতুৰূপ
- 12.3.5 সংস্কৃতৰ গৌণ বা সাধিত ধাতুৰূপ
- 12.3.6 ণিজন্ত বা পাঁচনি ধাতু
- 12.3.7 নামধাতু
- 12.3.8 তুমুণন্ত ক্রিয়া

12.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

12.5 অধিক জানিবলৈ

12.6 অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

12.7 আর্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সংস্কৃতৰ মুখ্য আৰু গৌণ ধাতুৰ পালি-প্রাকৃত আৰু অপভ্রংশত হোৱা পৰিৱর্তনৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব
- সংস্কৃতৰ কাল-নির্ণয়-পদ্ধতিৰ পালি-প্রাকৃত-অপভ্রংশত ঘটা পৰিৱর্তনৰ বিভিন্ন দিশৰ বিষয়ে বিশ্লেষণ কৰিব পাৰিব
- সংস্কৃতৰ দহোটা ল-কাৰৰ, পালি-প্রাকৃত আৰু অপভ্রংস ভাষাত ঘটা পৰিৱর্তনৰ যথাযথ ব্যাখ্যা আগবঢ়াব পাৰিব
- সংস্কৃত-পালি-প্রাকৃত-অপভ্রংশ ভাষাৰ গৌণ ধাতুৰ বিষয়ে বিশ্লেষণ কৰিব পাৰিব
- সংস্কৃত-পালি-প্রাকৃত-অপভ্রংশৰ ণিজন্ত বা পাঁচনি ধাতুৰ বিষয়ে সম্যক ধাৰণা দিব পাৰিব

- সংস্কৃতৰ তুমুণন্ত ক্রিয়াৰূপৰ পালি-প্রাকৃত-অপভ্রংশত হোৱা পৰিৱর্তন ফঁহিয়াই দেখুৱাব পাৰিব।

১২.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় ষাণ্মাসিকৰ ভাষা শাখাৰ শিক্ষার্থীসকলৰ বাবে আগবঢ়োৱা এয়া তৃতীয় পাঠ্যবিষয়ৰ অন্তর্গত দ্বাদশ অধ্যায়। অধ্যায়টোৰ শিৰোনাম 'সংস্কৃত-পালি-প্রাকৃত-অপভ্রংশৰ ধাতুৰূপ (মুখ্য আৰু গৌণ) ঃ কাল, ল-কাৰ, ণিজন্ত, তুমুণন্ত'। পূর্বৰ অধ্যায়ত আপুনি সংস্কৃতৰ শব্দৰূপ, বচন, লিঙ্গ, কাৰক আৰু শব্দ-বিভক্তিৰ পালি-প্রাকৃত-অপভ্রংশত হোৱা পৰিৱর্তনৰ বিষয়ে অধ্যয়ন কৰিলে। এইটো অধ্যায়ত আপুনি সংস্কৃতৰ ধাতুৰূপ আৰু সিবোৰৰ পালি-প্রাকৃতত ঘটা পৰিৱর্তনৰ বিষয়ে অধ্যয়ন কৰিবলৈ পাব। আপুনি এই কথা পঢ়ি আহিছে যে ক্রিয়াৰ মূলকে ধাতু বোলা হয়। এই অনুসাৰে ধাতু শব্দত পুৰুষ, বচন, কাল আৰু ভাব অনুযায়ী বিভিন্ন ক্রিয়া-বিভক্তি সংযোগ কৰি ক্রিয়াৰ বিবিধ প্রায়োগিক ৰূপ নিৰূপণ কৰা কার্যকে ধাতুৰূপ বোলা হয়। সংস্কৃত ভাষাত দুই প্রকাৰৰ ধাতু পোৱা যায় ঃ মুখ্য আৰু গৌণ। এই দুই প্রকাৰৰ ধাতুৰূপৰ লগে লগে প্রাসঙ্গিকভাৱে আপোনাৰ পাঠ্যক্রমৰ অন্তর্গত ধাতুৰূপৰ শ্রেণী-বিভাজন, কাল আৰু ভাৱ প্রকাশক ল-কাৰ, ধাতুৰ গণ বিভাজন, ণিজন্ত বা পাঁচনি ধাতু, য়ঙন্ত ধাতু, নামধাতু, তুমুণন্ত ক্রিয়া আদিৰ বিষয়েও আপুনি এইটো অধ্যায়ত অধ্যয়ন কৰিবলৈ পাব। তাৰ লগে লগে উল্লিখিত বিষয়বোৰৰ অন্তর্গত বৈশিষ্ট্যবোৰ সংস্কৃতৰ পৰৱর্তী পালি-প্রাকৃত-অপভ্রংশত কেনেদৰে পৰিৱর্তিত হৈছে, সেই বিষয়েও এই অধ্যায়ত আলোচনা কৰা হ'ব।

১২.৩ সংস্কৃত-পালি-প্রাকৃত-অপভ্রংশৰ ধাতুৰূপ (মুখ্য আৰু গৌণ) ঃ কাল, ল-কাৰ, ণিজন্ত, তুমুণন্ত

১২.৩.১ সংস্কৃতৰ মুখ্য ধাতুৰূপ

ক্রিয়াৰ মুলকে ধাতু বোলা হয়। অর্থাৎ শব্দৰ মূল বা আন কথাত ধাতু শব্দত ক্রিয়া বিভক্তিৰ সংযোগ ঘটি বিভিন্ন বচন, পুৰুষ, কাল, আৰু ভাব অনুসাৰে ৰূপ হৈ কোনো কার্য কৰা বা হোৱাৰ অর্থ নিৰূপণ কৰাকে ধাতুৰূপ বোলা হয়। আন কথাত ক'বলৈ গ'লে ধাতু শব্দত ক্রিয়া বিভক্তি যোগ হৈ ক্রিয়া শব্দৰ সৃষ্টি আৰু সিবোৰৰ ব্যৱহাৰ নির্দেশ কৰাই হৈছে 'ধাতুৰূপ'।

ধাতু শব্দত বিভক্তিৰ সংযোগৰ ধৰণলৈ লক্ষ্য কৰি সংস্কৃতৰ ধাতুৰূপক ঘাইকৈ দুটা ভাগত ভাগ কৰা হৈছে ঃ মুখ্য ধাতুৰূপ (Primary Conjugation) আৰু সাধিত বা গৌণ ধাতুৰূপ (Secondary Conjugation)। সংস্কৃতত সাধাৰণতে দুই ধৰণে ক্রিয়াপদ গঠন কৰা হয় ঃ (ক) ধাতুৰ পিছত তিঙ্ বিভক্তি যোগ কৰি আৰু (খ) ধাতুৰ পিছত -ক্তৱতু, -ক্ত, -ত্বাচ, -ল্যপ্, শতৃ-শানচ্ আদি কৃৎ

প্রত্যয় সংযোগ কৰি। ইয়াৰে প্রথমটোক মুখ্য ধাতু আৰু দ্বিতীয়টোক গৌণ ধাতু বোলা হয়। এই দুই প্রকাৰৰ ধাতুৰূপৰ ভিতৰত তিঙ্ বিভক্তিয়ে প্রধান। তিঙ্ বিভক্তিসমূহকে সংস্কৃতত ক্রিয়া-বিভক্তি আখ্যা দিয়া হৈছে। উল্লেখনীয় যে তিঙ্ বিভক্তিৰ প্রথমটো 'তি' আৰু শেষৰটো 'মহিঙ্'। গতিকে প্রথমৰ 'তি' আৰু শেষৰ 'মহিঙ্'-ৰ ঙ্-ক লৈ দুয়োটা মিলাই তিঙ্ বা আন কথাত ক্রিয়া-বিভক্তি সংযোগিত হৈ একোটাহঁত সমাপিকা ক্রিয়া (Finite Verb) গঠিত হয়। ধাতুৰ পিছত -ক্তৰতু, -ক্ত, -ত্বাচ, -ল্যপ্, শতৃ-শানচ্ আদি কৃৎ প্রত্যয় যোগ হৈ কোনো কোনো ক্ষেত্রত সমাপিকা ক্রিয়াৰ ৰূপ ল'লেও, প্রায় ক্ষেত্রতে এই প্রত্যয়বোৰৰ সংযোগত কৃদন্ত অসমাপিকাৰ ৰূপ লোৱা দেখা যায়। এনে ৰূপ সাধাৰণতে বিশেষণৰূপে প্রয়োগ হয়। সেইবাবে সংস্কৃতত তিঙ্ বিভক্তিকহে প্রকৃত ক্রিয়া-বিভক্তিৰ মর্যাদা দিয়া হৈছে।

১২.৩.২ কাল আৰু ভাব অনুসৰি বিভক্তিৰ প্রয়োগ ঃ ল-কাৰ

কাল আৰু ভাব অনুসৰি সংস্কৃতত ধাতুৰ পিছত তিঙ্ বিভক্তি যোগ হয়। এই বিভক্তিবোৰক কাল অনুসৰি ছটা আৰু ভাৱ অনুসৰি চাৰিটা, সর্বমুঠ দহোটা ভাগত ভগোৱা হৈছে। তলত আপোনাৰ অধ্যয়নৰ সুবিধার্থে সেই ভাগবোৰ একাদিক্রমে উল্লেখ কৰা হ'ল—

কাল অনুসৰি ঃ কাল অনুসৰি সংস্কৃত ভাষাত ব্যৱহাৰ হোৱা তিঙ্ বিভক্তিৰ ছটা ভাগ এনে ধৰণৰ ঃ

1) লট্ (বর্তমান বা নির্দেশক বর্তমান, Present or Present Indicative)
2) লঙ্ (অনদ্যতন অতীত, Past Perfect)
3) লুঙ্ (লুঙ্ (সামান্য অতীত, Past Aorist)
4) লিট্ (পৰোক্ষ অতীত, Past Perfect)
5) লৃট্ (ভৱিষ্যৎ বা নির্দেশক ভৱিষ্যৎ, Future or Future Indicative)
6) লুট্ (অদন্যতন ভৱিষ্যৎ, Future Perfect or Periphrastic Future)

ভাব অনুসৰি ঃ ভাব অনুসৰি ব্যৱহাৰ হোৱা তিঙ্ বিভক্তিবোৰৰ চাৰিটা ভাগ নিম্নোক্ত ধৰণৰ ঃ

1) লোট্ (অনুজ্ঞা, Imperative)
2) লুঙ্ (সম্ভাব্য, Conditional)
3) বিধিলিঙ্ (বিধি বা উচিৎ অর্থ প্রকাশক, Optative)
4) আশীর্লিঙ্ (আশীর্বাদসূচক, Benedictive)।

বিধিলিঙ্ আৰু আশীর্লিঙ্-ৰ 'বিধি' আৰু 'আশী' অংশ দুটা বাদ দি দুয়োটাকে একেলগে 'লিঙ্' বুলিও কোৱা হয়। ওপৰত উল্লেখ কৰা সংস্কৃতৰ তিঙ্ বিভক্তিবোৰৰ প্রতিটোৰে সৈতে 'ল' থকা কাৰণে এইবোৰক 'ল'-কাৰ' বুলি কোৱা হৈছে। অর্থাৎ, সংস্কৃতত 'ল-কাৰ' মানেই তিঙ্ বিভক্তি। এই ল-কাৰবোৰ একে

সময়তে সময়-জ্ঞাপক আৰু ভাব-জ্ঞাপক। অর্থাৎ ল-কাৰবোৰে এহাতে কোনো কাম কৰা বা হোৱাৰ সময়ৰ আভাস দিয়ে আৰু আনহাতে বক্তাৰ মানসিক ভঙ্গী, যথা— আদেশ, অনুৰোধ, আশীর্বাদ আদি ভাব প্রকাশ কৰে। এইফালৰ পৰা ল-কাৰবোৰে এতিয়াৰ ব্যাকৰণৰ ধাৰণাত একেলগে কাল (Tense) আৰু ভাব (Mood)-ৰ অর্থ প্রকাশ কৰে।

উল্লেখনীয় যে আধুনিক ব্যাকৰণত 'কাল' (Tense) শব্দই সময়ৰ যি নির্দেশ দিয়ে, তেনে ধাৰণা সংস্কৃত ব্যাকৰণত নাছিল; 'কাল' শব্দই সংস্কৃতত ক্রিয়াৰ প্রকৃতি বা ধৰণ (Aspect) বুজাইছিল। সেই হেতুকে সংস্কৃতত ল-কাৰে ক্রিয়াৰ সম্পন্ন, অসম্পন্ন, সদ্যঘটিত বা সময় নিৰপেক্ষ বুজায়। মহর্ষি পাণিনিয়ে 'অতীত' নামৰ কোনো কাল বা সময় নির্দেশ কৰা নাছিল। তাৰ সলনি তেওঁ 'ভূত' (সমাপ্ত), 'অনদ্যতন' (যি এতিয়া বা আজি হোৱা নাই), 'পৰোক্ষ' (যি ক্রিয়া অগোচৰে হৈছিল। কিন্তু এতিয়া গোচৰলৈ আহিছে) এনেদৰে ভাগ কৰিছিল। তেওঁৰ সূত্রবোৰ আছিল এনে ধৰণৰ ঃ 'অনদ্যতনে লঙ্', 'ভূত-সামান্যে লুঙ্, 'পৰোক্ষে লিট্' ইত্যাদি। মুঠতে ল-কাৰত এহাতে সময় আৰু আনহাতে ভাব এই দুয়োৰে সহাৰস্থান ঘটে; বা আন কথাত ল-কাৰে একেলগে সময়ৰ ধাৰণা দিয়াৰ উপৰি ভাবৰ অর্থ প্রকাশ কৰে। সংস্কৃতত মুঠ দহোটা ল-কাৰৰ লট্, লুঙ, লঙ্, লিট্, লৃট্ আৰু লুট্ এই ছটাই সময়ৰ ধাৰণা দিয়ে আৰু বাকী চাৰিটাই অর্থাৎ লোট, লৃঙ্ আৰু লিঙ্ (বিধিলিঙ্ আৰু আশীর্লিঙ)-এ ভাব জ্ঞাপন কৰে।

এইখিনিতে তিঙ্ বিভক্তি সম্বন্ধে আৰু কেইটিমান কথা আপুনি জানি থোৱাটো উচিত হ'ব। আপুনি মনত ৰাখিব যে সংস্কৃতৰ প্রতিটো তিঙ্ বিভক্তিৰে তিনিটাকৈ পুৰুষ পোৱা যায় ঃ

প্রথম পুৰুষ (Third Person)
মধ্যম পুৰুষ (Second Person) আৰু
উত্তম পুৰুষ (First Person)

'অস্মদ্' শব্দই উত্তম পুৰুষ (First person) আৰু 'যুষ্মদ্' শব্দই মধ্যম পুৰুষ (Second person) বুজায়। এই দুটাৰ বাহিৰে সংস্কৃতৰ সকলো শব্দই প্রথম পুৰুষ (Third person) ৰ অর্থ বহন কৰে। প্রতিটো পুৰুষত বিভক্তিৰ তিনিটাকৈ বচন পোৱা যায় ঃ একবচন, দ্বিবচন আৰু বহুবচন।



জানি থোৱা ভাল

বর্তমান ইংৰাজী ব্যাকৰণ-শাস্ত্রৰ সূত্র অনুসাৰে যিয়ে কয় সি প্রথম পুৰুষ First Person, যাক কয় সি দ্বিতীয় পুৰুষ Second Person আৰু যাৰ বা যিহৰ বিষয়ে কয় সি তৃতীয় পুৰুষ (Third Person)। কিন্তু, সংস্কৃত ব্যাকৰণত প্রথম পুৰুষে ইংৰাজী ব্যাকৰণৰ Third Person-ৰ অর্থ বুজায়; একেদৰে মধ্যম পুৰুষে (ত্বম্, যুয়ম) Second Person-ৰ আৰু উত্তম পুৰুষে (অহম্,

ৱয়ম্) First Person বুজায়। ইংৰাজী ব্যাকৰণৰ আৰ্হিত অসমীয়াতো প্ৰথম পুৰুষেৰে মই, আমি, দ্বিতীয় পুৰুষেৰে তই, তহঁত, তুমি, তোমালোক; আৰু তৃতীয় পুৰুষেৰে সি, তাই, তেওঁ, সিহঁত, তেওঁলোক আদি ব্যক্তিবাচক সৰ্বনাম বুজোৱা হৈছে। অৰ্থাৎ বৰ্তমান প্ৰচলিত ব্যাকৰণৰ প্ৰথম আৰু তৃতীয় পুৰুষ সংস্কৃত ব্যাকৰণৰ মতে উত্তম আৰু প্ৰথম পুৰুষহে।

মুঠতে, আমি এই কথা জানিলোঁ যে সংস্কৃত ভাষাত সময় বা কাল বুজাবলৈ ছটা আৰু ভাব প্ৰকাশ কৰিবলৈ চাৰিটা, অৰ্থাৎ সৰ্বমুঠ দহোটা ল-কাৰ আছে। এই দহোটা ল-কাৰৰ বিষয়ে তলত একোটিকৈ বিৱৰণ দাঙি ধৰা হৈছে।

কালজ্ঞাপক ল-কাৰ

- **লট্ ঃ** বৰ্তমান কালৰ ধাৰণা দিবলৈ লট্ বিভক্তিৰ প্ৰয়োগ হয়, যথা— 'ৰাজা প্ৰজাঃ পালয়তি'। তদুপৰি, ই অনিৰ্দিষ্ট ভাবো বুজায়। আকৌ ইতিহাস আদিত থকা অতীতৰ কথা বুজাবলৈও 'লট্' প্ৰয়োগ হয়, যেনে— 'অস্তি তএ ব্ৰহ্মদত্ত নাম ব্ৰাহ্মণঃ'। 'যাৱৎ' আৰু 'পূজা' শব্দৰ যোগত ভৱিষ্যত বুজাবলৈকো লট্ ব্যৱহাৰ কৰা হয়।
- **লঙ্, লুঙ্ আৰু লিট্ ঃ** অতীত কালৰ ভেদ প্ৰকাশ কৰিবলৈ সংস্কৃতত লঙ্, লুঙ্ আৰু লিট্— এই তিনিটা ল-কাৰ প্ৰয়োগ কৰা হয়। কথাখিনি এনেদৰে ব্যাখ্যা কৰিব পাৰি ঃ
  - 'অনদ্যতনে লঙ্', অৰ্থাৎ অনদ্যতন অতীত কালত বা আন কথাত বক্তাই কথাষাৰ কোৱাৰ সময়ৰ পৰা কিছু আগতে ঘটি যোৱা ঘটনাৰ বিৱৰণ দিবলৈ লঙ্ বিভক্তিৰ প্ৰয়োগ হয়।
  - 'ভূত-সামান্যে লুঙ্', সামান্য অতীত কাল, অৰ্থাৎ যি ঘটনা আজিৰ ভিতৰতে ঘটি গৈছে তাক বুজাবৰ বাবে ধাতুৰ পিছত লুঙ্ বিভক্তি সংযোগ কৰা হয়।
  - 'পৰোক্ষে লিট্', অৰ্থাৎ যি ঘটনা বহুদিন পূৰ্বে ঘটি গৈছে; বক্তাই নিজ চকুৰে সেই ঘটনা দেখা নাই, তেনে অতীত বুজাবলৈ ধাতুৰ পিছত লিট্ বিভক্তিৰ প্ৰয়োগ হয়। বক্তাৰ অগোচৰত বহু কাল পূৰ্বে ঘটা ঘটনা হোৱা হেতুকে ইয়াক 'পৰোক্ষ অতীত' আখ্যা দিয়া হৈছে।

বৈদিক ভাষাত লঙ্, লুঙ্, লিট্— এই অতীত কালকেইটাৰ মাজত অৰ্থগত পাৰ্থক্য ৰক্ষিত হৈছিল; যেনে— 'স অগচ্ছৎ' (লঙ্), 'স অগমৎ' (লুঙ্), 'স জগাম' (লিট)। কিন্তু সংস্কৃতত সেই পাৰ্থক্য লোপ পাই প্ৰকৃত অতীত বুজোৱা ভাগটোহে ৰ'ল। 'লিট্'-ৰ প্ৰয়োগো' বৈদিকতহে সণ্ঢালনিকৈ পোৱা যায়। সংস্কৃতত তাৰ ঠাইত অতীত কৃদন্তৰ -'ক্ত' প্ৰত্যয়ৰ জৰিয়তে ধাতুৰূপ হৈ সম্পন্ন অতীতৰ অৰ্থ প্ৰকাশ কৰিবলৈ ল'লে।

- **লৃট্ আৰু লুট্ ঃ** ধাতুৰ পিছত সাধাৰণ ভৱিষ্যৎ বুজাবলৈ অথবা 'আগলৈ হ'ব'— এনে ভাব প্ৰকাশ কৰিবলৈ লৃট্ বিভক্তিৰ প্ৰয়োগ হয়। ভৱিষ্যৎ কাল বুজাবলৈ বৰ্তমান কালৰ দৰে বিভক্তি নাই বাবে ধাতুৰ পিছত স্য-ৰ আগম হয় আৰু তাৰ পিছত বৰ্তমান কালৰ বিভক্তি যোগ হয়। উদাহৰণ স্বৰূপে, √ভূ ধাতুৰ লৃট্-ৰ তিনিওটা বচনত আৰু তিনিওটি পুৰুষত পৰস্মৈপদী ৰূপ এনে ধৰণৰ হ'ব ঃ ভৱিষ্যতি, ভৱিষ্যতঃ, ভৱিষ্যন্তি; ভৱিষ্যসি, ভৱিস্যথঃ ভৱিষ্যথ; ভৱিষ্যামি, ভৱিষ্যাৱঃ, ভৱিষ্যামঃ। কেতিয়াবা আকৌ ধাতু আৰু বিভক্তিৰ মাজত 'ই'-ৰ আগম ঘটে; যেনে— √গম্ + ই + স্য + তি = গমিষ্যতি; √ভু + ই + স্য + তি = ভৱিষ্যতি ইত্যাদি।

'অনদ্যতনে লুট্' অর্থাৎ, 'আজিৰ পাছত যি ঘটনা হ'ব' তেনে ঘটনাৰ সময় বুজাবলৈ লুট্ বিভক্তিৰ প্ৰয়োগ হয়। সংস্কৃতত লুট্-ৰ প্ৰয়োগ নিতান্তই সীমিত। ভৱিষ্যৎ কাল বুজাবলৈ সাধাৰণতে লৃট্ বিভক্তিহে যোগ হয়।

ভাবজ্ঞাপক ল-কাৰ ঃ

- **লোট্ ঃ** আদেশ, অনুৰোধ, প্ৰাৰ্থনা, উপদেশ আদি অর্থ বুজাবৰ বাবে লোট্ বিভক্তিৰ প্ৰয়োগ হয়। ইয়াৰ ব্যৱহাৰ ঘাইকৈ মধ্যম পুৰুষত হয়।
- **লৃঙ্ ঃ** 'এটা ক্ৰিয়া সম্পাদন হোৱাৰ সময়তে আন এটা ক্ৰিয়া হোৱা সম্ভৱ আছিল', অর্থাৎ একেটা বাক্যতে এটা ক্ৰিয়াৰ কাম সমাধা হোৱাৰ লগত আন এটা ক্ৰিয়াৰ ফল প্ৰাপ্তিৰ পাৰস্পৰিক সম্পৰ্ক থাকিলে তেনে অর্থ প্ৰকাশ কৰিবলৈ অতীত আৰু ভৱিষ্যৎ কালত লৃঙ্ বিভক্তিৰ সংযোগ ঘটে। বৈদিকত ইয়াৰ প্ৰয়োগ পোৱা গ'লেও, সংস্কৃতত ইয়াৰ ব্যৱহাৰ নিচেই কম।
- **লিঙ্ ঃ** লিঙ্ বিভক্তিৰ দুটা ভাগ— (ক) বিধিলিঙ আৰু (খ) আশীর্লিঙ্।
  - বিধিলিঙ্ ঃ বিধি অর্থাৎ নিয়ম, প্ৰাৰ্থনা, নিমন্ত্ৰণ, শক্তি-সামর্থ্য, প্ৰশ্ন আদি অর্থ প্ৰকাশ কৰিবলৈ ধাতুৰ পিছত বিধিলিঙ্ বিভক্তি যোগ হয়।
  - আশীর্লিঙ্ ঃ আশীৰ্বাদ অর্থ প্ৰকাশ কৰিবলৈ ধাতুৰ পিছত আশীর্লিঙ্ বিভক্তি প্ৰয়োগ কৰা হয়।

উল্লেখনীয় যে লোট্, বিধিলিঙ্ আৰু আশীর্লিঙ্ প্ৰায় একে পর্যায়ৰ ভাবজ্ঞাপক ল-কাৰ। মাত্ৰ এইবোৰৰ বিভক্তিবোৰহে কিছু সুকীয়া।

ওপৰত উল্লেখ কৰা দহ প্ৰকাৰৰ তিঙ্ বিভক্তি আকৌ পৰস্মৈপদ আৰু আত্মনেপদ এই দুটা ভাগত বিভক্ত। এই দুয়োৰে প্ৰতিটোৰে আকৌ একবচন, দ্বিবচন আৰু বহুবচন— এই তিনিটা বচনত ৰূপ হয়। সেইদৰে প্ৰতিটোৰে তিনিটাকৈ পুৰুষ— প্ৰথম পুৰুষ, মধ্যম পুৰুষ আৰু উত্তম পুৰুষ আছে। গতিকে পৰস্মৈপদ নটা আৰু আৰু আত্মনেপদ নটা মিলি মুঠ ওঠৰটা আকৃতি আছে। মুঠ দহোটা ল-কাৰত পৰস্মৈপদ নৰ্ৱেটা আৰু সমসংখ্যক ন-কাৰত আত্মনেপদ নৰ্ৱেটা মিলি সংস্কৃতত সর্বমুঠ ক্ৰিয়া বিভক্তি বা তিঙ্ বিভক্তিৰ সংখ্যা এশ আশীটা। তলত দহ প্ৰকাৰৰ ল-

কাৰ বা তিঙ্ বিভক্তিৰ চানেকি হিচাপে লট্-ৰ পৰস্মৈপদী আৰু আত্মনেপদী বিভক্তিবোৰ তালিকা কৰি দেখুওৱা হ'ল ঃ

লট্— পৰস্মৈপদ

বচন	পুৰুষ		
	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	তি	সি	মি
দ্বিবচন	তস্	থস্	ৱস্
বহুবচন	অন্তি	থ	মস্

লট্— আত্মনেপদ

বচন	পুৰুষ		
	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	তে	সে	এ
দ্বিবচন	আতে	আথে	ৱহে
বহুবচন	অন্তে	ধ্বে	মহে

√ভূ ধাতু (পৰস্মৈপদী ৰূপ)

বচন	পুৰুষ		
	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	ভৱতি	ভৱসি	ভৱামি
দ্বিবচন	ভৱতঃ	ভৱথঃ	ভৱাৱঃ
বহুবচন	ভৱন্তি	ভৱথ	ভৱামঃ



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ধাতু আৰু ধাতুৰূপ মানে কি? সংস্কৃতৰ ল-কাৰসমূহৰ এটি বিৱৰণ দাঙি ধৰক। [150টা শব্দৰ ভিতৰত)

১২.৩.৩ 'গণ' বিভাজন

সংস্কৃত ভাষাত ধাতুশব্দবোৰত তিঙ্ বিভক্তিযোগ হোৱাৰ লগে লগে ধাতুবোৰৰ আকৃতিৰ পৰিৱর্তন ঘটে। এনে পৰিৱর্তনৰ ধৰণৰ প্রতি লক্ষ্য ৰাখি এটা শৃংখলা আনিবৰ বাবে সংস্কৃতৰ আটাইবোৰ ধাতুক একোটাহঁত শ্রেণীত বিভক্ত কৰা হৈছে। এনে একোটা শ্রেণীক 'গণ' বোলা হৈছে। সংস্কৃতত এনে 'গণ'-ৰ সংখ্যা মুঠ

দহোটা। সেইবাবে ইয়াক 'দশগণ' ৰূপে অভিহিত কৰা হয়। সংস্কৃতৰ 'দশগণ' সম্পৰ্কীয় সূত্ৰটি এনে ধৰণৰ ঃ

ভ্বাদ্যদাদী জুহোত্যাদির্দিৱাদিঃ স্বাদিৰেৱচ।
তুদাদিশ্চ ৰুধাদিশ্চ তন-ক্র্যাদি-চুৰাদয়ঃ।।

(অর্থাৎ, সংস্কৃত ধাতুবোৰ ভ্বাদি, অদাদি, হ্বাদি বা জুহোত্যাদি, দিৱাদি, স্বাদি, তুদাদি, ৰুধাদি, তনাদি, ক্র্যাদি আৰু চুৰাদি— এই দহোটা গণত বিভক্ত।)

উল্লেখনীয় যে সংস্কৃতত একো একোটা ধাতুৰ সৈতে সেই ধাতুৰ দৰে ৰূপ লোৱা আন আন ধাতুক সেই শ্রেণীৰ অন্তর্ভুক্ত কৰি প্রথম ধাতুটোৰ নাম অনুসৰি গণৰ নামকৰণ কৰা হৈছে। উদাহৰণ স্বৰূপে 'ভূ' ধাতুকে ধৰি দা, ধৃ, পঠ্, ভাষ্, কৃষ, হস্, লভ্, শুভ্, অট্ আদি যিবোৰ ধাতুৰ ৰূপ কৰোঁতে একে ধৰণৰ পৰিৱর্তন হয়, সেইবাবে এনে একে ধৰণৰ ৰূপ হোৱা ধাতুবোৰক প্রথম ধাতু 'ভূ'-ৰ নামানুসাৰে ভ্বাদি-গণীয়ৰূপে নামকৰণ কৰা হৈছে। আকৌ অদ্'-ধাতুকে ধৰি ৱচ্, হন্, দ্বিষ্, মৃজ্ আদি একে ধৰণে ৰূপ হোৱা ধাতুবোৰ অদাদি-গণীয়। তেনেদৰে হ্বাদি-গণীয়ৰ প্রথম ধাতু হু, দিৱাদি-গণীয়ৰ দিৱ্, স্বাদি-গণীয়ৰ সু, তুদাৱিৰ তু, ৰুধাদিৰ ৰুধ্, তনাদিৰ তন্, ক্র্যাদিৰ ক্রী আৰু চুৰাদিৰ চুৰ্ ধাতু।

ধাতুৰ বৈবিধৰ ওপৰত ভিত্তি কৰি সংস্কৃত ধাতুৰূপক পৰস্মৈপদী, আত্মনেপদী আৰু উভয়পদী হিচাপে ভাগ কৰা হৈছে। অর্থাৎ ধাতুবোৰ পৰস্মৈপদী, আত্মনেপদী বা উভৈপদী হ'ব পাৰে। ইয়াৰ পৰা বুজিবলৈ টান নহয় যে সংস্কৃতত সকলো ধাতুৰে পৰস্মৈপদী আৰু আত্মনেপদী ৰূপ পোৱা নাযায়। উদাহৰণ স্বৰূপে √ভূ ধাতুৰ কেৱল পৰস্মৈপদী ৰূপহে পোৱা যায়। তেনেদৰে √শী ধাতু কেৱল আত্মনেপদতহে ৰূপ হয়। যিবোৰ ধাতুত অকল পৰস্মৈপদী বিভক্তিহে লগ লাগে সেইবোৰ পৰস্মৈপদী ধাতু, আকৌ যিবোৰ ধাতুত কেৱল আত্মনেপদী বিভক্তি যোগ হয় সেইবোৰ আত্মনেপদী ধাতু। কিছুমান ধাতুত আকৌ পৰস্মৈপদী আৰু আত্মনেপদী দুয়ো প্রকাৰৰ বিভক্তি যোগ হয়। এনে ধাতুক উভৈপদী বোলা হৈছে। যেনে √দুহ ধাতু। কেতিয়াবা আকৌ কোনো ধাতু উপসর্গৰ সংযোগৰ ফলত পৰস্মৈপদী হৈয়ো আত্মনেপদী অথবা আত্মনেপদী হৈয়ো পৰস্মৈপদী হ'ব পাৰে।

সংস্কৃতত বাচ্য অনুসাৰেও ভিন্ ভিন্ তিঙ্ বিভক্তিৰ সংযোগ ঘটে। উদাহৰণ স্বৰূপে কর্তৃবাচ্যত কর্তৃপদৰ বিভক্তিৰ যি বচন, ক্রিয়াপদতো বিভক্তিৰ সেই বচন হয়। কর্তৃপদৰ বিভক্তি এক বচনসূচক হ'লে ক্রিয়াপদৰ বিভক্তিও এক বচনসূচক হয়। দ্বিবচন আৰু বহুবচনৰ ক্ষেত্রতো একে কথাই প্রযোজ্য।


'গণ'-বিভাজনৰ মূল ভিত্তি ঃ সংস্কৃতত ধাতুৰ গণ-বিভাজন ঘাইকৈ প্রতিটো ধাতুৰ ৰূপ কৰোঁতে যোগ হোৱা বিশেষ বিশেষ 'বিকৰণ'-ৰ (Stem Affix) ওপৰত আধাৰিত। ওপৰত দেখুৱাই অহা দহোটা গণৰ অন্তর্ভুক্ত ধাতুবোৰৰ ৰূপ-সাধন

প্রক্রিয়াত বিশেষকৈ লট্, লোট্, লঙ্ আৰু বিধিলিঙত বিভক্তিৰ সংযোগ ঘটিলে ধাতু আৰু তিঙ্ বিভক্তিৰ মাজত একোটা বিশেষ বর্ণৰ আগম হয়। ইয়াৰ ফলত নতুন ক্রিয়ামূলৰ সৃষ্টি হয়। এনেদৰে আগম হোৱা বর্ণক বিকৰণ বোলা হয়। থোৰতে ক'বলৈ গ'লে ধাতুৰ গণ-বিভাজনৰ মূল ভিত্তি হৈছে বিকৰণ। দৰাচলতে বিকৰণ হৈছে এবিধ অর্থহীন প্রত্যয়। ধাতুৰ পিছত যোগ হৈ ই কোনো নতুন অর্থ প্রকাশ নকৰে। মাত্র ধাতু আৰু তিঙ্ বিভক্তিৰ মাজত সোমাই এটা সমাপিকা ক্রিয়াপদ গঠন হোৱাত সহায় কৰে। উদাহৰণ স্বৰূপে √ৰুধ্ ধাতুৰ লট্-ৰ পৰস্মৈপদীত ৰূপ কৰিলে প্রথম পুৰুষৰ একবচনত হয় 'ৰুণদ্ধি'। অর্থাৎ ধাতু আৰু বিভক্তিৰ মাজলৈ এটা 'ন'-ৰ আগম হৈছে। সেইদৰে √চুৰাদি-গণীয় ধাতুৰ ৰূপ কৰিলে ধাতু আৰু তিঙ্ বিভক্তিৰ মাজত 'অয়' বিকৰণৰ আগম হয়, যেনে— চোৰয়তি; তনাদি-গণীয় ধাতুৰ অন্তত 'উ' বা 'অ'-ৰ আগম হয়; ক্র্যাদি-গণীয় ধাতুৰ অন্তত 'না' আগম হয়, ইত্যাদি। মুঠতে তিঙ্ বিভক্তিৰ সংযোগৰ ফলত ধাতুবোৰৰ নানান পৰিৱর্তন সংঘটিত হয়; কেতিয়াবা স্বৰৰ গুণ-বৃদ্ধি ঘটে, কেতিয়াবা আকৌ ধাতুশব্দলৈ নতুনকৈ স্বৰ বা ব্যঞ্জনৰ আগম ঘটে। ইয়াৰ পৰিণতি স্বৰূপে ধাতুবোৰে ভিন্ ভিন্ ৰূপ লয়। এনেদৰে মূল ধাতু গঠনৰ ওপৰত ভিত্তি কৰি সংস্কৃত ভাষাৰ ধাতুবোৰক দহোটা গণত বিভক্ত কৰা হৈছে।

'গণ'-সমূহৰ শ্রেণী বিভাজন ঃ ওপৰত উনুকিয়াই অহা দহোটা 'গণ'-ৰ অন্তর্গত ধাতুৰ সৈতে যোগ হোৱা তিঙ্ বিভক্তিৰ মাজত যি বর্গৰ আগম হয় বা বিকৰণ সংযুক্ত হয় তাৰ ভিত্তিত সংস্কৃতৰ ধাতুবোৰক বহুলভাৱে দুটা ভাগত ভগোৱা হৈছে ঃ

1) অ-বিকৰণযুক্ত শ্রেণী আৰু
2) অ-ভিন্ন বিকৰণযুক্ত শ্রেণী।

যিবোৰ গণৰ ধাতুৰ ৰূপ-সাধনত ধাতু আৰু বিভক্তিৰ মাজত 'অ' বিকৰণ হিচাপে যোগ হয় বা আন কথাত অ-বিকৰণৰ আগম হয়, সেইবোৰক অ-বিকৰণযুক্ত শ্রেণীত ধৰা হৈছে। আনহাতে যিবোৰত অ-ৰ বাহিৰে অন্য স্বৰ বা ব্যঞ্জনৰ আগম হয়, সেইবোৰক অ-ভিন্ন বিকৰণযুক্ত শ্রেণী আখ্যা দিয়া হৈছে। ভ্বাদি, তুদাদি, দিৱাদি, চুৰাদি গণ অ-বিকৰণযুক্ত শ্রেণীৰ অন্তর্গত; আনহাতে অদাদি, হ্নাদি, ৰুধাদি, ক্র্যাদি, স্বাদি, তনাদি গণ অ-ভিন্ন বিকৰণ শ্রেণীৰ অন্তর্গত। তলৰ তালিকাখনে কথাখিনি সহজে বুজাত আপোনাক সহায় কৰিব ঃ



বিকৰণৰ বৈশিষ্ট্য অনুযায়ী দুয়োটা শ্রেণীৰ ধাতুবোৰক ভিন্ ভিন্ নামেৰে কেতবোৰ উপভাগত ভাগ কৰিব পৰা যায়, যেনে— শ্বাসাঘাতযুক্ত অ-শ্রেণী, শ্বাসাঘাতবিহীন অ-শ্রেণী, অয় শ্রেণী, নু শ্রেণী, না শ্রেণী ইত্যাদি। তলত প্রতিটোৰে চমু আভাস দাঙি ধৰা হৈছে।

➢ *অ-বিকৰণযুক্ত শ্রেণী ঃ* বিকৰণ অনুযায়ী এই শ্রেণীৰ ধাতুবোৰক চাৰিটা ভাগত ভাগ কৰা হৈছে ঃ (ক) শ্বাসাঘাতযুক্ত অ-শ্রেণী, (খ) শ্বাসাঘাতবিহীন অ-শ্রেণী, (গ) য়-শ্রেণী আৰু (ঘ) অয়-শ্রেণী।

❍ *শ্বাসাঘাতযুক্ত অ-শ্রেণী ঃ* তুদাদিগণীয় যেনে √তুদ্, √দিশ্, √মৃশ্, √মুচ্, √শৃজ, √চর্চ, √লিখ্ আদি ধাতু শ্বাসঘাতযুক্ত অ-শ্রেণীৰ অন্তর্ভুক্ত। এই শ্রেণীৰ ধাতুৰ ৰূপ কৰোঁতে ধাতু আৰু বিভক্তিৰ মাজত শ্বাসাঘাতযুক্ত অ-বিকৰণ সংযুক্ত হয়, যেনে— √তুদ্ + তি (লট্) = তুর্দতি। তেনেদৰে √দিশ্ + তি = দির্শতি, √মৃশ্ + তি = মৃর্শতি, ইত্যাদি। তুদাদিগণীয় কেতবোৰ ধাতুৰ ৰূপত ধাতুটো ফালি তাৰ মাজত এটা নাসিক্য ধ্বনিৰ আগম ঘটা দেখা যায়, যেনে— √মুচ্ + তি = মুঞ্চতি, √সিচ + তি সিঞ্চতি ইত্যাদি (ঁ চিনে শ্বাসাঘাত বুজাইছে)।

❍ *শ্বাসাঘাতবিহীন অ-শ্রেণী ঃ* ভ্বাদিগণীয় ধাতুবোৰ এই শ্রেণীৰ অন্তর্গত। এই শ্রেণীৰ ধাতুৰ ৰূপ কৰিলে ধাতু আৰু বিভক্তিৰ মাজত অ-বিকৰণ লগ লাগে। কিন্তু তুদাদিগণীয় ধাতুৰূপৰ দৰে এই অ শ্বাসাঘাত যুক্ত নহয়। এনে ধাতুৰূপত শ্বাসাঘাত বিকৰণটোৰ ওপৰত নপৰি ধাতু অক্ষৰত পৰে। সেইবাবে এই শ্রেণীৰ ধাতুৰূপক শ্বাসাঘাতবিহীন অ-শ্রেণী আখ্যা দিয়া হৈছে। বিকৰণ যোগ হোৱাৰ লগে লগে ধাতুৰ অন্ত্যস্বৰৰ গুণ হোৱাটো এই শ্রেণীৰ ধাতুৰ প্রধান বৈশিষ্ট্য; যেনে— √ ভূ + তি (লট্) = ভৱতি। সৰহভাগ ভ্বাদিগণীয় ধাতুৰ আকৌ অন্ত্যস্বৰ গুণিত হোৱাৰ পৰিৱর্তে বৃদ্ধি হোৱা দেখা যায়; যেনে— √ক্রম্ + তি = ক্রামোতি, √ৰুচ্ + তে = ৰোচতে, ইত্যাদি।

ধাতু আৰু বিভক্তিৰ মাজত আগম হোৱা বিকৰণ 'অ' শ্বাসাঘাতযুক্ত হোৱা বা নোহোৱাটোৱেই হৈছে তুদাদিগণীয় ধাতুৰ লগত ভ্বাদিগণীয় ধাতুৰ ঘাই পার্থক্য।

❍ *য়-শ্রেণী ঃ* দিৱাদিগণীয় √দিব্, √নৃত্, √ৱিদ, √অস্, √পদ্, √মন্ আদি ধাতু য়-শ্রেণীৰ অন্তর্গত। এই শ্রেণীৰ ধাতুবোৰৰ ৰূপ সাধন-প্রক্রিয়াত ধাতু আৰু বিভক্তিৰ মাজত শ্বাসাঘাত বিহীন 'য়' বিকৰণ সংযুক্ত হয়। শ্বাসাঘাত এই শ্রেণীৰ ধাতুত ভ্বাদিগণীয়ৰ দৰে ধাতু অক্ষৰত পৰে। য়-বিকৰণটো শ্বাসাঘাতযুক্ত হ'লে ক্রিয়াৰূপটোৱেই কর্মবাচ্যৰ অর্থ প্রকাশ কৰে। দিৱাদিগণীয় ধাতুবোৰৰ ৰূপ সাধনত কিছুমান ধাতুৰ আদ্যাক্ষৰৰ স্বৰ অপৰিৱর্তিত থাকে; যেনে— √নৃত্ + তি = নৃত্যতি। আনহাতে

কিছুমান ধাতুৰূপত আদ্যাক্ষৰৰ স্বৰৰ গুণৰ সাল-সলনি ঘটে; যেনে— √দিৱ + তি = দীৱ্যতি। আকৌ এই শ্রেণীৰ অন্তর্গত ও-কাৰান্ত ধাতুবোৰৰ ও-কাৰ লোপ পায়; যেনে— √সো + তি = স্যতি।

- *অয়-শ্রেণী ঃ* চুৰাদিগণীয় ধাতু, যেনে— √চুৰ্, √পুজ্, √অর্চ্, √কথ্, √গণ্, √ৰচ্, √তড়্, √ৰূপ্ আদি ধাতুৰ ৰূপ কৰিলে ধাতু আৰু বিভক্তিৰ মাজত 'অয়' বিকৰণ যোগ হয়। এই ধাতুৰূপত শ্বাসাঘাত বিকৰণটোৰ আদি অক্ষৰত পৰে আৰু স্বৰৰ গুণ-বৃদ্ধি হয়। 'অয়'নিচ্ প্রত্যয়ৰ পৰা আহিছে যদিও, ইয়াত নিচ্ প্রত্যয়ৰ 'নিজন্ত' অর্থ ইয়াত প্রকাশ নহয়; যেনে— √চুৰ + তি = চোৰয়তি, √তড় + তি = তাড়য়তি, √পূজ + তি = পূজয়তি ইত্যাদি। 'অয়' বিকৰণ যোগ হয় বাবে এই শ্রেণীৰ ধাতুক 'অয়' বিকৰণযুক্ত ধাতু আখ্যা দিয়া হৈছে।

➢ *অ-ভিন্ন বিকৰণযুক্ত শ্রেণী ঃ* এই শ্রেণীৰ ধাতুৰূপত শ্বাসাঘাতৰ স্থান-সুনির্দিষ্ট নহয়। বিকৰণ লগ লগা বা নলগাৰ ওপৰত ভিত্তি কৰি এই শ্রেণীৰ ধাতুক মুঠ ছটা ভাগত ভাগ কৰা হৈছে ঃ (ক) ধাতু শ্রেণী, (খ) দ্বিত্ব বা দ্বিৰুক্ত শ্রেণী, (গ) মধ্যৱর্তী নাসিক্য শ্রেণী, (ঘ) না-শ্রেণী, (ঙ) নু-শ্রেণী আৰু (চ) উ-শ্রেণী। তলত প্রতিটো শ্রেণীৰে চমু আভাস দাঙি ধৰা হৈছে।

- *ধাতু শ্রেণী ঃ* অদাদিগণীয় ধাতু, যেনে— √অদ্, √অস্, √হন্, √দুহ্, √ৱিদ্, √ৱচ্, √স্না আদি এই শ্রেণীত পৰে। এই শ্রেণীৰ ধাতুৰ ৰূপ সাধনত ধাতুৰ লগত তিঙ্ বিভক্তি পোনপটীয়াকৈ যোগ হয়; মাজত কোনো বিকৰণৰ আগম নহয়, যেনে— √অস্ + তি = অস্তি। কেতিয়াবা ধাতু আৰু বিভক্তিৰ মাজত সমীভৱন প্রক্রিয়াৰে সন্ধি হয়, যেনে— √অদ্ + তি = অত্তি। আকৌ এই শ্রেণীৰ কেতবোৰ ধাতুৰ ৰূপ কৰোঁতে ধাতুৰ আদি অক্ষৰৰ স্বৰ অপৰিৱর্তিত থাকে; আনহাতে আন কিছুমানৰ পৰিৱর্তন হয়; যেনে— √অস্ + তি = অস্তি, কিন্তু √ৱিদ্ + তি = ৱেত্তি।
- *দ্বিত্ব বা দ্বিৰুক্ত শ্রেণী ঃ* হ্বাদি বা জুহোত্যোদিগণীয় ধাতুবোৰ, যেনে— √হা, √দা, √ধা, √মা, √ভূ , √ভী আদি লট্, লোট, লঙ্ আৰু বিধিলিঙ্ — এই চাৰিটা ল-কাৰত ৰূপ কৰোঁতে ধাতু আৰু বিভক্তিৰ মাজত কোনো বিকৰণৰ সংযোগ নঘটে; তাৰ সলনি মূল ধাতুটো দ্বিত্ব বা দিৰুক্ত (Reduplicated) হয়। ধাতুৰ ব্যঞ্জন দ্বিৰুক্ত হয় বাবে এই শ্রেণীৰ ধাতুক দ্বিত্ব বা দ্বিৰুক্ত শ্রেণী আখ্যা দিয়া হৈছে। এনে ধাতুত কিছুমান বিভক্তি লগ লাগিলে ধাতুটোৰ দ্বিত্ব ৰূপৰ স্বৰটো গুণিত হয়; যেনে— √দা + তি = দদাতি। আকৌ হা, হু, আদি ধাতু ৰূপ কৰিলে ধাতুৰ আগত এটা 'জ'-ৰ আগম হয়; যেনে— √হা + তি = জহাতি, √হু + তি = জুহোতি। তেনেদৰে √ধা, √ভী, √ভৃ আদি মহাপ্রাণ ধ্বনিযুক্ত ধাতু

দ্বিৰুক্ত হওঁতে প্রথমটো মহাপ্রাণ ধ্বনি অল্পপ্রাণলৈ ৰূপান্তৰিত হয়; যেনে— √ধা +Âতি = দধাতি, √ভূ + তি = বিভর্তি ইত্যাদি।

- *মধ্যৱর্তী নাসিক্য শ্রেণী ঃ* ৰুধাদিগণীয় √ ৰুধ, √ভিদ্, √ছিদ্, √ভুজ, √যুজ, √শিষ্ আদি ধাতু এই শ্রেণীৰ ভিতৰুৱা। এনে ধাতুৰ ৰূপ কৰিলে ধাতুটোৰ মাজত এটা নাসিক্য ব্যঞ্জন সোমাই পৰে আৰু ধাতুটোৰ অন্তিম ব্যঞ্জনৰ পাছত 'অ' এটাৰ আগম ঘটে; তাৰ পিছতহে বিভক্তি লগ লাগে; যেনে √ৰুধ্ > ৰুণ্ধ + অ + তি = ৰুণদ্ধি, √ভুজ্ > ভুন্জ + অ +Âতি = ভুনক্তি ইত্যাদি। নাসিক্য ব্যঞ্জনটো তালব্য, মূর্ধন্য নে দন্ত্য হ'ব, সেয়া নির্ভৰ কৰে ধাতুটোৰ শেষত থকা ধ্বনিগুণৰ ওপৰত। ধাতুৰ মাজত নাসিক্য ব্যঞ্জনৰ আগম হোৱা হেতুকে এই শ্রেণীৰ ধাতুক 'মধ্যৱর্তী নাসিক্য শ্রেণী' বোলা হৈছে। আগম হোৱা নাসিক্য ব্যঞ্জনটো ঘাইকৈ ন বা ণ হোৱা হেতুকে এই শ্রেণীৰ ধাতুক ন-শ্রেণীও বোলা হয়।
- *না-শ্রেণী ঃ* ক্র্যাদিগণীয় √জ্ঞা, √অশ্, √গ্রন্থ্, √ক্লিশ্, √ক্ষুভ্, √পূষ্, √ন্ত, আদি ধাতুৰ ৰূপ কৰিলে ধাতুৰ শেষত 'না' বিকৰণ যোগ হয়; যেনে— √ক্রী +Âনা + তি =Âক্রীণাতি, জ্ঞা + না + তি = জানাতি ইত্যাদি। ধাতুৰ পিছত যোগ হোৱা বিভক্তিৰ আকৃতি অনুযায়ী 'না' বিকৰণটো 'ন' বা 'নী'-লৈ ৰূপান্তৰিত হয়। ধাতু আৰু বিভক্তিৰ মাজত 'না' যোগ হোৱা হেতুকে এই শ্রেণীৰ ধাতুক 'না-শ্রেণী' ৰূপে অভিহিত কৰা হৈছে।
- *নু-শ্রেণী ঃ* স্বাদিগণীয় √আপ্, √অশ্, √সাধ্, √শ্রু, √দু, √ধু, √চি, √ক্ষি আদি ধাতু এই শ্রেণীৰ অন্তর্গত। এই শ্রেণীৰ ধাতুৰ ৰূপ কৰোঁতে ধাতু আৰু বিভক্তিৰ মাজত 'নু' বিকৰণৰ আগম হয়; যেনে— আপ্ + নু = আপ্নুতি। কোনো কোনো ক্ষেত্রত 'নু' বিকৰণ 'নো' বা 'ন' হয়; যেনে— √শ্রু + নু + তি = শৃণোতি, √সু + নু + তি = সুণোতি, ইত্যাদি। 'নু' বিকৰণ যোগ হয় বাবে এই শ্রেণীৰ ধাতুক 'নু-শ্রেণী' আখ্যা দিয়া হৈছে।
- *উ-শ্রেণী ঃ* √তন্, √কু, √মন্, √ক্ষণ্, √মৃণ, √তৃণ্ আদি তনাদিগণীয় ধাতুবোৰ এই শ্রেণীৰ অন্তর্গত। এই শ্রেণীৰ ধাতুৰ ৰূপ কৰোঁতে ধাতু আৰু বিভক্তিৰ মাজত 'উ' বিকৰণৰ সংযোগ ঘটে; যেনে— √কৃ + উ + তি = কৰোতি, তন্ + উ + তি = তনোতি, ইত্যাদি। 'উ' বিকৰণ যোগ হয় বাবে এই শ্রেণীৰ ধাতুক 'উ' শ্রেণী'-ৰ ধাতু বোলা হৈছে। এই শ্রেণীৰ ধাতুৰূপত বিশেষ বিশেষ বিভক্তিৰ সংযোগত 'উ'-ৰ ঠাইত 'ও' হয় বা 'উ' লুপ্ত হয়। স্বাদিগণীয়, অর্থাৎ 'নু-শ্রেণী'-ৰ লগত এই শ্রেণীৰ বিশেষ প্রভেদ নাই; ইয়াত মাত্র 'ন্' ব্যঞ্জনটো নাথাকে। এনে কাৰণতে কোনো কোনো পাশ্চাত্য পণ্ডিতে 'উ' শ্রেণীক 'নু' শ্রেণীৰ প্রকাৰ ভেদ বুলিছে। আকৌ এই শ্রেণীৰ অন্তর্গত ঋ-কাৰান্ত ধাতুবোৰৰ ৰূপ কৰোঁতে তি, সি, মি আদি বিভক্তিৰ সংযোগ ঘটিলে 'কৃ' 'কৰ্' হয়, আন কিছুমান

বিভক্তি যোগ হ'লে 'কৃ' কুৰ্' হয়। √'কৃ' ধাতু বিধিলিঙত ৰূপ কৰিলে 'য্য'-ৰ আগম ঘটে আৰু প্রথম পুৰুষ একবচন, দ্বিবচন আৰু বহুবচনত যথাক্রমে 'কুর্য্যাৎ', 'কুর্য্যাতাম্', আৰু 'কুর্য্যুঃ' হয়।

বিকৰণৰ সংযোগৰ ওপৰত ভিত্তি কৰি ধাতুবোৰক এনেদৰে শ্রেণী বিভাগ কৰিলেও সংস্কৃত ভাষাত এনে নিয়মৰ ব্যতিক্রম থকা আন কেতবোৰ ধাতুও পোৱা যায়। উদাহৰণ স্বৰূপে √গম্ ধাতু ভ্বাদিগণীয়ৰ অর্থাৎ শ্বাসাঘাতহীন অ-শ্রেণীৰ অন্তর্গত যদিও, এই ধাতুৰ ৰূপ √ভূ ধাতুৰ দৰে ৰূপ নহয়। √ভূ ধাতু ৰূপ কৰিলে 'ভৱতি' হয়, কিন্তু √গম্ ধাতু 'গমতি' নহৈ 'গচ্ছতি' হয়। সেইদৰে তুদাদিগণীয়, অর্থাৎ শ্বাসাঘাতযুক্ত অ-শ্রেণীৰ √ইষ্ ধাতু 'গচ্ছতি' হয়। কিন্তু নিয়মানুসাৰে হ'ব লাগিছিল 'ইষতি'। এই ফালৰ পৰা এনেদৰে ৰূপ হোৱা √গম্, √ইষ্ আদি ধাতুক লৈ 'চ্ছ' শ্রেণী নামেৰে এটা সুকীয়া শ্রেণী হোৱা উচিত আছিল যদিও, দুয়োটা ধাতুক ক্রমে ভ্বাদিগণীয় আৰু তুদাদিগণীয় আখ্যা দিয়া হৈছে।

মুঠতে কেতবোৰ দিশত ব্যতিক্রম থাকিলেও সামগ্রিকভাৱে বিভিন্ন বিকৰণ সংযোগ ঘটালৈ লক্ষ্য কৰি দহোটা গণৰ অন্তর্গত ধাতুবোৰক উল্লিখিত ধৰণে শ্রেণীভুক্ত কৰি এটা শৃংখলাৰ মাজলৈ আনিবৰ প্রয়াস কৰা হৈছে। কিন্তু, সেয়ে হ'লেও, ধাতুৰূপত থকা ব্যতিক্রমসমূহে সংস্কৃত ধাতুৰূপৰ জটিলতা অনেক গুণে বৃদ্ধি কৰিছে। সি যি কি নহওক, ধাতু আৰু বিভক্তিৰ মাজত যোগ হৈ বিকৰণসমূহে যি ক্রিয়াপদ গঠন কৰে, সেই ক্রিয়াপদসমূহ বিভিন্ন কাল, ভাব, বচন আৰু পুৰুষ অনুসাৰে ৰূপ হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃসংস্কৃত ধাতুবোৰক কেইটা গণত বিভক্ত কৰা হৈছে? এই গণ বিভাজনৰ মূল ভিত্তি কি? [150টা শব্দৰ ভিতৰত)

প্রশ্ন নং ৩ ঃ সংস্কৃত ধাতুৰ গণসমূহক কি কি শ্রেণীত ভগোৱা হৈছে, আলোচনা কৰক। [150টা শব্দৰ ভিতৰত)

১২.৩.৪ পালি-প্রাকৃতৰ ধাতুৰূপ

সংস্কৃতৰ ধাতুৰূপৰ বৈচিত্র্য আৰু জটিলতা পালি-প্রাকৃত স্তৰত বহু পৰিমাণে হ্রাস পাইছে। প্রাকৃততকৈ (সাহিত্যিক প্রাকৃত) পালি ভাষা সময়ৰ ফালৰ পৰা কিছু আগৰ হোৱা হেতুকে এই ভাষাত সংস্কৃত ধাতুৰূপৰ ভালেমান বৈশিষ্ট্য ৰক্ষিত হোৱা দেখা যায়। আন কথাত পালি-ধাতুৰূপ ভালেমান ক্ষেত্রত সংস্কৃতৰ অনুগামী। কিন্তু প্রাকৃত স্তৰত এই জটিলতা হ্রাস হৈ যথেষ্ট সৰল হৈ পৰিছে।

পালি ভাষাৰ ধাতুৰূপ ঃ পালি ভাষাৰ ধাতুৰূপত একবচন আৰু বহুবচনহে ৰক্ষিত হৈছে; দ্বিবচন নাই। পুৰুষ সংস্কৃতৰ দৰে তিনিটা ঃ প্ৰথম, মধ্যম আৰু উত্তম পুৰুষ। কাল আৰু ভাব-প্ৰকাশক সংস্কৃতৰ দহোটা ল-কাৰৰ আঠোটা পালিত সংৰক্ষিত হৈছে। সংস্কৃতৰ লট্, লিট্, লঙ্, লুঙ্ আৰু লৃট্— এই কাল-প্ৰকাশক ল-কাৰকেইটা পালিত যথাক্ৰমে বত্তমানা, পৰোক্খ, হিয্যতনী, অয্যতনী আৰু ভৰিস্সন্তি নামেৰে পোৱা যায়। তেনেদৰে লোট, লৃঙ্ আৰু বিধিলিঙ্ — এই ভাৱ-প্ৰকাশক ল-কাৰকেইটা পালিত পঞ্চমী, কালাতিপত্তি আৰু সত্তমী-ৰূপে ৰক্ষিত হৈছে। সংস্কৃতৰ কাল-প্ৰকাশক লুট্ আৰু ভাব-প্ৰকাশক আশীৰ্লিঙ্ পালিত লুপ্ত হৈছে। লিট্ থাকিলেও তাৰ ব্যৱহাৰ তেনেই কম। সাধাৰণ অতীত কাল বুজোৱা লঙ্ আৰু লুঙ্-ৰ ভিতৰত লুঙ্-ৰ ব্যৱহাৰ নিচেই সামান্য। পালিত পোৱা আঠোটা ল-কাৰৰ তিঙ্ বিভক্তিবোৰ সংস্কৃতৰ দৰে পালিতো পৰস্মৈপদ (পৰস্সপদ) আৰু আত্মনেপদ (অত্তনোপদ) হিচাপে ব্যৱহাৰ হৈছিল। অৱশ্যে আত্মনেপদৰ ব্যৱহাৰ তেনেই সীমিত। সংস্কৃতত কৰ্মভাববাচ্যত আত্মনেপদ হয়, পালিত কিন্তু তেনে ক্ষেত্ৰত আত্মনেপদ আৰু পৰস্মৈপদ দুয়োটাই হ'ব পাৰে। আকৌ সংস্কৃতত কেতবোৰ ধাতু অকল পৰস্মৈপদী বা আত্মনেপদী হিচাপে প্ৰয়োগ হৈছিল। পালিত কিন্তু যি কোনো ধাতু উভয়পদী হিচাপে ৰূপ হোৱা দেখা যায়। উদাহৰণ স্বৰূপে সংস্কৃতৰ পৰস্মৈপদী √ভূ ধাতু পালিত পৰস্মৈপদ আৰু আত্মনেপদ দুয়োটা ৰূপতে পোৱা যায়; যথা— ভৱতি আৰু ভৱতো সেইদৰে √বুধ ধাতু—বুজ্ঝতি আৰু বুজ্ঝতে।

পালিত আঠোটা ল-কাৰ বুজাবলৈ ব্যৱহাৰ হোৱা তিঙ্ বিভক্তিবোৰ সংস্কৃতৰ সৈতে একে। অৱশ্যে পালিলৈ আহোতে এনে বিভক্তিৰ কেতবোৰ ধ্বনিগত পৰিৱৰ্তন লক্ষ্য কৰিব পাৰি। তলৰ চানেকিখনত পালি ভাষাৰ লট্ (বত্তমানা)-ৰ পৰস্মৈপদী আৰু আত্মনেপদী বিভক্তিবোৰ দেখুওৱা হৈছে ঃ

লট্ — বত্তমানা (Present Tense)

পুৰুষ	**পৰস্মৈপদ**		**আত্মনেপদ**	
	একবচন	**বহুবচন**	**একবচন**	**বহুবচন**
প্ৰথম পুৰুষ	তি	অন্তি	তে	অন্তে
মধ্যম পুৰুষ	সি	থ	সে	ৱ্হে
উত্তম পুৰুষ	মি	ম	এ	ম্হে

সংস্কৃত ধাতুৰ দহোটা গণৰ ভিতৰত পালিত মাত্ৰ সাতোটা গণ পোৱা গৈছে ঃ ভূৱদি (ভ্বাদি), ৰুধদি (ৰুধাদি), দিৱদি (দিৱাদি), সদি (স্বাদি), কিয়দি (ক্র্যাদি), তনদি (তনাদি) আৰু চুৰদি (চুৰাদি)। লোপ পোৱা অদাদি, তুদাদি আৰু হ্বাদিগণীয় ধাতুবোৰ পালিত ভ্বাদিগণীয়ৰ দৰে ৰূপ হ'ল। তদুপৰি পালিত ৰক্ষিত সাতোটা গণৰ প্ৰতিটোৱেই যে সংস্কৃতৰ দৰে সম্পূৰ্ণ একে ৰূপত ৰূপ হৈছিল তেনে নহয়। তিঙ্ বিভক্তিৰ সংযোগৰ পিছত ক্ৰিয়াপদবোৰৰ বিবিধ প্ৰকাৰৰ ধ্বনিগত পৰিৱৰ্তন

ঘটিছিল। উদাহৰণ স্বৰূপে চুৰাদিগণীয় √চুৰ ধাতু সংস্কৃতত ৰূপ কৰিলে প্ৰথম পুৰুষৰ একবচনত হয় 'চোৰয়তি'। কিন্তু পালিত হয় 'চুৰেই'।

ওপৰৰ আলোচনাৰ পৰা এই কথা প্ৰতীয়মান হয় যে পালি ভাষাৰ ধাতুৰ গণ-বিভাজন সুনিৰ্দিষ্ট নহয়। দেখাত যদিও পালিত সাতোটা গণ পোৱা যায়, প্ৰকৃত বিচাৰত কিন্তু ধ্বনিগত পৰিৱৰ্তনৰ হেতু কেতিয়াবা নিৰ্দিষ্ট গণৰ অন্তৰ্গত ধাতুৰ দৰে ৰূপ নহৈ ভিন্ন ধৰণেও ৰূপ হৈছিল। অৰ্থাৎ পালিত ধাতুৰ যি গণ বিভাজন পোৱা যায় সি সংস্কৃতৰ দৰে নিকপ্‌কপীয়া নহয়; বৰং ভালেমান ক্ষেত্ৰত ই শিথিল। সি যি কি নহওক, তলত আপোনাৰ সুবিধাৰ্থে পালি ধাতুৰূপৰ কেইটিমান নিদৰ্শন দাঙি ধৰা হ'ল ঃ

√ভু ধাতু (লট্ — বৰ্ত্তমানা)

পুৰুষ	পৰস্মৈপদ		আত্মনেপদ	
	একবচন	বহুবচন	একবচন	বহুবচন
প্ৰথম পুৰুষ	ভৱতি	ভৱন্তি	ভৱতে	ভৱন্তে
মধ্যম পুৰুষ	ভৱসি	ভৱথ	ভৱসে	ভৱৱ্‌হে
উত্তম পুৰুষ	ভৱামি	ভৱাম	ভৱে	ভৱম্‌হে

উল্লেখনীয় যে √ভু ধাতু পালিত বিকল্পে √হূ হয়। তেতিয়া তাৰ ৰূপ নিম্নোক্ত ধৰণৰ হয় ঃ

পুৰুষ	এক বচন	বহু বচন
প্ৰথম পুৰুষ	হোতি	হোন্তি
মধ্যম পুৰুষ	হোসি	হোথ
উত্তম পুৰুষ	হোমি	হোম

√অস্ ধাতু (লট্ — বৰ্ত্তমানা)

পুৰুষ	এক বচন	বহু বচন
প্ৰথম পুৰুষ	অসি	সন্তি
মধ্যম পুৰুষ	অসি, অহি	অত্থ
উত্তম পুৰুষ	অস্মি, অম্‌হ	অস্ম, অম্‌হ

√গম্ ধাতু (লট্ — বৰ্ত্তমানা)

পুৰুষ	এক বচন	বহু বচন
প্ৰথম পুৰুষ	গচ্ছতি	গচ্ছন্তি
মধ্যম পুৰুষ	গচ্ছসি	গচ্ছথ
উত্তম পুৰুষ	গচ্ছামি	গচ্ছাম

প্রাকৃত ভাষাৰ ধাতুৰূপ

প্রাকৃত স্তৰত সংস্কৃতৰ ধাতুৰূপৰ বৈচিত্র্য অধিক হ্রাস পালে। আন কথাত, প্রাকৃতৰ ধাতুৰূপ পালিতকৈও অধিক সৰল হৈ পৰিল। পালিৰ দৰে প্রাকৃততো বচন মাত্র দুটাহে থাকিল ঃ একবচন আৰু বহুবচন। দ্বি বচন সমূলি লোপ পালে। অৱশ্যে পালিৰ দৰে প্রাকৃততো সংস্কৃতৰ তিনিওটা পুৰুষ ৰক্ষিত হৈছে ঃ প্রথম, মধ্যম আৰু উত্তম। সেয়ে হ'লেও, ল-কাৰ আৰু গণ-ৰ ক্ষেত্রত প্রাকৃতত নিজস্বভাৱে নতুন নতুন বৈশিষ্ট্য গঢ় লৈ উঠিল। সকলো ধাতুকে একগণীয় কৰাৰ প্রৱণতা প্রাকৃত ধাতুৰূপৰ অন্যতম প্রধান বৈশিষ্ট্য। বিক্ষিপ্ত দুই-এটা উদাহৰণৰ বাহিৰে প্রাকৃতত ধাতুৰ আত্মনেপদ ৰূপ প্রায় লুপ্ত হৈছে।

প্রাকৃতত কাল প্রকাশক ল-কাৰ থাকিল মাত্র দুটা ঃ লট্ (বর্তমান) আৰু লৃট্ (ভৱিষ্যৎ)। অতীত কালৰ ভেদ বুজোৱা লঙ্, লিট্ আৰু লুঙ্ লুপ্ত হ'ল। তাৰ ঠাইত প্রাকৃতত -ত (-ক্ত)- প্রত্যয়ান্ত নিষ্ঠান্ত পদ অতীত কালৰ অর্থত সমাপিকা ক্রিয়াৰূপে ব্যৱহাৰ হ'ল। ই কেতিয়াবা সহায়ক ক্রিয়াযুক্ত আৰু কেতিয়াবা সহায়ক ক্রিয়াহীন কৃদন্তৰূপেও ব্যৱহৃত হ'ল। পালিত লঙ্, লিট্, লুঙ্-ৰ প্রয়োগত সংস্কৃতৰ দৰেই পার্থক্য ৰক্ষিত হৈছিল। আনকি বৈদিকৰ দৰে পালিত লঙ্-লুঙ্-ৰ আগত অ-কাৰৰ আগম হৈছিল আৰু বৈদিকৰ দৰে লুঙ্-ৰ প্রথম পুৰুষৰ একবচনত 'ই' বিভক্তি যোগ হোৱা বৈশিষ্ট্যও পালিত হোৱা দেখা পোৱা হৈছিল। কিন্তু প্রাকৃতত তেনে বৈশিষ্ট্য ৰক্ষিত হোৱাৰ উদাহৰণ পাবলৈ নাই। কোনো কোনো ধাতুত -ঈ, -অ যোগ হোৱা দেখা গ'লেও, সেয়া অতীত কালৰ কৃদন্ত প্রত্যয়ৰ পৰিৱর্তিত ৰূপহে। অর্থাৎ প্রাকৃতত সংস্কৃতৰ অতীত কালসূচক তিঙ্ বিভক্তিৰ প্রয়োগৰ সলনি কৃৎ প্রত্যয়ৰ ব্যৱহাৰৰ দ্বাৰাহে অতীত কাল বুজোৱা নতুন ৰীতি প্রতিষ্ঠিত হ'ল।

প্রাকৃতত ভাৱ-প্রকাশক ল-কাৰ থাকিল মাত্র দুটা ঃ লোট্ আৰু বিধিলিঙ্। অৱশ্যে বিধিলিঙ্-ৰ প্রয়োগ নিতান্তই সীমিত। প্রাকৃতত কাল-প্রকাশক দুটা আৰু ভাৱ-প্রকাশক দুটা— মুঠ চাৰিটা ল-কাৰ বুজাবলৈ একবচন আৰু বহুবচনত যিবোৰ তিঙ্ বিভক্তি ব্যৱহাৰ কৰা হৈছে, সেইবোৰৰ সৰহভাগেই সংস্কৃত তিঙ্ বিভক্তিৰ ধ্বনিগত পৰিৱর্তনৰ পৰিণতি স্বৰূপে গঢ় লৈ উঠিছে। তলত আপোনাৰ অধ্যয়নৰ সুবিধাৰ বাবে প্রাকৃত তিঙ্ বিভক্তিৰ চানেকি হিচাপে লট্- পৰস্মৈপদীৰ অন্তর্গত বিভক্তিকেইটাৰ তালিকা এখন দাঙি ধৰা হৈছে। আশাকৰো এই তালিকাখনে আপোনাক কথাখিনি বুজাত সহায় কৰিব।

পুৰুষ → বচন ↓	**প্রথম পুৰুষ**	**মধ্যম পুৰুষ**	**উত্তম পুৰুষ**
একবচন	ই (দি)	সি	মি
বহুবচন	ন্তি	হ (ধ)	মো

সংস্কৃত ধাতুৰ মুঠ দহোটা গণৰ ভিতৰত সাতোটা গণ পালি ভাষাত ৰক্ষিত হৈছে। প্রাকৃতত কিন্তু সংস্কৃতৰ গণ-বিভাজনৰ ব্যাপক পৰিৱর্তন ঘটিছে। এই স্তৰত প্রকৃতপক্ষে দুটা গণহে ৰক্ষিত হৈছে ঃ (ক) অ-গণ আৰু (খ) এ-গণ। অৱশ্যে এই দুই গণৰ অন্তর্ভুক্ত কৰিব নোৱাৰা ধাতুবোৰক (গ) অন্যান্য গণ আখ্যা দি সুকীয়া ভাগ এটা কৰি লোৱা হৈছে। এই ফালৰ পৰা প্রাকৃত ধাতুৰ গণ-সংখ্যা তিনিটা বুলিব পাৰি। সি যি কি নহওক, প্রাকৃত ধাতুক অ-গণ, এ-গণ এনেদৰে ভাগ কৰিলেও, প্রায় আটাইবোৰ ধাতুৰ ক্ষেত্রতে শ্বাসাঘাত বিহীন অ-শ্রেণীৰ ভ্বাদিগণীয় ধাতুৰ দৰে, বা আন কথাত √ভু ধাতুৰ দৰে ৰূপ হোৱাৰ বিশেষ প্রৱণতাই দেখা দিলে। ইয়াৰ ঘাই কাৰণ দুটা ঃ (1) গণ-ৰ সংখ্যা অধিক হোৱাত তাক সৰলতৰ অৱস্থানলৈ আনি একীকৰণ কৰাৰ প্রৱণতা, (2) সংস্কৃতৰ ধাতু আৰু বিকৰণৰ সমীভৱন ঘটি নতুন ক্রিয়ামূল গঠন হোৱা। ইয়াৰ পৰিণতিকল্পে এনেদৰে নতুনকৈ সৃষ্টি হোৱা ক্রিয়ামূলবোৰ ভ্বাদিগণীয়ৰ দৰে ৰূপ হ'বলৈ লৈছিল। উদাহৰণ স্বৰূপে সংস্কৃত √নৃত্ ধাতু দিৱাদিগণীয়; কিন্তু প্রাকৃতত তাৰ ৰূপ সংস্কৃতৰ দৰে নৃত্যতি নহৈ ভ্বাদিগণীয় √ভূ ধাতুৰ ৰূপ 'ভৱতি'-ৰ সাদৃশ্যত 'নচ্চই' হৈছে। একেদৰে ক্র্যাদিগণীয় √ক্রী ধাতুৰ ৰূপ হৈছেগৈ 'কিণই'।

- *অ-গণ ঃ* সংস্কৃতৰ শ্বাসাঘাত বিহীন অ-শ্রেণী বা ভ্বাদিগণীয়, শ্বাসাঘাত যুক্ত অ-শ্রেণী বা তুদাদিগণীয়, য়-শ্রেণী বা দিৱাদিগণীয়, ন-শ্রেণী অর্থাৎ ৰুধাদিগণীয়, না-শ্রেণী বা ক্র্যাদিগণীয়, নু/উ-শ্রেণী বা স্বাদিগণীয় আৰু তনাদিগণীয় এই আটাইবোৰ ধাতু প্রাকৃতত অ-শ্রেণীৰ ভ্বাদিগণীয়ৰ দৰে ৰূপ লৈছিল; যেনে— ভৱতি > হোই, শুষ্য > সুস্, কৰোতি > কৰই, ক্রীণাতি > কিণই, তক্ষ্ণোতি > তচ্ছই, মৃদনাতি > মড্ডই, ইত্যাদি। উদাহৰণবোৰৰ পৰা এই কথা স্পষ্ট হয় যে সংস্কৃতৰ অ, য়, উ, নু, না শ্রেণীৰ অন্তর্গত আটাইবোৰ ধাতু প্রাকৃতত অ-শ্রেণীৰ দৰে ৰূপ হৈ অ-আকাৰ ধাৰণ কৰিছে।
- *এ-গণ ঃ* সাধাৰণতে চুৰাদিগণীয় ধাতু, ণিজন্ত ধাতু আৰু দুই এটা নামধাতু প্রাকৃতৰ এ-গণীয় ধাতুৰ ভিতৰত পৰে। মন কৰিব লগীয়া যে সংস্কৃতৰ চুৰাদিগণীয় ধাতুৰ 'অয়' প্রাকৃতত 'এ' হৈছে, যেনে— চোৰয়তি > চোৰেই, হাসয়তি > হাসেই, কথয়তি > কহেই (কধেদি—শৌ.) ইত্যাদি। ভ্বাদি, দিবাদি আৰু ক্র্যাদিগণীয় কেতবোৰ ধাতুও প্রাকৃতৰ এ-গণৰ দৰে ৰূপ হোৱা দেখা যায়; যেনে— পঠতি> পঠেই, পশ্যতি > পেচ্ছেই /পেচ্ছই, ক্রিণাতি > কিণেই, ইত্যাদি।
- *অন্যান্য গণ ঃ* সংস্কৃতৰ দ্বিত্ব শ্রেণীৰ হ্বাদিগণীয় ধাতুবোৰ আৰু অ / এ-গণৰ অন্তর্ভুক্ত কৰিব নোৱাৰা ধাতুবোৰক লৈ 'অন্যান্য গণ' নামেৰে এটা সুকীয়া শ্রেণী কৰা হৈছে। সংস্কৃতৰ দ্বিত্ব শ্রেণীৰ ধাতুবোৰৰ ধ্বনিগত পৰিৱর্তন সত্বেও প্রাকৃতত দ্বিত্ব ৰূপ ৰক্ষিত হোৱাৰ আভাস আছে যদিও, শেষলৈ দ্বিত্ব ৰূপ ৰক্ষিত হোৱা নাই; যেনে— √স্থা ধাতুৰ ৰূপ তিষ্ঠ + তি = তিষ্ঠতি। প্রাকৃতত

চিট্ঠদি বা চিখ্‌দি' আৰু অপভ্রংশত হৈছে 'থাহি'। আকৌ √ভূ ধাতু প্ৰায়ে 'হো' হৈছে। একেদৰে √কৃ + উ + তি = কৰোতি; কিন্তু মহাৰাষ্ট্ৰী প্ৰাকৃতত হৈছে 'কুণই'। এনেদৰে ব্যতিক্ৰম ৰূপ লোৱা ধাতুবোৰক লৈ প্ৰাকৃতত অন্যান্য গণ-ৰ ধাৰণা কৰা হৈছে।

এনেদৰে বিচাৰ কৰিলে দেখা যায় প্ৰাকৃতত সংস্কৃতৰ ধাতুৰূপৰ গণ বিভাজনৰ বৈশিষ্ট্য ভালেখিনি হ্ৰাস পাইছে। নামত অ-গণ, এ-গণ আৰু অন্যান্য গণ থাকিল যদিও, নাইবা আন কথাত ভ্বাদিগণীয়, তুদাদিগণীয় আৰু চুৰাদিণীয় ধাতু থাকিল যদিও অৱশেষত সেইবোৰো ভ্বাদিগণীয়ৰ দৰে ৰূপ হ'বলৈ ল'লে। এই কথাই এইটোকে প্ৰমাণ কৰে যে সংস্কৃতৰ গণ বিভাজন প্ৰাকৃতত প্ৰায় নাইকিয়া হৈ পৰিল।

মুঠতে সকলো ধাতুকে একগণীয় কৰি তোলাৰ প্ৰাণতা, ল-কাৰৰ বৈচিত্ৰ্য হ্ৰাস, আত্মনেপদী ধাতুৰূপৰ বিলোপ, বিকল্প বিভক্তিৰ প্ৰয়োগ, দ্বিবচনৰ লোপ আদি প্ৰাকৃত ধাতুৰূপৰ প্ৰধান বৈশিষ্ট্য। তলত প্ৰাকৃত ধাতুৰূপৰ নমুনা দুটিমান দাঙি ধৰা হ'ল ঃ

অ-গণীয় √গম্ ধাতু (লট্ বৰ্ত্তমানা)

বচন → / পুৰুষ ↓	একবচন	বহুবচন
প্ৰথম পুৰুষ	গচ্ছদি (শৌ), গশ্চদি (মাগ)	গচ্ছন্তি (শৌ), গশ্চন্তি (মাগ)
মধ্যম পুৰুষ	গচ্ছসি (শৌ), গশ্চশি (মাগ)	গচ্ছধ (শৌ), গশ্চধ (মাগ)
উত্তম পুৰুষ	গচ্ছামি (শৌ), গশ্চামি (মাগ)	গচ্ছামো (শৌ), গশ্চামো (মাগ)

এ-গণীয় কধ = √কথ্ ধাতু (লট্ বৰ্ত্তমানা)

বচন → / পুৰুষ ↓	একবচন	বহুবচন
প্ৰথম পুৰুষ	কধেদি (শৌ), কহেই (মাহা)	কধেন্তি (শৌ), কহেন্তি (মাহা)
মধ্যম পুৰুষ	কধেসি (শৌ), কহেসি (মাহা)	কধেধ (শৌ), কহেহ (মাহা)
উত্তম পুৰুষ	কধেমি (শৌ), কহেমি (মাহা)	কধেমো (শৌ), কহেমো (মাহা)



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ সংস্কৃতৰ মুখ্য ধাতুবোৰৰ পালি-প্ৰাকৃতত হোৱা পৰিৱৰ্তনবোৰ ফঁহিয়াই দেখুওৱাক।

প্ৰশ্ন নং ৫ ঃ সংস্কৃতৰ ধাতুৰ গণ-বিভাজনৰ সৈতে পালি-প্ৰাকৃত ধাতুৰ গণ-বিভাজনৰ তুলনা কৰি দেখুওৱাক।

১২.৩.৫ সংস্কৃতৰ গৌণ বা সাধিত ধাতুৰূপ

মূল ধাতুৰ লগত কেতবোৰ বিশেষ প্রত্যয় লগ লাগি নতুনকৈ উৎপত্তি হোৱা ধাতুৰ পাছত তিঙ্ বিভক্তি অনুসাৰে তেনে ধাতুৰ ৰূপ কৰাকে গৌণ ধাতুৰূপ বোলা হৈছে। আন কথাত সাধিত ধাতুৰ ৰূপ সাধন প্রক্রিয়াৰ নাম গৌণ ধাতুৰূপ। মুখ্য আৰু গৌণ ধাতুৰ ৰূপৰ ঘাই পার্থক্য হৈছে — মুখ্য ধাতুৰূপত তিঙ্ বিভক্তি পোনপটীয়াকৈ যোগ হয়; আনহাতে গৌণ ধাতুৰূপত ধাতুৰ পিছত প্রথমে কৃৎ প্রত্যয় লগ লাগে আৰু ধাতু আৰু কৃৎ প্রত্যয়ৰ যোগত সৃষ্টি হোৱা নতুন ধাতুত তিঙ্ বিভক্তি সংযোগ কৰি একো একোটা ক্রিয়াপদ গঠন কৰা হয়। তদুপৰি মুখ্য ধাতুত তিঙ্ বিভক্তি যোগ হোৱাৰ পূর্বে যিবোৰ বিকৰণ যোগ হয় গৌণ বা সাধিত ধাতুত সেইবোৰ যোগ নহয়। মন কৰিবলগীয়া যে মুখ্য বা মৌলিক ধাতুত যোগ হোৱা বিকৰণবোৰৰ কোনো অর্থ নাই; কিন্তু গৌণ ধাতুত যোগ হোৱা কৃৎ প্রত্যয়বোৰ অর্থবাচক। উদাহৰণ স্বৰূপে √হস্ + অ + তি = হসতি— এই ধাতুৰূপটোত হস্ ধাতুৰ সৈতে যোগ হোৱা 'অ' বিকৰণটোৰ কোনো অর্থ নাই। কিন্তু √গম্ + অয় + তি = গময়তি-ত 'অয়' কৃৎ প্রত্যয়টোৰ অর্থ আছে; ই যোৱা কার্যৰ নিদের্শনা বুজাইছে।

সংস্কৃতত গৌণ ধাতুৰূপত ক্রিয়াপদবোৰ সমাপিকা আৰু অসমাপিকা— এই দুয়োটা ৰূপত পোৱা যায়। সমাপিকা ক্রিয়া হিচাপে পাব পৰা ধাতুবোৰ হৈছে— সনন্ত বা ইচ্ছার্থক (desiderative, য়ঙন্ত (Frequentative), ণিজন্ত ধাতু (Causative), নাম ধাতু (Denominative), আৰু কর্মবাচ্য (Passive)। আনহাতে অসমাপিকা ক্রিয়া হিচাপে পোৱা গৌণ ধাতুবোৰ হৈছে— তুমুণন্ত বা নিমিত্তার্থক অসমাপিকা (Infinitive), কৃদন্ত (Participle) আৰু পূর্বকালিক অসমাপিকা (Gerund)। তলত প্রতিবিধৰে চমু আলোচনা দাঙি ধৰা হৈছে।।

সংস্কৃতৰ সনন্ত ধাতু ঃ 'ইচ্ছা কৰা' অর্থ প্রকাশ কৰিবলৈ সংস্কৃতত ধাতুৰ শেষত 'সন্' প্রত্যয় যোগ কৰা হয়। 'সন্'-ৰ ন্ লোপ পায়; কেৱল স্ অৱশিষ্ট থাকে। এই বিধ ধাতুৰ গঠন-বৈশিষ্ট্য হ'ল ঃ

- সন্ প্রত্যয় যোগ হ'লে ধাতুটোৰ অভ্যাস বা দ্বিত্ব (Reduplicated) হয়, যেনে— √পা + স্ (সন্) + তি (লট্) = পিপাসতি; তেনেদৰে √পঠ্— পিপঠিষতি, √জীব্ + জিজীৱিষতি, √জ্ঞা— জিজ্ঞাসতে, ইত্যাদি।
- ধাতুৰ অন্ত্যস্বৰ দীর্ঘ হয়।
- ধাতুটো ঋ-কাৰান্ত হ'লে ঋ-ৰ ঠাইত ই হয়, যেনে √তৃ— তিতীর্ষতি।

পালি-প্রাকৃতত সনন্ত ধাতু ঃ পালি-প্রাকৃতত সুকীয়া সনন্ত ধাতু পোৱা নাযায়। সংস্কৃতৰ সনন্ত ধাতুবোৰেই সামান্য পৰিৱর্তিত ৰূপত পালি-প্রাকৃতত ব্যৱহাৰ হৈছে। তদুপৰি পালিত এই ধাতুৰ যৎ সামান্য ব্যৱহাৰ পোৱা গ'লেও, প্রাকৃতত প্রায় নাই বুলিব পাৰি। পালিত কেইটিমান সনন্ত ধাতু হৈছে ঃ

√ভুজ্ — বুভুক্খতি
√পা— পিপাসতি, পিৱাসতি
√সু (শ্রু)— সুস্সুসতি
√দা— দিচ্ছতি ইত্যাদি।

মন কৰিব লগীয়া যে পালি-প্রাকৃতত এই ধাতুৰ গঠনত ধাতু মূলৰ অন্তিম বর্ণটো স, চ, খ, চ্ছ, ক্খ-লৈ পৰিৱর্তিত হয়। প্রাকৃতত স্বৰমধ্যস্থিত স্পর্শ ব্যঞ্জন লোপ পোৱা হেতুকে সামান্য সংখ্যক যিকেইটা সনন্ত ধাতু পোৱা গৈছে সেইবোৰ এনেদৰে ৰক্ষিত হৈছে ঃ দিচ্ছতি (পা) > দিচ্ছই (প্রা), পিৱাসতি (পা) > পিৱাসই (প্রা), জগুপ্সতে (সং) > জিগুচ্ছতি (পা) জুগুচ্ছই / জুগুচ্ছই (প্রা), জুগুচ্ছেদি (শৌ প্রা), ইত্যাদি।

সংস্কৃতৰ য়ঙন্ত ধাতু ঃ পুনঃ পুনঃ আৰু অতিশয় অর্থ প্রকাশ কৰিবলৈ সংস্কৃতত ধাতুৰ পাছত 'য়ঙ্' প্রত্যয় সংযোগ কৰা হয়। এই 'য়ঙ' প্রত্যয়ৰ 'ঙ্' লোপ পায় আৰু মাত্র 'য়' বর্তি থাকে। সংস্কৃতৰ য়ঙন্ত ধাতুবোৰ সাধাৰণতে আত্মনেপদী হয়। এই ধাতুৰ পৰা উৎপন্ন হোৱা ক্রিয়াৰূপবোৰবো বৈশিষ্ট্য সনন্ত ধাতুৰ দৰে। সনন্ত ধাতুত যিদৰে 'সন্' যোগ হোৱাৰ লগে লগে ধাতু দ্বিত্ব হয়, তেনেদৰে য়ঙন্ত ধাতুৰ ৰূপ কৰোঁতেও 'য়ঙ্' যোগ হোৱাৰ পাছত ধাতু দ্বিত্ব হয়। তদুপৰি ধাতুৰ আদি অক্ষৰত থকা স্বৰৰ বিভিন্ন ধৰণৰ পৰিৱর্তনো হয়; যেনে— √পঠ্ + য়ঙ্ + তে = পপঠ্যতে, √জল্ + য়ঙ্ + তে = জাজ্বল্যতে, √লুপ্ + য়ঙ্ + তে = লোলুপ্যতে, √ৰুদ্ + য়ঙ্ + তে = ৰোৰুদ্যতে, ইত্যাদি।

পালি-প্রাকৃতত য়ঙন্ত ধাতু ঃ সনন্ত ধাতু দৰে য়ঙন্ত ধাতুৰ সংখ্যাও পালি-প্রাকৃতত নিচেই তাকৰ। তদুপৰি পালি-প্রাকৃতত এই ধাতুবো নিজস্ব ৰূপ নাই। সংস্কৃতত গঠন হোৱা য়ঙন্ত ক্রিয়াৰূপবোৰেই সামান্য ধ্বনিগত পৰিৱর্তন হৈ পালি-প্রাকৃতত ব্যৱহাৰ হৈছে। উল্লেখনীয় যে পালিত য়ঙন্ত ধাতুবোৰ সংস্কৃতৰ দৰে আত্মনেপদী নহৈ পৰস্মৈপদী হয় আৰু য়-ৰ ঠাইত অ হয়; যেনে— জাজ্বল্যতে > দাদল্লতে, লালপ্যতে > লালপ্পতি, চঞ্চল্যতে > চঞ্চলতি, ইত্যাদি। প্রাকৃত ভাষাবোৰৰ ভিতৰত, অকল অর্ধ মাগধীত য়ঙন্ত ধাতুৰ দুই এটা ৰূপ পোৱা যায় আৰু তেনে ধাতুৰ গঠন বৈশিষ্ট্য পালিৰ সৈতে একে। অন্যান্য প্রাকৃতত য়ঙন্ত ধাতুৰ উদাহৰণ বিৰল।

১২.৩.৬ ণিজন্ত বা পাচনি ধাতু

সংস্কৃতত ণিজন্ত ধাতু ঃ আনৰ দ্বাৰা কোনো কার্য কৰোৱা বুজাবলৈ বা প্রেৰণা অর্থ বুজাবলৈ ধাতুৰ পিছত 'ণিচ্' প্রত্যয় সংযোগ কৰি যি ধাতু গঠন কৰা হয়, সেইবোৰকে ণিজন্ত ধাতু বোলা হৈছে (নিচ্ + অন্ত = ণিজন্ত)। ধাতুৰ সৈতে যুক্ত হোৱাৰ লগে লগে 'নিচ্' প্রত্যয়ৰ 'ন' আৰু 'চ' দুয়োটাই লুপ্ত হয় আৰু কেৱল 'ই'-টোহে যোগ হয়। ণিজন্ত ধাতুবোৰ উভয়পদী। এই ধাতুৰ ৰূপ কৰিলে 'নিচ্'-ৰ ঠাইত

'অয়' আদেশ হয়; যেনে— √দৃশ্ + নিচ্ (অয়) + তি (লট্) = দর্শয়তি। আকৌ 'ন' আৰু 'চ' লোপ পোৱাৰ পাছত বাকী থকা 'ই'-টো ধাতুৰ অন্ত্যস্বৰৰ সৈতে লগ লাগে আৰু এই 'ই'-ৰ গুণ, বৃদ্ধি আৰু সন্ধি হয়; যেনে— √পচ্ + নিচ্ (আয়) + তি (লট্) = পাচয়তি, √চল্ + নিচ্ (আয়) + তি (লট্) = চালয়তি, ইত্যাদি। ধাতুটো আ-কাৰান্ত হ'লে 'অয়'-ৰ ঠাইত 'পয়' হয় আৰু 'আপয়' ৰূপে প্ৰয়োগ হয়; যেনে √জ্ঞা + নিচ্ (পয়) + তি (লট্) = জ্ঞাপয়তি, √স্থা + নিচ্ (অয়) + তি (লট্) = স্থাপয়তি ইত্যাদি। কেতবোৰ বিশেষ ধাতুৰ পাছত 'নিচ্' যোগ হ'লে ন্-ৰ আগম হৈ 'অয়' 'নয়' হয়, যেনে— √ধু + নিচ্ + তি (লট্) = ধূনয়তি, √প্রী + নিচ্ + তি (লট্) = প্রীণয়তি ইত্যাদি।

পালি-প্রাকৃতত ণিজন্ত ধাতু ঃ পালি-প্রাকৃতত নিজন্ত ধাতুৰূপৰ কোনো স্বতন্ত্র বৈশিষ্ট্য পোৱা নাযায়। সংস্কৃতত 'অয়' আৰু 'পয়' বিকৰণৰ সংযোগত সৃষ্টি হোৱা কেতবোৰ ধাতু পালিত একে ধৰণে ৰক্ষিত হৈছে। আ-কাৰান্ত ধাতুত সংস্কৃতৰ দৰেই পালিতো 'পয়' বিকৰণ 'আপয়' হয়। এই বিকৰণৰ সংযোগৰ ফলত ধাতু স্বৰৰ গুণ-বৃদ্ধিও হয়। আকৌ কিছুমান ধাতুত ধ্বনিগত পৰিৱৰ্তনৰ ফলত অয় > এ, আৰু পয় /আপয় > পে আপে হোৱাও লক্ষ্য কৰা যায়। তলৰ উদাহৰণকেইটাই কথাখিনি বুজাত আপোনাক সহায় কৰিব ঃ

অয় ঃ √গম্ + অয় + তি (লট্) = গময়তি
√পচ্ + অয় + তি (লট্) = পাচয়তি
আপয় ঃ √হা + আপয় + তি (লট্) = হাপয়তি
√কা + আপয় + তি (লট্) = কাৰাপয়তি
অয় এ ঃ √গম্ + এ + তি (লট্) = গমেতি
আপে ঃ √কৰ + আপে + তি (লট্) = কাৰাপেতি, ইত্যাদি।

পালি ভাষাত 'অয়' আৰু 'পয়'/'আপয়' বিকৰণযুক্ত ণিজন্ত ধাতুৰ প্ৰয়োগ নিচেই তাকৰ। তাৰ পৰিৱৰ্তে ধ্বনিগত পৰিৱৰ্তনৰ ফলত সৃষ্টি হোৱা 'এ' আৰু 'পে'/'আপে' বিকৰণ যুক্ত ধাতুৰ বহুল ব্যৱহাৰ লক্ষ্য কৰা যায়। সাধাৰণতে এনে ধাতুৰ ৰূপে এ-গণীয় ধাতুৰূপৰ বিধি অনুসৰণ কৰে; যেনে—

√হস্ ঃ হাসয়তি > হাসেতি
√মাৰ্ ঃ মাৰয়তি > মাৰেতি
√জ্ঞা ঃ জ্ঞাপয়তি > আণাপেতি
√স্থা ঃ স্থাপয়তি > ঠপেতি ইত্যাদি।

পালিৰ তুলনাত প্ৰাকৃতত ণিজন্ত ধাতুৰ গঠন আৰু অধিক সৰলীকৃত হৈছে। প্ৰাকৃতত 'অয়' আৰু 'পয়' বিকৰণৰ ব্যৱহাৰ সমূলি পাবলৈ নাই। সংস্কৃতৰ দ্ব্যক্ষৰ ধ্বনি 'অয়' প্ৰাকৃতত 'এ'-লৈ পৰিৱৰ্তিত হোৱা হেতুকে 'অয়' আৰু 'পয়' যথাক্ৰমে 'এ' আৰু 'ৰে'/'আৰে' ৰপে সংযোগ হয় আৰু ধাতুত থকা স্বৰৰ বৃদ্ধি হয়; যেনে—

√কৰ্ + অয় + তি (লট্) = কাৰয়তি > কাৰেই

√আজ্ঞা + পয় + তি (লট্) = আজ্ঞাপয়তি > আণৱেই/আণৱেদি

√স্থা + পয় + তি (লট্) = স্থাপয়তি > ঠৱেই ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ সংস্কৃতত কিমান প্রকাৰৰ সাধিত ধাতু পোৱা যায়? সংস্কৃতৰ সনন্ত, যঙন্ত আৰু ণিজন্ত ধাতু পালি-প্রাকৃতত কেনেদৰে পৰিৱর্তিত হৈছে, উদাহৰণ সহ উল্লেখ কৰক।

১২.৩.৭ নামধাতু

সংস্কৃতত নামধাতু ঃ নামপদ, অর্থাৎ বিশেষ্য আৰু বিশেষণ শব্দ ধাতুৰূপে ব্যৱহাৰ হ'লে তাক নামধাতু বোলা হয়। নামধাতু মৌলিক বা মুখ্য ধাতু নহয়; বৰং ই সাধিত বা গৌণ ধাতুৰ অন্তর্গত। কোনো কোনো ব্যাকৰণবিদে এই প্রকাৰৰ ধাতুক এক বিশেষ শ্রেণীৰ ধাতুৰূপে গণ্য কৰিব খোজে। উল্লেখনীয় যে এই শ্রেণীৰ ধাতু আন ধাতুৰ দৰে মূল ধাতুৰ পৰা উদ্ভৱ নহৈ বিশেষ্যৰ পৰা গঠন কৰা হয়। সংস্কৃতত বিশেষ্য আৰু বিশেষণ পদৰ পাছত কেইটামান বিশেষ প্রত্যয় যোগ দি নামধাতু গঠন কৰা হয়। এই প্রত্যয়কেইটা হৈছে— 'কাম্য', 'ক্যচ্' আৰু 'ক্যঙ্'। এই তিনিটা প্রত্যয় ইচ্ছা, বুভুক্ষা, পিপাসা, আচৰণ আদি অর্থত নামপদৰ পাছত সংযুক্ত হৈ ধাতুৰূপে প্রয়োগ হয়। মন কৰিবলগীয়া যে নামপদত যোগ হোৱাৰ পাছত 'ক্যচ্' আৰু 'ক্যঙ্'-ৰ 'য়' মাত্র অৱশিষ্ট থাকে। সংস্কৃতত এই তিনিটা প্রত্যয়ৰ সংযোগত গঠিত সকলো নামধাতু ভ্বাদিগণীয় ধাতুৰ দৰে ৰূপ হয়; যেনে—

কাম্য ঃ পুত্রঃ + কাম্য + তি (লট্, পৰস্মৈপদী) = পুত্রকাম্যতি
যশঃ + কাম্য + তি (লট্, পৰস্মৈপদী) = যশস্কাম্যতি

ক্যচ্ (য়) ঃ পুত্রঃ + ক্যচ্ + তি (লট্, পৰস্মৈপদী) = পুত্রীয়তি
জ্ঞানঃ + ক্যচ্ + তি (লট্, পৰস্মৈপদী) =Âজ্ঞানীয়তি

ক্যঙ্ (য়) ঃ ৰাজন্ + ক্যঙ্ + তে (লট্, আত্মনেপদী) = ৰাজায়তে
ওজস্ + ক্যঙ্ + তে (লট্, আত্মনেপদী) =Âওজায়তে, ইত্যাদি।

কোনো কোনো ক্ষেত্রত আচৰণ অর্থ বুজাবলৈ নামশব্দৰ পাছত ক্বিপ্ প্রত্যয় সংযোগ কৰি নামধাতু গঠন কৰাৰ নিয়মো সংস্কৃত ভাষাত বিৰল নহয়। এনে ক্ষেত্রত ক্বিপ্ প্রত্যয় সম্পূর্ণৰূপে লোপ পায়; যেনে—

পুত্রঃ + ক্বিপ্ + তি (লট্) = পুত্রতি

শিষ্যঃ +Âক্বিপ্ + তি (লট্) = শিষ্যতি ইত্যাদি।

পালি-প্রাকৃতত নামধাতু ঃ নামধাতু গঠনৰ ক্ষেত্রত পালি-প্রাকৃতৰ নিজস্ব কোনো বৈশিষ্ট্য পাবলৈ নাই। সংস্কৃতৰ ক্যচ্ আৰু ক্যঙ্ প্রত্যয়ৰ পৰা অহা 'য়'-টোৱেই ধ্বনিগত পৰিৱর্তনৰ মাজেৰে আহি পালি-প্রাকৃতত প্রয়োগ হোৱা দেখা যায়। পালিত নামপদৰ পাছত যোগ হৈ নামধাতু গঠন কৰা প্রত্যয়কেইটা হৈছে— -অয়, আয়, -ইয় আৰু -ঈয়। এই প্রত্যয়কেইটা মূল 'য়' প্রত্যয়ৰ পৰা উদ্ধৃত। অৱশ্যে পালি ভাষাত নামধাতু গঠন কৰিবলৈ সর্বাধিক ব্যৱহৃত প্রত্যয়টো হৈছে '-আয়'। ণিজন্ত ধাতুৰ দৰে কেতিয়াবা ধ্বনিগত পৰিৱর্তনৰ ফলত 'অয়' প্রত্যয় 'এ' ৰূপেও প্রয়োগ হোৱা দেখা যায়। তলৰ উদাহৰণকেইটাই কথাখিনি বুজাত আপোনাক সহায় কৰিব ঃ

অয় ঃ পমাণ + অয় + তি (লট্) = পমাণয়তি

আয় ঃ চিৰ + আয় + তি (লট্) = চিৰায়তি

ধূম + আয় + তি (লট্) = ধূমায়তি

ইয় ঃ বিবাদ + ইয় + তি (লট্) = বিবাদিয়তি

ঈয় ঃ পুত্ত + ঈয় + তি (লট্) = পুত্তীয়তি

ধন + ঈয় + তি (লট্) = ধনীয়তি

এ ঃ সমাধান + এ + তি (লট্) = সমাধানেতি, ইত্যাদি।

কেতিয়াবা পালিত ণিজন্তৰ দৰে 'আপে' (< আপয়) প্রত্যয়ৰ যোগতো নামধাতুৰ গঠন হয়; যেনে— সুখাপেতি, দুখাপেতি, ইত্যাদি। আকৌ কেতিয়াবা কোনো প্রকাৰৰ বিকৰণ যোগ নোহোৱাকৈ নামপদক নামধাতুৰূপে ব্যৱহাৰ কৰা নিয়মো পালিত লক্ষ্য কৰা যায়; যেনে— অত্রিচ্ছা— অত্রিচ্ছতি, উস্সুক্ক— উস্সুক্কতি আদি।

প্রাকৃতত আঅ (< আয়) আৰু ৰে/আৰে (< আপয়) প্রত্যয় নামপদত যোগ হৈ নামধাতু গঠিত হয়। উল্লেখনীয় যে পালিৰ দৰে প্রাকৃততো নামধাতুৰ গঠন প্রক্রিয়াত ণিজন্ত ধাতুৰ সৈতে বিশেষ কোনো পার্থক্য পোৱা নাযায়। ধূমাই, সুহাঅই, সুহাঅদি (শৌ), সদ্দাৰেমি, বেঢ়াৰেই আদি তাৰ প্রকৃষ্ট উদাহৰণ। প্রাকৃতত কেতিয়াবা নামশব্দত কোনো বিকৰণ বা প্রত্যয় সংযোগ অবিহনেও তেনে নামপদ নামধাতুৰূপে ব্যৱহাৰ হোৱা পৰিলক্ষিত হয়; যেনে— দুক্খামি, সুহামি, মিস্সই ইত্যাদি।

১২.৩.৮ তুমুণন্ত ক্রিয়া

সংস্কৃতত তুমুণন্ত ক্রিয়া ঃ সংস্কৃত ভাষাত নিমিত্ত, ইচ্ছা আদি অর্থ প্রকাশ কৰিবলৈ ক্রিয়াবোধক ধাতুমূলৰ পিছত তুমুন্ প্রত্যয় সংযোগ কৰি তুমুণন্ত বা নিমিত্তার্থক অসমাপিকা ক্রিয়া গঠন কৰা হয়। তুমুন্ প্রত্যয়ৰ 'উ' আৰু 'ন' লোপ পায় আৰু মাত্র 'তুম্' থাকে; যেনে—

√গম্ + তুমুন্ = গন্তুম্
√নৃত্ + তুমুন্ = নর্ত্তিতুম্
√শ্রু + তুমুন্ = শ্রোতুম্
√পা + তুমুন্ = পাতুম্, ইত্যাদি।

পালি-প্রাকৃতত তুমুণন্ত ক্রিয়া ঃ পালি-প্রাকতত সংস্কৃতৰ 'তুমুন্' (তুম্) প্রত্যয় সামান্য ধ্বনিগত পৰিৱর্তন হৈ প্রয়োগ হৈছে। তদুপৰি কেইটামান নতুন ৰূপো সৃষ্টি হৈছে। পালি ভাষাত সংস্কৃতৰ 'তুমুন্' প্রত্যয়ৰ 'তুম্' পৰিৱর্তিত হৈ 'তুং' হৈছে। তদুপৰি বৈদিক ভাষাৰ -তৱৈ/তবৈ, -ত্বায়ে, ত্বায়-ৰ পৰা হোৱা -তৱে, -তুয়ে, -তায়ে প্রত্যয় ধাতুত যোগ হোৱা দেখা গৈছে; যেনে—

তুং ঃ কত্তুং, কাতুং (√কৃ > কৰ্)
হন্তুং, হনিতুং (√হন্)
সোতুং সুনিতুং (√শ্রু > সু)
দাতুং (√দা)
তৱে ঃ গন্তৱে (√গম্)
কাতৱে (√কৃ > কৰ্)
দাতৱে (√দা), ইত্যাদি।
তুয়ে ঃ মৰিতুয়ে (√মৃ মৰ্)
তায়ে ঃ খাদিতায়ে (√খাদ্)
দক্খিতায়ে (√দৃশ্), ইত্যাদি

সংস্কৃত তুমুন্ (তুম্) প্রত্যয় ভিন্ ভিন্ প্রাকৃততে ভিন্ ভিন্ ধৰণে ধ্বনিগত পৰিৱর্তন হৈ প্রয়োগ হোৱা দেখা যায়। শৌৰসেনী আৰু মাগধী প্রাকৃতত তুম্ প্রত্যয় স্বৰমধ্যস্থিত 'দ'-কাৰৰ (ত > দ) অৱস্থিতিৰ ফলত -দুং হৈছে; আনহাতে মহাৰাষ্ট্রী প্রাকৃতত স্বৰমধ্যৱর্তী স্পর্শ ব্যঞ্জনৰ লোপৰ ফলত তুং > উং হৈছে। আকৌ অর্ধ মাগধীত হৈছে- ইত্তয়ে/-ওয়ে। এই প্রত্যয় কেতিয়াবা মূল ধাতুৰ লগত আৰু কেতিয়াবা বর্তমান কালৰ লট্-ৰ লগত যুক্ত হোৱা দেখা গৈছে; যেনে—

শৌৰসেনী / মাগধী ঃ কাদুং, কৰিদুং (কৃ + তুম্), ঠাদুং (স্থা + তুম্)
মহাৰাষ্ট্রী ঃ কাউং (কৃ + তুম্), সোউং (শ্রু + তুম্)
অর্ধ মাগধী ঃ গচ্ছিত্তয়ে (গম্ + তুম) ইত্যাদি।

অৱশ্যে বৈদিক ভাষাৰ পৰা উদ্ভুত তৱে, তুয়ে, তায়ে আদি প্রত্যয় পালিত ৰক্ষিত হোৱা দেখা গ'লেও, প্রাকৃতত এই প্রত্যয়কেইটা সম্পূর্ণৰূপে লোপ পাইছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ সংস্কৃতৰ নামধাতু আৰু তুমুণন্ত ক্রিয়াপদসমূহৰ পালি-প্রাকৃতত হোৱা পৰিৱর্তনৰ দিশবোৰ ফঁহিয়াই বিশ্লেষণ কৰক।



১২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ অধ্যয়নৰ শেষত আমি গম পালো যে ক্রিয়াৰ মূলকে ধাতু বোলে।
- ধাতু শব্দত বিভক্তিৰ সংযোগৰ ধৰণলৈ লক্ষ্য কৰি সংস্কৃতৰ ধাতুৰূপক ঘাইকৈ দুটা ভাগত ভাগ কৰা হৈছে ঃ মুখ্য ধাতুৰূপ (Primary Conjugation) আৰু গৌণ বা সাধিত ধাতুৰূপ (Secondary Conjugation)। সংস্কৃতত সাধাৰণতে দুই ধৰণে ক্রিয়াপদ গঠন কৰা হয় ঃ (ক) ধাতুৰ পিছত তিঙ্ বিভক্তি যোগ কৰি আৰু (খ) ধাতুৰ পিছত -ক্তৱতু, -ক্ত, -ত্বাচ, -ল্যপ্, -শতৃ, -শানচ্ আদি কৃৎ প্রত্যয় সংযোগ কৰি। ইয়াৰে প্রথমটোক মুখ্য ধাতু আৰু দ্বিতীয়টোক গৌণ ধাতু বোলা হয়।
- কাল আৰু ভাব অনুসৰি সংস্কৃতত ধাতুৰ পিছত তিঙ্ বিভক্তি যোগ হয়। এই বিভক্তিবোৰক কাল অনুসৰি ছটা আৰু ভাব অনুসৰি চাৰিটা, সর্বমুঠ দহোটা ভাগত ভগোৱা হৈছে।
- সংস্কৃতত তিঙ্ বিভক্তিবোৰৰ প্রতিটোৰে সৈতে 'ল' থকা কাৰণে আৰু ইয়াৰ সংখ্য দহোটা হোৱা কাৰণে এইবোৰক 'দশ ল-কাৰ' বুলি কোৱা হৈছে। অর্থাৎ, সংস্কৃতত 'ল-কাৰ' মানেই তিঙ্ বিভক্তি। এই ল-কাৰবোৰ একে সময়তে সময়-জ্ঞাপক আৰু ভাব-জ্ঞাপক। পালিত কাল আৰু ভাব-প্রকাশক সংস্কৃতৰ দহোটা ল-কাৰৰ আঠোটা মাত্র সংৰক্ষিত হৈছে। প্রাকৃতত কাল আৰু ভাব প্রকাশক ল-কাৰ প্রতিটোৰে দুটাকৈ মুঠ চাৰিটা ৰক্ষিত হৈছে। সেইকেইটা যথাক্রমে ঃ লট্ আৰু লৃট্; লোট্ আৰু বিধিলিঙ্। প্রাকৃতত অৱশ্যে বিধিলিঙ্-ৰ প্রয়োগ নিতান্তই সীমিত।
- সংস্কৃতৰ প্রতিটো তিঙ্ বিভক্তিৰে তিনিটাকৈ পুৰুষ পোৱা যায় ঃ প্রথম পুৰুষ (Third Person), মধ্যম পুৰুষ (Second Person) আৰু উত্তম পুৰুষ (First Person)। প্রতিটো পুৰুষত বিভক্তিৰ তিনিটাকৈ বচন পোৱা যায় ঃ একবচন, দ্বিবচন আৰু বহুবচন। পালি-প্রাকৃতৰ ধাতুৰূপত মাত্র দুটা বচন ঃ একবচন আৰু বহুবচন; দ্বিবচন সম্পূর্ণৰূপে লোপ পাইছে। অৱশ্যে পুৰুষ সংস্কৃতৰ দৰে তিনিটা ঃ প্রথম পুৰুষ, মধ্যম পুৰুষ আৰু উত্তম পুৰুষ।

- সংস্কৃত ভাষাত ধাতুশব্দবোৰত তিঙ্ বিভক্তি যোগ হোৱাৰ লগে লগে ধাতুবোৰৰ আকৃতিৰ পৰিৱৰ্তন ঘটে। এনে পৰিৱৰ্তনৰ ধৰণৰ প্ৰতি লক্ষ্য ৰাখি এটা শৃংখলা আনিবৰ বাবে সংস্কৃতৰ আটাইবোৰ ধাতুক একোটাহঁত 'গণ'-ত বিভক্ত কৰা হৈছে। সংস্কৃতত ধাতুৰ এনে 'গণ'-ৰ সংখ্যা মুঠ দহোটা। পালিত মাত্ৰ সাতোটা গণ ৰক্ষিত হৈছে। আনহাতে, প্ৰাকৃতত মাত্ৰ দুটা গণহে পোৱা গৈছে ঃ 'অ-গণ' আৰু 'এ-গণ'। অৱশ্যে এই দুই গণৰ অন্তৰ্ভুক্ত কৰিব নোৱাৰা ধাতুবোৰক 'অন্যান্য গণ' আখ্যা দি সুকীয়া ভাগ এটা কৰি লোৱা হৈছে। এই ফালৰ পৰা প্ৰাকৃতত ধাতুৰ গণ-সংখ্যা তিনিটা বুলি ধৰিব পাৰি। সকলো ধাতুকে একগণীয় কৰাৰ প্ৰৱণতা প্ৰাকৃত ধাতুৰূপৰ অন্যতম প্ৰধান বৈশিষ্ট্য।
- সংস্কৃতত তিনি প্ৰকাৰৰ ধাতুৰূপ পোৱা যায় ঃ আত্মনেপদী, পৰস্মৈপদী আৰু উভয়পদী। পালিত ধাতুৰ আত্মনেপদ ৰূপ কিছু পৰিমাণে ৰক্ষিত হৈছে যদিও প্ৰাকৃতত অকল পৰস্মৈপদী ধাতুৰূপহে পোৱা গৈছে।
- মূল ধাতুৰ লগত কেতবোৰ বিশেষ প্ৰত্যয় লগ লাগি নতুনকৈ উৎপত্তি হোৱা ধাতুৰ পাছত তিঙ্ বিভক্তি সংযোগ কৰি ধাতুৰূপ কৰাকে গৌণ ধাতুৰূপ বোলা হৈছে। সংস্কৃতত গৌণ ধাতুৰূপত ক্ৰিয়াপদবোৰ সমাপিকা আৰু অসমাপিকা এই দুয়োটা ৰূপত পোৱা যায়। সমাপিকা ক্ৰিয়া হিচাপে পাব পৰা ধাতুবোৰ হৈছে— সনন্ত বা ইচ্ছাৰ্থক (Desiderative), য়ঙন্ত (Frequentative), ণিজন্ত ধাতু (Causative) নাম ধাতু (Denominative) আৰু কৰ্মবাচ্য (Passive)। আনহাতে অসমাপিকা ক্ৰিয়া হিচাপে পোৱা গৌণ ধাতুবোৰ হৈছে— তুমুণন্ত বা নিমিত্তাৰ্থক অসমাপিকা (Infinitive), কৃদন্ত (Participle) আৰু পূৰ্ণকালিক অসমাপিকা (Gerund)।
- 'ইচ্ছা কৰা' অৰ্থ প্ৰকাশ কৰিবলৈ সংস্কৃতত ধাতুৰ শেষত 'সন্' প্ৰত্যয় যোগ কৰা হয়। 'সন্'-ৰ ন্ লোপ পায়; কেবল 'স্' অৱশিষ্ট থাকে। পালি-প্ৰাকৃতত সুকীয়া সনন্ত ধাতু পোৱা নাযায়। সংস্কৃতৰ সনন্ত ধাতুবোৰেই সামান্য পৰিৱৰ্তিত ৰূপত পালি-প্ৰাকৃতত ব্যৱহাৰ হৈছে।
- পুনঃ পুনঃ আৰু অতিশয় অৰ্থ প্ৰকাশ কৰিবলৈ সংস্কৃতত ধাতুৰ পাছত 'য়ঙ্' প্ৰত্যয় সংযোগ কৰা হয়। এই 'য়ঙ্-ৰ 'ঙ্' লোপ পায় আৰু মাত্ৰ 'য়' বৰ্তি থাকে। পালি-প্ৰাকৃতত এই ধাতুবো নিজস্ব ৰূপ নাই। সংস্কৃততে গঠন হোৱা য়ঙন্ত ক্ৰিয়াৰূপবোৰেই সামান্য ধ্বনিগত পৰিৱৰ্তন হৈ পালি-প্ৰাকৃতত ব্যৱহাৰ হৈছে।
- আনৰ দ্বাৰা কোনো কাৰ্য কৰোৱা বুজাবলৈ বা প্ৰেৰণা অৰ্থ বুজাবলৈ ধাতুৰ পিছত 'ণিচ্' প্ৰত্যয় সংযোগ কৰি যি ধাতু গঠন কৰা হয়, সেইবোৰকে ণিজন্ত ধাতু বোলা হৈছে (নিচ্ + অন্ত + ণিজন্ত)। পালি-প্ৰাকৃতত ণিজন্ত ধাতুৰূপৰ কোনো স্বতন্ত্ৰ বৈশিষ্ট্য পোৱা নাযায়। পালিৰ তুলনাত প্ৰাকৃতত ণিজন্ত ধাতুৰ গঠন আৰু অধিক সৰলীকৃত হৈছে।

- নামপদ, অর্থাৎ বিশেষ্য আৰু বিশেষণ শব্দ ধাতুৰূপে ব্যৱহাৰ হ'লে তাক নামধাতু বোলা হয়। সংস্কৃতত বিশেষ্য আৰু বিশেষণ পদৰ পাছত কেইটামান বিশেষ প্রত্যয় যোগ দি নামধাতু গঠন কৰা হয়। এই প্রত্যয়কেইটা হৈছে— কাম্য, ক্যচ্ আৰু ক্যঙ্। ইয়াৰে ক্যচ্ আৰু ক্যঙ্ প্রত্যয়ৰ পৰা অহা 'য়'-টোৱেই ধ্বনিগত পৰিৱর্তনৰ মাজেৰে আহি পালি-প্রাকৃতত প্রয়োগ হোৱা দেখা যায়। পালিত নামপদৰ পাছত যোগ হৈ নামধাতু গঠন কৰা প্রত্যয়কেইটা হৈছে— -অয়, -আয়, -ইয় আৰু -ঈয়। প্রাকৃতত -আঅ (< আয়) আৰু -রে/-আরে (< আপয়) প্রত্যয় নামপদত যোগ হৈ নামধাতু গঠিত হয়। প্রাকৃতত কেতিয়াবা নামশব্দত কোনো বিকৰণ বা প্রত্যয় সংযোগ অবিহনেও নামধাতু গঠিত হোৱা দেখা যায়।
- সংস্কৃত ভাষাত নিমিত্ত, ইচ্ছা আদি অর্থ প্রকাশ কৰিবলৈ ক্রিয়াবোধক ধাতুমূলৰ পিছত তুমুন্ প্রত্যয় সংযোগ কৰি তুমুণন্ত বা নিমিত্তার্থক অসমাপিকা ক্রিয়া গঠন কৰা হয়। পালি ভাষাত সংস্কৃতৰ 'তুমুন্' প্রত্যয়ৰ 'তুম্' ধ্বনিগত পৰিৱর্তনৰ ফলত 'তুং' হৈছে। আকৌ প্রাকৃত স্তৰত ভিন্ ভিন্ প্রাকৃতত 'তুমুন্' প্রত্যয় ভিন্ ভিন্ ধৰণে ধ্বনিগত পৰিৱর্তন হৈ প্রয়োগ হোৱা দেখা যায়।



১২.৫ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

1] ঠাকুৰ, নগেন [1997]Ê, *পালি-প্রাকৃত-অপভ্রংশ ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ কে. এম. পাব্লিছিং।

2] শইকীয়া বৰা, লীলাৱতী [2002]Ê, *সংস্কৃত-পালি-প্রাকৃত আৰু অসমীয়া ব্যাকৰণ;* গুৱাহাটী ঃ বনলতা।

বাংলা গ্রন্থ ঃ

3] বিদ্যাসাগর, ঈশ্বরচন্দ্র [1996]Ê, *সমগ্র ব্যাকরণ-কৌমুদী (সংশোধিত);* কলকাতা ঃ দেব সাহিত্য কুটীর প্রাঃ লিঃ।

4] ভট্টাচার্য, দেবীদাস [1965]Ê, *মধ্য ভারতীয় আর্যভাষা ও সাহিত্যের ভূমিকা;* গৌহাটী ঃ ওরিয়েণ্টাল বুক কোম্পানী।

5] মজুমদাৰ, পৰেশ চন্দ্র [1971]Ê, *সংস্কৃত ও প্রাকৃত ভাষাৰ ক্রমবিকাশ* ।

ইংৰাজী গ্রন্থ ঃ

6] Biswas, Sukumar (1970); *A Comparative Old Indo-Aryan Grammar;* Guwahati : Bani Prakash.

7] Whitney, W. D. (1985); *Sanskrit Grammar;* Delhi : MBD, et al.

8] Burrow. T. (1973); *The Sanskrit Language.*

১২.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ ধাতু আৰু ধাতুৰূপ মানে ... ক্রিয়াৰ মূলকে ধাতু বোলে। আনহাতে ধাতুৰূপ...হ'ল ধাতু শব্দত ক্রিয়া-বিভক্তি যোগ হৈ ক্রিয়া শব্দৰ গঠন আৰু সিবোৰৰ ব্যৱহাৰ নির্দেশ কৰা প্রক্রিয়া। সংস্কৃতৰ ল-কাৰ... হ'ল ধাতুৰ সৈতে যোগ হৈ ক্রিয়াপদ গঠন কৰা তিঙ্ বিভক্তি বা আন কথাত ক্রিয়া-বিভক্তিসমূহ। এই তিঙ্ বিভক্তিবোৰৰ অর্থাৎ ল-কাৰবোৰৰ বিৱৰণ দিব লাগিব।

২নং প্রশ্নৰ উত্তৰ ঃ সংস্কৃত ধাতুবোৰক...ধাতুৰ আদ্যাক্ষৰত থকা ধ্বনি অনুযায়ী মুঠ দহোটা গণত বিভক্ত কৰা হৈছে। এই গণ বিভাজনৰ মূল ভিত্তি হ'ল বিকিৰণ; ধাতুশব্দবোৰত তিঙ্ বিভক্তি যোগ হোৱাৰ লগে লগে হোৱা আকৃতিৰ পৰিৱর্তনৰ ধৰণৰ প্রতি লক্ষ্য ৰাখি সেইবোৰক একো একোটা শ্রেণীৰ অন্তর্ভুক্ত কৰা। এনে গণৰ সংখ্যা দহোটা আৰু সিবোৰৰ প্রতিটোৰে আলোচনা দাঙি ধৰিব লাগিব।

৩নং প্রশ্নৰ উত্তৰ ঃ সংস্কৃত ধাতুৰ গণসমূহক ...অ-বিকৰণযুক্ত শ্রেণী আৰু অ-ভিন্ন বিকৰণযুক্ত শ্রেণী— এই দুটা প্রধান ভাগত ভগোৱা হৈছে। এই প্রধান ভাগ দুটাৰ উপভাগবোৰৰ বিষয়ে এটি আলোচনা যুগুত কৰিব লাগিব।

৪নং প্রশ্নৰ উত্তৰ ঃ সংস্কৃতৰ মুখ্য ধাতুবোৰৰ পালি-প্রাকৃতত ... কেনে ধৰণৰ আৰু কোন কোন দিশত পৰিৱর্তন হৈছে, সেই বিষয়ে বিশ্লেষণ কৰি দেখুৱাব লাগিব।

৫নং প্রশ্নৰ উত্তৰ ঃ সংস্কৃত ধাতুৰ গণ বিভাজন... আৰু পালি-প্রাকৃত ধাতুৰ গণ-বিভাজনৰ আভাস দাঙি ধৰি পালি-প্রাকৃতত কেনে ধৰণৰ পৰিৱর্তন ঘটিছে তাৰ তুলনা কৰি দেখুৱাব লাগিব।

৬নং প্রশ্নৰ উত্তৰ ঃ সংস্কৃতত ... পোৱা প্রতিবিধ সাধিত ধাতুৰ আভাস দাঙি ধৰি সনন্ত, য়ঙন্ত আৰু ণিজন্ত ধাতুৰ পালি-প্রাকৃতত কেনেদৰে পৰিৱর্তন ঘটিছে তাৰ তুলনা কৰি দেখুৱাব লাগিব।

৭নং প্রশ্নৰ উত্তৰ ঃ সংস্কৃতৰ নামধাতু আৰু তুমুণন্ত ক্রিয়াপদসমূহ ... পালি-প্রাকৃতত কেনে ধৰণে প্রয়োগ হৈছে, সেই বিষয়ে ফঁহিয়াই বিশ্লেষণ কৰিব লাগিব।



১২.৭ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ সংস্কৃত আৰু পালি-প্ৰাকৃতত ক্ৰিয়াশব্দৰ গঠনত প্ৰয়োগ হোৱা বিভক্তিবোৰৰ দুখন তালিকা কৰি সিবোৰৰ এক তুলনামূলক আলোচনা দাঙি ধৰক।

প্ৰশ্ন ২ ঃ সংস্কৃতৰ তিঙ্-বিভক্তিবোৰক কিয় ল-কাৰ বোলা হৈছে? সংস্কৃতত এনে ল-কাৰৰ সংখ্যা কিমান? পালি-প্ৰাকৃতত সংস্কৃতৰ আটাইকেইটা ল-কাৰ ৰক্ষিত হৈছে নে, উদাহৰণ সহ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ সংস্কৃতৰ ধাতুবোৰক প্ৰধানকৈ কেইটা ভাগত ভগোৱা হৈছে? পালি-প্ৰাকৃতত এনে বিভাজন পোৱা যায় নে, উপযুক্ত উদাহৰণ দি বিষয়টো ফঁহিয়াই দেখুৱাওক।

প্ৰশ্ন ৪ ঃ সংস্কৃতৰ মুখ্য ধাতুবোৰৰ সৈতে পালি-প্ৰাকৃতৰ মুখ্য ধাতুৰ তুলনা কৰি দেখুৱাওক।

প্ৰশ্ন ৫ ঃ সংস্কৃতত গৌণ ধাতু কেনেদৰে গঠিত হয়? পালি-প্ৰাকৃতত সংস্কৃতৰ আটাইবোৰ গৌণ ধাতু ৰক্ষিত হৈছেনে, উদাহৰণ সহ এটি আলচ যুগুত কৰক।

প্ৰশ্ন ৬ ঃ ণিজন্ত বা পাচনি ধাতু কাক বোলে? সংস্কৃতৰ ণিজন্ত ধাতুবোৰ পালি-প্ৰাকৃতত কিমানদূৰ ৰক্ষিত হৈছে, উপযুক্ত উদাহৰণেৰে বুজাই লিখক।

প্ৰশ্ন ৭ ঃ নামধাতু কথাযাৰৰ অৰ্থ কি? সংস্কৃতৰ নামধাতুৰ সৈতে পালি-প্ৰাকৃত নামধাতুৰ পাৰ্থক্য দেখুৱাই এটি আলোচনা যুগুত কৰক।

প্ৰশ্ন ৮ ঃ সংস্কৃতত তুমুণন্ত ক্ৰিয়াপদ কেনেদৰে গঠিত হয়? সংস্কৃতৰ তুমুণন্ত ক্ৰিয়াপদসমূহ পালি-প্ৰাকৃতত কেনেদৰে পৰিৱৰ্তিত হৈছে, বুজাই লিখক।

*** ***** ***



প্রসঙ্গ পুথি

অসমীয়া গ্রন্থ ঃ

১) গোস্বামী, সত্যেন্দ্র নাৰায়ণ (১৯৯০); *ধম্মপদ*; গুৱাহাটী ঃ চন্দ্রপ্রকাশ।

২) গোস্বামী, সত্যেন্দ্র নাৰায়ণ (১৯৯২); *প্রাকৃত পাঠ-মঞ্জুষা*; গুৱাহাটী ঃ বনলতা।

৩) গোস্বামী, সত্যেন্দ্র নাৰায়ণ (১৯৯৩); *প্রাকৃত সাহিত্য*; গুৱাহাটী ঃ বাণী প্রকাশ।

৪) ঠাকুৰ, নগেন (১৯৮৯); *প্রাকৃত সাহিত্য চয়ন*; গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৫) ঠাকুৰ, নগেন (১৯৮৯); *প্রাকৃত সাহিত্য অধ্যয়ন*; গুৱাহাটী ঃ জ্যোতি প্রকাশ।

৬) ঠাকুৰ, নগেন (১৯৯২); *অশোকৰ অনুশাসন*; গুৱাহাটী ঃ জ্যোতি প্রকাশ।

৭) ঠাকুৰ, নগেন (১৯৯৪); *পালি-প্রাকৃত-অপভ্রংশ ভাষা আৰু সাহিত্য*; গুৱাহাটী ঃ কে. এম. পাব্লিচিং।

৮) ভট্টাচার্য, বিধুশেখৰ (শাস্ত্রী) (১৩৫৮); -----, কলকাতা ঃ পালি প্রকাশ।

৯) ভট্টাচার্য, বিদান (১৯৭১); *ধম্মপদ*, কলকাতা।

১০) শইকীয়া বৰা, লীলাৱতী (২০০২); *সংস্কৃত-পালি-প্রাকৃত আৰু অসমীয়া ব্যাকৰণ*, গুৱাহাটী ঃ বনলতা।

১১) শর্মা, শৈলেনজিৎ (২০০৫); *ধম্মপদ পৰিচিতি*, পাঠশালা ঃ সর্বমঙ্গলম প্রকাশন।

১২) শর্মা, শৈলেনজিৎ (২০০৫) *পূর্ণাঙ্গ ধম্মপদ*; পাঠশালা ঃ সর্বমঙ্গলম প্রকাশন।

১৩) শর্মা, শৈলেনজিৎ (২০০৮) *ধম্মপদ-তত্বকথা*, পাঠশালা ঃ সর্বমঙ্গলম প্রকাশন।

১৪) ভট্টাচার্য, বিধুশেখৰ (শাস্ত্রী) (১৩৫৮); -----, কলকাতা ঃ পালি প্রকাশ।

১৫) ভট্টাচার্য, বিদান (১৯৭১); *ধম্মপদ*, কলকাতা।

১৬) শইকীয়া বৰা, লীলাৱতী (২০০২); *সংস্কৃত-পালি-প্রাকৃত আৰু অসমীয়া ব্যাকৰণ*, গুৱাহাটী ঃ বনলতা।

১৭) শর্মা, শৈলেনজিৎ (২০০৫); *ধম্মপদ পৰিচিতি*, পাঠশালা ঃ সর্বমঙ্গলম প্রকাশন।

১৮) শর্মা, শৈলেনজিৎ (২০০৫) *পূর্ণাঙ্গ ধম্মপদ*; পাঠশালা ঃ সর্বমঙ্গলম প্রকাশন।

১৯) শর্মা, শৈলেনজিৎ (২০০৮) *ধম্মপদ-তত্বকথা*, পাঠশালা ঃ সর্বমঙ্গলম প্রকাশন।

২০) ঠাকুৰ, নগেন (২০০২); *সংস্কৃত-পালি-প্রাকৃত আৰু অসমীয়া ব্যাকৰণ*, গুৱাহাটী ঃ বনলতা।

২১) গোস্বামী, উপেন্দ্র নাথ (২০০০); *অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ*; গুৱাহাটী ঃ বৰুৱা এজেঞ্চি।

বাংলা গ্রন্থ ঃ

১) বন্দ্যোপাধ্যায়, ধীরেন্দ্র নাথ (১৯৮৮); *সংস্কৃত সাহিত্যের চণ্ডীদাস;* কলকাতা ঃ পশ্চিমবঙ্গ রাজ্য পুস্তক পর্ষদ।

২) বসু, শংকৰী প্রসাদ (১৯৯৯); *বিদ্যাপতি ও চণ্ডীদাস;* কলকাতা ঃ দে'জ পাব্লিকেশ্যন।

৩) ভট্টাচার্য, দেবীদাস (১৯৬৫); *মধ্য ভারতীয় আর্য ভাষা ও সাহিত্যের ভূমিকা;* গৌহাটী ঃ ওরিয়েণ্টেল বুক কোম্পানী।

৪) মজুমদার, পরেশচন্দ্র (১৯১৭); *সংস্কৃত ও প্রাকৃত ভাষার ক্রমবিকাশ।*

৫) সেন, সুকুমার (১৯৬৮); *ভাষার ইতিবৃত্ত*।

৬) বিদ্যাসাগর, ঈশ্বরচন্দ্র (১৯৯৬); *সমগ্র ব্যাকরণ-কৌমুদী (সংশোধিত);* কলকাতা ঃ দেব সাহিত্য কুটীর প্রাঃ লিঃ।

৭) ভট্টাচার্য, দেবীদাস (১৯৬৫); *মধ্য ভারতীয় আর্য ভাষা ও সাহিত্যের ভূমিকা;* গৌহাটী ঃ ওরিয়েণ্টেল বুক কোম্পানী।

৮) মজুমদার, পরেশচন্দ্র (১৯১৭); *সংস্কৃত ও প্রাকৃত ভাষার ক্রমবিকাশ।*

৯) বন্দ্যোপাধ্যায়, ধীরেন্দ্র নাথ (১৯৮৮); *সংস্কৃত সাহিত্যের ইতিহাস;* কলকাতা ঃ পশ্চিমবঙ্গ রাজ্য পুস্তক পর্ষদ।

১০) বিদ্যাসাগর, ঈশ্বরচন্দ্র (১৯৯৬); *সমগ্র ব্যাকরণ-কৌমুদী (সংশোধিত);* কলকাতা ঃ দেব সাহিত্য কুটীর প্রাঃ লিঃ।

১১) ভট্টাচার্য, দেবীদাস (১৯৬৫); *মধ্য ভারতীয় আর্য ভাষা ও সাহিত্যের ভূমিকা;* গৌহাটী ঃ ওরিয়েণ্টেল বুক কোম্পানী।

ইংৰাজী গ্রন্থ ঃ

1) Geiger, W (1956); *Pali Language and Literature*; (Tr. by B. K. Ghosh).

2) Radha Krishnan, S. (1950); *The Dhammapada*; New Delhi.

3) Biswas, Sukumar (1970); *A Comparative Old Indo-Aryan Grammar;* Pathsala, Guwahati : Bani Prakash.

4) Kale, M. R. (Ed.) (1969); *The Abhijnana Sakuntalam of Kalidasa.* Delhi : MBD.

5) Keith, A. B. (1973); *A History of Sanskrit Literature;* Oxford UP, Delhi : et al.

6) Mishra, Hari Mohan (1989); *'Kirtilata', in Encyclopeadia of Indian Literature, Vol-3. (ed.)* by Amaresh Dutta, Delhi : Sahitya Academi.

7) Winternitz, M. (1985); *History of Indian Literature; Vol-II* (trans in English by Subhadra Jha); Delhi : MBD.
8) Pischel, R. (1981); *A Grammar of the Prakrit Language.*
9) Sen, S. (1960) ; *A Comparative Grammar of Middle Indo Aryan.*
10) Whitney, W. D. (1985); *Sanskrit Grammar;* Delhi : MBD, et al.
11) Burrow. T. (1973); *The Sanskrit Language.*
12) Macdonell, A. A. (1988); *A Sanskrit Grammar for Students;* Delhi : MBD.
13) Burrow. T. (1973); *The Sanskrit Language.*